891.4.09
AS72 P

Acc No: 267/New.

# প্ৰবন্ধ-সংগ্ৰহ

অসম সাহিত্য সন্মিলন,

সপ্তদশ বাৰ্ষিক অধিৱেশন,

অভ্যৰ্থনা সমিতি, গুৱাহাটী

# প্ৰবন্ধ-সংগ্ৰহ

*267/NEW*

অসম সাহিত্য সম্মিলন সপ্তদশ বাৰ্ষিক

অধিৱেশন

অভ্যাৰ্থনা সমিতি, গুৱাহাটী

COTTON COLLEGE GAUHATI

১৮৫৯ শক

৪৭১·৭১০০

# আমাৰ একেষাৰ

সন্মিলনৰ বছেৰেকীয়া অধিৱেশনৰ লগে লগে এই ধৰণৰ প্ৰবন্ধ পুথি প্ৰকাশ কৰি সাহিত্যৰ সম্পদ বঢ়োৱাৰ চেষ্টা আমাৰ মাজত অভ্যৰ্থনা সমিতিৰ এয়ে প্ৰথম।

যদিও প্ৰকাশৰ খৰচ আৰু দায়িত্ব সম্পৰ্কে এই প্ৰবন্ধ পুথি খনৰ মূল সাহিত্য সভাৰ লগত সম্বন্ধ নাই তথাপি সন্মিলনৰ উপলক্ষে ইয়াক প্ৰকাশ কৰাত এই বাৰৰ বছেৰেকীয়া অধিৱেশনৰ ই এটি বিশেষত্ব হৈছে বুলিব পাৰি।

অভ্যৰ্থনা সমিতিয়ে প্ৰবন্ধ গোটাবলৈ, বাছিবলৈ আৰু সঙ্কলন কৰিবলৈ যি সকলৰ ওপৰত ভাৰ দিছিল, তেওঁলোকৰ পৰিশ্ৰম কিমান দূৰ সফল হৈছে ৰাইজে বিবেচনা কৰিব ; কিন্তু এইটো স্বীকাৰ নকৰি নোৱাৰোঁ যে সাহিত্য-সেৱী-সকলৰ পৰা আমি আশাতীত আগ্ৰহ আৰু সহানুভূতি পাইছোঁ, নহলে ইমান কম সময়ৰ ভিতৰত ইমানবিলাক প্ৰবন্ধ আমাৰ হাতত গোট নাখালেহেঁতেন। বাতৰি কাকতত জাননী দিয়াৰ উপৰিও বহুত সাহিত্যিকলৈ প্ৰবন্ধ সমিতিৰ পৰা লিখিত আৰু মৌখিক অনুৰোধ কৰা হৈছিল, তাৰ যথেষ্ট সমিধান পোৱা হৈছে।

প্ৰবন্ধ পঠাওঁতাসকলক আমাৰ আন্তৰিক ধন্যবাদ জনালোঁ। ইয়াত প্ৰকাশ কৰা প্ৰবন্ধৰ ভিতৰত অনেক ভুল-ত্ৰুটী থাকি যোৱা বাবে লিখকসকলক আমি ক্ষমা খুজিছোঁ। অনেক ততাতৈয়াকৈ এইটি কাম এইবাৰ নতুনকৈ হাতত লোৱা বাবে যি ফেৰি হীনডেঢ়ি হল তাক যেন সহৃদয় লিখকসকলে মৰমৰ চকুৰে চায়। মূৰামূৰি সময়ত পোৱা কেইটিমান মূল্যৱান প্ৰবন্ধও সময়ৰ অভাৱত আমি এই পুথিত ঠাই দিব নোৱাৰি দুঃখিত, আশা কৰোঁ যেন তাৰ-বাবে লিখকসকল নিৰুদ্যম নহব।

গুৱাহাটী
১০ পুহ ৪৮৯শঙ্কৰাব্দ

শ্ৰীমাধৱ চন্দ্ৰ বেজবৰুৱা
সম্পাদক, প্ৰবন্ধ সমিতি

# পাতনি

অসম সাহিত্য সভাৰ বছেৰেকীয়া অধিৱেশন উপলক্ষে অভ্যৰ্থনা সমিতিয়ে আগধৰি প্ৰবন্ধ গোটাই পুথি প্ৰকাশ কৰাৰ এয়ে প্ৰথম চেষ্টা। প্ৰথম উদ্যম বুলি ইয়াতো বহু ভুল-ত্ৰুটী ৰৈ গল, তাক আমি স্বীকাৰ নকৰি নোৱাৰোঁ। সৰহ ভাগ প্ৰবন্ধ নিৰ্দ্ধাৰিত সময় পাৰ হৈ যোৱা বহুত পাচত হে পোৱা গৈছিল। কেতবিলাক প্ৰবন্ধ মূৰামূৰি সময়ত হে আমাৰ হাতত পৰিল। সেই গতিকে ততাতৈয়াকৈ ছপাখানাৰ লগত বন্দবস্ত কৰিব লগা হোৱাত বহুত অসুবিধাৰ মাজেদি এই পুথি প্ৰকাশ কৰা হৈছে। গুৱাহাটীৰ ছপাখানাত সম্পূৰ্ণ পুথিখন সন্মিলনৰ আগতে উলিয়াই দিব নোৱাৰাৰ কাৰণে প্ৰথম খণ্ড গুৱাহাটীৰ "জয়ন্তী আৰ্ট প্ৰেছ"ত ছপাবলৈ দি, বাকী প্ৰবন্ধবিলাক দ্বিতীয় খণ্ড স্বৰূপে কলিকতাত খৰধৰকৈ ছপাই সন্মিলনৰ আগতে ৰাইজৰ আগলৈ উলিয়াৰ বন্দবস্ত কৰা হৈছিল;—তাৰ বাবে ইমান ততাতৈয়া কৰিব লগা হল যে—অনেক প্ৰবন্ধ ভালকৈ সম্পাদন কৰিবৰ সময় নোলাল আৰু বৰ্ণাশুদ্ধবিলাকো ভালকৈ পৰীক্ষা কৰিবলৈ সুবিধা নহল। এই ত্ৰুটীৰ বাবে আমি ৰাইজৰ ওচৰত ক্ষমা মাগিছোঁ। শুধৰণিৰ টোকা এটি পুথিৰ শেষত দিয়া হৈছে, সদাশয় গ্ৰাহকসকলে অনুগ্ৰহ কৰি সেই টোকা মতে পুথিৰ ভুলবিলাক নিজে শুধৰাই লয় যেন।

আমি বহুতো প্ৰবীণ আৰু নবীন লিখকৰ পৰা এই পুথিৰ কাৰণে প্ৰবন্ধ পাইছিলোঁ। সমুদায় ৭২ টি প্ৰবন্ধ আমাৰ হাতত পৰিছিলহি। তাৰ ভিতৰত বহুত লেখকৰ প্ৰবন্ধ এই পুথিত ঠাই দিবলৈ নুজুৰিলে আৰু কেতবিলাক প্ৰবন্ধ বাচনিত নুঠিল। অভ্যৰ্থনা সমিতিয়ে গঠন কৰা প্ৰবন্ধ বাচনি কমিটীয়ে বহুত কষ্ট স্বীকাৰ কৰি এটাইবিলাক প্ৰবন্ধ পৰীক্ষা কৰি চাই দিয়া বাবে আমি বাচনি-কমিটীৰ সভ্যসকলৰ শলাগ লওঁ। কমিটীয়ে যিবিলাক প্ৰকাশৰ যোগ্য বুলি ক্ৰম অনুসাৰে বাছি দিছিল তাৰ ভিতৰতো কেইটিমান সময়ৰ অভাৱত ছপাব পৰা নগল। আমি সকলো প্ৰবন্ধ লিখকৰ ওচৰতে কৃতজ্ঞ। যিবিলাকৰ প্ৰবন্ধ প্ৰকাশ কৰিব পৰা নহল, তেখেতসকলকো উদ্যোগৰ বাবে আমি শলাগ লওঁ, আৰু তেখেতসকলৰ প্ৰবন্ধ প্ৰকাশ কৰিব নোৱাৰা বাবে দুখ প্ৰকাশ কৰিলোঁ। আশা কৰোঁ আগলৈকো প্ৰচেষ্টাৰ বাবে অসমীয়া লিখকসকলে

উৎসাহ দিবলৈ নেৰিব প্ৰেম। বহুত কামৰ ভিৰ থকা স্বত্ত্বেও, জয়ন্তী আৰ্ট প্ৰেছৰ গৰাকী শ্ৰীযুত কেশৱ কান্ত বৰুৱাদেৱে আন কাম পেলাই থৈয়ো এই পুথিৰ অন্ততঃ প্ৰথম ছোৱা ছপাই দিয়া বাবে আমি তেখেতৰ ওচৰতো কৃতজ্ঞ। বাকী ছোৱা ছপাৰ কাৰণে শ্ৰীমান দেৱেন্দ্ৰনাথ বেজবৰুৱাই গুৱামুৰি সময়ত কলিকতালৈ গৈ তাতে প্ৰৱাসৰ কষ্ট স্বীকাৰ কৰি প্ৰায় ১৬ দিনতে দ্বিতীয় খণ্ড ছপোৱাই অনাৰ বাবে আমি বেজবৰুৱাৰো শলাগ ললোঁ।

আগৰ প্ৰবন্ধ সমিতিৰ সম্পাদক শ্ৰীযুত অতুলচন্দ্ৰ হাজৰিকাদেৱ প্ৰায় প্ৰাৰম্ভণতে নিজ কাৰ্য্যোপলক্ষে স্থানান্তৰ হব লগা হোৱাত প্ৰবন্ধ সংগ্ৰহ আৰু সঙ্কলনৰ সম্পূৰ্ণ ভাৰ ন সম্পাদক শ্ৰীযুত মাধৱ চন্দ্ৰ বেজবৰুৱাই বহন কৰিব লগা হ'ল। তেখেতে অল্প সময়ৰ ভিতৰতে এই কামত যি তৎপৰতা দেখুৱাইছে তাৰ বাবে আমি তেখেতৰ ওচৰত কৃতজ্ঞ।

ছপাৰ প্ৰুফ আদি চোৱাত কবিবৰ শ্ৰীযুত ৰঘুনাথ চৌধাৰী ডাঙৰীয়াই কিছু দূৰ সহায় নকৰা হলে পুথিৰ অৱস্থা যে আৰু শোচনীয় হলহেঁতেন তাত সন্দেহ নাই। শ্ৰীযুত ডাঙৰীয়াও আমাৰ শলাগৰ পাত্ৰ।

যাতে সৰ্ব্ব-সাধাৰণৰ মাজত আমাৰ সাহিত্যৰ বহুল প্ৰচাৰ হয়, তাৰ বাবে আমাৰ এই ক্ষুদ্ৰ প্ৰচেষ্টা;—ইয়াকে লৈ সাহিত্য সভা উপলক্ষে এনে ধৰণৰ পুথি বছৰি অন্ততঃ এবোলনকৈ প্ৰকাশ হলেও সাহিত্যৰ প্ৰকৃত সেৱা কৰা হয় বুলি আমাৰ বিশ্বাস। গ্ৰাহকসকলক শস্তা দৰত পুথিখন দিয়া উদ্দেশ্যে ইয়াৰ মূল্য নাম মাত্ৰ ধৰা হৈছে।—ইয়াৰ পৰা যদি কিবা লাভো হয়, তাক পুনৰ সাহিত্য প্ৰকাশৰ উদ্দেশ্যেই খৰচ হব। এই পুৰুষাৰ্থৰ দ্বাৰা অসমীয়া সাহিত্য যদি কিঞ্চিৎমানো চহকী হয় তেনেহলেও আমি কৃতাৰ্থ মানিম। আশা কৰোঁ আমাৰ প্ৰথম উদ্যম ফেৰি ৰাইজে মৰমৰ চকুৰে চাব। ইতি—

সভাপতি—শ্ৰীগোপীনাথ বৰদলৈ।

অসম সাহিত্য সভা
সপ্তদশ বাৰ্ষিক অধিবেশন,
অভ্যৰ্থনা সমিতি, গুৱাহাটী
১০ পুহ ১৮৫৯ শক

মহম্মদ মুহিবুল্লা
শ্ৰীউমেশ চন্দ্ৰ চৌধাৰী
শ্ৰীহৰমোহন দাস
} যুটীয়া সম্পাদক

# সূচী

LIBRARY
Date AUG 1949
GAUHATI

## প্ৰথম খণ্ড

১। পিতামহ ভীষ্ম …
শ্ৰীযুত লক্ষ্মীনাথ বেজবৰুৱা, বি-এ, ১
২। আহোমৰ সামাজিক কথা …
ৰায়বাহাদুৰ শ্ৰীযুত পদ্মনাথ গোহাঞি বৰুৱা … ৭
৩। অনাহূত (কবিতা) … শ্ৰীযুত ৰঘুনাথ চৌধাৰী ১০
৪। সুমক বৰকাথ …
ৰায়বাহাদুৰ শ্ৰীযুত কনকলাল বৰুৱা চি, আই, ই … ১১
৫। বন্দিনী (কবিতা) … শ্ৰীযুত অতুলচন্দ্ৰ হাজৰিকা বি, এল ২২
৬। ইছলাম আৰু ভাৰতীয়ধৰ্ম্ম আৰু খৃষ্টিৰ সমন্বয়
মৌঃ মহম্মদ মুহিবুল্লা বি, এ, ই, এ, চি, … ২৫
৭। প্ৰেমৰ দৰ্শন (কবিতা) … মৌঃ মহম্মদ বাৰহান শাহ বি, এ ৩৯
৮। বৈষ্ণৱ সাহিত্যত গণতন্ত্ৰবাদ
শ্ৰীযুত মৌহিনচন্দ্ৰ মহন্ত বি, এল … ৪০
৯। কলাবিদ্যা, কবিতা আৰু ধৰ্ম্ম শ্ৰীযুত ত্ৰৈলোক্যনাথ গোস্বামী এম-এ, বি-এল ৪৪
১০। অসমীয়া ভাষাৰ জীৱনী …
শ্ৰীযুত হৰিনাথ পাঠক চৌধুৰী … ৫৫
১১। গুপুত বতৰা (কবিতা) … শ্ৰীযুত মহেন্দ্ৰনাথ ফুকন ৬৪
১২। অসমীয়া ভাষাৰ বৰ্ত্তমান লেখা প্ৰণালী আৰু আখৰ যোঁটনি সম্পৰ্কে
শ্ৰীযুত দেবেশ্বৰ চলিহা, বি, এল, … ৬৭
১৩। "দিহিঙে-দিপাঙে" …
শ্ৰীযুত মাধৱচন্দ্ৰ বেজবৰুৱা বি, এ … ৭৮
১৪। বিহুৱান (গীতৰ শৰাই) … শ্ৰীযুত উমেশচন্দ্ৰ চৌধাৰী বি, এল ৯০
১৫। ফুলপানী ছিগা ৰণৰ প্ৰাসঙ্গিক কথা
শ্ৰীযুত বিনন্দচন্দ্ৰ বৰুৱা বি, এ … ৯৪
১৬। যতি (Punctuation) …
শ্ৰীযুত সুৰেন্দ্ৰমোহন দাস এম্-এ … ১০৮

## দ্বিতীয় খণ্ড

১৭। তেজপুৰৰ পুৰণি কথা—
ৰায়বাহাদুৰ শ্ৰীযুত আনন্দচন্দ্ৰ আগৰৱালা ... ... ... ১
১৮। বৰ্ত্তমান যুগৰ সমস্যা
শ্ৰীযুত বিজয়চন্দ্ৰ ভাগৱতী ... ১৩
১৯। বিধাতাৰ আশীৰ্ব্বাদ
শ্ৰীযুত হৰিপ্ৰসাদ বৰুৱা বি-ই ১৬
২০। দৰ্শনৰ আভাস
শ্ৰীযুত ৰাধিকানন্দ চৌধুৰী (প্ৰশান্তমূৰ্ত্তি) ... ২৯
২১। অসমীয়া খাদ্যৰ গুণাগুণ
ডাঃ শ্ৰীযুত ঘনশ্যাম দাস এল্-এম্-পি ৪৮
২২। সাহিত্যৰ স্বৰূপ
শ্ৰীযুত ৰত্নকান্ত বৰকাকতী ... ... ৫৭
২৩। বিদায়-বেদনা (কবিতা) শ্ৰীযুত মহেশ্বৰ নেওগ ... ৭১
২৪। বিদ্যুৎ (Electricity)
শ্ৰীযুত হৰেন্দ্ৰনাথ কলিতা ... ... ৭২
২৫। বঙালি বিহু (কবিতা) শ্ৰীযুত মহিমচন্দ্ৰ সিংহ ... ৮৭
২৬। অসমত জ্যোতিষ
শ্ৰীযুত আদ্যনাথ ভট্টাচাৰ্য্য ... ... ৮৯
২৭। কান্দিম কিমান (কবিতা) শ্ৰীযুত কুমুদেশ্বৰ বৰঠাকুৰ বি-টি ৯৫
২৮। সমাজতন্ত্ৰবাদ আৰু নব্য ৰুছিয়াৰ চমু পৰিচয়
শ্ৰীযুত হৰেন্দ্ৰনাথ বৰুৱা বি-এল্ ... ... ৯৭
২৯। আমাৰ জাতীয় দৈন্য আৰু ৰাজহ-নীতি
শ্ৰীযুত জগদীশচন্দ্ৰ মেধী এম্-এ বি-এল্ ... ১০৯
৩০। জাগে আজি পুৰোহিত (কবিতা) শ্ৰীযুত দীননাথ শৰ্ম্মা ... ১২৭

# পিতামহ ভীষ্ম

Date 3 AUG 194
GAUHATI

কুৰুক্ষেত্ৰৰ মহাযুদ্ধৰ পিছত জ্ঞাতি-কুটুম্ব, ভাই-বন্ধু, ইষ্ট-মিত্ৰ, সোদৰ-সুহৃদ, গুৰু-পিতামহ ইত্যাদি সকলৰ, সেই যুদ্ধত নিধন হোৱা কথা ভাবি, যুধিষ্ঠিৰ মহাকাতৰ হৈ পৰিল; আৰু তেওঁ ভাবিলে সেই বিনাশৰ কাৰণ এক মাথোন তেৱেঁই; এতেকে তেওঁ মহাপাপত পতিত হল। ইয়াকে ভাবি তেওঁ মনতে নিশ্চয় কৰিলে, যে তেওঁ আৰু ৰজা হৈ ৰাজ্য ভোগৰ সুখ বাঞ্ছা নকৰে; সকলো ত্যাগ কৰি বনলৈ গৈ কঠোৰ কায় ক্লেশ স্বীকাৰ কৰি জীৱন পৰিত্যাগ কৰিব। তেওঁৰ এই সঙ্কল্পৰ কথা শুনি, ভীম, অৰ্জ্জুন, নকুল, সহদেৱে যথেষ্ট যুক্তিযুক্ত কথাৰে তেওঁক বুজনি দিলে; তথাপি তেওঁ সেই সঙ্কল্পৰ পৰা নলৰিল। তাৰ পিছত সহধৰ্ম্মিনী দ্ৰৌপদীয়েও অনেক কথাৰে তেওঁক বুজনি দিলে। কিন্তু তেওঁ নিজৰ সঙ্কল্পৰপৰা অলপো নলৰিল। তাৰ পিছত বেদব্যাস নাৰদ প্ৰভৃতি মহৰ্ষিসকলে গাইপতি তেওঁক বুজনি দিবলৈ ধৰিলে, তথাপি, তেওঁৰ মনলৈ শান্তি নাহিল। শেহত শ্ৰীকৃষ্ণই নানা কথাৰে তেওঁক বুজালে। শ্ৰীকৃষ্ণৰ কথা শুনি, যদিও যুধিষ্ঠিৰে নিজৰ মন ভালেমান থিৰ কৰি লৈ, ৰাজদণ্ড গ্ৰহণ কৰি ৰাজপাটত উঠিল, তথাপি তেওঁৰ মনৰপৰা বিষাদ একেবাৰেই নাতৰিল।

যুধিষ্ঠিৰক ৰাজপাটত বহুৱাই শ্ৰীকৃষ্ণই নিজৰ ঠাই দ্বাৰকালৈ উভতি যবলৈ যুগুত কৰিছে। কিন্তু তেওঁ দেখিলে, যুধিষ্ঠিৰৰ মন তেতিয়াও শোকৰ ভাৰৰপৰা মুকলি হোৱা নাই। আৰু দেখিলে, দ্বাৰকালৈ তেওঁ উভতি যোৱাৰ আগতে শৰ-শয্যাত পৰি থকা মহা ভক্ত মহামনীষী ভীষ্মকো তেওঁ সোঁশৰীৰেৰে এবাৰ দেখা দি যাব লাগিব। তেওঁ ভাবিলে, এই ছেগতে মহাজ্ঞানী ভীষ্মৰ হতুৱাই যুধিষ্ঠিৰক উপদেশ দিয়াই, যুধিষ্ঠিৰৰ মনত তেতিয়াও পৰি থকা সেই বিষাদৰ মলি গুচোৱাই দিব।

ৰাজ-পাট গ্ৰহণ কৰি, সকলোকে সন্তোষ দি, যেতিয়া যুধিষ্ঠিৰ পিছদিনা পুৱাই শ্ৰীকৃষ্ণৰ বহাত শ্ৰীকৃষ্ণৰে সৈতে দেখা কৰিবলৈ গল, তেওঁ দেখিলে পীতবসন বনমালীয়ে অপূৰ্ব্ব শোভা ধাৰণ কৰি শোৱা-পালঙৰ ওপৰত বহি

আছে। যুধিষ্ঠিৰে তেওঁৰ কাষ চাপি হাঁহি-মুখেৰে কলে "কৃষ্ণ! ৰাতি তোমাৰ ভালকৈ টোপনি আহিছিল নে? তোমাৰ মন ভালে আছে তো? তোমাৰ অনুগ্ৰহতেই আমি জয়লাভ আৰু যশ লাভ কৰি ৰাজ্য লাভ কৰিলোঁ। তোমাৰ কৃপাতেই আমি ধৰ্ম্ম-পথৰপৰা পৰিভ্ৰষ্ট হোৱা নাই।" এনেকুৱা গঢ়ৰ অনেক কথা যুধিষ্ঠিৰে কলতো তেওঁ দেখিলে, কৃষ্ণই কোনো উত্তৰ নিদি মৌন হৈ আছে; যেন কৃষ্ণ কিবা এটা গভীৰ ধ্যানত নিমগ্ন। কৃষ্ণৰ তেনেকুৱা অৱস্থা দেখি যুধিষ্ঠিৰে বিস্ময় মানি আকৌ কৃষ্ণক সুধিলে "হে ত্ৰিজগতৰ পতি! ত্ৰিজগতৰ মঙ্গল তো? তুমি সাৰে আছা নে, টোপনিত? নে সুষুপ্তি অৱস্থাত? তোমাৰ এনেকুৱা অৱস্থা দেখি মোৰ মন বৰ বিচলিত হৈ পৰিছে। তোমাৰ মন আৰু বুদ্ধি ঠিক যেন নিৰ্ব্বাত ঠাইত থকা নিশ্চল প্ৰদীপ। তোমাৰ এনে অৱস্থাৰ কাৰণ কি? হে কৃষ্ণ! হে বাসুদেৱ! কোৱাঁ, তুমি মোক কোৱাঁ তোমাক মই ভক্তি ভাৱে প্ৰাৰ্থনা কৰি সুধিছোঁ?"

তেতিয়া কৃষ্ণই ঈষৎ হাস্য কৰি উত্তৰ দিলে। "ধৰ্ম্মৰাজ! কুৰু-পিতামহ ভীষ্মই, নুমাবলৈ যোৱা জুইকুৰাৰ দৰে, শৰশয্যাত থাকি মোক চিন্তা কৰি স্তুতি কৰিছে; সেই স্তুতি শুনি মই তদগতচিত্ত হৈ আছিলোঁ। সেই মহাত্মাই বুদ্ধিৰ দ্বাৰাই ইন্দ্ৰিয় গ্ৰাম আৰু মনক সংযত কৰি মোৰ শৰণাগত হৈছে। সেইবাবে মই তাতেই মোৰ মন সংযোগ কৰি আছিলোঁ। হে ধৰ্ম্মৰাজ! ভীষ্ম স্বৰ্গলৈ গলে, আপুনি ধৰ্ম্ম অৰ্থ কাম মোক্ষ এই চতু-ৰ্ব্বৰ্গৰ বিষয়ে জনা মানুহ আৰু কাক পাব? এতেকে তেওঁৰ উপদেশ লাভৰ নিমিত্তে তেওঁৰ ওচৰলৈ এতিয়াই আপোনাৰ যোৱা উচিত।"

যুধিষ্ঠিৰে কলে "হে কৃষ্ণ! তোমাৰ কথা ঠিক। মই অনেক বিচক্ষণ ব্ৰাহ্মণৰ মুখে ভীষ্মৰ মহানুভাৱতা আৰু এনে প্ৰভাৱৰ কথা শুনিছোঁ। এতেকে তোমাৰ যদি মোলৈ অনুগ্ৰহ আছে, তেন্তে দয়া কৰি আমাক তেওঁৰ ওচৰলৈ লৈ যোৱাঁ, আমি তোমাৰে সৈতে যাম।"

কৃষ্ণই যুধিষ্ঠিৰৰ কথা শুনি নিজৰ ৰথ প্ৰস্তুত কৰিবলৈ দাৰুকক আজ্ঞা দিলে; আৰু যুধিষ্ঠিৰো তেওঁৰ ভায়েকহঁতৰে সৈতে নিজৰ ৰথতে উঠি কৃষ্ণৰ পিছে পিছে ভীষ্মৰ ওচৰলৈ গল। শ্ৰীকৃষ্ণই শোৱা পাটীত বহি ভীষ্মৰ যিটো স্তুতি শুনি স্তব্ধ হৈ আছিল, শৰ শয্যাত পৰি থাকিয়েই কায়মনোবাক্যেৰে কৃষ্ণক ধ্যান কৰি অতি গম্ভীৰ স্বৰেৰে আৰু কৃতাঞ্জলি কৰি ভীষ্মই কৰা সেই স্তুতিটো তলত দিলোঁ।

হে পুৰোষোত্তম ! মই তোমাক আৰাধনা কৰিবৰ নিমিত্তে সংক্ষেপতে যিবোৰ কথা কম, তাৰ দ্বাৰাই তুমি প্ৰসন্ন হোৱাঁ ! তুমি দোষহীন, পৰমহংস আৰু ঈশ্বৰ। এতিয়া মই মোৰ তনু ত্যাগ কৰি যেন তোমাক পাওঁ। তুমি অনাদি, অনন্ত আৰু পৰব্ৰহ্ম স্বৰূপ। দেৱতা আৰু ঋষিসকলে তোমাক নাজানে। মাথোন ভগৱন্ত ব্ৰহ্মাই তোমাৰ অলপ তত্ব জানে, আৰু তেওঁৰে পৰা শুনি দেৱতা, দানৱ, গন্ধৰ্ব্ব, আৰু কোনো কোনো মহৰ্ষি দেৱৰ্ষিয়ে অলপ-অচৰপ জানিব পাৰিছে। তুমি পৰম অব্যয়। দেৱতা আৰু মহৰ্ষিসকলে তুমি কোন, কৰ পৰা তুমি উৎপন্ন হৈছা, একোকে নাজানে। সূতাত গঁথা মণিবোৰৰ দৰে গোটেই বিশ্ব তোমাতেই গঁথা হৈ আছে। তুমি নিত্য আৰু বিশ্ব কৰ্ম্মা। লোকে তোমাক সহস্ৰ শিৰ, সহস্ৰ বাহু, সহস্ৰ চক্ষু, সহস্ৰ বদন, সহস্ৰ চৰণযুক্ত নাৰায়ণ বুলি কীৰ্ত্তন কৰে। তুমি সূক্ষ্মতকৈয়ো সূক্ষ্ম, স্থূলতকৈয়ো স্থূল, গুৰুতকৈয়ো গুৰু, আৰু শ্ৰেষ্ঠতকৈয়ো শ্ৰেষ্ঠ। মন্ত্ৰ, মন্ত্ৰাৰ্থ প্ৰকাশক ব্ৰাহ্মণ বাক্য, উপনিষৎ আৰু সামবেদে তোমাৰ মহিমা কীৰ্ত্তন কৰে। তুমি সত্যস্বৰূপ আৰু সত্যকৰ্ম্মা; তুমি বাসুদেৱ, সঙ্কৰ্ষণ, প্ৰদ্যুম্ন আৰু অনিৰুদ্ধ নামেৰে চাৰি দেহ ধাৰণ কৰিছা। তুমিয়েই এক মাথোন বুদ্ধিত অবিভক্ত, আৰু ভক্তসকলৰ ৰক্ষক। মানুহে তোমাৰ পৰমগুহ্য দিব্য নাম উল্লেখ কৰি অৰ্চ্চনা কৰে। অৰণি কাষ্ঠত যেনেকৈ অগনি থাকে, সেইদৰে বেদ ৰক্ষাৰ নিমিত্তে দেৱকীৰ গৰ্ভত বসুদেৱৰ পৰা তোমাৰ উৎপন্ন। তুমি নিষ্পাপ আৰু সৰ্ব্বেশ্বৰ। মানুহে অভেদজ্ঞান সম্পন্ন হৈ হৃদয়াকাশত তোমাক দেখি মুক্তি লাভৰ অধিকাৰী হয়। তুমি বায়ু, ইন্দ্ৰ, সূৰ্য্য আৰু তেজক অতিক্ৰম কৰিছা। তুমি বুদ্ধি আৰু ইন্দ্ৰিয়ৰ অগোচৰ। এতিয়া মই তোমাৰ শৰণাপন্ন হলোঁ। তুমি পুৰাণত পুৰুষ, যুগ প্ৰাৰম্ভত ব্ৰহ্ম আৰু ক্ষয়কালত সঙ্কৰ্ষণ নামে নিৰ্দ্দিষ্ট হোৱা। তুমি পৰম আৰাধ্য, সেই দেখি মই তোমাৰ উপাসনা কৰিছোঁ। তুমি মাথোন এক হৈয়ো বহু অংশত প্ৰাদুৰ্ভূত হৈছা। তুমি সৰ্ব্বাভিলাষ সম্পাদক; তোমাৰ একান্ত ভক্তসকলে তোমাক অৰ্চ্চনা কৰে। তুমি জগতৰ ভাণ্ডাৰ স্বৰূপ। জগতৰ সকলো তোমাতেই অৱস্থিতি কৰি আছে। তুমি সত্যস্বৰূপ অদ্বিতীয়, অক্ষৰ, ব্ৰহ্ম আৰু সৎ আৰু অসতৰ অতীত; তোমাৰ আদি, মধ্য আৰু অন্ত নাই। দেৱতা আৰু মহৰ্ষিসকলে তোমাক জানিব নোৱাৰে। সুৰ, অসুৰ, সিদ্ধ, ঋষিসকলে দিনৌ তোমাৰ অৰ্চ্চনা কৰে। তুমি দুখ নাশৰ উৎকৃষ্ট ঔষধ। তুমি স্বয়ম্ভু, সনাতন, অদৃশ্য আৰু অজ্ঞেয়।

তুমি বিশ্বৰ সৃষ্টি কৰ্ত্তা আৰু স্থাবৰ জঙ্গমাত্মক সকলো পদাৰ্থৰ অধিপতি। তুমি পৰম পদ, হিৰণ্যগৰ্ভ। তুমি এক মাথোন হৈয়ো দ্বাদশ অংশত আবিৰ্ভূত হৈছা। তুমি সূৰ্য্য স্বৰূপ; তোমাক নমস্কাৰ। যি শুক্লপক্ষত দেৱতা-সকলক আৰু কৃষ্ণপক্ষত পিতৃসকলক অমৃতৰ দ্বাৰাই পৰিতৃপ্ত কৰে, তুমি সেই চন্দ্ৰৰূপী, তোমাক নমস্কাৰ। যি অজ্ঞান এন্ধাৰৰ পৰপাৰবৰ্ত্তী, যাক জানিলে মৃত্যুভয় নাথাকে, সেই জ্ঞেয়াত্মাক নমস্কাৰ। অতি বিস্তীৰ্ণ সামবেদে যাক বৃহৎ বুলি কীৰ্ত্তন কৰে, অগ্নিৰ কাষত আৰু যজ্ঞস্থলত যাৰ মহিমা কীৰ্ত্তিত হয়, ব্ৰাহ্মণসকলে যাক সদায় ধ্যান কৰে, সেই বেদস্বৰূপ তোমাক নমস্কাৰ। ঋক্ আৰু যজুৰ্ব্বেদ যাৰ তেজ, যি পঞ্চহবিঃ আৰু সপ্ততন্ত্ৰ বুলি অভিহিত হয়, সেই যজ্ঞস্বৰূপক নমস্কাৰ। যি সপ্তদশ অক্ষৰেৰে আহুত হয়, সেই হোম স্বৰূপক নমস্কাৰ। যি বেদপুৰুষৰ নাম যজু, ছন্দসকল যাৰ গাত্ৰ, ঋক যজু আৰু সামবেদ প্ৰবৰ্ত্তিত তিনি যজ্ঞ যাৰ তিনিটি মস্তক আৰু ৰথান্তৰ যাৰ প্ৰীতিবাক্য, সেই স্তোত্ৰস্বৰূপক নমস্কাৰ। যি সহস্ৰবছৰ সাধ্য যজ্ঞত আবিভূ‌ৰ্ত হৈছিল, যি বিশ্বস্ৰষ্টা সকলৰো শ্ৰেষ্ঠ, সেই হিৰণ্ময়পক্ষ সম্পন্ন হংস স্বৰূপক নমস্কাৰ। সুপ্‌তিঙন্ত পদবোৰ যাৰ অঙ্গ, সন্ধি যাৰ পৰ্ব্ব, স্বৰ আৰু ব্যঞ্জন যাৰ ভূষণ, সেই দিব্য অক্ষৰ বাক্যস্বৰূপক নমস্কাৰ। যি যজ্ঞাঙ্গভূত বৰাহমূৰ্ত্তি ধৰি ত্ৰিলোকৰ হিতসাধনৰ অৰ্থে পৃথিবীক উদ্ধাৰ কৰিছিল, সেই বীৰ্য্যস্বৰূপক নমস্কাৰ। যি যোগ অৱলম্বন কৰি অনন্তৰ সহস্ৰ ফণা বিৰচিত পৰ্য্যঙ্কত শয়ন কৰিছিল। সেই নিদ্ৰাস্বৰূপক নমস্কাৰ। ভিন ভিন ধৰ্ম্মাৱলম্বী ভিন ভিন ধৰ্ম্ম-ফলাভিলাষী মহাত্মাসকলে ভিন ভিন ধৰ্ম্ম অৱলম্বন কৰি যাক অৰ্চ্চনা কৰে, সেই ধৰ্ম্মাত্মাক নমস্কাৰ। যাৰ অঙ্গ প্ৰত্যঙ্গ সকলোবোৰ কামময়, যি সকলো প্ৰাণীক কামমদত উন্মত্ত কৰে, সেই কামাত্মাক নমস্কাৰ। মহৰ্ষিসকলে যিজন দেহস্থিত অব্যক্ত পুৰুষক অনুসন্ধান কৰে, যিজন ক্ষেত্ৰজ্ঞ পুৰুষ সদায় বুদ্ধিত বিৰাজমান হৈ আছে, সেই ক্ষেত্ৰস্বৰূপক নমস্কাৰ। যি নিত্যস্বৰূপ, যি ষোড়শ গুণেৰে পৰিবৃত হৈ, জাগ্ৰৎ, স্বপ্ন আৰু সুষুপ্তি এই তিনি অৱস্থাত অৱস্থিত হৈ আছে সাংখ্যত যাক সপ্তদশ বুলি কীৰ্ত্তন কৰে সেই সাংখ্যাত্মকক নমস্কাৰ। শান্ত প্ৰকৃতি ইন্দ্ৰিয় দমনশীল মানুহে নিদ্ৰা আৰু শ্বাস প্ৰশ্বাস পৰাজয় কৰি যোগত মনোনিবেশ কৰি যাক জ্যোতিস্বৰূপত নিৰীক্ষণ কৰি থাকে, সেই যোগাত্মাক নমস্কাৰ। শান্ত প্ৰকৃতি মোক্ষাৰ্থী সন্ন্যাসী সকলকে পাপ পুণ্য ক্ষয় হলে যাক পায়, যি সহস্ৰ যুগৰ পিছত প্ৰদীপ্ত মাৰ্ত্তণ্ডৰূপ ধাৰণ কৰি সমস্ত ভূতকে বিনাশ কৰে, সেই ঘোৰ স্বৰূপক নমস্কাৰ

যি সমস্ত ভূত বিনষ্ট কৰি গোটেই জগতক একাৰ্ণৱ ময় কৰি অকলৈ বালগোপাল ৰূপেৰে শুই থাকে, সেই মায়াস্বৰূপক নমস্কাৰ। যি স্বয়ম্ভূৰ নাভিৰ পৰা সম্ভূত হৈছে যাত গোটেই জগৎ প্ৰতিষ্ঠিত হৈ আছে, সেই পদ্মস্বৰূপক নমস্কাৰ। যি সহস্ৰ মস্তক সম্পন্ন নিৰুপম পুৰুষে একেসময়তে সকলো কামনা অতিক্ৰম কৰিছে, সেই যোগনিদ্ৰা স্বৰূপক নমস্কাৰ। যাৰ চুলিত মেঘ, অঙ্গসন্ধিত নৈ, পেটৰ ভিতৰত চাৰিখন সাগৰ বিদ্যমান, সেই জল স্বৰূপক নমস্কাৰ। যাৰ পৰা সকলো পদাৰ্থৰ উৎপত্তি, আৰু যাতে সকলো লীন যায়, সেই কাৰণ স্বৰূপক নমস্কাৰ। যি ৰাতিত শুই, দিনত বহি সকলো ইষ্টানিষ্ট বিষয় দেখিব লাগিছে, সেই দৰ্শক স্বৰূপক নমস্কাৰ। যি সকলো কাৰ্য্যতে অবিচলিত আৰু ধৰ্ম্মকাৰ্য্যৰ নিমিত্তে উদ্যত হৈ থাকে, সেই কাৰ্য্য স্বৰূপক নমস্কাৰ। যি ক্ষত্ৰিয়ৰ অধৰ্ম্মাচৰণ দেখি ক্ৰোধ কৰি একৈশবাৰ পৃথিবী নিক্ষত্ৰিয় কৰিছিল, সেই ক্ৰূৰতা স্বৰূপক নমস্কাৰ। যি বায়ু ৰূপে শৰীৰৰ ভিতৰত পাঁচ ভাগত বিভক্ত হৈ প্ৰাণী বোৰক সচেষ্ট কৰি আছে, সেই পৱন স্বৰূপক নমস্কাৰ। যি যুগে যুগে অৱতীৰ্ণ হৈ মাহ ঋতু, অয়ন আৰু বৎসৰব্যাপী যোগত আসক্ত হয়, যি সৃষ্টি আৰু প্ৰলয়ৰ কৰ্ত্তা সেই কাল স্বৰূপক নমস্কাৰ। অগ্নি যাৰ মুখ, স্বৰ্গ যাৰ মস্তক, আকাশ যাৰ নাভি, ভূমণ্ডল যাৰ চৰণ, সূৰ্য্যমণ্ডল যাৰ চকু, আৰু দিঙ্মণ্ডল যাৰ কাণ, সেই লোক স্বৰূপক নমস্কাৰ। যি কাল আৰু যজ্ঞতকৈ শ্ৰেষ্ঠ, যি শ্ৰেষ্ঠতকৈয়ো শ্ৰেষ্ঠ, যি এই বিশ্বসংসাৰৰ আদি কাৰণ আৰু যাৰ আদি কোনো নাই সেই বিশ্বৰূপক নমস্কাৰ। যি প্ৰাণীৰ বল আৰু জীৱন বৰ্দ্ধন কৰোতা সেই প্ৰাণস্বৰূপক নমস্কাৰ। যি প্ৰাণীবোৰৰ অন্তৰত প্ৰবেশ কৰি অন্নাদি পাক কৰিছেঁ সেই পাৱকস্বৰূপক নমস্কাৰ। যি নৰসিংহ ৰূপ ধৰি হিৰণ্যকশিপুক সংহাৰ কৰিছিল, সেই জনক নমস্কাৰ। দেৱতা, দৈত্য, গন্ধৰ্ব্ব আৰু মহৰ্ষিসকলে যাৰ তত্ত্ব অৱগত হব নোৱাৰে সেই সূক্ষ্মস্বৰূপক নমস্কাৰ। যি ৰসাতলত অনন্তৰূপে জগৎ সংসাৰ ধাৰণ কৰি আছে, সেই বীৰ্য্যস্বৰূপক নমস্কাৰ। যি এই সংসাৰ ৰক্ষাৰ নিমিত্তে প্ৰাণীবোৰক স্নেহ-পাশেৰে বান্ধি মুগ্ধ কৰি থৈছে, সেই মোহস্বৰূপক নমস্কাৰ। যি আত্মজ্ঞানৰ যথাৰ্থ তত্ত্ব অৱগত হৈছে, আৰু যাৰ মহিমা মাথোন আত্মজ্ঞান প্ৰভাৱেৰেই জনা যায়, সেই জ্ঞানস্বৰূপক নমস্কাৰ। যাৰ দেহ অপ্ৰমেয় আৰু যাৰ পৰিমাণৰ ইয়ত্তা নাই, সেই জ্ঞাননেত্ৰ সম্পন্ন দিব্যস্বৰূপক নমস্কাৰ। যি লম্বোদৰ পুৰুষে জটা দণ্ড, আৰু কমণ্ডলু ধাৰণ কৰে, সেই ব্ৰহ্মস্বৰূপক নমস্কাৰ। যি সৰ্ব্বভূতৰ আত্মা, সৰ্ব্বভূতৰ সৃষ্টি আৰু সংহাৰকৰ্ত্তা, ক্ৰোধ, দ্ৰোহ আৰু মোহ পৰিশূন্য সেই শান্তস্বৰূপক নমস্কাৰ। যাৰ সৰ্ব্বাঙ্গ ভস্মাচ্ছাদিত, যি সদায় ত্ৰিশূল ধাৰণ

কৰি থাকে, সেই ত্ৰিদশেশ্বৰ, ত্ৰিলোচন, উদ্ধলিঙ্গ ৰুদ্ৰস্বৰূপক নমস্কাৰ। যাত এই চৰাচৰ বিশ্ব লীন হৈ আছে, আৰু যাৰ পৰা ই সম্ভূত হৈছে, সেই সৰ্ব্বময় সৰ্ব্বস্বৰূপক নমস্কাৰ। হে বিশ্বকৰ্ম্মা! হে বিশ্বাত্মা! তুমি পঞ্চভূতক অতিক্ৰম কৰি নিত্য নিৰ্ম্মুক্ত হৈছা, তুমি ত্ৰিলোকৰ ভিতৰত সৰ্ব্বত্ৰ বিদ্যমান হৈ আছা, তুমি ধৰ্ম্মময় আৰু প্ৰাণীবোৰৰ সৃষ্টি আৰু সংহাৰ কৰ্ত্তা। মই ভূতাদি কালত্ৰয়ত তোমাৰ অৱস্থিতি দেখিবৰ সমৰ্থ নহওঁ; মাথোন তত্ত্বজ্ঞানৰ দ্বাৰাই তোমাৰ সনাতন মূৰ্ত্তি দেখিছোঁ। তোমাৰ মস্তকৰ দ্বাৰাই স্বৰ্গ আৰু পদ যুগলৰ দ্বাৰাই মৰ্ত্ত্য বিয়াপি আছে। তুমি ত্ৰিবিক্ৰম সনাতন পুৰুষ। তুমি অতসী পুষ্প সদৃশ, কৃষ্ণবৰ্ণ আৰু পীতবস্ত্ৰধাৰী। তোমাক যি নমস্কাৰ কৰে তাৰ একো ভয় নাথাকে। এতেকে মই ভক্তিভাৱে তোমাক নমস্কাৰ কৰিছোঁ।

কৃষ্ণক এবাৰ মাথোন প্ৰণাম কৰিলে দশ অশ্বমেধৰ অধিক ফল পোৱা যায়। দশ অশ্বমেধ যজ্ঞানুষ্ঠান কৰোতাৰ পুনৰায় জন্ম হয়, কিন্তু কৃষ্ণক যি এবাৰ মাথোন প্ৰণাম কৰে তাৰ পুনৰ্জ্জন্ম নাই। যি কৃষ্ণব্ৰতপৰায়ণ আৰু যি ৰাতিও উঠি কৃষ্ণক স্মৰণ কৰে, অগ্নিৰ ভিতৰত মন্ত্ৰপুত ঘিউৰ দৰে সি কৃষ্ণৰ শৰীৰত প্ৰবেশ কৰিব পাৰে। হে কৃষ্ণ! তুমি নৰক ভয় নিবাৰক আৰু সংসাৰ-সাগৰ পাৰ হবৰ এক মাথোন নাও। তুমি ব্ৰহ্মণ্য দেৱ, আৰু গো ব্ৰাহ্মণৰ হিতকাৰী; তোমাক নমস্কাৰ। "হৰি" এই দুটি অক্ষৰ সংসাৰ-শৃঙ্খল ছেদনৰ উপায় আৰু শোক দুখৰ অন্তক স্বৰূপ। সত্য বিষ্ণুময়, জগৎ বিষ্ণুময়, আৰু সমস্ত বস্তুৱেই বিষ্ণুময়; এতেকে সেই বিষ্ণুৰ প্ৰসাদত মোৰ পাপবোৰ বিনষ্ট হওক। হে পদ্ম পলাশলোচন! এতিয়া এই নৰাধমে অভিলষিত গতি প্ৰাপ্ত হবৰ নিমিত্তে ভক্তিৰে সৈতে তোমাৰ শৰণাপন্ন হৈছে। তুমি তাৰ মঙ্গল কৰাঁ। তুমি বিদ্যা আৰু তপস্যাৰ উৎপত্তিস্থান আৰু স্বয়ম্ভু; এতিয়া মোৰ এই কাকুতিত প্ৰসন্ন হোৱাঁ। বেদ, তপস্যা আৰু বিশ্ব-সংসাৰ সকলো নাৰায়ণাত্মক! হে নাৰায়ণ! তুমি সদায় সকলো বস্তুতে বিৰাজমান আছা। এতিয়া মোক কৃপা কৰা।"

পাণ্ডৱৰে সৈতে শ্ৰীকৃষ্ণ ঠিক এই সময়তে ভীষ্মৰ আগত উপস্থিত হ'ল

---

# আহোমৰ সামাজিক কথা

ৰাজবংশী আহোমৰ সামাজিক আচাৰ ব্যৱহাৰ আদি ৰাজকীয় নিয়মে চলিছিল। আহোম পৰিয়ালৰ ডাঙৰ ঠাল সকলো অৱস্থাতে ডাঙৰ। অৰ্থাৎ ককায়েকৰ সতি-সন্তান ভায়েকৰ সন্তান আদিতকৈ, বয়সে সৰু হলেও, নিচাও দেৱাকৰ (ৰৰপিতাকৰ) পুতেকক ককাইদেউ বুলিব লাগে। আহোমৰ ভিতৰত এই নিয়ম এতিয়াও প্ৰচলিত। টাই জাতীয় আহোমৰ বিবাহ-কাৰ্য্য গান্ধৰ্ব্ব প্ৰথাৰে সম্পাদিত হয়; আহোম ভাষাত তাক 'চকলং' বোলে। আজি কালি, লোকদৰ্শক সম্প্ৰদানাদি কাৰ্য্য প্ৰকাশ্যে সমাধা হোৱাৰ পাছত, চকলঙৰ কাৰ্য্য আবৃৰত সম্পাদন কৰা হয়। দৰা কন্যাৰ আপোন জ্ঞাতিৰ দুজন বুৰঞ্জী-বিজ্ঞ বা পূৰ্ব্বপুৰুষৰ কথা জনা মানুহত বাজে, আনে এই কাৰ্য্যৰ ভাগ নাপায়। চকলঙৰ আধ্যাত্মিক লক্ষ্য অতি ওখ। ইয়াত দৰা-কন্যাই বিয়াৰ নোৱনি কেইদিন হাতত লোৱা আঙ্গঠি, কটাৰি, তামোল ইত্যাদি আহোম বিয়া-বিধিমতে সালসলনি কৰাই, সৃষ্টি পাতনৰ উপদেশ-মন্ত্ৰেৰে দুইৰো দেহ-মন-প্ৰাণ একেটা ভাৱত ৰখা হয়, আৰু সেই অনুযায়ীকৈ দুই অৰ্দ্ধাঙ্গক মিলাই এক পূৰ্ণাঙ্গ কৰাৰ ধৰ্ম্মোপদেশ দিয়া হয়। এই আধ্যাত্মিক উপদেশ আহোম পণ্ডিত দেওধাই, কিম্বা তেওঁৰ অভাৱে, এজন বিজ্ঞ জ্ঞাতিৰ মুখে দিয়া হয়।

**চকলং প্ৰক্ৰম।** যি বেদীৰ প্ৰান্তত কন্যাক উপবিষ্ট কৰাই, পোন্ প্ৰথমে মূৰত তেল দিয়াৰে পৰা গাঁঠিয়ন খুন্দাৰ শেষলৈকে বিয়া-যজ্ঞৰ আগলী প্ৰক্ৰিয়াৰ সমাধান কৰা হয়, তালৈকে দৰাক নি, কন্যাৰ সোঁৱে কাষতে আসন পাৰি উপবিষ্ট কৰাব। বেদীৰ সমুখত ১০৮ টা ঠাকেৰে সোণৰ বা ৰূপৰ বা পিতলৰ বা কাঠৰ গছাত ১০৮ টা চাকি চোমদেৱ প্ৰমুখ্যে ১০৮ জনা দেৱতা উদ্দেশি জ্বলিব। গছাৰ সমুখত অষ্টচক্ৰবাহু মৰল দিয়া ভূমিৰ ওপৰত, জোঁৱাই বৰণৰে সৈতে কাপোৰ-কানি, বৰণ-মালা আৰু দুটা গাৰুচৰু ভৰাই এখন শৰাই কন্যাকৰ্ত্তা বা কন্যাধৰা জ্ঞাতি-গুৰুজনাই সম্ভ্ৰমে থব; সেই অনুক্ৰমেই দৰাৰ ফালৰ পৰাও কন্যাৰ উদ্দেশে অনা সঁজুলিৰে সৈতে এখন শৰাই পাতিব। তেনেতে উভয়ৰে, মধ্যস্থ হৈ দেওধাই পণ্ডিতে, তেওঁৰ অবিহনে, এজন বুৰঞ্জী-

বিজ্ঞ বৃদ্ধ জ্ঞাতিয়ে দৰা-কন্যাৰ সাতপুৰুষৰ চমু বিবৃতি শুনাব। তাৰ অন্তত এটা সোণৰ বা ৰূপৰ বা কাঁহৰ বা পিতলৰ বাতিত ভৰাই দৈ, এৰঁা গাখীৰ, মৌ, চেনি, ঘিঁউ মিহলোৱা পঞ্চামৃত দৰাৰ আগত দিব; দৰাই তাৰেপৰা আঙুলি আগত লগাই আনি, মুখলৈ টোঁৱাই, সুঙ্গি পেলাই, খৰিকা লৈ, মুখ কুলকুলিয়াই পেলাই, গুৱা মুহুদি কৰিব। সেই অনুক্ৰমে ২১ বাৰ পঞ্চামৃত সুঙ্গি, ২১ ডাল খৰিকা, ২১ চলু পানীলৈ, ২১ খন থুৰিৱা তামোল চোবাই পেলাব। তাৰ পাচত, ৭ বা ৯ কড়া কড়ি পাটৰ কানি এডখৰিত টোপোলা বান্ধি, সেই মধ্যস্থজনে পুনৰপি দৰা-কন্যাৰ পিতৃ-পুৰুষসকলৰ চমু কাহিনী শুনাই, সৃষ্টি পাতনৰ ব্যাখ্যালৈ সোঁৱৰাই, দৰা-কন্যা উভয়কে আধ্যাত্মিক উপদেশ দিব;—যেনে, কন্যাৰফালৰ পৰা এই বুলি বুজনি দিব, আজি আপুনি দৰাদেৱে এই অমুকী কন্যাক অৰ্দ্ধাঙ্গিনী ভাৰ্য্যাৰূপে গ্ৰহণ কৰিছে, সুখ-দুখৰ গৰাকী আপুনিয়েই হৈছে, এই কন্যাৰ মানত গুৰু-গোসাঁই আপুনিয়েই, আপুনি প্ৰতিপাল নকৰিলে পাপে চুব, সকলো পাপ কষ্টৰপৰা ৰক্ষা কৰাৰ গৰাকীও আপুনিয়েই হৈছে। এইদৰে বুজনি দি, দৰাৰ কাণৰ কাষত কড়ি টোপোলা বজাই শুনাব; তাৰ পাচত কন্যাৰফালে বুজাব,—আজিৰ পৰা এই পুৰুষদেৱেই তোমাৰ সৰ্ব্বদেৱতা হল, এওঁক পূজিলেই তোমাৰ সৰ্ব্বদেৱতাক পূজা কৰা হ'ব, এওঁক চেৰাই তোমাৰ কোনো পুজা-সেৱাই সিদ্ধ নহব, এতেকে এওঁক তুমি সদায় সভক্তিৰে মৰম-ৰেখা কৰিবা, এওঁ যি কয় তাকে মানিবা, অসূয়া অপ্ৰীতি নকৰিবা, আপোনাৰ শৰীৰতকৈও এওঁক অধিক আদৰ কৰিবা। এই বুজনিৰ অন্তত কন্যাৰ কাণৰ কাষটো কড়ি টোপোলা বজাই শুনাব। এই অনুক্ৰমে দৰাৰ প্ৰতি তিনিবেলি বুজনি কড়ি-টোপোলা বজাই শুনাব। তাৰ পাচত, দৰাই গাৰুচক্ এটা চুই কন্যাৰফালে দিব, আৰু কন্যাই এটা চক্ চুই দৰাৰ ফাললৈ দিব। এই ক্ৰিয়াৰ অন্তত, দুয়োফালৰপৰা শৰাই দুখনৰ ঢাকোন গুচাই চোৱাচুই কৰি, দৰাৰ ফালৰ খন কন্যাৰ ফাললৈ আৰু কন্যাৰ ফালৰ খন দৰাৰ ফাললৈ আঁতৰাই থৈ, সেই মৰলৰ ওপৰতে এখন বৰকাঁহী পাতি তাতে দৰা-কন্যাই টেমী-কটাৰী সলোৱা-সলিকৈ প্ৰীতিখেল কৰিব। তাৰ পাচত, সেই কাঁহীতে এদোন আৰৈ চাউলৰ দ'ম বান্ধি তাৰ মাজত দৰা-কন্যাই পিন্ধি থকা আঙ্গঠি দুটা প্ৰথমে দৰাই লৈ গুজি থব; কন্যাই খেপিয়াই বিচাৰি দৰাৰ আঙ্গঠিটো উলিয়াই লব; নোৱাৰিলে তামোল-পাণেৰে মাতি মাগি উলিয়াই লব; সেই অনুক্ৰমে দৰায়ো কন্যাৰ আঙ্গঠি লাভ কৰিব

লাগিব। সদৌশেহত, দেওধাই পণ্ডিত বা জ্ঞাতিগুৰুৰ আশীৰ্ব্বাদ লৈ, দৰা-কন্যা ভিতৰলৈ যাব। এয়ে চক্লঙৰ চম্ প্ৰক্ৰম্। ৰজাৰ বিয়াত চক্লঙৰ কাৰ্য্য দৰাৰ ঘৰতহে সম্পাদন কৰাৰ নিয়ম।

**জোৰণ।** ৰজাঘৰীয়া জোৰণ হলে, "ৰজাঘৰৰপৰা তামোল-পাণ ২১ শৰাই আৰু ছোৱালীয়ে পিন্ধিবলৈ কাপোৰ অলঙ্কাৰ ৭ সজুঁলি সহিতে কুকুৰা-চোৱা চাওডাং কুকুৰাচোৱা বৰা, বৰুৱা আৰু অন্য ফুকন-বৰুৱা জনদেক দোল-হলীয়া সকলোকে পঠাই দিয়ে; বাপেকে সেই সকল বস্তু-বাহানি চাই-চিতি লৈ গৈ, গঞা-ভূঞা জনদেক চপাই শৰাই মেলি তামোল-পাণ তাতে বাটি দি, বস্তু-বাহনি ভিতৰলৈ নিয়ে। ভিতৰতো কিছু তিৰোতা মানুহ মাতি আনি গোটাই লৈ ছোৱালীক সকলোৱে আগতে কানি-কাপোৰ অলঙ্কাৰ ৭ যোৰ ৭ বেলি পিন্ধায়। দুৱাৰ-ধৰি উলিয়াই আনি বাহিৰত বহা ভকতক সেৱা কৰাই দোলাত তুলি বাপেকো যৌতকত দিব লগা দ্ৰব্য লৈ যাব" (১)

**ৰজাৰ কন্যাগ্ৰহণ।** "ৰজাই সাতঘৰীয়া আহোমৰ ঘৰৰ যৌৱত ছোৱালী কুঁৱৰী কৰিবলৈ নিয়ে। যদি কোনো শূদ্ৰাদি ফুকন-বৰুৱাৰ ঘৰত ভাল ছোৱালী থাকে, বাপেকেও দিয়ে, অকস্মাৎ তাকো কুঁৱৰী কৰিবলৈ নিয়ে। শূদ্ৰাদি-ঘৰৰ ছোৱালী হলে, হিন্দুমতে বিয়া কৰি নিয়ে; আহোমৰ হলে চকলং কৰে। ৰজ লৈ হলে ৰজঘৰলৈকে বাপেকে সহিতে ছোৱালী নি চকলং কৰে। ৰজাৰ জীয়াৰী বা অন্য আহোম হলে, ছোৱালী ঘৰৰ হে চকলং কৰিব পায়।" (২)

**আহোমৰ বিয়া-প্ৰকৰণ।** জোৰণৰ দিনাৰপৰা কন্যাঘৰীয়া-আৰু দৰাঘৰীয়াৰ ইচ্ছানুযায়ী ৩.৫।৭।৯।১১ দিনীয়াকৈ পানী-তোলা, নোওৱা-ধুওৱা কৰি বিয়া পতা হয়। আজিকালি আগৰ ডাঙৰীয়-বিষয়া আৰু ভাল ভদ্ৰ আহোমৰ কন্যাক ৰভাতলত হিন্দুশাস্ত্ৰ অনুসৰি সম্প্ৰদান দি লৈ, পাচত চকলং কৰা হয়; তাৰ পাছত পুনৰপি ৰভাতললৈ আনি, ৰাইজক সেৱা কৰাই, দৰা-কন্যাক পুৰোহিতৰ মুখে আশীৰ্ব্বাদ বাণী শুনোৱা হয়।

আহোমসকলে, সিবিলাকৰ ব্ৰহ্মী পিতৃপুৰুষসকলৰ দৰে, তিৰোতাসমাজক বৰ সন্মান কৰিছিল। এতিয়াৰ দৰে আগৰ দিনত সিবিলাকৰ 'পৰ্দা' বা 'ওঁাৰ' প্ৰথাৰ প্ৰচলন নাছিল। ৰাজমাওসকলে সততে ৰাজসভাৰ মন্ত্ৰীসকলৰে সৈতে

---

(১), (২)—ৰায়বাহাদুৰ সূৰ্য্যকুমাৰ ভূঞা সম্পাদিত "দেওধাই বুৰঞ্জী"ৰ অন্তৰ্গত "বিবিধ খণ্ড-বুৰঞ্জী", ১৩৪ পৃষ্ঠা।

ৰাজকীয় বিষয়ক আলোচনাৰ ভাগ লৈছিল। অনেক ৰাজকাৰ্য্যত কুঁৱৰীসকলৰ ক্ষমতা চলাৰ উদাহৰণ আছে। তেনেকুৱা কেইবা গৰাকীও কুঁৱৰীয়ে ৰজাৰ বৰ্ত্তমানত আৰু অবৰ্ত্তমানত ৰাজ্যৰ শাসন-ভাৰ গ্ৰহণ কৰিছিল। আহোম ৰমণীসকলৰ তেজীমনা, বুদ্ধিমতী আৰু চৰিত্ৰৱতী আছিল;—পতিবৈৰী তুৰ্ব্বক সেনাপতিক স্বহস্তে প্ৰতিশোধ দিবৰ হেঁপাহত ৰণলৈ যোৱা মূলাগাভৰু নামেৰে বৰগোঁহাঞি ডাঙ্গৰীয়াৰ বিধৱা ডাঙ্গৰীয়ানী, স্বামীৰ মঙ্গলাৰ্থে প্ৰাণ উৎসৰ্গা কৰা মহাসতী জয়মতী কুঁৱৰী, পৰোপকাৰ ব্ৰতত প্ৰাণপণ কৰা জ্ঞানৱতী লৰা-ৰজাৰ মাতৃ ৰাজমাও এই সকলেই তাৰ জলন্ত পটন্তৰ।

—ঃ*ঃ—

# অনাহূত

ছন্দহীন জীৱনৰ পদূলি মুখত
কাৰ আজি শুভ আগমন
কাৰ স্নিগ্ধ পৰশত হল মুখৰিত
ভাষাহীন কাব্য তপোবন।
তাহানি এদিন, দীন কবি কাননত
শুনিছিলোঁ ৰাগিণী হিন্দোল,
যি মহান অনবদ্য গীতৰ লয়ত
কঁপিছিল সপ্তৰ্ষি মণ্ডল ;
নাচিছিল লয়লাসে গোপন কক্ষত
ছন্দময়ী কাব্য মনোৰমা,
কৰিছিল মধুময় বিলাই প্ৰাণত
অপৰূপ সৌন্দৰ্য্য সুষমা।
সুন্দৰৰ ধ্যানমূৰ্ত্তি অন্তৰ্দ্ধান আজি
নাই সেই আৰাধ্য দেৱতা,
আচম্বিতে আহি কোনে কৰিলে মুখৰ
প্ৰাণৰ নিবিড় নীৰৱতা।

—ঃ০ঃ—

# স্থমৰু বৰকাথ

খ্রীঃ ষোড়শ শতিকাৰ শেষ ভাগৰ আৰু সপ্তদশ শতিকাৰ আগ ভাগৰ কামৰূপী বীৰ স্থমৰু বৰকাথৰ নাম ইতিহাস প্রসিদ্ধ। বেলেগ বেলেগ পুথিত এওঁৰ নাম বেলেগ বেলেগ ৰূপে দিয়া আছে। মির্জ্জা নাথানৰ (নাথুনা) বিৱৰণ বাহাৰী-স্থানী ঘাইবীত এওঁৰ নাম স্থমাৰুয়েদ কায়েথ (Shumaruyead Kayeth). গেইট চাহাবৰ বুৰঞ্জীত এওঁক সমৰু বুলিছে, আমানতউল্লা আহ্‌মদৰ "কোচবিহাৰেৰ ইতিহাসত" এওঁৰ নাম সমাৰুদ কায়স্থ আৰু মোৰ Early History of Kamarupa নামে পুথিত মই এওঁৰ প্রকৃত নাম সমুদ্র কায়স্থ অনুমান কৰিছিলোঁ। পিছত দেখিলোঁ যে প্রায় ডেৰশ বছৰ আগেয়ে লিখা সূর্য্যখড়ি দৈবজ্ঞৰ দৰঙ্গ ৰাজ বংশাৱলীত এওঁৰ নাম স্থমৰু বৰকাথ লিখা আছে :—

মণিকূট মঠ পূর্ব্বে যিনাৰ আছিলা।
পাপিষ্ঠ যবনে আনি তাহাক ভাঙ্গিলা॥
তাহান গহ্বৰে মাধৱক দেখিলন্ত।
তাঙ্ক দেখি ৰঘুদেৱে আনন্দ ভৈলন্ত॥
বৰকাথ স্থমৰুক বুলিলা বচন।
শীঘ্রে কৰি মঠ আত কৰা নিবন্ধন॥
মৌচিনৰ ধন যত লাগে মানে দিলা।
পাক সিক শিলা কুটি কুমাৰ আনিলা।
আজ্ঞা কৰি ৰঘুদেৱ নিজ ঘৰে গৈলা।
পাছে বৰকাথে মঠ বান্ধিবাক লৈলা॥

অনুমান সোমবাৰে জন্মগ্রহণ কৰাৰ বাবেই তেওঁৰ নাম সোমবাৰু—সোমবৰু—স্থমাৰু—স্থমৰু হৈছিল। এই মঠৰ ভিতৰত ৰঘুদেৱ ৰজাৰ যি শিলালিপি আছে তাৰপৰা জনা যায় যে ১৫০৫ শকত এই মন্দিৰ সজা হয়। * সেই সময়ত অনুমান স্থমৰু বৰকাথ ডেকা মানুহ আছিল। ৰঘুদেৱ ৰজাৰ পিছত

---

* গেইট চাহাবে লিখিছে :—"When it (the temple) was Completed it was Consecrated by the sacrifice of numerous human victims."

এই কথাৰ অলপো সত্যতা নাই। সূর্য্যখড়ি দৈবজ্ঞৰ পুথিত আছে যে ৺ কামাখ্যা দেৱীৰ মন্দিৰ সজাৰ পিছত নৰনাৰায়ণ ৰজাই :—

"তিনি লক্ষ হোম দিলা এক লক্ষ বলি।"
সাতকুড়ি পাইক দিলা কৰি তাম্র ফলি॥

তেওঁৰ পুতেক পৰীক্ষিৎ নাৰায়ণ ৰজা হয়। মোগল সেনাপতি মকৰম খাঁই যেতিয়া তেওঁক ধৰি নি কামৰূপ দখল কৰে তেতিয়া সুমক ৰৰকাথৰ বয়স অনুমান ৬০ বছৰ। এই বয়সতো তেওঁ পৰীক্ষিৎ ৰজাৰ ভায়েক বলীনাৰায়ণৰ প্ৰধান সৰ্দ্দাৰ-ৰূপে আহোম ৰজাৰ সৈন্যৰে একেলগে হৈ মোগল সৈন্যৰ লগত কেবা ঠাইতো যুজিছিল। এইবিলাক যুদ্ধ-বাগৰৰ সম্পূৰ্ণ বিৱৰণ মীৰ্জ্জা নাথুনাৰ পুথিত দিয়া আছে। এই পুথিত দিয়া সুমক ৰৰকাথৰ এই সময়ৰ কাৰ্য্য-কলাপৰ বিৱৰণ ভালকৈ বুজিব খুজিলে তেতিয়াৰ অসম বুৰঞ্জী অলপ আলোচনা কৰিব লাগিব।

পৰীক্ষিৎ নাৰায়ণক ধৰি নিয়াৰ পাছত সোনকোষৰপৰা পূৰ্ব্বে ভড়ৰী নদীলৈকে কোচ-হাজো ৰাজ্য নাম মাত্ৰ মোগলৰ অধীন হ'ল সঁচা কিন্তু কামৰূপৰ উত্তৰ-কুল আৰু দক্ষিণকুল দুয়োফালে মোগল শক্তিৰ বিৰুদ্ধে বিদ্ৰোহাগ্নি জ্বলি উঠিল। উত্তৰ পাৰে সনাতন নামে এজন বীৰ ওলাই এটা পৰাক্ৰমী দল গোটাই মোগল-বিলাকক কেবা ঠাইতো আক্ৰমণ কৰিলে। ইফালে পৰীক্ষিৎ নাৰায়ণক ধৰি নিয়াতে কামৰূপ সম্পূৰ্ণৰূপে মোগলৰ হস্তগত হল বুলি ভাবি বঙ্গদেশৰ মোগল চুবাদাৰ ইচলাম খাঁই চৈয়দআবাবাকৰ নামে এজনক দুই সেনাপতি পাতি অসম ৰাজ্য আক্ৰমণ কৰিবলৈ পঠালে। সনাতনৰ উৎপাতৰ বাবে এটাই-বিলাক মোগল সেনাই এই যুদ্ধযাত্ৰাত যোগ দিব নোৱাৰিলে। বৰনগৰ, ধম-ধমা, হাজো প্ৰভৃতি ঠাইত কিছু মোগল সৈন্য ৰৈ গল। চৈয়দ আবাবাকৰৰ লগত ৰাজপুত চৰ্দ্দাৰবিলাক, শ্ৰীহট্ট আৰু মৈমনসিংহৰ পাঠান চৰ্দ্দাৰবিলাক আৰু অন্যান্য মোগল অশ্বাৰোহী আৰু পদাতি সৈন্যৰ বাহিৰেও এটাইবিলাক বঙ্গালী হিন্দু জমিদাৰেই তেওঁলোকৰ নৌ সৈন্যৰ সৈতে উজাইছিল। এই-বিলাক বঙ্গালী হিন্দু জমিদাৰ সকলৰ ভিতৰত ভূষনাৰ জমিদাৰ ৰাজা সত্ৰা-

---

ইয়াৰ অৰ্থ গেইট চাহাবে কৰিলে:—when the new temple of Kamakhya was opened the ocasion was celeberated by the immolation of no less than a hundred and forty men whose heads were affored to the Goddess on salvers made of copper !!"

তামৰ ফলিত লিখি সাতকুৰি ঘৰ পাইক দিয়া মানে হ'ল সাতকুৰি মানুহ বলি দি সিহঁতৰ মূৰ তামৰ শৰাইত উচৰ্গা কৰা !! হাজোৰ মঠ সম্পৰ্কেও ৮ সূৰ্য্যখড়ি দৈবজ্ঞৰ পুথিত লিখা আছে:—

"তাম্ৰ ফলি কৰি দিলা পাইক সপ্তশত ॥"

ইয়াৰ অৰ্থ হ'ল যে the temple was consecrated by the sacrifice of numerous human vitctims !!" অথচ গেইট চাহাবৰ বুৰঞ্জী পঢ়িয়েই এতিয়ালৈকে অসমীয়া—অনা অসমীয়াই আমাৰ পুৰাবৃত্ত কি আছিল জানিব খোজে।

জিতেইঁ ঘাই আছিল। এটাইবিলাক মোগলসৈন্য হাজোত গোটখাই তাৰপৰা বামে উত্তৰপাৰেদি আৰু নৈয়েদি উজাই সেইসময়ৰ আহোমৰাজ্যৰ সীমা ভড়ৰিৰ পশ্চিমপাৰে কোঠ পাতিলে। বামে উজাই যোৱা মোগল সৈন্যবিলাকে কামৰূপৰ উত্তৰপাৰৰ গাওঁবিলাক উজাৰ কৰি গৈছিল, বিশেষকৈ চাংশাৰী নামে গাওঁখনত বৰ উৎপাত কৰিছিল। ভড়ৰিৰ পূবপাৰে অসমীয়া সৈন্য গোটখালে আৰু ৰজা প্ৰতাপসিংহই নিজে লগত বহুত চাওডাং লৈ আইকুঁৱৰীয়ে সৈতে চামধৰাত ৰল। ভালেমান দিন দুয়োপক্ষই মুখামুখী হৈ থাকিও যুদ্ধ নকৰাত চামধৰাৰ পৰা মহাৰজাই দায় ধৰি নিজৰ দদায়েক চাউলাই কোঁৱৰক তিনিজন নেওগ সমে ধৰাই নিয়ালে। এওঁলোকৰ প্ৰাণদন্দৰ হুকুম হৈছিল কিন্তু আইকুঁৱৰীৰ প্ৰাৰ্থনাত তেওঁলোকৰ জীৱন ৰক্ষা পৰিল। পাছত গোঁহাইসকলে পৰামৰ্শ কৰি মানুহ পাৰ হবলৈ কোঠৰ উজানে তিনিখন দলং বান্ধিলে। ১৫৩৭ শকৰ মাঘ মাহৰ ১৫ তাৰিখে প্ৰভাতৰ অলপ পূৰ্ব্বে অসমীয়া সৈন্যই ন'ৰে-তৰে বঙ্গালক আক্ৰমন কৰিলে। ছকুড়ি দঁতাল হাতীয়ে পোনতে বঙ্গালৰ গড় ভাঙ্গি দিলে। 'পাছে সেনাসকলে যাক যৈতে পায় তাক তৈতে কাটিব ধৰিলে। বঙ্গালে সাহিম হৈ নেপালে, কতো বিভঙ্গে কটা গল, কতো অস্ত্ৰ-সস্ত্ৰ ধৰি যুজিলে" (বুৰঞ্জী) এই ৰণৰ বিবৰণ আমাৰ বুৰঞ্জীবিলাকত যি আছে তাতোকৈ বিশদ বিবৰণ মিৰ্জ্জা নাথুলাৰ বাহাৰিস্থানী ঘাইবীত দিয়া আছে। এই বিবৰণ মতে তিনিলাখ অসমীয়া পদাতি সৈন্যই ৭০০ হাতীৰে মোগল ফৌজক আক্ৰমন কৰিছিল। বুৰঞ্জীবিলাকৰ মতে আমাৰ ফালৰ ছকুড়ি হাতী হে আছিল। মিৰ্জ্জা নাথুলাই লিখা অসমীয়া পদাতি সৈন্যৰ সংখ্যাও অতিৰঞ্জিত যেন লাগে। যুদ্ধ লাগি থাকোঁতেই ৰজা সত্ৰাজিত নাৱেৰে পলাল। ইবিলাক মোগল, পাঠান, ৰাজদুত আৰু বঙ্গালী নায়কসকলক আমাৰ সৈন্যই ধৰি তিনি তৰপ খাগৰীৰ গড়ৰ ভিতৰত সুমাই থৈ মহাৰাজাক খবৰ দিলে। মহাৰাজাই কৈ পঠালে "বঙ্গালক নাকাটিবি, কেমুৰা উমীৰ বোৰে মোৰে যুজিবলৈ আহিছিল চাম গৈ"। এই আজ্ঞা পোৱা স্বত্বেও গোঁহাইবিলাকে "আমি কিয় ৰণ বঢ়াই থম" এই বুলি খাগৰীৰ গড়ৰ ভিতৰৰপৰা এজন এজনকৈ উলিয়াই আনি কাটিলে। "বঙ্গালৰ সবাৰো উপৰি যি চৈয়দ বাবাকৰ নবাব সিও পৰিল। ভগবান বক্সি, গকুল চান্দ, জাহিৰ বেগ, মিৰ্জ্জা মথি, জামাল খাঁ, দক্ষিণে আহ্লাদ খাঁ এই সব

* ভূষণা বৰ্ত্তমান ফৰিদপুৰ জিলাৰ ভিতৰৰ এখন ঠাই।

কটা গল। ৰাজা জগদেৱ, গন্ধৰ্ব্ব ৰায়, ৰাজা ৰায়, কালা বৰুৱা, হাড়া প্ৰতাপ সিং, ইন্দ্ৰমণি, নৰসিং ৰায়, ভগবান ৰায়, কৰম চান্দ এই সমে ১০ ৰজা দাঁতে খেৰ ধৰি বোলে আমি মহাৰাজাৰ শৰণীয়া বন্দী হলোঁ, আমাক নাকাটিবা। পাচে তাসবক নাকাটিলে।" (বুৰঞ্জী) এওঁবিলাকক বন্দী কৰি মহাৰাজাৰ গুৰিলৈ পঠোৱাত মহাৰজাই তেওঁলোকৰ "গলে চেঙ্গুলীয়া ডাকুৰ দি' গড় গাওঁলৈ পঠালে। বাকীবোৰক তেওঁলৈ বাট নেচাই কটা শুনি মহাৰাজাই খঙতে চাউলীয়া কেঁৰৰক মাৰিলে আৰু নেওগ কেইজনকো কটালে। মিৰ্জ্জা নাথুনাৰ বিৱৰণমতে মোগলৰ ফালৰ ১৭০০ সৈন্য কটা গল, প্ৰায় ৩৫০০মান গুৰুতৰৰূপে ঘাইল হৈ হাবিয়ে বননীয়ে পৰি মৰিল, ৩০০০মান সামান্যৰূপে আহত হৈ পলাল আৰু ৯০০০ বন্দী হল।*

যুদ্ধত আহত হোৱা আৰু নোহোৱা যিবিলাক উত্তৰ পাৰেদি পলাল সেইবিলাক চাংপাৰি গাওঁ পাওঁতেই গাৱলীয়া বিলাকে ধৰি যাকে যতে পালে কাটিবলৈ ধৰিলে, কাৰণ পূৰ্ব্বে উজাই যাওঁতে এইবিলাক মোগল সৈন্যই গাওঁবন একেবাৰে উজাৰ কৰিছিল। মিৰ্জ্জানাথুনাই লগত চিপাহী লৈ এই বিলাক

*এই যুদ্ধত মিৰ্জ্জা নাথুনা নিজে উপস্থিত আছিল, পলাই যোৱা মোগল সৈনাৰ মুখৰপৰা শুনি তেওঁ এই ৰণৰ বিৱৰণ লিখিছিল। এই বিবৰণমতে তাম্বুৰপৰা ওলাই পলাবলৈ ধৰোঁতেই চৈয়দ আবা বাকক অসমীয়া সৈন্যই চিনিব নোৱাৰি কাটিলে আৰু আন নায়কবিলাকৰ প্ৰায়েই যুদ্ধ থাকোতেই কটা গল, কেৱল সত্ৰাজিত পলাই সাৰিল আৰু যিবিলাকে আত্ম সমৰ্পন কৰিলে তেওঁলোকো ৰক্ষা পৰিল। বাহাৰিস্থানী ঘাইবীত এইদৰে লিখিছে:— "The Sardars of the Assam Raja such as Haudi Buda ( Hati Barua) Rajkhawa and Kharghuka (Khargaria Phukan) sarrounded Ilahdad Khan Dakhini and the remnants of that congregation of martyrdam like the games in a hunting enclosure and began to press upon them. Although they appealed for protection it was of no avail. At last as the unparalleled Lord had not ordained the death of some of them. Hati Barua the chief of the Sardars of Assam thought of stopping the battle and sent the following message to these distressed people: – If you really desire peace, deliver to us all your arms of war, big or small, collected and packed together in one place without keeping any of them with you. Then we shall grant you your life." As there was no other chief or Sardar among these people except Ilahdad Dakhini, who also had received four or five wounds and was unable to move and as there was no other way for their safety and escape so all arms, big and small, were collected in one place and handed over to them. After that Hati Barua ordered ten to twenty persons to be bound with one another and entrusted them to each one of his chiefs." [ Baharisthani Ghaybi, Translation by Dr. Borah, Vol I pages 398-399].

পলৰীয়া সৈন্যক যিমান পাৰে উদ্ধাৰ কৰি আকৌ হাজোত গোট খুৱাই চুবা-দাৰলৈ খবৰ পঠালে। এই সুবিধাতে সনাতনে বৰনগৰৰ মোগল কোঠ আক্ৰমণ কৰিলে আৰু ৰাণীৰ ৰজাই ৰাতি পাণ্ডু আক্ৰমন কৰিলে। ইয়াৰ পিছত ডিমৰুৱাৰ ৰজা আৰু কোচ ৰজা পৰীক্ষিতৰ ভায়েক বলীনাৰায়ণ আৰু দক্ষিণ কুলীয়া ১৮ জন দাঁতিয়লীয়া ৰজা আহি মহাৰাজৰ শৰণ ললেহি। মহাৰাজাই বলী কোঁৱৰক ধৰ্ম্মনাৰায়ণ নাম দি দৰঙ্গত ৰজা পাতিলে। ইং ১৫৩৮ শকৰ আহিন মাহৰ কথা। "আৰু পুনৰ্ব্বাৰ দক্ষিণ কুলীয়া, উত্তৰ কুলীয়া ঢেকেৰীয়ে ৺তাঁক উদ্যম কৰালেহি বোলে স্বৰ্গদেৱ মহাৰাজ, আমি যতেক ঢেকেৰী আছোঁ সমস্তকে ৰাজা পৰীক্ষিতে তোমাৰ দুই পাৱৰ তলত দি গৈছে আৰু বুলিলে "আৰ যত কোঁৱৰ কুঁৱৰী আৰু যত বালেক আছে সবাৰো দেৱ কুটুম্বৰ ঠাইতহে ভাত, আন ঠাইত ৰক্ষা নাই।" এখন স্বৰ্গদেৱে যদি আজ্ঞা কৰে হাজোত যিবা বঙ্গাল থিনি আছে তাক ধৰিবাক প্ৰতি, আমাকো আৰু ৺দেৱৰ লোকজনকো পাঞ্চোক, ৺দেৱৰ লোকক পাছ কৰি আমি আগ হৈ ধৰিম গৈ। এতেকে উত্তৰ কুল দক্ষিণ কুল ৺তাৰ হৱ" (বুৰঞ্জী) *

মহাৰাজাই এই কথাতে সন্মত হৈ আঘোণত তিনিওজন ডাঙৰীয়াক সৈন্য সমন্বিতে হাজোৰ ফালে পঠাই দি নিজে আকৌ চামধৰাত ৰলহি। বলীনাৰায়ণ আৰু তেওঁৰ ঘাইনায়ক সুমৰু বৰকাথ নিজ সৈন্যৰ সৈতে অসমীয়া সেনাৰ লগত গল। মিৰ্জ্জানাথনাৰ বিৱৰণ মতে একলাখ পদাতি সৈন্য লৈ থকবক বুঢ়া গোহাই হাজোৰ পৰ্ব্বতৰ উত্তৰ ফালেদি কুলিজথাৰ বিৰুদ্ধে আগবাঢ়িল, দুইলাখ পদাতি আৰু ১৮০ টা হাতীলৈ হাতীবৰুৱা, বলীনাৰায়ণ আৰু সুমৰু বৰকাথ এওঁলোকে সেখ কামালক আক্ৰমণ কৰিলে আৰু ৰাজখোৱা, খাৰঘৰীয়া ফুকন প্ৰভৃতিয়ে দক্ষিণে ৪০০০ নাওৰে আগ বাঢ়িল আৰু তাৰে ১০০০ নাও মোগল ফৌজৰ পিছ ফাল হৈ পলোৱাৰ বাট ভেটিলে। মিৰ্জ্জানাথনাই লিখিছে যে চিকাৰীবিলাকে বনৰীয়া জন্তুক ধৰিবলৈ যেনেকৈ জাল পাতে সেই প্ৰকাৰ অসমীয়া সৈন্যই মোগল সেনাক বেঢ়ি ধৰিলে ( In short the Imperial army was braught to bay like games in a hunt. ) *

---

* এইবিলাক মানুহৰ অনুমান সুমৰু বৰ কাথেই মুখীয়াল আছিল। পৰীক্ষিৎ ৰজাৰ ভনীয়েক মঙ্গলদৈক মহাৰাজা প্ৰতাপ সিংহলৈ বিবাহ দিয়া হৈছিল, সেই বাবেই মহাৰাজাক "দেৱ-কুটুম্ব" বুলি উল্লেখ কৰা হৈছে।

* Baharisthani Ghaibi vol II p 488.

এই বিবৰণত দিয়া অসমীয়া পদাতি সৈন্য, হাতী আৰু নাওৰ সংখ্যা অতিৰঞ্জিত যেন অনুমান হয়। বুৰঞ্জীত কোনো সংখ্যা দিয়া নাই ।

এনে অৱস্থাতো অসমীয়া সৈন্যৰ পৰাজয় হল কিয় ? ইয়াৰ নানাৰকম কাৰণ নিৰ্দ্দেশ কৰা হৈছে। বুৰঞ্জীবিলাকৰ মতে অসমীয়া সৈন্যৰ ভিতৰতে একমত নোহোৱা বাবে গা লাগি যুজ কৰা নহল আৰু সেই বাবে শত্ৰু পক্ষ জিকিল। "পাছে থকবক বুঢ়াগোঁহাই পৰিবৰ শুনি ৰজা বোলে গোঁহাই বোৰে গা লগাই যুজিলেহেঁতেন মোৰ বুঢ়াগোঁহাই কিয় ৰণত পৰিব বঙ্গাল শত্ৰু বা কিয় সাৰি যাব পাৰিব ? যিহেতু গা লগাই নুযুজিলে এতেকেহে গোঁহাই ৰণত পৰিল। গোঁহাইবোৰে বোলে আমি বঙ্গালক বেঢ়ি ধৰিলোঁ, থাব নেপাই বল থিন হওক তেহে আমি চাপি ধৰিম। লেচাম চিৰিং নেওগে বৰ কথা মাতি গালি পাৰিলে। গালি শুনি হে চাপি ধৰিলোঁ। গোঁহাইও পৰিল বঙ্গালো সাৰিগল।" (বুৰঞ্জী)। গেইট চাহাবৰ মত গোঁহাইবোৰে ৰজাৰ কথামতে নচলি কিছুমান মোগল অশ্বাৰোহী সেনা আগ বাঢ়ি অহা দেখিয়েই খেদা দিয়াত যুদ্ধত পৰাজয় হল। মিৰ্জ্জানাথ্‌লাই লিখা বিবৰণৰ পৰা দেখা যায় যে মঙ্গল চাওঁতে গোঁহাইবোৰে জানিছিল যে যুজ কৰিলেই ৰজাৰ সৈন্যৰ পৰাজয় হব এনে অৱস্থাত ৰজাই আজ্ঞা পঠালে যে আৰু বাট চাব নেলাগে, বঙ্গালক ধৰিব লাগে। এই আজ্ঞা পাই গোঁহাইবোৰে অনিচ্ছা স্বত্বেও যুদ্ধ আৰম্ভ কৰিলে। ইও পৰাজয়ৰ সম্পূৰ্ণ কাৰণ যেন অনুমান নহয়। আচল কথা এই যে অসমীয়া সৈন্য যেতিয়া হাজো পাইছিলহি তেতিয়া তাত মাত্ৰ সেখ কামাল অলপ সৈন্যৰে আছিল। গোঁহাইবোৰে মঙ্গল চাই ভাল দিন ক্ষণলৈ বাট চাওঁতে বৰনগৰৰ পৰা কুলিজখা আৰু দক্ষিণ কুলৰ পৰা মিৰ্জ্জানাথ্‌লা আৰু ইচুফ বৰলাচ নিজ নিজ সৈন্য লৈ সেখ কামালৰ লগ ললেহি, তেতিয়া মোগল ফৌজ খুব বলী হল। এনেতে ৰজাৰো আজ্ঞা আহিল যে আৰু বাট চাব নেলাগে। নিজৰ ইচ্ছাৰ বিৰুদ্ধে গোঁহাইবোৰে যুদ্ধলৈ সাষ্টম হওঁতে কিছুমান বঙ্গালে ফাকি কৰি পলাবৰ উপক্ৰম কৰা যেন দেখুৱালে। ইয়াকে দেখি "লেচাম চিৰিঙ্গে তিনিওজন গোঁহাইক ঘালি-বচন বুলিলে, বঙ্গাল যে ভাগে তোমালোকে নধৰা কিয় ? এই বুলি লোক সকলোকো কোবাই যুদ্ধক সম্মুখে পৰ্ব্বতত তুলি দিলে বঙ্গালক কাটিবাক প্ৰতি। বঙ্গালো সাজু হুই আছে। পাছত মনত দুখে তিনিজনা গোঁহাই আনো সকল আহোম পৰ্ব্বত উঠি যাওঁতে বঙ্গালে ঘোড়া মেলি যাকে যৈতে পালে তৈতে কাটিলে। থকবক বুঢ়াগোঁহাই পৰিল। নাও-নাৱৰা, আহিলা পাতি, যত হিলৈ সকলো পৰিল। যত লোক পৰিল তাৰ সীমা নাই—আৰু হস্তী পৰিল ৮০ চাৰি কুৰি" (বুৰঞ্জী)। মিৰ্জ্জাৰ বিবৰণ মতে ৩৭০০ অসমীয়া সৈন্যৰ মৃতদেহ

যুদ্ধ ক্ষেত্ৰত পোৱা গল, ইয়াৰ দ্বিগুণ সংখ্যক সৈন্য গুৰুতৰৰূপে আহত হৈ হাবিয়ে-বননীয়ে পৰি মৰিল আৰু প্ৰায় ১০০০০ সৈন্য ঘাইল হৈ পলাল। মৃত অসমীয়া সেনাৰ মূৰবিলাক কাটি নাৱত ভৰাই চুবাদাৰৰ দৃষ্টাৰ্থে ঢাকালৈ পঠোৱা হল। এই দৰে মোগলবিলাকে ভড়ৰীৰ যুদ্ধৰ পৰাজয়ৰ শোধ ললে। বলী-নাৰায়ণ আৰু সুমক বৰকাথৰ কামৰূপ উদ্ধাৰৰ স্বপ্ন আকৌ কিছুকালৰ কাৰণে মাৰ গল। গুৱাহাটী পৰ্য্যন্ত আহোমৰ সীমা হৈ ৰল, বাকী কামৰূপৰ উত্তৰ-কূল আৰু দক্ষিণকূল আকৌ বঙ্গালৰ দখলেই ৰল। সেখ কামাল হাজোতে থাকিল, মিৰ্জ্জা নাথুলা দক্ষিণকূললৈ উলটি গল, কুলিজখাঁ বৰনগৰত ৰল আৰু সত্ৰাজিত পাণ্ডুত থাকিল। *

এইবাৰ বলীনাৰায়ণ, বেলতলাৰ মামুগোবিন্দ, সুমকবৰকাথ, পৰশুৰাম, যদুনায়ক আৰু দক্ষিণপাৰৰ দাঁতিয়লীয়া ৰজাবিলাকে হাবৰাঘাটৰ বালিজানৰ পৰা পাণ্ডু পৰ্য্যন্ত গোটেই দক্ষিণকূলতে বিদ্ৰোহাগ্নি জ্বলাই দিলে। এইবিলাকে একে ঠাইতে গোটখাই সন্মুখ ৰণ নকৰি চাৰিওফালে কোঠ পাতিলে। অকল মিৰ্জ্জা নাথুলাই সকলো ঠাইতে এটাইবিলাকক দমোৱা অসম্ভৱ হৈ উঠিল। সত্ৰাজিত ৰজাই যদিও মিৰ্জ্জাক সহায় কৰিছিল হাজোৰ থানাদাৰ সেখ কামালেৰে মিৰ্জ্জাৰ সদ্ভাব নাছিল। চুবাদাৰে সেই সময়ত সেখ কামালকে মোগল সৈন্যৰ ঘাই দলপতি পাতি দিছিল। মিৰ্জ্জাই দক্ষিণকূলৰ সমস্ত ভাৰ লৈ সেখ কামালৰ সহায় নালাগে বুলি লিখি পঠালে। সেখ কামালে তথাপি মিৰ্জ্জাৰ উৎসাহ বঢ়াবৰ কাৰণে উত্তৰ দিলে "সুমক বৰকাথে ৰংজুলী আৰু আমজুদাত দুটা কোঠ পাতিছে। এই দুটা তুমি অধিকাৰ কৰিব পাৰিলেই তুমি অসম দেশ জয় কৰিলা বুলি ভাবিম।" মিৰ্জ্জাই আমজুদাৰ কোঠ সোনকালে হস্তগত

* পাণ্ডুৰ থানাদাৰ হৈ ৰজা সত্ৰাজিত বহুত বছৰ আছিল। তেওঁ তাত থকা সময়ত Stephen Cacella আৰু John Cabral নামেৰে দুজন পৰ্টুগীজ খৃষ্ট ধৰ্ম্ম প্ৰচাৰক ঢাকাৰ পৰা নাৱেৰে পাণ্ডু আৰু হাজো পাইছিল হি। ষ্টিফেন কেচিলাই লিখা বিৱৰণত এই দৰে আছে—"Hazo is the most important town and the capital of the Kingdom of Cocho, a large country, very populous and rich. It used to be the residence of Liquinarane (Lakshminarayan) who is now dead and the Nabab of Mogor, to whom the country pays tribute, also resides there. We passed the town and arrived at Pando, where lives Satargit (Satrajit) Rajah of Busna (Bhusana) the Pagan Commander-in-Chief of Mogor against the Assames (Assamese)."—Early Jesuit Travellers in Central Asia, p 123. ৰাজা লক্ষ্মীনাৰায়ণক মুক্ত কৰি দিয়াৰ পাছত তেওঁ কিছুকাল হাজোত থাকি মোগল ফৌজক সহায় কৰিছিল। ৰাজা সত্ৰাজিত কোনো দিনেই Commander-in-Chief নাছিল।

কৰিলে, কিন্তু ৰংজুলীৰ কোঠ অধিকাৰ কৰা শকত হল। মিৰ্জ্জাই ৪০০০ হেজাৰ গাৰো চিপাহী নতুনকৈ ভৰ্ত্তি কৰি বৰকাথৰ ৰংজুলীৰ কোঠ আক্ৰমণ কৰিলে। সুমৰু বৰকাথ নিজে কোঠৰ ভিতৰত থাকি যুদ্ধ চলাইছিল।

"Shumaruyed Kayeth the head (i. e. the brain) and the chief of the garrison was staying within the fort. He defended the fort and the battle was equally balanced. The besiegers pressed the siege with all their might and endeavoured to break open the fort. The dead lay one upon another in heaps but it was of no avail.······Such a terrible battle was fought that owing to the heavy showers of arrows from both sides the birds of the air could not fly (Baharisthan-i Ghaybi vol. II p. 529)। ইমান তয়া-ময়া ৰণ কৰিও সুমৰু বৰকাথৰ কোঠ অধিকাৰ কৰিব নোৱাৰি মোগল বিলাকে চাৰিওফালৰ গাঁওবিলাক লুট-পাট কৰিলে কাৰণ এইবিলাক গাওঁৰ পৰাই বৰকাথে তলে তলে ৰচদ্ পাইছিল। পিছত বৰকাথৰ সাহাষ্যৰ নিমিত্তে বলীনাৰায়ণে দুহেজাৰ সৈন্যৰে সৈতে গোবিন্দ লস্কৰক পঠাই দিলে। দুৰ্ভাগ্য-ক্ৰমে মিৰ্জ্জা নাথুনাই গোবিন্দ লস্কৰক হাত কৰিলে আৰু এওঁ দেশ দ্ৰোহী হৈ মোগলৰ ফলীয়া হল। তেতিয়া সুমৰু বৰকাথে উপায়ান্তৰ হৈ পলাবৰ দিহা কৰিলে। কোঠ অবৰোধ কৰাৰ ৪২ দিনৰ পাছতো মোগলবিলাকে যুদ্ধ কৰি কোঠ লব নোৱাৰিলে। ৰাতি মোগলবিলাকে গম নোপোৱাকৈ বৰকাথ আৰু তেওঁৰ লগৰ এটাইবিলাক সেনা কোঠ এৰি পলাল। পিছত মোগলবিলাকে সাৰ পাই উঠি দেখে যে কোঠৰ ভিতৰত কোনো নাই। তেতিয়া তেওঁ-লোকে খেদা দি বৰকাথক বাটত দুই পৰ্ব্বতৰ মাজত লগ পাইও ধৰিব নোৱাৰিলে। তাৰ পাছত গোবিন্দ লস্কৰৰ সহায়ত মিৰ্জ্জা নাথুনাই এঠাইত বলীনাৰায়ণক বেৰি ধৰিলে। উভয়পক্ষৰ সৈন্যৰ মাজত যুজ লাগোতে সেই সুবিধাতে বলীনাৰায়ণ পলাই সাৰিল, কিন্তু তেওঁৰ লৰা-তিৰুতা আৰু বস্তু-বাহানি মিৰ্জ্জাৰ হস্তগত হল। বলীনাৰায়ণে পলাই আকৌ আহোম ৰাজ্যত আশ্ৰয় ললেগৈ। ইয়াৰ পাছত মিৰ্জ্জাই আকৌ এবাৰ সুমৰু বৰকাথক লগ পাইও ধৰিব নোৱাৰিলে। তাৰ পাছত মিৰ্জ্জাই পৰশুৰামক ধৰি বন্দী কৰিলে। ইতিমধ্যে বলীনাৰায়ণ, সুমৰু বৰকাথ প্ৰভৃতিয়ে গৈ আকৌ মহাৰজা প্ৰতাপ-

সিংহক অনুনয় বিনয় কৰি জনালে "আমিহে মির্জ্জাক কামৰূপত ৰাখি আছোঁ, আমাক চূর্ণ কৰিব পাৰিলে অহা বছৰলৈ মির্জ্জাই নিশ্চয় অসম আক্ৰমণ কৰিব।" ইয়াকে শুনি মহাৰজাই ৮০ হেজাৰ পদাতি সৈন্যৰে হাতী বৰুৱাক পঠালে। তেওঁৰ লগত থাৰঘৰীয়া ফুকন আৰু ৰাজখোৱাও গল।

ইতিমধ্যে যদুনায়কো দেশদ্ৰোহী গোবিন্দ লস্কৰৰ গাওঁ আক্ৰমণ কৰা খবৰ পাই গোবিন্দই মির্জ্জাৰ পৰা কিছুমান সৈন্য লৈ নিজৰ ঘৰ-বাৰি ৰক্ষা কৰিবলৈ গৈ এটা কোঠ বান্ধিলে। যদুনায়কে এই কোঠ আক্ৰমণ কৰি গোবিন্দক পৰাস্ত কৰিলে আৰু তেওঁৰ মূৰ কাটি লৈ গল। গোবিন্দ লস্কৰে দেশ-দ্ৰোহিতাৰ ফল হাতে হাতে পালে।

অসমীয়া সৈন্যই এইবাৰ মির্জ্জাক ভালকৈ বেঢ়ি ললে। মির্জ্জাৰ বিবৰণমতে সুমৰু বৰকাথেই ঘাইকৈ অসমীয়া সৈন্য পৰিচালনা কৰিছিল, কাৰণ তেওঁ সেই ঠাইবিলাক ভালকৈ জানিছিল। অৱশেষত বহুত যুদ্ধৰ পাছত মোগলৰ কোঠ অসমীয়া সৈন্যৰ হস্তগত হল। মির্জ্জাই নিজৰ লৰা-তিৰুতা আগেয়ে হাতীৰে পলুৱাই পাছত নিজে কোঠ এৰি পলাল। তেওঁৰ প্ৰায় চাৰি কুৰি লিগিৰা-লিগিৰীয়ে পলাব নোৱাৰি "জৌহৰ" অৰ্থাৎ আত্মহত্যা কৰিলে। অসমীয়া সৈন্যই খেদা দি মির্জ্জাক ধৰিব নোৱাৰিলে, তেওঁ নাওৰে দক্ষিণকুল এৰি গুৱালকুছিলৈ পলাল। বলীনাৰায়ণ আৰু সুমৰু-বৰ-কাথৰ আকৌ আশাৰ সঞ্চাৰ হল।

মির্জ্জাই উত্তৰকুললৈ গৈ সৈন্য গোটাবলৈ ধৰিলে আৰু চুবাদাৰেও ঢাকাৰ পৰা তেওঁৰ সাহায্যলৈ সৈন্য পঠালে। চুবাদাৰৰ আদেশমতে কোচ বিহাৰৰ পৰাও কিছু সৈন্য মির্জ্জাৰ সাহায্য লৈ আহিল। এই নতুন সৈন্যদল লৈ মির্জ্জাই আকৌ উত্তৰকুলৰপৰা পাৰ হৈ নগৰবেৰা পালে। তাৰপৰা যদুনায়কৰ কোঠ দখল কৰি তেওঁ মিনাৰী পালেহি। সেই সময়ত কলঙ্গৰ মুখৰ ওচৰত হেঙ্গৰাবাৰী নামে ঠাইত বলীনাৰায়ণ, সুমৰু বৰকাথ আৰু আহোম গোঁহাই-বিলাক আছিল। মির্জ্জা মিনাৰী পালেহি এই খবৰ পাই সুমৰু বৰকাথে বিলম্ব নকৰি মিনাৰীৰ ওচৰত কোঠ দিলেহি। তালৈকে অসমীয়া সৈন্যবিলাকো আহিলত যুদ্ধ আকৌ আৰম্ভ হল। এই বাৰ যুদ্ধত মির্জ্জা জয়ী হল। এইবাৰ বৰকাথক ধৰিবলৈ বিশেষ যত্ন কৰি মির্জ্জাই চাৰিওফালে খেদা পঠালে। মস্ত-আলি নামে এজন মির্জ্জাৰ অনুচৰে বৰকাথৰ সেনানী এজনক ধৰি কাটিব খোজাত প্ৰাণৰ ভয়ত সেই সেনানী জনে বৰকাথ লুকাই থকা ঠাইডোখৰ দেখুৱাই

দিলে। ওচৰ চাপোঁতে ঘোড়াৰ চেচেয়নী শুনি বৰকাথ আৰু তেওঁৰ লগৰীয়া কেজন পলাবলৈ ধৰোঁতেই জহৰ খাঁ নামে এজনে ওচৰ চাপি মাত লগাই কলে, “বৰকাথ আপুনি পলাব নালাগে, আপুনি আত্মসমৰ্পণ কৰক, আপোনাৰ জীৱন ৰক্ষাৰ বাবে মই দায়ী।” এই জহৰ খাঁ পূৰ্ব্বে পৰীক্ষিত নাৰায়ণৰ সেনাৰ এজন নায়ক আছিল আৰু তেওঁ বৰকাথক ভালকৈ জানিছিল। এই জন পৰিচিত লোকে আশ্বাস দিয়া স্বত্বেও বৰকাথে হাতত থকা বৰ্শাৰে জহৰখাঁক জখম কৰিলে। আহত হৈও জহৰখাঁই আকৌ বৰকাথক ভালেৰে কোৱাতো বৰকাথে পুনৰ্ব্বাৰ জহৰখাঁক আক্ৰমণ কৰাত জহৰখাঁই তৰোৱালেৰে বৰকাথৰ মূৰত আঘাত কৰিলে আৰু সেই আঘাততে বৰকাথ অজ্ঞান হৈ মাটিত পৰিল। তেতিয়া বঙ্গালে বৰকাথক বান্ধি পেলালে আৰু হাতীত তুলি মিৰ্জ্জাৰ ওচৰলৈ লৈ গল। তেওঁ মিৰ্জ্জাৰ শিবিৰ পাওঁতেই মিৰ্জ্জাৰ সেনানী বিলাকে চিঞৰি উঠিল “The True Lord has fulfilled your desire. The man who was responsible for the defeat of all these armies has been made a Captive. It is proper that you should offer thanks to God and put on your turban again.” * মিৰ্জ্জাই নিজে বৰকাথক হাতীৰ পৰা নমাই তেওঁৰ বান্ধ সোলোকাই তেওঁক শুশ্ৰূষা কৰিলে আৰু তেওঁ নিজে থকা ঘৰৰ এখোটালি বৰকাথক দিলে। ইয়াৰ কিছুদিন পাছত বৰকাথৰ ঘা শুকাই তেওঁ লৰচৰ কৰিব পৰা হোৱাত তেওঁৰ লৰা তিৰোতা আনিবলৈ খবৰ পঠোৱা হল। বৰকাথৰ ডাঙৰ লৰা বাগলা (Bagla) বলীনাৰায়ণৰ লগতে বল কিন্তু বাকী চাৰিটা পুতেকক লৈ বৰকাথৰ ঘৈণীয়েক মিৰ্জ্জাৰ শিবিৰ পালেহি। মিৰ্জ্জাই তেতিয়া বৰকাথক সম্পূৰ্ণৰূপে মুক্ত কৰি মোগলৰ শৰণীয়া অন্য হিন্দু জমিদাৰ বিলাকৰ নিচিনাকৈ তেওঁক পদবী আৰু পোচাক দি দক্ষিণ কুলৰ ২০ খন মৌজা জায়গীৰ স্বৰূপে দিলে। এই সম্বাদ চুবাদাৰে পাই বৰ আনন্দেৰে মিৰ্জ্জালৈ ঢাকাৰ পৰা নানা উপহাৰ পঠালে।

মিৰ্জ্জা তেতিয়া ৰাণীহাটত আছিল। বৰকাথৰ পৰামৰ্শ মতে পূৰ্ব্বে তেওঁ কিছুমান সৈন্য হেঙ্গৰাবাৰীলৈ পঠাইছিল। ঢাকাৰ পৰা উপহাৰ আহি পোৱাত সেখ কামাল প্ৰভৃতিয়ে মিৰ্জ্জাক পাণ্ডুলৈ মাতি নিলে। তেতিয়া সত্ৰাজিতে তলে তলে গুপ্তচৰ পঠাই বৰকাথক উদগাই তেওঁৰ হতুৱাই আহোম গোহাঁই সকললৈ খবৰ দিয়ালে যে মিৰ্জ্জা পাণ্ডুত থাকোঁতেই হেঙ্গৰাবাৰীৰ

*—Baharisthan-i-Ghaybi Vol. II P 616.

মোগল কোঁঠ ধ্বংশ কৰিব লাগে। এই পৰামৰ্শ পাই গোঁহাই বিলাকে হেঙ্গৰা বাৰীৰ মোগল কোঁঠ আক্ৰমণ কৰি দখল কৰিলে আৰু বহুত বঙ্গালক মাৰিলে। মিৰ্জ্জাই পাণ্ডুতে এই পৰাজয়ৰ বাৰ্ত্তা পালে। পাছদিনা তেওঁ ৰাণীলৈ উলটি বিগল আৰু তাৰ পৰা আহি হালিগাওঁত শিবিৰ পাতিলে। তাত থাকোঁতেই তাৰ পৰা সুমক বৰকাথে সনাতন নামে এজন গুপ্তচৰৰ হাতত গোহাঁই বোৰলৈ এখন চিঠি দিছিল। সেই চিঠি দুৰ্ভাগ্যক্ৰমে মিৰ্জ্জাৰ হাতত পৰিল সেই চিঠিত এইদৰে লিখা আছিল ঃ—"আগ ৰাতি মিৰ্জ্জাই নটিনীবিলাকৰ নাচ-গান চাই থাকে পিছ ৰাতি শোৱে। শেষ ৰাতি মিৰ্জ্জাৰ কোঁঠ আক্ৰমণ কৰিলে লব পৰা যায়।" মিৰ্জ্জাই এই চিঠি পাইও মনে মনে থাকি অবি-লম্বে তেওঁৰ শিবিৰ দক্ষিণ পাৰৰ পৰা উত্তৰ পাৰৰ গুৱালকুছিলৈ তুলি নিলে আৰু তাৰ পৰা কিছুদিনৰ মূৰত তেওঁ সুমক বৰকাথ, পৰশুৰাম, ৰলীনাৰায়ণৰ লৰা-তিৰুতা ইত্যাদি বন্দীসকলক লগত লৈ ঢাকালৈ গল। চুবাদাৰ তেতিয়া ত্ৰিপুৰাৰ ফালে আছিল। মিৰ্জ্জাই তালৈকে গৈ সুমক বৰকাথ প্ৰভৃতিক চুবাদাৰক গতালে। পিছত এওঁলোকৰ কি গতি হল, মিৰ্জ্জাই একো লিখা নাই আৰু আমাৰ বুৰঞ্জীবিলাকতো এই বিষয়ে কোনো উল্লেখ নাই। অনুমান এওঁলোক বন্দীঅৱস্থাতে এজন এজনকৈ মৰিল।

সুমক বৰকাথৰ বৃত্তান্ত ইমানতে শেষ। বুৰৰ যুদ্ধৰ সময়ৰ বুৰৰ দলপতি ডিৱেট (De Wet) আৰু অলপতে হৈ যোৱা আবিচিনীয়াৰ যুদ্ধৰ ৰাচ-ডেষ্টা (Ras Desta) প্ৰভৃতিৰ নিচিনা সুমকবৰকাথো এজন যুদ্ধ বিশাৰদ বীৰ আছিল। মিৰ্জ্জাৰ বিবৰণ নথকা হলে তেওঁৰ কাৰ্য্য-কলাপৰ বিষয় আমি একো নাজানিলোঁহেঁতেন। অনুমান তেওঁ কামৰূপ জিলাৰ দক্ষিণ কুলৰ কোনো ঠাইৰ অধিবাসী আছিল। বৰকাথ এটি পদবী বা বিষয়ৰ নাম আছিল। ই জাতিবাচক শব্দ নহয়। মিৰ্জ্জাৰ বিৱৰণৰ পৰা দেখা যায় যে জাতিত ব্ৰাহ্মণ হৈও বৰকাথ হৈছিল*। এতেকে জাতিত সুমক বৰকাথ কায়স্থ

* 'Govind Laskar who was brought up under the fostering care of the Mirza came and said, "The enemy is intending to attack and destroy my home land Kamargaon. Therefore if you permit me to go with all the *paiks* to raise a fort it will not only give security to myself but will also stop the descent of the hillmen from the Lamdani region." Accordingly the Mirza gave him all the *paiks* and the *sardars* to raise a fort at Kamargaon. He (Govind) took leave and left in his place Narahari *Junardar* (holder of the sacred thread i. e. a Brahman) with the Mirza as the Barkayeth i.e. the *Mushrif* or head of the *paiks*.

—Bhharisthan-i-Ghaybi Vol. II P. 572.

নে কলিত' আছিল তাক ঠিক কৰি কব নোৱাৰি। এই বিষয়ে কামৰূপ, গোৱালপাৰা বা দৰঙ্গৰ কোনো লোকে অনুসন্ধান কৰিলে তেওঁৰ বিষয়ে আৰু আন কথা ওলাব পাৰে।

---

# বান্দনী।

আই তোৰ মন্দিৰৰ দ্বাৰ
হল আজি হঠাতে মুকলি
ই কি দৃশ্য দেখিলোঁ আগত—
কিয় তোৰ হাতত শিকলি?
পুৰোহিত পূজাৰী আহিছে,
ভক্তি ভাৰে আসন পাতিছে,
ডবা কাঁহ সঘনে বাজিছে
অপেস্বৰা স্বৰ্গত নাচিছে।
হেমন্তই গাঁথি হেমহাৰ
চৰণত কৰিছে অৰ্পণ
পদ্মলিত ইন্দ্ৰমালতীয়ে
তোকে আই কৰিছে বৰণ।
সমীৰণে তোৰেই কাৰণে
ধূপ ধুনা আনিছে উৰাই
স্বৰ্ণপ্ৰভা গন্ধমালতীয়ে
পুষ্পপাত্ৰ ৰাখিছে সজাই।
তিৰবিৰ মুকুতাৰ মণি
সুশোভিত শীতৰ শেতেলি
জিলমিল কৰিতা কুঞ্জত
আলোকিত সোণালি দীপালি।
আজি তোৰ পূজাৰ লগন্
সকলো যে আনন্দ মগন
এনে এটি সুখৰ ক্ষণত
তোৰ কিয় বাকলি বসন!
উঠ আই ৰাজৰাজেন্দ্ৰানি!
চক্ষু মেলি চাচোন এবাৰ
সম্মুখত সহস্ৰ সন্তানে
আঠু লই কৰে নমস্কাৰ।
এৰি এই দীনহীনা বেশ
বান্ধি তোৰ মেঘাম্বৰী কেশ
জগতক দেখুৱা পুনৰ
ধৰিত্ৰীৰ কামৰূপা দেশ।
ই কি শুনো আকাশ বাণাৰে
কোনে সেয়া কয় বিড়িয়াই
"শুন, হেৰ মূঢ় অসমীয়া,
ভাবিছ নে থাকিবি জীয়াই?
মিছা তোৰ মাতৃ আৱাহন,
মিছা তোৰ পূজা আয়োজন
সুধি চাচোঁ নিজকে এবাৰ—
উঠিছে নে প্ৰাণত স্পন্দন?

অতি ক্ষুদ্র স্বাৰ্থৰ কাৰণে
কত দিন—কত মাতৃপূজা
নাই তোৰ কমতা বেহাৰ
পাহৰিলে জয়ন্তা কাছাৰ
অসমৰ শুৱনী নদীত
অসমৰ চান্দো সদাগৰ
অসমৰ শুৱনি গাঁৱত
অসমৰ মোমাই তামুলি
নোৱাৰিলে যি দেশ জিনিব
সেই দেশ হেলাৰে জিনিলে
এয়ে নে সেই জনমভূমি
আছে জানো প্ৰাগজ্যোতিষৰ
চিত্ৰলেখা উষাৰ কাহিনী
অমৰাত বেউলাৰ নৃত্য
কুণ্ডিলৰ নন্দনবনত
আহিছিল কৃষ্ণ ভগবান
থিয় হই আছে জয়দ'ল
পাৰ হল চকুৰ আগত
অসমৰ বোৱাৰী জীয়াৰী
নাচিছিল ৰণৰ ভূমিত
'কংসবধ,' 'ৰুক্মিণী হৰণ'
সংকীৰ্ত্তন 'নিমাইসন্ন্যাসে'
যি ভাষাক শঙ্কৰ মাধৱে
মিলিজুলি কন্দলিসকলে
যি ভাষা হল বিৰচিত
সেই ভাষা উটি ভাহি যায়
দুৰ্য্যোগৰ ধুমুহা যেতিয়া
যি ভাষাৰ গুৰিবঠা ধৰে
তালে তালে পৰে বঠা চাব
'চিন্তানল' জ্বলিল বুকুত

ব্যৰ্থ কৰি শত অভিযান
কৰি দিলি নিৰাশাত ম্লান !
মধুপুৰ আজি কেনি গল
মণিপুৰ আজি কাৰ হল ?
কাৰ নাৱে কৰে চলাচল
অতীজত কেনি লীন হল ?
কাৰ বাৰী নদন বদন
কোনে তাৰ মাৰে ভিখাচন ?
ৰাজপুত পাঠান মোগলে
যাদুকৰী কাঠৰ নাঙলে !
ভগদত্ত নৰক বাণৰ
এতিয়াও গৌৰৱ ভাস্কৰ ?
হল আজি সপোনৰ কথা
ৰল মাথো কল্পনাত গাঁথা ।
ফুলিছিল পাৰিজাত ফুল
সৌৰভত হৈ বিয়াকুল ।
কলচীত সতীৰ শোণিত
কতযুগ গৌৰৱ ৰঞ্জিত !
হাতে হাতে হেঙদান লই
সেই কথা ইতিহাসে কয় ।
আজি আৰু নোহে অভিনয়
প্ৰচাৰিছে অসম বিজয় ।
যৌৱনৰ পিয়ালে অমৃত
নৱ ভাৱে কৰে সঞ্জীৱিত ;
'কথা গীতা,'—'কথা ভাগৱত'
কিয় আজি কালৰ সোঁতত ?
সঙ্কটত বিকট গগন
হেমচন্দ্ৰ, আনন্দ ফুকন ।
লম্বোদৰ, গুনাভিৰামৰ
অগ্নিঋষি কমলাকান্তৰ ।

ৰমাকান্ত, ভোলানাথে বহি
ন যুগৰ 'অৰুণ উদয়'
পাৰ হল শঙ্কটৰ মেঘ
অসমৰ স্বৰদি ভাষাক
ইমানতো অসমীয়া তই
লই তোৰ দলিতা মাতৃক
ই যে অতি মৰ্ম্মঘাতী বাণী
শুনা তাৰ উঠে প্ৰতিধ্বনি—
মাতৃ মোৰ বিশ্ববিজয়িনী
সঁচাকৈয়ে টোকে চকুপানী
ভাবি চালে মাতৃৰ দুৰ্গতি
এতিয়াও বিশল্যকৰণী
এইদৰে থাকিলে নহব
জাগা তুমি নতুন উদ্যমে
জাগিলে বীৰ, এবাৰ তুমি
বিঘিনিৰ হেয় হয়াসুৰ
বিপদৰ ক্ৰুৰ কৰ্ম্মনাশা
কামদেৱে জনম লভিব
ব্ৰহ্মপুত্ৰে কয় উদগাই—
শুনা গায় বন্দে মাতৰম্
সেইদিনা লৌহিত্য কুণ্ডত
মাতৃহত্যা পাপো গুচে য'ত
হিমাচলে শিতানত ৰই
নীলাচল শৈল শিখৰিনী
উমানন্দ মহাভৈৰৱৰ
উৰ্ব্বশীৰ উদ্দীপনা গীতি,
অনন্তৰ শয়ন তিয়াগি
হেমন্তৰ অৱদান লই
মন্ত্ৰদাতা শ্ৰীৰামচন্দ্ৰৰ
আজি চোৱা তোমাৰ জজ্জৰ

গাথে মালা অমিত্ৰ ছন্দত,
অসমৰ পূৱ আকাশত।
তথাপিতো বিধি-বিড়ম্বনা
বিষ স্তন যাচিছে পূতনা।
কিয় মাৰ মুখৰ মহলা
কিয় কৰ পৰিহাস-খেলা ?"
নামি আহে আকাশৰ পৰা
অসমীয়া জীৱন্ততে মৰা !
আদৰিণী ধৰিত্ৰী নন্দিনী
গৰবিনী দলিতা ফণিনী।
যায় প্ৰাণ শতধা বিদাৰি
পাৰিবা নে আনিব বিচাৰি ?
সকলোৰে নেওচনি খাই
হৰিষেৰে মাতৃমন্ত্ৰ গাই।
কাৰ সাধ্য বাধা দি ৰাখিব
পলকতে আঁতৰি পলাব।
আঁৰ হব আঁৰপৰ্ব্বতত
কামৰূপী মায়া পৰশত।
অসমীয়া, একো ভয় নাই—
বাৰিষাৰ দুন্দুভি বজাই।
সৰিছিল পৰশু কুঠাৰ
সেই দেশ জননী তোমাৰ।
উৰ্ৱয়ায় বিজয় নিছান।
কামাখ্যাই কৰে শক্তিদান।
লোৱা বীৰ্য্য দুৰ্ম্মদ দুৰ্ব্বাৰ,
নৱগ্ৰহ সহায় তোমাৰ।
নাৰায়ণে কৰে শঙ্খধ্বনি
হাঁহোঁ হাঁহোঁ লখিমী গোসানী।
বশিষ্ঠই ত্যজি সন্ধ্যাচল
আহুতিৰে জ্বালে হোমানল।

CLEAN BOOK.

আজি এনে মাহেন্দ্ৰ ক্ষণত    মিলনৰ মোহন মেলাত
কৰা পণ—জয়ী হবা ৰণ    দীপ্ত হই অগ্নিপৰীক্ষাত।
হব পৰা অতি দীনহীন    নিয়তিৰ নিৰ্য্যাতিত হই
সূতপুত্ৰ কৰ্ণৰ নিচিনা    যোগ্যতাৰ দিয়া পৰিচয়।
কুৰুক্ষেত্ৰ জীৱন ৰণত    বীৰদৰ্পে হোৱা অগ্ৰসৰ
ত্যাগ কৰা শত দুৰ্ব্বলতা    তুমি হেৰা পাৰ্থ ধনুৰ্দ্ধৰ!
জননীক বিশ্বৰ সভাত    দিবলই সোণৰ আসন
মনে প্ৰাণে শয়নে সপোনে    কৰিবই লাগিব যতন।
এতিয়াও আছে বহু জন    পুৰোহিত মাতৃৰ পূজাৰী
আছে কবি, গায়ক সাধক,    বীণ যাৰ উঠিছে ঝঙ্কাৰি।
'বাঁহী' বাজে সুললিত সুৰে    পুতনাৰ উঠিছে কম্পন
একমাত্ৰ জাতীয় সম্পদ    নৱযুগ কৰে 'আবাহন'।
জাগে আজি হৃদয়ে হৃদয়ে    সুপ্ত শক্তি শৰাইঘাটৰ
সুদিনৰ বিজয় সঙ্গীত    ৰচে কবি প্ৰাগজ্যোতিষৰ।
মৰিলেও নমৰে কদাপি    অসুৰৰ দেশৰ সন্তান,
জয়-গান গোৱা হে গায়ক!    জননীয়ে পাব শীৰ্ষস্থান।
জননীৰ হাতৰ শিকলি    সন্তানেই লাগিব গুচাব
সেইদিনা বাকলি বসন    জননীয়ে নিজে আঁতৰাব।
সকলোৰে সমকণ্ঠে আজি    আনন্দৰ দিয়া জয়ধ্বনি
নিৰুপমা অসমা জননী    নোৱাৰিব থাকিব বন্দিনী।

---

COTTON COLLEGE L... GAUHATI.

## ইছলাম আৰু ভাৰতীয় ধৰ্ম্ম আৰু কৃষ্টিৰ সমন্বয়।

কোনেও কব নোৱাৰে কিমান অতীজতে, কিন্তু বহু অতীজতে এই ভাৰতত আজিকালিৰ চাঁওতাল, কোল, মুণ্ডা, ভীল, কুকি, ভুটীয়া নগা পৰ্ব্বতীয়া

জাতিবোৰৰ পূৰ্ব্ব পুৰুষবোৰ বাস কৰি আছিল। ইহঁত অতি অসভ্য আছিল। হাবিৰ জন্তু আদি মাৰি খাইছিল। তাৰ পাছত দ্ৰাবিড়ীবিলাক আহে। এই দ্ৰাবিড়ীবিলাক এটি সুসভ্য জাতি আছিল। এওঁলোকৰ ভাষা আৰু ধৰ্ম্মও আছিল। এওঁলোকে নগৰ গাওঁ ভূঁই আদি পাতি বাস কৰি আছিল। আজি এই কেই বছৰ মানৰ আগতে সিন্ধু প্ৰদেশৰ মহেঞ্জোদাৰো বোলা এখন ঠাইত আৰু পঞ্জাবৰ হাৰাপ্পোত আজি ৫০০০ বছৰৰ আগৰ ওখ ধৰণৰ কিছুমান অতি পুৰণি বস্তু পোৱা গৈছে আৰু পণ্ডিতসকলে কয় যে এইবোৰ দ্ৰাবিড়ী জাতিৰে সভ্যতাৰ চিন। তেওঁলোক বহুকাল বাস কৰি থকাৰ পাছতহে আৰ্য্যসকল ভাৰতলৈ আহে। এই আৰ্য্যসকল ভাৰতলৈ অহাও আজি ৪০০০ হেজাৰ মান বছৰ হৈছে বুলি পণ্ডিতসকলে অনুমান কৰে। এই আৰ্য্যসকল মধ্য এচিয়াৰ মানুহ আছিল। এওঁলোকৰ সংখ্যা বেছি হোৱাত দলে দলে তেওঁলোক তাৰপৰা ওলাবলৈ ধৰিলে। এজাক পশ্চিমে ইউৰোপৰ ফাললৈ গল, এজাক দক্ষিণ পশ্চিম মুৱা হৈ আৰব আদি ঠাইলৈ গল আৰু এজাক দক্ষিণফালে আহি এচিয়াৰ তুৰ্কিস্থান নামে ঠাইত কিছুকাল থাকি তাৰপৰা আৰু দক্ষিণফালে আহি দুজাক হৈ এজাক পাৰস্য ফাললৈ গল আৰু এজাক হিন্দুকুচ পাৰ হৈ ভাৰতত সোমালহি আৰু অনেক যুদ্ধ বিগ্ৰহাদিৰ পাছত ইয়াৰ পূৰ্ব্ব বাসিন্দাসকলক পাহাড়ে পৰ্ব্বতে খেদি নিজে সিইঁতৰ ঠাই দখল কৰি বাস কৰিবলৈ ধৰিলে। এই ঠাই ভোগৰ আজিকালিৰ পঞ্জাবেই। যিবোৰ পূৰ্ব্বৰ বাসিন্দা পলাই পৰ্ব্বতত বা হাবিয়ে বননীয়ে থাকিবলৈ ঠাই ললে সিইঁতক অসুৰ, ৰাক্ষস নাম দিলে আৰু যিবোৰ থাকি গল সিইঁতক দাস শ্ৰেণীত ভুক্ত কৰি ললে। সমাজ আৰ্য্য আৰু অনাৰ্য্য এই দুই ভাগে বিভক্ত হল। কিন্তু এওঁলোকৰ ভিতৰত আদান-প্ৰদান বিয়া বাৰু ইত্যাদি সামাজিক বিষয়ত বিশেষ কোনো বাধা নাছিল। এইদৰে যেতিয়া আৰ্য্যসকল নিশ্চিন্তমনে পঞ্জাবত থিতাপি ললে তেতিয়া বেদৰ সৃষ্টি হল। এই বেদৰ সৃষ্টিকৰ্ত্তা কোনো এজন নিৰ্দ্দিষ্ট পুৰুষ নাছিল। সাধক বা ঋষিসকলৰ মুখৰ পৰা যি বাক্য ওলাইছিল সিয়েই এই বেদ। এই বাক্যবোৰ পুৰুষানুক্ৰমে মানুহৰ মুখে মুখে চলি আহিছিল আৰু ইয়াৰ ভাষা আজি কালি classical সংস্কৃতৰ নিচিনা নাছিল। এই কালত আৰ্য্যসকলৰ ধৰ্ম্ম অতি সহজ আছিল। যিবোৰ শক্তিশালী প্ৰাকৃতিক দৃশ্যই তেওঁলোকৰ মন আকৰ্ষণ কৰিছিল বা তেওঁলোকৰ মনত বিস্ময় জন্মাইছিল সেইবোৰকে (যেনে ধুমুহা বতাহ বৰষুণ,

সূৰ্য্য, অগ্নি, উষা ইত্যাদি) দেৱতা বুলি মানি পূজা কৰিছিল। এই পূজাত কোনো জটিলতা নাছিল; কেৱল এখুৰা জুই জলাই গাখীৰ, ঘিউ, মাহ, চাউল ইত্যাদি খোৱা বস্তু নৈবেদ্যস্বৰূপ অৰ্পন কৰি আৰু স্তুতি গান কৰি এই দেৱতাসকলৰ আশীৰ্ব্বাদ বিচাৰিছিল। তেওঁলোকে ভাবিছিল যে এই দেৱতাসকলক সন্তুষ্ট কৰিব পাৰিলে তেওঁলোকৰ মঙ্গল হব, অন্যথায় অমঙ্গল ঘটিব। তেতিয়া আৰ্য্যসকলে খেতি বাতি, বেহা বেপাৰ কৰি খাইছিল আৰু গৰু বলি দিছিল আৰু খাইছিল আনকি ঘোড়াও খাইছিল বুলি পোৱা যায়। এই ৰকমে কেবা শ বছৰ পাৰ হৈ যোৱাৰ পাছত যেতিয়া লোক সংখ্যা বাঢ়িবলৈ ধৰিলে তেতিয়া তেওঁলোকে পঞ্জাবৰপৰা সীমা ঠেলি আনি যুক্ত প্ৰদেশত সোমালহি। বেদৰ সংখ্যাও বাঢ়িবলৈ ধৰিলে আৰু ভাষাও কিয়ৎ-পৰিমাণে সংস্কাৰ হবলৈ ধৰিলে। পূজাৰ কাৰ্য্যাদিও বহুল হবলৈ ধৰিলে আৰু এই পূজাৰ কাৰ্য্য সমাধা কৰিবৰ নিমিত্তে এটা পৃথক যাজক শ্ৰেণীৰ দৰকাৰ হৈ পৰিল। য'ৰ বুদ্ধি চোকা, স্মৰণ শক্তি বেছি আৰু যি বেদৰ শ্লোক মুখস্থ কৰি আওৰাব পাৰিছিলে সেয়ে যাজক শ্ৰেণীত ভুক্ত হল। যেতিয়া মানুহৰ সংখ্যা আৰু বেছি হবলৈ ধৰিলে আৰু পৃথক পৃথক ৰাজ্য হবলৈ ধৰিলে তেতিয়া ৰাজকাৰ্য্য আৰু দেশ চলাবৰ নিমিত্তে আৰু এটা শ্ৰেণীৰ আৱশ্যক হৈ পৰিল। যি এই কাৰ্য্যত নিযুক্ত হল তেওঁলোকৰ নাম হল ক্ষত্ৰিয় আৰু যিসকলে খেতি-বাতি, বেহা বেপাৰ কৰিয়েই থাকিবলৈ ধৰিলে তেওঁ-লোক বৈশ্য নামে অভিহিত হল আৰু বাকিবোৰ শূদ্ৰ নামে পৰিচিত হল। কিন্তু সেই সময়ত যেই সেই বৈশ্য শ্ৰেণীৰ মানুহে ব্ৰাহ্মণ বা ক্ষত্ৰিয় হব পাৰিছিল; কাৰণ তেতিয়া বৰ্ণভেদ কেৱল ব্যৱসায় অনুযায়ীহে হৈছিল। যি, যি কামকে লৈছিল তেৱেঁই সেই বৰ্ণত ভুক্ত হব পাৰিছিল আৰু যাবতীয় সামাজিক কামতো কোনো ভেদাভেদ নাছিল। এওঁলোকৰ ভিতৰত আদান প্ৰদান বিবাহাদিও চলিছিল; আনকি শূদ্ৰৰ জীয়াৰীও বিয়া কৰাইছিল আৰু শূদ্ৰৰ হাতে ৰন্ধাও খাইছিল। এইদৰে যেতিয়া এই আৰ্য্যসকল গোটেই যুক্ত প্ৰদেশত বিয়পি পৰিল তেতিয়া ইয়াৰ নাম দিলে আৰ্য্যাবৰ্ত্ত। বেলেগ বেলেগ ৰাজ্য হল আৰু ৰজা হল আৰু এই চাৰি শ্ৰেণীৰ মানুহ স্বকীয়া স্বকীয়া জাত বা বৰ্ণ হৈ পৰিল। কাৰো লগত কাৰো সামাজিক সম্বন্ধ নাইকিয়া হল। খোৱা লোৱা বিবাহাদি নিজ নিজ বৰ্ণৰ ভিতৰত হে হবলৈ ধৰিলে। ব্ৰাহ্মণসকলে প্ৰাধান্য লাভ কৰিবলৈ ধৰিলে। ৰামায়ণ, মহাভাৰত সৃষ্টি হল।

এই দুই গ্ৰন্থত ৰজাসকলৰ ৰীতি নীতি, যুদ্ধ বিগ্ৰহাদিৰ বৰ্ণনা উত্তমৰূপে বৰ্ণোৱা আছে। এই মহাভাৰতৰ যুগতে স্বয়ং ঈশ্বৰে শ্ৰীকৃষ্ণ ৰূপ ধাৰণ কৰি অৱতীৰ্ণ হল আৰু নানা ৰঙ্গী ভঙ্গীৰ মাজেদি নিজকে প্ৰকাশ কৰি গল আৰু এক সনাতন ধৰ্ম দি গল আৰু ভগবদ্গীতা দান কৰি গল। কিন্তু বৰ্ণ ভেদত হস্তক্ষেপ নকৰিলে। ব্ৰাহ্মণসকলৰ প্ৰভাৱ অটুট থাকিলে। অৱশেষত এনেকুৱা হল গৈ যে বেদ কেৱল ব্ৰাহ্মণৰহে সম্পত্তি হল বাকি সকলোৰে বেদ পঢ়া দূৰৈৰ কথা, উচ্চাৰণ কৰিলেও জগৰ লগা হল, শাস্তি পাব লগা হল। তিৰোতা মানুহে এই বেদ কেনেবাকৈ শুনিলে কাণত সীহ গলাই কাণৰ বিন্ধা বন্ধ কৰা কথাৰো উল্লেখ পোৱা যায়। দেৱতা আৰু দেৱীসকলৰ সংখ্যা বাঢ়িল আৰু সেই অনুপাতে মূৰ্ত্তিপূজা ও তাৰ অনুষ্ঠানাদি বাঢ়িবলৈ ধৰিলে। ফলত আন বৰ্ণৰ মানুহৰ মনত অশান্তি আৰু অসন্তোষে ঠাই পালে বিশেষকৈ ক্ষত্ৰিয় ৰাজন্যবৰ্গ ক্ষুন্ন হল আৰু ব্ৰাহ্মণ ক্ষত্ৰিয়ৰ ভিতৰত বিশেষ ভাৱে অৰিয়া অৰি চলিবলৈ ধৰিলে। ক্ষত্ৰিয় কুলত বুদ্ধৰ জন্ম হল আৰু তেওঁ বৌদ্ধ ধৰ্ম উলিয়ালে। তেনেকৈ মহাবীৰ ওলাল আৰু জৈন ধৰ্ম উলিয়ালে। এই দুই ধৰ্মই বেদৰ বাক্যক অজৰ অমৰ বা ধ্ৰুৱ সত্য বুলি নেমানিছিল আৰু বেদৰ বিহিত অনুষ্ঠানাদিৰ দ্বাৰা কিবা মুক্তি লাভ হব পাৰে বুলি নেভাবিছিল। এই দুই ধৰ্মই জাতি ভেদ বা বৰ্ণভেদ ঘৃণা কৰিছিল। জীৱ হত্যা মহা পাপ, অহিংসা পৰম ধৰ্ম, মানুহৰ কৰ্ম্মানুযায়ী আত্মাৰ পুনৰ্জন্ম হয় বুলি প্ৰচাৰ কৰিবলৈ ধৰিলে। কেবাজনো ৰজাই বৌদ্ধ ধৰ্ম গ্ৰহণ কৰিলে আৰু তেওঁলোকৰ সহায়ত ঠন ধৰি উঠিল আৰু ৫০০ মান বছৰ ধৰি গোটেই ভাৰতত বিয়পি পৰিল। তাৰ পাছত আৰু টিকিব নোৱাৰিলে। ব্ৰাহ্মণ্য ধৰ্ম্মই আকৌ মূৰ ডাঙি উঠিল। শেষত বৌদ্ধ ধৰ্ম্মই টালি টোপোলা বান্ধি ভাৰতবৰ্ষ এৰি থৈ গল আৰু আন আন দেশত ঠাই ললেগৈ আৰু জৈন ধৰ্ম্মই ভাৰতৰ এচুকত হেৰপেট মাৰি ৰল গৈ। এই দুই ধৰ্ম্মই যদিও ব্ৰাহ্মণসকলৰ প্ৰভাৱ কমাব নোৱাৰিলে তথাচ ব্ৰাহ্মণসকলৰ ধৰ্ম্মৰ বহুতো পৰিবৰ্ত্তন ঘটালে। বৈদিক যুগৰ দেৱতাসকল অতীত স্মৃতিত মাৰ গল আৰু তেওঁলোকৰ ঠাইত নতুন দেৱ-দেৱী স্থাপিত হল। এইসকল দেৱতাৰ ভিতৰত ঘাই হল ব্ৰহ্মা, বিষ্ণু আৰু শিৱ। নানা মঠ মন্দিৰ তৈয়াৰ হবলৈ ধৰিলে আৰু পুৰাণৰ সৃষ্টি হল, আৰু এই ৰকমে বেদৰ সংখ্যা বাঢ়ি আহিবলৈ ধৰিলে। ৰীতি নীতি, আইন কানুনৰ "স্মৃতি" নামেৰে পুথি ওলাবলৈ ধৰিলে।

ইয়াৰ ভিতৰত মনু-সংহিতাই প্ৰধান হল আৰু জাতি বা বৰ্ণ ভেদৰ বন্ধন আৰু কটকটীয়া হল ব্ৰাহ্মণসকলৰ প্ৰভুত্ব আৰু দৃঢ় হল।

যেতিয়া ভাৰতৰ এনে অৱস্থা, আৰবৰ অৱস্থা তাতোকৈ জঘন্য আছিল। আৰবসকলৰ মাজত সামান্য কথাতে যুদ্ধ, মৰামৰি, কটাকটি চলিছিল। নৈতিক জীৱনৰ কোনো ধৰা বন্ধা নিয়ম নাছিল। তিৰোতাবিলাক কেৱল পুৰুষবিলাকৰ ভোগ বিলাসিতাৰ সামগ্ৰী আছিল। অত্যাচাৰ, ব্যভিচাৰে দেশ খন ভৰা আছিল। ধৰ্ম বুলি কোনো বস্তু নাছিল। যেয়ে যিংকে পায় তাকে পূজা কৰিছিল। ৩৬০ টা বিকট শিলৰ মূৰ্ত্তি পূজা কৰিছিল। এনে বিপ্লৱী অৱস্থাত হজৰত মহম্মদৰ আবিৰ্ভাৱ হল। তেওঁ প্ৰচাৰ কৰিলে যে এজন আল্লাৰ বাহিৰে আন কোনো আল্লা নাই তেৱেঁইহে একমাত্ৰ পূজনীয়; তেওঁ সকলোৰে সৃষ্টি কৰ্ত্তা আৰু পালন কৰ্ত্তা। তেওঁ মানুহ জাতিক সকলোতকৈ শ্ৰেষ্ঠ জীৱ কৰি সৃষ্টি কৰিছে! মানুহ মাত্ৰেই এক। মানুহৰ ভিতৰত জাতি ভেদ হব নোৱাৰে। খোদাৰ নাম লোৱা আৰু সেৱা কৰা আৰু মানুহৰ উপকাৰ সাধন কৰাই হৈছে প্ৰকৃত ধৰ্ম। এই বাণী প্ৰচাৰ কৰাত আৰবত ভয়ানক তোলপাৰ লাগিল। হজৰতৰ জীৱন সঙ্কটাপন্ন হল কিন্তু তেখেতে এফেৰিও নটলিল! শেষত সত্যৰ জয় হল। গোটেই আৰব বাসী তেওঁৰ পদানত হল। তেখেতে স্ত্ৰী-পুৰুষক সমধিকাৰ দিলে। শিক্ষা বাধ্যতামূলক কৰিলে আনকি শিক্ষাৰ কাৰণে চীন দেশলৈকো যাবলৈ কলে। সত্য সুন্দৰক য'তে পোৱা যায় ত'তে গ্ৰহণ কৰিবলৈ কলে। আৰু কলে যে বিদ্যা নহলে শিক্ষা নহলে আল্লাক চিনিব নোৱাৰে।

হজৰত মহম্মদৰ এই শিক্ষা আৰু দীক্ষাই যি এটি উচ্চ প্ৰেৰণা এই আৰব সকলৰ ভিতৰত সুমুৱাই দিলে; তাৰ বলত বলীয়ান হৈ তেওঁলোকে দেশৰ পাছত দেশ জয় কৰি এটা অদ্বিতীয় শক্তিশালী আৰু প্ৰতিভাপন্ন জাতি হৈ উঠিল। এই আৰব সকলেই জ্ঞান বিজ্ঞান দৰ্শন আদিৰ গুপ্তদ্বাৰ উদ্ঘাটন কৰি গ্ৰীক দৰ্শনকো সামৰি লৈ এটা নতুন সভ্যতাৰ অভিভাৱক হৈ পৰিল আৰু বানপানীৰ ধলৰ নিচিনাকৈ পূবে ইৰাণ (পাৰস্য) পশ্চিমে স্পেইনলৈকে সকলো দেশ ঢৌৱাই পেলালে আৰু সভ্যতাৰ এক নতুন যুগৰ অৱতাৰণা কৰিলে। যেতিয়া হজৰত মহম্মদৰ এই ধৰ্মই (যাৰ নাম হল ইছলাম অৰ্থাৎ শান্তি লাভ কৰা) আহি পাৰস্যত সোমালহি আৰু পাৰস্য বাসী সকলে ইয়াৰ গুণত মুগ্ধ

হৈ সাদৰে গ্ৰহণ কৰিবলৈ ধৰিলে তেতিয়া পাৰশ্য বাসীৰ জাতীয়তাৰ কোনো পৰিবৰ্ত্তন হোৱা নাছিল। কাৰণ ইছলামে মানুহৰ জাতীয়তা নষ্ট নকৰে। ইছলামৰ এটি মূল উদ্দেশ্যই হৈছে মানৱৰ প্ৰতি মানৱৰ প্ৰীতি জন্মোৱা। ইছলাম ধৰ্ম গ্ৰহণ কৰাৰ পাছৰ পৰা পাৰশ্য বাসী সকলৰ কৃষ্টিৰ ক্ৰমোন্নতি হ'বলৈ ধৰিলে। সেখ সাদী, হাফিজ, ওমৰ খইয়ামৰ নিচিনা বহুত কবি আৰু দাৰ্শনিক পণ্ডিতৰ জন্ম হ'ল আৰু দেশখন মুখৰিত হ'ল। বুলবুল চৰায়ে সুললিত মাত ললে আৰু এলাই এখানি হৈ থকা ফুলবোৰ গুল বাগিছাত পৰিণত হ'ল। কিন্তু ইছলামে ছেমিটিক তেজস্বিতা হেৰুৱাই আৰ্য্যভাৱাপন্ন হবলৈ ধৰিলে।

একে লেঠাৰিকৈ প্ৰায় ৪০০০ হেজাৰ বছৰ ধৰি ভাৰতত আধিপত্য কৰাৰ পাছত হিন্দুসকলে যি শক্তি লাভ কৰিছিল তাৰ আগত গ্ৰীক, পাৰ্ছিয়ান, শক, হুন, ইত্যাদি জাতিৰ মানুহে একাদিক্ৰমে আহি অনেক যুদ্ধ বিগ্ৰহ কৰাৰ পাছত যদিও পঞ্জাবত সোমাই ছলহি তথাচ মূৰ ডাঙিব নোৱাৰিলে আৰু নিজৰ অস্তিত্ব হেৰুৱাই হিন্দুসকলৰ লগত জাহ গলহি। ইয়াৰ পাছত যেতিয়া পাৰশ্যৰ আৰ্য্যসকলে ইছলাম ধৰ্ম আৰু কৃষ্টি লৈ ভাৰতত সোমালহি তেতিয়া দুই আৰ্য্য জাতিৰ ভিতৰত তুমুল যুদ্ধ আৰম্ভ হবলৈ ধৰিলে। অৱশেষত পাৰশ্যৰ আৰ্য্যসকলৰ জয় হবলৈ ধৰিলে এইদৰে চুলতান মহমুদৰ দিনৰে পৰা মোগল বাদছাহ বাবৰৰ দিনলৈকে প্ৰায় ৫০০ বছৰ ধৰি ইছলাম ধৰ্মাৱলম্বী লোকসকল আহিবলৈ ধৰিলে আৰু দেশ জয় কৰি কৰি এখন বিশাল সাম্ৰাজ্য স্থাপন কৰিলে আৰু পূৰ্ব্বৰ আৰ্য্য, অনাৰ্য্য, আৰু মিশ্ৰিত জাতিৰ লোক সকলৰ লগতে বসতি কৰিবলৈ ধৰিলে। হব পাৰে চুলতান মহমুদৰ নিচিনা দুই এজন নৃপতিয়ে স্বদেশানুৰাগৰ বশৱৰ্ত্তী হৈ ভাৰতৰ কোনো কোনো ঠাই লুট পাট কৰি ধন সোণ লৈ নিজৰ দেশলৈ উভতি গৈছিল গৈ। কিন্তু আন সকলো বাদছাহ আৰু মুছলমান সকলে ভাৰতকে নিজৰ মাতৃভূমি বুলি ধৰি লৈ ইয়াতে থাকিবলৈ ধৰিলে আৰু আজি পৰ্য্যন্ত আছে। মুছলমান বাদছাহ সকলে হিন্দু সকলৰ কৃষ্টি বিনাশ কৰা নাছিল বৰং ইয়াৰ লগত নিজৰ কৃষ্টিৰ সমন্বয় ৰাখি শিল্প, বাণিজ্য, কলা সুকুমাৰ কলা, ভাস্কৰ্য্য কাৰুকাৰ্য্য ইত্যাদি সকলো বোৰৰ ক্ৰমাৎ উন্নতি কৰিবলৈ ধৰিলে। ফলত ভাৰতবৰ্ষখন পৃথিৱীৰ ভিতৰত এখন অতি সমৃদ্ধিশালী দেশ বুলি জনাজাত হৈ পৰিল। মুছলমান বাদছাহ সকলে এইদৰে ৰাজকাৰ্য্যতহে ব্যস্ত হৈ আছিল। নিজৰ ধৰ্ম প্ৰচাৰত কোনো হাত দিয়া নাছিল। মুছলমান সকলে এহাতে তৰোৱাল এহাতে কোৰাণ লৈ হিন্দুসকলক মুছমানকৰা কথা অলীক আৰু অমূলক।

তেনে কৰা হলে আজি ভাৰতত শতকৰা ৯০ জন মুছলমান হলহেঁতেন। যি সকলৰ দ্বাৰা ইছলাম ধৰ্ম্ম প্ৰচাৰ লাভ কৰিছিল সেই সকল আছিল সংসাৰত্যাগী স্বধৰ্ম্ম পৰায়ণ পাৰশ্যৰ চুফি সকল। আৰ্য্য মুছলমানে ভাৰত জয় কৰাৰ লগে লগে এই সাধক সকল ভাৰতৰ এমুৰৰ পৰা আন মুৰলৈকে বিয়পি পৰিল। এই চুফি সকলৰ সাধু আদৰ্শ আৰু প্ৰচাৰ কাৰ্য্যই জাতি ভেদত জৰ্জ্জৰিত হিন্দু সকলৰ মন আকৰ্ষণ কৰিলে আৰু অনেকে ইছলাম ধৰ্ম্মৰ ফালে ঢাল লবলৈ আৰু গ্ৰহণ কৰিবলৈ ধৰিলে। মুছলমান পণ্ডিত আৰু সাধক সকলে সংস্কৃত শিকি বেদৰ মৰ্ম্ম বুজিবলৈ ধৰিলে। ৰামায়ণ মহাভাৰত আদি ধৰ্ম্ম পুথি পাৰশ্য ভাষাত তৰ্জ্জমা হবলৈ আৰম্ভ কৰিলে। হিন্দু সকলেও ৰাজভাষা বুলি পাছি পঢ়িবলৈ ধৰিলে। অৱশেষত উভয়ে উভয়ক জানিবৰ পথ পৰিষ্কাৰ হৈ পৰিল। মুছলমান চুফি সকলৰ লগত হিন্দু সন্ন্যাসী সকলৰ মিলন ঘটিল আৰু এওঁলোকৰ ভিতৰত সদ্ভাব জন্মিবলৈ আৰম্ভ কৰিলে আৰু পৰস্পৰে পৰস্পৰৰ ধৰ্ম্মৰ ওপৰত বিশ্বাস আৰু জীৱনৰ প্ৰতি শ্ৰদ্ধা পোষণ কৰিবলৈ ধৰিলে। কিন্তু পঞ্চদশ শতাব্দীৰ শেষলৈকে এই মিলনৰ বিশেষ ফল দেখা নগৈছিল। এই প্ৰসঙ্গত চুফি সকল নো কোন আৰু কি আছিল তাক অলপ সংক্ষেপে কলে বোধ কৰোঁ অপ্ৰাসঙ্গিক নহব।

"চুফি" শব্দটো "চফা" ধাতুৰ পৰা ওলাইছে। "চফাৰ" অৰ্থ হৈছে নিৰ্ম্মল, পৱিত্ৰ। যি সাধু, সজ্জন যাৰ অন্ধবিশ্বাস, দাম্ভিকতা বা আত্মম্ভৰিতা নাই যি কথায় বতৰায়, চিন্তায় ভাবনায়, আচাৰ ব্যৱহাৰে, নিৰ্ম্মল বা পৱিত্ৰ সেই সকলেই "চুফি"। চুফি সকলৰ মত "আল্লা এক, নিৰবচ্ছিন্ন, অপৰিবৰ্ত্তনীয় (Absolute); সৃষ্টি তেওঁৰেই বিকাশ মাত্ৰ। এই চুফি সকলৰ গুৰিয়াল হজৰত মহম্মদেই। সৃষ্টিৰ গূঢ়তত্ত্ব সকলোৰে বোধগম্য নহয় বুলি আৰু সকলোৰে জ্ঞানে চুকি নেপাব বুলি সকলোকে শিক্ষা দিয়া নাছিল আৰু যি শিক্ষা দিছিল তাকো গুপ্তভাৱেহে দিছিল। ইছলাম ধৰ্ম্ম ওলোৱাৰ আগৰে পৰা সকলো ধৰ্ম্মতে সকলো ঠাইতে সাধক আছিল, কিন্তু শৃঙ্খলা ভাৱে ক'তো নাছিল। হজৰত মহম্মদে ইয়াৰ শৃঙ্খলা লগাই গঢ়-গতি দি যায় আৰু নিজে ৪০ জন সাধু ধাৰ্ম্মিক পুৰুষ গোটাই "আহহাবে চুফা "নাম দি এটি দল (Mystic order) গঠন কৰি দীক্ষা দিয়ে। হজৰতৰ পাছত এই গুৰুভাৰ প্ৰথম খলিফা হজৰত আবুবকৰ চিদ্দিক আৰু হজৰতৰ জোঁৱায়েক ৪ৰ্থ খলিফা হজৰত আলিক দি যায়। এখেত সকলেও সেইদৰে তেখেত সকলৰ উত্তৰাধিকাৰী পাতি যায়।

এই ৰকমে ধাৰাবাহিক ৰূপে এই সম্প্ৰদায় (order) আজি পৰ্য্যন্ত চলি আহিছে। ৰজা সকলে যেনেকৈ ৰাজ্য চলায় ঠিক তেনেকৈ এই চুফি সকলেও এটি গুপ্ত-ৰাজ্য চলাই আহিছে। পাৰশ্য দেশৰ ছেখ চাদি, হাফিজ, ওমৰখইয়াম আদি আৰু ভাৰতৰ খাজা মইনুদ্দিন চিস্তি, (যাৰ কবৰ এতিয়া আজমীড়ত আছে আৰু সকলো সম্প্ৰদায়ৰ তীৰ্থস্থান) নিজামুদ্দিন আউলীয়া, বন্দা নওয়াজ ইত্যাদি এই চুফি দলৰে মানুহ আছিল। হজৰতৰ বিধান মতে "ছৰিয়ৎ, তৰিকৎ, হকিকত আৰু মাৰফৎ এই কেইটিয়েই এই চুফি মতৰ স্তৰ (stage)। হজৰত মহম্মদৰ স্বৰূপ এই কেইটি স্তৰ বা stage ৰ মাজেদিহে বুজিব পাৰে আৰু হজৰতৰ স্বৰূপ বুজিলেহে এই জ্ঞান লাভ হয় আৰু শেষত খোদাপ্ৰাপ্তি হয়। মুৰছিদ বা গুৰু নভজিলে এই জ্ঞান নজন্মে। সেইহে গুৰু নানকে মক্কা আৰু মদিনালৈ তীৰ্থ কৰিবলৈ গৈছিল আৰু আজি পৰ্য্যন্ত তেখেতৰ এটি কুৰ্ত্তা-চোলা কোৰানৰ শ্লোকেৰে ভৰা ৰক্ষিত হৈ তেখেতৰ গুৰ্‌দ্‌ওয়াৰাত (Gur-dwara) আছে। এই চুফি সম্প্ৰদায়ে বিশ্বমানৱতাহে স্বীকাৰ কৰে, জাতি-ভেদ নেমানে। এওঁলোকৰ মানত হিন্দু, মুছলমান, খৃষ্টিয়ান একে। তেওঁ-লোকৰ মতে আল্লা এক, নিৰবচ্ছিন্ন, অপৰিবৰ্ত্তনীয়; গোটেই সৃষ্টি তেওঁৰেই বিকাশ মাত্ৰ (The sufis believe in Allah as the Absolute, the only Being; and that all creation is the manifestation of His Nature).

ওপৰত কৈ অহা হৈছে যে ইছলাম যেতিয়া আহি পাৰশ্যত সোমালহি, তেতিয়া লাহে লাহে আৰ্য্য ভাৱাপন্ন হবলৈ ধৰিলে আৰু যেতিয়া ভাৰতলৈ আহে তেতিয়া এই আৰ্য্যভাৱাপন্ন হৈহে আহিছিল। যদিও ছেমিটিক তেজ-স্বিতা বহুপৰিমাণে হেৰুৱাই আহিছিল কিন্তু সৌন্দৰ্য্য হেৰুৱা নাছিল। এই একেশ্বৰ বাদী ইছলাম ভাৰতত সোমোৱা অবধি হিন্দুসকলৰ মনৰ ভাব আৰু চিন্তাৰ গতি লাহে লাহে পৰিবৰ্ত্তন হবলৈ ধৰিলে আৰু বহুতে এই ধৰ্ম্ম গ্ৰহণ কৰিবলৈ আৰম্ভ কৰিলে। ৰক্ষণশীল হিন্দুসকলে বিশেষকৈ ব্ৰাহ্মণ-সকলে প্ৰমাদ গণিলে আৰু জাতিভেদৰ নিয়ম আৰু কটকটীয়া কৰিলে। মুছলমানক ম্লেচ্ছ নাম দি শূদ্ৰতকৈ অধম দেখুৱালে। কিন্তু উদাৰ মতাবলম্বী সকলৰ ভিতৰত কেইগৰাকীমান সাধু পুৰুষৰ অৰ্থাৎ সন্ন্যাসীৰ আবিৰ্ভাব হল আৰু জাতি ভেদৰ বিপক্ষে মত প্ৰকাশ কৰিবলৈ ধৰিলে আনকি বামুন শূদ্ৰিৰ ভিতৰত কোনো ভেদাভেদ থাকিব নোৱাৰে বুলি কবলৈ ধৰিলে। ঈশ্বৰ

এজনহে আৰু তেওঁৰ নাম লোৱাই সকলো ধৰ্মৰে সাৰ, ঈশ্বৰে কেৱল মানুহৰ কাৰ্য্য অনুসৰিহে ভাল বেয়া বিচাৰ কৰে, ব্ৰাহ্মণৰ পৰিয়ালত জন্ম হলেই উদ্ধাৰ পাব, এনে নহয় ইত্যাদি হজৰত মহম্মদৰ বাণীকেই সৰ্ব্বসাধাৰণৰ মাজত প্ৰচাৰ কৰিবলৈ ধৰিলে। ফলত মুছলমান চুফিসকলৰ লগত এই হিন্দু সন্ন্যাসী সকলৰ মিলন ঘটিল। ভাৰতীয় ইতিহাস আলোচনা কৰিলে দেখা যায় যে এই মিলন খৃষ্টীয় পঞ্চদশ আৰু ষোড়শ শতাব্দীত ঘটিছিল। প্ৰথমে কবীৰেই এই মিলনৰ মূলনীতিবোৰ আদৰণীয় কৰি তুলিছিল আৰু তেওঁৰ দিনৰ পৰাই মূৰ্ত্তিপূজা দেবাৰ্চ্চনাৰ ইত্যাদিৰ প্ৰতি অৱজ্ঞা প্ৰকাশ পাবলৈ ধৰে। তেওঁৰ মনত ভাৰতীয় বেদান্ত আৰু ইছলামীয় তছওফ্ সমানে ঠাই পাইছিল আৰু উভয়ৰ মিলনো ঘটিছিল। কবীৰ আছিল উত্তৰ ভাৰতৰ মানুহ। এই কালতে পঞ্জাবত গুৰু নানক, দক্ষিণাত্যত একনাথ, বঙ্গ দেশত চৈতন্য আৰু আমাৰ অসমত মহাপুৰুষ শঙ্কৰৰ জন্ম হয়। এওঁলোকে নিজ নিজ দেশত অতি সুবলা আৰু উজু ভাষাত গাৱঁলীয়া সৰ্ব্বসাধাৰণ মানুহে বুজিব পৰাকৈ আৰু জাত লগাই গাব পৰাকৈ বৈষ্ণৱ ধৰ্ম্ম প্ৰচাৰ কৰে। এই সন্ন্যাসীসকলে ভাবিছিল যে, তেওঁলোকে গোটেই ভাৰতবৰ্ষখনকে এটা মহাজাতিত পৰিণত কৰিব যি জাতিত কোনো বিশিষ্ট ধৰ্ম্ম সমাজ বা বৰ্ণৰ প্ৰাধান্য নেথাকিব। কোনো কোনো বাদচাহ সকলৰ ভিতৰতো এই চেষ্টা চলিছিল। এই বাদছাহ কেইজনৰ ভিতৰত সম্ৰাট আকবৰ আৰু তেওঁৰ নাতিৰ সন্তান দাৰা ছিকোহৰ নামেই ঘাইকৈ উল্লেখযোগ্য। আন কি আকবৰে "দীইন-ই-এলাহি" নামেৰে এটা ধৰ্ম্মকে উলিয়াইছিল। তেওঁলোক কৃতকাৰ্য্য হব পাৰক বা নোৱাৰক কিন্তু হিন্দু আৰু মুছলমানৰ মাজত মিলা প্ৰীতি ভাৱৰ যে এটি যুগ আনিছিল ই ধ্ৰুৱ। কিন্তু ব্ৰাহ্মণসকলৰ হাত ইয়াতো লাগিল আৰু শেষত এনেকুৱা হল গৈ যে আজিকালি এই বৈষ্ণৱ সম্প্ৰদায়ৰ অধিকাংশ লোকেই ইছলাম ধৰ্ম্মাৱলম্বী লোকসকলক বেছিকৈ দেখিব নোৱাৰা হল ; যেনেকৈ পঞ্জাবৰ শিখ সকল আৰু তাকে চাই অলপ নামনাচ ভাৱে আমাৰ অসমত বৰপেটাৰ মহাপুৰুষীয়া সকল।

মহাপুৰুষ শঙ্কৰদেৱ নগাঁওৰ বৰদোৱাত জন্ম গ্ৰহণ কৰে। তেওঁৰ ধৰ্ম্মত বৰ মতি আছিল আৰু এই মতিয়েই তেওঁক সাধক শ্ৰেণীত পৰিণত কৰিছিল। তেওঁ কাশী, বৃন্দাৱন আদি ঠাইত তীৰ্থ কৰিবলৈ যাওঁতে এই হিন্দু সন্ন্যাসী আৰু মুছলমান চুফিসকলৰ লগত পৰিচয় লাভ কৰে। তেওঁৰ প্ৰচাৰিত

বৈষ্ণৱ ধৰ্ম এই পৰিচয়তাৰে ফল। সাধক শঙ্কৰৰ লগত এজন মুছলমান থকাৰ কথা সকলো শঙ্কৰৰ জীৱনী লিখোঁতাই স্বীকাৰ কৰে। তেওঁলোকে কয় এই মুছলমানজন তেওঁৰ শিষ্য আছিল। কিন্তু দৰাচলতে এই মুছলমান জন এজন চুফি আছিল, তেওঁৰ নাম চান্দ ফকিৰ। এওঁৰ লগত শঙ্কৰৰ ঈশ্বৰতত্ত্ব, সৃষ্টিতত্ত্ব ইত্যাদি আধ্যাত্মিক সম্বন্ধে গভীৰ জ্ঞানৰ আলোচনা হৈছিল। গুৰু শঙ্কৰৰ কেৱল এজন মুছলমানহে শিষ্য আছিল, এই কথাটোও ভাবিব লগীয়া নহয় জানো? এইবোৰ কথা যি কি নহওক শঙ্কৰৰ মূলমন্ত্ৰ 'একদেৱ, এক সেৱ, এক বিনে নাই কেৱ" হজৰত মহম্মদৰ মূলমন্ত্ৰ "লা এলাহা ইল্ল আল্লাহ্" (অৰ্থাৎ এজন আল্লাৰ বাহিৰে আৰু কোনো আল্লা নাই, তেওঁহে একমাত্ৰ পূজনীয়) হুবহু একে। শঙ্কৰৰ এই মূল মন্ত্ৰটি হজৰত মূল মন্ত্ৰৰে প্ৰতিধ্বনি মাথোন বুলিব পাৰি। যি সময়ত শঙ্কৰে বৈষ্ণৱ ধৰ্ম প্ৰচাৰ কৰে মুছলমানৰ প্ৰভাৱ তেতিয়াও অসমত বিস্তাৰ লাভ কৰা নাছিল; পাছত যিওবা হৈছিল সিও হাজো বা গুৱাহাটীলৈকেহে। এই কাৰণে অসমত মুছলমান সকলে ভাৰতৰ আন আন ঠাইৰ দৰে শিল্প, কলা ইত্যাদিত কোনো উন্নতি সাধিবলৈ সুবিধা পোৱা নাছিল। মিৰজুমলা মেলেৰীয়া ৰোগত ভুগি আৰু তেওঁৰ সৈন্যবোৰে অসমত থাকিবলৈ অনিচ্ছুক নহৈ থাকি যোৱা হলে বোধ কৰোঁ আজি অসমৰ অৱস্থা আন ৰকম হলহেঁতেন। অসমৰ সীমা ভাটি ৰঙপুৰৰপৰা কোচ বেহাৰকে লৈ সদিয়া পৰ্য্যন্ত হলহেঁতেন আৰু আজি ছিলটখনলৈ যেনে থকা খুন্দা লাগিছে তেনে নহলহেঁতেন আৰু বঙ্গদেশৰ লগত আজি আমি সকলো বিষয়তে সমানে ফেৰ মাৰিব পৰা হলোঁহেঁতেন। যদিও মিৰজুমলা আহোম ৰাজ্যৰ ৰাজধানী এৰি গুচি গল তথাচ মুছলমানৰ চিন একেবাৰে মাৰযোৱা নাছিল। মিৰজুমলাৰ আক্ৰমণৰ বহু বছৰ আগৰে পৰা আহোম ৰাজ্যত মুছলমান আছিল কিন্তু সংখ্যা নিচেই তাকৰ আছিল। প্ৰৱাদ আছে যে কোনোবা এজন আহোম ৰজাই বঙ্গলাৰ মুছলমান গৱৰ্ণৰক অনুৰোধ কৰি তেওঁৰ প্ৰজাসকলক শিল্প, ৰণৰ কৌশল আদি শিকাবৰ নিমিত্তে কিছুমান মুছলমান পৰিয়ালক গৌড়ৰ পৰা অনাইছিল। সেইদেখি এওঁলোকক গৌড়ীয় বা গড়ীয়া বুলি কৈছিল। কিন্তু অসমখন হিন্দু প্ৰভাৱাপন্ন হোৱাৰ লগে লগে "গড়ীয়া" শব্দ ঘৃণাৰ্থে "গৰীয়া" হৈ পৰিল। এতিয়াও শিৱসাগৰৰ বহুত মুছলমানে দা-ধৰা বৰা, ৰহন কৰা বৰা, হাতী ফৌদাৰ (ফৌজদাৰ) ইত্যাদিৰ ঘৰৰ বুলি গৌৰৱ কৰে। আহোম ৰজাই এই মুছলমানসকলৰ কোনো কোনোক

শইকীয়া, হাজৰীকা বৰুৱা আদি খিতাপো দিছিল। আজিও শিৱসাগৰ, লক্ষিমপুৰ আৰু নগাওঁ আদিৰ বহুত মুছলমানে নামৰ শেষত শইকীয়া, হাজৰীকা বৰুৱা লিখে। আহোম ৰাজধানী গড়গাওঁখন উঠাই আনি ৰঙপুৰত পাতোঁতে ইয়াৰ চাৰিও কাষে মুছলমান গাওঁ বহুৱাইছিল। তাৰ চিন হাতীখোক, আমগুৰি, কালুগাওঁ আৰু সিংহদ্বাৰ এতিয়াও বৰ্ত্তমান। তদুপৰি দিখৌমুখৰ ওচৰত বলীয়াঘাট মৰাণ খটখটীৰ ওচৰত টকৌবাৰী ইত্যাদি ঠাইত এই মুছলমানৰে কোঠ আছিল। মৰাণ, মোৱামৰীয়া বিদ্ৰোহৰ সময়ত এই মুছলমানসকলে ৰজাক বিশেষ সহায় কৰিছিল। আৰু এটি প্ৰবাদ আছে যে টকৌবাৰী কোঠৰ মুছলমানসকলে মৰাণক শিৱসাগৰৰ ওচৰৰ ডঁৰিকাপাৰত মৰাআম বোলা ঠাই এডোখৰত বকুকটা দিছিল আৰু ৰজাই সন্তুষ্ট হৈ এই মুছলমান সকলক বৰগড়ীয়া নাম দি ধাই আলিৰ কাষত (যি এতিয়া শিৱসাগৰ মিউনিচিপালিটিৰ ভিতৰত) বহুত ঠাই দিলে আৰু বৰপড়ীয়া গাওঁ নাম দিলে। ইয়াৰ লগালগী ছেঙ্গনী কটীয়া (miners and sappers) মুছলমানক ঠাই দিলে। আন কি এই অসমীয়া মুছলমান সকলে নিজৰ মাতৃভূমিৰ হকে নিজৰ ৰজাৰ হকে অসমীয়া হিন্দুৰ লগত যোগদি বঙ্গাল মুছলমান সকলৰ বিৰুদ্ধেও যুদ্ধ কৰিছিল। শিৱসাগৰৰ কছাৰি ঘৰৰ ওচৰত ৰক্ষিত হৈ থকা এটাইতকৈ যিটো ভাল বৰটোপ এতিয়াও নতুনৰ নিচিনা হৈয়ে আছে তাৰ নিৰ্ম্মাণ কাৰ্য্যৰ লিখা কথা খিনিত গেল্লেলা গড়ীয়াৰ নাম পোৱা যায়। ১৬৬২ খৃষ্টাব্দত যেতিয়া মিৰজুম্লাই আসাম আক্ৰমণ কৰে, তেতিয়া স্থানীয় মুছলমান সকলৰ কথা ফাতিহাই-ই-ইব্ৰিয়াত এনেকৈ কৈছে—The Muslims whom we met in Assam are Assamese in their habits and Mahameadans but in name. In fact they like the Assamese better than us, অৰ্থাৎ "যিবিলাক মুছলমানক আমি অসমত পাইছিলোঁ সেইবিলাক নামতহে মুছলমান। সচাঁসুঁচিকৈ সিহঁতে অসমীয়া মানুহক আমাতকৈ বেচি ভাল পায়।" অসমত হিন্দু-মুছলমানৰ এই মিলনৰ ভাৱ আজিলৈকে অটুট ভাৱে চলি আছে, যদিও বিদেশৰ পৰা আমদানী হোৱা কিছুমান সাম্প্ৰদায়িক বিচ্ছেদৰ ভাৱে মাজে সময়ে ইয়াতো আহি আজিকালি উক দিবলৈ ধৰিছে। সৌভাগ্যক্ৰমে অসমীয়া মুছলমান সকলে যদিও শিল্প বা আন আন বিষয়ত ভাৰতৰ আন দেশৰ দৰে কোনো উন্নতি সাধি দিব নোৱাৰিলে তত্ৰাচ যি এফেৰা কৰিছিল তাক নিচেই নগণ্য বুলিব নোৱাৰি। শঙ্কৰ যুগৰ পৰবৰ্ত্তী যুগত এজন মুছলমান

ফকিৰ বা সাধক ভাতি ফালৰ পৰা আহি দিখৌ মুখৰ ওচৰত থকা হ'ৰাগুৰি চাপৰিত আস্তানা পাতেহি। তেওঁক ৰজাইও খাতিৰ কৰিছিল আৰু তেওঁৰ ভকতো আছিল। তেওঁ নিজে কৈছেঃ—

দিখৌ নৈৰ কাষৰি, হ'ৰাগুৰি চাপৰি
ৰজাই বন্ধাই দিয়া মঠ।
ছকুৰি ভকতে লয় আল্লাৰ নাম
মাথুৰি বনৰে কঠ॥

এই ফকিৰৰ নাম আজান। তেখেতৰ আচল নাম ছাহ মিলন বুলি কয়। তেওঁ কোন সময়ত ইয়ালৈ আহে তাৰে এটি বৰ্ণনা তেওঁ নিজে দিছেঃ—

গৰগাওঁ নগৰ অহম ৰজাৰ ৰাজ্যত।
আৰবীৰ পৰা তৰ্জ্জমা হল অসমীয়া মাতত॥
গুৰু হক চিৰজীবী প্ৰজাৰ হক দখল।
শিল নোপঙে মানে লাও নেযায় মানে তল॥

আকৌ এঠাইত কৈছেঃ—

দহশ দুকুৰি, নবিচন হিজিৰী
আকৌ পাচ বছৰ যায়।
ছাহ মিলনে, এই জিকিৰ কৰিলে
কোৰাণ কিতাবত পায়॥

ইয়াৰ পৰা দেখা যায় যে এই ফকিৰ ১০৪৫ হিজিৰীত অসমলৈ আহে। এই হিজিৰী চন হিচাব কৰিলে এইটো বুজা যায় যে, এই ফকিৰ শঙ্কৰদেৱৰ মৃত্যুৰ প্ৰায় ১০০ বছৰ মান পাছতেই অসমলৈ আহে। শঙ্কৰদেৱৰ কীৰ্ত্তন ঘোষাৰ ভাষা প্ৰায় কোচবিহাৰী ভাষা; কাৰণ হজৰত মহম্মদৰ নিচিনাকৈ মহাপুৰুষ শঙ্কৰেও নিজ ঠাইৰ পৰা খেদা খাই কোচবিহাৰতহে ৰব পাৰিছিল আৰু তাতে থাকি বৈষ্ণৱ ধৰ্ম্ম প্ৰচাৰ কাৰ্য্য আৰম্ভ কৰিছিল। কিন্তু আজান ফকিৰৰ নিভাঁজ অসমীয়া ভাষাৰ জিকিৰ শুনিলে অতি আচৰিত মানিব লাগে। এখেতে অসংখ্য জিকিৰ সৰল অসমীয়া গাৱঁলীয়া ভাষাত ৰচনা কৰি মুখে মুখে শিকাইছিল। আজি কালিও এনেকুৱা জিকিৰ গোৱা মানুহ আছে যি গধূলিৰ পৰা আৰম্ভ কৰি পুৱালৈকে একেৰাহে তিনিৰাতি গালেহে এই জিকিৰ বোৰ শেষ কৰিব পাৰে। এই জিকিৰ বোৰৰ চাগৈ অন্ত নাছিল। কিতাপ লিখি থৈ যোৱা হলে এই জিকিৰ বোৰে অসমীয়া ভাষাৰ যে এটি যুগ আনিলেহেঁতেন

ইয়াত কোনো সন্দেহ নাই। এই জিকিৰ বোৰ ঠিক অসমীয়া ভকত সকলে নাম গোৱাৰ নিচিনাকৈ একে ধৰণে একে সুৰে গায়। কিন্তু হাতচাপৰিৰ তাল-খোল ঢোল-ডগৰা আদি একো নবজায়। এই জিকিৰৰ নমুনা দুটিমান তলত দিয়া হল। এই বিষয়ে শ্ৰীযুত ক্ষেত্ৰধৰ বৰগোঁহাই ডাঙৰীয়াই আজি ২।৩ বছৰৰ আগতে "আৱাহন"ত এটি কি দুটি প্ৰবন্ধ লিখিছিল। তেওঁৰ উদ্যম শলাগিব লগীয়া, কাৰণ এই জিকিৰ বোৰ লিখি লবলৈ, যি সকলে জানে সেই সকলে নিদিয়ে।

১। গোৰ আজাবৰ বাতৰি শুনোতে
ফুটাও নেদেম যেন।
গোৰ আজাবৰ বাতৰি শুনোতে
তাকৰে কাটিলে ক্ষেণ ॥
গোৰ আজাবৰ বাতৰি শুনোতে
আগলৈ নচলে ভৰি।
বাটত আছে বান্ধা বাটৰ যমদূত
নিব কালে চুৰ কৰি ॥ ইত্যাদি

২। হক হওক নুৰৰ গায়ৰ
চাৰিও পবনৰ খেলা
তাকে লৈ মুৰ কৰি গোৰা মন কৰি
সবাৰো ঘটে ঘটে আল্লা। ইত্যাদি

৩। নেৰিবা কলিমা ধৰিবা কলিমা
কলিমা ধৰমৰ গুৰি।
একেটি কলিমা ব্ৰহ্মাণ্ড ভেদিছে
চৰাই হৈ ফুৰিছে উড়ি ॥ ইত্যাদি

অতএব দেখা যায় যে অসমতো আঙুলি মূৰত লেখিব পৰা মুছলমান কেইটাইও অসমীয়াৰ হকে অসমীয়া ভাষাৰ হকে একো নকৰাকৈ যোৱা নাই। ওপৰত দেখুৱা হৈছে যে মুছলমান সকলে ভাৰতত সোমোৱা অবধি ভাৰতকে নিজৰ মাতৃভূমি জ্ঞান কৰিলে আৰু ইয়াৰ যত কৃষ্টি আছিল মানে সকলোকে নিজৰ বুলি ভাবি লৈ আৰু নিজৰ ঠাঁচ দি আৰু নতুন নতুন কৃষ্টি উদ্ভাৱন কৰি এটি নতুন সভ্যতাৰ অৱতাৰণা কৰিলে আৰু পৃথিৱীৰ ভিতৰত ভাৰতক এখন প্ৰতিভাপন্ন আৰু সমৃদ্ধিশালী দেশ বুলি সকলোৰে দৃষ্টি আকৰ্ষণ কৰিলে।

আনকি নিজৰ কোৱা ভাষাকো পৰিবৰ্ত্তন কৰি ভাৰতীয় কথিত ভাষাৰ লগত আপোছ মীমাংসা কৰি এটি উমৈহতীয়া ভাষা উলিয়ালে আৰু তাৰ নাম দিলে উৰ্দ্দু। তেওঁলোকৰ ধৰ্ম্ম ইছলাম বিশুদ্ধ একেশ্বৰবাদী ধৰ্ম্ম। এই ধৰ্ম্মই জাতি-ভেদ নেমানে। সেইদেখি তেওঁলোকে তেতিয়াৰ প্ৰচলিত ব্ৰাহ্মণ, ক্ষত্ৰিয়, বৈশ্য আৰু শূদ্ৰ এই বোৰ জাতি ভেদ দূৰ কৰি এক জাতীয়তাবোধ আনিবৰ নিমিত্তে সকলোৰে সমষ্টিক নাম দিলে হিন্দু আৰু এওঁলোকৰ থাই থকা ঠাই আৰ্য্যাবৰ্ত্তক (আজিকালি যুক্তপ্ৰদেশ) নাম দিলে হিন্দুস্থান। তেওঁলোকৰ ধাৰ্ম্মিক লোক সকলে বা চুফি লোক সকলে হিন্দু সন্ন্যাসী লোকসকলৰ লগত মিলিত হৈ এক একেশ্বৰ বাদী জাতি ভেদ-বিবৰ্জ্জিত বৈষ্ণৱ ধৰ্ম্মৰ উৎপত্তিৰ সহায়ক হল। কিন্তু এই বৈষ্ণৱ ধৰ্ম্মও ব্ৰাহ্মণ সকলৰ প্ৰকোপত পৰিল। শেষত গৈ হিন্দু-মুছলমানৰ ভিতৰত অৰিয়া অৰি ভাব আৰু যুদ্ধাদি ঘনাই লাগিবলৈ ধৰিলে। বিশ্বনিয়ন্তাই একো উপায় নেপাই সাত সমুদ্ৰৰ সিপাৰৰ পৰা এটি পৰাক্ৰমী খৃষ্টিয়ান জাতি আনি এওঁলোকৰ ভিতৰত সুমুৱাই দিলেহি। এই তৃতীয় দলটিয়ে যেতিয়া হাতত চেকনি লৈ স্কুলীয়া ছাত্ৰক শাসন কৰাদি এওঁলোকক শাসন কৰিবলৈ আৰু শিক্ষা দিবলৈ আৰম্ভ কৰিলে এওঁলোকৰ অৰিয়া অৰি অনেক পৰিমাণে শাম কাটিলে কিন্তু ওৰ নপৰিল। এতিয়া এওঁলোক সিয়ান হৈছে আৰু হিন্দু-মুছলমান গুচি সংখ্যা গৰিষ্ঠ, সংখ্যা লঘিষ্ঠ দল নাম পাইছে আৰু তিনিও দলৰ ভিতৰত খেলি মেলি আৰু ৰণিয়াগিৰি আৰম্ভ হৈছে। সংখ্যা গৰিষ্ঠ দলৰ প্ৰৌঢ় লোক সকলে হিন্দুস্থান অৰ্থৎ ভাৰতবৰ্ষ খন হিন্দুৰ নিমিত্তেহে বুলি দাবি কৰিছে আৰু আধুনিক শিক্ষা প্ৰাপ্ত ডেকা সকলে ধৰ্ম্মই সকলো অনিষ্টৰ মূল বুলি ধৰ্ম্মক বিসৰ্জ্জন দিবলৈ ওলাইছে। ইফালে সংখ্যা লঘিষ্ঠ মুছলমান সকলৰ মাজত ভাৰতৰ আৰ্য্য ভাৱাপন্ন ইছলামক এৰি আৰবৰ ছেমিটিক ইছলামক আঁকোৱালি ধৰিবলৈ প্ৰচেষ্টা চলিব লাগিছে। এতিয়া একমাত্ৰ বিধাতাইহে জানে ইয়াৰ শেষ ফল কি হয় গৈ। হে প্ৰভো! তব ইচ্ছা পূৰ্ণ হওক।

# প্ৰেমৰ দৰ্শন

বিৰহৰ ব্যথা সনা ইনোৱা-বিনোৱা সেই
এৰিলোঁ পুৰণি কথা
ইচ্ছা নাই তুনাই কবৰ
অনিন্দ্য তোমাৰ প্ৰেম 'আত্মাৰ মিলন মাথোঁ'
আকাঙ্ক্ষাও নাই সখী মোৰ
তাৰে সতে সমান হবৰ
মাটিৰ মানুহ মই দেখিছা সদায় তুমি
নিবিড় সম্বন্ধ মোৰ
পৃথিৱীৰ লগতে সদায়
অশৰীৰী আতমাৰ নাই পৰিচয় কোনো
তোমাৰো প্ৰেমৰ ভাষা
নোৱাৰি বুজিব নিৰুপায়
ক্ষন্তেকীয়া জীৱনৰ ক্ষন্তেকীয়া সুখ বুলি
যাক তুমি খোজা নেওচিব
সেয়ে মোৰ অতুল বৈভৱ।
বুজিব নোৱাৰোঁ যাক যাৰ মিলনৰ কথা
মোৰ বাবে সপোনৰ দৰে
নাই তেনে প্ৰেমৰ গৌৰৱ।
কিন্তু প্ৰিয়ে এটিবাৰ মনত পেলোৱাঁ যাতে
জীৱনত কোনোবা এদিন
এই দুৰ্ভগীয়া প্ৰেমিকৰ
এই মূহুৰ্ত্তত কোৱা অন্তৰৰ কথা এটি
"জগতত নাই কোনো আশা,
আতমাৰ মিলন হবৰ।"
কিদৰে জানিলা বাৰু প্ৰেমৰ পূৰ্ণতা লাভ
আত্মাৰ মিলন মাথোঁ

দেহা তাৰ একোৰে নহয় ?
প্ৰেমৰ পথত মাথোঁ সুন্দৰৰ আৰাধনা
কিয় বাৰু কৰে তেনেহলে
কুৰূপত নকৰি আশ্ৰয় ?
আত্মাৰ লগত যদি পৰিচয় আছে তেনে
দেখা পাবা অতি অনায়াসে
কুৰূপতো চালে চকু মেলি ;
যি প্ৰেমৰ পোহৰত চিৰকাল সুন্দৰক
দেখা উদ্ভাসিত হৈ থকা
কুৰূপতো আছে সিয়ে জ্বলি

# বৈষ্ণৱ সাহিত্যত গণতন্ত্ৰবাদ

ৰাজনৈতিক সভ্যতাৰ আমোলত ভাৱবাদী ঐতিহাসিক পণ্ডিতসকলে ধৰ্ম্মভাৱৰ ক্ৰমোন্নতি ৰাজনৈতিক ভাৱৰ ক্ৰমোন্নতিৰ লগত ৰজিতা খুৱাই কয় যে ৰজাৰ উপৰি ৰজা সম্ৰাটৰ আবিৰ্ভাৱৰ লগে লগে জগতত দেৱৰো দেৱতা পৰমেশ্বৰৰ ধাৰণা দৃঢ় হৈ উঠে। উদাহৰণ স্বৰূপে তেওঁলোকে কয় যে য়ুৰোপত ৰোমান সাম্ৰাজ্যৰ অভ্যুত্থানৰ লগে লগে খৃষ্টধৰ্ম্মৰ একেশ্বৰবাদ আৰু ভাৰতত আৰ্য্য-সম্ৰাট বিশেষকৈ গুপ্ত-সম্ৰাটসকলৰ দিনত দেৱৰো দেৱতা হৰিৰ আৰাধনাৰ ভাৱ বলবান হৈ উঠে। বৈষ্ণৱ তথা শঙ্কৰী-সাহিত্যৰ পৰা ঈশ্বৰৰ ৰাজত্ব সম্পৰ্কে বিচাৰ কৰিবলৈ হলে আমি একে আষাৰে কব পাৰোঁ যে বৈষ্ণৱ-ধৰ্ম্মৰাজ্যৰ ঈশ্বৰ সম্পূৰ্ণ গণতন্ত্ৰী।

এইটো বিশেষকৈ লক্ষ্য কৰিব লগীয়া যে অসমীয়া সাহিত্যৰ প্ৰধান ধৰ্ম্ম-পুথি "নাম-ঘোষা" আৰম্ভ হৈছে ভকতৰ বন্দনাৰ "মুক্তিত নিস্পৃহ যিটো সেহি ভকতক নমো" আৰু তাৰ পিছতহে "সমস্ত-মস্তক-মণি" ঈশ্বৰক "নিজ ভকতৰ বশ্য" বুলি ভজনা কৰা হৈছে। মহাপুৰুষীয়া বৈষ্ণৱ ধৰ্ম্মমতত চাৰিটি মূলবস্তু

যথা দেৱ, নাম, গুৰু, ভকত ইয়াৰ ভিতৰত ভকতৰ প্ৰাধান্যই সৰুলোতকৈ বেছি।

বৈষ্ণৱ-মাৰ্গৰ শ্ৰেষ্ঠ অৱতাৰ শ্ৰীকৃষ্ণই ঈশ্বৰৰ গণতন্ত্ৰী ৰাজত্ব (limited monarchy) সম্পৰ্কে কি কৈছে চাওক,

শুনিয়ো দুৰ্ব্বাসা মই নোহো স্বতন্তৰ ॥
হওঁ মই ঈশ্বৰ সমস্তে জগতৰ ।
তথাপি অধীন মই ভৈলো বৈষ্ণৱৰ ॥
তোমাৰ আগত মই কহো স্বৰূপত ।
কায়বাক্য মনে মোৰ থাটে ভকতত ॥
"মোহোৰ হৃদয় নিষ্ঠে জানিবা ভকত ॥
ভকতৰো হৃদয় মইসে সাৰে সাৰ ।
মোতপৰে অনুমাত্ৰ নজানন্ত আৰ ॥
মই ভকতত পৰে নাজানোহো আন ।
কৰো ৰাত্ৰিদিনে মাত্ৰ তাসম্বাৰ ধ্যান ॥
কহিলো তোমাত ইটো তত্ত্ব নিৰন্তৰ ।"
"নিজভাৰ্য্যা লক্ষ্মী ইটো প্ৰিয়তম দেহ ।
সাধুজন বিনে আতো নাহি মোৰ স্নেহ ॥"
"কিন্তু মোৰ ভক্তসৱ নিষ্কাম সদায় ॥
তাতো যেবে মই বশ্য নভৈলো সম্প্ৰতি ।
মোতপৰে নাহি তেবে পৰম কপটী ॥"

— ভক্তি ৰত্নাৱলী ।

"বুলিবা দেৱক ভজি পাইবা মাধৱক । কিসক কৰিবে লাগে সেৱা মনুষ্যক ॥" এই প্ৰশ্নৰ উত্তৰত "ভক্তি-ৰত্নাৱলী"ৰ গ্ৰন্থকাৰে শ্ৰীকৃষ্ণৰ এই উক্তি উদ্ধৃত কৰিছে ;—

"শুনা যেন কৃষ্ণে বুলিলন্ত অক্ৰূৰক ॥
তুমিসৱ মহাভাগৱত শ্ৰেষ্ঠতম ।
সমস্তে লোকৰ তোৰা পূজনী উত্তম ॥
মোৰ ভকতিক মাত্ৰ চাহে যিটো নৰ ।
নাহিকে ভজনী তাৰ তোমাসাত পৰ ॥
আপোনাৰ কাৰ্য্যমাত্ৰ সাধে দেৱগণে ।
পৰকেসে অনুগ্ৰহ কৰন্ত সজ্জনে ॥
এতেকে ভকত শ্ৰেষ্ঠ দেৱতাতো কৰি ।
নাহি সংসাৰত বিষ্ণু ভকতক সৰি ॥"

[illegible] এদিন প্ৰকাশ হৈছিল স্বয়ং লক্ষ্মীপতি ভগৱন্তৰ নিজপুৰী [illegible] সেই বৈকুণ্ঠত, যেতিয়া শ্ৰীনাৰায়ণে [illegible]তৰ প্ৰিয় পাৰিষদ জয়-বিজয়ে চাৰি সিদ্ধৰ ওচৰত নগৰা অপৰাধ ভঞ্জন কৰিব নোৱাৰিলে আৰু পাৰিষদ দুজন সেই পৰম অনুপম স্থানৰ পৰা হতশ্ৰী হৈ পতিত হব-লগীয়া হল। জয়-বিজয়ক ক্ষমা কৰিবলৈ স্বয়ং শ্ৰীপতিয়ে ভক্ত চাৰিসিদ্ধৰ ওচৰত বিফল অনুৰোধ কৰিব লগীয়া হৈছিল, "আপুনি ঈশ্বৰ হুয়া। বোলাহা কৰিয়ো দয়া ॥"

নাম-ধৰ্ম মতে নামৰ অপৰাধেই হৈছে সকলোতকৈ ডাঙৰ অপৰাধ। এই অপৰাধৰ বিষয়ে কীৰ্ত্তন-ঘোষা"ত আছেঃ—

"সুহৃদ হৰি নাম সমস্তৰে। তাৰ অপৰাধ যি নৰে কৰে ॥
তাহাৰ ৰক্ষাৰ নাহি উপায়। অৱশ্য সিতো অধোগতি যায় ॥
হৰিয়ো ৰাখিবে নোৱাৰে তাক।"

নামৰ দশ অপৰাধৰ ভিতৰতো আকৌ ভকতক নিন্দা কৰাটোৱেই ডাঙৰ অপৰাধ।

"ভকতক নিন্দা কৰে অধম। জানিবা নামৰ দ্ৰোহী পৰম ॥
যাতহন্তে ভৈল নামৰ খ্যাতি। তাৰ কি নিন্দা নামে সহে অতি ॥"
কীৰ্ত্তন ঘোষা

ঈশ্বৰৰ নিজৰ অপৰাধতকৈয়ো ভকতৰ অপৰাধহে বেছি ডাঙৰ অৰ্থাৎ অমোচনীয়, আন ভাষাত কবলৈ গলে বৈষ্ণৱ ধৰ্ম্ম ৰাজ্যৰ বিধান মতে, ব্ৰহ্মবধ, গুৰুবধ, পিতৃমাতৃবধ আদিৰ তো কথাই নাই, * ঈশ্বৰৰ দ্ৰোহ অৰ্থাৎ ঈশ্বৰৰ ৰাজ্যৰ ৰাজদ্ৰোহতকৈয়ো ভক্তদ্ৰোহৰ অপৰাধ ডাঙৰ; ঈশ্বৰৰ অপৰাধ কৰিলে ঈশ্বৰৰ অনুগ্ৰহ মতে নিস্তাৰ পাব পাৰি।

"দেৱৰো উত্তম কৰুণাকৰ। সুকৃতি পাৱে যাত চৰাচৰ ॥
যিতো থাকে তান দ্ৰোহ আচৰি। ভজিলে তাকো নিস্তাৰন্ত হৰি ॥"
কীৰ্ত্তন ঘোষা

কিন্তু ভকতৰ অপৰাধৰ পৰা যে উত্তাৰণ পাব নোৱাৰি তাৰ প্ৰমাণ জয়-বিজয়ৰ আদৰ্শ বিচাৰ "হৰিয়ো ৰাখিবে নোৱাৰে তাক"।

শ্ৰীকৃষ্ণই বৈকুণ্ঠ প্ৰয়াণৰ সময়ত প্ৰিয়তম ভক্ত উদ্ধৱক এই বুলি সাৰ উপদেশ দিলে ;—

"শুনিয়ো উদ্ধৱ তুমি ৰহস্য ভকতি।
কৰিবা অভ্যাস তুমি স্থিৰ কৰি মতি ॥

---

* "ব্ৰহ্মবধী গুৰুবধী যতেক। পিতৃমাতৃবধী পাপী অনেক ॥
কুক্কুৰ খায় হেন ম্লেচ্ছ গণে। সিয়ো শুদ্ধহোৱে হৰি কীৰ্ত্তনে ॥"
কীৰ্ত্তন-ঘোষা।

সমস্তে ভূততে ব্যাপী আছো মই হৰি।
সবাকো মানিবা তুমি বিষ্ণুবুদ্ধি কৰি॥"
"বিশেষত মনুষ্যগণত যিতো নৰে।
বিষ্ণুবুদ্ধি ভাৱে সৰ্ব্বদায়ে মান্য কৰে॥"

যুগাৱতাৰ শ্ৰীকৃষ্ণৰ এইষাৰ মহাবাণীৰ অৰ্থ অতি গভীৰ। বৈষ্ণৱ ধৰ্ম্ম ৰাজ্যত সাধাৰণ তন্ত্ৰৰ ভাৱহে ইয়াত বেছিকৈ দেখুৱা হৈছে। বিষ্ণু বৈষ্ণৱক অভেদৰূপে মানিব লাগে। ঈশ্বৰক দূৰলৈ নেঠেলি সমস্তে ভূতত বিশেষকৈ "মনুষ্যগণত" দেখিব লাগে। "নৰৰূপে নাৰায়ণ ভাৰত বৰিষে। ভকতৰ হৃদয়ত প্ৰকাশা হৰিষে॥" নৰৰূপী নাৰায়ণৰ সেৱা কৰাটো যেনেকৈ ধৰ্ম্ম তেনেকৈ গণতন্ত্ৰী ৰাজনীতিও শ্ৰেষ্ঠ।

"বৈৰভাৱে চিন্তি মোক। দুনাই পাইবা এহিলোক॥" বোলা কথাষাৰত এটি বিশেষ উল্লেখযোগ্য গণতন্ত্ৰী ভাৱ সোমাই আছে বুলি অনুমান হয়। "বৈৰভাৱ"ক পাৰ্লিয়ামেণ্টৰী শাসনৰ "অপজিশ্যন"ৰ লগত বিচাৰ পাৰি। "বৈৰ-ভাৱে চিন্তি" চৰকাৰৰ বিপক্ষদলে শাসকৰ পদলৈ যোৱাটো গণতন্ত্ৰী শাসনৰ এটা প্ৰকৃতি। পূতনা, কংস শিশুপাল আদিয়ে বৈৰভাৱে চিন্তি যি গতি পালে বুলি বৈষ্ণৱ সাহিত্যত উল্লেখ কৰা আছে সেই গতি বোলে মহাভক্তৰ পক্ষেও দুৰ্লভ। শ্ৰীকৃষ্ণক মাৰোঁ বুলি বিষ-স্তন পান কৰোৱা পুতনাক জননীৰ গতি আৰু চিৰকাল বৈৰভাৱে চিন্তাকৰা কংস, শিশুপালৰ সাৰূপ্য মুক্তি দিয়া হল বুলি ভাগৱতত উল্লেখ আছে। নাস্তিকৰ প্ৰতিও এনে উদাৰ ভাৱ পোষণ কৰা টো বৈষ্ণৱধৰ্ম্মৰ এটা বিশেষত্ব। গণতন্ত্ৰী নিয়ম-তন্ত্ৰমতেও বৈৰভাৱে চিন্তি চৰকাৰ পক্ষৰ "সাৰূপ্য" লাভ কৰাৰ ব্যৱস্থা আছে।

বৈষ্ণৱ ধৰ্ম্মৰ অহিংসা মতে বিশেষকৈ মহা-বৈষ্ণৱ যুগ-মানৱ মহাত্মা গান্ধীয়ে প্ৰচাৰ কৰা কাৰ্য্যকৰী অহিংসা নীতিয়ে—জগতৰ গণতন্ত্ৰত পূৰ্ণতা দিব বুলি অনুমান হয়। হিংসাবাদ আৰু গণতন্ত্ৰ দুয়োটা খাপ নোখোৱা কথা। যদি সৰহভাগৰ মতেৰে শাসন কৰাটোৱেই গণতন্ত্ৰৰ মূলমত হয়, তেন্তে কমভাগক শাসন কৰিবলৈ পাশৱিক বলৰ আৱশ্যক নাই, প্ৰবল জনমতেই যথেষ্ট। যেতিয়া অলপ সংখ্যক লোকে বহু সংখ্যক লোকক বলেৰে শাসন কৰিবলৈ বিচাৰে তেতিয়াই হিংসাবাদৰ বা পাশৱিক বলৰ আৱশ্যক হয়। বৈষ্ণৱ সাহি-ত্যত উল্লেখ কৰা ঈশ্বৰৰ অৱতাৰ সকলৰ হিংসামূলক কাৰ্য্যবিলাক আক্ষৰিকভাৱে সত্য বুলি লোৱাটো অনুচিত। পুৰাণবিলাক উদাহৰণেৰে মূলতত্ব বুজোৱা

( philosophy taught by examples ) শাস্ত্ৰ বুলিব পাৰি ।. বৰ্ব্বৰ-যুগৰ পাশৱিক বলেৰে প্ৰভৱান্বিত জন-সাধাৰণৰ মনত সোমোৱাকৈ সেই সাহিত্য ৰচনা কৰা হৈছিল । এইবিলাক কাৰ্য্য আধ্যাত্মিক ভাৱে ললেহে আচল ধৰ্ম্ম-ভাৱ বুজিব পাৰি । তদুপৰি ঈশ্বৰৰ কাৰ্য্য অনুসৰণ নকৰি উপদেশ আচৰণ কৰিবলৈ ভাগৱত পুৰাণত সতৰ্ক কৰা আছে; " ঈশ্বৰ সকলে, যি কৰ্ম্ম কৰয়, মনেও তাক নকৰি। তাৰাসৱে যিৱা, উপদেশ দিয়ে, তাকেসে সবে আচৰি ॥"

দশম স্কন্ধ

---

# কলাবিদ্যা, কবিতা আৰু ধৰ্ম্ম

বৰ্ত্তমান যুগত শিক্ষিত সম্প্ৰদায়ৰ মাজত শিল্পৰ বিষয়ে বহল আলোচনা শুনিবলৈ পোৱা যায় অইন এটা বিষয়ৰে সিমান পোৱা নাযায় । অতি প্ৰাচীন কালৰে পৰা সৌন্দৰ্য্যৰ উপসনাকাৰীৰ দল যথেষ্ট আছে কিন্তু কোনো যুগতে আজিৰ নিচিনাকৈ উচ্চ আৰু মজলীয়া শ্ৰেণীৰ মনোবৃত্তিৰ ওপৰত সৌন্দৰ্য্যই ইমান প্ৰভাৱ বিস্তাৰ কৰিছিল বুলি অনুমান কৰিব নোৱাৰি । সেই বাবে আমি থিয়েটাৰলৈ গলে শুনিবলৈ পাওঁ তাত কলা আলোচনা, বায়স্কোপত কলা, এটি চুটী গল্পত কলা আৰু আনকি চিগাৰেটত হোপামৰা আৰু অসংখ্য সৰু সৰু আঙঠিৰ আকাৰত ধোঁৱা উৰাই দিয়াত শিল্প—এক কথাত কবলৈ গলে কলা আৰু শিল্পই আমাৰ মাজৰ কিছুমানৰ কৰ্ম্মজীৱনৰ শতকৰা নব্বৈ ভাগ অধিকাৰ কৰি পেলাইছে । এনেস্থলত এই বিষয়ৰ আলোচনাৰ এটি ডাঙৰ আৱশ্যকতা অনুভৱ কৰা যায় ।

সকলো কথাৰ ব্যাখ্যাতেই অসংখ্য মতভেদ পোৱাৰ দৰে এই শিল্প শব্দটোৰ ব্যাখ্যাতো নানা মুনিৰ নানা মত । ভিন ভিন সময়ত ভিন ভিন লেখকে এই শব্দটোৰ বেলেগ বেলেগ ব্যাখ্যা ডাঙি ধৰিছে । মানুহে অতি প্ৰাচীন কালৰে পৰা শিল্পৰ ব্যৱহাৰ কৰি আহিছে । এজনে আনজনৰ আগত কথা কওঁতে, নিজৰ উপযোগী বস্তু তৈয়াৰ কৰোঁতে নাইবা অসভ্যবিলাকে হাতেমুখে

হৈ সানি ধুনীয়া দেখাবলৈ চেষ্টা কৰোঁতেও শিল্পৰ অস্তিত্বৰ চিনাকি পোৱা যায়। মানুহে কথা কয় আৰু অইনৰ আগত এই কথা কওঁতে নিজৰ আনন্দ নিৰানন্দ, ভয়ভক্তি, হিংসা কুচ্চুর্ত্তি আদিৰ অসংখ্য অনুভূতিৰ ছাঁ প্ৰকাশিত হৈ পৰে। একেটা কথাকেই দুজন বা তিনিজন মানুহে কলে প্ৰত্যেকৰে কথাত আনটোৰপৰা কিছুমান বেলেগ বেলেগ ছাঁ স্পষ্টকৈ দেখিবলৈ পোৱা যায়। এই ব্যক্তিগত বিশেষত্বৰ পৰাই শিল্পীৰ সৃষ্টি। মানুহৰ আদিম অৱস্থাতো শিল্পী আছিল (অৱশ্যে অসংস্কৃত অৱস্থাত), আজিৰ কুৰিশতিকাৰ সভ্যতাৰ মাজতো শিল্পী আছে আৰু ভৱিষ্যতলৈকেও শিল্পী থাকিব। মানুহৰ কথাকে নকওঁ, সাধাৰণ পশু-পক্ষী, কীটপতঙ্গ আৰু জন্তু আদিৰ মাজতো শিল্পৰ প্ৰতি যথেষ্ট ৰাপ দেখিবলৈ পোৱা যায়। আনন্দত উত্ৰাৱল হৈ প্ৰিয়াৰ সন্তুষ্টিৰ কাৰণে ম’ৰা চৰাইৰ ঠেঙখৰা নাচন, মধুৰ সঙ্গীতত বিষধৰ সৰ্পৰ আকৰ্ষণ, সৰু সৰু কিছুমান চৰাইৰ বাঁহ সজাৰ কৌশল এই আটাইবোৰে প্ৰমাণ কৰে যে এই অমাত প্ৰাণীবিলাককো শিল্পই অজ্ঞাতসাৰে আৰু আচৰিত ৰকমে আকৰ্ষণ কৰে। এনে স্থলত সভ্যতাৰ জখলাত ওপৰলৈ উঠি অহাৰ লগে লগে মানৱ সমাজত শিল্পৰ বহুল আলোচনা আৰু যুগে যুগে তাৰ উদ্দেশ্যৰ বেলেগ বেলেগ ৰূপৰ বিকাশ হোৱাটো একৰকম স্বাভাৱিক কথা। উন্নতিয়েই হওক বা অৱনতিয়েই হওক আমি সময়ৰ পৰিবৰ্ত্তনৰূপ চকৰিত ঘূৰি ঘূৰি যাব ধৰিছোঁ, নাজানোঁ কলৈ গৈছোঁ। কিন্তু গৈছোঁ, তাত সন্দেহ নাই, দিন নাই ৰাতি নাই গৈছোঁ; সময়ৰ চকৰি ঘূৰাৰ লগে লগে আমাৰ মতবো দিনে দিনে পৰিবৰ্ত্তন হৈ যাব ধৰিছে; আমি ভাবিছোঁ গৈছোঁ ওপৰলৈ, সৰগ ঢুকি পাম কিন্তু সময়ৰ চকৰিয়ে শেহত গৈ সৰগৰ নন্দন কাননত উলিয়াই দিয়ে নে চিৰআন্ধাৰময় পাতালৰ দুৱাৰ মুখত উলিয়াই দিয়ে এতিয়াও সঠিককৈ কোৱা টান। তথাপি আমাৰ বিশ্ৰাম নাই, সময়ৰ চকৰিত ঘূৰিব লাগিছোঁ, নতুন নতুন দৃশ্য আমাৰ চকুৰ আগত পৰিছেহি, আমাৰ মন আনন্দত নাচি উঠিছে, মনত আশা কৰিছোঁ সুন্দৰৰ সন্ধান পাম, সত্য হাতৰ মুঠিত মিলিব।

যি সত্য, সি সুন্দৰ আৰু মঙ্গলময়। এইমত পাশ্চাত্য জগতত পোন প্ৰথমতে গ্ৰীক দাৰ্শনিক সকলে * প্ৰচাৰ কৰিছিল আৰু প্ৰাচ্য জগততো সেই একেটা কথাই "সত্যং শিৱং সুন্দৰম্" প্ৰচাৰিত হৈছিল হিন্দু ঋষিমুনি-

* Aristotle, Plato, Socrates.

সকলৰ মুখেৰে। গ্ৰীচৰ এপিকিউৰিয়াচ্ (Epicurius) আৰু ভাৰতৰ চাৰ্ব্বাক-কৰ মতাবলম্বীসকলে এই তিনিওটা ভাৱকে একেটা পদাৰ্থতে আৰোপ কৰিবলৈ ইচ্ছা কৰা নাছিল যদিও এই দলৰ অনুগামীলোকৰ সংখ্যা কম হোৱা বাবে ওপৰৰ মতটো ওফোৰাই পেলাবলৈ তেওঁলোক সক্ষম হোৱা নাছিল। সেইবাবে বহুতো বছৰ ব্যাপি প্ৰাচ্য আৰু পাশ্চাত্য জগতৰ নৰসমাজৰ ওপৰত এই মতটোৱে যথেষ্ট প্ৰভাৱ বিস্তাৰ কৰি আছিল। আনকি আজিও বহুতকে এইমত সমৰ্থন কৰা পোৱা যায়।

সত্যৰ আৰাধনাই সুন্দৰৰ আৰাধনা, এই ভাৱটোৱে এপিনে যেনেকৈ ধৰ্ম্ম সম্বন্ধীয় নানান যুক্তি প্ৰচাৰত সহায় কৰিলে, আনপিনে ঠিক তেনেকৈয়ে সি শিল্পৰ উন্নতিৰ বহুমুখী পথ পৰিষ্কাৰ কৰি দিলে। ফলত ধৰ্ম্ম আৰু ঈশ্বৰ সম্বন্ধীয় নানান মত ওলোৱাৰ লগে লগে শিল্পৰো দিনে দিনে ঠাল ঠেঙুলি বাঢ়ি আহি বিৰাট আকাৰ ধাৰণ কৰিলে আৰু এই ঠাল ঠেঙুলিবিলাক নিজ নিজ পথত দোপক দোপে বাঢ়ি যাবলৈ ধৰিলে।

শিল্প শব্দটো বৰ বহল শব্দ। মানুহে কথা কওঁতে নিজ নিজ ব্যক্তিত্বৰ ছাঁ ফুটাই তোলে, ই শিল্প; আমি ঘৰবাৰী সজোঁতে তাক ধুনীয়া কৰিবলৈ যত্ন কৰোঁ ইও শিল্প; কবিতা, উপন্যাস নাটক, অভিনয়, গীত, চিত্ৰ বিদ্যা, ভাস্কৰ্য্য ইত্যাদি সকলোবোৰে৷ শিল্প। "শিল্প মানবীয় কাৰ্য্য। ইয়াত এজন মানুহে ইচ্ছা কৰি কিছুমান বাহ্যিক চিনৰ সহায়েৰে নিজৰ অনুভূতি আইনৰ অন্তৰত জগাই তোলে আৰু আইনেও ইয়াৰ অভিজ্ঞতা লাভ কৰে।" * শিল্পীয়ে (artist) আইনৰ অন্তৰত জগাই তোলা অনুভূতিবোৰ নানা তৰহৰ হব পাৰে; কেতিয়াবা ই প্ৰবল, কেতিয়াবা দুৰ্ব্বল; কেতিয়াবা দ আৰু গভীৰ, কেতিয়াবা ঠেক আৰু তৰঙা; কেতিয়াবা ভাল আৰু কেতিয়াবা বেয়া। এক কথাত মানৱ অন্তৰত যেই সেই আৰু যেনে তেনে ধৰণৰ অনুভূতি সৃষ্টিৰ চেষ্টাই শিল্প। এই হিচাবে চালেও শিল্পৰ ক্ষেত্ৰ অতি বহল। কিন্তু সাধাৰণ ভাষাত এই শব্দটো ইয়াতকৈ অলপ ঠেক ভাৱত ব্যৱহৃত হয়। আমি সকলোৱে সাধাৰণতে শিল্প মানে সুকুমাৰ শিল্পবোৰহে (fine arts) বুজোঁ; তেতিয়া হলে ইয়াৰ অৰ্থ সাহিত্য, গীতবাদ্য, অভিনয়, চিত্ৰবিদ্যা, ভাস্কৰ্য্য আদিতেহে আবদ্ধ থাকে।

ওপৰত শিল্প শব্দটোৰ যেনে ভাৱে ব্যাখ্যা দিয়া গল সেই ব্যাখ্যাটো আইন বহুতো চিন্তাশীল লোকৰ ব্যাখ্যা আৰু সূত্ৰৰ লগত নিমিলে। কিছু-

---

* Tolstoy

মান লেখকৰ মতে "শিল্পৰ কাৰ্য্য আনকি পশু ৰাজ্যতো উদ্ভৱ হয় আৰু যৌন সম্পৰ্ক আৰু খেলা কৰিবৰ ইচ্ছাৰপৰা ইয়াৰ সৃষ্টি হয়।" * আন এজনৰ মতে "ই ব্যক্তিৰ বিকাশ।" ; † আকৌ আন এজনৰ মতে "ই আদৰ্শৰ ব্যক্তিগত বিকাশ।" ॥

বহল ভাৱে আলোচনা কৰি চালে দেখা যায় যে, শিল্পৰ সাধাৰণতে দুটা ব্যাখ্যা পোৱা যায়। এটাৰ মতে ইয়াৰ উদ্দেশ্য সত্য আৰু সুন্দৰৰ সৃষ্টি আৰু আনটোৰ মতে অকল সৌন্দৰ্য্যৰ সৃষ্টি। যুগে যুগে এই দুই আদৰ্শৰ মাজত যথেষ্ট সংঘৰ্ষ উপস্থিত হয় ; সেই বাবে কেতিয়াবা আগৰটো আকৌ কেতিয়াবা পিছৰটো আদৰ্শৰ সমাদৰ বাঢ়ি আহে।

শিল্পই সত্য আৰু সুন্দৰৰ সৃষ্টি কৰিবলৈ যাওঁতে ধৰ্ম্মৰ লগত থকা ইয়াৰ ঘনিষ্ঠ সম্পৰ্ক আমাৰ চকুত পৰে। শিল্পীৰ মনত সাধাৰণতে প্ৰশ্ন উঠে সত্য কি আৰু সুন্দৰ কি ? এই দুই প্ৰশ্নৰ উত্তৰ বিচাৰি যাওঁতে শিল্পীয়ে ধৰ্ম্মৰ সহায় নললে উপায় নাই। প্ৰত্যেক জাতিৰেই সত্য আৰু সুন্দৰৰ আদৰ্শ আছে আৰু সেই জাতিয়ে এই আদৰ্শবোৰ পায় সেই সময়ত সেই দেশত চলিত ধৰ্ম্মৰপৰা। ধৰ্ম্মৰ বিপক্ষবাদী লোক যথেষ্ট থাকিলেও এইটো সকলোৱে স্বীকাৰ কৰিবলৈ বাধ্য যে মানুহক পোন প্ৰথমতে ভাল বেয়া, সৎ-অসৎ এই কথাবোৰৰ মূল শিক্ষা দিয়ে ধৰ্ম্ম ই—নীতি শাস্ত্ৰই নহয় ; কিয়নো নীতি শাস্ত্ৰৰ শিকনিবোৰ অতি আদৰ্শমূলক ; সেইবাবে সৰু সৰু লৰা ছোৱালীয়ে কোমল বয়সত এনে ধৰণৰ আদৰ্শমূলক শিক্ষা হৃদয়ঙ্গম কৰিব নোৱাৰে। ধৰ্ম্মৰ আন এটি নাম ঈশ্বৰত বিশ্বাস। বৌদ্ধ আৰু জৈন ধৰ্ম্ম বাদ দিলে পৃথিবীত ঈশ্বৰ বিহীন ধৰ্ম্ম নাই বুলিও কব পাৰি। সেই বাবে ধৰ্ম্ম ৰাজ্যত সদায় ঈশ্বৰ তত্ত্বকে বিষয় বস্তু হিচাবে লৈ তেওঁৰ অপাৰ আৰু অসীম গুণ গৰিমাৰ কীৰ্ত্তন কৰি সাহিত্যৰ বেলেগ বেলেগ ঠালৰ সৃষ্টি হৈছে। মানুহে অকল সাহিত্যৰেই ভগবানৰ গুণ গৰিমাৰ কীৰ্ত্তন কৰি সুখ শান্তি পোৱা নাই আৰু সেই বাবে সাহিত্যৰ লগে লগে নানা তৰহৰ চিত্ৰবিদ্যা আৰু ভাস্কৰ্য্যেৰে তেওঁক বুজাবলৈ চেষ্টা কৰিছে। ভাৰতত হিন্দু আৰু বৌদ্ধ যুগৰ ভাস্কৰ্য্য আৰু ইটালীৰ ৰাফেল (Raphael) আৰু তেওঁৰ দলৰ শিল্পী-সকলৰ চিত্ৰ বিদ্যাই প্ৰমাণ কৰি দিয়ে যে এইসকলে কোনো মানৱৰ বাহ্যিক সৌন্দৰ্য্য অঙ্কন কৰাতকৈ তাৰ আত্মাৰ সৌন্দৰ্য্য বিকাশ কৰিবলৈকেহে বেছিকৈ চেষ্টা কৰিছিল। যি শিল্পীয়ে চিত্ৰত বাহ্যিক সৌন্দৰ্য্যৰ মাজত লুকাই থকা

* Schiller, Darwin, Herbert Spencer † Robert Browning ॥ Ruskin

প্ৰাণ শক্তি প্ৰকাশ কৰি দিব নোৱাৰে সেই শিল্পীৰ চিত্ৰই ধুনীয়া হলেও মানুহৰ মন আকৰ্ষণ নকৰে। গতিকে চিত্ৰ শিল্পীৰো মুখ্য উদ্দেশ্য আন্তৰিক সৌন্দৰ্য্যৰ সৃষ্টি কৰা আৰু তেতিয়া হলে ধৰ্ম্ম আৰু চিত্ৰ শিল্পীৰ উদ্দেশ্যৰ বিশেষ একো বিভিন্নতা নাথাকে।

প্ৰায় একেটা যুক্তিয়েই কবিতাতো খাটে কিয়নো কবিতা শিল্পৰ এটি অংশ। গতিকে ইয়াৰ ৰাজ্য শিল্প ৰাজ্যতকৈ ঠেক। কবিতা ভাষাৰ সহায়েৰে প্ৰবল কল্পনা আৰু অনুভূতি প্ৰকাশ কৰা এটি কৌশল। এজন বিখ্যাত কবিয়ে কোৱাৰ নিচিনাকৈ ("ই কল্পনাৰ মূৰ্ত্ত আকৃতি।") * ইয়াৰ ভাৱ গভীৰ, বৰ্ণনা আদৰ্শমূলক আৰু ভাষা লয় যুক্ত, সৰহ ভাগতেই ছন্দযুক্ত। শিল্পৰ নিচিনাকৈ ইও এটি কৃত্ৰিমতা কিন্তু কৃত্ৰিম হলেও ইয়াত প্ৰকৃতি গত ভাৱ আৰু ভাষা আছে। কবিয়ে সময়ত শ্ৰুতি মধুৰ শব্দেৰে ঈশ্বৰৰ অপাৰ মহিমাৰ গুণানুকীৰ্ত্তন কৰে, কেতিয়াবা ঈশ্বৰৰ সৃজিত পদাৰ্থ সম্যকৰূপে জানিব নোৱাৰি আচৰিত হয় আৰু কেতিয়াবা দয়া মায়াহীন প্ৰাকৃতিক নিয়মৰ বলত ঘটা নানা তৰহৰ কাৰ্য্যত সুখ দুখ, আনন্দ নিৰানন্দ আদি প্ৰকাশ কৰে। কবিৰ ভাৱ সাহিত্যৰ অইন ঠালৰ তুলনাত সদায় আদৰ্শমূলক; নিচেই সামান্য বস্তুটোকো তেওঁ আদৰ্শৰ চকুৰে চায়। কবিৰ চকুত ক্ষুদ্ৰাদপি ক্ষুদ্ৰ বস্তুটোও নপৰাকৈ নাথাকে সঁচা, কিন্তু এই ক্ষুদ্ৰ বস্তুবোৰৰ বৰ্ণনা দিওঁতেও তেওঁ কম বেছিৰ কমে আদৰ্শৰ সঙ্কেত দি যায়। এই খিনিতেই কবিতা আৰু গদ্য সাহিত্যৰ পাৰ্থক্য। ডাঙৰ ডাঙৰ লেখকসকলৰ উচ্চ থাপৰ কবিতাত বৰ আচৰিত ৰকমে বস্তুবাদ (realism) আৰু আদৰ্শবাদৰ (Idealism) ঐক্য দেখিবলৈ পোৱা যায়। সাধাৰণতে মানুহে ভাৱে যে বস্তুবাদ আৰু আদৰ্শবাদ এটা খুটাৰ দুটা মুৰৰ নিচিনা আৰু এই দুটা কেতিয়াও লগ হব নোৱাৰে। কিন্তু বিখ্যাত কবিসকলৰ কবিতাবোৰ এপিনে যেনেকৈ সংসাৰৰ আনপিনে তেনেকৈয়ে সেইবোৰ সংসাৰৰ বাহিৰৰ এখনি আদৰ্শ ৰাজ্যৰ। প্ৰত্যেক কবিৰেই মনত এটি আদৰ্শ আছে আৰু এই আদৰ্শ তেওঁৰ কবিতাবোৰৰ মাজেদি প্ৰত্যক্ষ ভাৱে নহলেও পৰোক্ষভাৱে প্ৰকাশিত হৈ পৰে। †

কোনো আদৰ্শৰ বশবৰ্ত্তী হব লাগিলে তাত ধৰ্ম্মৰ প্ৰভাৱ থাকিবই। সত্য আৰু সুন্দৰ নহলে সি আদৰ্শ হব নোৱাৰে। কোনো যুগতেই কোনো

---

* Shelley

† Cf Robert Browning, Shelley, Sankardev's *Rashlila and Harmohan,* Dante's *Divine Comedy, Vita Nuana*

জাতিয়ে অসত্যক আদৰ্শ বুলি আঁকোৱালি লোৱা নাই। যদি কেতিয়াবা কোনোবাই লয় তেন্তে বুজিব লাগিব সেই জাতিয়ে ধ্বংসৰ পথলৈ দিনে দিনে আগুৱাই যাবলৈ ধৰিছে। গতিকে এইটো একৰকম স্বতঃসিদ্ধ কথা যে মানুহৰ আদৰ্শ সদায় সৎ, সদায় উচ্চ। কবিৰ আদৰ্শও সেইবাবে সদায় সৎ আৰু উচ্চ কিন্তু এই আদৰ্শ ধৰ্ম্ম বিশ্বাসৰ লগত সদায় একে নহবও পাৰে—অৱশ্যে একে নহলেও ই ধৰ্ম্ম বিশ্বাসৰ বিৰোধী নহয়। গতিকে দেখা যায় যে ধৰ্ম্মৰ মূল আদৰ্শই কবিৰ আদৰ্শৰ ওপৰতো যথেষ্ট প্ৰভাৱ বিস্তাৰ কৰে। ধৰ্ম্মৰমূল আদৰ্শ, সামাজিক প্ৰথাৰ আদৰ্শ নহয়। ধৰ্ম্ম বেলেগ কথা, সমাজ বেলেগ কথা। ধৰ্ম্মই সমাজ সংগঠনত সহায় কৰে সঁচা কিন্তু সেই বুলি সমাজৰ সকলোবোৰ ৰীতিয়েই ধৰ্ম্ম নহয়।

প্ৰত্যেক জাতিৰ বুৰঞ্জীতে এনে এটি যুগ পোৱা যায়, যেতিয়া কবিতা শিল্প আৰু ধৰ্ম্মৰ মূল উদ্দেশ্য একেটাই আছিল। ধৰ্ম্ম প্ৰচাৰৰ সুবিধাৰ অৰ্থে কবিতা আৰু শিল্প দুয়োটাৰে বহুল ব্যৱহাৰ কৰা হৈছিল; সেই বাবে আগৰ সাহিত্যত কবিতাৰ প্ৰাধান্য আৰু সেই কবিতাবোৰতো ধৰ্ম্মৰ প্ৰাধান্য পোৱা যায়। আমাৰ নিজৰ ভাষালৈ চালেও ইয়াৰ নিভুৰ্ল প্ৰমাণ বহুতো। অসমীয়া প্ৰাচীন সাহিত্যৰ প্ৰায় আটাইবোৰ পুথিতেই ধৰ্ম্মৰ আলোচনা আৰু আনপিনে ভাস্কৰ্য্যতো দেৱদেৱীৰ মূৰ্ত্তি আৰু মন্দিৰ আদিৰ নিৰ্ম্মাণ।

আগৰ দিনত ধৰ্ম্মৰ আদৰ্শ প্ৰচাৰ কৰিছিল কবিতাই আৰু সেই কবিতাকে সাধাৰণ মানুহক বুজোৱাত সহায় কৰিছিল অভিনয়বোৰে। দলে দলে মানুহ আহি ধৰ্ম্ম সম্বন্ধীয় নাটকৰ অভিনয় দেখি তাৰ কবিতা ৰস পান কৰিছিল আৰু অভিনয়ৰ অন্তত ভগবদ্ ভক্তিৰ এটি আদৰ্শ নিজৰ মনৰ মাজত থাপনা কৰি ঘৰলৈ উভটিছিল। যি কবিতা সাধাৰণৰ বোধগম্য নহয় তাকো সহজ সৰলভাৱে বুজাই দিছিল এই অভিনয় বিলাকৰ আৱিৰ্ভাৱে। *

বহুকাল ব্যাপি শিল্প কবিতা আৰু ধৰ্ম্মই বেলেগ বেলেগ ফালৰপৰা প্ৰায় একেটি আদৰ্শৰেই অনুসৰণ কৰি থকাৰ পাছত পৰম্পৰাগত এক ৰকম কটকটীয়া বান্ধ শিথিল হৈ আহিবলৈ ধৰিলে। সত্য অন্বেষণৰ কাম ধৰ্ম্মলৈ এফলীয়াকৈ এৰি মানুহে শিল্পত সৌন্দৰ্য্য বিচাৰিবলৈ ধৰিলে। লাহে লাহে বহুতো মানুহৰ মতৰ পৰিবৰ্ত্তন ঘটিল আৰু আদৰ্শমূলক শিল্পৰ লগে লগে সৌন্দৰ্য্যমূলক শিল্পৰ অৱতাৰণা হবলৈ ধৰিলে। † শিল্প আৰু সাহিত্যত

* প্ৰাচীন নাটকৰ বেছি অংশেই কৱিতা।

† Cf Pre-Raphaelite movement in England.

এপিনে বস্তুবাদৰ প্ৰতিপত্তি দিনক দিনে বাঢ়ি আহিল * আৰু আন পিনে আদৰ্শবাদী মানুহে সন্দেহৰ চকুৰে চাবলৈ আৰম্ভ কৰিলে। ফলত সভ্য দেশবোৰত বেলেগ বেলেগ ধৰণৰ চিত্ৰশিল্প, কবিতা, উপন্যাস, নাটক চুটী গল্প আদি ওলাই পৰিল। আজিৰ সভ্য জগততো এনেকুৱা ধৰণৰ শিল্পৰেই বহুল প্ৰচলন আৰু সমাদৰ পোৱা যায়। এনে ধৰণৰ শিল্পত ধৰ্ম্মৰ লগত পোনপাকে থকা সম্বন্ধটো কিছুদূৰলৈ আঁতৰি গল। শিল্পৰ মুখ্য উদ্দেশ্য হল সুন্দৰৰ আৰাধনা। অনেকেই সত্য আৰু সুন্দৰৰ মিলনত সন্দেহ কৰিবলৈ ধৰিলে আনপিনে বহুতেই মত প্ৰকাশ কৰিলে যে সত্য আৰু সুন্দৰ দুয়োটা একে বস্তু নহয় বৰং দুয়োটা তেনেই বেলেগ বেলেগ, ইটোৰ লগত সিটোৰ অকণো সম্বন্ধ নাই।

ওপৰত উল্লেখ কৰা কথাটো তেনেই মানি ললেও শিল্প, কবিতা আৰু ধৰ্ম্মৰ একেবাৰেই সম্বন্ধ ছিগি গল বুলি কব নোৱাৰি। ধৰ্ম্মৰ উদ্দেশ্য এখনি আদৰ্শ ৰাজ্যৰ আভাস দিয়া (Transcendental world), আৰু আধুনিক কিছুমান কবিতা আৰু শিল্পৰ উদ্দেশ্যও কোনো ব্যক্তি, বিশেষ পদাৰ্থ বা ঘটনাৰ মাজেদি মানুহ, মানুহৰ বা মানুহ আৰু সৃজিত প্ৰাণী বা পদাৰ্থৰ লগত থকা সম্বন্ধৰ চিত্ৰ ডাঙি ধৰাটো। ধৰ্ম্মই অকল মানুহ আৰু ঈশ্বৰৰ সম্বন্ধ কি এই কথা লৈয়েই সন্তুষ্ট নাথাকে। এজন মানুহৰ আন এজনৰ লগত বা সেইজন মানুহৰ প্ৰাণীজগত আৰু জড়জগতৰ লগত কি সম্বন্ধ আৰু কেনে হোৱা উচিত ই তাৰো বহুল অলোচনা কৰি শিক্ষা দিয়ে। এই হিচাবে চ'লে ধৰ্ম্ম আৰু আধুনিক শিল্পৰ উদ্দেশ্য কিছু আঁতৰি গলেও দুয়োটা একেবাৰেই বেলেগ বুলি কেতিয়াও কব নোৱাৰি। অৱশ্যে এইটো স্বীকাৰ কৰিব লাগিব যে আজিৰ জগতত আগৰ তুলনাত শিল্প আৰু কবিতাৰ উদ্দেশ্য বহুটো সময়ত ঠেক হৈ আহিল—আগৰ সৰ্ব্বজনীন ভাবৰ সলনি কিছুমান ঠেক ভাবে আহি কিছুমান কবিতাত ঠাই ললেহি। ঠেক স্বদেশানুৰক্ত ( patriotic ) আৰু কিছুমান উত্তেজনাপূৰ্ণ যুদ্ধৰ কবিতাই এই কথাটোৰ প্ৰমাণ দিব। কিন্তু ভালকৈ গমি চালে দেখা যাব যে এনেকুৱা ঠেক ভাবৰ কবিতাৰ মাজেদিও এটি কাল্পনিক আদৰ্শ কৰিয়ে ডাঙি ধৰিছে আৰু এনেকুৱা আদৰ্শ প্ৰচাৰ কৰোঁতেই ইয়াৰ উদ্দেশ্য ধৰ্ম্মৰ উদ্দেশ্যৰ লগত পোনপাকে নহলেও আওপাকে মিলে।

জড়বাদৰ পৰা উদ্ভৱ হোৱা নানান সুখবাশিয়ে মানুহক ইয়াৰ নিজৰ

* Cf Sensual poems of Whitman, writings of Fraude etc.

গাঁলৈ টানিছে। মানুহৰ বিশ্বাস হৱ ধৰিছে, যিয়েই ক্ষন্তেকৰ বাবে মনত আনন্দ দিব পাৰে সেয়েই সুন্দৰ, সেয়েই ভাল। সৌন্দৰ্য্য বাহ্যিক; আন্তৰিক সৌন্দৰ্য্য বুলি চলিত কথাটো এটা কল্পনা মাত্ৰ। যি শিল্পই আমাৰ নিজৰ অস্তিত্ব পাহৰাই আনন্দ দিব পাৰিব সেয়েই প্ৰকৃত শিল্প, বাকীবোৰ শিল্পৰ ব্যভিচাৰ। এনে ধৰণৰ কিছুমান মত আধুনিক পাঠক ম'ত্ৰবেই গাত পোৱা যায়। প্ৰায় সকলোৱে একবাক্যে কয়, "শিল্পই আনন্দ দিব লাগে—শিল্পৰ উদ্দেশ্য সৌন্দৰ্য্য সৃষ্টি"।

কথাটো শুনোতে বৰ ভাল শুনি। দৰাচলতে চাবলৈ গলেও আনৰ অন্তৰত অনুভূতি জগাই তুলিব নোৱাৰা শিল্প, শিল্প নামৰে অযোগ্য কিন্তু জনসাধৰণে সৌন্দৰ্য্য শব্দৰ অৰ্থ ঠিক ভাৱত লব নোৱাৰে। তেওঁবিলাকৰ মতে চকু, কাণ, নাক, জিভা আৰু স্পৰ্শশক্তিক যিহে আনন্দ দিব পাৰিব সেয়েই সুন্দৰ। কিন্তু সুন্দৰ শব্দৰ এনেধৰণৰ ব্যাখ্যাই কাকো সন্তুষ্ট কৰিব নোৱাৰে। মোৰ মনত যি সুন্দৰ অইন এজনৰ মনত সি সুন্দৰ নহবও পাৰে; গতিকে মানুহ যনে প্ৰকৃততে সুন্দৰ কি তাক জানিবলৈ বিচাৰে।

হিন্দু আৰু গ্ৰীক দাৰ্শনিকসকলে সত্য আৰু সুন্দৰ দুয়োটাকে এক বুলি প্ৰমাণ কৰিছে। জাৰ্ম্মান দাৰ্শনিক কিছুমানেও এই দুয়োটাৰ বিশেষ একো পাৰ্থক্য ৰাখিবলৈ যত্ন কৰা নাই বৰং কিছুমানে এই দুয়োটা ভাৱ এটা বস্তুৰে দুটা পিঠি বুলি ধৰিছে। * কিন্তু এনে ধৰণৰ শিক্ষাই আধুনিক মনোবৃত্তিৰ ওপৰত বিশেষ প্ৰভাৱ বিস্তাৰ কৰিব পৰা নাই আৰু সেয়েহে ইয়াৰ ব্যাখ্যা দিবলৈ বহুতো চেষ্টা চলি আছে।

সুন্দৰ শব্দৰ অৰ্থ এজনৰ জ্ঞানেন্দ্ৰিয় বা কৰ্ম্মেন্দ্ৰিয়ৰ পৰিতৃপ্তিতে আবদ্ধ ৰাখিলে যথেষ্ট ক্ষতি হয়। যি বস্তু দেখিলে, শুনিলে বা স্পৰ্শ কৰিলে মোৰ আনন্দ লাগে সেই বস্তুটো সদায় নহলেও সেই মুহূৰ্ত্তৰ কাৰণে অৱশ্যে মোৰ প্ৰতি সুন্দৰ ইয়াত অকণো সন্দেহ নাই। কিন্তু এনেধৰণৰ সুন্দৰৰ আৰাধনা শিল্পৰ উদ্দেশ্য নহয় আৰু হোৱাও উচিত নহয়। শিল্পৰ সৃজিত সৌন্দৰ্য্যত দেশ বিদেশৰ সকলো মানুহে জাতি বৰ্ণ নিৰ্ব্বিশেষে ভাগ লব লাগিব; শিল্প কোনো এটি শ্ৰেণীৰ বা জাতিৰ আচুতীয়া সম্পত্তি নহয় ই মানৱ সমাজৰ ধৰ্ম্মৰ নিচিনাকৈ ইয়াৰ ক্ষেত্ৰ অতি বহল, অতি উদাৰ।

কোনো এটি ঘটনাৰ আনুপাতিক বিন্যাসকে ( proportionate arrange-

---

* Cf Kant's aesthetic theory.

Hegel's Idea as it is in itself and Idea that manifests externally

ment ) শিল্পৰ ফালৰ পৰা সুন্দৰ বুলিব পাৰি। "এটি সুন্দৰ বস্তু" বুলিলেও তাৰ অংশবোৰ মূল বস্তুটোৰ লগত নিয়মিত অনুপাতত গঁথা কথাকে বুজায়। মূল পদাৰ্থ অনুসৰি অংশবোৰ নিয়মিত ভাৱে সংযুক্ত নহলে পদাৰ্থটোক কেৱে সুন্দৰ নোবোলে। কবিতাৰ বৰ্ণনাতো এই একেটা কথাই খাটে। কবিৰ কোনো এটি দৃশ্য বা ঘটনাৰ অংশবোৰ মূল উদ্দেশ্য অনুসৰি দীঘল চুটী বা উচ্চ নীচ হলে সেই বৰ্ণনা সুন্দৰ বুলিব লাগিব। কোনো এটি অসৎ বা উত্তেজক অনুভূতিৰ বৰ্ণনাবোৰৰো উপাদানবিলাক এনেকুৱা অনুপাতত গঁথা হলে শিল্পৰ ফালৰ পৰা সেই বৰ্ণনা সুন্দৰ। অৱশ্যে বৰ্ণিত কথা বা অনুভূতিটোৰ প্ৰভাৱ সুন্দৰ নহব পাৰে। বৰ্ণনা আৰু বৰ্ণিত কথা দুয়োটা বেলেগ বেলেগ বস্তু। বৰ্ণিত বিষয় বস্তুৰ প্ৰভাৱ মানুহৰ ওপৰত সৎ অসৎ বা ভালবেয়া হব পাৰে কিন্তু সেইবুলি বৰ্ণনাটো বেয়া বা অসৎ নহয় আৰু কবিয়ে যদি তাক নিয়মিত অনুপাতত বহুৱাব পাৰে তেন্তে তাক সুন্দৰ নুবুলি উপায় নাই।

গতিকে দেখা গল যে অনুপাতৰ ওপৰতেই বস্তু বা ঘটনাৰ সৌন্দৰ্য্য নিৰ্ভৰ কৰে। এই অনুপাতটো কি বস্তু তাক মনস্তত্বৰ ফালৰপৰা চাব লাগিব। নানান বিভিন্নতা আৰু জটিলতাৰ মাজতো মানৱ জাতি সদায় একে। এতেকে মনস্তত্ব অধ্যয়ন কৰিলে ইয়াক বুজিবলৈ টান নহব।

শিল্পৰ সূত্ৰ আৰু ওপৰত কৈ অহা কথাখিনিৰপৰা এইটো স্পষ্টকৈ দেখা যায় যে ভাল বেয়া সকলো ঘটনা বা কথাই ইয়াৰ বিষয় বস্তু হব পাৰে। শিল্পীৰ উদ্দেশ্য তেওঁ নিজে অনুভৱ কৰা অনুভূতিবিলাক আইনৰ অন্তৰত জগাই তোলা আৰু ইয়াৰ অৰ্থে তেওঁ ইচ্ছা কৰিলে সমাজৰ চকুত অতি হেয় বিষয় এটিও হাতত লৈ কামত প্ৰবৃত্ত হব পাৰে। বেয়া বা অসৎ কথা এটিয়েও যদি আইনৰ অন্তৰত তেনে ভাৱ জগাই তুলিবলৈ সক্ষম হয় তেন্তে সিও শিল্পৰ ভিতৰতে পৰিব। আধুনিক জগতত এনে ধৰণৰ কবিতা, গল্প বা উপন্যাস বিচাৰিলে হাজাৰে হাজাৰে ২ পোৱা যাব। এক শ্ৰেণীৰ মানুহৰ এনে ধৰণৰ কিতাপ লেখা এটা ব্যৱসায়। এই শ্ৰেণীৰ মানুহে শিল্পৰ দোহাই দি এনেবোৰ মত প্ৰচাৰ কৰে, কিন্তু ইয়াৰ ফল অতি ভয়লগা। যৌন সম্বন্ধৰ কিছুমান লুকাই থকা কথা উলিয়াই দিয়াটো একো দোষণীয় নহয় কিন্তু এই ছলতে অশ্লীলতাৰ সৃষ্টি কৰাটো কোনোৱে সমৰ্থন নকৰে। আধুনিক বিজ্ঞানৰ বলত মানুহে উৰা জাহাজ উলিয়াই আকাশে আকাশে উৰি ফুৰি সময় আৰু ঠাইৰ ব্যৱধান কমাই দিছে ; ফলত বিজ্ঞানৰ প্ৰভাৱত

জগতৰ এটি ডাঙৰ অভাৱ আঁতৰি গৈছে। এনেহেন উপকাৰী বস্তু এটিৰ সহায়েৰে যুদ্ধৰ সৰঞ্জাম লৈ দেশ বিদেশ ধ্বংস কৰি ফুৰাটোত সকলোৱে প্ৰতিবাদ কৰিব। শিল্পয়ো ঠিক একেদৰে মানৱ সমাজক কুপথৰ সেন্দুৰীয়া আলিত খোজ কাঢ়িবলৈ সঙ্কেত দিলে চিন্তাশীল লোক তাৰ বিপক্ষে উঠিবই, আৰু তেনে ধৰণৰ শিল্পক বেয়া শিল্প বুলি সমাজৰপৰা দূৰ কৰিবলৈ চেষ্টা কৰিব। ঠিক আৰু বেয়া শিল্পই জগতৰ মহৎ অনিষ্ট সাধন কৰিব পাৰে। যি শিল্পৰ আওপাকে হলেও শিকনি অসৎ তাৰপৰা মানুহৰ ডাঙৰ অপকাৰ হব আশঙ্কা কৰি তেনে শিল্পৰ সৃষ্টি নকৰাই ভাল। মানুহ, মানুহৰ মাজত সম্বন্ধ কি বা কেনে হোৱা উচিত তাকে শিল্পই বিশ্লেষণ কৰি দেখুৱাব লাগে। যি কবিতা বা চিত্ৰ বিদ্যাই মানুহক মানুহ হিচাপে নাচায় তাৰ মাজত ঘনিষ্ঠ সম্বন্ধ স্থাপন কৰিবলৈ যত্ন নকৰে আৰু নানান ভেদনীতি সুমাই সামাজিক সুখ শান্তিত প্ৰবল বাধা দিয়ে সেই শিল্পৰ সমাদৰ কোনো এটি সম্প্ৰদায় বা ব্যক্তিৰ মাজত থাকিলেও সি সকলোৰে মন আকৰ্ষণ কৰিব নোৱাৰে।

জগতৰ সকলো বস্তুৰেই সুন্দৰ, পৰিপাটী—ইয়াত সাম্য আছে। প্ৰাণী জগততো কিছুমান নীতি দেখিবলৈ পোৱা যায়। এনেস্থলত মানৱ সমাজত বিশৃঙ্খলতা স্থাপনৰ চেষ্টা জগতৰ নিয়মৰ বাহিৰ। উচ্চ খাপৰ ধৰ্ম্মই সমাজত শৃঙ্খলতা স্থাপন কৰি শান্তিৰ সুন্দৰ ৰাজ্য স্থাপন কৰিবলৈ চেষ্টা কৰি আহিছে, অৱশ্যে আজিও এই চেষ্টা ফলৱতী হোৱা নাই ; কিন্তু সেই বুলি ধৰ্ম্মই আজিলৈকে একো কাম কৰিব পৰা নাই আৰু ইয়াৰ আদৰ্শ একেবাৰেই অসাধ্য বুলি উৰাই দিলে সমাজত আকৌ নতুন নতুন অনাচাৰ ব্যভিচাৰে ভুমুকি মাৰিবহি। কোনো এটি জাতিয়ে তাৰ মাজৰপৰা ধৰ্ম্ম বা সেই অৰ্থ-প্ৰকাশক শব্দটো উঠাই দিব পাৰে কিন্তু তেতিয়া হলেও তাৰ মূলনীতি থাকিব। যদি মূলনীতি ঠিক থাকে তেন্তে তাক ধৰ্ম্ম নুবুলি অধৰ্ম্ম বা নীতি বুলিলেও একো হানি নাই। নাস্তিকবিলাকে ধৰ্ম্ম নামানে আৰু ঈশ্বৰতো বিশ্বাস নকৰে। সেইবাবে তেওঁলোকে মানৱ জাতি একে পৰম পিতাৰে সন্তান বুলিও ধৰি নলয় কিন্তু তথাপি তেওঁবিলাকেও মানুহ আৰু মানুহৰ মাজত ভাই ভাই সম্বন্ধ থকা বুলি স্বীকাৰ কৰে। ইয়াৰপৰা স্পষ্টকৈ বুজা যায় যে এই নাস্তিকবিলাকৰ মতো ধৰ্ম্ম মতৰ লগত বহুতো পৰিমাণে মিলে। গতিকে দেখা যায় যে উচ্চ খাপৰ ধৰ্ম্ম নীতিয়ে সমাজৰ বন্ধন দৃঢ় কৰি শান্তিৰ প্ৰতিষ্ঠা কৰিবলৈ চেষ্টা কৰে ; শিল্পৰ নীতিও এইদৰে উদাৰ হোৱা উচিত। মানুহ

আৰু মানুহৰ মাজত থকা সম্বন্ধটো কেনেকুৱা হলে সমাজত সুখ আৰু শান্তিৰ মাত্ৰা বাঢ়িব, বৰ্ত্তমানে ই কেনে ভাৱত আছে, বৰ্ত্তমান অৱস্থাৰপৰা ইয়াৰ পৰিবৰ্ত্তন হোৱা উচিত নেকি ইত্যাদি আলোচনাই শিল্পৰ মুখ্য আলোচনা। ইয়াৰপৰা শিল্পই পোনপাকে শিক্ষা দিয়া উচিত বুলি ধৰি লব নালাগে। কবিতা, উপন্যাস, নাটক বা চিত্ৰ বিদ্যা আদিয়ে পোনপাকে শিক্ষা দিলে সৌন্দৰ্য্যৰ ফালৰপৰা বহুতো ক্ষতি হব পাৰে আৰু সময়ত হয়ো। সেইবাবে কোনো লেখনী লিখা বা কোনো চিত্ৰ অঙ্কন কৰাৰ সময়ত শিল্পীয়ে পোন-পটীয়াকৈ শিক্ষা দিবলৈ ইচ্ছা নকৰি তেওঁৰ অন্তৰাত্মাৰ আগত সৎ আদৰ্শ ৰাখি কাৰ্য্যত প্ৰবৃত্ত হলে সমাজৰ চকুত কোনো এটি বেয়া কথাৰ আলোচনাৰ মাজতো ভালৰ সঙ্কেত থাকিব। শিল্পীৰ ভাল বেয়া দৃষ্টিৰ পৰাহে শিল্পৰ প্ৰভাৱ ভাল বা বেয়া হৈ উঠে। অন্তৰাত্মাৰ আগত সূচীভেদ্য সন্দেহৰ ছাঁ ৰাখি কাৰ্য্যত প্ৰবৃত্ত হলে শিল্পত সেইবোৰ প্ৰকাশিত হৈ পৰি সময়ত সি শিল্পৰ সৌন্দৰ্য্য কমাই দিয়ে। সঙ্কেত মূলক শিক্ষাই শিল্পৰ প্ৰকৃত শিক্ষা।

আধুনিক জগতৰ কুবেৰৰ জড়বাদী উপাসনাকাৰীসকলে এনে এটি আদৰ্শৰ কথা মনলৈ আনিব নোৱাৰে আৰু আনিবলৈ ইচ্ছা বা চেষ্টাও নকৰে। অইনক মাৰি কাটি হলেও এওঁলোকে কুবেৰৰ পূজা কৰিব পাৰিলেই সন্তুষ্ট হয়; ঐহিক আৰু বাহ্যিক সুখেই এওঁলোকৰ কাম্য; সেইবাবে আদৰ্শমূলক সুখ এওঁলোকৰ ভাগ্যত নঘটে। যি কুবেৰক এওঁলোকে সাক্ষাৎ ভগবান বুলি পূজা কৰিছে সেই কুবেৰৰ হাততেই এদিন এওঁলোকৰ বিনাশ সাধন হব। সত্যৰ উপলব্ধিয়েই মানৱ জীৱনৰ উদ্দেশ্য। ইয়াক লাভ কৰিবলৈ চেষ্টা কৰিলে জগতত সুখ শান্তি বিৰাজ কৰে আৰু নকৰিলে অত্যাচাৰ উৎপীড়নৰ মাত্ৰা বাঢ়ি আহে। সেইবাবে মানৱৰ হিতৰ অৰ্থে সকলো মানৱীয় কাৰ্য্যতেই ইয়াৰ উপলব্ধিৰ চেষ্টা চলিব লাগে। ব্যক্তিগত বিচাৰ শক্তিৰ ফালৰপৰা নাচাই নীতিৰ ফালৰপৰা চালে সত্যই সুন্দৰ আৰু সুন্দৰেই মঙ্গলময়।

# অসমীয়া ভাষাৰ জীয়ৰী

বৰ্ত্তমান সময়ত যদিও অসমীয়া ভাষা কেৱল অসম উপত্যকাত হে সীমাবদ্ধ, এসময়ত কিন্তু পূৰ্ব্বভাৰতৰ এক বহল ভুভাগত এই ভাষা বিস্তাৰ লাভ কৰিছিল। বৰ্ত্তমান অসমৰ বাহিৰেও পশ্চিমে পূৰ্ণিয়াৰ সীমা, দক্ষিণে চট্টগ্ৰাম পৰ্য্যন্ত ইয়াৰ প্ৰচলন আছিল। এই ভুভাগৰ, সৰহ খিনিয়েই সেই সময়ৰ প্ৰাগ্-জ্যোতিষ ৰাজ্যৰ অন্তৰ্গত আছিল। প্ৰাগ্জ্যোতিষপুৰ তথা কামৰূপ পূৰ্ব্বভাৰতৰ জ্ঞান আৰু শিক্ষাৰ কেন্দ্ৰ আছিল বুলি পৰিব্ৰাজক হিয়েনচাঙৰ উক্তিৰ পৰা কিছু আভাস পোৱা যায়। এই দেশত সংস্কৃত ভাষা আৰু জ্যোতিষ শাস্ত্ৰৰ যে ভালদৰে চৰ্চ্চা হৈছিল তাৰ কোনো সন্দেহ নাই।

কথ্যভাষাত সাহিত্য ৰচনা এই দেশত কেতিয়া পোনপ্ৰথম আৰম্ভ হয় তাক সঠিককৈ কব নোৱাৰি। মধ্যভাৰতত পোন প্ৰথম বুদ্ধদেৱৰ সময়তে কথ্য ভাষাত সাহিত্য ৰচিত হয়। তেওঁ শিষ্য সকলক কৈছিল "মোৰ বাক্য বিলাক সংস্কৃতত অনুবাদ নকৰিবি, কৰিলে অপৰাধী হবি। মই যি ভাষাত উপদেশ দিছোঁ, ঠিক সেই ভাষাত গ্ৰন্থ লিখিবি।" সেই অনুসাৰেই পালিভাষাত তেওঁৰ অমৰ বাণী বিলাক লিপিবদ্ধ হৈছিল। এয়ে কথ্যভাষাত প্ৰথম সাহিত্য ৰচনা।

খৃষ্টপূৰ্ব্ব তৃতীয় শতাব্দীত, দেৱপ্ৰিয় অশোকে বহুত প্ৰদেশত স্থানীয় কথ্য ভাষাত বৌদ্ধধৰ্ম্মৰ মতবিলাক শিলৰ খুটাত কটাই প্ৰচাৰ কৰিছিল। ইয়াকেই প্ৰাদেশিক কথ্যভাষাৰ প্ৰথম লিপিবদ্ধ সাহিত্য বুলিব পাৰি।

প্ৰাগ্জ্যোতিষ ৰাজ্যত তেনেকুৱা শিলালিপি থকা হেঁতেন সেই সময়ৰ কথ্য-ভাষাৰ নমুনা পোৱা গ'ল হেতেঁন। সি যি কি নহ'ক প্ৰাগ্জ্যোতিষৰ কথ্যভাষা অৰ্থাৎ প্ৰাগ্জ্যোতিষৰ প্ৰাকৃত যে মাগধী প্ৰাকৃতৰ অনুৰূপ আছিল তাত কোনো সন্দেহ নাই। প্ৰাগ্জ্যোতিষ ৰাজ্য পতন হোৱাৰ পাছতো বহু শতাব্দীলৈকে ভাষা আৰু সাহিত্যৰ মাজেদি এই সমগ্ৰ ভুভাগৰ ঐক্য অক্ষুন্ন ভাৱেৰে বৈ গৈছিল।

ডাকৰ বচন, মাণিক চন্দ্ৰৰ গান, গোপীচন্দ্ৰ বা গোবিন্দচন্দ্ৰৰ গান, মাধৱ কন্দলি, ৰুদ্ৰকন্দলি, কবি সৰস্বতী, কবিন্দ্ৰ পৰমেশ্বৰ পাত্ৰ, শ্ৰীশঙ্কৰদেৱ, অনন্ত কন্দলি, ৰামসৰস্বতী, মাধৱ দেৱ, মুকুন্দৰাম, শ্ৰীকৰ নন্দী, বৃন্দাবন দাস, সঞ্জয় দাস, ৰামেশ্বৰ আদি কবি সকলৰ কাব্য আৰু গ্ৰন্থ ইয়াৰ প্ৰমাণ স্বৰূপ আঙুলিয়াব পাৰি। এই ঐক্য সোঁত ক্ৰমে ক্ষীণ হৈ আহিলেও, ষোড়শ শতিকাৰ

শেষলৈকে বৈ আহিছিল। কিন্তু সপ্তদশ শতিকাৰ প্ৰাৰম্ভৰ পৰাই এই সোঁত একেবাৰে লুপ্ত হল।

এই ভূভাগ বৰ্ত্তমানে দুই দেশত পৰিণত হৈছে বঙ্গ আৰু অসম, পূৰখণ্ড অসম আৰু পশ্চিম দক্ষিণ খণ্ড বঙ্গ। পুৰণি একতাৰ সোঁত যি উভৈহতীয়া ভাষাৰ ভিতৰেদি বৈ আহিছিল অসমীয়া ভাষা সেই পুৰণি ঠাচতে আছে। কিন্তু বঙ্গভাষাই পুৰণি ঠাচ এৰি দি সপ্তদশ শতিকাৰ পৰা নতুন গঢ় লৈ ঃটা ভাষাকে ফালি ডুফাল কৰিলে আৰু পূৰ্ব্বৰ ঐক্যভাৱো শিথিল কৰিলে। কেনেকৈ বঙ্গভাষা প্ৰাচীন কামৰূপী মাতৃভাষাৰ পৰা আঁতৰি গল, মাতৃ বোলাৰ পৰা নামি কেনেকৈ বহুদিন হোঁহকা পিছলা কৰি থাকি অৱশেষত সংস্কৃত বুঢ়ীমাকৰ কোলাত উঠি তেওঁকে নিজৰ মাক বুলি পৰিচয় দি আচল মাকক লিগিৰী বুলি লোকৰ আগত চিনাকি দি ফুৰিছে, তাৰ বিষয় আলোচনা কৰাই এই প্ৰবন্ধৰ ঘাই উদ্দেশ্য।

পুৰণি গ্ৰন্থবোৰ বৰ্ত্তমান ভৌগোলিক সীমা অনুসাৰে দুই ভাগত বিভক্ত হৈছে কেৱল ডাকৰ বচন উভৈহতীয়া হৈ আছে। ডাকৰ বচন অতি জনাজাত গতিকে ইয়াৰ ভাষাৰ নমুনা ইয়াত দিয়া নহল। ইয়াৰ পাছত আমি বঙ্গদেশৰ ভাগত পৰা গ্ৰন্থবোৰৰ বিষয় আলোচনা কৰিম।

মাণিক চন্দ্ৰৰ গান আৰু গোপী চন্দ্ৰ বা গোবিন্দ চন্দ্ৰৰ গান যি বঙ্গভাষাৰ অন্তৰ্গত হৈছে তাৰ নমুনা—

যথা :— "ৰাম নামৰ নৌকা খনি শ্ৰীগুৰু কাণ্ডাৰী।
দুই বাহু প্ৰসাৰিয়া ডাকে আস পাৰ কৰি ॥"

গোপীচন্দ্ৰৰ গান—

"এত মাণিক চন্দ্ৰ ৰাজা সৰু নলেৰ বেৰা,
একতন যকতন কৰি যে খাইছে তাৰ দুয়াৰত ঘোৰা,
বিনে বান্দি নাহি পিন্দি পাটৰ পাছৰা ॥"

মাণিক চন্দ্ৰৰ গান

ইয়াৰ বৰ্ত্তমান ৰূপ কিছু পৰিবৰ্ত্তনৰ মাজেদি অহা। এজন বিশিষ্ট বঙ্গালী ভাষাবিদৰ মতে "উহাৰ ভাব গুলি শুধু বজাই আছে ভাষা আমূল পৰিবৰ্ত্তন হইয়াছে।" তত্ৰাচ ইয়াক এতিয়াও পুৰণি কামৰূপী ভাষা বুলি ধৰিব পাৰি।

ইয়াৰ পাছতে পৰে "পৰাগলী মহাভাৰত" এই মহাভাৰত খন বঙ্গদেশৰ ৰজা হুচেনচাহ নবাবৰ দিনত (১৪৯৪—১৫২৫ খ্ৰীঃ) কবীন্দ্ৰ পৰমেশ্বৰ পাত্ৰ নামে

কবি এজনে ৰচনা কৰিছিল। বঙ্গৰ নবাবৰ সেনাপতি পৰাগলখাঁৰ আদেশত ৰচিত হোৱাত, ই 'পৰাগলী মহাভাৰত' নাম পায়। কবি পৰমেশ্বৰ পাত্ৰ প্ৰাচীন কামৰূপীয় লোক। এই মহাভাৰতৰ ভাষাৰ নমুনা তলত দিয়া গল।

"নৃপতি হুসেন সাহ গৌড়ৰ ঈশ্বৰ।
তাৰ হক্ সেনাপতি হওন্ত লস্কৰ॥
লস্কৰ পৰাগল খাঁন মহামতি।
সুবৰ্ণ বসন পাইল অশ্ব বায়ুগতি॥
পুত্ৰ পৌত্ৰে ৰাজ্য কৰে খান মহামতি।
পুৰাণ শুনন্ত নিতি হৰষিত মতি॥"
"দেখহ সাত্যকি মুঞি চক্ৰ লইনু হাতে।
ভীষ্ম দ্ৰোণ কাটিয়া মাৰিমু ৰথ হৈতে॥
ধৃতৰাষ্ট্ৰ পুত্ৰ সব কৰিমু সংহাৰ।
যুধিষ্ঠিৰ নৃপতিক দিমু ৰাজ্যভাৰ॥"

এই গ্ৰন্থৰ ভাষাৰ ওপৰতো কিছু হাত চলোৱা বুলি বহুতৰ মত। ইয়াৰ পাছত শ্ৰীকৰ নন্দীৰ "অশ্বমেধ পৰ্ব্ব", তেওঁ বৰ্ত্তমান খাচ বঙ্গদেশৰ লোক। তেওঁৰ ভাষাৰ নমুনা চাওক:—

"শুনন্ত ভাৰত সবে অতি পুণ্য কথা।
মহামুনি জৈমিনি কহিলা সংহিতা॥
দেশী ভাষায় এই কথা ৰচিলু পয়াৰ।
সঞ্চাৰোক কীৰ্ত্তি মোৰ জগত সংসাৰ"॥
"তাহান আদেশ মাল্য মস্তকে ধৰিয়া।
শ্ৰীকৰ নন্দী কহিলেক পয়াৰ ৰচিয়া॥"

আকৌ ইয়াৰ পাছৰ কিছুমান বঙ্গালী লিখকৰ গ্ৰন্থৰ পৰা ভাষাৰ নমুনা তুলি দিয়া হ'ল:—

"সোণাৰূপা নোহে বাপা এ বেঙ্গা পিতল।
ঘষিয়া মাজিয়া বাপা কৰেছ উজ্জ্বল॥"
—মুকুন্দ ৰাম

"সে সব নৈবেদ্য যদি খাইবাৰ পাঁও।
তবে মুই সুস্থ হৈ হাটিয়া বেৰাঙ॥"
—চৈতন্যভাগবত।

"শুনিয়া ৰাজাত্ৰ বোলে হৈয়া কৌতুক।
স্থগন্ধ অপছৰা কেন হৈল মৃগৰূপ ॥"

—সঞ্জয়

"জয় জয় জগন্নাথ পুত্ৰ দ্বিজৰাজ।
জয় হোক তোৰ যত ভকত সমাজ ॥"

—চৈতন্য ভাগবত

এইবোৰ গ্ৰন্থৰ ভিতৰত কেইবাখনো ষোড়শ শতিকাৰ শেষ ভাগত ৰচনা কৰা। সপ্তদশ শতিকাৰ পৰা এনেকুৱা ভাষাৰ গ্ৰন্থ ৰচনা বন্ধ হৈছিল। কিন্তু একেদিনেই এনেকুৱা ৰচনাৰ সোঁত বন্ধ হোৱা নাছিল, ভাষাই নতুন সোঁত ধৰাৰ ফলত লাহে লাহে ইয়াৰ গতি কমি আহিছিল। এই নতুন সোঁতৰ প্ৰবৰ্ত্তক কৃত্তিবাস ওঝাকে বুলিব পাৰি। এওঁ আদিতে দক্ষিণ বঙ্গৰ স্থবৰ্ণ গ্ৰামত আছিল। পাছত উত্তৰ বঙ্গৰ ফুলিয়া গ্ৰামত আহি বাস কৰে। কৃত্তিবাস ওঝা ষোড়শ খৃষ্টাব্দৰ প্ৰাৰম্ভতে বৰ্ত্তমান আছিল বুলি পণ্ডিত সকলে অনুমান কৰে, ঠিক সময়ৰ কতো উল্লেখ নাই।

"পূৰ্ব্বেতে আছিলা বেদানুজ মহাৰাজা।
তাহাৰ পাত্ৰ আছিল নৰসিংহ ওঝা ॥
বঙ্গদেশে প্ৰমাদ হৈলা সকল অস্থিৰ।
বঙ্গদেশ চাৰি তেহোঁ আইলা গঙ্গাতীৰ ॥
দক্ষিণে পশ্চিমে বহে গঙ্গা তৰঙ্গিণী।
গ্ৰামৰত্ন ফুলিয়া জগতে বাখানি ॥"

এই ভাষা আৰু পুৰণি অসমীয়া ভাষা একেলগে ঠিয় কৰিলে বৰ বেছি বেলেগ যেন নালাগে। তথাপি এই বোৰো তেতিয়াৰ নিখুঁট ভাষা নহয়। বহুতে ইয়াৰ ওপৰত কলম চলাই নব ভাষাৰ ফালে ঢাল খুৱাইছে আৰু আচৰিত কথা যে এনেকুৱা প্ৰথাই এতিয়াও বঙালী সাহিত্যৰথী সকলৰ পৰা উৎসাহ পায়। দীনেশ বাবুই 'বঙ্গভাষা আৰু সাহিত্য' কিতাপত লিখিছে "প্ৰাচীন অপ্ৰচলিত শব্দ বহুল একখানি পুথি উদ্ধাৰ কৰিয়া চলাইতে চেষ্টা কৰিলে তাহা দেশীয় আপামৰ সাধাৰণ বুঝিতে পাৰিবে কি? আমাৰ বিবেচনাই বঙ্গীয় পুথিগুলিৰ এইৰূপ পৰিবৰ্ত্তন পৰিতাপেৰ বিষয় নহে।" এতেকে মূল কৃত্তিবাসী ৰামায়ণ হুবহু পালে তাক পুৰণি অসমীয়া পুথিৰ লগত আৰু বেছি মিল দেখিলেঁহেঁতেন। কিন্তু তথাপি কৃত্তিবাসী ৰামায়ণ যে কামৰূপীয় কৃষ্টিৰ অন্তৰ্গত

কোনো লোকৰ লিখা নহয় তাক প্ৰমাণ কৰা একো টান নহয়। বঙালী আৰু অসমীয়া লোকৰ যে প্ৰকৃতি বেলেগ তাক নকলেও হব। আমি কবি কৃত্তিবাসক বঙালী বুলি তলৰ পদ কেইফাকিৰ পৰাই চিনি পালোহেঁতেন।

"সৰস্বতী অধিষ্ঠান আমাৰ শৰীৰে।
নানা ছন্দে নানা ভাষা আপনাহৈতে স্ফুৰে॥
পঞ্চদেব অধিষ্ঠান আমাৰ শৰীৰে।
সৰস্বতী প্ৰসাদে শ্লোক আপনাহৈতে স্ফুৰে॥
যত যত মহাপণ্ডিত আছয় সংসাৰে।
আমাৰ কবিতা কেহ নিন্দিতে নাপাৰে॥"
"প্ৰসাদ পাইয়া বৰি লইলাম সত্বৰে।
অপূৰ্ব্ব জ্ঞানে ধায় লোক আমা দেখিবাৰে॥"

এই অপূৰ্ব্ব বঙালী মহাকবিৰ লগত আমাৰ সম সাময়িক অসমীয়া কবি সকলৰ কবিতা ৰিজাই চালেই পাব যে তেওঁলোকে সদায় "মূৰ্খ" "অজ্ঞানী" "মূঢ়মতি" আদি বিনয় ব্যঞ্জক বিশেষণেৰে নিজক ভূষিত কৰি গৈছে।

## কাশীদাস

কবি কাশীদাসৰ 'বৰ্দ্ধমান জিলাত জন্ম হয়। তেওঁ বিৰাট পৰ্ব্ব ১৬০৪ খৃঃ (১৫২৬ শকত) শেষ কৰে। যথা "চন্দ্ৰ বাণ পক্ষ ঋতু শক সুনিশ্চয়। বিৰাট হইল সাঙ্গ কাশীদাসে কয়॥" উক্ত কাশীদাসে মুঠে তিনি পৰ্ব্ব মহাভাৰত লিখি যায়। যথা

"ধন্য হৈল কায়স্থ কুলেতে কাশীদাস।
তিনি পৰ্ব্ব ভাৰত যে কৰিল প্ৰকাশ॥"
"আদি, সভা, বন, বিৰাটেৰ কত দূৰ।
ইহা লিখি কাশী—দাস গৈলা স্বৰ্গপুৰ॥

কিন্তু আমি বৰ্ত্তমান বজাৰত ওঠৰ পৰ্ব্ব কাশীদাসী মহাভাৰত দেখিবলৈ পাওঁ। ইয়াৰ অৰ্থ কি? অৰ্থ ওলাই আছে। পাছত বহুত কবিয়ে নব্য ভাষাত বাকীবোৰ পৰ্ব্ব লিখি, কাশীদাসৰ লগত যোগ দি, তেওঁৰ নামেৰে চলাই দিছে।

সি যি নহওক কাশীদাসী মহাভাৰত যে বঙ্গভাষাত লিখা ই নিশ্চিত। ইয়াৰ প্ৰায় এশ বছৰ আগে লিখা কবীন্দ্ৰ পৰমেশ্বৰ পাত্ৰৰ মহাভাৰতৰ ভাষাৰ

লগত কাশীদাসী মহাভাৰতৰ ভাষা মিলাই চালে দেখা যাব যে এই এশ বছৰৰ ভিতৰতে ইয়াৰ গতি বহু পৰিমাণে পৃথক হৈ পৰে। আৰু এই সময়তেই বঙ্গ ভাষা পুৰণি কামৰূপীয় ভাষাৰ পৰা বহু দূৰত পৰেগৈ।

## নব্য বঙ্গভাষাৰ উৎপত্তিৰ যুগ

গতিকে এই সময়কে বৰ্ত্তমান বঙ্গ ভাষাৰ উৎপত্তিৰ যুগ বুলিব পাৰি। আমাৰ সিদ্ধান্তৰ সত্যাসত্যৰ বিষয়ে প্ৰমাণ দিবলৈ পঞ্চদশ খৃষ্টাব্দৰ কবীন্দ্ৰ মহাভাৰতৰ আৰু ষোড়শ খৃষ্টাব্দৰ কাশীদাসৰ মহাভাৰতৰ ভাষাৰ পদ কেইটামান তুলি দিয়া গল।

কবীন্দ্ৰ— "ৰথ হৈতে লম্ফ দিয়া চক্ৰ লইয়া হাতে।
ভিষ্মক মাৰিতে যায় দেব জগন্নাথে॥"

কাশীদাস— "লাফ দিয়া ৰথ হৈতে পৰেন তখন।
ভিষ্মেৰে মাৰিতে যান ত্ৰিলোকেৰ নাথ॥"

কবীন্দ্ৰ— "আইস, আইস কৃষ্ণ মোকে কৰহ সংহাৰ।
তোহ্মাৰ প্ৰসাদে মুঞি তৰিমু সংসাৰ॥"

কাশীদাস— "শীঘ্ৰে এস কৃষ্ণ মোৰে কৰহ সংহাৰ।
তোমাৰ প্ৰসাদে তৰি এ ভব সংসাৰ॥

ইয়াত "লম্ফ" ঠাইত "লাফ"; "ভিষ্মকৰ" ঠাইত "ভিষ্মেৰে"; 'নাথেৰ' ঠাইত "নাথ"; "আইসৰ" ঠাই "এস"; "মোক্ষকেৰ" ঠাইত "মোৰে"; "তোহ্মাৰ" ঠাইত "তোমাৰ"; "তৰিমু"ৰ ঠাইত "তৰি"; ইত্যাদি আৰু পদান্তৰত "বোলন্ত"ৰ ঠাইত "বলেন"; "কৰন্ত"ৰ ঠাইত "কৰেন" "হোৱন্তৰ" ঠাইত "হন"; "গৈলৰ" ঠাইত "গেল" ভৈলৰ ঠাইত "হল"; "নকৰে"ৰ ঠাইত "কৰেনা" আৰু "নাযায়ৰ" ঠাইত "যায়না" ইত্যাদি নতুন ৰূপৰ সৃষ্টি কৰি বঙ্গভাষাই প্ৰাচীনত্ব বিসৰ্জ্জন দি, নতুন বাট ধৰি, কামৰূপীয় মাতৃভাষাৰ পৰা আঁতৰি বহুত নিলগত পৰিল গৈ। "তদুপৰি শব্দাড়ম্বৰেৰ প্ৰতি ৰুচি প্ৰবলতা হেতু বাঙ্গালা সাহিত্যে.........সংস্কৃত পুঁথিৰ অলঙ্কাৰ ও উপমাৰাশিৰ দ্বাৰা ভাষা সুন্দৰী সজ্জিত হইতে লাগিল।" (দীনেশ বাবু) তেতিয়াৰপৰা পদ্য ভাষাই— 'সিন্ধু জলমধ্যে যেন পৰ্ব্বত মন্দৰ।
পদ্মবন ভাঙ্গে যেন মত্ত কৰিকৰ॥
মৃগেন্দ্ৰ বিহৰে যেন গজেন্দ্ৰ মণ্ডলে।

দানবেৰ মধ্যে যেন দেব আখণ্ডলে।"

—কাশীদাস

"নিষ্কলঙ্ক ইন্দুজ্যোতি পীন ঘনস্তনী।
চলৎ চপলা ৰূপে কিবা বৰকায়া॥"

—কাশীদাস

"নিশিগত শশি দৰপ দূৰে।
অতিশয় দুঃখে চকোৰ ফিৰে॥
পতি বিড়ম্বন লজ্জিত মনে।
লুকাল তাৰা গগন বনে॥"

—গৌড় চিন্তামণি

"প্রফুল্লিত বনস্পতি কুটিল তমালদ্রুম।
মুকলিত চুতা কোৰক জালে॥"

—পদ্মাবতী

"ক্ষেপ কৰে দশদিকু লোষ্ট্র বিবর্জ্জনে।
সহজে কলঙ্কী সে তবাস্য সম নহে॥"

বিদ্যাসুন্দৰ

এনেকুৱা ৰূপ পালে। আৰু ক্রমে এনেকুৱা গদ্য ভাষাৰ চলনো হ'ল। যথাঃ— "সদাগৰ অতি কাতৰে এই ৰূপ পুনঃ পুনঃ শপথ কৰাতে সুন্দৰী ইষৎ হাস্য পুর্ব্বক কহিলে ওহে চোপদাৰ এই চোৰ এতাদৃশ্য কটু দিব্য বাৰ বাৰ কৰিছে ও নিতান্ত শৰণাগত হইয়া আশ্রয় যাচিঞা কৰিতেছে এতএব শৰণাগতে নিগ্রহ কৰা উচিত নহে বৰং নিৰাশ্রয়েৰ আশ্রয় দেওয়া বেদবিধি সম্মত বটে।"

—কামিনী কুমাৰ

"কোকিল কলালাপ বাচাল সে মলয়ানিল সে উচ্ছলচ্ছী কৰাত্যচ্ছ নির্ঝৰাম্ভঃ কণাচ্ছন্ন হইয়া আসিতেছে।"

—প্রবোধ চন্দ্রিকা

চিঠি (স্ত্রীৰ)

"শ্রীচৰণ সৰসী দিবানিশি সাধন প্রয়াসী দাসী শ্রীমতী ম াল প্রণম্য প্রিয়বৰ প্রাণেশ্বৰ নিবেদনাঞ্চাদৌ মহাশয়েৰ শ্রীপদ সৰোৰহ স্মৰন মাত্র অত্র শুভ বিশেষ।" ইত্যাদি

চিঠি ( স্বামীৰ )

"পৰম প্ৰনয়ণৰ গভীৰ নীৰতীৰ নিবসতি কলেবৰাঙ্গ সম্মিলিত নিতান্ত প্ৰণয়াশ্ৰিত শ্ৰীঅনঙ্গমোহন দেব শৰ্ম্মণঃ বহু দিবসাবধি প্ৰত্যাবধি নিৰবধি প্ৰয়াস প্ৰবাস নিবাস কাল যাপন কৰিতেছি।"

এনেকৈ দুই এশ বছৰৰ ভিতৰতেই বঙ্গদেশৰ দেশী ভাষাৰ ৰচনাত সংস্কৃত শব্দৰ প্ৰচলন হৈ কামৰূপীয় প্ৰভাৱ বহু পৰিমাণে আগ কৰি বৰ্ত্তমান ৰূপ পাইছে।

কেৱল সংস্কৃত শব্দৰ প্ৰচলনে অৱশ্যে দুয়ো ভাষাক ইমান পৰ কৰিব নোৱাৰিলেহেঁতেন, ব্যাকৰণো বেলেগ হৈছে। তাৰ উপৰি কিছুমান ঘৰুৱা পুৰণি শব্দ বৰ্ত্তমান বঙ্গলা ভাষাত একেবাৰে আগকৰা হৈছে। উদাহৰণ স্বৰূপ পিতৃ অৰ্থৰ দেশজ শব্দ কেইটিকে ধৰা যাওক। দুয়ো ভাষাতে আগেয়ে বাপা, বাপ, বাপু আদিৰ প্ৰচলন আছিল। এই শব্দদুটা অসমীয়াত এতিয়াও চলিছে কিন্তু বঙ্গালিত ইয়াৰ ৰূপান্তৰ বাবা আৰু বাবু হৈছে। পুৰণি বঙ্গলাত পোৱা যায় যেনে :—

"পদ্মাবলে বাপু তুমি সংসাৰেৰ সাৰ।
ঝিৰ (জীৱ) অপমান বাপু ন'দেখ একবাৰ॥"
"বেহুলা বলেন বাপু শুন নিবেদন।
স্বপ্নদেখিয়া আমি কৰেছি ৰোদন॥"

বঙ্গালী 'বাবু' শব্দ এই বাপু শব্দৰ অপভ্ৰংশ বুলি দীনেশচন্দ্ৰ সেনে কৈছে আৰু হয়ও।

কামৰূপত মাকক মাই বোলে। মাই শব্দ পুৰণি বঙ্গলা অসমীয়া সকলো পুথিতে পোৱা যায়। এই মাই শব্দৰ পৰাই বঙ্গালী মা আৰু মেয়ে হৈছে বুলি উক্ত সেন মহাশয়ে কৈছে আৰু হৈছেও।

"তিতা" শব্দ চৈতন্য ভাগৱতত ভিজা অৰ্থত ব্যৱহাৰ হোৱা দেখা যায়, এতিয়া ই অচল। আমাৰ অসমীয়া ভাষাত কিন্তু এতিয়াও আছে। হৰিষ, মগন, জনম, ৰতন, যতন, বাৰিষা অসমীয়া শব্দ যথাক্ৰমে হৰ্ষ, মগ্ন, জন্ম, ৰত্ন, যত্ন, বৰ্ষা হৈছে। পুৰণি বঙ্গলা ৰচনাত কিন্তু অসমীয়া গঢ় হে থকা দেখা যায়। এইৰূপে কিমান অসমীয়া শব্দক যে সংস্কৃতীয়া ৰূপদি বঙ্গলা ভাষাক অসমীয়া ভাষাৰ পৰা আঁতৰাই নিয়া হৈছে তাৰ লেখ জোখ নাই। তাৰ উপৰি অলপ দিনৰ পৰা বেচেৰা পেটকটা 'ৰ' আখৰটিকো 'ৰ' আখৰৰ দ্বাৰা দেশন্তৰী কৰা হ'ল।

এই ভাষা ৰূপান্তৰৰ নিশ্চয় বহুত কাৰণ আছে, নানাজনে নানা কাৰণ দিয়ে তাতে আংশিক সত্য যে নাই আমি নকওঁ। কিন্তু আমি যি কাৰণ ঢুকি পাইছোঁ সি এই।

পশ্চিমত বঙ্গলাভাষাৰ বাহিৰেও হিন্দী, মাহৰাট্টি, সিন্ধী আদি প্ৰাদেশীক বহুত ভাষা আছে। সেইবোৰত কিন্তু সংস্কৃতৰ ইমান প্ৰতিপত্তি নাই, ইয়াৰ কাৰণ কি? ইয়াৰ উত্তৰ ওলালেই বঙ্গভাষাৰ সম্বন্ধেও উত্তৰটো ওলাই পৰিব! কি জাতি, কি ভাষা প্ৰগতিৰ পথত এই দুয়োটাই ৰক্ষণশীল নীতিৰ লোচত ধৰি খোজ কাঢ়ে। যাৰ বুনিয়াদ যিমান শকত, গতি সি সিমান ধীৰ, পাতলৰ গতি বেগী। হিন্দী, মাহৰাট্টি আদিৰ গুৰি গধূৰ; পূৰণি সাহিত্য সমৃদ্ধিশালী গতিকে ৰক্ষণশীল। ফলত সংস্কৃত শব্দ, অলঙ্কাৰ আদিৰ তাত স্থান নহল; বিভক্তি, ক্ৰিয়া আদিৰো ৰূপান্তৰ নঘটিল। এইবোৰ ভাষাত 'ৰিনেইচেঞ্চ" বা পুনৰ সংস্থান যুগ নাহিল, অসমীয়া ভাষাতো অহা নাই। কাৰণ এইবোৰ বুনিয়াদি ভাষা। বঙ্গভাষাৰ কথা বেলেগ। বঙ্গভাষাই যি পৰ্য্যন্ত কামৰূপী ভাষাকে মাতৃজ্ঞান কৰি আছিল, সেই পৰ্য্যন্ত একো আহুকাল হোৱা নাছিল। কিন্তু মোগলসাম্ৰাজ্যৰ লগত আহোম ৰাজ্যৰ সংঘৰ্ষ প্ৰবল হৈ উঠাৰ ফলত বঙ্গদেশ আৰু অসমৰ মাজত আদান-প্ৰদান ৰহিতহৈ পৰিল, আৰু বঙ্গভাষাই মাতৃ কামৰূপী ভাষাক বিচাৰি নোপোৱা হল। এইৰূপে বুনিয়াদ হীনহৈ বঙ্গভাষাই "ৰিনেইচেঞ্চ" বা পুনৰ সংস্থান যুগ আহিবলৈ বাধ্য হ'ল। আৰু তাৰ ফলত নব্য বঙ্গলাভষাৰ উৎপত্তি হল। কামৰূপী ভাষাৰ লগত একেলালিয়ে বঙ্গভাষাৰ যোগ থকা হলে এই ৰিনেইচেঞ্চ যুগ নাহে আৰু বেলেগ ভাষা এটা গঢ়ি তুলিবৰ আৱশ্যকো নহয়।

ষোড়শ শতিকালৈকে কামৰূপ বৰ্ত্তমান বঙ্গ আৰু অসমদেশৰ পাণ্ডিত্যৰ প্ৰধান কেন্দ্ৰস্থান আছিল বুলি আমি আগত উনুকিয়াই আহিছোঁ। প্ৰসিদ্ধ ব্যাকৰণজ্ঞ পণ্ডিত মহামহোপাধ্যায় পুৰুষোত্তম বিদ্যাবাগীশ, যাক কবিবৰ ৰবীন্দ্ৰ ঠাকুৰৰ পূৰ্ব্বপুৰুষ বুলি দাবি কৰে, আৰু স্মৃতিকাৰ মহামহোপাধ্যায় পীতাম্বৰ বিদ্যাবাগীশ যাৰ বিদুষী ৰমণীৰ ওচৰত তৰ্কত বঙ্গৰ বিখ্যাত দিগ্বিজয়ী পণ্ডিত ৰঘুনন্দনো হাৰ মানিব লগাত পৰিছিল, আমি তেখেত সকলৰ কথাকে নকওঁ; কামৰূপীয় কবি কবিন্দ্ৰ পাত্ৰৰ পৰা সুদূৰ চট্টগ্ৰামৰ শাসনকৰ্ত্তাই মহাভাৰত আৰু কবি মাধৱ কন্দলিৰ পৰা ত্ৰিপুৰাৰ ৰজাই ৰামায়ণ লিখাই নি সেই সেই দেশৰ জনসাধাৰণৰ মাজত দেশী ভাষাৰ আদৰ বঢ়াইছিল। মাধৱ কন্দলিয়ে লিখি গৈছে।

সাতকাণ্ড ৰামায়ণ পদবন্ধে নিবন্ধিলোঁ।
লম্ভা পৰিহৰি সাৰোদ্ধৃত।

মহামাণিক্যৰ বোলে কাব্যৰস কিছো দিলোঁ।
দুগ্ধক মথিলে যেন ঘৃত ॥

ত্ৰিপুৰাৰ ৰজা মহামাণিক্য চতুৰ্দ্দশ শতিকাত বৰ্ত্তমান আছিল।

অসমীয়া মানুহে আজি পদেপ্ৰমাণে যদি এইবোৰ কথা বঙ্গালী সুধীসকলক বুজাই দিব পাৰে তেন্তে দুয়োপ্ৰদেশৰ ভিতৰত ভাষাসম্পৰ্কে হোৱা মনান্তৰৰ অন্ত পৰিব পাৰে। শ্ৰদ্ধা আৰু সন্মানৰ মাজত মিলাপ্ৰীতি লুকাই থাকে, মিলাপ্ৰীতি হলে মনান্তৰ আঁতৰি যাবলৈ বাধ্য।

---

# গুপুত বতৰা

আৰুউ আহিলোঁ হাঁহিলো মাতিলোঁ
নোৱাৰিলোঁ ৰ'ব ঐ—
শৰাইঘাটৰে বাতৰি আনিছোঁ
উৰুলীকৃত হৈ।
পঢ়িলে শুনিলে, বুজিলে বাজিলে
পালোঁ পালোঁ তাৰে চিন্
ধাননি বননি মননি কঁপাই
বাজে মুক্তিৰ বীণ।
পানী যুৰুলীতে ফুট গধূলিতে
ফুলিলে পদুম ফুল
তাৰে সুবাসত বুঢ়া লুইতৰ
মজিলে দুয়োটা কুল।
পদুমে পদুমে পাহি চুমাচুমি
পাত্তৰ আঁৰতে পেম
দেখি পচোৱাৰ পাখি সৰি গ'ল
ভাগিলে পুৰণি ভেম।
এই শবদতে চক্ খাই উঠি
সুৰুজে বুলিলে কোন ?

পুব আকাশত প্ৰতি উত্তৰ—
"মই অসমৰ জোন"
"তুমি যাবাগৈ লইছা মেলানি
আকৌ পুৱাহে পাম
সেয়ে অসমৰ ডেকা গাভৰুৱে
ল'লে চোন মোৰে নাম।
সেয়েহে আহিছোঁ, চোৱাচোঁ উলটি
যেনে মোৰ মায়াৰূপ
ডিঠকে সপোনে পোহৰ কৰিছোঁ
অসম অন্ধকূপ।
চোৱাঁ দিলো বাকি পানীৰ বুকুত
জুলীয়া বিজুলী-সোণ
সোণোৱালী সুঁতি বোৱাব পাৰোঁতা
মোত বাজে আৰু কোন ?
মৰা শিমলুক ফুলাব লাগিব
মযে প্ৰাণৰেণু সিঁচি
সাঁচিপাত খিলা উৰাব লাগিব
প্ৰেমপত্ৰেৰে বিচি।

বজাব লাগিব টকা পেঁপা ঢোল
উজনী নামনী জুৰি
কণ্ঠ ৰোলেৰে কঁপাব লাগিব
অসম সপোন পুৰী।
সেয়েহে পাতিছোঁ এনে সময়ত
বিৰহী মিলন সভা
অঁকৰা অবৰা কেউটায়ে মিলি
তুলিছোঁ আকাশী ৰভা
শ্ৰীমন্ত মোহন মায়াবী মাধবে
মধুৰ মুৰুলী লৈ
বোৱাবহি নিজে সঞ্জীৱনীৰ
তাল-স্বৰধুনী ঐ।
তোমাৰো মাধৱ আমাৰো মাধৱ
শ্ৰীকণ্ঠ মাধৱদেৱ
শ্ৰীগ্ৰন্থ ৰসিক শিষ্য সেৱকে
যাৰ স্মৃতি কৰে সেৱ।—
বজাব মাধৱে মধু-মৃদঙ্গ
মন্দাকিনীৰ তাল
অসম শ্মশান মুখৰিত হ'ব
সাৰ পাব মহাকাল।
মৃত কঙ্কালে সাৰ পাই উঠি
পিন্ধিব শুভ্ৰ বাস
ৰক্ত মাংস আহিব আপুনি
উলটিব নিশ্বাস।
হাত মেলি মেলি বাদ্য যন্ত্ৰ
নিজে নিজে বাচি ল'ব
সঞ্জীৱনীৰ সুৰ সাধনাত
সৰে সপ্তম হ'ব
বুঢ়া খঞ্জৰী বিহুৰ বলিয়া,
নটী মন্দিৰাৰ সতে
আলিঙ্গনী নৃত্য কৰিব
বেদ গান্ধৰ্ব্য মতে।
সাৰঙ্গী-ৰাজ, বীণা-মহাৰাণী
দুয়ো একদেহী হৈ
মায়া শৃঙ্গাৰে আশ্-মূৰ্চ্ছনা
জগাব জীৱিত কৈ
ৰাগ-সিন্ধুৰ ৰাজ-কক্ষত
বন্দী নোহোৱা যদি
চাবা, যাব বৈ মা'ৰি ক'লিজাত
"প্ৰেম-অমৃত"-নদী।
ভগা হিয়াখনো যোৰ খাই যাব
আতমাই পাব বল্
প্ৰাণ পৰিতোষী তপ্ত শোণিত
উপচিব কল্ কল।
প্ৰীতি পত্ৰৰ আঁৰে আবুৰে
ফুলিব প্ৰণয় ফুল
মিলন লগ্ন চাপিব ওচৰ
প্ৰিয় প্ৰিয়া বিয়াকুল।
ফুটিব আকউ আমাৰ মুখতে
এটি দুটিকৈ মাত
দুৰ্ৰ্ণিতে শুনি লভিবা শান্তি
হিয়া ত'লি হব শাঁত—"
—অন্তৰীক্ষ উদ্ভাসিত ক'ৰি
চন্দ্ৰই কথা কয়
ওঙ্কাৰে স'তে জীমূত মন্ত্ৰ
একেটি শ্ৰুতিতে বয়—
মধু যামিনীতে ৰাসলীলা এৰি
পিন্ধিম ৰণৰ সাজ
কিৰীটি কিৰিচ কৱচ সামৰি
হ'ম চোতালৰ বাজ।

মধু কণ্ঠৰ মায়া সঙ্গীতে
মুহিব পৰাণ মন
ৰণজ্যোতি লৈ আত্ম ত্যজিম
কৰিছোঁ কঠোৰ পণ
শ্ৰীমন্ত শঙ্কৰ শ্ৰীকণ্ঠ মাধৱ
মহাপুৰুষ দুই
হিয়াখনে প্ৰতি পাতিছে সত্ৰ
একেটি আত্মা হই।
দুয়ো মহাজনে জয়স্তু বুলিব
বৰষি আশীৰ্ব্বাদ
কোটি কণ্ঠত "জয় কামৰূপা
অসমা" উঠিব নাদ।
শুনিবা শুনিবা দেখিবা লিখিবা
এইয়া চোৱাঁহি চিন্
ধাননি বননি মননি কঁপাই
বাজে মুকুতিৰ বীণ।
অন্ধ জাগিল পঙ্গু উঠিল
মূকৰো ফুটিল মাত
সঞ্জীৱনীৰ ৰজনজনাত
বজ্ৰ উল্কা পাত!
তেতে দিনে তুমি আহিবা উলটি
বিশ্ব মোহিত কৈ
পূব সাগৰৰ মুকুতি ঘাটত
আমিও গলাম গৈ
মিলিম তাতেই মৰমতে পমি
বিৰহো কৰিম দূৰ
বজাম দুনাই মাধৱৰে দৰে
মধু মিলনৰ সুৰ।
পূৱ সাগৰত পুবেৰুণ গাম
পছিমে পাতিব কাণ

উষাকুঁৱৰীৰ আৱাহনী গীতে
বোৱাব নতুন বান।
সেয়ে নাহে মানে ৰাতি চাইভাঁৰ
ৰ'ম উজাগৰ পালি
অসম ফুলনী পৰ দি ৰখিম
আজি আঁতৰত মালী।
পাছে ত্ৰিনয়ন দিব্য উপবন
দেখিলন্ত বিদ্যমান
কোনে খচি যায় কোনে লুটি খায়
পাতিব লাগিব কাণ।
অসমৰ মাটী এনেনো সাৰুৱা
গছ পুলি শিপা টান
যত বল দিয়া নোৱাৰা সমূলি
উভালিব মিঠা পাণ।
ইগছে সিগছে বগাই জগাই
তামোলে তমালে হল
যত পাৰি আনো তত বাঢ়ি যায়
প্ৰাণ পৰিভোগী ফল।
তাকে থুৰীয়াই মৃগনাভী সতে
তামোল এখনি খাবা
মাতৃস্তন মধু মন্দাকিনীৰ
দুনাই সোৱাদ পাবা।
সেই গুণে কওঁ যাবা যদি যোৱা
আকউ আহিবা, দেই ?
একেষাৰি কথা, কাণে কাণে কওঁ
ৰাখিবা মনত—এই—
মুকুতি ঘাটতে তুমিয়ে আমিয়ে
যেন মিলামিলি হওঁ
মাধৱে বজাব শঙ্কৰে গাব
গুপুতে বতৰা কওঁ।

# অসমীয়া ভাষাৰ বৰ্ত্তমান লেখা প্ৰণালী আৰু আখৰ যোটনিৰ সম্পৰ্কে

আজি ৩০।৪০ বছৰৰ ভিতৰত অসমীয়া ভাষাৰ বহুত উন্নতি হৈছে বুলি ধৰিব লাগে। স্কুলীয়া বহুত পাঠ্য-কিতাপৰ বাহিৰেও নাটক, নভেল, উপাখ্যান, গল্পৰ কিতাপ, আলোচনী আৰু বাতৰি কাকত আদি আমাৰ ভাষাত লেখিছে আৰু পঢ়োঁতা-লেখোঁতাৰো সংখ্যা বহুত বাঢ়িছে বুলি ধৰিব পাৰি। কলিকতা ইউনিৰ্ভাচিটিৰ ওপৰ মহলাতো অসমীয়া ভাষা উঠি আন আন ভাৰতীয় ভাষাৰ লগত জাকত জিলিকি উঠিছে আৰু বিজ্ঞান, বুৰঞ্জী আদিৰো বেলেগ বিভাগত চৰ্চ্চা হৈ সকলো ফালৰপৰা আমাৰ ভাষাৰ উন্নতিৰ বিকাশ হৈছে বুলি আমি আমাক নিজে নিজে ধন্য বুলি মানিব পৰা হৈছোঁহক যেন পাইছোঁ। এনেকৈ চাৰিউফালে ঠাল ঠেঙুলি মেলি অসমীয়া ভাষাই গা ডাঙি উঠি ডাঙৰ গছৰ আহিত ডালে পাতে সুশোভন হৈছে, আৰু নিলগৰ ধুমুহা-বতাহে সহজে ইয়াৰ গুৰি লৰাব পাৰিব বুলি বেগতে অনুমান কৰিব নোৱাৰি। কিন্তু নিলগৰ পৰা পৰ্ব্বতৰ "থলা-বমা" মনিব নোৱাৰি যেনে সি "ৰম্য" আৰু মনমোহা যেন দেখি আৰু ওচৰলৈ গলে তাৰ সেই ৰমণীয়তা নেদেখি, তেনেকৈ অসমীয়া ভাষাৰো জানোচা এই ডালে-পাতে সুশোভিন কেৱল নিলগৰ পৰাহে দেখি! আৰু কাষ চাপি ভালকৈ চালে কিজানি ইয়াতো "খাল-বাম" উপচি থকা দেখো? এবাৰ ওচৰ চাপি চোৱা ভাল যেন লাগি এই ৪০ বছৰৰ ভিতৰত হোৱা উন্নতিৰ অলপ হিচাপ লবলৈকে আজি আপোনালোকৰ ওচৰত মোৰ এই উপস্থিতিৰ কাৰণ।

এই কালটোৰ ভিতৰতে আমাৰ আধুনিক প্ৰণালীৰ লেখা বহুবিধৰ কিতাপ ব্যাকৰণ, আৰু অভিধান ওলাইছে। ভাল ভাল সাহিত্যিকৰ হাতৰপৰা ব্যাকৰণ কেবাখনো আৰু অভিধানৰ ভিতৰত ('হেমকোষ' আৰু "চন্দ্ৰকান্ত অভিধান") ওলাল যদিও আমাৰ লেখাৰ আখৰ—যোটনিৰ এটা খাটাং সিদ্ধান্ত নহল। এতিয়াও বহুত শব্দৰ নানা ঋষিৰ নানা মতৰ আখৰ যোটনিতে পৰি থাকি লেখাৰ বেমেজালি ঘটিবই লাগিছে। আৰু এই আখৰ যোটনিৰ বেমেজালি কেতিয়াকৈ এদনীয়া বাট লব তাকো সহজে কোৱা টান হৈ পৰিছে। লেখা প্ৰণালী আজি ৩০।৪০ বছৰৰ পূৰ্ব্বৰ আহিঁ চাওক এতিয়াৰ আহিঁ

চাওক—পূৰ্ব্বৰ সৰল আৰু পোনপটীয়াৰ ঠাইত আজি জটিল আৰু বহ্বাৰম্ভই ঠাই লৈছে—অনাহকত আৰু আৱশ্যক নথকাত আমি ভাষাত জটিলতা বঢ়াই লৈ ভাষাৰ বাট আওপাকে ঠেক স্বৰুভাৰে নি তাৰ আচল উদ্দেশ্য, জানিয়েই হওক বা নেজানিয়েই হওক, তেনেই অন্যথা কৰিবলৈ যত্নপৰ হৈছোহঁক। মোৰ কথাটো পোনপটীয়াকৈ কবলৈ হলে, আমাৰ আজিৰ লেখা-প্ৰণালীৰ এটি মাত্ৰ দৃষ্টান্ত আপোনালোকৰ আগত ডাঙি ধৰিলেই, মোৰ কোৱাৰ অৰ্থ সহজে বুজিব পাৰিব। এখন মাহেকীয়া আলোচনীত অলপতে এটা প্ৰবন্ধ পঢ়িলোঁ—তাৰ লেখাৰ আহি দেখি মই অসমীয়া সাহিত্যিকৰ উন্নত ধৰণৰ ভাষা পঢ়িছো বুলি মোৰ মনক যিমান প্ৰবোধ দি মানিবলৈ কৈছো। কিন্তু মনে তাক মানি নলৈ মোক বৰ বিমোৰতে পেলালে। কাৰণ তাৰ অৰ্থ মোৰ মনত কোনো-মতেও বোধগম্য নহল, আৰু এই বৃদ্ধ বয়সত তাৰ নিমিত্তে বিশেষ চেষ্টাও নকৰিলো। আলোচনীৰ প্ৰবন্ধ লেখকে এঠাইত লেখিছে—"সেইবেলি দ্বাদশ বাৰৰ কাৰণে ঋতুপতিয়ে তেওঁৰ অমৃত পৰশেৰে মোৰ মনোপঙ্কজত বিকশিত কৰিব খুজিছিল। মই প্ৰাইমেৰী স্কুলৰপৰা বৃত্তি ধৰি চেতিয়া মধ্য ইংৰাজী স্কুলৰ তৃতীয় শ্ৰেণীত ভৰ্ত্তি হৈছো। নব-পল্লবিত বিটপীপুঞ্জৰ সুন্দৰতা ভৰা কুঞ্জত উপবেশন কৰি পৰভৃত গায়কে পঞ্চম তালত বসন্তৰাগৰ আলাপ কৰে, মোৰ মানস পটত কল্পলোকৰ আলোক-পূৰ্ণ দৃশ্য আহি উদ্ভাসিত হয়।" ইত্যাদি। মোৰ অৱশ্যে সংস্কৃত ভাষাৰ জ্ঞান কম কাৰণেই, এই "সুশোভন" অসমীয়া লেখাত মই দন্তস্ফুৰণ কৰিব নোৱাৰিব পাৰোঁ।—কিন্তু অসমীয়া ভাষা, লেখোঁতে যদি দুটা এটা ক্ৰিয়াপদ বাদ দি দুৰূহ সংস্কৃত শব্দেৰেই আমি অসমীয়া কথা লেখিব পাৰোহঁক তেন্তে আমাৰ প্ৰাইমেৰী স্কুলবিলাকত সংস্কৃতৰ শিক্ষা নিদিওঁ-হক কিয়? আৰু লাহে লাহে সংস্কৃতত আমাৰ ক্ৰিয়া-পদখিনিও বাদ দি তেনেই আমি তাহানিৰ আৰ্য্য-সন্তানৰ দৰে দেৱ-ভাষাক কোৱা ভাষা আৰু লেখা-ভাষা কৰি লবলৈ যত্ন নকৰো কিয়। কিন্তু ইও অসমীয়াই কৈছো লেখিছো বুলিয়েই অসমীয়া ভাষা হব নে? Grierson এ তেওঁৰ Linguistic Survey of British India ত যোৱা শতিকাৰ বঙ্গালী ভাষা সম্পৰ্কে কোৱা কথালৈ আজি মোৰ মনত পৰিছে। আৰু আজি তেওঁৰ সেই কোৱা কথাকে অসমীয়া ভাষাৰ সম্পৰ্কেও মই কব খোজোঁ।

তেওঁ কৈছিল—"The Vocabulary of modern literary Bengali is almost entirely Sanskrit and few of those are pronoun-

ced as they are written + + + the defenders of the spelling and vocabulary of modern Bengali call them conservatives. But this is a mere playing with words. If that is the meaning of the term, then an English conservative is a person who wishes to retain all the civilization and all the complex national existence of this year of Grace 1899, but to administer him by the Laws of Ira of Wessex—to change the metaphor—by all means, let the writers of Bengal ( now the writers of Assam, ওপৰত উল্লিখিত writer ৰ দৰে ) write in Sanskrit if they like ( and if they can ) but they have no right to misuse their Vernacular by sending her out into the world musquearding in the clothes of her great grand mother."

এইবিলাক আমাৰ লেখাৰ প্ৰণালীৰ দোষ নুবুলি কি বুলিম ? আৰু ই আমাৰ যোৱা ৩০।৪০ বছৰৰ, আমাৰ ভাষাৰ উন্নতিৰ কালতে ঘটিছে। যদি ইয়াক ভাষাৰ দোষ বুলি ধৰে, তেন্তে ইয়াৰ এটা বিধান কৰা উচিত বুলি নধৰে নে ? অসম সাহিত্য সভা আৰু সভাৰ সন্মিলনেই ইয়াৰ বিধান কৰোতাৰ থাই স্থল বুলি মই ভাবোঁ। লেখা প্ৰণালী আৰু আখৰ যোটনি দুয়োটাৰ এটা নিতান্ত আলোচনাৰ আৱশ্যক হৈছে যেন অনুমান কৰিয়েই আজি মই আপোনালোকৰ আগত থিয় দিছো।

এই দুয়োটা কথাৰ এটা সজ আলোচনা কৰিবলৈ হলে, আমি আমাৰ ভাষাৰ গুৰিৰেপৰা অলপ-অচৰপ বিচাৰ কৰি চালেহে এটা পোন সিদ্ধান্ত লৈ আহিব পাৰিম হঁক বুলি মই বিবেচনা কৰোঁ।

আমি প্ৰথমতে আমাৰ আখৰ যোটনিৰ সম্পৰ্কে আলোচনা কৰিবলৈ আমাৰ আদি-পাঠ বা ক খ কিতাপৰ পৰা আৰম্ভ কৰি চালে দেখিবলৈ পাওঁ যে আমাৰ বৰ্ণমালা সংস্কৃতৰ বৰ্ণমালাৰ অনুপাতে কৰা, অৰ্থাৎ সংস্কৃতৰ বৰ্ণমালা যি আৰু যিমান, অসমীয়া ভাষাৰ বৰ্ণমালাও সি আৰু তিমান। সংস্কৃতৰ বৰ্ণমালাৰ সকলোটি আখৰৰ আমাৰ ভাষাত উচ্চাৰণ নাই যদিও, আৰু সেই কাৰণে সংস্কৃত বৰ্ণমালাৰ আখৰ কেবাটাও অসমীয়াত বাদ দি চলিব পাৰোঁ যদিও, পণ্ডিতসকলে তাৰ আৱশ্যকতা কেবাটা কাৰণতো লাগে বুলি মত দিয়ে।

প্ৰথমতে অসমীয়া শব্দৰ সংস্কৃতৰ মূল ৰক্ষা কৰিবলৈ সংস্কৃতৰ আখৰ অসমীয়া ভাষাত ৰাখিব লাগে বুলি তেওঁলোকে কয়। অৰ্থাৎ যেনে সংস্কৃতৰ "চল" ধাতু "গতি কৰা" অৰ্থৰ অসমীয়া শব্দ "চাল" অৰ্থ ঢাকনি—যেনি পানী বাগৰী গতি কৰে সেই অৰ্থত চালত প্ৰথম চ। আৰু "ছাল" সংস্কৃত শব্দ "চৰ্ম্ম" অৰ্থত মিলি থাকিবলৈ আমাৰ ভাষাত "ছাল" দ্বিতীয় ছৰে লিখিব লাগে বুলি কৈ এই দুয়োটা চ, ছ আমাৰ বৰ্ণমালাত প্ৰয়োজন হল। নহলে কিজানি দুয়োটা শব্দ একেটা চ-ৰে লেখা হলে তাইঁতৰ মূল বিচা-ৰোঁতে ভাষাতত্ত্বজ্ঞ পণ্ডিত বৰ গণ্ডগোলত পৰে। অথবা, অসমীয়া "পূব" শব্দটোত প-ত দীৰ্ঘউকাৰ দি নেলেখি হ্ৰস্ব উকাৰ দি লেখিলে, জানোচা আমাৰ "পূব"ৰ মূল যে সংস্কৃত পূৰ্ব্ব তাক হেৰোৱাৰ উপক্ৰম ঘটে। এইবিলাক কাৰণৰ নিমিত্তে সংস্কৃত শব্দৰ অনুসৰণতে আমাৰ শব্দও লেখা উচিত বুলি তেওঁলোকে সিদ্ধান্ত কৰি কয়। আমাৰ নিজ নিজ সমাজৰ স্বজাতি-স্বজাতি মানুহবিলাকৰ আঁটি-গুৰি বংশ পৰম্পৰা জাত-কুল জানি-বুজি আমাৰ লগত ঠাই দিওঁহঁক। সেই দৰেই আমি কোৱা অসমীয়া কথাবো লেখোঁতে তাৰ আঁটি-গুৰি জানি লৈ আমি লেখাত ঠাই দিবলৈ বিচাৰাটো আমাৰ স্বভাৱ হব পাৰে কিন্তু ই ভুল ধাৰণাৰ পৰা হোৱা সিদ্ধান্ত। শব্দৰ মূল লেখা আখৰ কেইটাৰ ওপৰতে সদায় ৰক্ষা কৰি থকা। নহলে 'ৰমেন' আখৰ বা ইংৰাজী আখৰেৰে লেখা 'Mother' শব্দটো Germany ৰ 'mutter' Latin ৰ 'matter' শব্দৰ মূল বা common stock সংস্কৃত আখৰত লেখা "মাতৃ" শব্দৰ লৈতে একে বুলি কোনো ভাষাতত্ত্বজ্ঞ পণ্ডিতে নধৰিলেহেঁতেন! ইংৰাজী father আৰু সংস্কৃতৰ "পিতৃ", মূল আখৰ কেইটাত ৰৈছে নে নাই শব্দটোৰ phonetic sound ৰ ওপৰত ৰৈছে? 'পূব" শব্দটো অসমীয়াত হ্ৰস্ব উকাৰেৰেই লেখক বা দীৰ্ঘ উ-কাৰেৰেই লেখক, বা ইংৰাজী আখৰেৰে 'Puva' বুলিয়েই লেখক, যেতিয়ালৈকে, তেনে উচ্চাৰণৰ শব্দটোৰ অৰ্থ "বেলি ওলোৱা দিশ" বা East বুলি বুজাব, যেতিয়ালৈকে সেই শব্দই (পুব, বা পূব বা puva) এ সংস্কৃতৰ পূৰ্ব্ব শব্দই তাৰ মূল বুলি সদায় চিনাকি দি থাকিব।

পণ্ডিত সকলে আৰু এটা কথা কয়। তেওঁলোকে কয় যে কোনো কোনো একে উচ্চাৰণৰ একোটা শব্দই দুটা তিনটা বেলেগ অৰ্থ বুজায় কাৰণে, অৰ্থটোৰে প্ৰতি বেলেগ আখৰৰ আৱশ্যকতা কৰে, নহলে অৰ্থত ব্যাঘাত জন্মিবৰ আশঙ্কা থাকে। অৰ্থাৎ "পানী" শব্দটোত যদি দন্ত্য-ন আৰু দীৰ্ঘ ঈ-কাৰ নিদি মূৰ্দ্ধণ্য

ণ বা হ্ৰস্ব-ইকাৰ দিয়া হয়, তেন্তে কেতিয়াবা কোনো পণ্ডিতৰ পিয়াহ লাগি "পাণি" খুজিলে তেওঁক কোনোৱে হাত খাবলৈ দিয়ে বুলি ভয়ৰ স্থল থাকিব পাৰে। মূল ৰক্ষা কৰা বুলি বা অৰ্থৰ বেমেজালি হয় বুলি একে উচ্চাৰণৰ আথৰ কেবাবিধো ৰখা বাস্তবিকতে কোনো যুক্তিৰে তাৰ আৱশ্যকতা বুজিব নোৱাৰি। কেৱল বৰ্ণমালা জটিল কৰি সংস্কৃতজ্ঞ পণ্ডিত সকলৰ ভিতৰত ভাষা লিখি লৈ আৰু শিকিবলৈ ৰাখি অসমীয়া ভাষাৰ উন্নতিৰ বাট ঠেক কৰিছে মাত্ৰ।

কিন্তু ওপৰত কোৱা অকল যুক্তিৰ বল দেখুৱায়ে মই আমাৰ বৰ্ণমালাৰ সংখ্যা কমাবলৈ প্ৰস্তাব কৰিব খোজা নাই। আমাৰ ভাষাৰ মূল বৰ্ণমালা বাস্তবিকতে সংস্কৃতৰ বৰ্ণমালাই যে নহয় তাক আমাৰ ভাষাৰ বুৰঞ্জীমূলক ক্ৰমিক বিকাশ পোৱা জীৱনীয়েও কব। আমাৰ ভাষাৰ বুৰঞ্জীয়ে কয় যে অসমীয়া ভাষাৰ আদি কালৰ পৰা উনবিংশ শতাব্দীৰ মধ্য সময় ডোখৰলৈকে আমাৰ ভাষাৰ বৰ্ণমালা সংস্কৃতৰ বৰ্ণমালাৰ অনুযায়ী নাছিল। উনবিংশ শতাব্দীৰ মধ্য-লৈকে অসমীয়া ভাষাৰ ব্যাকৰণ, অসমীয়া ভাষাৰ বৰ্ণমালা আৰু লিখা প্ৰণালী যেনে আছিল, আজি সি তেনে নাই। আৰু এই ছোৱাৰ পাছৰ ছোৱাহে অৰ্থাৎ আজি প্ৰায় চাৰিকুৰি বছৰৰ ভিতৰতহে আমাৰ ভাষাৰ বৰ্ণমালা সংস্কৃতৰ তলতীয়া কৰি লৰ্লৈহক বুলি মই কব খোজোঁ। তেন্তেনো আমাৰ ভাষাৰ আদি গুৰি কি? আমাৰ ভাষা সংস্কৃত মূলক হলেও, আমাৰ ভাষাৰ আদি-গুৰি, জন্ম দাতা সংস্কৃত নহয়। আমাৰ ভাষাৰ আদি-গুৰি জন্মদাতা মাতৃ হৈছে আৰ্য্যসকলৰ ভাষা। ভাৰতীয় ভাষাৰ মূলতত্ত্ব যেয়ে অলপ আলোচনা কৰি চাইছে সেয়ে জানে যে আৰ্য্যসকলৰ কোৱা ভাষা আছিল "প্ৰাকৃত" ভাষা। প্ৰাকৃত ভাষা সংস্কৃততকৈ বহুত লৰ আৰু বহুত সৰল। সংস্কৃতত তেওঁলোকে বেদৰ স্তোত্ৰ বা যজ্ঞৰ মন্ত্ৰ পাঠ কৰিছিল হয়, কিন্তু যেতিয়া আৰ্য্যাবৰ্ত্তত তেওঁলোকৰ থাকিবলৈ ঠাই অনাটন ঘটিছিল, চাৰি কি ৫শ হাজাৰ বছৰৰ আগতে তেতিয়া তেওঁলোকে তেওঁলোকৰ কথা কোৱা ভাষা প্ৰাকৃত ভাষাকে লৈ ভাৰতৰ নানা ঠাইত বসতি কৰিবলৈ ধৰিলে, আৰু সেই কোৱা ভাষা, প্ৰাকৃত ভাষাই কাল-ক্ৰমত তেওঁলোকৰ বসতি কৰা ঠাইৰ মানুহৰ সংমিশ্ৰণত পাছলৈ ভাৰতীয় নানা ভাষাত উদ্ভৱ হল। কামৰূপলৈ যি দল আৰ্য্য আহি ইয়াত বসতি কৰিছিলহি, সেইদলে ইয়াৰ মানুহৰ লগত আহ-যাহ আদান-প্ৰদান কৰোঁতে তেওঁ লোকৰ প্ৰাকৃত ভাষা কিছু পৰিমাণে অপভ্ৰংশহৈ যিটো ভাষা শেষত পৰিণত হল, সেইভাষাই কালত অসমীয়া ভাষা হলগৈ। গতিকে সংস্কৃতত যি আমি আজি

লেখাভাষা পাওঁহক, সি আমাৰ মূলভাষা নহয়। প্ৰাকৃত ভাষাকেহে মূলভাষা বুলি ধৰিব পাৰি। ইয়াৰ নিদৰ্শন বা প্ৰমাণ স্বৰূপে আমাৰ ভাষাত বহুত উদাহৰণো পোৱা যায়। প্ৰথমতে, সংস্কৃতৰ দ্বিবচন প্ৰাকৃতত নাছিল, আৰু অসমীয়াতো নাই, দ্বিতীয়া, সংস্কৃতৰ শ, ষ, স ঠাইত প্ৰাকৃততে কেৱল স-ৰ ব্যৱহাৰহে পাওঁ, আৰু অসমীয়াতো কেৱল স-ৰ ব্যৱহাৰহে আছিল। সংস্কৃতৰ য়-ৰ প্ৰাকৃতত নাছিল, আৰু অসমীয়াতো নাছিল। দীৰ্ঘ ঈ-কাৰ, দীৰ্ঘ ঊ কাৰৰ ব্যৱহাৰ প্ৰাকৃতত খুব কম, আৰু অসমীয়াতো কম আছিল, প্ৰাকৃতৰ দৰে অসমীয়াত সন্ধি প্ৰকৰণ প্ৰায় নাছিল। আৰু কোনো কোনো অসমীয়া ঘৰুৱা শব্দ অসমীয়ালৈ প্ৰাকৃতৰ পৰা হুবহু অহা যেন দেখা পোৱা যায় সংস্কৃতৰ পৰা অহা যেন নেদেখি, তাৰ গোটাদিয়েক উদাহৰণ স্বৰূপ তলত দিলো ঃ—

| প্ৰাকৃত | | অসমীয়া | সং |
|---|---|---|---|
| প্ৰাকৃত | সচ্চ —— | অসমীয়া সচা —— | সং সত্য। |
| ,, | মিচ্চা | মিছা | মিথ্যা |
| ,, | বেজ্জ | বেজ | বৈদ্য |
| ,, | লোণ | লোণ | লৱণ |
| ,, | বিয়ে | বিয়া | বিবাহ |
| ,, | বেলই | বেলে | বক্তি |
| ,, | হোমি | হওঁ | ভবামি |
| ,, | তা | তাই | সা |
| ,, | কটাৰি | কটাৰি | কৰ্ত্তৰিকা |
| ,, | নউল | নেউল | নকুল |
| ,, | সিয়াল | শিয়াল | শৃগাল |
| ,, | ৰিশি | ৰিষি (পুঃ) | ঋষি |
| ,, | ঘৰ | ঘৰ | গৃহং |
| ,, | দুআৰ | দুয়াৰ | দ্বাৰ |
| ,, | পউম···পদুম— | | সং পদ্ম, |
| ,, | ভইণী | ভণী | ভগ্নী, |
| ,, | হনুমন্ত | হনুমন্ত | হনুমান, |
| ,, | হলদ্দি | হালধি | হৰিদ্ৰা, |
| ,, | হিয়য় | হিয়া | হৃদয়, |
| | | | ইত্যাদি। |

প্ৰাকৃতৰ এই সৰল শব্দাৱলী আৰু সৰল আখৰ যোটনি আমাৰ পুৰণি পুথি বিলাকত পাওঁহক। দ্বাদশ কি ত্ৰয়োদশ শতিকাৰ লেখা হুবহু আজি কালি পাবলৈ টান যদিও, যি দুখন এখন পুথি পাইছোঁহক তাতো এই সৰল প্ৰণালীৰ লেখাকে পাওঁহক। সেই শতিকাৰ লেখক কবি হেম সৰস্বতীয়ে "প্ৰহ্লাদ চৰিত্ৰত" লেখিছে—

"অৰ্দ্ধ কলেৱৰ, সিংহৰ সদৃস
অৰ্দ্ধেক মনুস্য কাই।
হেনৰূপ ধৰি দেৱ চিৰিহৰি
সম্ভিৰ গোট বঢাই॥
হাতৰ নখৰে ত্ৰিস্থুল সদ্ৰস
বোলন্ত হিয়া বিদৰেঁ।॥
দিনত ৰাত্ৰিত একোতে নমৰেঁ।
সন্ধ্যা সময়ত মৰেঁ।॥"

সপ্তদশ শতিকাত লেখা, বৰপেটা সত্ৰৰ পৰা পোৱা, আৰু অসম সাহিত্য সভাৰ প্ৰধান সম্পাদক শ্ৰীযুত শৰৎচন্দ্ৰ গোস্বামীয়ে প্ৰকাশ কৰা, "বনমালী দেৱৰ চৰিত"ত পাওঁ—

আপুনাৰ স্বস্থুৰ জে সেনাপতি বৰ।
তাঙ্ক লাগি আজ্ঞা কৰি পঠাইলা সত্বৰ॥
স্থুনি সেনাপতি সিদ্ৰে দুত পঠাইলন্ত।
*　　　　*　　　　*
সৱে নৰ-নাৰিগণ তাণৰূপ দেখি।
আনক নজাই আখি তাহাঙ্ক উপেখি॥
চিত্ৰাকৃত মাথ স্থুক্ৰ উস্নিসে জলয়।
গৌৰাঙ্গ সৰিৰ মুখ পদ্ম প্ৰকাসয়॥
তিলফুল সম নাসা দেখিতে সোভণ।
ডাড়িম্বৰ বিজ জেন প্ৰকাসে দসন॥
ইত্যাদি।

আৰু অষ্টাদশ শতিকাত লেখা "দক্ষিণপাট সত্ৰ"ৰ পৰা পোৱা আৰু অসম সাহিত্য সভাৰ পৰা প্ৰকাশিত "ব্ৰহ্মবৈবৰ্ত্ত পুৰাণ"ত আমি পাওঁ—

ক্ৰুষ্ন নিগদতি স্থুনা ৰাধা ব্ৰজেস্বৰি।
স্থুনিয়োক সৱে তাঙ্ক গোপাল স্থুন্দৰি॥" ইত্যাদি।

পুথি লেখোঁতাই বা নকল কৰোঁতাই ইয়াৰ শব্দবিলাকৰ আখৰ যোটনিত ভুল কৰিছে বুলি কবৰ মোৰ সাহে আগ নেবাঢ়ে। মাধৱ কন্দলী, হেমসৰস্বতী পুৰোষোত্তম গজপতি, শঙ্কৰদেৱ, মাধৱদেৱ অনন্ত কন্দলী আদি পণ্ডিতে ভুল কৰিছে বা তেওঁলোকৰ পুথি নকল কৰোতাই ভুল কৰিছে বুলি কব নোৱাৰি। আমি আজি কালি পুৰণি পুথি ছপাকৰি প্ৰকাশ কৰোতে মাত্ৰ সেইখিনি আধুনিক আখৰ যোটনিৰ অনুসাৰে "শুদ্ধকৰি" আমি ছপা কৰি কেৱল আমাৰ পুৰণি লেখক সকলৰ পণ্ডিতালি নষ্ট কৰিছো আৰু তেওঁলোকৰ লেখাৰ শুদ্ধতা আৰু ভাষাৰ ক্ৰমিক বিকাশ পোৱা পথৰ অনুসন্ধান কৰিবলৈ বাট বন্ধ কৰিছো। ইয়াৰ পাছৰ শতিকা অৰ্থাৎ ঊনবিংশ শতিকাত আমি কি পাইছিলো তাকো এবাৰ ভালকৈ চাব লাগে।

ঊনবিংশ শতিকাৰ প্ৰাৰম্ভনতে মানে দেশ আক্ৰমণ কৰি যেতিয়া আমাক ব্ৰিটিছৰ তললৈ আনে, তেতিয়া আমাৰ ভাষা বঙ্গালী ভাষাৰ গৰাহত পৰি ক্ষন্তেকলৈ ভাষা একেবাৰে নিশ্চল হৈ ৰয়। পাছত সেই গৰাহৰ পৰা উশাহ পালত, ভাষা উদ্ধাৰ কৰিবৰ প্ৰয়াসত বিদ্বান আৰু বিজ্ঞ আনন্দৰাম ঢেকিয়াল ফুকনে "অসমীয়া লৰাৰ মিত্ৰ"ৰে দেশত অসমীয়া ভাষা চলাবলৈ যি আন্দোলন চলাইছিল, তাৰ ভাষাত আমি কি পাওঁ? ঢেকিয়াল ফুকনে লেখিছিল ;—

"অসম ৰজাবিলাকৰ গুৰি কথা নানালোকে নানা দৰে কয়। ইন্দ্ৰবংসি বুলি হৰ গৌৰি সংবাদ নামে এখন পুথি আচে। আদিতে ১১৫১ সঁক, আৰু ইংৰাজী ১২২৯ সঁকত স্বকাফা নামে ৰজা প্ৰথমতে সৌমাৰলৈ আহি মটক আদি কৰি নানা পৰৰ্তিয়া জাতিক অধিন কৰিলে। তেওঁ ম্ৰিত্যু হলত তেওঁৰ সতি-সন্ততিএই ক্ৰমে নানা ঠাই অধিকাৰ কৰি উনচলিচ জনা ৰজাৰ দিনত অসম দেসক তিনি প্ৰধান জাতিএ আক্ৰমণ কৰিলে। প্ৰথমে মচলমান, দুতিয় মোআমৰিআ বা মটক, ত্ৰিতিয় মান।"

ঢেকিয়াল ফুকনে এই কিতাপ লেখে ১৮৩৯ শকত, আৰু যাদুৰাম ডেকা বৰুআই এখন ঠিক এই বৰ্ণমালাৰে অভিধান লেখে, ৰেভেৰেণ্ড ব্ৰন্সন চাহাবে ১৮৬৭ সনত তাক প্ৰকাশ কৰে।

এওঁলোক দুয়ো এইদৰে অসমীয়া ভাষা বঙ্গালী ভাষাৰ পৰিবৰ্ত্তে দেশত পুনৰ থাপণ কৰিবলৈ যত্নকৰাৰ ফলত ১৮৭১ সনত বঙ্গদেশৰ লেফ্‌টেণ্ট গৱৰ্ণৰ চাৰ জৰ্জ কেম্পবেলে অসমৰ প্ৰাইমেৰী স্কুলত অসমীয়া ভাষা চলাবলৈ হুকুম দিয়ে। সেই সময়ত অসমদেশ বঙ্গদেশৰ লগত চামিল আছিল। অসমত বঙ্গালীৰ

পৰিবৰ্ত্তে অসমীয়া চলাবলৈ হুকুম হোৱাত, ইয়াৰ বঙ্গালী প্ৰবাসী সকলে এই হুকুমৰ বিৰুদ্ধে ঘোৰ আপত্তি জনাই কয় যে "অসমীয়া লৰাৰ মিত্ৰৰ" আৰু সেই সময়ত লেখা আন আন কিতাপৰ ভাষা অ-সংস্কৃতীয়া, নগা, চিংফৌৰ লগৰ ভাষা আৰু পঢ়াৰ বা লেখিবলৈ সি তেনেই অযোগ্য । আৰু বঙ্গালী ভাষাইহে সম্পূৰ্ণ সংস্কৃতীয়া আৰু আৰ্য্য-ভাষা । অসমীয়া লেখকসকলে বঙ্গালীবিলাকৰ লগত বাদ-প্ৰতিবাদ কৰিছিল হয় কিন্তু নিজৰ ভাষাও আৰ্য্যভাষাৰ শ্ৰেণীলৈ নিবলৈ লাহে লাহে যত্নপৰ হৈ আগৰ "প্ৰাকৃতৰ" পৰা অহা আৰু ২০০০ বছৰ ধৰি পৰিপুষ্ট হোৱা আখৰ-যোটনি লাহে লাহে ঘিণ চকুৰে চাবলৈ ধৰিলে আৰু তাৰ ঠাইত সংস্কৃতৰ অনুপাতে 'কৰি লবলৈ ধৰে, আৰু ১৮৮৭ চনত সংস্কৃত পণ্ডিত শ্ৰীযুত নাৰায়ণচন্দ্ৰ বিদ্যাভূষণে তেনেই সংস্কৃত সূত্ৰেৰে অসমীয়া ব্যাকৰণ এখন প্ৰণয়ন কৰি লেখা ভাষাৰ গঢ় একেবাৰে অনা-অসমীয়া কৰি, "অসভ্য" অসমীয়াৰ মাতৃ-কথাও "সভ্য" শ্ৰেণীত লেখিবলৈ তুলি ললে । যেতিয়াৰে পৰা আমি অসমীয়া নিখুত শব্দবিলাক ত্যাগ কৰি তাৰ ঠাইত সংস্কৃত শব্দ আদৰ কৰিবলৈ ধৰিলো, আৰু চাওঁতে চাওঁতে আমাৰ নিভাঁজ সুন্দৰ অসমীয়া শব্দ কেতবোৰ লুপ্ত হবৰ উপক্ৰম হল । 'অভইচ'ৰ ঠাইত অশ্লীল, "অসতীৰ" ঠাইত ভ্ৰষ্টা, "আওটনিৰ" ঠাইত অপৰিস্কাৰ, "আথলৰ" ঠাইত চৌকা, "আলৰ" বা "আথৰ"ৰ ঠাইত অস্থিৰ, "আপদালৰ" ঠাইত প্ৰতিপালন, "আপাহৰ" ঠাইত অনুগ্ৰহ, "আপুৰ" ঠাইত বিশ্বাসী ইত্যাদি সংস্কৃত বা বঙ্গালী শব্দ ব্যৱহাৰ কৰিলোহক আৰু তেনেকৈয়ে বহুত অসমীয়া ভাবপূৰ্ণ ( যিবিলাক বঙ্গালী ভাষাত নায়েই ) শব্দ আমাৰ আধুনিক লেখাত পাবলৈ নাইকিয়া হল, আৰু এনে শব্দবিলাক যেনে "খু-দুৰণি", "ধি-ধিয়ণি" "পাৰলি পৰা" "পাৰল পৰা", "থকাথৈয়া", "থকজা লগা" আৰু গা-ধৰা, গা-কৰা, গা-ৰোৱা, গা-যোৰা গা-চাই ফুৰা, গা-ঘেলাই ফুৰা, গা-ভাল হোৱা, গা-পাতি লোৱা আদি শব্দৰ অৰ্থকে আমাৰ শিক্ষিত লেখক সকলে আজি বুজিবলৈ টান পাই আহিবলৈ ধৰিলে ।

তাৰ লগে লগে অসমীয়া ব্যাকৰণৰ সূত্ৰত গঠিত হোৱা বহুত শব্দও আজি সংস্কৃতৰ ব্যাকৰণত বান্ধি ব্যৱহাৰ কৰি শব্দৰ "গৌৰৱ" বঢ়াবলৈ ধৰিলো । আজি আমি "আউঅটীয়া", "দক্ষিণপটীয়া", "কমলাবৰীয়া", খুবুলি "আউনি-আটীয়" "দক্ষিণপাটীয়" "কমলাবাৰীয়" আদি বুলিবলৈ ধৰিলো । আৰু পৰ্ব্বতীয়া, গৃহস্থালি, পণ্ডিতালি আদিৰ শব্দৰ ঠাইত 'পাৰ্ব্বত্য' "গাৰ্হস্থ্য" "পাণ্ডিত্য" শব্দই

ঠাই ললে। আন কি বড়ো-কাছাৰিৰ ভাষাৰ দিনৰে পৰা চলন্তি "ধণসিৰি" নৈ হল "ধন-শ্ৰী নদী" আৰু "সোৱণ-সিৰি নৈ" হল "সুবৰ্ণ-শ্ৰী নদী" !!

নিভাঁজ আৰু খাতি শব্দ এৰি তাৰ পৰিবৰ্ত্তে অচলিত মূলশব্দ ব্যৱহাৰ কৰি চলন্তি কৰিবলৈ ধৰাই ভাষাৰ জীৱনী শক্তি কেৱল লুপ্ত কৰিবলৈ ধৰে। এজন ভাষা-তত্বজ্ঞ পণ্ডিতে কৈছিল,—"The displacement of familiar words by their Sanskrit originals can be justified by no reasonable grounds. The ousting of. words of non-Sanskrit origin, whether aboriginal or foreign is equally indefensible. Purism is radically unsound, and has its origin in a spirit of narrowness." ( Calcutta Review October 1877. )

বিদেশী ভাষাৰ শব্দ আমাৰ ভাষাত সুমাব নেলাগে বুলি মই কৈছো যেন আপোনালোকে যোক ভুল নুবুজিব। আমাৰ ভাষাত নথকা কথাৰ শব্দ, আমাৰ ভিতৰত চলিব, আৰু ভাষাত সোমাব, আৰু বিদেশী ভাৱৰ কথাও আমাৰ সদায় গ্ৰহণীয়। ইংৰাজীয়ে "ব্ৰাহ্মন," 'পণ্ডিত' আন কি "কৈ হেই" শব্দও হজম কৰিছে—আমি নকৰিম কিয় ? "স্কুল", "পেন্সিল," "কমিতি," চিনেমা, মটৰ গাড়ী প্ৰভৃতি শব্দও আমাৰ পেটত হজম হৈছে যেন পাওঁ, কিন্তু 'গাৰ নোম শিয়ঁৰি উঠ,' নেলেখি "লোম হৰ্ষক ব্যাপাৰ," "সমদল" নেলেখি "শোভা-যাত্ৰা" আদি বঙালী ভাষাৰ অনুকৰণে ভাষা উন্নত নকৰে, আৰু বঙ্গালীৰ "বলতে গেলে"ৰ অসমীয়া ভাঙনি "কব্ ্‌গলে" কৰি লেখিলেই অসমীয়া হব নোৱাৰে।

এই দৰে অসমীয়া ভাষা সংস্কৃতীয়া কৰি লেখিবলৈ যত্নপৰ হওঁত, আমি কেৱল বঙ্গালী ভাষাৰ অনুকৰণ কৰি ভাষাৰ অৱনতি ঘটাবলৈ এৰি দি উদাসীন হৈ থকা আমাৰ উচিত হৈছে নে ? আমাৰ বৰ্ণমালাৰে পৰা লেখাৰ শব্দাৱলীলৈকে এটা নিৰিহ-নিপানি নিয়মত চলি ভাষা সজ বাটলৈ তুলি আনিবলৈ সকলো চিন্তাশীল অসমীয়াৰ উচিত যেন পাওঁ। বৰ্ণমালাৰ সংখ্যা কম কৰা, সংস্কৃতৰ বা বঙ্গালী ভাষাৰ শব্দাৱলী ব্যৱহাৰ নকৰিবলৈ কোৱা মোৰ এই কথা যেন কোনোৱে নিজৰ ধৰ্ম্ম-ত্যাগ কৰিবলৈ কোৱাৰ দৰে খং নকৰিব আৰু ভাষা সৰল আৰু পোনপটীয়া কৰিবলৈ উদাৰ নৈতিক সকলো ব্যক্তিয়ে এবাৰ ভাব কৰি চাব লাগে। কলিকতা ইউনিভাৰ্চিটিয়ে বঙ্গালী ভাষাৰ বহুত শব্দৰ অস্বাভাবিক আখৰ যোটনি বদলাবলৈ প্ৰস্তাৱ কৰি বঙ্গালী ভাষাৰ লেখা

সঙ্গ বাটলৈ নিবলৈ চেষ্টা কৰিছে। অলপতে "Statesman" কাকতত পঢ়িলো যে ইংৰাজী ভাষাতো লেখা কথাৰ আখৰ যোটনি সৰল কৰিবলৈ এটা আন্দোলন চলিব লাগিছে। তাত লেখিছিল "A number of representative Bodies of some Universities in England togther with a large number of members of Parliament, and some bishops have very recently made an appeal to the Board of Education in England, demanding simplification of spelling of English words, stating that the English language is the simplest in Europe, but its spelling is most difficult and irregular."

আমাৰ দেশৰ স্কুলৰ তল শ্ৰেণীৰ অসমীয়া অঙ্কৰ কিতাপত সৰু সৰু লৰা-ছোৱালীবিলাকক টকা, অনা, পাই, গণ্ডা, কৰা, ক্ৰান্তি, কাক, তিল—(এইখিনি মই আখৰেৰে লিখিবলৈ বাধ্য হলো, কাৰণ অঙ্কৰে লিখিবলৈ মোৰ সাধ্য নাই।) এইবিলাক পঢ়িবলৈ আৰু শিকিবলৈ দিছে। আমাৰ দেশত পাই নাই, গণ্ডা নাই, কৰা নাই, ক্ৰান্তি নাই, কাক নাই, তিল নাই—এইবিলাক শিক্ষাৰ মহৎ উপকাৰ কি তাকো মই নেজানো—কিন্তু কিতাপত আছে, আৰু শিক্ষা বিভাগৰ কৰ্ত্তাসকলে সৰু সৰু লৰা-ছোৱালীবিলাকক শিক্ষা দিবই লাগিছে। তেনেকৈয়ে আমাৰ ভাষাত নংকা যেতখিনি আখৰ কিতাপত ৰাখি আমাৰ ভাষাত নলগা নচলা কথাৰ শিক্ষা দিয়াৰ নিস্প্ৰয়োজনতাও আমি সকলোৱে দকৈ ভাবি আলোচনা কৰিবলৈ মই আপোনালোকৰ ওচৰত এই প্ৰবন্ধৰ প্ৰস্তাৱ ডাঙি ধৰি আজিৰ মোৰ বক্তব্যৰ সামৰণি মাৰিলোঁ।

# "দিহিঙে-দিপাঙে"

অসমীয়াৰ এষাৰ কথা আছে—অমুকাই অমুকটো বিচাৰি দিহিঙে-দিপাঙে ঘুৰি ফুৰিছে। এই কথাষাৰিৰ এটা অৰ্থ আছে। তাহানি ৰেল জাহাজ মতৰ চাইকেল নোহোৱা কালৰ অসমত লুইতৰ বৰ জীয়াৰী দিহিং আৰু সৰু জীয়াৰী দিপাং নদীৰ গতি নিৰূপন কৰা বৰ কঠিন আছিল। দিহিং আৰু দিপাঙত উজাই ভটিয়াই কোনোবাই যদি বেহা কৰিবলৈকো যাব লগা হৈছিল থলত পৰৱাই গোৱাৰ দৰে তেওঁক জলতো পৰৱাই পাব বুলি আশঙ্কা কৰা হৈছিল। সেই কাৰণে "দিহিঙে দিপাঙে ফুৰা" শব্দটোক সাধাৰণতে মানুহক জল থল দুয়োটাতে পৰৱাই পাই ঘুৰাই ফুৰোৱা অৱস্থাকে বুজাইছিল আৰু সেই বাবেই অনিশ্চিত নানা দূৰ ঠাইলৈ গৈ অনাই বনাই ঘুৰি ফুৰাকে দিহিঙে দিপাঙে ঘুৰা বুলি কোৱা হয়।

কবিয়ে গাইছে,—

> "কিনো বিচাৰি ফুৰ ঘুৰি ঘুৰি
> বলিয়া বৰাগী ঐ ;
> কি হেৰুৱালী তই ?"—

কবিৰ এই প্ৰশ্নৰ উত্তৰ দিয়া বলিয়া বৰাগীৰ পক্ষে যিমান কঠিন, দিহিঙে দিপাঙে ভ্ৰমি ফুৰা ভ্ৰমণ-কাৰীৰ পক্ষেও ভ্ৰমণৰ স্থিৰ উদ্দেশ্য বুজাবলৈ যোৱা তিমান দুৰূহ ; বৰাগী বলিয়াৰ মনৰ অৱস্থাৰ যেনেকৈ স্থিৰতা নাই ঠিক তেনেদৰেই ভ্ৰমণকাৰীৰো ভাব আৰু মনৰ অৱস্থাতো স্থিৰতা নাই। ই আমাৰ ব্যক্তিগত অভিজ্ঞতাৰ কথা। যলৈকে মন যায় তলৈকে যোৱা, যতে মন যায় ততে থকাই দিহিঙে-দিপাঙে ঘুৰি ফুৰা ভ্ৰমণকাৰীৰ মনৰ উদ্দাম গতি ; কাজেই আমাৰ ভ্ৰমণ কাহিনীতো এনে এটা ধৰা বন্ধা ক্ৰম বা গতি ধৰি দিয়া অসুবিধা। সেই কাৰণে আমাৰ ভ্ৰমণ জীৱনৰ কেইটিমান অমিয়া মধুৰ স্মৃতিৰ সমাবেশৰ বিৱৰণৰ ছবি এখনিহে কেৱল দাঙি ধৰিবলৈ প্ৰয়াস কৰি এই প্ৰবন্ধটিত গঁথা হৈছে।

ভ্ৰমণ-কাৰীৰ পক্ষে ভ্ৰমণ এটা উৎকত ৰাগী। এই ৰাগীত পৰি মত-লীয়া হৈ ভ্ৰমণ-কাৰীৰ গাত কি বায়ু লাগে তাক বুজোৱা টান। ভ্ৰমণৰ ৰাগীত এবাৰ মতলীয়া হলে তাৰ পৰা এৰা দিয়াও টান। যেতিয়া ভ্ৰমণৰ

ৰাগীত পৰা হয় ভ্ৰমণকাৰীৰ গাত গোঁসাই নাইকিয়া হয় আৰু তেতিয়া ঠিক বলিয়াৰ দৰেই অনাই বনাই ঘুৰি ফুৰিবলৈ বাধ্য হয়। সেই কাৰণে ভ্ৰমণ-কাৰীৰ ভ্ৰমন ৰাগীত পৰা অৱস্থা বৰাগী বলিয়াৰ অনাই বনাই ঘুৰি ফুৰা অৱস্থাৰ লগত ৰিজোৰা হৈছে। সেই অৱস্থাই হৈছিল,—মোৰো। সেই-বাবেই সত্যৰ খাটিৰত কব লাগিব যে মোৰ ভ্ৰমণ কাহিনীতো তেনে কোনো বিশেষ উদ্দেশ্য বা লক্ষ নাছিল—দহ ঠাই দেখি, দহোজনৰ লগত মিলি চা-চিনাকি হোৱা আৰু দহ কথা শিকাই মোৰ মনৰ একান্ত ইচ্ছা আৰু প্ৰৱল উদ্দীপনা আছিল আৰু সেই ফেৰা সুখকে অনুভৱ কৰা মোৰ হেপাহ তেতিয়াও আছিল, এতিয়াও আছে আৰু বোধ হয় আগলৈকো থাকিব।

## (ক) উত্তৰ ভাৰতত এভুমুকি।

ইং ১৯২৯ চনটো বৰ লেখত লব লগিয়া আছিল। তেতিয়া বৰদিনৰ বন্ধ ওচৰ চাপি আহিছিল। মইও তেতিয়া কটন কলেজৰ প্ৰথম বাৰ্ষিক শ্ৰেণীৰ ছাত্ৰ। কলেজলৈ নতুনকৈ অহা ছাত্ৰসকলৰ পক্ষে পূজাৰ বন্ধ আৰু বৰদিনৰ বন্ধ দুটা বৰ আনন্দদায়ক হয়—মাক বাপেক ভাই ভনীৰপৰা কিছুদিন আত-ৰত থাকি এই বন্ধত ঘৰলৈ যোৱাৰ এটা সুবিধা পোৱাৰ কাৰণেই। মোৰ অন্তৰতো বন্ধ ওচৰ চাপি অহাত যদিও অলপ আনন্দৰ ভাবে দেখা দিছিল, সি ঘৰলৈ যোৱাৰ আশাত হোৱা নাছিল; সি আকাঙ্ক্ষাৰ প্ৰবল ৰাগীত পৰি সেইবাৰ সুদূৰ লাহোৰ চহৰত হব লগা ভাৰতীয় জাতীয় মহাসভাৰ বিপুল আয়োজন অধিবেশন চোৱাৰ আৰু লগতে উত্তৰ ভাৰতত এভুমুকি মাৰিবলৈ হোৱা প্ৰৱল ইচ্ছাৰ পৰিপূৰ্ণতাৰ আশাতহে। ঘৰৰপৰা টকা কড়ি আৰু কলেজৰ নিয়ম-কানুনৰ কঠোৰ শাসনৰপৰা যদিও মই বাধা বিঘিনি পাব লগা হৈছিলোঁ মোৰ আকাঙ্ক্ষাৰ প্ৰৱল সোঁতৰ বিৰুদ্ধে সেইবোৰ হেঙাৰে মোক বাধা দি ৰাখিব নোৱাৰিছিল।

সেইদিনা ডিচেম্বৰ মাহৰ ২০ তাৰিখ শুকুৰবাৰ। গধূলি ডাক গাৰীত গোলাঘাটৰ পৰা অহা দুজন সহযাত্ৰীৰে সৈতে মই উত্তৰ ভাৰত মুৱা হৈ যাত্ৰা কৰিলো। লাহোৰলৈ যাওতে বাটত যিখিনি চাবলগীয়া ঠাই পাই সেই এটাইখিনি চোৱাৰ ভাগ্য আমাৰ কপালত ঘটিছিল। সেই কেইদিন লাহোৰ চহৰত লাজপত ৰায় নগৰত হোৱা কংগ্ৰেছ মহাসভাৰ অধিবেশনত উপস্থিত থাকি ভাৰতৰ স্বাধীনতা দিন প্ৰথমবাৰ পালন কৰা, মুকলি সভাত স্বাধীনতা

প্ৰস্তাৱ সভাপতি ৰাষ্ট্ৰনায়ক পণ্ডিত জওহৰলালে ঘোষণা কৰি গ্ৰহণ কৰা আৰু ৩১ ডিচেম্বৰৰ দিনা ৰাতি বাৰ বজাত সদলবলে সেই ৰাষ্ট্ৰপতি জওহৰলালেই সমদল কৰি গোটেই লাজপৎ ৰায় নগৰ দলদোপ্ হেন্দোলদোপ্ কৰাৰ দৃশ্য উত্তৰ ভাৰত ভ্ৰমণৰ এক লেখত লবলগীয়া মধুৰ স্মৃতি হৈ এতিয়াও প্ৰত্যেক ক্ষণতে অন্তৰত জিলিকি আছে। সপোনত পোৱা যেন সেই অমিয়া মধুৰ স্মৃতি সদায় মধুময় হৈয়েই থাকিব।

**তাজমহলত এপাক**—লাহোৰৰ পৰা ঘৰমুৱা হৈ আহোঁতে বাটতে আগ্ৰাত সোমাই ভাৰতৰ অমূল্য ৰতন তাজমহলটো চাই আহিবৰ মন গল। বৰ্ত্তমান আৰু প্ৰাচীন ভাৰতৰ ৰাজধানী দিল্লী চহৰ চাই লৈ দিল্লীৰ পৰা "লাহোৰ হাওৰা এক্সপ্ৰেচ" ৰেলগাৰীত আহি পিচদিনা ধল-পুৱাতেই আগ্ৰা ফৰ্ট ষ্টেচন পালোহি। তাত নামিয়েই যমুনা নৈৰ পাৰত জলাহাৰ পান কৰি অকলেই তাজমহললৈ যাত্ৰা কৰিলো। তাৰ পৰা তাজমহললৈ ঘুৰি পাক মাৰি গলে ডুমাইল মানেই দূৰ হব। সেইখিনিতে যমুনা নৈয়ে এটি ডাঙৰ পাক দিয়াৰ কাৰণে তাজমহলটো নগৰৰ একে পাৰে থকা স্বত্বেও দেখাত নৈৰ সিপাৰে থকা যেন লাগে। অকলসৰেই তাজমহলক উদ্দেশ্য কৰি তালৈ চাই চাই গৈ আছো যদিও কেতিয়ানো সেই ডুমাইল বাটকুৰি বাই গলো কবই নোৱাৰিলো। দূৰৈৰে পৰা তাজমহলৰ দৃশ্য দেখি মোৰ মন উত্ৰাৱল হ'ল আৰু কেতিয়া ওচৰ পাও কেতিয়া ওচৰ পাও লাগিবলৈ ধৰিলে।

প্ৰথমতে দূৰৈৰে পৰা সেই অপূৰ্ব্ব দৃশ্যটি দেখি সপোনৰ কিবা এটা ৰহস্য যেন লাগিছিল। প্ৰথমতে গড়েৰেদিতে সজ্জিত তিনিটুপীয়া বাটচৰাটো দেখা পালোঁ। বাটচৰা পাৰ হৈয়েই মনোৰম উদ্যান আৰু সক সৰু পক্ষীঘৰেৰে সৈতে মণ্ডিত বৃহৎ টোলটো পায়। টোলটোৰ এফালে যমুনা নৈৰ পাৰতে তাজম-হল অট্টালিকাটো অৱস্থিত। উদ্যানত বেছিকৈ সৰল গছৰ পাতৰ দৰে পাত থকা এবিধ সৰু গছ দেখা যায়। সেই দৃশ্যই ইউৰোপৰ অতীত সভ্যতাৰ কেন্দ্ৰস্থল বেবিলনৰ সৌন্দৰ্য্যৰ আভাষ দিয়ে। বাটচৰাৰ পোনে পোনে সোমাই গৈয়েই কেবাটাও উহেৰে (fountain) সৈতে থকা এটা পুখুৰী পোৱা যায়। সেইখিনিতে অলপ ওখ। পুখুৰীৰ চাৰিওপাৰে মাৰ্ব্বোল পাথৰেৰে বন্ধোৱা আৰু ফুলৰ গছেৰে সুশোভিত। পুখুৰীৰ মাজতে এটা ডাঙৰ উহ। বাহিৰৰ বস্তবোৰৰ ভিতৰত মানুহৰ মন বিশেষকৈ সৰল গছৰ নিচিনা সৰু সৰু গছৰ কলচিৰ দৰে ওপৰলৈ মুৰকৈ থকা সৌন্দৰ্য্যই বেছি আকৰ্ষণ কৰে। সেই সৌন্দৰ্য্যই

মোক আপোন পাহৰা কৰি পেলাইছিল। তেতিয়া মোৰ মনত দুটা প্ৰশ্ন উদয় হৈছিল। (১) তাজমহলৰ দৃশ্যটো প্ৰকৃততে দিঠকনে সপোন ? (২) যদি দিঠকেই তেনেহলে ই অতীত কীৰ্ত্তি নে, বৰ্ত্তমানৰ কাৰুকাৰ্য্য ! তাজমহলটো দুমহলীয়া। তাৰ ভিতৰত সোমাই দেখিলোঁ ভিতৰ খোটালিৰ সোঁমাজতে দুটা দীঘলীয়া কবৰ দিয়া হৈ আছে। বুজিবলৈ বাকী নেথাকিল যে এই দুটাই জগতত দাম্পত্য প্ৰেমৰ জলন্ত নিদৰ্শনৰ মূৰ্ত্তিমান পদুমৰ দুটি পাহি স্বৰূপ মমতাজ আৰু চাহজাহানৰ কবৰৰ পৰিশেষ। সেই খোটালিৰ চাৰিওফালে সেই একে গঢ়তে সজা কেবাটাও সৰু সৰু খোটালি আছে আৰু প্ৰত্যেক খোটালিতে দুটা দুটা এটা সৰু আৰু এটা ডাঙৰ কবৰৰ চিন আছে। খোটালি বোৰৰ গঠন দেখি অনুমান কৰিব পাৰি যে ঘৰটো সাজোঁতে বহুত জোখ-মাখ ৰাখিহে সাজিছিল। ওপৰ মহলতো সেই একে গঠনকে দেখা যায়। বোধ হয় ওপৰ মহলটো তলৰ মহলৰ অনুকৰণতেই সজা হৈছিল। উল্লেখ কৰা বাহুল্য মাথোন যে গোটেই তাজমহলটো মাৰ্ব্বোল পাথৰেৰেই সজোৱা। তাজৰ চাৰিওফালে চাৰিটা ওখ স্তম্ভ আছে। সেই স্তম্ভ কেইটাক "মিনাৰ" বোলে। দেখিবলৈ আৰু গঢ়ে ঠিক দিল্লীৰ "কুটুব মিনাৰ"ৰ নিচিনা। মিনাৰৰ ওপৰত বৰ বতাহ। তাৰ ওপৰৰ পৰা দলঙেৰে সৈতে যমুনা নৈৰ প্ৰাকৃতিক দৃশ্য আগ্ৰা চহৰৰ সৌন্দৰ্য্য আৰু "মতি মচ্‌জিদ"ৰ জিকমিকনি সুন্দৰকৈ দেখিবলৈ পোৱা যায়। তাতোকৈ দেখিবলৈ মনোৰম হয় এমাইলমান দূৰৈত থকা "কিল্লা" বা ৰাজ-অট্টালিকাবে আবৰি থকা দুৰ্গটো। আমাৰ ইয়াত ভুৱনেশ্বৰী পাহাৰৰ পৰা ব্ৰহ্মপুত্ৰ নৈ খন যেনেকৈ এগছ ডাঙৰ পাৰি থোৱা চেলেং-কাপোৰ যেন দেখি থিক তেনেকৈ "মিনা"ৰৰ ওপৰৰ পৰা যমুনা নৈখন দেখি, আৰু আমাৰ ইয়াত শৰণীয়া পাহাৰৰ টিঙৰ পৰা ব্ৰহ্মপুত্ৰ নৈৰে সৈতে গুৱাহাটী চহৰখন যেনে দেখি মিনাৰৰ ওপৰৰ পৰা যমুনাৰে সৈতে আগ্ৰা চহৰখন ঠিক তেনে দেখি। তাৰ পৰা নামি আহি তাজমহলৰ চাৰিওফালে এপাক মাৰি বিদায় ললোঁ। কিতাপত পঢ়িছিলোঁ—তাজমহলটো কালি সজাৰ দৰে দেখা যায়। বাস্তৱিকতে ই সঁচা। মাৰ্ব্বোল বিলাক ইমান মিহি যে তাত হাত দিলে হাত পিচলি যায়। ইয়াক এনে গঢ়ত সজা যে ইয়াক যি ফালৰে পৰা চোৱা যায় সেই-ফালৰ পৰা একে দেখি। মাজতে এটা ডাঙৰ টুপঘৰ আৰু দুফালে দুটা সৰু টুপঘৰ—এই গঢ়কে দিল্লী আগ্ৰাত থকা মোগল সম্ৰাট সকলে কৰা প্ৰায়বোৰ ভগ্নাৱশেষৰে বিশেষত্ব। বাট-চ'ৰা বিলাকৰ আকৃতিও ঠিক একেই। এইদৰে

এঘণ্টামান চাই দুৰ্গৰ ফাললৈ খোজ ললোঁ হয়; কিন্তু হেপাহ হলে নপলাল। মন গৈছিল তাকে যেন চায়েই থাকোঁ। এই সকলোবোৰ দেখি শুনি সপোন যেনেই লাগিল। তথাপি সন্দেহৰ ভাব ৰ'ল—ই দিঠক নে, সপোন?

## (খ) দাক্ষিণাত্য অভিমুখে।

আমাৰ "ইণ্টাৰমেদিয়েট" পৰীক্ষা শেষ হবৰ হৈছে। ফেব্ৰুৱাৰী মাহৰো শেষ সপ্তাহত ভৰি দিলেহি। ইংৰাজী ১৯৩২ চন। কলেজ বন্ধ হবলৈ তেতিয়া যদিও ডেৰমাহ বাকী আছিল, তথাপি পৰীক্ষাৰ্থীসকলৰ কাৰণে পৰীক্ষাৰ পিচৰ পৰাই কলেজ বন্ধ বুলিব লাগে। সেইহেতুকে সেইবাৰ আমাৰ পক্ষে গৰমৰ বন্ধ চাৰিমাহ আছিল। পৰীক্ষা শেষ হৈ যোৱাৰ লগে লগে যেনেকৈ এফালে মনটো পাতল হৈ যাবলৈ ধৰিলে, সিফালে এইহেন দীঘলীয়া বন্ধটো কি উদ্দেশ্যৰে কটাব পাৰোঁ তাৰ ভাবে মনটো চিন্তাকুল কৰি পেলালে। এনেতে এদিন হঠাতে মাদ্ৰাজৰ "আদায়া"ৰ চহৰৰ পৰা তাত বহিব লগা "বিশ্ব থিয়চফিকেল চোচাইটি"ৰ অধিবেশনলৈ নিমন্ত্ৰণ কৰি প্ৰতিনিধি মনোনীত কৰা এখন চিঠি আহি মোৰ হাতত পৰিলহি। চিঠি পায়েই মই আনন্দত উত্ৰাৱল হলোঁ। ভাই বন্ধুসকলক শুভ বাৰ্ত্তা দি কেতিয়া পৰীক্ষা শেষ হয় আৰু কেতিয়া যাত্ৰা আৰম্ভ কৰিব পাৰোঁ তাকেহে ভাবিবলৈ ধৰিলো।

দিনৰ পাচত দিন যোৱাৰ লগে লগে মোৰ মনৰ আনন্দ আৰু ইচ্ছাৰ প্ৰবল আকৰ্ষণৰ ভাব বেছিহৈ যাবলৈ ধৰিলে। এইদৰে উখল-মাখলৰ মাজেদি দিন কটাবলৈ ধৰিলোঁ। মনত একমাত্ৰ ধন্দা—এইবাৰ বন্ধটো ভালদৰে আৰু উচিত ভাৱে কটাব পাৰিম; নানা দেশত ভ্ৰমি নানা মানুহৰ লগত চিনা-জনা হৈ ভ্ৰাতৃত্বৰ বান্ধোনত বান্ধ খাই বিশ্বপ্ৰেমৰ ৰহঘৰাব পৰিতৃপ্তিৰ বাটত ভৰি দিবলৈ খোপনি পাম—ইত্যাদি ভাৱে আহি মোৰ মন ব্যাকুল কৰি পেলালেহি। সেইদিনাই ইং ২৬ ফেব্ৰুৱাৰী, আৰু সেইদিনাই মোৰ সেই দীঘলীয়া যাত্ৰা আৰম্ভ কৰাৰ দিন। দুপৰীয়া ভাত-পানী খাই উঠি লগৰ বন্ধু-বান্ধৱ সকলৰ পৰা বিদায় লৈ অন্তৰত অশেষ চিন্তা আৰু উদ্বিগ্নতাৰ ভাব লৈ ভগৱানৰ নাম সুঁৱৰি মোৰ যাত্ৰা আৰম্ভ কৰিলোঁ।

দূৰণি-বটিয়া ভ্ৰমণকাৰীসকলে "অনাগত বিধাতা" হৈ এইটো মনতে ভাবি যোৱা উচিত যে তেওঁলোকৰ ভ্ৰমণত সৰু বৰ বহুতো ঘটনা-দুৰ্ঘটনা অতিক্ৰম কৰি যাব লগা হয়েই। তাতে আকৌ অকলশৰীয়া হৈ যোৱা সকলৰ

কাৰণে ই বেচি মাৰাত্মক হোৱাৰো সম্ভাৱনা থাকে। মোৰ সেই দীঘলীয়া ভ্ৰমণতো সৰু বৰ বহুত আলৈ-বিলৈ ঘটনা দুৰ্ঘটনাই দেখা দিছিলহি। প্ৰবন্ধৰ আকাৰ ডাঙৰ হৈ যোৱাৰ ভয়ত ইয়াত তাৰ বিৱৰণেৰে বহলাবলৈ সাহ নহল। কাজে কাজেই আমাৰ ভ্ৰমণ জীৱনৰ কেইটিমান মধুৰ স্মৃতিৰ বিৱৰণহে দাঙি ধৰিয়েই ক্ষান্ত থাকিব লগা হল।

**কুমাৰিকা অন্তৰীপত এৰাতি** ঃ—সেইদিনা মেই মাহৰ ২৭ তাৰিখ, শুকুৰবাৰ। তেতিয়া মোৰ দাক্ষিণাত্য ভ্ৰমণ ভৰ-পকৰ শেষ অৱস্থাত ভৰি দিছিলহি। ত্ৰিন্নেভেলি নগৰৰ ১৪ মাইল দক্ষিণে থকা নাঙ্গুনেৰী চহৰৰ পৰা সেইদিনাই দুপৰীয়া মটৰেৰে ৰাওনা হৈ গধূলি ৬ বজাত নাগৰ-কইল (অৰ্থাৎ সাপৰ মন্দিৰ) নামৰ ত্ৰিভাঙ্কুৰ ৰাজ্যৰ প্ৰসিদ্ধ ঠাই পালোগৈ। নাঙ্গুনেৰীৰ পৰা নাগৰ-কইল মুঠেই ৩০ মাইল আতৰত, আৰু তাৰপৰা ১২ মাইল বাট গলেই কুমাৰিকা অন্তৰীপ পোৱা যায়। ঠিক সাঁজ লাগো লাগো হওঁতেই আমাৰ মটৰ গৈ কুমাৰিকা অন্তৰীপ পালেগৈ। মটৰত যোৱা এজন সহযাত্ৰীয়েই মোৰ অতিথি-গিৰিহত হল। তেখেতৰ নাম শ্ৰীমান্ আৰ্ বেঙ্কটেশ্বৰ আয়াৰ। তেখেতে মোক আলৈ-আথানি অৱস্থাতেই নি ফল-মূলাহাৰ কৰাই ৰাতিটোৰ কাৰণে তেওঁৰ ঘৰতেই ৰাখিলে। ঘৰলৈ গৈয়েই মুখ হাত ধুই আমি দুয়ো সাগৰৰ পাৰলৈ গলোঁ গৈ। সেই দিনা মোৰ ভাগ্যত ফাগুনী পূৰ্ণিমাৰ জোনালী ৰাতি মিলিছিল। সেই অন্তৰীপৰ ভাৰতৰ অগ্ৰ কোণৰ চুকতেই ভাৰত মহাসাগৰ, বঙ্গোপসাগৰ আৰু আৰব সাগৰ, ত্ৰিসঙ্গম হৈছে। এনেই ত্ৰিসমুদ্ৰৰ মিলন তাতেই পূৰ্ণিমা-ৰাতি! কাজে কাজেই ঢৌৰ হেন্দোলনিত গোটেই ভূমণ্ডল, পানীমণ্ডল থৌকিবাথৌ লাগিছিল। সেই সময়ৰ একেটি প্ৰাকৃতিক দৃশ্যই মোৰ মনক স্বৰ্গৰ অমৰা-পুৰীলৈ উৰাই লৈ গৈছিল। একে সময়তে পূব সমুদ্ৰৰ সেউজীয়া আকাশত চকচকীয়া বগা পোহৰেৰে "পূৰ্ণ চন্দ্ৰমাৰ ৰশ্মিয়ে ৰঞ্জিত" হৈ উদয় হৈছে আৰু ঠিক সেই একে ক্ষণতে একেলগে পশ্চিম সমুদ্ৰৰ অপাৰ গৰ্ভত হেঙুলীয়া সূৰ্য্য-দেৱতাই লুকাবলৈ কাৰবাৰ কৰিছে! আৰু মাজতে পূৰ্ণিমা ৰাতি প্ৰবল প্ৰচণ্ডভাৱে খুন্দিয়াই থৰ-যুগুতি হেৰুওৱা ঢৌবোৰে দুই ৰঙৰ সম্মিলিত পোহৰৰ মাজতে ৰূপালী ৰংচঙীয়া জোনাকী সোণালী হৈ চিকমিকাব লাগিছে। কেনে মধুৰ দৃশ্য! চিৰদিন তেনে দৃশ্যকে চাই থাকিবৰ মন যায়। কিন্তু সি ক্ষন্তেকীয়া! পৃথিবীৰ সকলো বস্তুৱেই ক্ষন্তেকীয়া। এই ক্ষন্তেকীয়া সুমধুৰ স্মৃতিবোৰেই ক্ষন্তে-

কৰ কাৰণে হলেও সৌৰভ বিলাই মনৰাজ্যত তাৰ চাব যুগমীয়া কৰি যায়। সেই ক্ষন্তেকীয়া দৃশ্যয়ো ক্ষন্তেকতে মাৰ গৈয়ো অন্তৰত চিৰদিনীয়া স্মৃতি ৰাখি থৈ গল। স্বৰ্গতুল্য অমিয় মধুৰ দৃশ্যবোৰৰ সাঁচ অন্তৰত এতিয়াও বহি আছে- কাৰণেই কোনো সৌন্দৰ্য্যময় দৃশ্য দেখিলেই সদায়েই মনত পৰে—ক্ষন্তেকতে মাৰ যোৱা সেই স্বৰ্গীয় মধুৰ দৃশ্যলৈ।

সেই স্বৰ্গীয় দৃশ্য চাই অঁতাই সপোন ৰাজ্যৰপৰা ঘুৰি অহাদি বাসস্থানলৈ ঘুৰি আহি ফল আৰু গাখীৰ মাথোন খাই ৰাতিটোৰ কাৰণে বিশ্ৰাম ললোঁ। ৰাতি সপোনতো দেখিলোঁ সেই দিঠকৰে সপোন! পিচদিনা ধনপুৱাতেই উঠি হাত মুখ নোধোৱাকৈয়ে আকৌ পূৰ্ব্ব ৰাত্ৰিৰ সপোনপুৰী সেই অন্তৰীপৰ অন্ত্য কোণলৈ ঢাপলি মেলিলো। ঠিক সাগৰৰ পাৰৰ কোণতেই এটি হিন্দু- মন্দিৰো আছে। মন্দিৰটিৰ নামো "কন্যকা কুমাৰী"য়েই। এই বিষয়ে এটি আখ্যানো আছে। পুৰাণত পোৱা যায় হেনো, কোনো এযুগত চ্যবন মুনিৰ কন্যকা নামৰ পালিতা কন্যা এগৰাকীয়ে সদাশিৱক বিয়া কৰাবলৈ প্ৰৱল ইচ্ছা কৰি প্ৰস্তাৱ কৰিলত ভোলানাথ মান্তি নহল। সেই কাৰণেই সেই ঋষি-কুমাৰী চিৰকুমাৰী ব্ৰত অৱলম্বন কৰি ভাৰত ভূমিৰ একেবাৰে দক্ষিণ কোণৰ মূৰত আহি থাকিলহি আৰু তাৰে পৰাই কৈলাসভূমিত থকা বম্‌ভোলা ভোলানাথ সদাশিৱৰ ৰূপ-সৌন্দৰ্য্যৰ প্ৰতিমা অন্তৰত ৰাখি যপিবলৈ ধৰিলে। সেই কুমাৰীৰ নাম অনুযায়ী উক্ত মন্দিৰ স্থাপিত হল। * এতিয়াও সেই মন্দিৰৰ ভিতৰত "কন্যকা কুমাৰী" মূৰ্ত্তি আছে। এই মূৰ্ত্তিৰ প্ৰায় ভাগেই সোণৰ। লোককথিত এটা বিশ্বাস আছে যে সেই মূৰ্ত্তিৰ আগত যি কামনা লৈয়েই অৰ্চ্চনা কৰা যায় সিয়েই ফলৱতী হয়। হিন্দু বুলিলেই বিশ্বাসৰ দাস। সেই কাৰণে সেই তীৰ্থক্ষেত্ৰত পৰি ময়ো মোৰ অন্তৰৰ প্ৰবল আকাঙ্ক্ষা ভ্ৰমণৰ কামনা লৈয়ে অৰ্চ্চনা কৰিলোঁ হয়, কিন্তু সেই কামনা সিদ্ধি হল নে নাই মই হলে নিজে নেজানো। মহাত্মা গান্ধীয়ে তেখেতৰ "সত্য অন্বেষণ কাহিনী"ত লেখা "মানুহৰ মনৰ আন্তৰিক আৰু পৱিত্ৰ ইচ্ছা সদায়েই পুৰণ হয় "কথা- শাৰীৰ সত্যতাৰ বাবেই হওক নাইবা এই কামনা সিদ্ধিৰ কাৰণেই হওক অথবা

* আমাৰ শোণিতপুৰৰ তেজপুৰ চহৰৰপৰা অলপ দূৰৈত থকা ভোমোৰাগুৰি পাহাৰৰ পূবে ৰুদ্ৰপদ নামৰ যিটো শিলা আছে সেয়েই হেনো চ্যবন মুনিৰ পালিতা কন্যা কণ্যকা আইদেউৰ জপ কৰা থান বুলি বহুতে কয়। ইয়াৰ পৰাই এই কণ্যকা কুমাৰী গৈ কুমাৰীকা অন্তৰীপত বাস ললেগৈ বুলি ধৰিব পাৰি।

দুয়োটাৰ নিমিত্তেই হওক, মোৰ মনৰ প্ৰবল—(অৱশ্যে ই যে আন্তৰিক আৰু পবিত্ৰ আছিল তাক নকলেও হব )—ইচ্ছা পূৰ্ণ হোৱা যেন নিজে হলে অনুভৱ কৰিছোঁ।।

মন্দিৰত অৰ্চ্চনা অঞ্জলি প্ৰদান কৰি আৰু তাৰ পিচত মন্দিৰ প্ৰদক্ষিণ কাৰ্য্য সমাধা কৰি সাগৰৰ পাৰলৈ ফুৰিবলৈ গলোঁ। অন্তৰীপৰ অন্ত্য কোণত ভৰি দিয়েই আৰু এটি স্বৰ্গীয় দৃশ্য চকুত আহি পৰিলহি! ভাবিলোঁ, কামনাপূৰ্ণ-কাৰিণী চিৰকুমাৰী কণ্যাকা কুমাৰী দেবীয়েই প্ৰসন্ন হৈ আগ সন্ধ্যাত হেৰোৱা ক্ষন্তেকীয়া স্বৰ্গীয় দৃশ্যটি মোৰ অৰ্চ্চনা অঞ্জলিৰ ফল হিচাবেই আকৌ মোৰ আগত নিমিষতে দেখুৱাই দিলেহি নে কি? অলপ পৰ ৰ'লাগি চাই দেখিলোঁ যে সি নহয়। ইয়াৰ কৰ্ত্ৰী প্ৰকৃতি দেবীহে। তেওঁ কাৰো খাতিৰত তেনে কৰা নাই। পৰম পুৰুষ পৰমেশ্বৰ ভগৱানৰ বিধান মতে নিৰ্দ্দিষ্ট নিয়মৰ বান্ধোনত পৰিহে তেনে জেউতি আৰু সৌন্দৰ্য্য বিকাশ কৰিছে। সেই প্ৰাকৃতিক স্বৰ্গীয় দৃশ্য আগদিনা গধূলি দেখা দৃশ্যৰ সদৃশেই। প্ৰভেদ কেৱল উভৈৰ স্থানৰ বিপৰ্য্যয় কাৰ্য্যতহে। আগদিনা গধুলি চন্দ্ৰমাই ভুমুকিয়াইছিল, পূৰ্ব আকাশত, আৰু সূৰ্য্য দেৱতাই লুকাইছিলগৈ পশ্চিম আকাশত; আজি ঠিক তাৰ বিপৰীতটো। আজি জ্যোতিৰ্ম্ময় সূৰ্য্যদেৱতাই নৱ-জেউতি লগত লৈ নতুন উলাহেৰে পূৰ্ব আকাশত থিয় দিছেহি আৰু ইফালে লোকৰ জেউতিৰ ওপৰত দূৰৈৰে পৰা নিজৰ ৰূপ চৰোৱা আৰু ওচৰ পালেই লাজতে জঁই পৰি আঁতৰ হৈ যোৱা চন্দ্ৰমা আইদেৱে পশ্চিম আকাশত পলাবলৈ বাট বিচাৰি থৰ-যুগুতি হেৰুৱাই ফুৰিছেগৈ। তথাপি এওঁলোক দুয়োৰে লুকা ভুমুকাত সংলগ্ন হোৱা দুটি জ্যোতি-কণাই ঠিক আগদিনাৰ গধুলিৰ দৰে ঢৌৰ ওপৰত কিৰণৰ ধুলি পেলাই চিকমিকাই তুলিবলৈ এৰা নাই। কিন্তু এই দুই অৱস্থাৰ মাজত এয়েই প্ৰভেদ যে কালি তেওঁলোকৰ মিলনৰ ঢৌৱে উলাহত নাচি বাগি আনন্দত মত্তলীয়া হৈ উঠিছিল; কিন্তু আজি সেই বিপৰীত ধৰণৰ অথচ একে মিলনৰে ঢৌৰ নতুন কৃষ্ণপক্ষৰ আগমনৰ আভাস পাই আগৰ উলাহ-আনন্দ পাতলি যোৱা হেন দেখা গৈছে। মযো সেইক্ষণৰ অমিয় উপভোগ হেৰুৱাই ক্ষন্তেকীয় সুখৰ অমিয়া সুধা পান কৰিয়েই বাস-স্থানলৈ ৰাওনা হলোঁ। ৰৈ গল মনত সন্দেহৰ ভাৱ; ভাবিলো ইয়ো দিঠকনে সপোন?

## (গ) দাৰ্জ্জিলিং ভ্ৰমণৰ এচোৱা

মোৰ দাৰ্জ্জিলিং ভ্ৰমণৰ এপষৰ ভিতৰত যদিও মই **"চিকিম ৰাজ্যত এভুমুকি"** মনত অত্যন্ত সন্তোষ পাইছিলোঁ তথাপি মোৰ অন্তৰ ঘুৰি অহাৰ

যেন দুদিনৰ আগলৈকে এটা অসন্তোষৰ ভাৱেৰে আবৰি ধৰিছিল। মনতে ভাবিছিলোঁ, মোৰ ভ্ৰমন কাৰ্য্য অসম্পূৰ্ণ হৈ ৰ'ল। ক্ষোভ হৈছিল, যেন কিবা এটা কাম মোৰ কৰিবলৈ বাকী থাকিল। এই ভাব লৈয়েই মোৰ মন উগুল-থুগুল অৱস্থাত থাকিব লগা হৈছিল আৰু মাজে মাজে বেজাৰৰ হুমুনীয়াও কাঢ়িব লগাত পৰিছিল।

**বাঘ পাহাৰৰ ওপৰত এঘন্টা**:—এই সকলোবোৰ মানসিক অশান্তিৰ কাৰণ আছিল—পৃথিবীৰ ভিতৰতে চাবলগীয়া এটি আপুৰুগীয়া দৃশ্য চাবৰ সুবিধা কৰিব নোৱাৰিয়েই। সেই চাবলগীয়া দৃশ্য হৈছে—দাৰ্জ্জিলিঙৰ পৰা প্ৰায় ৫ মাইল দূৰৈত থকা "টাইগাৰ হিল" বা বাঘ পাহাৰৰ ওপৰৰ পৰা দেখিবলৈ পোৱা সূৰ্য্যোদয়ৰ মনমোহা আভৰণ। মানুহে কয় যে পৃথিবীৰ নানা ঠাইৰ পৰা মানুহ আহি সেই 'টাইগাৰ হিল'ৰ পৰা দেখা সূৰ্য্যোদয়ৰ অতুলনীয় দৃশ্য চাই গৈ, পৃথিবীৰ ভিতৰত তেনে দৃশ্য অন্য ঠাইত দেখিবলৈ পোৱা বিৰল হেনো। এতিয়াও দিনে দিনে পৃথিবীৰ নানা ঠাইৰ মানুহে সেই পৰ্ব্বতৰ টিলালৈ গৈ তেনে দৃশ্য চাবলৈ ৰৈ থাকে। কেতিয়াবা চাবলৈ পাই আৰু কেতিয়া বা হতাশ হৈ ঘূৰি আহিব লগাত পৰে।

এফালে যেনেদৰে দাৰ্জ্জিলিঙৰ বন্ধু-বান্ধৱ চিনাজনা মানুহ মাত্ৰেই সেই প্ৰাকৃতিক সৌন্দৰ্য্যৰ ৰূপ জেউতি বখানি মোক উন্মাদন কৰি তুলিছিল ঠিক তেনেদৰেই অন্যফালে তেওঁলোকেই দৃশ্য চাবলৈ পোৱা নোপোৱা সন্দেহৰ থাউনি নোপোৱা পুখুৰীত পেলাই মোক কৰুৰকাই পানী খুৱাই নগুৰ-নাস্তি কৰিছিল; কাৰণ বতৰ ফৰকাল নহলে সেই মনোৰম দৃশ্য দেখিবলৈ পোৱা নেযায় আৰু ইফালে পিচদিনা বতৰ ফৰকাল হয়নে নহয় তাৰো উৱাদিহ পোৱা টান। সেইকাৰণে ভাগ্যৰ ওপৰতেই নিৰ্ভৰ কৰি থাপ মাৰি কামটো কৰাৰ বাহিৰে অন্য একো দিহা নাই। কতই অনেক দুঃখ কষ্ট কৰিও আগদিনা ৰাতিতে উঠি ৰাতিৰে ৰাতিটো খোজ কাঢ়ি গৈ থাপ দিও পিচদিনা ডাৱৰীয়া বতৰ দেখি হতাশ হৈ আহিব লগাত পৰে; আৰু অনেকে হয়তো থাপ মাৰি এদিন গৈ নিজ ভাগ্যৰ বলত সকলো দৃশ্য চাই উপভোগ কৰি আহেগৈ। এনেকৈ অনিশ্চয়তাৰ গভীৰ দ'ত পৰি থাকিব লাগে। মন যদিও অনিশ্চিত হৈ আশা নিৰাশাৰ মাজেদি লুটি-বাগৰ মাৰি ফুৰিছিলো তথাপি আকাঙ্ক্ষিত কামনা পূৰণ হয় নহয় তাৰ নেভাবি অন্ততঃ মনৰ হেপাহ পলুৱাবৰ কাৰণেই এদিন তাত এটা পাক মাৰি অহাৰ লালসা এৰা নাছিলো। নিৰাশাৰ মাজেদিয়েই আশাৰ

বেণু বজাই মই দাৰ্জ্জিলিং এবাৰ আগ দিনা উক্ত পাহাৰলৈ উঠিবলৈ ঠিক কৰিলো। দাৰ্জ্জিলিঙৰ পৰা সেইডোখৰ বাট খোজ কাঢ়ি যাবলৈ হলে ৰাতি দুই বা আঢ়ৈমান বজাত ৰাওনা নহলে নহয়, আৰু সেইকাৰণে আমি ৰাতি তিমান সময়তে ৰাওনা কৰিলো।

বাঘ "পাহাৰৰ" ওপৰলৈ উঠি গৈ যেতিয়া একেবাৰে মুধচ পালোগৈ তেতিয়া তাত এটা ধুনীয়া ঘৰ দেখিবলৈ পালো আৰু তাৰ ওপৰত এখন ঘূৰণীয়া বুলনিঘৰো দেখা পালো—অৱশ্যে ৰাতিৰ জোনাকৰ মাজেদিয়েই। তেতিয়াহে আমাৰ বিশ্বাস হল—এয়েই টাইগাৰ হিলৰ "অবজ্ঞাৰ" ভেটিৰি।

বাঘ "পাহাৰ" বা 'টাইগাৰ হিলৰ' ওপৰৰ পৰা যি মনোৰম দৃশ্য দেখিলো তাৰ বৰ্ণনা তেতিয়াই লেখা বিবৰণৰ পৰাহে ভালদৰে ফুটি ওলাব। সেইকাৰণে তাৰে পৰা তুলি দিলো। ... ... "নানা কথা বাৰ্ত্তাৰ মাজেদি আমি পূব গগনলৈ মুখ কৰি সূৰ্য্য উদয়ৰ প্ৰত্যেক ক্ষণলৈকে বৈ আছো—মনত আছে, অদম্য হেপাহৰ মাজেদি নিশ্চয় অনিশ্চয়তাৰ সন্দেহজনক ভাব। এইদৰেই মনত উগুল-থুগুল ভাৱেই তাত খাপ দি বহি আছো। ... ...

... ... এবাৰ হঠাতেই ওচৰত থকা ভূটীয়াবোৰে কিৰিলি মাৰি উকি দিয়া হেন শুনি চকুখাই উঠি আকাশৰ ফালৈ চাই দেখো যে পূব গগনৰ পিনে পোহৰৰ পৰিবৰ্ত্তন হেন দেখা গৈছে। তাকে দেখি আমি আমাৰ চকু থিৰ কৰি সেইফালেই লক্ষ্য কৰি থাকিবলৈ ধৰিলো। লাহে লাহে কুকুৰাৰ ডাকো কাণত পৰিল আৰু হাবিৰ মাজৰ পৰা ফেঁচায়ে কুৰুলি মাৰি উঠিল;— আমাৰ বুজিবলৈ বাকী নেথাকিল যে ৰাতি পুৱাবৰ হল। প্ৰত্যেক ক্ষণতে ভাবিবলৈ ধৰিলো—এতিয়াই সূৰ্য্য দেৱতাই আমাক দেখা দি কৃতাৰ্থ কৰিবহি আমিও আমাৰে হেপাহৰ আপৰুগীয়া দৃশ্যটি দেখি জীৱন সাৰ্থক কৰিব পাৰিম। বাহ, কিমান আনন্দ! সেই অৱস্থাৰ ভুক্তভোগীৰ বাহিৰে আন কোনোৱেই সেই বিনন্দীয়া সুখৰ সপোনো দেখিব নোৱাৰে।

চকু থৰ কৰি চাই থাকোতেই পূব আকাশৰ ফালে অলপ পোহৰৰ আভাষ দেখিবলৈ পালো। লাহে লাহে গোটেই পূব গগনেই ৰঙচুৱা হৈ পৰিবলৈ ধৰিলে। আকাশে বৰণ সলোৱাৰ লগে লগে চাৰিওফালে সকলো বস্তুৱেই সজাগ হৈ উঠিবলৈ ধৰিলে। আলেঙে আলেঙে যি এচটা দুচটা ডাৱৰ ঘুৰি ফুৰিছিল সিবিলাকেও সজীৱ হৈ উঠি গাৰ বৰণ সলাবলৈ ধৰিলে। বাস্তৱ জগতত থকা গছ-গছনি পাহাৰ-ভৈয়ামেও অলপ নতুন আভৰণ পিন্ধা হেন

দেখা গৈছিল। মোটতে চাৰিওফালে সাজ-সজ্জাৰে সজ্জিত নতুন বিশ্বব্ৰহ্মাণ্ডৰ প্ৰতিমা ওলাই পৰিছিল। সকলোৰেই নিজ নিজ আভৰণ পিন্ধি সাজু হৈ আছে— যেনিবা সম্ৰাটৰ আগমনলৈ বাট চাই ৰৈহে আছে। আকাশৰ ৰঙালী কিৰণেও ৰাঙলী সাজেৰে সূত্ৰধাৰীৰ আগ জাননীৰ সূত্ৰ দি যো'ৰাৰ লগে লগে দীপ্ত সম্ৰাট সূৰ্য্য দেৱতাৰ ৰথৰ আগত অহা নানা সৈন্য-সামন্ত, নৰ্ত্তক-নৰ্ত্তকী আদিয়ে নানা ধৰণৰ সাজ পিন্ধি যেনিবা দেখা দিছেহিহে— যেনে, সেউজীয়া, ৰঙা, বগা, হালধীয়া, নীল-বৰণীয়া ইত্যাদি। সেই সময়ত আকাশখন যেনিবা এখন দেৱতাৰ নৃত্য-ভূমিহে হৈছিল। অলক্ষিত নিঃশব্দ বাদ্য-যন্ত্ৰ আৰু পেপা যেনিবা দুন্দুভিৰ সুৰৰ চেৰে চেৰে এই দেৱ বালিকা নৰ্ত্তকীসকলে এখোজ দোখোজকৈ আহি সূত্ৰধাৰীৰ ওচৰত অভিবাদন জনাই সম্ৰাট আগমনৰ বাৰ্ত্তা জনাইছেহি। তাৰ লগে লগে চাৰিও-ফালে প্ৰকৃতি আৰু বিশ্বব্ৰহ্মাণ্ডৰ গ্ৰহ নক্ষত্ৰ সকলোৱে সেই দৃশ্য চাবলৈ যেন উত্‌ৰাৱল-হৈ ৰৈহে আছে; আৰু যেন আমিও সেই সকলোবোৰৰ লগতে চকু থিৰ কৰি চাই আছো। সেই সময়ত ভাত হোৱা গহীনতা আৰু নিস্তব্ধতাৰ মাজতে এইবোৰ ভাব আহি মনত সোমাইছিলহি।

অলপ পাছতে এটা পৰিৱৰ্ত্তন দেখিবলৈ পালো। হঠাৎ গোটেই পূব গগনখন এচতা ক'লা ডাৱৰ আহি আবৰি ধৰি সকলো দৃশ্য লুকাই পেলালে— যেনিবা এখন আঁৰ-কাপোৰহে পৰিলহি। চাৰিওফালে আকৌ নিজম নিস্তব্ধতাই আবৰি পেলালে। ক্ষন্তেকৰ কাৰণে আমাৰ সকলোৰে মনত খু-দুৱনি লাগিল--কি হ'ল, সূৰ্য্যদেৱতাৰ দৈনন্দিন গতিতে বাধা জন্মিল নে কি ? নহয়, সিটো কেতিয়াও হ'ব নোৱাৰে। নাই, ই আন একো নহয়, কেৱল ক্ষন্তেকৰ আগলৈকে যি অতুলনীয় মনমোহা স্বৰ্গীয় দৃশ্য সকলোৰে মন যেনেদৰে বলিয়া কৰি তুলিছিল, আৰু যি সৌন্দৰ্য্যত মুগ্ধ হৈ সকলো সপোন হেন দেখা গৈছিল সেই সপোনৰূপী মনমোহিনী দৃশ্য দিঠকতেই ঘটিব পাৰে বুলি আমাৰ চকুত চলিহা মাৰিবৰ অৰ্থেই এই আঁৰ-কাপোৰৰ প্ৰত্যাগমন! আমিও সেই ক'লা ডাৱৰ চতাৰ পিনে দৃষ্টি অতি সূক্ষ্মভাবে পেলাবলৈ ধৰিলো—যাতে তাৰ ক্ষুদ্ৰাতিক্ষুদ্ৰ পৰিৱৰ্ত্তনো আমাৰ চকুৰ আতৰ হ'ব নোৱাৰে।

ঠিক অনুমান! সেয়েই হল। মই যি কল্পনা কৰিছিলো সিয়েই দিঠক হৈ ওলাল। তেজোময় ৰথৰ ওপৰত অৰুণ কোঁৱৰে সসম্ভ্ৰমেৰে উঠি লগত অসংখ্য কিৰণ সেনাৰ সমষ্টি লৈ নিজৰ দৈনন্দিন গতিৰ অৰ্থে কৰ্ত্তব্য অনুযায়ী আগবাঢ়ি আহিছে। ধন্য, ধন্য মোৰ ভ্ৰমণ। এনে স্বৰ্গীয় দৃশ্য মই কেতি-

যাও দেখা মনত নপৰে আৰু যে কেতিয়া দেখিম তাকো কব নোৱাৰোঁ।

প্ৰথমতে সূৰ্য্যদেৱতাই ৰঙালি ৰঙৰ ৰথৰ ওপৰত উঠি গাত এডাল ক'লা পটি মেৰাই পূৱ গগনৰ ফালৰ পৰা দেখা দিলেহি। ঠিক তাৰ অলপ আগতে পশ্চিম দিশত থকা হিমালয় পৰ্ব্বতৰ তিনিটা উচ্চ টিঙত অৰুণৰ আভা পৰি টিঙৰ কলচী কিটা চিকমিকাই উঠিছে—যেনিবা তিনিখন তিখাৰ তৰোৱালহে। ভাব হৈছিল, সূৰ্য্য সম্ৰাটৰ আগমনৰ বাৰ্ত্তা পাই ভাৰতভূমিৰ মূৰ শিতানত গা-ৰখীয়া হিচাবে থকা মহাবলী হিমগিৰিয়ে নিজৰ ত্ৰিহস্তত তিনিখন তৰোৱাল লৈ ভাৰত মাতৃৰ হৈ সূৰ্য্যদেৱতাক পদূলিৰ মুখতে অভিবাদন জনাইছে।

লাহে লাহে সূৰ্য্যদেৱতাই গাৰ পৰা ক'লা পটি ডাল থহাই ওচৰ চাপি আহিবলৈ ধৰিলে। লগে লগে জেউতি আৰু কিৰণো বেছি তেজী হৈ উঠিল। ভাৰত মাতৃৰ ওচৰ চাপি অহাৰ লগে লগে ৰাঙল অৰুণৰ গাত অসংখ্য চক্ৰ দেখা গল। সেই চক্ৰবোৰে এটা নিৰ্দ্দিষ্ট বিন্দু আৰু এটা নিৰ্দ্দিষ্ট কক্ষত ঘূৰি নানা ৰঙৰ ৰশ্মি ওফোৰাই ছটিয়াই ঘূৰিব লাগিছে,—দেখিলেই সকলো স্বৰ্গীয়, অসাধাৰণ, আৰু অলৌকিক যেন লাগে আৰু বাস্তৱিকতে সি তেনেধৰনৰেই। সূৰ্য্যদেৱতাই নিজৰ ৰথৰ ওপৰত উঠি লাহে লাহে আগ বাঢ়ি অহাৰ লগে লগে অলপ দূৰৈত অত্তপৰে গা ঘেলাই থকা চন্দ্ৰমাৰো জেউতি হ্ৰাস হৈ আহিবলৈ ধৰিলে আৰু অৱশেষত একো নথকাই হলগৈ। এই কাৰণেই কয় বোধ হয়, যে একেখন আকাশত চন্দ্ৰ আৰু সূৰ্য্যদেৱতা দুয়ো সমানে জ্যোতি বিহাৰিব নোৱাৰে সূৰ্যদেৱতাৰ জ্যোতিৰ প্ৰখৰতাৰ আগত চন্দ্ৰমাৰ কিৰণৰ অস্তিত্ব লোপ পাই আহে—ঠিক সেইদৰেই আমাৰ দৈনন্দিন আৰু ৰাজহুৱা জীৱনটো সেইটো খাটে—বিশেষকৈ ৰাজনীতিজ্ঞ নেতা আৰু পণ্ডিতসকলৰ গাত।

আমি এইদৰে একেৰাহে আকাশলৈ চাই চাই ঠেটুৱাই ধৰা জাৰত কঁপি কঁপি তাত প্ৰায় এঘণ্টামান কাল কটালো। তাৰ পিছত মনত অত্যন্ত আনন্দ আৰু অন্তৰ ভৰা উলাহৰ ভাৱ লৈ নিৰ্দ্দিষ্ট বাসস্থানলৈ উভটিবৰ কাৰবাৰ কৰিলো। মনত বান্ধি ললো এবোজা আবেগৰ মধুৰ স্মৃতি আৰু অন্তৰত সুমাই ললো হেপাহৰ অশেষ পৰিতৃপ্তি। ক্ষন্তেকৰ কাৰণে ভাবিলো; মোৰ জীৱন ধন্য। জীৱনৰ এইছোৱা বাটতেই পৃথিবীৰ তিনিটি আপৰুগীয়া বস্তু দেখিবলৈ পালো। প্ৰথমতে, পৃথিবীৰ সপোন দিঠকত পৰিণত হোৱা বুৰঞ্জীৰ পাত জিলিকোৱা বাদচাহ চাহজাহানৰ অতিত মণ্ডিত কীৰ্ত্তি **"তাজমহলত এপাক"**; দ্বিতীয়তে, ভৌগলিক অৱস্থাৰ অতুলনীয় সংলগ্নত হোৱা তিনি সমুদ্ৰৰ মিলনত ফাগুনী পূৰ্ণিমাৰ দিনা ৰাতি

আৰু পিচদিনাৰ ধলপুৱাত চন্দ্ৰ-সূৰ্য্যৰ ৰশ্মিয়ে ত্ৰিসমুদ্ৰৰ ঢৌৰ লগত কৰা কেলিৰ অপূৰ্ব্ব স্বৰ্গীয় দৃশ্যৰ প্ৰত্যক্ষ দৃষ্টিৰে সৈতে কটোৱা **"কুমাৰিকা অন্তৰীপত এৰাতি"** আৰু তৃতীয়তে এই প্ৰকৃতিৰ বিধানমতেই হিমালয় পৰ্ব্বতৰ মাজত অলক্ষিত ভাৱে পৰি থকা আৰু দৈনন্দিন দেখিবলৈ পোৱা সূৰ্য্যদেৱতাৰ উদয়ৰ এনেহেন মনমোহা দৃশ্য দৰ্শনত কটোৱা **"বাঘ পাহাৰৰ ওপৰত এঘণ্টা"** ; এই সকলো মোৰ পূৰ্ব্বজন্মৰ সঞ্চিত কৰ্ম্মৰ ফল বুলি মই বিশ্বাস কৰো আৰু তাকে ভাবি সন্তোষ পাঁও। দিহিঙে-দিপাঙে ঘূৰি ফুৰা ভ্ৰমণ জীৱনত বুটলি লোৱা, তিনিধাৰী মুক্তাৱলী হিচাবে ৰাখি থোৱা মধুৰ স্মৃতিৰ অমিয়া মাধুৰী—এই ভ্ৰমণ কাহিনী মোৰ।

---

# বিহুৱান

( গীতৰ-শৰাই )

গীত— ( ক )

নিজানতে ফুলিছিলি আদৰমালতী,
এন্ধাৰ-মুধাৰ গিৰি-গুহাৰ বিলাই সুৰভি ;
—আদৰ-মালতী !
ৰূপে নো তোৰ জকেমকায় পৰ্বেতৰ গা,
গোন্ধে নো তোৰ মলেমলায় পৰ্বেতৰ বা,
ৰঙতে নো থৌকিবাথৌ
নিজৰাৰে ঢৌ ;—
লাজতে যা' মৰহি
বেলিৰ কিৰণ পৰশি,
পৰ্বেতৰ কুঁৱৰী তই লাজুকী অ' ৰূপহী !
—আদৰমালতী !

—°°০°°—

গীত— (খ)

ওৰণিৰ তলতে গৈছিলা, গাভৰু !
—বতাহে লগালে জোট,
অ' লাহৰী, গুচলে কপাহী মোট ;
কি ভাগ্য সাধিলোঁ। মুখতে দেখিলোঁ।
ৰূপহী পূর্ণিমাৰ জোন,
বৈ গল বিজুলী-সোঁত।
চকুৰ নো আঁৰতে আমনি লাজতে
ফুটোনে মুফুটোঁ হাঁহি ;
ৰূপনাৰ কাষতে ফুলোনে নুফুলোঁ।
যেনিবা গোলাপৰ পাহি
—গালতে ফুটিছিল আহি।
কঁপিছিল ৰাঙলী ওঠ,
কপালত, জ্বলিছিল সেন্দুৰৰ ফোঁট—

* * * * * *

সিদিনাৰে কি বিষে উজালে,—
—কি সাপে মাৰিলে খোট !
—তেজে মোৰ মাৰিলে গোট।

গীত— (গ)

বলীয়া বতাহে—
আগ ভেটি ধৰিলে,
—কেনেকৈ ফাল কাটি যাওঁ ?
মোৰ,—ঘৰলৈ নচলে পাব।
ঘাটতে বৈ কোন আছিলে গতুৰু,—
কলিজাত বিন্ধিলে শেল ;
মন হল বাউলী, লগালে আউলি,
—থান-বান কৰিলে মেল।

* * * * * *

বাটতে আঁচলত ধৰে ঐ বতাহে,
মেখলাত জোটা-পুটি কৰে।
মুখলৈ চাই যে বান্ধই হাঁহিলে
যেতিয়া পানী-কাধ পাওঁ,—
—কেনেকৈ পাহৰি যাওঁ ?
মোৰ,—ঘৰলৈ নচলে পাৱ !

গীত— (ঘ)

গধূলি পৰতে
পানী-অনা ছলতে
বকুলৰ তলতে বৈ,
ছেগ চাই মিচিকি হাঁহিৰে চেনেহী
ঠাঁৰতে কথা গল্প কৈ,
আঁৰতে তামোল থন থৈ।

* * *

আহদি কৰিলা কি !
কি দোষ লগালা
কি জুই জ্বলালা ?
তাতে নো মাৰিলা পুৰি
নিশাৰে নিশাটো চকু-চিপ নেপালোঁ
পাতিতে ফুৰিলোঁ ঘূৰি !

গীত— (ঙ)

গোমচেঙৰ পিন্ধি কি এঙা ছোলা
আহিছিলা মন-ভোলা বাঙলী দৰা !
চকুৰে চাৱনি, চেনেহ-জৰা,
দেখিলে লাগে মন কেনেবা-কেনেবা ;-
—নাহিবা, নাহিবা,
নাহিবা পিন্ধি আৰু ৰঙা ছোলা,
—মুখতে দেখোঁ যেন অগনি-ফুৰা ।

মাতৰে লাৱনী, মোহিনী-মৰা,
শুনিলে উৰে মন কেনিবা-কেনিবা ;-
—নাহিবা, নাহিবা,
নাহিবা উঠি আৰু ৰঙা-ঘোৰা
নাহৰ-ডেকাটি সুৰাগ-চৰা ।

গীত— (চ)

কপৌ-ফুল ফুলিলে
আমে মল মলিলে—
বেমুৰ আমোল মেলিলে
হাবিয়ে-বনে
বিহু-বিহু কৰিলে দুখীয়া মনে ।
ৰঙালী বিহু-মাহ ;
গাভৰুৰ ন লাহ,—
সাজি-কাচি উতলা তেনেই খনে !
চাই নো চাই বলীয়া
মোৰে চল-চলীয়া
চকু-যুৰি —
এই হেন বেলিকা জাকতে জিলিকা
চেনেহীক নাই দেখা
কেনিও ঘূৰি—
পখিলা উৰাদি উৰি যে ফুৰিছিল,—
— কেনিবা গলগৈ উৰি ;
চেনেহৰ বিহুতলী —উদং কৰি !

* * *

মনে আজি উকঙা,
বিহু লাগে সেৰেঙা :—
ইবেলি গগনা বজাব কোনে ?
বিহুৰে বস্তি লগাব কোনে ?
বিহু বিহু বুলি কান্দে আবৰী মনে !

# ফুলপানী ছিগা ৰণৰ প্ৰাসঙ্গিক কথা

অসমৰ স্বাধীনতাৰ শেষ শতাব্দীত অসমীয়া আৰু মানৰ ভিতৰত যিবিলাক যুদ্ধ লাগিছিল তাৰ ভিতৰত ফুলপানী ছিগাৰ ৰণো লেখত লব লগীয়া। অসমৰ স্বাধীনতা বেলি মাৰ যোৱা, মহগড়ৰ হিয়া বিদৰা পৰিণতিপূৰ্ণ সমৰৰ আগতে ফুলপানী ছিগাত লগা ৰণৰ পৰিণতিও অসমৰ ভাগ্য আকাশত কালিমা-সনা অন্যতম ক'লা ডাৱৰ। সাধাৰণতে চলিত বুৰঞ্জী বিলাকত এই যুদ্ধৰ বিষয় যেনেদৰে থাকিব লাগিছিল তেনেদৰে নাই। লিখিত অৱস্থাত আৰু মানুহৰ মুখত এই যুদ্ধক ফুলপানী ছিগা, মাছখোৱা গড় বা জামুগুৰি চাপৰিৰ ৰণ বুলি কোৱা শুনিবলৈ পোৱা যায়। ফুলপানী ছিগা নাম থকাৰ সময়ত জামুগুৰি নামটোও থকা হলে আৰু যুদ্ধৰ সময়ত এই একে ফুলপানী ছিগা নামে জামুগুৰিকো নেসামৰা হলে এই যুদ্ধৰ নাম জামুগুৰি চাপৰিৰ ৰণ বুলিহে থাকিল হেঁতেন। তিনিটা নামেৰে একেখন যুদ্ধৰ কথা কোৱাত বিশেষ ভুল ধৰিবলৈ একো নাই কাৰণ সময়ৰ সোঁতত একেখন ঠাইৰ তিনিটা নামে প্ৰাধান্য লাভ কৰি আহিছে। মাছখোৱা গড়কে গড়িলা লৈ এই যুদ্ধ হোৱাৰ নিমিত্তে ইয়াক মাছখোৱা গড়ৰ ৰণ বোলে।

এই মাছখোৱা গড় জয়ধ্বজ সিংহ স্বৰ্গদেৱে বন্ধায়। অসমৰ দক্ষিণ চেউনী আলিৰ গৌৰীসাগৰৰ পৰা বৰ্ত্তমানৰ জঁাজীনৈৰ দলং পৰ্য্যন্ত যি ছোৱা আলি, তাকে মাছখোৱা গড় বা মাছখোৱা গড়ৰ আলি বোলে। জঁাজীৰ দলঙৰ ওচৰতে এই আলিৰ মুৰ পৰা নিমিত্তে ঠাইডোখৰক গড়মুৰ বোলে, কোনোৱে কোনোৱে আলিৰ মুৰো বোলে। এই গড়া মুৰতে মাছখোৱা গড়, পুৰণি চেউনী আলি, জঁাজীনৈ আদি গোটখাই যোৰহাট আৰু শিৱসাগৰ দুটা মহকুমা ফলাৰ উপৰিও একেলগে পাঁচোটা মৌজাৰ সঙ্গমস্থল হৈছে। এজন মানুহে ইচ্ছা কৰিলে পাঁচ মিনিট মানৰ ভিতৰতে দুটা মহকুমা আৰু পাঁচোটা মৌজাত ভৰি দিব পাৰে। এনে ঠাই সাধাৰণতে পোৱা নাযায়।

অপ্ৰাসঙ্গিক যদিও এই প্ৰবন্ধ লিখাৰ ছেগতে, প্ৰবন্ধত পোন-পটীয়াকৈ আৱশ্যক নোহোৱা দুই চাৰিটা কথা লিপিবদ্ধ কৰিব লাগিব। প্ৰথমতে মানুহৰ মুখে মুখে চলি অহা মতে মাছখোৱা গড়ৰ কথাকে কব লাগিব। মানুহে কয়

গড়মূৰৰ ওচৰত চাৰিং খণ্ডৰ সীমাত মাছখোৱাৰ ঘৰ বুলি এপৰিয়াল মানুহ আছিল। তেতিয়া ৰংপুৰৰ সীমাৰ পৰা জাঁজী নৈলৈকে এই ছোৱা চাৰিং খণ্ডৰ ভিতৰত পৰিছিল। সাধাৰণতে আহোম সিংহাসনৰ উত্তৰাধিকাৰী কোঁৱৰ এই ছোৱাৰ গৰাকী হৈ থাকে। আজি-কালি ইংৰাজৰ সিংহাসনৰ উত্তৰাধিকাৰীক যেনেকৈ 'প্ৰিন্স অৱ ৱেলচ' বোলে, ঠিক সেইদৰে আহোম সিংহাসনৰ ভাবী উত্তৰাধিকাৰীকো চাৰিঙ্গীয়া ৰজা বুলিছিল। অৱশ্যে দেশৰ আৰু ৰাষ্ট্ৰৰ ভাগ্য বিপৰ্য্যয়ত ইয়াৰ ব্যতিক্ৰমো যে হোৱা নাছিল তাক ক'ব নোৱাৰি। জাঁজীৰ পৰা বেন্দুগুৰি পৰ্য্যন্ত এই ছোৱাক টীয়ক খণ্ড বুলি জানিছিল। এইদৰে ব্ৰহ্মপুত্ৰৰ উত্তৰে আৰু দক্ষিণে অসম ৰাজ্য খন দুভাগ কৰি প্ৰত্যেক ভাগকে খণ্ড খণ্ড কৈ ভাগ কৰি লৈছিল। আগতে ইয়াৰ অলপ ইফাল সিফাল আছিল যদিও আহোম ৰাজত্বৰ পাচৰ ছোৱাত ঠিক এনে দৰেই আছিল। আমি কৈ অহা মাছখোৱাৰ ঘৰতে এটি অতি সুন্দৰী কন্যা আছিল। কিবা কাৰণত স্বৰ্গদেৱ জয়ধ্বজ সিংহ চাৰিং চেৰাই যাওঁতে সেই কন্যাটি দেখিবলৈ পালে। স্বৰ্গদেৱে ৰূপহী আৰু সৰ্ব্ব সুলক্ষণ যুক্ত কন্যাটিৰ পাণি গ্ৰহণ কৰিবলৈ ইচ্ছা কৰিলে। ৰজাৰ মানুহে মাছখোৱাৰ ঘৰত সেই কথা জনালত কন্যাৰ বাপেকে কলে, যদি স্বৰ্গদেৱে এটা আলি বন্ধাই সেই আলিৰ ওপৰেদি তেওঁৰ জীয়েকক নিয়াব পাৰে তেন্তে স্বৰ্গদেৱলৈ জীয়েকক দিয়াত তেওঁৰ একো আপত্তি নেথাকে। ৰজাই তাতে মান্তি হৈ এই গড় বন্ধালে আৰু তাৰ নাম মাছখোৱা গড় ৰাখিলে। এইটো মানুহে কোৱা কথা। ই সঁচা হক মিছা হক, জয়ধ্বজ সিংহ ৰজাৰ দিনতে এই আলি বন্ধোৱা কথা বুৰঞ্জীয়েও কয়। জয়ধ্বজ সিংহই ন বছৰ মাত্ৰ ৰাজত্ব কৰি খ্ৰীঃ ১৬৬৩ চনত ইহলীলা সম্বৰণ কৰে। সেই হিছাপে মাছখোৱা গড় বন্ধোৱাৰ দিন ২৮০ বছৰ মান হৈছে।

এই মাছখোৱা গড়ৰ দাঁতিত পশ্চিমৰ শেহৰ ছোৱাৰ প্ৰায় এক ক্ৰোশ মানৰ ভিতৰতে ফুলপানী ছিগাৰ যুদ্ধ লাগিছিল। ফুলপানী ছিগাৰ নাম মানুহৰ মুখত পৰি বৰ্ত্তমান শূলপানী ছিগা হলহি। ফুলপানী ছিগা আৰু জামুগুৰি চাপৰিৰ মাজত বৰ্ত্তমান এখন সৰু গাওঁ বহিছে। মুঠতে এই গাওঁখনৰ ইপাৰ সিপাৰেই ফুলপানী ছিগা আৰু জামুগুৰি চাপৰি। এশ বছৰমানৰো কম সময়ৰ আগত এইখন গাওঁ নাছিল। ফুলপানী ছিগাৰ যুদ্ধৰ পাচত কোম্পানিৰ দিনতহে এই গাওঁ, গাওঁমুৱা হৈ উঠিছে বুলি প্ৰমাণ পোৱা যায়। সেইদেখি বৰ্ত্তমানৰ জামুগুৰি চাপৰি আৰু ফুলপানী ছিগাৰ ভিতৰত সীমাৰ একো নিৰ্দ্দিষ্টতা নাছিল।

ফুলপানী ছিগা বা জামুগুৰি চাপৰি নাম হোৱাৰ আগতে বা এইবোৰ ঠাইৰ নাম কি আছিল তাক কোনে জানে ? ফুলপানী ছিগা আৰু জামুগুৰি চাপৰি নাম হোৱা প্ৰায় দুশ বছৰৰ ভিতৰৰ কথা। আলি বা গড় ছিগি যেনি পানী চলাচল কৰে সেই ডোখৰক সাধাৰণতে ছিগা বোলে। এনে ছিগা ওচৰত থকা একোজন ডাঙৰ মানুহৰ নাম বা উপাধি অনুসৰিয়েই সাধাৰণতে হয় বুলি বোধ হয়। আগৰ এনে ছিগা আজি কালি বহুতো পুতিছে যদিও তাৰ নাম একেবাৰে লোপ পোৱা নাই। এনেকুৱা ছিগা, এই প্ৰধান আলিটোতে বহুত আছে; যেনে ফটিকা ছিগা, বনমালি ছিগা, চেঙেলি ছিগা, ফুলপানী ছিগা আদি। এনে ছিগাৰ নাম অনুসৰি একোডোখৰ ঠাইৰ নামো হৈ পৰে। নৈ বা জানে একোডোখৰ ওখ ঠাই বা আলি ছিঙি বাট ললেও ছিগা বোলে যেনে তামুলি ছিগা, মৰাণ ছিগা, কাবৈ মাৰি ছিগা আদি। গড়ৰ আলিৰ ৰঙাজানৰ 'পুল' আৰু গড়কোষ গাৱঁৰ ভিতৰৰ, আলিৰ পূব দক্ষিণ পাৰৰ চাপৰিটোক জামুগুৰি চাপৰি বোলে। এই চাপৰিৰ চুকতে থকা কাৰণে জকাইচুক পথাৰৰ মুৰিয়লিত থকা আলিৰ উত্তৰ পশ্চিম ফালৰ গাওঁখনক 'চাপৰিচুক' বোলে। এতিয়া এই চাপৰিচুক নাম প্ৰায় লোপ পাইছে। ঠিক জামুগুৰি চাপৰিতে থকা জাঁজী উচ্চ ইংৰাজী বিদ্যালয়ৰ খেলমাটিৰ মাজত এজোপা জামুগছ আছে। সাধাৰণতে এইজোপা গছ থকাৰ নিমিত্তেই, এই চাপৰিটোক জামুগুৰি চাপৰি বোলে বুলি মানুহে কয় এইজোপা গছ বেছি দিনীয়া নহয়। জামুগুৰি নামহোৱা জামুজোপা বৰ্ত্তমানৰ গছ জোপাৰ পোনতে আলিৰ প্ৰায় ওপৰতে আছিল। এই জামুজোপাই তাৰ ওচৰত উত্তৰাধিকাৰী স্বৰূপে বৰ্ত্তমানৰ গছজোপা থৈ মৰাৰ বৰ বেছিদিন হোৱা নাই। মানৰ গুলি সহিব নোৱাৰি হহকি অহা অসমীয়া সেনাই বোলে এই গছ জোপাৰ আঁৰ লৈ প্ৰাণ ৰক্ষা কৰি পলাইছিল। বৰটোপৰ গুলি লাগি গছ জোপাৰ এফাল খহি গৈছিল বুলিও লোকে কোৱা শুনো। যেইহক বৰ্ত্তমানৰ জামুজোপাই তাৰ পূৰ্ব্ব পুৰুষৰ নাম ৰাখি অনেক বাটৰুৱা, গৰখীয়া আদিৰ আশ্ৰয় থল স্বৰূপ হোৱাৰ উপৰিও, দেশৰ আৰু কালৰ সোঁতত বৈ অহা সভা সমিতি বিলাকৰ অধিৱেশনৰ স্থল হৈও সন্মান লাভ কৰিছে। ভাৰতৰ আৰু অসমৰ ডাঙৰ ডাঙৰ নেতাসকলৰ অভ্যৰ্থনাও জাঁজীবাসীয়ে ইয়াতে কৰে। এতিয়াৰ জোপা গছেও বংশ ৰক্ষাৰ কাৰণে অলপ আঁতৰতে আৰু এজোপা জামুগছ তুলিছে।

গড় আলিৰ দাঁতিৰ, গড়কোষ গাৱঁৰ পূবফালে জকাইচুক পথাৰৰ মাজেদি,

আলি ছিৰ্ডি বৈ যোৱা, খৰখৰি জানৰ দাঁতি কাষৰলৈকে এই ছোৱা ঠাইকে মোটামুটিকৈ আগৰ শূলপানিছিগা আৰু বৰ্ত্তমানৰ ফুলপানী ছিগা বোলে। এইদৰে দেখা গল, আমাৰ বৰ্ত্তমান বৰ্ণনাৰ যুদ্ধৰ থলৰ নাম তেহেঁলৈ যি হব লাগে,—পূবে ইয়াৰ সীমা খৰখৰি আৰু পশ্চিমে ৰঙাজান প্ৰায় ডেৰমাইলৰ ভিতৰত। ফুলপানী ছিগা নামৰ কথা কবলৈ গলে অসমৰ এটা বৃহৎ উন্নত বংশৰ কথা কব লাগিব। আমি জনাত কোঁচ ৰজা বিশ্বসিংহৰ দিনত প্ৰায় ১৫০০ খৃষ্টাব্দত কনৌজৰ পৰা, এই বংশৰ গুৰি অনিৰুদ্ধ অসমলৈ আহে। এইবংশৰ লোকসকলক আজি কালি ৰসেন্দ্ৰ বৰুৱাৰ ঘৰৰ বুলি সৰ্ব্ব সাধাৰণে জানে। অৱশ্যে এই বংশত বেলেগ বেলেগ খিতাপধাৰী লোক অনেক আছিল সেই অনুসৰি পৃথক নামেৰে পৃথক ডাল বিলাকক জনা যায়। কোঁচ আৰু আহোমৰ ভিতৰৰ যুদ্ধ বিগ্ৰহ শেষ হৈ মিত্ৰতা স্থাপন হলত অনিৰুদ্ধৰ অন্যতম বংশধৰ শূলপাণি বৰুৱাই বৰ্ত্তমান শিৱসাগৰ জিলাৰ জাঁজী অঞ্চলৰ বৰ্ত্তমানৰ ফুলপানী ছিগাত বসতি কৰেহি। অনিৰুদ্ধৰ পৰা চলি অহা সপ্তম পুৰুষত এই শূল-পানী বৰুৱাৰ জন্ম। অনিৰুদ্ধৰ বংশৰ লোকে গুৱাহাটীৰ পৰা ৰংপুৰলৈকে অনেক ঠাইত বসতি কৰি থাকি, দেশকাল পাত্ৰ অনুসৰি পূৰ্ব্বপুৰুষৰ গৌৰৱ ৰক্ষা কৰি আছে। শূলপাণি বৰুৱাৰ নামেই শূলপাণি ছিগা। শূলপাণি ছিগাই মানুহৰ মুখত পৰি বৰ্ত্তমানৰ ফুলপানী ছিগা হৈছে। বৰ্ত্তমান ফুলপানী ছিগাত শূলপাণি বৰুৱাৰ পুখুৰী এটি আছেই তাৰ ওচৰতে তেখেতৰ বংশধৰ এজনেও ঘৰবাৰী কৰি আছে। আমি যি যুদ্ধৰ থলিৰ কথা কলৈ গৈ আগতে ইমান খিনি বৰ্ণনা কৰিব লগীয়া হল সেইযুদ্ধ ক্ষেত্ৰ বৰ্ত্তমান যোৰহাট নগৰৰ পৰা দহ ক্ৰোশ উজাই আৰু ৰংপুৰ নগৰৰ পৰা প্ৰায় সাত ক্ৰোশ ভটীয়াই। বৰ্ত্তমান যিবিলাক অনুষ্ঠানৰ দ্বাৰা জাঁজীৰ নাম দহে জনা হৈছে সেই অনুষ্ঠানৰ প্ৰায় সকলোবিলাক এই জামুগুৰি চাপৰিৰ ওপৰতে বা ইয়াৰ নিচেই দাঁতিতে। সদৌ অসমীয়া ৰাইজৰ সহায় আৰু সহানুভূতিত ঠিক যুদ্ধক্ষেত্ৰতেই প্ৰতি বছৰে মহাবীৰ লাচিত বৰফুকনৰ সোঁৱৰণী মেলা হৈ আছে। স্থানৰ মহিমাতে এই মেলা উপলক্ষে আৰু আন কাৰণতো জামুগুৰি চাপৰিত সহস্ৰ সহস্ৰ নৰ-নাৰীৰ সমাগম হয়। অসমৰ অতি কম গাৱঁলীয়া ঠাইতহে প্ৰতি বছৰে ইমান নৰনাৰী সমাগম হয়। বীৰৰ তেজেৰে ৰঞ্জিত হৈ যোৱা পবিত্ৰ ক্ষেত্ৰৰ পবিত্ৰতা এইদৰেই বৃদ্ধি হৈছে আৰু পূৰ্ব্বপুৰুষসকলৰ এটি কথা সোঁৱৰোতে আন কথা বিলাক সুঁৱৰিবলৈ সুবিধা হৈছে।

আজি কালি যি ডোখৰ ঠাইক আচল জামুগুৰি চাপৰি বোলে, ঠিক সেই ডোখৰ ঠাইতেই যুদ্ধৰ হেঁচাটো ভালকৈ পৰিছিল। সেই ঠাইতে অলপ দিন-লৈকে মাটিখানিলেই সোপাসোপে মানুহৰ হাড়মূৰ লাওখোলা আদি ওলাইছিল; ৰঙা জানৰ ওপৰত থকা, মাছখোৰা গড়ৰ পকী দলং পাৰহৈ, অলপদিনলৈকে গধূলি হোৱাৰ পৰাই গোটেই ৰাতি আৰু দুপৰীয়া, অকলশৰে মানুহ অহাযোৱা কৰিবলৈ ভয় কৰিছিল। গড়ৰ লগৰীয়া বস্ত কোঁটোহা বাঁহ জোপাচেৰেক ওচৰতে আজি তিনি বছৰৰ আগলৈকে আছিল। মানুহে কাটি পেলালতো তাৰ পুলি-পোখা আকৌ ওলাইছে। বুঢ়াসকলৰ মুখে শুনা যায়, প্ৰায় আঢ়ৈকুৰি বছৰৰ আগতেই, মাছখোৰা গড়ৰ সৰহ ছোৱা দাঁতিত অটব্য অৰণ্য আছিল। দুইফালৰ গছৰ আগ ওলমি, মাছখোৰা গড়টো ঢাকি লুংলুঙীয়া বাট কৰি থৈছিল। মানুহে এই বাটেদি ৰংপুৰলৈ যাবলৈ হলেও, দেখা শুনাকৈ ইাহ পাৰ মাৰি এসাজ খাই যাব লগীয়া হৈছিল। আনকি বৰ্ত্তমানৰ ফৰকাল, মুকলি, আনন্দ দায়ক জামুগুৰি চাপৰিৰ হাতী লুকাই থাকিব পৰা ফুটুকা গছ গুচিবৰ ডেৰকুৰি বছৰেই হোৱা নাই। অৱশ্যে এই অৱস্থা আগেয়ে নাছিল। যেতিয়া ৰূপহী নৈয়ে, বৰ্ত্তমানৰ জেৰেঙা আৰু ৰংপুৰ নগৰৰ পানী উলিয়াই নি, ৰংপুৰ সৰ্চাকৈয়ে ৰূপহ কৰি থৈছিল আৰু ৰাজধানীৰ ৰজা-ৰাজোৱান, কোঁৱৰ কুৱঁৰীয়ে স্পৰ্শ কৰা পানী বৰলৈত পেলাই ৰূপহী নাম সাৰ্থক কৰিছিল; যেতিয়া বৰ্ত্তমানৰ জয়দৌলৰ ওচৰে পাজঁৰে থকা নলনি, খাগৰিয়নি, দলনি আৰু বিহমেটেকানিৰ ঠাইত উন্নত নগৰৰ ফল-ফুলৰ বিতোপন বাগিছা আছিল, যেতিয়া স্বৰ্গদেও সকলৰ সু-শাসনত আৰু দুৰ্দ্দন্ত প্ৰতাপত, অসম ৰাজ্য শান্তি আৰু সমৃদ্ধিৰে ভৰপূৰ হৈ অসমৰ সোণ পুৰ নামৰ সাৰ্থক কৰিছিল; তেতিয়া স্বৰ্গদেওসকলৰ অতি আদৰৰ চাৰিং ৰাজ্যৰ মাজৰ ঘাই আলিটোৰ এনে অৱস্থা নাছিল আৰু এই খণ্ড ঠাইত এনে অৰণ্যও নাছিল। যেতিয়া চাৰিঙৰ মাজৰ চাৰিং নৈয়ে সদায় ভোগ বিলাসত থাকি নিঃকিন হৈ নিজৰ জীৰ্ণ-শীৰ্ণ শৰীৰ পৰ্য্যন্ত জগতক দেখুৱাবলৈ সঙ্কোচ বোধ কৰিছিল তেতিয়া চাৰিঙেও দুখ দুৰ্গতিত পৰি অটব্য অৰণ্যেৰে নিজ দেহ ঢাকি থবলৈ চেষ্টা কৰিছিল। আমিও আগতে ঠিক সেই দুৰৱস্থাত পৰাৰ কথাহে কৈ আহিছো,—এই অৱস্থা ৰাজনৈতিক দোমোজাৰ সময়ৰ কথা—ঘৰৰ চুক কাণ চিনিপোৱা গৃহস্থৰ বহুদিনীয়া বেমাৰৰ পাচত মৃত্যু হৈ নতুন অচিনাকি গৃহস্থৰ হাতলৈ ঘৰ বাৰী আহিলে প্ৰথমতে যি অৱস্থা সাধাৰণতে হয়, আমিও ঠিক তেনে অৱস্থাৰ কথাকে কৈছোঁ।

ই মান-মৰাণৰ উৎপাতত দেশ ছাৰখাৰ হোৱাৰ সময়ৰ আৰু তাৰ পাছৰ,—অসমৰ স্বাধীনতা বেলি মাৰ গৈ পৰাধীনতাৰ আন্ধাৰ সোমোৱাৰ ঠিক অলপ আগৰ,— মহাপ্ৰতাপী স্বৰ্গদেৱসকলৰ বংশধৰৰ পৰা বুটিছে অসম ৰাজ্য মানৰ হাতেদি লোৱা সময়ৰ,—আৰু অসম-ৰাজ্যৰ ভেটি ৰখীয়া, মহামতি পূৰ্ণানন্দ বুঢ়া গোঁহাই ডাঙৰীয়াৰ ডেউকাৰ তলৰ পৰা অসম দেশ ওলাই অহাৰ পাচৰ কথা; ভগা ৰাজ্য আকৌ পাতোতে বুটিছৰো অনেক বছৰ লগাটো স্বাভাৱিক।

অসম বুৰঞ্জীৰ অলপ চৰ্চা থকা লোকেও স্বৰ্গদেৱ চন্দ্ৰকান্ত সিংহৰ শাসনৰ আৰম্ভতে বদন বৰফুকনে অসমলৈ মান অনা কথা জানে। মানৰ প্ৰথম আক্ৰমনৰ সম্পূৰ্ণ ফলাফল দেখিবলৈ নোপাওঁতেই পূৰ্ণানন্দ বুঢ়া গোঁহাই ডাঙৰীয়াৰ মৃত্যু হয়। মান বদনৰ লগৰ যুদ্ধত অসমীয়া সৈন্যৰ পৰাজয়ৰ কথা শুনি বুঢ়া গোঁহাইৰ পুত্ৰ নতুনকৈ হোৱা বুঢ়া গোঁহাই আৰু তেওঁৰ ভায়েক ছয়োজন ভটীয়াই পলাই গ'ল। পিতৃবৈৰী বদনৰ হাতত পৰিলে তেওঁবিলাকে ৰক্ষা পোৱা টান হ'ব বুলি ভাবিয়েই এনে কৰিবলৈ বাধ্য হ'ল। বদন চন্দ্ৰই নিজে মন্ত্ৰী বৰফুকন হৈ বিষয়া ভাৰ্ণ্ড-পাতি স্বৰ্গদেৱ চন্দ্ৰকান্তক ৰাজপাটত সাক্ষী যেন কৈ থৈ ৰাজকাৰ্য্য চলাবলৈ ধৰিলে, বদনৰ পৰামৰ্শ মতে স্বৰ্গদেৱে মান ৰজালৈ নিজ-বংশৰ বগা কোঁৱৰৰ জীয়েকক বিয়া দি মিত্ৰতা কৰিবলৈ পঠালে আৰু মানক সন্তুষ্ট কৰি ধন সোন আদি দি নিজ দেশলৈ বিদায় দিলে। এই দৰেই মানৰ প্ৰথম আক্ৰমণ শেষ হ'ল। বদনৰ প্ৰতিপত্তিৰ আৰম্ভৰ লগে লগে আগৰ পূৰ্ণানন্দ বুঢ়া গোঁহাইৰ ফৈদীয়া বিষয়া আদি ভালেখিনি ভটীয়াই পলাই গৈ ঠায়ে ঠায়ে আছিল। ইহাতে বদনে অন্যায় ভাৱে ৰজাৰ ওপৰত চলোৱা ক্ষমতাত, পুৰণি বিষয় আদিৰ নিৰ্য্যাতনত আৰু বদনক স্বৰ্গদেৱে পিতৃ বুঢ়া গোঁহাইৰ ঘৰত থাকিবলৈ দিয়াত ৰাজমাও আৰু অন্যান্য বিষয়া সকলৰ গা পুৰিবলৈ ধৰিলে, সেই দেখিয়েই ৰাজমাৱৰ বিশেষ প্ৰৰোচনাত ৰূপচিং বঙালে বদনক চলেৰে বধ কৰিলে।

ইতি মধ্যে বদনৰ প্ৰতিপত্তিত ভয় পাই পলাই যোৱা, বুঢ়া গোঁহাইৰ পুত্ৰসকল কলিকতা পালেগৈ। তাত তেওঁবিলাকে ইংৰাজ কোম্পানীৰ গৱৰ্ণৰ জেনেৰেলক অসম দেশ মানে লোৱাৰ কথা কৈ, অসম ৰাজ্য উদ্ধাৰ কৰিবৰ নিমিত্তে সহায় ভিক্ষা কৰিলে। গৱৰ্ণৰ জেনেৰেলে, পৰ ৰাজ্যৰ ৰজাৰ ভিতৰৰ হাই-কাজিয়াত কোম্পানীৰ হাত দিয়া নিয়ম এৰা পৰিছে বুলি কৈ তেওঁবিলাকক পঠাই দিলে। উপায় নেপাই ডেকা বুঢ়াগোঁহাই সপৰিয়ালে ভায়েকসকল আৰু

আন লগৰীয়া সকলৰ সৈতে চিলামাৰিলৈ ঘূৰি আহিল। সেই সময়ত ৰাজেশ্বৰ সিংহৰ দিনতে ফাটি অহা ডালৰ ব্ৰজনাথ নামেৰে ৰাজকোঁৱৰ এজন ভটীয়াই আহি আছিল হি, তেওঁ ৰাজেশ্বৰ সিংহৰ পুতেক ৰত্নেশ্বৰ আৰু ৰত্নেশ্বৰৰ পুতেক বৰমূৰা গোঁহাইৰ পুতেক আছিল। হঠাতে ৰজা হবৰ নিমিত্তে এই অভাৱনীয় সুযোগ পাই তেওঁ বুঢ়াগোঁহাইৰ পুত্ৰসকলেৰে গোট খাই, পৰামৰ্শ কৰি কেইত-বিলাক দেশী আৰু বিদেশী চিপাহী গোটালে। এই দলটোৱে ইতিমধ্যে বদনৰ বধৰ গম পাই ৰাজধানীৰ ফালে উজাই আহিবলৈ ধৰিলে। এই দৰে সসৈন্যে বুঢ়াগোঁহাইৰ দলটো অহা দেখি বদনৰ ভয়ত ঘৰবাৰী বিষয়-বাব এৰি আঁতৰি থকা সকলো লগ লাগিল। গুৱাহাটী পাই এওঁবিলাকে আৰু অনেক মানুহক লগ লগাই লোৱা বুদ্ধিৰে নিজৰ ভিতৰৰ এজনক আগৰণুৱা কৰি চাহাবৰ পোচাক পিন্ধাই ললে। সৰ্ব্বসাধাৰণ সকলোৱে ডেকা বুঢ়া গোঁহাইৰ দলক চাহাবে সহায় কৰিছে যেন ভাবি দলে দলে যোগ দিবলৈ ধৰিলে। সেই সময়ত চাহাবে সহায় কৰিলেই যুদ্ধত নিশ্চয় জয় হব বুলি সকলোৱে ভাবিছিল। জয়ী দলৰ লগত থাকিলে ভৱিষ্যতে লাভ হব বুলিয়েই মানুহে এইদৰে আক্ৰমণকাৰী দলটোত লগ লাগিছিল। এই দল ক্ৰমে উজাই আহি ৰহা পাই, তাত থকা চন্দ্ৰকান্ত আৰু বদনৰ ফলীয়া বিষয়া এজন পাই তেওঁক বধ কৰি দিন-চেৰেকৰ পাচত দিচৈ কোঠ পালেহি। ইফালে ৰাজধানীৰ ডা-ডাঙৰীয়াবিলাকে বুঢ়া গোঁহাইৰ এই প্ৰবল দলটো দেখি ভয় খাই ৰজাক এৰি দিচৈ কোঠত বুঢ়াগোহাইৰ সৈতে দেখা সাক্ষাৎ কৰি মিত্ৰ ভাৱ দেখুৱালে। এনে অৱস্থাত ৰজা চন্দ্ৰকান্ত অকলশৰীয়া হৈ ৰংপুৰলৈ গুচি আহিল। দিচৈ কোঠত বুঢ়া গোঁহাই আদি বিষয়াসবলে আলচ কৰি চন্দ্ৰকান্তক যোৰহাটলৈ মতাই আনিবলৈ থিৰ কৰিলে। সেইমতে বুঢ়াগোঁহাইৰ ভায়েক এজন ৰংপুৰলৈ গৈ, চন্দ্ৰকান্তকে মহাৰাজ ৰাখি ব্ৰজনাথৰ পুতেক পুৰন্দৰক যুৱৰাজহে পাতিব বুলি শপত খাই কৈ, ৰজাক নিৰ্ভয় দি যোৰহাটলৈ লৈ আহিলে। ডাঙৰীয়াসকলৰ আলোচনা অনুসৰিয়েই চন্দ্ৰকান্তক আগৰ দৰে মহাৰাজ ৰাখি পুৰন্দৰসিংহক যুৱৰাজত অভিষেক কৰিলে। পুৰন্দৰৰ পিতৃ ব্ৰজনাথৰ গাত ঘুণ থকাত নিজে ৰাজপাটৰ অযোগ্য, সেই কাৰণেই বাপেক থাকোতেও পুৰন্দৰকহে যুৱৰাজ অভিষেক কৰিছিল। ভাটীৰ পৰা ব্ৰজনাথৰ সৈতে পৰামৰ্শ কৰি আহোতে বুঢ় গোঁহাই আদিয়ে চন্দ্ৰকান্তক ৰজা ভাঙি পুৰন্দৰক ৰজা পাতিব বুলি কথা দিছিল। কিন্তু এতিয়া তাৰ বিপৰীত কাৰ্য্য দেখি ব্ৰজনাথ ভয়ঙ্কৰ আপত্তি

তুলি আবেৌ ভটীয়াই যাবলৈ ওলাল। ডাঙৰীয়াসকলে আগৰ কথা এৰিব নোৱাৰি আৰু আগন্তুক বিপদৰ হাত সাৰিবৰ আন উপায় নেদেখি চন্দ্ৰকান্তক সিংহাসনৰ পৰা নমাই পুৰন্দৰক ৰজা পাতিলে। ইয়াতো শান্ত নহৈ ডাঙৰীয়াসকলে দুৰ্ভগীয়া চন্দ্ৰকান্তক অঙ্গক্ষত কৰি, নিদাৰুণ ভাৱে নিৰ্ব্বাসিত কৰি তৰাতলী নামেৰে ঠাই এখনত পালি পহৰীয়া দি বন্ধকৈ ৰাখিলে। পুৰন্দৰ সিংহ ৰজা হোৱাৰ পাচত তেওঁৰ বাপেক ব্ৰজনাথ যুৱৰাজ হল। বুৰঞ্জীৰ ই এটা ওলোটা ঘটনা। পূৰ্ণানন্দ বুঢ়াগোঁহাইৰ মৃত্যুৰ পাচত তেওঁৰ পুতেক বিশ্বনাথ বুঢ়াগোঁহাই হৈ বদন অহালৈকে আছিল, এতিয়াও তেৱেঁই বুঢ়াগোঁহাই হৈ থাকিল। অলপ দিনৰ পাচতে এই বুঢ়াগোঁহাইৰ ভনীয়েকৰ লগত পুৰন্দৰ সিংহৰ বিয়া হল। এই গৰাকী ৰাণীয়েই কামেশ্বৰ সিংহৰ গৰ্ভধাৰিণী। নতুন ৰজা পুৰন্দৰে এবছৰমান ভালদৰেই কটালে। *

* মানৰ সেনাপতি জনৰ নাম আৰু মান সেনাৰ সংখ্যা লৈ দুখন বুৰঞ্জীৰ দুটা মত। দুতিৰাম হাজৰিকাৰ কলি ভাৰত বুৰঞ্জীত সেনাপতিৰ নাম আলুমিঙি আৰু সৈন্য সংখ্যা মুঠে ছ হেজাৰ বুলি লিখিছে। বিশ্বেশ্বৰ বৈদ্যাধিপৰ বেলিমাৰৰ বুৰঞ্জীত সেনাপতিৰ নাম কিয়ামিঙ্গি আৰু সৈন্যৰ সংখ্যা যোল হেজাৰ বুলি লিখিছে। অসমীয়াৰ সেনা-সংখ্যা আৰু সেনাপতিৰ বিষয়তো দুইজনে বেলেগ মত দিছে। কলি ভাৰত বুৰঞ্জীত অসমীয়া সেনাৰ প্ৰধান সেনাপতি মৰঙ্গিখোৱা গোঁহাইক পাতিছে আৰু তাত গগৈ সেনা তিৰ নামকে ভালকৈ উল্লেখ কৰা নাই। বেলিমাৰৰ বুৰঞ্জীত গগৈ সেনাপতিক যুদ্ধৰ কৰ্ণধাৰ পাতিছে, মৰঙ্গিখোৱাক লগতে লগৰীয়াকৈ হে দেখুৱাইছে। আগৰ মোগল, মহাৰাষ্ট্ৰ আদিৰ দৰে ৰাজবংশৰ বা শিৰফুটা অভিজাত বংশৰ এজনক নামত হলেও সেনাপতি বুলি পঠিওৱাৰ নিয়ম অনুসৰণ কৰি কলি ভাৰতৰ লিখকে, সেনাপতি হিচাপে বুঢ়া গোঁহাইৰ ভায়েক আৰু চলাজনা বুঢ়াগোঁহাইৰ পুতেককে সেনাপতি বুলি কোৱাটো একো অসম্ভৱ নহয়। বেলিমাৰ-লিখক, বৈদ্যাধিপে তাকে, ছাঁটোৰ কথা নকৈ শৰীৰটোৰ কথাকে কব খুজিছে যেন বোধ হয়। দুতিৰামৰ বুৰঞ্জীত লিখা মান সেনাৰ ছহেজাৰ সংখ্যাটোতকৈ, বৈদ্যাধিপে লিখা যোলহেজাৰ সংখ্যাটো, বেছি বিশ্বাসযোগ্য যেন লাগে। মান সেনাপতিৰ নামৰ বিষয়েও বিশেষ কবলৈ নাই, কাৰণ একেজন মানুহৰ একাধিক নাম থাকিবও পাৰে, আৰু নিজৰ মনত খোচোৱা যেন লগা, বিদেশী ভাষাৰ নাম উচ্চাৰণত ভুলো কৰিব পাৰে। ফুলপানী ছিগা ৰণৰ, বিশেষ আৱশ্যকীয় কথাবিলাকৰ ভিতৰত, দুইখন বুৰঞ্জীত পাৰ্থক্য নাই বুলিলেই হয়, আমি যিবিলাক প্ৰভেদৰ কথা কৈ আহিছো সেইবিলাকৰ দ্বাৰা আমাৰ ঘাই কথাই অসুবিধা নেপায়। আমি এই বৰ্ণনাত প্ৰভেদ থকা কথাবিলাকৰ, বেলিমাৰত থকাবিলাককে ধৰিম; কাৰণ এইখন বুৰঞ্জীত আমাৰ বৰ্ণনা কৰিব লগীয়া যুঁজৰ কথা বহলাই আছে। তাতে বৈদ্যাধিপৰ বুৰঞ্জীখন বৰ্ণিত ঘটনাৰ বেছি সমসাময়িক।

বদন বধৰ পাচত বদনৰ পুতেক জন্মি আৰু পিয়লী দুয়ো দেশৰ পৰা পলাই গৈ মান ৰজাৰ দেশ পালেগৈ। তেওঁবিলাকে মান ৰজাৰ আগত বাপেকক অন্যায় কৈ বধ কৰাৰ কথা কৈ অনেক বেজাৰ কৰিলে আৰু ইয়াৰ প্ৰতিশোধ লবলৈ মান ৰজাক খাটিলে। মান ৰজাই ইতিমধ্যে মানে পাতি থৈ অহা চন্দ্ৰকান্ত ৰজাক ৰাজপাটৰ পৰা নমাই পুৰন্দৰক ৰজা পতা কথাও শুনিবলৈ পালে। এইবিলাক শুনি মান ৰজাই বদনৰ পুতেকহঁতক সান্ত্বনা দি নতুন ৰজা আৰু বুঢ়াগোঁহাই আদিক শাস্তি দি প্ৰতিশোধ লবৰ অভিপ্ৰায়েৰে সৈন্য পঠাবলৈ থিৰ কৰিলে।

এয়েই হল মানৰ দ্বিতীয় আক্ৰমণৰ কাৰণ। ৰজাৰ আদেশ মতে কিয়ামিঙ্গি সেনাপতিৰ তলত ষোল হেজাৰ মান সেনা অসমলৈ যাত্ৰা কৰিলে। মান বিলাকে যুদ্ধৰ আহিলা স্বৰূপে দা, যাঠী, হিলৈ, শুকান মঙহ; আফিং, চুঙাই চুঙাই মদ আদি লগত যথেষ্ট পৰিমাণে ললে।

মান আহি দলে বলে নামৰূপ-জয়পুৰ পালেহি। এইফালেই মান অহা বাট। মান ৰজাই সৈন্যবিলাকক, যতদূৰ সম্ভৱ অসমীয়া প্ৰজাৰ ওপৰত উপদ্ৰৱ নকৰাকৈ আৱশ্যকমতে যুদ্ধ কৰি চন্দ্ৰকান্তক ৰজা পাতি কাৰ্য্য সমাধা কৰিবলৈ কৈ পঠাইছিল বুলি বুৰঞ্জীয়ে কয়। মানে, কিন্তু নিজৰ অভ্যাস একেবাৰে এৰিব নোৱাৰিলে, কাৰণ একেখন বুৰঞ্জীতে মান সেনাই কৰা অত্যাচাৰৰ কথাও বৰ্ণনা কৰা আছে। নামৰূপৰপৰা মান আহি, কাকতি ফৰিঙৰদৰে ঘিলামৰা পালেহি। ঘিলামৰাত থকা অসমীয়া সৈন্যবিলাকক মানে, ৰাজদ্ৰোহী অৰ্থাৎ চন্দ্ৰকান্তৰ বিপক্ষ বুলি ধৰি, হালে হালে সাঙুৰি, কাকো বধ কৰিলে আৰু কাকো অন্য শাস্তি দি উৎপীড়ন কৰিলে। তাৰপৰা একেখেঁচাই মান সেনা লাদৈগড় পালেহি। এই যাত্ৰাত নাজিৰাৰ ওচৰতো মানৰ লগত অসমীয়া সৈন্যৰ মুখামুখি হৈছিল কিন্তু ই কাৰো ফালে বিশেষ কাৰ্য্যকৰী নহল, গোটেই মান সেনাৰ ভিতৰতে, এভাগ মাত্ৰ লাদৈগড় পাওঁতেই, অসমীয়া সেনাই মৰোঁ জীওঁকৈ যুদ্ধ দিয়াত, মান বিলাক হুহকি জাঁজী পাৰ হৈ আহি, ফুলপানী ছিগাত কোঠ মাৰি ৰ'লহি।

যোৰহাটত এই ৰণ জয়ৰ বাতৰি পাই ব্ৰজনাথ কোঁৱৰে বৰ আনন্দ পালে আৰু চন্দ্ৰকান্তৰ পৰাই এই আক্ৰমণ হৈছে বুলি বুজি মন্ত্ৰী সকলৰ সন্মতিক্ৰমে তেওঁক বধ কৰিবলৈ মানুহ পঠালে। চন্দ্ৰকান্তই এই কথা বুজিবলৈ পাই থকা ঠাইৰ পৰা তনুৰাম নামৰ মানুহ এজনৰ হাতত ধৰি পলাই গৈ হাবিত সোমাল। ভগা ৰজাক তাত নেপাই ৰাজদূতে চন্দ্ৰকান্তৰ মাকৰ আগত বহুত

বঢ়া বচন কৈ ভয় দেখুৱাই গুচি আহিল। ভাগ্যে যেনিবা আকৌ জয়মতী কুঁৱৰীৰ শাস্তিৰ পুনৰাভিনয় হবলৈ নেপালে।

মান সেনা বিলাকে, ফুলপানী ছিগাত কোঠমাৰি থাকি নানা অত্যাচাৰ কৰিবলৈ ধৰিলে। মান অহা শুনি জাঁজীকোষৰ ওচৰৰ মানুহে যৰে বস্তু তাতে এৰি পলাবলৈ ধৰিলে। গোহালীৰ গৰু মেলিবলৈও তত নেপালে। বান্ধৰ গৰু বান্ধত থাকিল। মানুহ নথকা দেখি হাবিৰ বাঘ ওলাই গোহালিৰ গৰু মাৰিবলৈ ধৰিলে। মান সেনায়ো ওচৰত অসমীয়া সৈন্য বা আন অসমীয়া মানুহ নেদেখি, গৃহস্থৰ গোহালিৰ পৰা নিৰ্ভয় মনেৰে গৰু আনি কাটি খাবলৈ ধৰিলে। ইহঁতে খাবলৈ ইমান গৰু পাইছিল যে গৰুটো বা গৰুজনীৰ অতি ভাল অংশটোহে নিজে ৰাখি বাকী বোৰ কুকুৰ শিয়ালক খাবলৈ দিছিল। এই দৰে নিশ্চিন্ত হৈ লাও পানী খাই, মতলীয়া হৈ ফুৰা মানসেনাক গোহালিৰ ওচৰত গৰু খাবলৈ খাপলোৱা বাঘে পাই বধ কৰিছিল। এইবোৰ বুঢ়ালোকৰ মুখৰ পৰা শুনা থকা। বৰ্ত্তমান গড়ৰ আলিৰ উত্তৰ পশ্চিম কাষত জকাই চুক পথাৰৰ দাঁতিত থকা হ'ফলু, চাপৰি আদিত বহুত খাল গাঁত আদি বিচাৰিলে দেখিবলৈ পোৱা যায়। এই বিলাক বোলে মানে কোঠ মাৰোঁতে খানি লৈছিল আৰু তাত লুকাই অসমীয়া সেনাৰ ওপত গুলি বৰষিছিল।

বিশ্বনাথ বুঢ়াগোহাঞে, ব্ৰজনাথ কোঁৱৰ আদিয়ে গভীৰ পৰামৰ্শ কৰি মানৰ লগত ৰণ দিবলৈ ভালকৈ সাজু হল। গগৈ ফুকন সেনাপতিৰ লগত মৰঙ্গি খোৱা সৰু গোহাঞে আদি আন আন বিষয়াক দি এটা ডাঙৰ ফৌজ মানক খেদিবলৈ পঠিলে। অসমীয়া সেনায়ো মানৰ দৰে ভালেমান বৰহিলৈ, সৰুহিলৈ যুদ্ধলৈ আনিছিল। মৰঙ্গিখোৱাক খাৰ গুলিযোগোৱা বাবটো এদনীয়াকৈ দিছিল বুলি অনুমান হয়। এই যুদ্ধত ব্যৱহাৰ লোৰৰ গুলিবিলাকৰ ওজন প্ৰায় এসেৰৰ পৰা এপোৱালৈকে দেখা গৈছে। গুলিবিলাক সাধাৰণতে বেছি শ্বইটা। এতিয়া মামৰে খাই এনে কৰিছে বুলিও ওপৰে ওপৰে ক'ব পাৰি কিন্তু ভালকৈ চালে এইবিলাক আগৰো বিশেষ মিহি নহয় বুলি অনুমান হয়। বৰ্ত্তমানৰ জামুগুৰিতে এই যুদ্ধৰ ঘাই হেঁচাটো পৰাৰ কাৰণেই এই ঠাইত মাটি খানোতে প্ৰায়েই দুই চাৰি গুলি পোৱা যায়। থলতে পোৱা বস্তু বুলি প্ৰতিবছৰ লাচিত মেলা প্ৰদৰ্শনিত এই গুলি দেখুৱা হয়। এই গুলি পোৱা ঠাইবিলাকৰ সকলো কথা লক্ষ্য কৰি মানৰ ফালৰ পৰা অসমীয়াৰ ওপৰত মৰা গুলিহে

আমি পাইছোঁ যেন লাগে; কাৰণ গুলিবোৰ উত্তৰ পূৱদিশৰ পৰা দক্ষিণ পশ্চিম দিশলৈ মাৰিলে যেনেদৰে থাকিব লাগে ঠিক সেইদৰেই সৰহভাগ পোৱা গৈছে। আনকি হাঁফলুৰ মাজে মাটিত গুলি সোমাই অহাৰ ঢোন্দো ভালকৈ উলিয়াই লব পৰাকৈ আছে। যুদ্ধক্ষেত্ৰৰ উত্তৰ পূৱদিশে মান সেনা আৰু দক্ষিণ পশ্চিম দিশে অসমীয়া সেনা থকাটোৰেই বুৰঞ্জী সন্মত কথ।

শুভক্ষণত যাত্ৰা কৰি আহি অসমীয়া সৈন্য জঁাজীৰ কাষত কেঠ পাতি ৰলহি। এই অসমীয়া সৈন্যই দলে দলে অসমীয়া মানুহ মানৰ ভয়ত যোৰহাটৰ ফালে ভটীয়াই পলাই অহা লগ পাইছিল। এই পলাই অহা মানুহ বিলাকৰ মুখৰ পৰা অসমীয়া সেনাপতি সকলে মানৰ গতিবিধি ভালকৈ জানিব পাৰিছিল। কিন্তু সৰহভাগ পলৰীয়া মানুহে মানৰ পৰা ইমান ভয় পাইছিল যে সিহঁতে অসমীয়া সৈন্যক মানৰ বাতৰিটো দিবলৈ ৰবলৈকো ভয় কৰিছিল। ফুলপানী চিগাত কোঠ পাতি থকা মানবিলাকক খেদাই দিবৰ নিমিত্তে অসমীয়া সেনা জঁাজী নৈ পাৰহৈ আগবাঢ়ি গল। মানেও অসমীয়া সৈন্য অহা দেখি কোঠৰ পৰা দলে বলে ওলাই আগ বাঢ়ি আহিল। এই দুয়োদল আহি জামুগুৰি চাপৰিত মুখামুখী হল।

কাকতি ফৰিঙৰ দৰে মান বিলাক ভটীয়াইছিল আৰু অসমীয়া সৈন্য জঁাজী পাৰহৈ উজাইছিল। মানৰ সেনা বিলাকৰ ভিতৰত কেবা ৰকমৰো মানুহ আছিল এইবিলাকৰ পোছাক পৰিচ্ছদৰ বিষয়েও কলি ভাৰতে বৰ্ণনা দিছে। সিহঁতৰ সৰহ ভাগে আগলৈ খোপা বান্ধে। মুখ গাইগুৱা দাড়ি গোঁফৰ চিন নাই—মাইকী মানুহৰ দৰে। মূৰত একোখন কাপোৰ মেৰিয়াই বান্ধে। এই খনক সিহঁতে "কাঔ বাঔ" বোলে। তিৰীৰ দৰে পোন্ধ নমৰাটৈ পিন্ধ আঁক বাঁক মেখেলাৰ নিচিনা কাপোৰক ইহঁতে 'ফতও' বোলে। এই সংঘৰ্ষত ষোল হেজাৰ মান সেনা আৰু প্ৰায় ওঠৰ হেজাৰ অসমীয়া সেনাই যুদ্ধ কৰে। অসমীয়া সৈন্যৰ লগত দেশী বিদেশী নানাৰকমৰ সৈন্য আছিল। অসমৰ স্বাধীনতাৰ বুৰঞ্জীৰ শেহছোৱাত, নাম জানিব লগীয়া মানুহৰ ভিতৰত হাও বৰাৰ নামো লেখত পৰে। এই হাও বৰাৰ তলত বাচ কটীয়া সৈন্য, কোঁৱৰ খেলৰ হিলৈদাৰি সৈন্য, ৰঘুৰৰ চুপাদাৰৰ তলত বিদেশী চিপাহি আদিয়ে মহা বিক্ৰমেৰে যুদ্ধ দিছিল। মৰঙ্গিখোৱা গোহাঞি দলপতি আছিল যদিও, গগৈ সেনাপতিয়েই সকলো দায়িত্ব লৈ যুদ্ধত সৈন্য পৰিচালনা কৰিছিল। গগৈ আৰু কিয়ামিঙ্গিৰ ভিতৰত গালি পৰাপৰি হৈছিল বুলিও বুৰঞ্জীত লিখা আছে।

মানৰ প্ৰথম আক্ৰমণতো এই কিয়ামিঙ্গিৰ লগত গগৈয়ে যুদ্ধ কৰিছিল। গগৈয়ে কিয়ামিঙ্গিক পুত্ৰ ভাৰ্য্যা এৰি থৈ কিয় বিদেশত মৰিবলৈ আহিলি বুলি কোৱাত, কিয়ামিঙ্গিয়ে আগৰ বাৰত গগৈক কেনেকৈ ধৰি নি কঁকালত ডোল লগাই বিবস্ত্ৰ কৰি পানীত ডুবাইছিল তাক সোঁৱৰালে, আৰু সিমানতো আকৌ যুজলৈ অহা দেখি অধম নিলাজ বুলি ধিক্কাৰ দিলে।

এডোখৰ কালান্তক মেঘৰ দৰে মান সেনাৰ জাক আহি যেতিয়া অসমীয়া সেনাৰ ওচৰ চাপিল তেতিয়া যেন দুখন সাগৰ হে লগ লাগিল। অলপ ধতুৰা মানুহৰ সেনা দেখিয়েই ধাতু যাব লগীয়া হল। গগৈৰ আদেশমতে চিপাহীবিলাকে হিলৈ আৰু বৰহিলৈৰ দ্বাৰা মানৰ ওপৰত গুলি বৰষিবলৈ ধৰিলে। মানেও সেইদৰে ঙভোতাই গুলি বৰষিলে। গুলিৰ শব্দত ধৰণী তল বল কৰিবলৈ ধৰিলে অনেক দূৰত থকা গৰ্ভৱতী মানুহৰো গৰ্ভস্ৰাৱ হল। মেঘৰ পৰা ৱজপাত হোৱাৰ দৰে গুলি পৰি দুয়ো দলৰ অসংখ্য সৈন্যৰ মৃত্যু হল। দুইফালৰ দা-ধৰা সৈন্য বিলাকেও ইটোৱে সিটোক আক্ৰমণ কৰি কাটি-বলৈ ধৰিলে। মৰা সৈন্যৰ নিমিত্তে ৰণস্থলীত ভৰি দিবলৈ ঠাই নোহোৱা হল। কোনোৰ গা এঠাইত, মূৰ এঠাইত, হাত এঠাইত, ভৰি এঠাইত পৰিবলৈ ধৰিলে। কাৰো ছোলাৰে সৈতে গাবোৰ বাগৰি বাগৰি গল; কাৰো টুপীৰে সৈতে মূৰটো উফৰি আঁতৰত পৰিল। এইদৰে গুলি, যাঠীৰ খোচ আদিত মৰা সৈন্যৰ উপৰিও অসংখ্য দাৰে কটা সৈন্যও নেলুকটা পাঠাৰ দৰে পৰি যুদ্ধ ক্ষেত্ৰ ঢাকি পেলালে। এই যুদ্ধ দুই প্ৰহৰ মান লাগিছিল। ৰঘুবৰ চুপাদাৰে ঘোৰাত উঠি যুদ্ধ কৰি কেবাজনো মান সৈন্যাধ্যক্ষক বধ কৰিলে। অৱশেষত চুপাদাৰেও যুজত প্ৰাণ দিলে। চুপাদাৰৰ মৃত্যুৰ পাচত মানৰ প্ৰচণ্ড আক্ৰমণ সহিব নোৱাৰি বাচকটীয়া সৈন্যৰ সৈতে হাতীবৰুৱা আদিও ৰণস্থল এৰি পলাবলৈ বাধ্য হল। যুজত লাগি থকা গগৈ সেনাপতিয়ে পাচলৈ চাই যেতিয়া দেখিলে যুদ্ধক্ষেত্ৰৰ পৰা সৈন্যবোৰ পলাইছে; তেতিয়া তেওঁ ৰণস্থল এৰিলে। কলি ভাৰত বুৰঞ্জীৰ মতে অসমীয়া সৈন্যৰ পাচত থকা মৰঙ্গিখোৱা গোহাঞে দোলাত উঠি পলাব খোজোঁতে ভয়ত দোলাতে মলমূত্ৰ ত্যাগ কৰি অচেতন হল। মৰঙ্গি-খোৱাই সৈন্যবিলাকক খাৰগুলি যোগান ধৰিছিল। তেওঁ যুদ্ধৰ গতিবিধি দেখি অচেতন হৈ নিজ কৰ্ত্তব্য পাহৰি পলালতহে খাৰগুলিৰ নাটনিত চিপাহি পলাবলৈ বাধ্য হল। এই কাৰণেই অনেক দেশী বিদেশী অসমীয়া সৈন্যই যুদ্ধক্ষেত্ৰত প্ৰাণ দিলে।

এই যুদ্ধৰ প্ৰসঙ্গত, জাঁজী অঞ্চলত, এটা কথা মানুহৰ মুখে মুখে কোৱা শুনিবলৈ পোৱা যায়। ইয়াৰ কোনো এঠাইত এজনী বাঁৰী তিৰোতা আছিল। তাইৰ গিৰিয়েকে মানৰ প্ৰথম আক্ৰমণত যুদ্ধ কৰি প্ৰাণ এৰে। এই মানুহজনীৰ ৰঙামুৱা নামেৰে এটা মাত্ৰ লৰা আছিল। মানৰ লগত ৰজাৰ সৈন্যই যুঁজিবলৈ অহা শুনি বুঢ়ীয়ে, চফল ডেকা পুতেকক পিন্ধাই উৰাই মানৰ লগত যুঁজিবলৈ পঠাই দিলে। এই ৰঙামুৱাই হেনো অসমীয়া সেনাপতিক মান এটাই কাটিব খোজোঁতে আগবাঢ়ি সেনাপতিক ৰক্ষা কৰি নিজৰ প্ৰাণ দিলে। এই ৰঙামুৱাৰ নামেই বৰ্ত্তমান জামুগুৰি চাপৰিৰ ৰঙাজানৰ নাম হৈছে বুলি কোনো কোনোৱে কয়। কোনো কোনোৱে আকৌ এই যুদ্ধত মৰা সৈন্যৰ তেজেৰে ৰাঙলী হৈ বৈ যোৱাৰ নিমিত্তে জানটোক ৰঙাজান বোলে বুলি কয়।

যুদ্ধত হাৰি মৰঙ্গিখোৱা ঘৰ পালোঁহি। বিশ্বনাথ বুঢ়াগোহাঞি, যুদ্ধৰ বাতৰি শুনি মুচ্‌কচ্‌ যোৱা যেন হল। ইয়াৰ পাচত বিশ্বনাথে সাতজন ভাই ককাইৰ লৰা তিৰোতা সমন্বিতে ধন বস্তু লৈ নাৱত উঠিল। ব্ৰজনাথ কোঁৱৰে পুতেক পুৰন্দৰ সিংহ ৰজাক লৈ সপৰিবাৰে বঙ্গালী নাৱত উঠিল আৰু যতদূৰ সম্ভৱ ধন বস্তু লগত ললে। এইদৰে ৰজা আৰু বুঢ়াগোহাঞিৰ দুইৰো পৰিয়ালে যিমান সোনকালে পাৰে সিমান সোনকালে, পাচলৈ নেচাই ভটীয়াই গলগৈ। মানৰ ভয়ত ৰাতি দিন নগণি ভাত-পানী এৰি যাবলৈ ধৰিলে। এইদৰে গৈ যেতিয়া গুৱাহাটী পালে তেতিয়াহে তত পালে। এই সময়ত গুৱাহাটীত নিগুৰ্ণ বৰফুকন আছিল। তেওঁক ভাঙ্গি গৈগৈ ফুকনক বৰফুকন পাতি মানক আকৌ আগভেটি ধৰিবলৈ খাগৰি জানলৈ পঠিয়াই দিলে। খাগৰিজানত মানৰ লগত যুদ্ধ কৰি গৈগৈৰ মৃত্যু হয়। এওঁৰ মৃত্যু হলত ঘিণাই বৰবৰুৱাক গুৱাহাটীৰ বৰফুকন, লাহনক ডেকাফুকন আৰু ভিচোক বৰবৰুৱা পাতি মানৰ যুদ্ধলৈ পঠোৱা হল। এওঁবিলাকে মানৰ লগত যুঁজ কৰিবলৈ, সৈন্য সামন্ত আদিলৈ চাই নিচেই হীন যেন দেখি ঘূৰি আহিল। এনে বিপৰ্য্যয়ত ৰজা, বুঢ়াগোহাঞি আদিক গুৱাহাটী এৰি ইংৰাজ ৰাজ্য পালাল।

ইয়াতে মান সেনাই যোৰহাট পাই, চন্দ্ৰকান্তক বিচাৰি আনি আকৌ সিংহাসনত বহুৱালে। মান সেনাপতিয়ে এইদৰে নিজ উদ্দেশ্য সিদ্ধি কৰি, যতদূৰ সম্ভৱ সৈন্যবিলাকক অসমীয়াৰ ওপৰত অত্যাচাৰ কৰিবলৈ নিদিয়াকৈ দেশলৈ উলটি গল। এইদৰে অসমত মানৰ দ্বিতীয় আক্ৰমণৰ অন্ত পৰিল।

মানৰ দ্বিতীয় আক্ৰমণৰ ৰণ বিলাকৰ ভিতৰত ফুলপানী ছিগাৰ ৰণেই ঘাই

যুদ্ধ। মানৰ আৰু অসমীয়াৰ শেষ বল পৰীক্ষা এই যুদ্ধতে হৈ গল। মানে অনা সম্পূর্ণ দল আৰু অসমীয়াৰো সম্পূর্ণ শক্তি ইয়াতে প্ৰয়োগ হল। এই আক্রমণৰ, ইয়াৰ আগত বা পাচত যি বোৰ যুদ্ধ হল, সেই সকলো খণ্ড যুদ্ধ। স্বাধীন অসমৰ ভৱিষ্যত ভাগ্য নিয়ন্ত্রন কৰা কার্য্যত ফুলপানী ছিগাৰ ৰণেই শেষ ৰণ বুলিব পাৰি, কাৰণ মানৰ তৃতীয় আক্রমণৰ শেহত যি মহগড়ৰ ৰণ হল সেই ৰণৰ আগতে স্বৰ্গদেৱ সকলৰ ৰাজ ক্ষমতা একৰকম গলেই। ফুলপানী ছিগাৰ ৰণৰ বিষয়ে জাঁজী অঞ্চলত অনেক কিম্বদন্তি শুনিবলৈ পোৱা যায়। বৰ্ত্তমান বৃদ্ধলোকসকল নাইকিয়া হৈ যোৱাত, এই ৰণৰ প্ৰসঙ্গত শুনিবলৈ পোৱা ঘটনাবোৰ প্ৰায় লোপ পাই যাবলৈ ধৰিছে। বুৰঞ্জীয়ে অনু-মোদন কৰা কথাবিলাকৰ ভিতৰত গগৈ সেনাপতিৰ বীৰত্ব, অসমৰ স্বাধীনতাৰ শেষ যুগৰ এটা মন কৰিব লগীয়া কথা। এই জন মানৰ লগত যুজাঁ বীৰ। এওঁৰ বীৰৰ জীৱন মানৰ যুদ্ধৰ লগতে সংশ্লিষ্ট থাকি মানৰ যুজতে অন্ত হল। মানৰ লগত যুজা নিয়ম-কাৰণ বুদ্ধি-সন্ধি এওঁ যিমান ভালকৈ জানি-ছিল আন সেনাপতিয়ে বোলে সিমান নাজানিছিল। দুখৰ বিষয় সাধাৰণ চলিত বুৰঞ্জীবিলাকত এই আপাতনীয়া বীৰ জনৰ নাম পাবলৈকে নাই। আকৌ ফুলপানী ছিগাৰ ৰণৰ কথাকে কোনো কোনো বুৰঞ্জী লিখকে বুৰঞ্জীৰ পাতৰ পৰা একেবাৰে বাদ দি থৈছে। মৰঙ্গিখোৱা গোহাঞে এই ৰণত যি কাপুৰুষালিৰ চিন দেখুৱালে বুলি বুৰঞ্জীয়ে কৈছে, সেই কথা অলপ অতি-ৰঞ্জিত যেন লাগে। কাৰণ, পিতৃ বুঢ়াগোহাইৰ পুত্ৰ হৈ, স্বাধীন দেশত উপজি ডাঙৰ দীঘল হৈ, ইমান ডাঙৰ ক্ষমতা হাতত লৈ মৰঙ্গিখোৱাই এনে অকৰ্ম্মণ্যতাৰ পৰিচয় দিয়া বুলি বিশ্বাস কৰিবৰ মন নেযায়। তেওঁৰ আগৰ বীৰত্ব আৰু নিৰ্ভীক উক্তিয়ে এই পাচৰ কথা বিলাক অতিৰঞ্জিত বুলি কব খোজে। আহোমৰ শ শ বছৰে ৰাজ কাৰ্য্য চলাই অহা ৰজা, বুঢ়াগোহাই, ডা-ডাঙৰীয়াসকলে এনে এখন জীৱন-মৰণ সমস্যা যুক্ত, যুদ্ধলৈ এনে কাপুৰুষ এজনক দায়িত্বৰ বাব দি কেতিয়াও নপঠালেহেঁতেন। অৱশ্যে যুদ্ধৰ পৰা পলাবলৈকে দোলাত উঠিব লগীয়া হোৱা কথাষাৰ, শুনিবলৈ বেয়া যদিও, আমি সচাঁ বুলি কবলৈ বেয়া নেপাওঁ। অধঃপতনৰ সময়ত, এটা জাতিৰ এনে বিলাক বিলাসিতাৰ দৃষ্টান্ত অনেক পোৱা যায়। অসমীয়াৰ গৌৰৱ সূৰ্য্য লাচিত বৰফুকনৰ দিনত এনে দৃষ্টান্ত পাবলৈ নাই বা আমি জনা নাই,— ইহাতে তেওঁ অসমৰ শিৰফুটা অভিজাত শ্ৰেষ্ঠ মন্ত্ৰী বুঢ়াগোহাইৰ বংশৰ নিচিনা

বংশতো জন্ম গ্ৰহণ কৰা নাছিল। নবাব চিৰাজদ্দৌলায়ো পলাচিৰ শোক পূৰ্ণ পৰিণতিৰ পাচত যুদ্ধক্ষেত্ৰ এৰি পলাই যাবলৈ ধৰোঁতেও লিগিৰাই জোতা পিন্ধাই দিব লগীয়া হৈছিল বুলি কোৱা শুনা। জোতা পিন্ধোৱাত পলম হোৱা কাৰণেই পলাই যাওঁতে বাটত ধৰা পৰি প্ৰাণ দিব লগীয়া হল বুলিও কোনো কোনোৱে কয়। কিন্তু মৰঙ্গিখোৱাৰ কাপুৰুষালিৰ কথা বা চিৰাজদ্দৌলাৰ অকৰ্ম্মণ্যতাৰ কথা কিমান সচাঁ আমি ঠিককৈ কব নোৱাৰোঁ। বহুত বুৰঞ্জী লিখকেও আত্মপ্ৰসাদ লাভ কৰিবলৈকে, একোটা অতিৰঞ্জিত কথা, কোনো কোনোক ঠেলা হেঁচা মাৰিলৈকো পাচ নোহোঁহকে সিও একেবাৰে সত্য। লিখকৰ কাৰো ওপৰত বেয়া ভাৱ থাকিলে বা এজনৰ চৰিত্ৰত কলঙ্ক সানি দিব পাৰিলে ক্ষমতাশালী তৃতীয় ব্যক্তিৰ পৰা স্বাৰ্থ পূৰ্ণ হোৱা আশা থাকিলে এনে কাৰ্য্য কৰা অতি স্বাভাৱিক। এই কথা কৈ, এই বৰ্ণনা লিখোঁতে যাৰ ওচৰত আমি ধৰুৱা তেখেতসকলৰ ওপৰত আমাৰ অকণো বেয়া ভাৱ কথা ইয়াত ব্যক্ত কৰা নাই। সেইদেখি বুৰঞ্জী পঢ়োঁতেও বহুত কথা মন কৰিহে পঢ়া উচিত। মানুহৰ দুৰ্ব্বলতা যতে ততে আছে—কাৰণ মানুহ মানুহেই—দেৱতা নহয়। *

---

# যতি ( Punctuation )

ছন্দ আৰু সুৰৰ নিচিনা যতিৰো ভাষা আৰু সাহিত্যত ঠাই আছে। কওঁতাৰ বা লিখোঁতাৰ কথাবোৰ শুনোতাই বা পঢ়োঁতাই বুজিব নোৱাৰিলে ভাষাৰ উদ্দেশ্য ব্যৰ্থ হয়। কাৰণ ভাষাৰ ভাৱৰ আদান-প্ৰদানৰ এটা সহজ আৰু শ্ৰেষ্ঠতম উপায়। একেৰাহে বা একে উশাহে কিছুমান শব্দ পাই গলে শুনোতাই আমাৰ মনৰ ভাৱ উপলব্ধি কৰিবলৈ টান পায়। কথা কওঁতে বা পঢ়োঁতে প্ৰতি বাক্যৰ আৰু কেতিয়াবা কেতিয়াবা খণ্ডবাক্যৰ বা শব্দৰ পাচত অলপ পৰ ৰব লাগে, যাতে আমি কি কৈছো বা পঢ়িছোঁ শুনোতাই সহজে

---

* এই বৰ্ণনা লিখোতে আন আন বুৰঞ্জীৰ উপৰিও বিশেষকৈ ৺ দুতিৰাম হাজৰিকাৰ কলি ভাৰত বুৰঞ্জী আৰু ৺ বৈদ্যাধিপৰ বেলিমাৰ বুৰঞ্জীৰ সহায় লোৱা হৈছে। এই বুৰঞ্জীৰ সম্পাদন কৰোঁতা শ্ৰদ্ধাস্পদ অধ্যাপক ভূঞাদেৱৰ ওচৰত আমি বিশেষ ধৰুৱা। বঙামুৰাৰ কাহিনীটো অৱলম্বন কৰি লিখা লিখকৰ কবিতা এটা আগতে 'আৱাহন'ত ওলাই গৈছে

ধৰিব পাৰে। অৱশ্যে বাক্যৰ যতে ততে ৰলেও বিপদ আছে আৰু ইয়াৰ পৰা কেতিয়াবা কেতিয়াবা হাস্যৰসৰো যে অৱতাৰণা হয়, তাক সকলোৱে জানে বেনে, ঃ—"ৰাধা। ধৰ, সুধা পানে। শালি, নে। বনমালি, নে।" কিতাপ পঢ়োঁতে পাঠ্য কথাখিনি সহজে হৃদয়ঙ্গম কৰিবলৈ হ'লে আৰু শুনোতাৰ সহজ-বোধ্য কৰিবলৈ হলে পঢ়াৰ মাজত মাজে সময়ে অলপ ৰব লাগে। কিন্তু সাধাৰণ অনভ্যস্ত পঢ়োঁতাৰ পক্ষে ই উজু কাম নহয়। পাঠ্য কথাখিনিৰ ভাৱ আৰু প্ৰত্যেকটো শব্দ জনা নাথাকিলে তেনেকৈ পঢ়াতো টান। সেই কাৰণে বিৰামৰ ঠাই নিৰ্দ্দেশৰ কাৰণে লিখোঁতে কিছুমান চিনৰ ব্যৱহাৰ কৰা হয়। তাৰ নাম "যতি" বা "বিৰাম চিহ্ন"। ই পঢ়াৰ মাজত ৰবলৈ দিয়া চিন্। অৱশ্যে বৰ্ত্তমানে ব্যৱহাৰ কৰা বিৰাম চিনবোৰ থাকিলেহে যে অকল থামিব লাগে এনে নহয়; অইন ঠাইতো থামিবৰ প্ৰয়োজন আছে। নহলে ভ্ৰমত পৰিব লগা হয়। ভাষা আৰু সাহিত্যত যতিৰ বিশেষ প্ৰয়োজন। পঢ়োঁতে কোন্ কোন্ ঠাইত ৰব লাগে, কোন্ ডোখৰ কেনেকৈ পঢ়িব লাগে, যতিৰ সহায়েৰে জানিব পৰা যায়। লিখা বস্তুৰ ভাৱটো ফটফটিয়াকৈ ওলাই পৰে আৰু বাক্যৰ ভিতৰৰ শব্দবিলাকৰ ব্যাকৰণগত সম্বন্ধ জানিব পৰা যায়। তাহানি আমাৰ দেশৰ ভাষাবিলাকত বৰ্ত্তমান অৰ্থত যতি বা বিৰাম চিহ্নৰ ব্যৱহাৰ নাছিল বুলিলেই হয়। আগৰ দিনৰ ফলি বা পুথি পঢ়া বহু কষ্টসাধ্য আছিল। ভাষাত আৰু ব্যাকৰণত বিশেষ আধিপত্য লাগিছিল আৰু অকল বিশেষ ভাবে লিখা পুথিবোৰ হে পঢ়িছিল। পঢ়িবৰ কাৰণে বিশেষ শ্ৰেণীৰ মানুহ আছিল। তেওঁলোকক পণ্ডিত বুলি ধৰা হৈছিল। আজি কালিও গাৱেঁ ভূয়েঁ তেনেকুৱা পণ্ডিত আছে।

বেলেগ বেলেগ ঠাইত বিভিন্ন অৰ্থপ্ৰকাশক বিৰাম চিনৰ ব্যৱহাৰ বৈদিক সাহিত্যত নাছিল। কিন্তু তাৰ কাৰণে বিশেষ কোনো অসুবিধা হোৱা নাছিল। কাৰণ বেদৰ স্তোত্ৰত যতিত কৈ উদাত্ত, অনুদাত্ত, স্বৰিত আদি হ্ৰস্বদীৰ্ঘৰ উচ্চাৰণহে বেছি দৰকাৰী আৰু পদ্যতকৈ গদ্যতহে বিৰাম চিনৰ বেছি প্ৰয়োজন। বেদত বিৰাম চিন্ ব্যৱহাৰ নকৰাৰ আৰু এটা ডাঙৰ কাৰণ হৈছে বেদৰ কোনো স্তোত্ৰ-পাঠ কৰাৰ আগতে তাৰ ছন্দ, ঋষি আৰু দেৱতাৰ নাম জানি লোৱা নিয়ম আছিল।

"অবিদিত্বা ঋষিং ছন্দো দৈবতং যোগমেব চ।
যোঽধ্যাপয়েৎ জপেৎ বাপি পাপীয়াং জায়তে তু স॥"

স্তোত্ৰ পাঠৰ আগতে স্তোত্ৰটো কি ছন্দত লিখা জনা থাকিলে আবৃত্তিৰ কাৰণে

বিৰাম চিনৰ সহায় নহ'লেও চলে।

"স্তবিষ্যামি ত্বামহং বিশ্বস্যামৃত ভোজন। অগ্নে ত্ৰাতাৰমমৃতং মিয়েধ্য যজিষ্টং হব্যবাহন ॥৫॥"— ঋগবেদ— প্ৰথমোষ্টকঃ।

বেদৰ নিচিনা ৰামায়ণ মহাভাৰততো প্ৰতি শ্লোকাৰ্দ্ধ নিৰ্দ্দেশ কৰিবৰ কাৰণে এটা ছেদচিন্ ব্যৱহাৰ কৰা হৈছিল আৰু শ্লোকৰ শেহত শ্লোকসংখ্যাৰ দুয়োফালে দুটাকৈ ছেদ ব্যৱহাৰ কৰা হৈছিল।

"অমোঘং দৰ্শনং ৰাম তবাস্মাকং পৰন্তপ। প্ৰীতিযুক্তাঃ স্ম তেন ত্বং ব্ৰূহি যন্মনসেপ্সিতম্ ॥৫১৭॥"— ৰামায়ণম্।

ইয়াৰ বাহিৰে আন্ কোনো যতিৰ ব্যৱহাৰ নাছিল। পুৰণি সংস্কৃত পথিবিলাকত অনুষ্টুপৰ পদবোৰ গদ্যৰ নিচিনা তলত একে শাৰীতে লিখা হৈছিল। আজিকালিৰ নিচিনা তলত ফাকি ফাকিকৈ নিলিখিছিল। সেইকাৰণে শ্লোকাৰ্দ্ধত এটা ছেদ চিনেৰে পাদ নিৰ্দ্দেশ কৰা হৈছিল।

পুৰণি সংস্কৃত গদ্য সাহিত্যত কোনো প্ৰকাৰ যতিৰ ব্যৱস্থা নাছিল। পঢ়োঁতাই বহু কষ্ট কৰি ঠায়ে ঠায়ে জিৰণি ঠাইৰ ব্যৱস্থা কৰি লব লগাত পৰিছিল। ব্ৰাহ্মণ আৰু উপনিষদৰ গদ্য যুগতো বৰ্ত্তমান অৰ্থত কোনো যতিৰ প্ৰয়োগ নাছিল। অৱশ্যে এই যুগৰ গদ্যত প্ৰায়ে দেখা যায় যে প্ৰতি অনুচ্ছেদৰ শেহত এটা অঙ্ক সংখ্যা দ্বাৰাই সেই অনুচ্ছেদৰ সংখ্যা নিৰ্দ্দেশ কৰি দিয়া আছে। কেতিয়াবা কেতিয়াবা "ইতি" এই শব্দটিৰ দ্বাৰাই পূৰ্ণচ্ছেদৰ কাম চলিছিল। "তস্মৈ তৃনং নিদধাবেতদ্দহেতি তদুপপ্ৰেয়ায় সৰ্বজবেন তন্ন শশাকাদাতুং স তৎএব নিৱবৃতে নৈতদশকং বিজ্ঞাতুং যদেতদ্যক্ষমিতি ॥ ২৩.১০ কেন উপনিষদ।

সংস্কৃত সাহিত্যত যতিৰ যি সামান্য ব্যৱস্থা আছিল পুৰণি প্ৰাদেশিক ভাষাবোৰে তাক গ্ৰহণ কৰিছে। ভাৰতৰ আন্ আন্ পুৰণি প্ৰাদেশিক ভাষাবোৰৰ নিচিনা তাহানিৰ অসমীয়া সকলো পুথি একে শাৰীতে লিখা হৈছিল। গতিকে বিৰামৰ চিন নাথাকিলে লিখাটো গদ্য নে পদ্য ধৰা টান। পদ্য নিৰ্দ্দেশৰ কাৰণে বেলেগ বেলেগ বিৰাম চিনৰ প্ৰয়োগ দেখিবলৈ পোৱা যায়। যেনে "ব্ৰহ্মাৰূপে ব্ৰহ্মা পালা বিষ্ণুৰূপ ধৰি, ৰুদ্ৰৰূপে নিয়া প্ৰভু জগত সংহৰি ১। হেন মহেশ্বৰৰ চৰণ হৃদি ধৰি ২ গুৰুৰ কৃপাক মনে সাৰোগত কৰি ॥ ২ ॥"

—দ্বীপিকাছন্দৰ অনুবাদ।

"আবেসে জানিলো: কৈকৈই ৰাক্ষসি স্বামিকো খাইবে ধৰিলে। স্বামীৰ

আগত ঃ মৰিবে নপাইলো ঃ বিধিয়ে মোক বঞ্চিলে ॥ পুত্ৰৰ শোকত ৰাজা দসৰথ ঃ অৱশ্যে তেজিবে প্ৰাণ। সাধো এহিক্ষণ ঃ স্বামীৰ আগতে ঃ মোহোৰ হৌক নিৰ্য্যান ॥ ২৫৮ ॥"

—অনন্ত কন্দলি।

পয়াৰৰ পাচত লিখা পুথিবিলাকত প্ৰথম পাদৰ পাচত এটাকৈ পূৰ্ণচ্ছেদৰ প্ৰয়োগ দেখা যায়। ই সংস্কৃত অনুষ্টুপ ছন্দৰ শ্লোকাৰ্দ্ধৰ ছেদনীতিৰ পৰা পোৱা। যেনে—

"মাতা পিতা পতনী তনয়-জনয় সব মৰণা। ছাড়হু ধন্ধ মানস অন্ধ ধৰতু হৰিৰ চৰণা।"

গীতিযুগ, মন্ত্ৰযুগ আৰু ভনিতা যুগৰ যিবোৰ পুথি পোৱা যায় সেইবোৰ পাচত নকল কৰা। ডাকৰ ভনিতা ১৮১৭ শকতহে নকল কৰা হয়। গতিকে আদি লিখকসকলে কি ধৰণে লিখিছিল জনা টান। এনেকি প্ৰাক্ বৈষ্ণৱী আৰু বৈষ্ণৱী যুগৰ কিতাপো নকল-নবিচৰ দ্বাৰাই প্ৰভাৱান্বিত হৈছে। যি হ'ওক তাহানি আমাৰ সাহিত্যত যিবোৰ যতিৰ প্ৰয়োগ দেখা যায় তাৰ নিদৰ্শন আগতে দিয়া হৈছে। অৱশ্যে সকলো সময়তে এটা চিনেই একে অৰ্থত ব্যৱহাৰ হোৱা নাই। আৰু কেতিয়াবা যতিৰ বহুল ব্যৱহাৰ হৈছে আৰু কেতিয়াবা কাচিৎহে হৈছে। যেনে,—

"মৰিবাক লাগি হ গঙ্গাতিৰক গৈলা জাতো বিষ্ণো ভক্তসব ঃ লোকৰ কুশলৰ্থে প্ৰাণ ধৰন্ত হ"—

"হে স্থত তুমি পুৰাণ ভাৰতঃ ধৰ্ম্মশাস্ত্ৰচয় পৰি-ব্যাখ্যান কৰিবাঃ আৰো ব্যাসাদি ঋষিসবে ঃ জি জানন্ত তাকো জানাঃ জাতো পৃয় শিষ্যত গুৰুসবে গুহ্যকো কহে।"

"নৈমিসা অৰণ্যত ঃ সৈনেকাদি ঋষিগণে বিষ্ণুপ্ৰাপ্তী অৰ্থে ঃ সহস্ৰ বসৰ জগু কৰন্ত, ......বেদ কল্পতৰু ঃ তাৰ ফল ভাগৱত সাস্ত্ৰ ঃ কেৱল অমৃত ৰস বৈকুণ্ঠে আছিল ঃ নাৰদে আনিল ঃ ব্যাসক দিলঃ ব্যাসে শুকক পঢ়াইল ঃ সুকমুখে পৃথিবীত ব্যৈক্ত ভৈলা ঃ আৰু জানি ঃ হে ৰসিকসব সদাত্ৰ পাণ কৰা ঃ জাতো সন্তয়ো আদৰে ॥ ১১ ॥"

'ডাৰি' চিন সাধাৰণতে ছেদৰ ( paragraph ) পাচতহে বহে—কিন্তু কেতিয়াবা ইয়াক পূৰ্ণচ্ছেদৰ ( fullstp ) নিচিনাও ব্যৱহাৰ কৰা দেখা যায়।

ওপৰত নিৰ্দ্দেশ কৰা যতিৰ বাহিৰেও যদি অইন কোনো বিৰাম চিন্

পুৰণি গদ্য পদ্যত ব্যৱহাৰ কৰা হৈছিল, আমাৰ জনা নাই। আমাৰ চকুত পৰা নাই। গদ্য আৰু পদ্যত প্ৰায় একে চিনকেই ব্যৱহাৰ কৰা হৈছিল। যদিও পুৰণি অসমীয়াত কেইটামানহে বিৰাম চিনৰ ব্যৱহাৰ পোৱা যায় তথাপি তাৰেই ভালকৈ কাম চলিছিল। লিখকৰ ভাৱ গ্ৰহণত পাঠকে অকণো আহুকাল নাপাইছিল। পুৰণি বৈষ্ণৱী কবিতাবোৰ আবৃত্তি আৰু গাবৰ কাৰণে ৰচা হৈছিল আৰু যাতে কথাখিনি মানুহে সহজে হৃদয়ঙ্গম কৰিব পাৰে। বৈষ্ণৱী যুগত যতিৰ বৰ সুন্দৰ প্ৰয়োগ দেখা যায়। ওপৰঞ্চি প্ৰয়োগৰপৰা কথাখিনিৰ সৌন্দৰ্য্য নষ্ট কৰাহে হব। যতিৰ তালে তালে লিখকৰ ভাৱ ফট্‌ফটিয়াকৈ ওলাই পৰিছে। যেনে,—

"নয়নৰনিৰ ঃ ধাৰায়ে বহয়ে ঃ সোকতে আকুল ভাব। কতোহো কাকুতি ঃ কৰিয়া কান্দন্ত ঃ ধৰিয়া কৃষ্ণৰ পায় ॥ ই হেন অৰুণ ঃ চৰণ দুখানি ঃ তেজিবো কোনমতে। মাধব বান্ধব ঃ নবধা সমুলি ঃ নিয়োক মোক লগতে ॥ ১২৯ ॥"—

একাদশ স্কন্ধ, শঙ্কৰদেব।

"ব্ৰহ্মাৰ বচন সাদৰি ঃ বাল্মিকি নাৰদক বোলন্ত ঃ হে মহামুনি নাৰদ ঃ কি মোৰ মহাভাগ্য ঃ যাতো শ্ৰীৰাম চৰিত্ৰ তোমাৰ মুখে সুনিবো ঃ নাজানো কি পুণ্যৰ ইতোফল ঃ এতেকে শ্ৰীৰাম চৰিত্ৰ এখনে কহ ঃ নাৰদে বোলন্ত ঃ জানা মুনি ঃ শ্ৰীৰামৰ অনন্ত লিলা চৰিত্ৰঃ.........।

—কথা ৰামায়ণ

বৰ্ত্তমানে ভাৰতীয় প্ৰাদেশিক ভাষাবোৰত যি যতিৰ ব্যৱহাৰ কৰা হয়, ই ইংৰাজীৰ পৰা ধাৰ কৰা। ইংৰাজী ভাষাত ব্যৱহাৰ হোৱা বিৰাম চিন্‌বোৰ আমি হুবহু আমাৰ ভাষাত চলাইছোঁ। আমাৰ যি কেইটা পুৰণি চিন্ আছিল সেইবোৰ আমি এৰি দিছোঁ, পাহৰিছোঁ, ব্যৱহাৰ নকৰো আৰু সেই-বোৰৰ কোনটোৰ কি নাম আছিল তাকো পাহৰিছোঁ। সেইবোৰেৰে কাম নচলা নহয়। আমি পুৰণিৰ সলনি নতুনক আদৰি লৈছোঁ। এনেকৈয়ে আমি কিছুমান পুৰণি আখৰকো অনাদৰ কৰিছোঁ। কমা, চেমিকলন, কলন, ড্যাচ্ হাইফেন আৰু এপচট্ৰফি ইত্যাদি ইংৰাজী নামকে আমি হুবহু ব্যৱহাৰ কৰিছোঁ। প্ৰশ্নবোধক চিন্, আশ্চৰ্য্যবোধক চিন্, পূৰ্ণচ্ছেদ ইত্যাদি নাম ইংৰাজী নামৰ অনুবাদ মাথোন। ইংৰাজী সাহিত্যৰ প্ৰভাৱৰ আগত আমাৰ ভাষাত কোনো বিৰাম চিনৰ ব্যৱহাৰ যেন নাছিল হে। ইংৰাজী ভাষাত যি অৰ্থত যি ঠাইত যতি প্ৰয়োগ কৰা ৰীতি ভাৰতৰ প্ৰাদেশিক ভাষাবোৰতো অবিকল তেনেকৈয়ে

ব্যৱহাৰ কৰা হয়। গতিকে আমাৰ ভাষাত প্ৰয়োগৰ নীতি জানিব লাগিব। এনেকৈ ইংৰাজী ভাষাৰ লগত অলপ চিনাকি নাথাকিলে অসমীয়াতো যতিৰ সুপ্ৰয়োগ কৰা টান।

শ্ৰীৰামপুৰৰ মিচনাৰীসকলে প্ৰাদেশিক ভাষাবোৰত সৰু সৰু ধৰ্মপুঁথি লিখি ছপা কৰি উলিয়ায়। তেওঁলোকেই প্ৰথমতে প্ৰাদেশিক ভাষাবোৰত ইংৰাজী কমা, চেমিকলন ইত্যাদিৰ ব্যৱহাৰ কৰি দেখুৱায়। উইলিয়ম কেৰি চাহাবে পূৰ্ণচ্ছেদ বা ডাঁড়িৰ ঠাইত fullstop ব্যৱহাৰ কৰিছিল। কলিয়াবৰৰ পণ্ডিত ৺আত্মাৰাম শৰ্ম্মাই শ্ৰীৰামপুৰলৈ গৈ বাইবেল গ্ৰন্থ অসমীয়াটো ভাঙে আৰু পুঁথিখন ১৮১৩ চনত পাদুৰীসকলে ছপা কৰি উলিয়ায়। তেতিয়াৰ পৰা বিজাতীয় যতি আমাৰ ভাষাত ঠাই পালে। পুৰণি পূৰ্ণচ্ছেদটো ৰখা হল কিন্তু বাকী চিনবোৰ ইংৰাজীপৰা লোৱা হল। শিৱসাগৰত ছপাখনা পাতি আমেৰিকা ব্যাপটিষ্ট মিচন চোচাইটীয়ে দুখন এখন ধৰ্ম্ম পুথি আৰু সৰু সৰু বিতাপ লিখি বিলাবলৈ ধৰিলে। আৰু অসমীয়া ভাষাত প্ৰথম বাতৰি কাকত "অৰুণোদয়" তেওঁলোকে ১৮৪৬ চনত উলিয়ায়। "খৃষ্টিয়ানী অসমীয়া"ত অসমীয়া যতিৰ সলনি ইংৰাজী ৰীতিৰ ঠাই হল। আগতে পূৰ্ণচ্ছেদ এটা সম্পূৰ্ণভাৱ থকা ৰচনাৰ এক অংশৰ (paragraph) পাচত হে বহিছিল কিন্তু বৰ্ত্তমানে full stop ৰ অনুবাদ কৰি বাক্যৰ শেষত ব্যৱহাৰ কৰা হল। সেই সময়ৰ পণ্ডিতসকলে কিন্তু বিজাতীয় ৰীতি নললে। ক্ৰমাৎ পণ্ডিতসকলে অকল পূৰ্ণচ্ছেদটো (ডাঁড়ি) হে ব্যৱহাৰ কৰিবলৈ ধৰিলে। ইংৰাজী শিক্ষা পোৱা লিখকসকলে কিন্তু ইংৰাজী যতিকে ৰচনাত ঠাই দিলে। আনন্দৰাম ঢেকিয়াল ফুকন, নন্দৰাম ডেকা বৰুৱা, নিধিৰাম বেজবৰুৱা, হেমচন্দ্ৰ বৰুৱা আদি বৰ্ত্তমান যুগৰ অসমীয়া ভাষাৰ গুৰীয়ালসকলে পোন প্ৰথমে ইংৰাজী যতি নিজ ভাষাত প্ৰয়োগ কৰে। অকল fullstopৰ ঠাইত পুৰণি পূৰ্ণচ্ছেদটো জীয়াই থাকিল।

---

# শুদ্ধৰণী

| পৃঃ | শাৰী | অশুদ্ধ | শুদ্ধ |
|---|---|---|---|
| ৩ | ৪ | পৰব্ৰহ্ম | পৰম ব্ৰহ্ম |
| ১০ | ১ | বিষয়ক | বিষয়ৰ |
| ১১ | ১০ | মিনাৰ | শিলাৰ |
| ১২ | ২৫ | affored | offered |
| ১৩ | ২২ | ৰাজদূত | ৰাজপুত |
| ১৪ | ১৭ | আছিল | নাছিল |
| ১৪ | ২১ | sarround | surrounded |
| ১৪ | ২২ | martyrdam | martyrdom |
| ১৪ | ২৮ | deire | desire |
| ১৫ | ১০ | আৰ | মোৰ |
| ১৭ | ১৯,২১ | আমজুদা | আমজুঙ্গা |
| ২২ | ৪ | বান্দনী | বন্দিনী |
| ২৩ | ২৫ | ভাষা | ভাষাত |
| ২৪ | শেষ শাৰী | জজ্ঞ | যজ্ঞ |
| ২৫ | ৩ | পৰা | পাৰা |
| ২৯ | শেষ শাৰী | গ্ধ | মুগ্ধ |
| ৩৪ | ১ | পৰিচয়তাৰে | পৰিচয়ৰে |
| ৩৪ | ১০ | হজৰত | হজৰত মহম্মদৰ |
| ৬৩ | ৫ | গতি | গতিক |
| ৬৫ | ২৩ | সাংস | মাংস |
| ৬৯ | ১২-১৩ | musquearding | masquerading |
| ৬৯ | ১৮ | কৰোতাৰ | কৰিবৰ |
| ৭১ | ২৩ | ৫শ | পাঁচ |
| ৭৫ | ২৮ | আউঅটীয়া | আউনিঅটীয়া |
| ৯১ | ৪ | গুচালে | গুচালে |

# তেজপুৰৰ পুৰণি কথা

তেজপুৰ দৰং জিলাৰ সদৰ ঠাই। সংস্কৃত দ্যৌঃ+অঙ্গ শব্দৰ পৰা "দৰং" শব্দ উৎপত্তি হোৱা বুলি মনে ধৰে। "দ্যৌঃ" শব্দৰ অৰ্থ স্বৰ্গভূমি। সায়নাচাৰ্য্যই অথৰ্ব্ব বেদৰ ভাষ্যত এঠাইত কৈছে--

"হিমবৎ শিৰঃ প্ৰদেশ এব স্বৰ্গভূমিৰিতি প্ৰসিদ্ধঃ।" অৰ্থাৎ হিমালয় পৰ্ব্বতৰ শীৰ্ষদেশেই স্বৰ্গভূমি। হিমালয়ৰ ঠাল-ঠেঙ্গুলি স্বৰূপ অসমৰ পৰ্ব্বত বিলাক হিমালয় বা দ্যোৰ অঙ্গ। হিমালয় প্ৰদেশৰ ভিতৰত অসমৰ দৰং জিলাও পৰে।

হিমালয় প্ৰদেশ বা দ্যৌত কশ্যপ ঋষিৰ বৰপুতেক হিৰণ্যকশিপুৱে ৰাজত্ব কৰিছিল। দিতিৰ গৰ্ভত জন্ম লোৱা বাবে তেওঁক দৈত্য বোলে। নৰসিংহ বিষ্ণুৱে তেওঁক বধ কৰে। তেওঁৰ পুতেক মহাভক্ত প্ৰহ্লাদ। প্ৰহ্লাদৰ পুতেক বিৰোচন। বিৰোচনৰ পুতেক বলি। বলি মহাদানী আৰু বীৰ আছিল। বামণ অৱতাৰত ভগবান বিষ্ণুৱে তেওঁক ছলনা কৰি পাতাললৈ পঠাই দিয়ে। স্বৰ্গভূমিৰ পদতলত থকা ভূখণ্ডৰ নাম পাতাল। পাতালত ভোগৱতী গঙ্গা আছে। এই ভোগৱতী গঙ্গাৰ নাম পাছত ভোগলীয়া বোগলীয়া হৈ এতিয়া বৰাক বা কুশিয়াৰাত পৰিণত হৈছে যদিও বদৰপুৰৰ ওচৰত এতিয়াও এই নদী খনক বোগলীয়া বোলে; সুৰমা উপত্যকা আৰু চট্টগ্ৰাম বিভাগেই পৌৰাণিক যুগৰ পাতাল। চট্টগ্ৰাম জিলাত এতিয়াও পাতাল শঙ্কৰ নামে শিৱৰ দেৱালয় আছে। বলিৰ পুতেক বাণ পৰম শিৱভক্ত আছিল। তেওঁ শিৱক তপস্যা কৰি পিতৃৰাজ্য শোণিতপুৰ ঘূৰাই পাই তাত ৰাজত্ব কৰে। এই ৰাজ্য অতি পুৰণি আৰু প্ৰসিদ্ধ। ইয়াত প্ৰস্তৰ যুগৰ শিলৰ অস্ত্ৰ-শস্ত্ৰ পোৱা গৈছে।

শোণিতপুৰ ৰাজ্যৰ ভিতৰত এতিয়াৰ উত্তৰ লক্ষ্মীপুৰ মহকুমা, ইয়াৰ উত্তৰে থকা দফলা, অকা আৰু ভোটৰ পৰ্ব্বত শাৰীও পৰিছিল। দফলা পৰ্ব্বত শাৰীৰ মাজত নাটক নামে পৰ্ব্বতত শঙ্কৰৰ মহাশ্ৰম আছিল। তাত তেওঁ নটৰাজৰূপে দেৱতা সকলৰে সৈতে নৃত্যবাদন কৰিছিল। নাটক পৰ্ব্বতৰ নামনিত মানস সৰোবৰৰ নিচিনা এটি মনোহৰ সৰোবৰ আছে। তাৰ চাৰিফালৰ পৰা ভট্টাৰিকা (ভৰলী) দিক্কৰিকা ( দিকৰাই ) বৃদ্ধগঙ্গা ( বুঢ়িগাং ) আৰু স্বৰ্ণবহা (বৰগাং) এই চাৰিখন নৈ বৈ আহি ব্ৰহ্মপুত্ৰত পৰিছে। "দ্যো" আৰু প্লৱ এই দুটা শব্দ লগ লাগি "দ্যোপ্লৱ" হৈ শেষত "দফলা" হৈছে বুলি বোধ হয়। "প্লৱ" বুলিলে এজাতি মানুহ বুজায়। সম্ভবতঃ দফলাবিলাক মহাদেৱৰ অনুচৰ গুহ্যক আছিল। বৃদ্ধগঙ্গাৰ মুখত উমাবনত উমাই শিৱক স্বামীৰূপে পাবৰ কাৰণে তপস্যা কৰিছিল। শিৱই সেই বৃদ্ধগঙ্গাৰ মুখত যি ঠাইত উমাক দৰ্শন কৰিছিল সেই ঠাইকে বিশ্বনাথ বোলে। "কালিকা পুৰাণত" আছে—

"বৃদ্ধ গঙ্গাজলস্যান্তস্তীৰে ব্ৰহ্মসুতস্য বৈ।
বিশ্বনাথহ্বয়ো দেৱঃ শিৱলিঙ্গসমন্বিতঃ ॥"

সেই ঠাই বাৰিষা পানীৰ তলত ডুবি থাকে। উমাবনৰ বৰ্ত্তমান নাম উমা-টুমণি। বিশ্বনাথৰ বিশ্বশৈলত চণ্ডীৰ দেৱালয় আৰু উমা-টুমণিত উমাৰ দেৱালয় আছে। দক্ষ-যজ্ঞত সতীয়ে প্ৰাণত্যাগ কৰিলত বিষ্ণুৱে চক্ৰৰ দ্বাৰাই সতীৰ অঙ্গ খণ্ড বিখণ্ড কৰি পেলালে। সতীৰ পদ দুটি শোণিতপুৰ নগৰৰ দেবীকুটত, উৰুযুগল শিলঘাটৰ ওচৰৰ উড্ডিয়ান বা কামকূট পৰ্ব্বতত এতিয়াৰ "কামাখ্যা" নামে দেৱালয় থকা ঠাইত আৰু স্তন দুটিৰ এটি বিশ্বনাথৰ চণ্ডী দেৱালয় থকা ঠাইত আৰু আনটি উমাদেৱালয় থকা ঠাইত পৰে। সেই বাবে সেইবিলাক ঠাই মহাপীঠ তীৰ্থ বুলি প্ৰসিদ্ধ।

পুৰাণ আৰু তন্ত্ৰৰ পৰা জনা যায় যে শোণিতপুৰ নগৰত বাণ ৰজাৰ জীয়াৰী উষা দেবীৰ মঠ আছিল; এই নগৰৰ পূবে দেবীকূট তাৰ পূবে ৰুদ্ৰপদ আৰু কণ্যাশ্ৰম বা চ্যবনমুনিৰ সিদ্ধাশ্ৰম আৰু সোমকুণ্ড, তাৰ পূবে বিশ্বনাথ আৰু উমাবন। বিশ্বনাথেই বাণ ৰজাৰ গুপ্তকাশী। তাত উন কোটি শিৱলিঙ্গ থকা বুলি প্ৰবাদ আছে। চ্যবনমুনিৰ পালিতা কন্যা কণ্যকাই যি ঠাইত শিৱক স্বামীৰূপে পাবৰ কাৰণে তপস্যা কৰিছিল, তাতে ৰুদ্ৰপদ আছে। এই ৰুদ্ৰপদ ভোমোৰাগুৰি পৰ্ব্বতৰ পূবে।

হৰিবংশ পুথিত লিখা আছে যে আহবনীয়া (যজ্ঞৰ) অগ্নিয়ে শোণিতপুৰ ৰক্ষা কৰি আছিল। "কালিকাপুৰাণত" লিখা আছে যে বাণাসুৰৰ নগৰ শোণিতপুৰত অগ্নিদুৰ্গ বা অগ্নিগড় আছিল। এতিয়াও ইয়াৰ লুইতৰ দাঁতিৰ Observatory Hill বা "পদ্মপাৰ্ক বোলা পাহাড়টোক অগ্নিপৰ্ব্বত বোলে। বোধকৰোঁ তেজপুৰৰ এই নৈ কাষৰীয়া পৰ্ব্বত বিলাকত একৰমকালি সততে যজ্ঞাগ্নি জ্বলি আছিল। "কুৰ্ম্মপুৰাণ" মতে এই আহবনীয়া অগ্নি অহৰহ প্ৰজ্বলিত হৈ তেজ বিস্তাৰ কৰি থকাৰ নিমিত্তে নগৰ খনৰ নাম তেজোৱতী আছিল। সেই পুৰাণে তেজোৱতীৰ যি ভৌগলিক স্থিতি নিৰূপণ কৰিছে তাৰ পৰা বুজা যায় যে তেজোৱতীয়েই শোণিতপুৰ। কালক্ৰমত তেজোৱতীৰ "তেজ" আৰু শোণিতপুৰৰ "পুৰ" লগ লাগি এই নগৰৰ নাম তেজপুৰ হয়।

বাণৰজাৰ উষা নামেৰে ভুবন মোহিনী কন্যা আৰু ইন্দ্ৰদমন নামে এটি পুত্ৰ আছিল। ভগবান শ্ৰীকৃষ্ণ আৰু ৰুক্মিণী দেবীৰ নাতি অনিৰুদ্ধ কোঁৱৰক উষাৰ সখীয়েক চিত্ৰলেখা দেবীয়ে যোগবিদ্যাৰ বলত সুদূৰ দ্বাৰকাৰ পৰা ইয়ালৈ লৈ আহে আৰু উষাৰ লগত মিলন কৰি দিয়ে। বাণৰজাই এই কথা জানিবলৈ পাই কোঁৱৰক বন্দি কৰি থয়। নাৰদৰ মুখে শ্ৰীকৃষ্ণই খবৰ পাই সসৈন্যে শোণিত-পুৰলৈ আহে। পাছে তুমুল ৰণ হয়। বাণৰজাই শিৱত শৰণ লয়। শৰণাগতক ৰক্ষা কৰিবৰ নিমিত্তে শিৱই আহি ৰণত যোগ দিয়ে। এই ৰণকে হৰি-হৰ যুদ্ধ বোলে। শেষত উভয় পক্ষৰ ভিতৰত সন্ধি হয়, আৰু উষাক অনিৰুদ্ধ কোঁৱৰে বিয়া কৰাই দ্বাৰকালৈ লৈ যায়। যি ঠাইত এতিয়া তেজপুৰৰ কাছাৰি ঘৰ আছে তাতে উষাৰ মঠ বা কাৰেং আছিল বুলি কিংবদন্তিৰ পৰা জনা যায়। ইং ১৯০৬ চনত কাছাৰি ঘৰটো বঢ়াই ডাঙৰ কৰিবৰ নিমিত্তে ভেটিৰ মাটি খানোতে মাটিৰ তলত এটা পুৰণি শিলৰ ঘৰৰ ভগ্নাৱশেষ থকা জনা গৈছিল। বাণৰজাই স্থাপন আৰু পূজা কৰা মহাভৈৰব শিৱলিঙ্গ এই নগৰত আছে। শুনিবলৈ পাইছোঁ ইমান ডাঙৰ শিৱলিঙ্গ ভাৰতৰ আন কোনো প্ৰদেশত নাই। দেবীকূটৰ আগৰ শিল আৰু ইটাৰে সজা মন্দিৰ ভাগি গল। এতিয়া তাত মহাভাগা ভৈৰবী দেবীৰ দেৱালয় আছে। তেজপুৰৰ ভোমোৰা-গুৰি পৰ্ব্বতৰ পৰা অকা পৰ্ব্বতৰ ভালুকপেঙ দুৰ্গলৈকে এটা অতি পুৰণি গড় আছে। এই গড়টো বাণৰজাই কৰোৱা বুলি প্ৰবাদ আছে। আকৌ ভৈৰৱকুণ্ডৰ পৰা তিব্বতৰ লাছা নগৰলৈকে যিটো পুৰণিকলীয়া বাট আছে সেইটোও হেনো বাণৰজাৰ দিনৰ।

এই জিলাৰ উত্তৰ ফালৰ পৰ্ব্বতত থকা অঁকাবিলাকে নিৰ্জক বাণৰজাৰ নাতি ভালুকৰ বংশধৰ বুলি কয় আৰু "কৃষ্য" জাতিৰ মানুহ বুলি চিনাকি দিয়ে। "কৃষ্য" শব্দটো "ঋক্ষ" শব্দৰ অপভ্ৰংশ হব পায়। ঋক্ষ বুলিলে ভালুক বুজায়। কিন্তু আগৰ দিনত ঋক্ষ নামে এজাতি মানুহো আছিল। শ্ৰীকৃষ্ণৰ ভাৰ্য্যা জাম্বৱতী ঋক্ষকন্যা আছিল। যি ঠাইত ভালুকপেঙ দুৰ্গ আছে সেই পিনে অঁকা পৰ্ব্বতলৈ যোৱা বাট আছে। তাক ভালুক দুৱাৰ বুলিও কয়। সম্ভৱতঃ বাণৰজাৰ নাতি ভালুকে কোনো কাৰণত এই ফালৰ ৰাজ্য হেৰুৱাই অঁকা পৰ্ব্বতত আশ্ৰয় লৈছিল।

"কালিকাপুৰাণৰ" ৩৯ আধ্যাত লিখা আছে যে প্ৰাগ্‌জ্যোতিষৰ ৰজা নৰকৰ লগত শোণিতপুৰৰ বাণৰজাৰ অত্যন্ত মিত্ৰতা হোৱাত পৰস্পৰে পৰস্পৰৰ ঘৰলৈ অহা যোৱা কৰিবলৈ ধৰে। নৰকে অনেক বেদ-বিৰুদ্ধ কাৰ্য্য কৰি দেৱ ব্ৰাহ্মণাদিক অত্যাচাৰ কৰি ৰাজ্যৰ পৰা খেদি দিয়ে; দেৱতাসকলক জিনি দেৱমাতা অদিতিৰ কুণ্ডল হৰণ কৰে; ৰূপে গুণে ধন্যা ষোলহাজাৰ দেৱকন্যাকো ধৰি আনি আটক কৰি ৰাখে। পাছে, শ্ৰীকৃষ্ণই নৰকক বধ কৰি তেওঁৰ পুতেক ভগদত্তক ৰজা পাতে। গিৰিৰাজ হিমালয়ৰ পৰা ওলোৱা কোকা নামে নদীৰ মুখত দিব্য বৰাহৰূপী বিষ্ণুৱে এক শ্ৰাদ্ধ যজ্ঞ কৰিছিল; তেওঁৰ ভাৰ্য্যা মহীময়ী ছায়াই সেই যজ্ঞৰ পিণ্ড ভোজন কৰি গৰ্ভাৱতী হয় আৰু কিছুদিনৰ পিছত সেই যজ্ঞ ভূমিতে এটি পুত্ৰ সন্তান প্ৰসৱ কৰে।

"ততোঽস্যাঃ প্ৰাভৱৎ পুত্ৰোভৌমস্তনৰকাসুৰঃ।
প্ৰাগ্‌জ্যোতিষঞ্চ নগৰমস্য দত্তঞ্চ বিষ্ণুনা॥'

সেই পুত্ৰই ভৌম নৰকাসুৰ। ব্ৰহ্মপুৰাণ ২১৯ আধ্যা। বিষ্ণুৱে তেওঁক প্ৰাগ্‌জ্যোতিষপুৰ দান কৰে।

ভূমিৰ গৰ্ভত বা যজ্ঞভূমিত জন্ম হোৱা বাবে নৰকাসুৰৰ আৰু তেওঁৰ বংশৰ ৰজা সকলক ভৌমনৃপতি বোলা হয়। কোকা নদী কৌশিকী বা কুশী নৈত পৰিছে "বৰাহ পুৰাণৰ" ( ১৪০ আধ্যা ) মতে কোকা নৈৰ মুখত ভগবান বিষ্ণুৱে বৰাহ অৱতাৰত ভূমি উদ্ধাৰ কৰি তাত যজ্ঞ কৰিছিল। সেই বাবে ঠাই খনৰ নাম বৰাহ ক্ষেত্ৰ হয়। সাগৰৰ গৰ্ভৰ পৰা নকৈ ওলোৱা ঠাই গুণে সেই ভূখণ্ডক কৌশিকী কচ্ছ বুলিও কয়।

প্ৰায় পাঁচ হেজাৰ বছৰৰ পূৰ্ব্বে কুৰুক্ষেত্ৰত মহাভাৰতৰ যুদ্ধ হৈছিল। প্ৰাগজ্যোতিষাধিপতি ভগদত্ত কৌৰৱৰ পক্ষে সেই যুদ্ধলৈ গৈ যুদ্ধক্ষেত্ৰত প্ৰাণত্যাগ কৰে। তেতিয়া তেওঁৰ পুতেক বজ্ৰদত্তই পিতৃ-সিংহাসন পায়। ভগদত্ত বা বজ্ৰদত্তৰ দিনতে শোণিতপুৰ ৰাজ্য প্ৰাগজ্যোতিষ বা কামৰূপৰ অন্তৰ্ভুক্ত হৈছিল বুলি অনুমান কৰো। নৰক বংশৰ ৰজা সকলে অনেক শ বছৰ এই দেশত ৰাজত্ব কৰে। এই ৰজাসকলৰ যি যি তামৰ ফলি এই পৰ্য্যন্ত আবিষ্কাৰ হৈছে তাৰ পৰা জনা যায় যে তেওঁলোকে নিজক কোল-সুনু অৰ্থাৎ কোলৰূপী বিষ্ণুৰ সন্তান বুলি চিনাকি দিছিল। বৈদিক যুগত বংশৰ আদি পুৰুষৰ নামৰ পাছত "তা" বা "তি" প্ৰয়োগ কৰি বংশধৰ সকলে চিনাকি দিয়াৰ প্ৰথা আছিল। সেইমতে কোল-সুনু সকল কোলতা বুলি জনাজাত হয় আৰু কালক্ৰমে "কোলতা" শব্দই "কলিতা" হোৱা বুলি বোধ হয়। "কোল" বুলিলে বৰাহ বা বৰাহৰূপী বিষ্ণু বুজায়, এজাতি মানুহো বুজায়।

মাননীয় ৰায় বাহাদুৰ শ্ৰীযুত কনকলাল বৰুৱা ডাঙ্গৰীয়াৰ "Early History of Kamarupa" পুথিৰ ২৫ পিঠিত লিখা আছে—

"It may also be supposed that as the earliest Aryan colonists in Assam were the Kalitas, the kings of Naraka line were probably Aryan Kalitas."

প্ৰাগজ্যোতিষাধিপতি ভাস্কৰ বৰ্ম্মাৰ ৰাজত্বৰ কালত তেওঁৰ বংশৰ এজন ৰাজকোঁৱৰ এই তেজপুৰ অঞ্চলৰ শাসন কৰ্ত্তা আছিল। তেওঁৰ তলত অনেক ম্লেছ বা মেছ সেনা আছিল। তেওঁৰ সাহ আৰু পৰাক্ৰম দেখি আৰু তয়াময়া ৰণতো তেওঁক শাল গছৰ দৰে অটল দেখি সকলোৱে তেওঁক "শালস্তম্ভ" বুলিছিল। ভাস্কৰবৰ্ম্মা চিৰকুমাৰ আছিল। অনুমান ৬৫০ খৃষ্টাব্দত তেওঁ স্বৰ্গী হয়। তেতিয়া অৱন্তীবৰ্ম্মা নামে এজন ৰাজকোঁৱৰে প্ৰাগজ্যোতিষৰ সিংহাসন অধিকাৰ কৰে। শালস্তম্ভই তলে তলে সেই সিংহাসন পাবৰ কাৰণে যত্ন কৰে আৰু ছেগ চাই থাকে। তেওঁ তেজপুৰৰ দা-ধৰা পুখুৰীৰ চাৰিওকাষে তেওঁৰ সৈন্যবিলাকৰ বাহৰ কৰি তাৰ নাম জয়স্কন্ধাৱাৰ ৰাখে আৰু তাৰ পৰা কিছু দূৰত হাটকেশ্বৰ নামে সোণ খটোৱা শিৱলিঙ্গ স্থাপন কৰি তাত নিতৌ শিৱপূজা কৰে। পাছে, অনুমান ৬৫৫ খৃষ্টাব্দত তেওঁ দা-ধৰা পুখুৰীত অস্ত্ৰ-শস্ত্ৰ ধৰাই লৈ সসৈন্যে গৈ প্ৰাগজ্যোতিষপুৰ অৱৰোধ কৰে আৰু অৱন্তী বৰ্ম্মাক বধ কৰি নিজে ৰাজপাট অধিকাৰ কৰে। তেওঁ প্ৰাগজ্যোতিষপুৰৰ পৰা

ৰাজধানী তুলি আনি তেজপুৰত পাতে আৰু তেওঁৰ ইষ্টদেৱতা হাটকেশ্বৰ শিৱৰ নামানুসাৰে ৰাজধানীৰ নাম হাটকেশ্বৰপুৰ ৰাখে। তেওঁৰ পিছত তেওঁৰ বংশৰ বিজয়, পালক কুমাৰ, বজ্রদেৱ, শ্ৰীহৰ্ষবৰ্ম্মা, দ্বিতীয় বলবৰ্ম্মা, প্ৰালম্ভ হৰ্জ্জৰবৰ্ম্মা, বনমাল বৰ্ম্মা, জয়মাল বা বীৰবাহু, তৃতীয় বলবৰ্ম্মা, দীপৰবৰ্ম্মা, ত্যাগসিংহ আদি ২০ জন ৰজাই একাদিক্রমে কামৰূপত ৰাজত্ব কৰে। "দশ কুমাৰ চৰিতত" লিখা কলিন্দবৰ্ম্মাও এই বংশৰে এজন ৰজা আছিল। এই সকলো ৰজাৰ দিনত হাটকেশ্বৰ বা তেজপুৰেই কামৰূপৰ ৰাজধানী আছিল। কামেশ্বৰ শিৱ আৰু ভগৱতী মহাগৌৰী তেওঁলোকৰ উপাস্য দেৱতা হলেও তেওঁলোকে বিষ্ণু, সূৰ্য্য আদি দেৱতাকো পূজিছিল। অনুমান ৯৮৫ খৃষ্টাব্দত ৰজা ত্যাগসিংহ অপুত্ৰক হৈ মৰাত তেওঁৰ বংশৰ ব্ৰহ্মপালে ৰাজপাটত বহি তেজপুৰৰ পৰা ৰাজধানী আকৌ গুৱাহাটীলৈ তুলি নিয়ে। প্ৰায় ৩০০ বছৰ তেজপুৰ কামৰূপ সাম্ৰাজ্যৰ ৰাজধানী আছিল।

সংস্কৃত ভাষাত "হাটকম" বুলিলে সোণ বা সোণেৰে নিৰ্ম্মাণ কৰা বস্তু বুজায়। "বামন পুৰাণত" হাটকেশ্বৰ নামে শিৱৰ উল্লেখ আছে। সম্ভৱতঃ হাটকেশ্বৰ শব্দই কালক্ৰমে হাৰপেশ্বৰ বা হাৰূপেশ্বৰ ( হৰৰূপেশ্বৰ ? ) বা হলেশ্বৰত পৰিণত হয়। তেজপুৰত হলেশ্বৰ নামে এখন শিৱৰ দেৱালয় আছে। আকৌ সেই নামেৰে এখন মৌজাও আছে। এই নগৰৰ পৰা তিনিমাইলমান দূৰত কেতেকীবাৰী গাঁৱৰ তিনিমুনি বাটত অতি প্ৰাচীন কালৰ এটি প্ৰকাণ্ড শিৱলিঙ্গ থিয় দি আছে। তাৰ অলপ দূৰত এখন ওখ ঠাইত সেই শিৱলিঙ্গটিৰ শিলৰ বেদীখন আছে। তাৰ ওচৰতে এটা পুখুৰী। এনে বোধ হয়, কোনোবা মানুহে ধন-সোণৰ আশাত কোনোবা কালতে সেই শিৱলিঙ্গটি বেদীখনৰ পৰা দাঙ্গি আনি বৰ্ত্তমান ঠাইত থয়। এতিয়া বেদীৰ ভিতৰখন এটা নাদৰ নিচিনা দেখা যায়। ইয়াত হেনো ধন-সোণ আছিল। এই শিৱলিঙ্গটিৰ গাত মূৰ্ত্তি কটা আছে আৰু ভালকৈ চালে এনে অনুমান হয় যে তাৰ গাত সোণ খটোৱা আছিল আৰু কোনোবাই যেন সোণবিলাক কৰি নিলে! এই শিৱলিঙ্গটিক কোনোৱে হাটকেশ্বৰ আৰু কোনোৱে কেতকেশ্বৰ বুলি কয়। বোধকৰো এইটোৱেই শালস্তম্ভ ৰজাই স্থাপন কৰা হাটকেশ্বৰ শিৱলিঙ্গ। সি যি হওক, এই শিৱলিঙ্গটিক আকৌ পূৰ্ব্বৰ শিলৰ বেদীখনত স্থাপন কৰি দেৱালয়টিৰ পুনঃ প্ৰতিষ্ঠা কৰা হিন্দু সমাজৰ কৰ্ত্তব্য বুলি ভাবো। হলেশ্বৰ, হেস্থুলেশ্বৰ আৰু শুক্লেশ্বৰ দেৱালয় তিনিখনো শালস্তম্ভ বা তেওঁৰ বংশৰ

কোনো ৰজাই স্থাপন কৰা বুলি বিশ্বাস হয়। চাবি দুৱাৰৰ কলীয়া গোসাঁইৰ দেৱালয় কোনে কেতিয়া প্ৰতিষ্ঠা কৰিছিল জানিব পৰা নাই।

তেজপুৰৰ ভোমোৰাগুৰি পৰ্ব্বতৰ ওচৰৰ ৰুদ্ৰপদৰ পৰা ঔগুৰি পৰ্ব্বতৰ ভৈৰৱপদলৈকে ব্ৰহ্মপুত্ৰৰ কাষৰ সমুদায় ঠাই যুৰি হাটকেশ্বৰ নগৰ আছিল আৰু গোটেইখন পৰ্ব্বতীয়া গাওঁ সেই নগৰৰ অন্তৰ্ভুক্ত আছিল। এই গাওঁখনৰ প্ৰায় মানুহৰ ঘৰে ঘৰে যিবিলাক চটিয়া শিল, শিলৰ খুটা, লতা ফুল আৰু মূৰ্ত্তি থকা শিল দেখিবলৈ পোৱা যায়, সেইবিলাক ওপৰোক্ত ৰজাসকলৰ দিনৰ হাটকেশ্বৰপুৰৰ দৌলদেৱালয় আদিৰ ভগ্নাৱশেষ বুলি বিশ্বাস হয়। ভাস্কৰবৰ্ম্মাই অধিকাৰ কৰা গৌড়, কৰ্ণ-সুবৰ্ণ, তাম্ৰলিপ্তি আদি প্ৰদেশ-বিলাকৰ ওপৰত শালস্তম্ভ, বিজয়, পালক, কুমাৰ আৰু বজ্ৰদেৱে ৰাজত্ব কৰে। বজ্ৰদেৱৰ পাছত অনুমান ৭৩০ খৃষ্টাব্দত শ্ৰীহৰ্ষবৰ্ম্মাদেৱে এই হাটকেশ্বৰ পুৰত কামৰূপ সাম্ৰাজ্যৰ ৰাজসিংহাসনত অভিষিক্ত হয়। তেওঁৰ অনেক হাঁতী, ঘোঁৰা, যুদ্ধৰ নাও আৰু বিৰাট সৈন্য বাহিনী আছিল। তেওঁ মগধ, কোশল, উড়িষ্যা আৰু কলিঙ্গ জয় কৰি গোদাবৰী নৈৰ পাৰত হাটকেশ্বৰ নামে শিৱলিঙ্গ স্থাপন কৰি তাত তেওঁৰ বিজয় পতাকা উৰাইছিল। তেওঁৰ কন্যা ৰাজ্যমতীক নেপালৰ ৰজা জয়দেৱে বিয়া কৰায়। জয়দেৱৰ এখন শিলালিপিত শ্ৰীহৰ্ষবৰ্ম্মাক গৌড়, ওড্ৰ, কলিঙ্গ আৰু কোশল প্ৰদেশৰ অধিপতি বুলি যি কথা লিখা আছে, বুৰঞ্জীবিদ্ পণ্ডিতসকলে সেই কথা সত্য বুলি স্বীকাৰ কৰিছে। এতেকে এতিয়াৰ অসম, বঙ্গ, বিহাৰ আৰু উড়িষ্যা প্ৰদেশ, যুক্তপ্ৰদেশৰ পূৰ্ব্বাংশ আৰু মাদ্ৰাজ প্ৰদেশৰ উত্তৰাংশ লৈ শ্ৰীহৰ্ষবৰ্ম্মাদেৱে এখন বিশাল সাম্ৰাজ্য গঠন কৰি পূৰভাৰতৰ সম্ৰাট হৈ প্ৰায় বিংশতি বছৰ ৰাজত্ব কৰিছিল। পূবে সদিয়াৰ পৰশুৰাম কুণ্ডৰ পৰা পশ্চিমে অযোধ্যালৈকে, উত্তৰে হিমালয়ৰ পৰা দক্ষিণে বঙ্গোপসাগৰলৈকে তেওঁ কামৰূপ সাম্ৰাজ্যৰ সীমা বহলাব পাৰিছিল। তেতিয়াৰ কামৰূপ শৌৰ্য্যে-বীৰ্য্যে, ধনে-সম্পদে, বিদ্যাই-বুদ্ধিয়ে ভাৰতত অতুলনীয় আছিল। হাটকেশ্বৰ ৰাজসভাৰ পণ্ডিত সকলৰ ভিতৰত কুমাৰিলাভট্টৰ নিচিনা এনে অগাধ পণ্ডিত আছিল যে জগৎগুৰু শঙ্কৰাচাৰ্য্যই তেওঁৰ ওচৰত বাদত পৰাস্ত হৈ তেওঁক গুৰু মানি লৈছিল। শ্ৰীহৰ্ষবৰ্ম্মাই কামৰূপ ইতিহাসত এটি উজ্জ্বলতম ৰশ্মি পেলাই গৈছে। তেজপুৰৰ ৰাজ কাৰেঙত উপজি, লৌহিত্যৰ পাৰত উমলি, ইয়াৰ অন্নজল খাই ডাঙৰ হৈ, এই তেজস্বী ভূপতিয়ে এই দেশক মহামহিমান্বিতা কৰি গৈছে। কিন্তু চিৰদিন কাৰো সমানে নেযায়।

বিজয় লক্ষ্মী চঞ্চলা। ৭৫০ খৃষ্টাব্দত যেতিয়া শ্ৰীহৰ্ষবৰ্ম্মা মগধত বাহৰ কৰি থাকে, তেতিয়া কনৌজৰ ৰজা যশোবৰ্ম্মনে অনেক সৈন্য-সামন্ত লৈ তেওঁক তাতে আক্ৰমণ কৰেহি। দুয়ো পক্ষৰ ভিতৰত ভীষণ যুদ্ধ হয়। সেই যুদ্ধত শ্ৰীহৰ্ষবৰ্ম্মা পৰাজিত আৰু নিহত হয়। তেতিয়াৰ পৰাই কামৰূপ সাম্ৰাজ্যৰ আয়তন ক্ৰমে ক্ৰমে সৰু হৈ আহে। তেওঁৰ পিছত তেওঁৰ পুতেক দ্বিতীয় বলবৰ্ম্মা আৰু প্ৰালম্ভ ক্ৰমে ৰজা হয়। প্ৰালম্ভৰ পিছত তেওঁৰ পুতেক হৰ্জ্জৰবৰ্ম্মাই ৮২০ খৃষ্টাব্দৰ পৰা ৮৩৫ খৃষ্টাব্দলৈকে ৰাজত্ব কৰে। ভৈৰৱ পদৰ ওচৰত দুটা থিয় শিল আছে। তাৰ ওচৰত এটা প্ৰকাণ্ড শিলত হৰ্জ্জৰবৰ্ম্মাৰ আদেশ মতে ৮২৯ খৃষ্টাব্দত লিখা এখন লিপি এতিয়ালৈকে বিদ্যমান আছে। সেই লিপিত এই নগৰৰ নাম হাটকেশ্বৰপুৰ বুলি লিখা আছে। তেওঁ এই নগৰৰ পৰা দিয়া এখন তামৰ ফলিও ওলাইছে। তাৰ পৰা জনা যায় যে তেওঁ দাঁতি-কাষৰীয়া পৰ্ব্বতীয়া জাতিবিলাকক বশ কৰি ৰাখিছিল। তেওঁ খনোৱা হজৰা পুখুৰীয়ে আজিলৈকে তেওঁৰ স্মৃতি বহণ কৰি আছে। তেওঁৰ ঔৰসত আৰু তাৰাদেবীৰ গৰ্ভত বনমাল দেৱৰ জন্ম হয়। বনমাল বীৰপুৰুষ আছিল। তেওঁ ৰজা হৈ তেওঁৰ ৰাজ্যৰ সীমা দক্ষিণে সমুদ্ৰৰ পাৰলৈকে বহলাইছিল আৰু উত্তৰ বঙ্গ তেওঁৰ শাসনৰ তলত আছিল। তেওঁৰ এখন তামৰ ফলিৰ পৰা জনা যায় যে তেওঁ ত্ৰিস্ৰোতা (তিস্তা) নৈৰ পশ্চিম পাৰে থকা চন্দ্ৰপুৰী বিষয়ৰ অভীশ্বৰ বটক নামে গাঁৱৰ কিছুমান মাটি এজন ব্ৰাহ্মণক দান কৰিছিল। এই তামৰ ফলিত এই নগৰৰ এটি সুন্দৰ বৰ্ণনা আছে। "Early History of Kamarupa." পুথিত সেই বৰ্ণনাৰ কথা সুন্দৰকৈ লিখা আছে।

নৱম শতিকাৰ মাজভাগত এই তেজপুৰ নগৰৰ অৱস্থা কেনে উন্নত আছিল সেই বৰ্ণনাৰপৰা ভালকৈ বুজিব পাৰি। ইয়াত যে অনেক দেৱ-মন্দিৰ আছিল তাত কোনো সংশয় নাই। অকল বামুনী পৰ্ব্বততে সাতোটা মন্দিৰ আছিল। সেই পৰ্ব্বতত মন্দিৰবিলাকৰ যি ভগ্নাৱশেষ আছে, তাক দেখিলে বিস্ময় মানিব লাগে। এই ভগ্নস্তূপৰ মাজত নটৰাজ শিৱৰ মূৰ্ত্তি দেখা পোৱা গৈছিল। তেজপুৰৰ প্ৰায় সকলো বিলাক পৰ্ব্বতত আগৰ দিনৰ মঠ-মন্দিৰবিলাকৰ ধ্বংশাৱশেষৰ চিন দেখিবলৈ পোৱা যায়, শিল আৰু ইটাৰে মন্দিৰবিলাক সজা হৈছিল। শিলবিলাক কাটি তাৰ ওপৰত ধুনীয়াকৈ ফুল কাটিছিল, দেৱ-দেবীৰ মূৰ্ত্তি সাজিছিল আৰু ডাঙৰ ডাঙৰ বিতোপন স্তম্ভ তৈয়াৰ কৰিছিল। শিলত এনে কাৰুকাৰ্য্য দেখি ইয়াত ভাস্কৰ বিদ্যাৰ যে কিমান উন্নতি হৈছিল সেইটো

বুজিব পাৰি। দুখৰ বিষয় এতিয়া ইয়াত শিলাকুটি নোহাৱাৰ নিচিনাই হল। আকৌ ইয়াত কেতিয়াবা ভাস্কৰ বিদ্যাৰ অনুশীলন হব নে? ইয়াৰ কাছাৰি ঘৰৰ টোলত অনেক পুৰণি কীৰ্ত্তিৰ চিন শিলৰ ভগ্নাৱশেষ চাৰিওফালে সিচঁৰতি হৈ পৰি আছিল। তাৰে কিছুমান কাৰুকাৰ্য্যময় শিল আতঁৰাই নি ছাহাব বিলাকৰ বঙ্গলাত ৰাখিছে আৰু কিছুমান ক'ল পাৰ্কত থৈছে।

বুৰৈ নৈৰ আগালিত দফলা পৰ্ব্বতত শিল আৰু ইটাৰে নিৰ্ম্মাণ কৰা এটা প্ৰকাণ্ড দুৰ্গৰ ভগ্নাৱশেষ আছে। অকাঁ দফলাৰ পৰ্ব্বততো আগৰ দিনৰ কীৰ্ত্তিৰ চিন পোৱা যায়।

দ-পৰ্ব্বতীয়া গাৱঁত এটি অতি পুৰণি শিলৰ মন্দিৰৰ যি সেজা ( Lintel ) বা দুৱামুখৰ আছে তাৰ কাৰুকাৰ্য্য দেখিলে বিমোহিত হব লাগে। প্ৰত্নতত্ত্ব-বিভাগৰ বাবু ৰাখালদাস বন্দ্যোপাধ্যায়ে সেই দুৱাৰ মুখ দেখি লিখি গৈছে:—

"The artist's sense of proportion, the beautiful symmetry of the figures and ornamental devices and the excellence of execution tend to prove that the door lintel belongs to the same period as the great schools of sculpture which existed at Pataliputra and Benares in the 5th and 6th Centuries A. D."

এই মহকুমাত আগৰ দিনৰ ৰজা সকলে খনোৱা এহেজাৰমান পুখুৰী আছে। তাৰ ভিতৰত হৰ্জ্জৰ বৰ্ম্মাই খনোৱা হজৰা পুখুৰীয়েই আটাইবোৰতকৈ ডাঙ্গৰ। এই পুখুৰীত এতিয়া ঘোঁৰা-দৌড়ৰ মেলাচকৰ পাতিছে। কলংপুৰ মৌজাত দীপৰ বৰ্ম্মাই খনোৱা দীপৰা পুখুৰীক দ্বিতীয় ডাঙ্গৰ পুখুৰী বুলিব পাৰি। সেই পুখুৰীৰ পাৰ বিলাক ইটাৰে বন্ধোৱা আছিল আৰু তাত ইটাৰ খটখটিও আছিল। ইটা বিলাক মানুহে নি অন্ত কৰিলে। ভূমিকম্পত পুখুৰীটোও বাম হল। বাৰভূঞাৰ বংশৰ টেটোনে কৰোৱা আলি আৰু পুখুৰী অদ্যাপিও ছয় দুৱাৰত আছে। গমিৰিৰ বটলাগড় আৰু পুখুৰীয়ে আজিলৈকে এগৰাকী বীৰ নাৰীৰ স্মৃতি বহন কৰি আছে।

অনুমান ১১২৫ খৃষ্টাব্দত বঙ্গদেশৰ ৰজা ৰামপালে কামৰূপ জয় কৰিবৰ নিমিত্তে তেওঁৰ সেনাপতি বৈদ্যদেৱক কামৰূপলৈ পঠায়। তেতিয়া ধৰ্ম্মপালৰ পুতেক জয়পালে কামৰূপত ৰাজত্ব কৰিছিল। বৈদ্যদেৱে জয়পালক বধ কৰি ভগদত্তৰ বংশৰ তিঙ্গদেৱ নামে এজন কোঁৱৰক কৰতলীয়া ৰজা পাতি গুচি যায়।

এনেতে ৰামপালৰ মৃত্যু হয় আৰু তেওঁৰ পুতেক কুমাৰপাল বঙ্গদেশৰ ৰজা হয়। তেতিয়া তিঙ্গদেৱে কুমাৰপালক কৰ নিদি নিজক স্বাধীন নৃপতি বুলি ঘোষণা কৰে। কুমাৰপালে আকৌ বৈদ্যদেৱক কামৰূপলৈ পঠায়। ১১৩১ খৃষ্টাব্দত বৈদ্যদেৱৰ লগত তিঙ্গদেৱৰ যুদ্ধ হয়। সেই যুদ্ধত তিঙ্গদেৱৰ মৃত্যু হয়। বৈদ্যদেৱে কামৰূপ অধিকাৰ কৰি নিজে ৰাজ্য শাসন কৰে। পিছত তেৱেঁই কামৰূপৰ ৰজা হয়। তিঙ্গদেৱৰ মৃত্যুৰ লগে লগে কামৰূপত নৰকাসুৰৰ বংশধৰ সকলৰ ৰাজত্ব শেষ হয়। প্ৰায় ছহেজাৰ বছৰ এই বংশৰ ৰজা সকলে আমাৰ দেশত ৰাজত্ব কৰিছিল। তিঙ্গদেৱে স্থাপন কৰা তিঙ্গেশ্বৰ শিৱৰ দেৱালয়ৰ ভগ্নাৱশেষ এতিয়ালৈকে ভৈৰৱ-পদৰ ওচৰত আছে। সেই ভগা দেৱালয়টিকে এই প্ৰসিদ্ধ ৰাজবংশৰ শেষ ৰজাৰ শেষস্মৃতি বুলি তেজপুৰে আজিলৈকে বুকুত লৈ আছে।

বৈদ্যদেৱে কামৰূপ ৰাজ্যৰ নামনি খণ্ডত হে ৰাজত্ব কৰিছিল। উজনিত আমাৰ এইফালে ৰজা ধৰ্ম্মপালৰ নাতি সোমপাল নামে এজন কোঁৱৰে কন্যকা গাৱঁত ৰাজধানী পাতি ৰাজত্ব কৰিছিল বুলি "কামৰূপৰ বুৰঞ্জী" পুথিত লিখা আছে। কন্যকা এখন সমৃদ্ধিশালী গাওঁ আছিল। জীয়া ভৰলী নৈয়ে সেই গাওঁ-খন ভাঙিলে। সোমপালৰ পিছত তেওঁৰ পুতেক ভালুকপেং বা ৰামচন্দ্ৰ কোৱঁৰে প্ৰতাপসিংহ নাম লৈ ৰজা হয়। তেওঁ প্ৰতাপগড় নামে দুৰ্গ কৰায় আৰু সেই দুৰ্গৰ পৰা উত্তৰে দফলা পৰ্ব্বতলৈকে আৰু দক্ষিণে বিশ্বনাথ নগৰলৈকে গড় বন্ধায়। তেওঁৰ ৰাজছত্ৰত মীন অঙ্কিত কৰা বাবে তেওঁক মীনাঙ্ক বুলিও কয়। উমাটুমনিত তেওঁৰ দিনৰ শিলা লিপি আছে আৰু শিলত চক্ৰবেহু, বাঘ-খেল আদিও আঁকা আছে। তেওঁৰ ৰাজধানী লৌহিত্যপুৰ এতিয়াৰ বিশ্বনাথ নগৰত আছিল; সৈন্য-সামন্ত বিলাক প্ৰতাপগড়ত আছিল।

এই বংশৰ ৰজা সকলৰ নাম তলত লিখা গল :—

আৰিমত্ত বা গজাঙ্ক
|
ৰত্নসিংহ বা শূকৰাঙ্ক
|
শৃকালাঙ্ক বা শূকৰাঙ্ক
|
মৃগাঙ্ক বা জোঙ্গালবলহু

মৃগাঙ্ক বা জোঙ্গালবলহু অপুত্ৰক অৱস্থাত কছাৰীৰ লগত ৰণ কৰি কলং নৈত ডুবি মৰাত পঞ্চদশ খৃষ্টাব্দৰ মাজছোৱাৰ পৰা এই অঞ্চলত কিছুকাল বাৰ-ভূঞাই শাসন কৰে। নগাঁও জিলাত জোঙ্গালবলহুৰ এটা গড় আছে। বাৰভূঞাৰ পিছত ইন্দ্ৰবংশী আহোম আৰু শিৱবংশী কোচৰজাসকলে ইয়াত ৰাজত্ব কৰিছিল।

আৰিমত্তৰ জন্ম কাহিনী কামৰূপৰ বুৰঞ্জীত যি দৰে লিখা আছে তাৰ পৰা এনে বোধ হয় যে লৌহিত্য বংশৰ কোনো ব্ৰাহ্মণে তেওঁৰ মাক চন্দ্ৰপ্ৰভাক ব্ৰহ্মপুত্ৰত গা ধুই থাকোতে দেখা পাই হৰণ কৰি কামাখ্যালৈ লৈ যায় আৰু তাতে সেই ব্ৰাহ্মণৰ ঔৰসত আৰিমত্তৰ জন্ম হয়। আমাৰ এই অঞ্চলত লৌহিত্য বংশৰ নাগাক্ষ নামে এজন ব্ৰাহ্মণ ৰজাই শকাদিত্যৰ শকৰ ৩০০ বছৰ-মানৰ পাছত ৰাজত্ব কৰাৰ কথা বুৰঞ্জীত পোৱা যায়। এই জিলাত নাগশঙ্কৰ নামে যিটো শিৱৰ দেৱালয় আছে সেইটো নাগাক্ষ ৰজাই প্ৰতিষ্ঠা কৰে। সেই দেৱালয়ৰ ওচৰতে তেওঁৰ ৰাজধানী আছিল। তেওঁৰ বংশৰ কেইবা জনাও ৰজা হৈ যোৱাৰ পিছত সেই বংশৰ নাশ হয়।

এই নগৰৰ পৰা ৩২ মাইল পশ্চিমে শৃঙ্গাটক বা শিঙৰি পৰ্ব্বত আছে। তাত এসময়ত ঋষ্যশৃঙ্গ মুনিয়ে আশ্ৰম পাতি কিছুদিন বাস কৰিছিল বুলি প্ৰবাদ আছে। সেই পৰ্ব্বতৰ দাঁতিত গোপেশ্বৰ নামে শিৱৰ দেৱালয় আছে। দেৱালয়ৰ মন্দিৰটি চটিয়া শিল আৰু ইটাৰে ধুনীয়াকৈ সজা। তাত শিৱচতুৰ্দ্দশীত বছৰি উৎসৱ হয় আৰু মেলা বহে। "কালিকা পুৰাণত" আছে—"শৃঙ্গাটকং সমাৰোহ্য পূজয়েৎ লিঙ্গশঙ্কৰম্।"

তেজপুৰৰ পৰা ১৮ মাইল উত্তৰ পূবে নন্দিকেশ্বৰ, তাৰ পূবে সৌভাগ্যমাধৱ, তাৰ পূবে নাগশঙ্কৰ দেৱালয় আছে। কলাবাৰীত বৰকালিকা বা মহাকালী, গহপুৰত ধন্দি, কলংপুৰত কল্যাণী, বিশ্বনাথত বিশ্বেশ্বৰ, কমলেশ্বৰ, উমা, চণ্ডী, নৃসিংহ, বাণেশ্বৰ, মুক্তিনাথ, বাসুদেৱ, সূৰ্য্যমাধৱ, গণেশ, কালভৈৰৱ, সিদ্ধেশ্বৰ, চণ্ডেশ্বৰ, অন্নপূৰ্ণা আদি দেৱালয় আছে। ইয়াৰ ভৈৰবী দেৱালয়ৰ ওচৰৰ বান্দৰদেৱা পৰ্ব্বতত হৰিহৰ নামে এজন ভূঞাই এটি শিৱমন্দিৰ প্ৰতিষ্ঠা কৰি বাৰভূঞা ৰাজ্য পুনঃ উদ্ধাৰ কৰিবৰ কাৰণে তপস্যা কৰিছিল। মোৱামৰীয়া বিদ্ৰোহত তেওঁ মোৱামৰীয়াৰ পক্ষে যুদ্ধ কৰি প্ৰাণ হেৰুৱায়।

মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱে এই জিলাৰ বৰগাং নৈৰ পাৰত গাংমৌ সত্ৰ স্থাপন কৰি তাত ছয়মাহমান বাস কৰিছিল। মহাপুৰুষ মাধৱদেৱৰ পিতৃ-

পিতামহৰ ঘৰ গহপুৰ মৌজাত আছিল। দক্ষিণপাট সত্ৰ স্থাপন কৰা শ্ৰীশ্ৰীবনমালীদেৱে কলাবাৰীত জন্ম গ্ৰহণ কৰিছিল। তাত অসম ৰজাই কৰোৱা দৌল আৰু পুখুৰী আছে। এই মহকুমাৰ ভিতৰত ভালেমান সত্ৰ আছে আৰু ইয়াৰ প্ৰায়বিলাক নৈত আগেয়ে মানুহে সোণ কমাইছিল। "কালিকা পুৰাণত" এই নৈ বিলাকৰ মাহাত্ম্য লিখা আছে। দিকৰাই নৈৰ আগালিত লোণপুং থকা জনা যায়। ভোট, আঁকা আৰু দফলা থকা পৰ্ব্বত বিলাকত কৃষ্ণসাৰ পহু, অগুৰু চন্দন আৰু নানাবিধ মূল্যবান গছ আছে। আহোম ৰাজ বংশৰ প্ৰদীপ মহাৰাজ ৰুদ্ৰসিংহ স্বৰ্গদেৱে বিশ্বনাথত বাহৰ কৰি কিছুদিন বাস কৰিছিল আৰু তেওঁ তাত এক দৰবাৰ পাতিছিল। ইংৰাজ গভৰ্ণমেণ্টে এই দেশ অধিকাৰ কৰি এই অঞ্চলৰ সদৰ ঠাই প্ৰথমতে বিশ্বনাথত পাতিছিল। কেইবছৰ মানৰ পাচত হে তেজপুৰ সদৰ ঠাই হয়। এয়ে তেজপুৰৰ অতি সংক্ষিপ্ত পুৰাবৃত্ত।

# বৰ্ত্তমান যুগৰ সমস্যা

এই যুগৰ ইতিহাসে বহুবিষয়ত মানৱজাতিৰ উন্নতিৰ কথাকে কয়। বিজ্ঞানৰ উন্নতি এই যুগত অভিনৱ। বৈজ্ঞানিক আবিষ্কৃতিয়ে শিল্পাদি ক্ষেত্ৰত বিপ্লব আনি দিলে। যাদুমন্ত্ৰৰ জোৰত যেন পৃথিবীৰ চেহেৰা বদলি হৈ গ'ল। সাধুকথাৰ দৈত্যৰ নিচিনাকৈ যন্ত্ৰই আজি মানুহৰ সকলো যোগান ধৰিছে। যান্ত্ৰিক সভ্যতাই উৎপন্নৰ প্ৰশ্নটো কৰি তুলিলে সহজ সাধ্য। প্ৰচুৰ হল উৎপন্ন।

সকলো উন্নতি স্বত্বেও মানুহৰ মাজত পশু-প্ৰকৃতিৰ তাণ্ডৱ লীলা। প্ৰাচুৰ্য্যৰ মাজতো মানুহৰ অনাটন। মানুহৰ ভড়ালত আজি হয়তো একোৰে অনাটন নাই, তথাপিটো কিন্তু মানুহৰ দুখ, দুৰ্দ্দশা, অভাৱ, হাজাৰ হাজাৰ বছৰৰ আগতে যেনে আছিল আজিও তেনেই আছে। বিশ্বৰ ভড়ালৰ চাবী কেইজনমান কুবেৰৰ হাতত। স্তূপিকৃত ঐশ্বৰ্য্যৰ ওপৰত তেওঁলোক বহি আছে। নন্দী, ভৃঙ্গীৰদলে ভিক্ষান্ন খাই জীৱন ধাৰণ কৰিছে বা সঁচা কথা কবলৈ গলে মৃত্যু বৰণ কৰিছে। বহুতো অৰ্দ্ধাশন আৰু অনশনত জৰা-জীৰ্ণ, আনফালে কেইজনমানৰ অতি ভক্ষণৰ ফলত অজীৰ্ণ। এওঁলোকৰে আকৌ অজীৰ্ণ উপশমৰ কাৰণে থাণ্ডৱ দাহন।

( ক )

কোনো কোনো দেশে যন্ত্ৰৰ সাহায্যত উৎপন্ন কৰিছে খুব বেছি। উৎপন্ন-বস্তুৰ বিক্ৰীৰ কাৰণে তেওঁলোকক লাগে বজাৰ ; যন্ত্ৰদানবৰ খোৰাকীৰ কাৰণে লাগে খনি-সম্পদ আৰু কেছা বস্তু।

বলীয়ে নিৰ্ব্বলীক বঞ্চিত কৰি সাম্ৰাজ্য বিস্তাৰ কৰিছে। অতৃপ্ত লালসা! যাৰ আছে তেওঁক আৰু লাগে। যাৰ নাই তেওঁৰ ঈৰ্ষা। বঞ্চিতৰ ক্ষুব্ধ অভিমান, অভাৱৰ পীড়ন। ইয়াৰেই অৱস্যাম্ভাবী ফল স্বৰূপে সঙ্ঘৰ্ষ লাগিছে, পৃথিবীৰ শ্যামল কলেৱৰ ৰক্তাক্ত হৈছে, সভ্যতাৰ বহুমূলীয়া সাজ সজ্জা পেলাই নঙঠা আদিম মানব দেখা দিছে।

জ্ঞান, বিজ্ঞানৰ অভূতপূৰ্ব্ব উন্নতি স্বত্বেও, আজিও আন্তৰ্জাতিক অৰাজকতা বিৰাজ কৰিছে। ন্যায়ৰ মৰ্য্যাদা ক্ষুন্ন কৰি আজিও লোভ আৰু বলেই আন্তৰ্জাতিক সম্পৰ্ক নিৰ্ণয় কৰিছে। যি সময়লৈ আমি অসভ্য যুগ বুলি আঙুলীয়াও, সেই সময়ৰ দৰে আজিও মানুহে শাৰীৰিক শক্তিৰ ওপৰতে নিৰ্ভৰ কৰি পৰস্পৰৰ সম্বন্ধ আৰু স্বাৰ্থ মীমাংসা কৰিব লগা হৈছে। যি বৈজ্ঞানিক আবিষ্কৃতি মানুহৰ সুখ, সম্ভোগৰ কাৰণে ব্যৱহাৰ হ'ব লাগিছিল, তাৰে সহায়ত আজি মানুহৰ ওপৰত মানুহৰ অত্যাচাৰ বহু গুণে বেছি ৰকমে নিৰ্ম্মম কৰি তোলা হৈছে। আন্তৰ্জাতিক অনুষ্ঠান হিচাবে প্ৰথম চেষ্টা জাতি-সঙ্ঘ। কিন্তু ন্যায় প্ৰতিষ্ঠাতকৈ দুটামান জাতিৰ স্বাৰ্থ সংৰক্ষণৰ ভাবেই জাতি সঙ্ঘৰ প্ৰবল। জোৰৰ ওপৰত যি যিমান অধিকাৰ কৰি লৈছে, তেওঁ তাৰে গৰাকী হৈ যাওক, বঞ্চিত জনে একো নামাতিব—এই ভাব লৈ কাম কৰা সভাক কোনে মানিব? জাতি সঙ্ঘক অবজ্ঞা কৰি কোনো কোনো জাতিয়ে নিজৰ স্বাৰ্থ ৰক্ষা আৰু অন্যৰ স্বাৰ্থ অপহৰণত লাগি গৈছে। জাতি সঙ্ঘ বিফল হৈছে।

বৰ্ত্তমান সভ্যতাৰ শোচনীয় অকৃতকাৰ্য্যতা ন্যায়ক বলতকৈ ওখ আসন দিব নোৱৰাটো। ন্যায়ৰ মানদণ্ড লৈ জগতত শান্তি প্ৰতিষ্ঠাৰ ব্যৱস্থা কৰাই এই যুগৰ প্ৰধান সমস্যা হৈ পৰিছে।

( খ )

শান্তি প্ৰতিষ্ঠা কৰিব লাগিলে, অশান্তিৰ মূল কাৰণলৈও যাব লাগিব। অশান্তিৰ মূল কাৰণ অৱস্থাৰ বৈষম্য, ভাগ বটোৱাৰ বিপৰ্য্যয় (mal-distribution)। বিজ্ঞানৰ সহায়ত আজি যি পৰিমানে উৎপন্ন হোৱা সম্ভব হৈছে, সমানে ভাগবটাই ললে তাৰেই সকলোৱে সাংসাৰিক ভাবে সুখেৰে থাকিব পাৰে। মানুহে মানুহক হিংস্ৰ জন্তুতকৈও নিৰ্দ্দয়ভাবে হত্যা আৰু শোষণ কৰাৰ যি ঘৃণনীয় দৃশ্য আমি দেখিবলৈ পাওঁ, তাক দূৰ কৰিব লাগিলে, মানব সমাজ ন্যায় আৰু সাম্যৰ ওপৰত প্ৰতিষ্ঠা কৰিব লাগিব। আজি এখন দেশৰ স্বাৰ্থৰ কাৰণে আন দুখন দেশ শোষণ কৰা হৈছে, এজনে দহজনৰ প্ৰয়োজনৰ সামগ্ৰী দখল কৰি আছে। শাসনৰ সকলো জবৰদস্তি প্ৰয়োগ হৈছে বৈষম্যৰ এই অৱস্থাকে বজায় ৰখাত।

এই যুগৰ মূল সমস্যা মানুহ আৰু মানুহৰ ভিতৰৰ এই বৈষম্য দূৰ কৰি,

সকলোকে বিশ্বৰ ভড়ালৰ সমান অংশীদাৰ কৰি তোলা। এই সমস্যাটো দুভাগত ভাগ কৰি লব পাৰি।

**প্ৰথম**—বিশ্ব সভাত সকলো দেশ আৰু জাতিক সমান আসন দিব লাগিব। স্বাধীন হ'ব লাগিব সকলো দেশ। সাম্ৰাজ্যবাদ কৰিব লাগিব লুপ্ত।

**দ্বিতীয়**—দেশৰ সকলো মানুহেই সমানে—কোনো শ্ৰেণী বা জাতিৰ ভেদ নাৰাখি দায়িত্ব লব আৰু উৎপন্ন ভোগ কৰিবলৈ পাব লাগিব।

( গ )

ভৌগলিক সীমা, জাতীয় স্বাৰ্থ, সম্মান, জাতীয় কৃষ্টিৰ অভিমান লৈও দেশে দেশে, মানুহে মানুহে বিচ্ছেদ। পৰ্ব্বত আৰু সাগৰৰ সীমা অতিক্ৰম কৰি যাব নোৱাৰিলে, ৰেল, জাহাজ, এৰোপ্লেন আদিৰ আবিষ্কৃতিৰ সাৰ্থকতা ক'ত? সকলোকে যদি সমান সমান আৰু সম্পদৰ অধিকাৰী হবলৈ সুবিধা দিয়া হয়, তেনেহলে স্বদেশপ্ৰেমৰ মাদকতাৰ কি আৱশ্যক? কৃষ্টি যদি জ্ঞান-জ্যোতিৰ বিকিৰণকে বুজাই, তেনেহলে তাক কাৰো স্বকীয়া সম্পদ বুলি ভাবিবৰ কি অৰ্থ আছে? পোছাক-পৰিচ্ছদ আৰু আচৰণৰ মূল্যহীন পাৰ্থক্যকে কৃষ্টি বৈশিষ্ট বুলি ভুল নকৰিলে, কৃষ্টিলৈ কাজিয়া কৰিবলৈ কি থাকে? আপত্তি উঠিব পাৰে মানুহৰ সৃষ্টিতে বৈষম্য আছে। মানসিক, শাৰীৰিক কোনো শক্তিয়েই সকলোৰে সমান নহয়। মানুহৰ শক্তিৰ যি তাৰতম্য, সি সংগৃহিত কিম্বা স্বভাবজ তাক নিশ্চয়কৈ কোৱা টান। যুগ, যুগান্তৰৰপৰা স্বাভাবিক বুলি ধৰি লৈ চলা কাৰণেও হয়তো বৈষম্য আমাৰ স্বভাবজ নহলেও মজ্জাগত হৈ পৰিছে, অৱস্থাৰ তাৰতম্যৰ কাৰণে হয়তো শক্তিৰো তাৰতম্য ঘটিছে। সমান অৱস্থা আৰু সমান ভাবত লালিত পালিত হ'লে, হয়তো এদিন বৈষম্যৰ গ্লানি মানুহৰ মনৰপৰা মোচ খাব। শক্তিৰ বৈষম্য স্বীকাৰ কৰি ললেও, সমান অৱস্থাৰ সুযোগ সকলোকে দিয়াৰ মহত্ব শ্ৰেষ্ঠ জীৱ হিচাবে মানুহৰ প্ৰাপ্য। সভ্যতাৰ যদি কিবা মূল্য আছে, কৃষ্টি সাধনৰ যদি কিবা গৌৰৱ আছে, সমাজ বান্ধোনৰ কিবা যদি উপযোগিতা আছে, তেনেহলে শক্তিমানৰ শক্তি দুৰ্ব্বলীক শোষণ কৰাত অপচয় হোৱাতকৈ, শক্তিত যি হীন তেওঁৰ অসামৰ্থ্য পূৰণ কৰাত লগাই নিশ্চয় বাঞ্চনীয়।

———

# বিধতাৰ আশীৰ্ব্বাদ

বিধতা পুৰুষৰ একেটি লৰা। নাম মনু। উপনয়নৰ পাছতে পিতাকে পুতেকক গুৰুৰ ঘৰত শিক্ষা লবলৈ পঠালে। মনুদেৱ অতকাল গুৰু ঘৰতে আছিল। এতিয়া পঁচিশ বছৰ বয়সত শিক্ষা সাং কৰি ঘৰলৈ উভতি আহিছে। হাতত কাম-কাজ একো নাই, দেৱকুমাৰ সকলৰ সৈতে মহলা মাৰে, ভোগ খায় আৰু শোৱে। ৰাতি হলে স্বৰ্গৰ ৰজা ইন্দ্ৰৰ সভাত নাচ-গান চায়গৈ।

ঘৰৰ সকলো কাম মাক সাবিত্ৰীদেৱীয়েই চায়। ডেকা পোৰ গাত কোনো কামৰ বাব এতিয়ালৈকে পৰা নাই। সাবিত্ৰীদেৱীৰ দিনৰ দিনটো কামতে তত নাই। নিজৰ আৰু পুতেকৰ ভোগত কাকো হাত লগাবলৈ নিদিয়ে। নিজে ৰান্ধিব, নিজে বাঢ়িব। তাৰ উপৰি শাক বচা, পাচলি কুটা আছেই। খাওঁতাও বহুত। পালি দেৱতা বহুতৰ লৰাই সাবিত্ৰীদেৱীৰ হাতেৰে খোৱাৰ আশাতে বিধতা পুৰুষৰ ঘৰতে থাকে। দানৱ, দৈত্য, যক্ষ কিমানৰ লৰাই জিভাত সোৱাদ লগাই খাবলৈ পোৱাৰ আশাতে কত কাম কৰি দিয়ে তাৰ ঠিকনা নাই। কাম কৰাত কৈ নলগা জেওঁাত লাগি দানৱ, দৈত্য, যক্ষৰ লৰাইঁতে আহুকাল হে বঢ়ায়। সাবিত্ৰীদেৱীয়ে ঘৰৰ সকলো বস্তু থান-থিত লগাই থয়। কোন তলকত কোনটো দানৱ, দৈত্য, যক্ষৰ লৰাই কৰ বস্তু নি ক'ত পেলায় তাৰ ঠিক নাই। সাবিত্ৰীদেৱীয়ে সুধিলে সিহঁতে আকৌ দাঁত হে উলিয়ায়। দেৱীয়ে হাত দাঙিলেই বা দাবি দিলেই গোটেই জাক লৰাই কিৰিলি মাৰি ফিৰিঙতি ভগাদি ভাগি ফুলনিত সোমায়গৈ। তাত গোলাপ, টগৰ, মালতী, যূতি, জাই ফুলৰ মাজত লুকা-ভুমুকা খেলোতে ফুলনি মহটিয়াই পেলায়। কোনোটোৰ হয়তো গোলাপৰ কাঁইটত লাগি চুৰিয়া ফাটিল। সি পালেগৈ সাবিত্ৰীদেৱীৰ ওচৰ। "অ' আই, এই চুৰিয়াখন ফিচিকি ফাটিল, সিয়নি দি দিয়ক।" "চাওঁ কেনেকৈ ফিচিকিলে" বুলি সাবিত্ৰীদেৱীয়ে লৰাটোৰ হাতত ধৰিলে। "অ' এইডোখৰ হবলা ফিচিকি ফটা? কাঁইটত লাগি ফটা নাই?" লৰাটোৱে তেও সৈ নাকাঢ়ে। সাবিত্ৰীদেৱীয়ে তাৰ মূৰত হাত বুলাই কয়,— "আসৈ মাতিব নাপায় নহয়, বোপাই। বাৰু চাচোন, মোৰ ইমানবোৰ কাম।

তাৰ ওপৰত তহঁতে যদি এইদৰে বন বঢ়াৰ মই জিৰণি লবলৈ নাপাই মৰি থাকিম। তহঁতক তেতিয়া কোনে খাবলৈ দিব ?” দেৱীৰ কথা শুনি লৰাটোৰ চকু চলচলীয়া হৈ গল। সি কলে,—“আই, মই আৰু কেতিয়াও এনে নকৰোঁ। চুৰিয়াখন গোলাপ গছৰ কাঁইটত লাগি ফাটিল। মই আৰু কেতিয়াও গোলাপ গছৰ কাষলৈ নাযাওঁ।” সাবিত্রীদেৱীয়ে তাৰ থুঁতৰিত আঙুলি লগাই নিজৰ হাততে চুমা খালে। মৰম পাই লৰাটো পমি গল। সি সাবিত্রীদেৱীৰ কোঁচত মূৰ সুমাই দিলে। দেৱীয়ে তাৰ মূৰত হাত বুলাই মৰম কৰিলে।

এনে দৰেই সাবিত্রীদেৱীৰ দিন যায়। বিধতা পুৰুষৰ দিন যায় বাহিৰতে। কাৰ কত লৰা-ছোৱালী উপজিল, ছদিনৰ দিনা সন্ধ্যা বিধতা পুৰুষ সন্তানটোৰ কাষ পালেগৈ। হাতত চিত্রগুপ্তৰ কাকত। আগৰ জনমত সন্তানটোৱে কত কি কৰিছিল, কত মিছা কৈছিল, কত চুৰ কৰিছিল, কত বেয়াকাম কৰিছিল, কত ভাল কাম কৰিছিল, কত আতুৰক দয়া দেখুৱাইছিল এনে সকলো বিৱৰণ কাকতত লিখা আছে। তাকে চাই বিধতা পুৰুষে সন্তানটোৰ কপালত লিখিলে। ইদানিং তেখেতৰ কামো বৰ বাঢ়িছে। ঘৰলৈ যাবলৈ আজৰিকে নাপায়। দেৱতা কুলৰ যুগল বেজ অশ্বিনীকুমাৰ ভুজনৰ সতি-সন্ততিৰ চিকিৎসাত মৰ্ত্ত্যত মাৰি-মৰক বহুত পৰিমাণে কমিছে, জন্মৰ সংখ্যাও বাঢ়িছে। এতেকে বিধতা পুৰুষে উশাহ লবৰ সকাহ নোপোৱাৰ দৰে হৈছে। এনে কি ঘৰত ভুমুকি এটা মাৰি মনুক কাম-কাজ এটাত লগাই দি আহিবৰ অৱকাশো পোৱা নাই।

অলপতে মনুদেৱ দেৱৰাজ ইন্দ্ৰৰ সভাত নাচ চাবলৈ গৈ নতুন কুমাৰী নাচনিয়াৰ এগৰাকী দেখি আচৰিত হল। এই গৰাকী কুমাৰী তেওঁৰ চকুত আগেয়ে পৰা নাই। কোনো দেৱতাৰ জিয়ৰীৰ ৰূপ তেওঁৰ চকুত এনে মনোমোহা লগা নাই। কুমাৰীটি বৰ সুন্দৰী। নাক, চকু, মুখ, হাত, ভৰি প্রত্যেকটো যেন সৃষ্টিকৰ্ত্তাই সকলোবিলাকৰ বাছক বনিয়াটো বাছি আনি একে ঠাইতে জুৰিলে। তাৰ উপৰি কি সুমধুৰ কণ্ঠ, কি নাচোনৰ ভঙ্গি! মনুদেৱৰ চকু কুমাৰী গৰাকীৰপৰা নাতৰাত পৰিল। তেওঁ যেনিয়েই যায় মনুদেৱৰ চকু সেই ফাললৈকে ঘূৰে। যতপৰ নাচ গান চলিল মনুদেৱে তধা লাগি তেওঁৰ গীত শুনিলে, নাচ চালে।

এবাৰ কুমাৰী গৰাকীয়ে নাচ গানত যোগ নিদিলে। উৰ্ব্বশী, মেনকা, ৰম্ভা

আৰু আন আন অপ্সৰী সকলে নচা সত্বেও মনুদেৱৰ নাচ গান ভাল নালাগিল। দেৱৰাজ ইন্দ্ৰৰো ভাল নালাগিল হবলা। সেই পালি নাচ-গান শেষ হলত দেৱৰাজে কলে,—"কামিনীদেৱী, এইবাৰ তুমি অকলৈ উঠাঁ!" দেৱৰাজৰ অপ্সৰী সকলে ভাল নাপালে। ভাগ্যে তেওঁলোক দেৱৰাজ ইন্দ্ৰৰ হাজাৰটা চকুৰ আগত আছিল। নোহোৱাহলে তেতিয়াই অপ্সৰী সকলৰ নখৰ আঁচোৰত কামিনীদেৱীৰ সেন্দুৰীগাল চিৰাচিৰ হলহেতেন, পদুমকলীয়া চকু উঘলি আহিলহেতেন। দেৱৰাজৰ তেনে আজ্ঞা হল যেতিয়া প্ৰতিবাদ কৰিবৰ কাৰো সাধ্য নাই, তেহেলৈ তেওঁলোকে ভালকে পাওক বা অসন্তুষ্টই হওক।

কামিনীদেৱী উঠি গান আৰম্ভ কৰিলে। বাদ্যকৰ সকলৰ যন্ত্ৰই লগত যোগ দিলে। কামিনীদেৱীয়ে লাহে লাহে নাচ আৰম্ভ কৰিলে। মাজে মাজে গান বন্ধ হয়, কেৱল নাচ চলে, কেতিয়াবা নাচ বন্ধ হয়, অকল গান হে চলে। কোনো সময়ত দুয়োটা সমানে চলে। একোবাৰ গানৰ সুৰতে গোটেই সভাথন যেন সুৰতে ওপঙি উঠে, একেবাৰে পাতাল পায়গৈ। লাহে লাহে সুৰৰ হেন্দোলনি থৰ হল। সভাথন ধুমুহাত পৰা নাৱৰ দৰে সুৰৰ ঢৌত তল ওপৰ কৰিবলৈ ধৰিলে। শেষলৈ গানৰ সুৰ এনে চৰিল যেন দেৱ-সভাকে ঢৌৰ টিঙত তুলিলে। এনেতে আচম্বিতে সুৰ নামি আহিল, লগে লগে কামিনীদেৱীয়ে শৰীৰ হলাই নি দেৱৰাজৰ ফালে মূৰ কৰি সেৱা কৰিলে, গান বন্ধ হল। বাদ্যকৰ সকল ৰক্ষা পৰিল।

গান বন্ধ হলত সভাৰ সকলোৱেই যেন তন্ময় অৱস্থাৰ পৰা চেতনা লভিলে। কোনোৱে জয়ধ্বনি দিবৰ পৰ্য্যন্ত সাহ নহল। জানোচা গানৰ সুৰলা সুৰৰ পাছত নিজ নিজ মাত বৰ কুঠৰা শুনায়। দেৱৰাজ ইন্দ্ৰই বুজিলে ইয়াৰ পাছত আৰু অইন নৃত্য-গীত ভাল নালাগে। দেৱৰাজে সভা ভঙ্গ কৰি উঠিল। কামিনীদেৱীৰ প্ৰতি অপ্সৰী সকলৰ ঈৰ্ষা বাঢ়িল।

মনুদেৱ অতপৰ ক'ত আছিল, কব নোৱাৰে। তেওঁ গানৰ সুৰতে ভাহি ফুৰিছিল। গান শেষ হলত তেওঁ যেন মধুৰ সপোন দেখি সাৰ পালে।

কামিনীদেৱীনো কোন তাৰ সম্ভেদ মনুদেৱে সমনীয়া দেৱতাৰ পৰা লৈ ঘৰ পালেগৈ। আহি ভোগত মনুদেৱৰ সম্পূৰ্ণ অৰুচি। কামিনীদেৱীৰ গান যেন এতিয়াও তেওঁৰ কাণত বাজি আছে। কামিনীদেৱীৰ ৰূপে মনৰ

মাজত কিবা এটা উদাস ভাব যেন দি থৈ গৈছে, মনটো উদং উদং লাগিছে। সাবিত্ৰীদেৱীয়ে বহুত খাটনি ধৰাতো মনুদেৱে পেট ভৰাই খাব নোৱাৰিলে। খাই উঠিয়েই শয্যাত পাৰলগৈ, কিন্তু নিদ্ৰাদেৱী তেওঁৰ কাষ নাচাপিল। বাৰে বাৰে কামিনীদেৱীৰ ৰূপলৈ, তেওঁৰ শৰীৰৰ লয়লাসলৈ, তেওঁৰ সুমধুৰ কণ্ঠলৈ মনত পৰি থাকে। কলা-ঘুমটীয়া হলেই কামিনীদেৱীৰ গানৰ সুৰ কাণত পৰেহি, মনচকুৰ আগত কামিনীদেৱীৰ হাতৰ অঙ্গি-ভঙ্গি, ভৰিৰ তাল, শৰীৰৰ লয়লাস সকলো জিলিকি উঠে, টোপনি ভাগি যায়।

টোপনি অহাত বহুত ৰাতি হোৱাতো, পূব আকাশত অৰুণৰ ৰাগ ধৰাৰ পূৰ্ব্বেই, মনুদেৱে সাৰ পালে। চেতনা আহিলতে আন দিনৰ দৰেই সৃষ্টি-কৰ্ত্তালৈ মনত পৰিল, কিন্তু আজিৰ প্ৰাৰ্থনা সুকীয়া ধৰণৰ। "হে প্ৰভু, আজি যেন মোৰ কামনা পূৰ্ণ হয়।" তাৰ পাছত উঠি সেই পৰৰ নিত্য-নৈমিত্তিক কৰ্ম্ম সমাধা কৰি—কনিত চেলেং এখন পেলাই ঘৰৰ পৰা ওলাই দেৱতা সকলৰ ধন-ভঁৰালি কুবেৰৰ তালৈ বুলি খোজ ললে। কামিনীদেৱী কুবেৰৰ একে জনী ছোৱালী। তেওঁত বাদে বাপেকৰ মাথোন এটা লৰা। কামিনীদেৱীৰ জন্ম নৌ হওঁতেই ককায়েকে ছোৱালী আনিলে।

হাতত ডাঙৰ টাঙোন একোডাল লৈ এজাক যক্ষই কুবেৰৰ হাউলি ৰখি আছে। যক্ষবোৰে মনুদেৱক ঘৰৰ ভিতৰত সোমাবলৈ নিদিলে। ঠিক যেনেকৈ আজিকালি চহকী মানুহৰ দুৱাৰ ৰখীয়াই দুখীয়া চহাক বঙলাৰ ভিতৰলৈ ঠুকিবলৈ নিদিয়ে। যক্ষৰাজ কুবেৰ বোলে এতিয়াও শুই উঠা নাই। তেখেত উঠিলেহে মনুদেৱে ভিতৰ সোমাবলৈ পাব। বহুত দিন গুৰু ঘৰত থকা বাবে যক্ষবোৰে তেওঁক চিনি নাপালে। থাপদি থাকিবলৈ বুলনীঘৰ বা খপুৱা কোঠা এটাও নাই। বাজত থিয় হৈ থাকি ৰবলৈকো তেওঁৰ লাজ লাগিছে। ঘৰৰ গৃহিণীদেৱী উঠিল নে নাই সোধাত জানিলে যে তেখেত কেতিয়াবাই উঠিল। ঘৰৰ কাম-কাজ অত পৰে সাং কৰি গোসাঁই সেৱা কৰি খাবৰ দিহা কৰাত লাগিব পায়।

দুৱাৰ মুখৰপৰা মনুদেৱে চিঞৰিলে,—"অ' পেহী, অ' পেহী, ওলাই আহকচোন, এই যক্ষবোৰে মোক ভিতৰলৈ সোমাবলৈ নিদিয়ে।" গৃহিণী-দেৱীয়ে দুৱাৰ মুখলৈ ওলাই আহি বৰ ধুনীয়া ডেকা এজন দেখিলে। তেওঁক চিনিব নোৱাৰি কলে,—"কোন, মই দেখোন চিনিব পৰা নাই। ডেকাজনে কলে,—"মই মনু।" গৃহিণীদেৱীয়ে কলে,—"অ' মনু! আহ বোপাই, এই-

বুলি মনুদেৱক হাতত ধৰি ভিতৰলৈ লৈ গল। যক্ষবোৰে চকু টেলেকা কৰিলে।

ভিতৰত মনুদেৱক ভুখৰি পীৰা এডোখৰ পাৰি দি গৃহিণীদেৱীয়ে ওচৰতে এখন লৈ বহি কলে—"কেতিয়া আহিলি বোপাই? আমাৰ ফাললৈ ভুমুকিকে নামাব। মাৰিবিয়েই বা কেলৈ? আপোনেই আপোন, পৰেই পৰ।" গৃহিণীদেৱী মনুদেৱৰ পেহীয়েক নহয়। কোনো সম্বন্ধই নাই। গৃহিণীদেৱীয়ে তাহানিখন বিধতাপুৰুষক ককাই বুলি মতা সম্বন্ধতে তেওঁ মনুদেৱৰ পেহী।

মনুদেৱে কলে,—"এই সিদিনাহে আহিছোঁ। ফুৰিবলৈ সময়কে পোৱা নাই। পেহা, কামিনী কলৈ গল?" গৃহিণীদেৱীয়ে কলে,—"তেওঁলোক এতিয়াও উঠিবৰ নৌ।" মনুদেৱে কলে,—"এতিয়াও উঠিবৰ পৰ হোৱা নাই!" গৃহিণীদেৱীয়ে কলে,—"এৰা, কিনো কবি বোপাই! পেহাৰৰ ধনৰ হিচাবৰ কথা ভাবোতেই বহুত ৰাতিলৈকে টোপনি নাহে, বেলিলৈকে শুব লাগে। জীয়েকে বাপেকক দেখি বেলিকৈ শুবলৈ শিকিছে। তই তাইক চিনিলি কেনেকৈ? তই গুৰু ঘৰলৈ যাওঁতে তাই দেখোন ওপজাই নাই।" মনুদেৱে কলে,—"নাম শুনিছোঁ।" গৃহিণীদেৱী কিন্তু এইটো উত্তৰত সন্তুষ্ট নহল। কিছুপৰ মনুদেৱৰ মুখলৈ চাই থাকি সুধিলে,—"কালি ৰাতি দেৱৰাজৰ সভালৈ গৈছিলি হবলা?" প্ৰশ্নটো শুনি মনুদেৱৰ ডিঙি আৰু কাণৰ আগলৈকে ৰঙা পৰিল। গৃহিণী-দেৱীয়ে কলে,—"অ' ভালেতিহে আজি পেহীলৈ মনত পৰি ৰাতিপুৱাই লৰি আহিছ?" কথাষাৰ শুনি গোটেই শৰীৰৰ তেজ যেন উজাই গৈ মনুদেৱৰ মুখত থুপি পাতিলে। এনেতে সাজপাৰ পিন্ধা কামিনীদেৱী আহি সেই থিনি পালে। কামিনীদেৱীয়ে দিব্যকান্তি দেৱকুমাৰ এজন দেখি এবাৰ মাকলৈ চায়, এবাৰ মনুদেৱলৈ চায়। দেৱতাজন যদিও চিনিব নোৱাৰিলে, তথাপি তেওঁ যেন জন্ম জন্মান্তৰৰ চিনাকি। ইপিনে মনুদেৱে মূৰ দাঙিব নোৱাৰা হল। গৃহিণীদেৱীয়ে মাত লগালে,—"তই হবলা ইয়াক চিনি পোৱা নাই? চিনিবিয়েই বা কেনেকৈ? তই ওপজাৰ আগেয়েই ই গুৰুগৃহলৈ যায়। মোমায়েৰৰ ঘৰত ইমান দিন নথকা হলে কেতিয়াবাই চিনিলিহেতেন। কালি-তোৰ নাচ দেখি আহিয়েই পুৱাতে লৰি আহিছে। এইটো মনু। বিধতা ককাইদেউৰ পুতেক।" মাকৰ কথা শুনি কামিনীদেৱীয়ে মনুদেৱক সেৱা কৰিলে। আশীৰ্ব্বাদ এফাকিও মনুদেৱৰ মুখৰ পৰা নোলাল। গৃহিণীদেৱীয়ে

হাঁহি হাঁহি কলে,—"কিনো লৰা অ', তাই সেৱাটো কৰিলে, 'কুশল হক' এষাৰকে মুখৰ পৰা নোলাল।" উত্তৰত মনুদেৰৰ মূৰটো আৰু তললৈ গল। গৃহিণীদেৱীয়ে তেতিয়া কলে,—"বাৰু, তইঁত দুটা চা-চিনাকি হ, মই ভিতৰৰ-পৰা আহোঁ।" এই বুলি গৃহিণীদেৱী ওলাই গল। মাক বহা ঠাইতে কামিনী-দেৱী বহিল। মনুদেৱ আৰু বিমোৰত পৰিল।

কামিনীদেৱীৰ চকুও তলমুৰা। এহাতৰ আঙুলিৰ নখেৰে সিখন হাতৰ নখ খুঁটিয়াবলৈ ধৰিলে। মনুদেৱে একোবাৰ চকু দাঙি চায়, কামিনীদেৱীৰ মুখ দেখিলেই চকু থৰ লাগে, চকুৰে চকুৰে পৰিলে, চকু তললৈ যায়। বহুত পৰ দুয়ো এনেকৈয়ে বহি আছে, কাৰো মুখৰ মাত নাই। শেষত মনুদেৱে, "বাৰু, মই এতিয়া যাওঁ" বুলি পোনপটীয়ে বাহিৰ ওলাল, কতো এখন্তকো নৰল। যক্ষ পহৰীয়াইঁতে মনুদেৱক দেখি বুজিব নোৱাৰিলে তেওঁৰ হাতত কিবা লাগি গল নে নাই।

কামিনীদেৱী আগৰ ঠাইতে বহি আছে। আগৰ দৰে নখ খুঁটিয়াই আছে, কিন্তু কাণত মনুদেৱৰ মাত, "বাৰু, মই এতিয়া যাওঁ" বাজিয়েই আছে। এনে অৱস্থাতে ন-বৌয়েকে তেওঁক দেখিলহি। সুধিলে,—"কি কি কথা পাতিলি ?" কামিনীদেৱীয়ে কলে,—"কেনে দেৱতা জানো ? মুখৰ মাতেই নাই। বহুত পৰ তললৈ মূৰ কৰি থাকি, "বাৰু, মই এতিয়া যাওঁ" বুলি ফোঁ ফোঁ কৈ লৰ মাৰিলে।" ন-বৌয়েকে কলে,—"পুৰুষ জাতটোৱেই এনে। পোনতে মুখৰ মাতো নাই, যেন একোকে নাজানে। কোনো মতে তিৰোতা কৰি লব পাৰিলে, পিঠিত ঔ কিল দিয়ে।" কামিনীদেৱীয়ে কলে,—"এখেত কিন্তু কেতিয়াও তেনে নহয়। যাৰ এনে গঢ়, গঠন তেওঁ কেতিয়াও তেনে হব নোৱাৰে।" ন-বৌয়েকে ননদেকৰ কথা শুনি হাঁহিলে। এওঁৰ ফালেও গতি লাগিল। তেওঁ কলে,—"পুৰুষৰ যি যিমান সুৰূপ, সি সাধাৰণতে সিমান নিষ্ঠুৰ হয়। কুৰূপে নিজৰ হীনতা বুজি বহুত সহে, সুৰূপে কিন্তু পোনেই চুলিত ধৰে।" তেওঁ ননদেকক তেনেকৈ বুজাবলৈ চেষ্টা কৰিলে হয়, কিন্তু তেওঁ ভালকৈ বুজিব পাৰিলে তেওঁৰ কথা হাঁহৰ পিঠিত পানী পিছলাদি পিছলি গল।

সেইদিনা যদিও মনুদেৱৰ তেনে হৈছিল, পাছত মাতো ওলাল আৰু বন্ধু-সকলৰ সৈতে মহলা মৰা এৰি দিনৰ দিনটো কামিনীদেৱীৰ কাষতে কটাবলৈও ধৰিলে। দুয়োটাৰে কিমান ফুচফুচিয়া মেল! হাঁহিৰ অন্তকে নপৰে। কামিনী-

দেৱীয়েও দেৱৰাজৰ সভাত নাচিবলৈ এৰিলে। উৰ্ব্বশী, মেনকা, ৰম্ভাই মুৰ দাঙি উঠিল।

শেষত দুয়ো ডেকা-ডেকেৰীৰ ভিতৰত ঠিক হল যে ইটিক এৰি সিটিয়ে জীৱন যাপন কৰিব নোৱাৰে। অৰ্থাৎ তেওঁলোকৰ বিয়া নহলে দুইৰো জীৱন নিষ্ফল হব। কিন্তু কথাটো প্ৰস্তাৱ কৰে কেনেকৈ ?

প্ৰস্তাৱ কিন্তু অইন এফালৰ পৰা উঠিল। এদিন কামিনীদেৱীক হঠাতে মোমায়েকে লৈ গলহি। পিচদিনা মন্মদেৱ কামিনীদেৱীৰ ওচৰলৈ আহি আন দিনাৰ দৰে তেওঁক থাপ দি থকা নাপাই বৰ বিমৰিষ হল।

মন্মদেৱ ঘৰত সোমালতে গৃহিণীদেৱীয়ে বহিবলৈ দি নিজে ওচৰতে বহি ইটো কথা সিটো কথা উলিয়াবলৈ ধৰিলে। কিন্তু কামিনীদেৱীৰ নামকে নুলিয়ায়। উলিয়ালেই তেও মন্মদেৱে কামিনীদেৱী কলৈ গল বুলি সুধিব পাৰে। গৃহিণীদেৱীয়ে কথা কৈ গৈছে কিন্তু মন্মদেৱৰ কাণ গৃহিণীদেৱীৰ কথাত নাই। কাণে কামিনীদেৱীৰ মাত কেনি শুনে বিচাৰি ফুৰিছে। চকুৱে ইফালে সিফালে চাইছে কোন ফালৰপৰা কামিনীদেৱী ওলায়হি। গৃহিণীদেৱীৰ কথাৰ উত্তৰ দিওঁতে প্ৰশ্নৰ লগত উত্তৰৰ বিশেষ সম্বন্ধ নাথাকে। গৃহিণীদেৱীয়ে মন্মদেৱৰ কেনে বিলৈ হৈছে বুজি হাঁহি হাঁহি ৰকম ৰকমৰ কথা উলিয়াইছে। হঠাতে এবাৰ গৃহিণীদেৱীয়ে সুধিলে,—"বিয়াখন কেতিয়া পাতিম বুলি থিৰ কৰিছা, মইনা ?" মন্মদেৱ আচৰিত হল। সুধিলে,—"কাৰ বিয়া ?" গৃহিণীদেৱীয়ে কলে,—"তোমাৰে কামিনীৰে বিয়া।" মন্মদেৱে কলে,—"মই দেখোন এই বিষয়ে একো কব নোৱাৰোঁ।" গৃহিণীদেৱীয়ে কলে,—"নোৱাৰিলে কেনেকৈ চলিব ? গোটেই স্বৰ্গ জুৰি সকলোৱে জানে তুমি কামিনীক বিয়া কৰাবা। নহলে দুইৰো মাজত ইমান মিলা-প্ৰীতি হল কেলৈ, আমিয়েই বা হবলৈ দিম কিয় ?" মন্মদেৱৰ আনন্দে মন নধৰা হল। কলে,—"মই এই বিষয়ে একো নাজানো। বিয়া যদি হব লাগেই তেন্তে আইক সুধি চাম।" তাৰ পাছত গৃহিণীদেৱীয়ে নানা কথা উলিয়ালে, কিন্তু কামিনীদেৱী ওলাই নাহিল, মাকেও তেওঁৰ বিষয়ে একো নুলিয়ালে। মন্মদেৱে ভাবিলে আজি বিয়াৰ কথা ওলাব বুলি কামিনীদেৱীয়ে জানে, সেই বাবে লাজত ওলাই অহা নাই। কামিনী-দেৱীলৈ থাপ দি থাকোতে মন্মদেৱৰ হামি আহিবলৈ ধৰিলে। গৃহিণীদেবীয়ে কলে,—"তোমাৰ চাগৈ বুঢ়ীৰে সৈতে কথা পাতোতে আমনি লাগিছে। কামিনীজনীও নাই, কালি মোমায়েকে লৈ গলহি। তোমাৰ চাগৈ ঘৰলৈ

যাবৰ মন গৈছে।" মনুদেৱে আমনি নাই লগা বুলি কলে, কিন্তু তেওঁৰ মন আৰু এই ঘৰত নবহা হল। অলপ পৰৰ পাছত বন্ধু এজনক দেখা কৰিব লগীয়া আছে বুলি মনত পৰিল। এই অজুহাত উলিয়াই তেওঁ সেই দিনৰ নিমিত্তে বিদায় ললে।

মনুদেৱে নিজে বিয়াৰ কথা নাজানিছিল হয়, কিন্তু আন সকলোৱে যেন সেই কথা জানে। অহুকাণে-পহুকাণে গৈ কথাটো অতিৰঞ্জিত হৈ সাবিত্ৰীদেৱীৰ কাণত পৰিল। তেওঁ শুনিলে বোলে মনুৱে কামিনীক বিয়া কৰিম বুলি কথা পৰ্য্যন্ত দিলে। সাবিত্ৰীদেৱীয়ে এই বাতৰিটো পাই মৰ্ম্মান্তিক বেজাৰ পালে। একেটা পুতেক, সিয়ো বাৰু কথাটো মাকৰ আগত কব নাপায়নে? মাকে আনৰ মুখেহে কথাটো শুনিব লাগে? তাৰ উপৰি ছোৱালীজনীয়ে বোলে একো কাম নাজানে। এই দুই কাৰণত সাবিত্ৰীদেৱীয়ে বিয়াত মত নিদিয়াটোকে থিৰ কৰিলে।

সেই দিনা মনুদেৱ আহি ঘৰ সোমালতে সাবিত্ৰীদেৱীয়ে পুতেকক খেচখেচাই ধৰিলে। পুতেকে বিয়াৰ কথা আজিহে শুনিছোঁ বুলি কোৱাত মাক পতিয়ন নগল। মাকে কলে,—"এই ছোৱালী বিয়া কৰিবলৈ মই একোপধ্যে মত দিব নোৱাৰোঁ। তাই বোলে কামৰ নামে কুটা এগছকে চিঙিব নাজানে। বোৱা-কটা ৰন্ধা-বঢ়া কৰিব নজনা বোৱাৰী মই আনিব নোৱাৰোঁ।" মনুদেৱে কলে,—"কিন্তু আই, তেওঁ সুললিত গান গাব পাৰে, বৰ সুন্দৰ নাচিব পাৰে।" মাকে কলে,—"গান গাব পাৰিলে, কঁকাল ঘূৰাব পাৰিলেই পেট ভৰিব? তইঁত ডেকাবোৰ যে কোনটো ফুটত উঠিছ!" মনুদেৱে তেতিয়া কলে,—"আই, দুটা টান বিষয়ত যি ইমান পাৰ্গত হব পাৰে, তেওঁ যে ৰন্ধা-বঢ়া, বোৱা-কটাৰ দৰে সাধাৰণ কামত অপৈণত হব, এনে কথাত পতিয়ন যাব নোৱাৰি।" মাকে কলে,—"তইতো পতিয়াব নোৱাৰিবিয়েই। তাই ডাকিনীয়ে তোক আহুদি খুৱালে।" তেতিয়া পুতেকে কলে,—"মই আৰু কি বুজ লম? তই বিশ্বাসকে নকৰ।" মাকে কলে,—"মই বাৰু তাইক হাতে হাতে ধৰি দিম। তাইক মই তিনটা কামত পৰীক্ষা কৰি চাম, তাই যদি কৰিব পাৰে, মই আৰু একো আপত্তি নকৰোঁ।" মনুদেৱ তাতে মান্তি হল। তেওঁ ভাবিলে কামিনীদেৱী নিশ্চয় পৰীক্ষাত উঠিব পাৰিব।

যেতিয়া কামিনীদেৱীয়ে কথাটো শুনিলে, তেওঁ খঙত জ্বলি উঠিল। তেওঁ কেতিয়াও পৰীক্ষাৰ অপমান নসহে। তেওঁ গৰু নে ঘোঁৰা, কামত ভাল নে

বেয়া চাই লব? সেইদিনা মনুদেৱ মন মাৰি ঘৰলৈ গল। কামিনীদেৱীয়ে মনত বৰ বেজাৰ পালে। চেনেহৰ পুৰুষৰ বেজাৰত তেওঁৰ নাৰী মনে তল ওপৰ লগালে। একোবাৰ ভাবে তেওঁ বৰ অন্যায় কৰিলে। মনুদেৱৰ জীৱন-লগৰী হবলৈ এবাৰ জানিবা পৰীক্ষা দিব লগীয়া হলেই। কিন্তু এই পৰীক্ষাৰ অপমানৰ কথা মনত পৰিলে, তেওঁৰ মন বিমুখ হয়। নিশ্চয় তেওঁ পৰীক্ষা নিদিয়ে। কিন্তু তেতিয়া মনত পৰে, তেনেহলে মনুদেৱ হেৰায়। মনুদেৱক এৰি তেওঁ থাকিব কেনেকৈ? তেওঁৰ মন আকৌ কোমলে। ভাবে, মনুদেৱ আহি পুনৰ ধৰিলে তেওঁ আৰু আপত্তি নকৰে। এনেতে গৃহিণীদেৱী আহি পৰীক্ষাৰ কথা উলিয়ালত, তেওঁ নিমাত হল, আপত্তিও নকৰিল। মাকে বুজিলে তেওঁৰ আলসুৱা জীয়েকৰ মন মুকলি নহয়, কিন্তু অসন্তোষেৰে হলেও অৱশেষত পৰীক্ষা কৰি চোৱাত মান্তি হব।

গৃহিণীদেৱীয়ে নিজেও এই পৰীক্ষাৰ প্ৰস্তাৱটো ভাল পোৱা নাই। জীয়েকে গৃহস্থালীৰ কাম নিজ হাতে কেতিয়াও কৰা নাই। মনত ইমান ফেৰাই সাহ, অইনে সেইবোৰ কাম কৰোতে কামিনীদেৱীয়ে মাজে সময়ে চকু দিয়ে। তেওঁৰ জীয়ৰীয়ে সেইবাবে কাম কৰি দেখুৱাব পাৰিব লাগে। আৰু এটা কাৰণত তেওঁ বৰ ভাল পোৱা নাই। হক তেহেলৈ মনুদেৱ বিধতা পুৰুষৰ লৰা। কমিনীনো কি পেলাই দিয়া ঘৰৰ জীয়ৰী? কামিনীক পৰীক্ষা কৰি লম বুলি গোটেই বংশটোকে অপমান কৰিব কিয়? কিন্তু, উপায় নাই। গোটেই অলকাপুৰীজুৰি কামিনীৰ বিষয়ে যিহে ফু-ফাখন চলিছে। আৰু সাবিত্ৰীদেৱী যিহে আবৰী তিৰোতা! তেওঁ যেনে আকোঁগেঁাজা দি ধৰিছে, লাগিলে পুতেকলৈ কামিনীক নিনিওঁ বুলি খাতাং কৈ কব। তেতিয়া কি হব? তেওঁ কোনো আপত্তি দেখুৱালে বিপাকত পৰিব পাৰে বাবে গৃহিণীদেৱীয়ে একো আপত্তি নকৰিলে।

যেতিয়া পৰীক্ষা কৰি চোৱাত কামিনীদেৱী সাজু বুলি শুনিলে, সাবিত্ৰীদেৱী কিছু পৰিমানে বিমোৰত পৰিল। তাইনো কোনটো সাহেৰে জোখ কৰি চোৱাত মান্তি হৈছে? তাই সঁচাকৈয়ে কাম-কাজ জানেনেকি? নাই, এইটো মাকৰ চতুৰালি? জীয়েকৰ কাম নিজে কৰি দিব খুজিছে? বাৰু, সেইটো ফুটাৰো মুদা মাৰিব লাগিব। কামিনীক আনি নিজৰ হাউলিত কাম কৰাই চাব লাগিব।

কামিনীদেৱীক নিজৰ হাউলিলৈ আনি কোঠা এটাত ঘঁতৰ এটা আৰু

কপাহৰ পাঁজি এগাল দি সাবিত্ৰীদেৱীয়ে ৰাতিটোৰ ভিতৰতে গোটেই-খিনি পাঁজিৰে সূতা কাটিবলৈ দিলে। কাম দি তেওঁ দুৱাৰ জপাই বাহিৰৰপৰা শলখা মাৰি দুৱাৰ মুখতে দেৱতা কুমাৰ এজনক পহৰীয়া থলে।

কামিনীদেৱীয়ে পাঁজি কটা দেখিছে, কিন্তু কেতিয়াও যঁতৰত হাত লগোৱা নাই। দেখাৰ দৰেই সূতা কাটিবলৈ চেষ্টা কৰিলে। কিন্তু তেওঁৰ হাতত যঁতৰে সূতা দিয়ে, একো ঠাইত মকৰাৰ সূতাৰ দৰে চিঞা, একো ঠাইত পঘা ডালৰ সমান ডাঙৰ। কোনো মতে সূতা একেআগী কৰিব নোৱাৰি কামিনী-দেৱীয়ে যঁতৰ এৰি অবলাৰ বল কান্দোনত লাগিল। তেওঁ বহুত পৰ উচুপি আছে এনেতে কোঠাটোৰ জানালা এখন মেল খাই গল। জানালাৰ তল-কাঠ দেই তিৰোতা এগৰাকী সোমাই আহি কলে,—"তুমি একো চিন্তা নকৰিবা আইদেউ, মই তোমাৰ হৈ পাঁজি কেইটা কাটি দিম। তুমি মাথোন কথা দুটা ৰাখিব লাগিব। আনৰ আগত মোক সখি বুলি মাতিব লাগিব আৰু তোমাৰ বিয়ালৈ মোক নিমন্ত্ৰণ কৰিব লাগিব।" কামিনীদেৱী আচৰিত হল; তেওঁৰ উচুপনি কেনিবাদি গল। এই গৰাকী বাইক তেওঁ কেতিয়াও দেখা নাই। এওঁ নো কৰ পৰা আহিল? এওঁৰ ভৰিৰ পতা ইমান বহল, ইমান দীঘল! ভৰি এনেকুৱা কেনেকৈ হল বুলি সুধিলে, জানোচা বেয়া পাই গুচি যায়। কামিনীদেৱীয়ে সুধিলে,—"বাই, তোমাকচোন আগেয়ে দেখা মনত নপৰে। তুমি কৰ পৰা আহিছা?" বায়ে কলে,—"মই এই অঞ্চলত নাথাকোঁ আইদেউ, মোক তুমি কেনেকৈ দেখিবা? আমাৰ গাৱঁত হলে ফেটলেঙী বাইক নিচিনা কেও নাই। কালি ৰাতি মই সপোনত আদেশ পাই, তোমাৰ কাম কৰি দিবলৈ আহিছোঁ। তুমি একো চিন্তা নকৰিবা আইদেউ, তুমি শুই থাকা, মই এই পাঁজি কেইটা চকুৰ পচাৰতে শেষ কৰিম। পাচে মোৰ কথা দুটাৰ হে সমিধান নিদিলা।" কামিনীদেৱীয়ে কলে,—"নিশ্চয় তোমাক সখি বুলিম, আৰু বিয়া যদি হয়, আজিয়েই মাতি থলোঁ, বিয়াৰ দিনা বা যেতিয়াই তোমাৰ মন যায় আহিবা। ভালকৈ জলপান এটা খুৱাম।" এই বুলি কামিনীদেৱীয়ে হাতৰ ঠাৰিতে মূৰটো থৈ মজিয়াতে শুলে। অলপ পৰতে ফেটলেঙী বায়ে সূতা কটা শেষ কৰি অহা বাটেই ওলাই গল।

পিচ দিনা ৰাতি পুৱাই সাবিত্ৰীদেৱীয়ে দুৱাৰৰ শলখা গুচাই খোঁটালীটোৰ ভিতৰত সোমাই কামিনীদেৱীৰ হাতত সূতা একোচা দেখি আচৰিত হল।

এনে মিহি সূতা তেওঁ আগেয়ে দেখা নাই। সূতাবোৰ ৰাখি কামিনীদেৱীক ঘৰলৈ পঠাই দিলে।

সেই দিনা গধূলি উঘা, চেৰেকী, তাঁত-শাল আৰু তাঁত বোৱাৰ আন আন সজুলি যতনাই দি আগৰাতি কটা সূতাৰে কামিনীদেৱীক কাপোৰ এখন ববলৈ দি সাবিত্ৰীদেৱীয়ে আগৰ কোঠাটোত কামিনীদেৱীক বন্ধ কৰি থৈ গল। আজি কামিনীদেৱীৰ চিন্তা লগা নাই। ৰাতি নিহপালী দিনত যেতিয়া শিপিনী বাই জানালাই দি সোমাই আহিল, কামিনীদেৱী আচৰিতো নহল। শিপিনীবাইৰ হাতৰ বুঢ়া আঙুলি দুটা কাছ-মূৰীয়া। আঙুলি দুটা ডাঙৰ হোৱাত হাত দুখন দেখিবলৈ বৰ কুৰ্দ্ধচ হৈছে। ফেটলেঙী বায়ে কথা বন্ধাদি শিপিনী বায়েও একে সৰ্ত্তকে কৰি কাপোৰ বৈ দি গল। কামিনী-দেৱী গোটেই ৰাতিটো শুলে। পাছদিনা ৰাতিপুৱা জিঞ্জাৰ পাখীৰ দৰে পাতল, নিমজ কাপোৰ খন সাবিত্ৰীদেৱীয়ে নিলে। এনে কাপোৰ পাই সাবিত্ৰী-দেৱীয়ে ভাবিলে, ছোৱালীজনী তেন্তে থুপৰী নহয়। দেৱতাবোৰে অবাবতে কথা উলিয়ায়।

তৃতীয় ৰাতি কাপোৰ সিয়াৰ সকলো আহিলা-পাতি যোগাই দি মনুদেৱৰ নিমিত্তে চোলা এটা সিবলৈ দি সাবিত্ৰীদেৱীয়ে আগৰ কোঠাটোতে কামিনী-দেৱীক বন্ধ কৰি থলে। কামিনীদেৱীৰ আজি মুঠেই চিন্তা লগা নাই। টেলেকী বাই আহি আগৰ দুৰাতি বাইহঁতে কৰা সৰ্ত্ততে চোলা এটা সি দি গল। টেলেকী বাইৰ চকু দুটা টেলেকা।

কামিনীদেৱী পৰীক্ষাত বাৰে বাৰে কৃতকাৰ্য্য হোৱাত পুতেকৰ সৈতে কামিনীদেৱীৰ বিয়াত সাবিত্ৰীদেৱীয়ে ৰং মনেৰে সন্মত হল। ভাল দিন ক্ষণ চাই সাদিনৰ পাছত বিয়া হৈ গল। বিধতা পুৰুষ বিয়ালৈ আহিব নোৱাৰিলে।

বাহী বিয়াৰ পাছদিনা আবেলি বিধতা পুৰুষ আহি ঘৰত সকলো কথা শুনিলে। ন-বোৱাৰীৰে চিনাকি হবলৈ তেওঁ গাত নামাৱলি এখন লৈ খৰমযোৰ পিন্ধি খট খট কৰে বোৱাৰীয়েকৰ কোঠাত সোমাল। কামিনীদেৱীৰ ৰূপ দেখি বিধতা পুৰুষে পৰম সন্তোষ পালে। বোৱাৰীয়েকে শহুৰেকক সেৱা কৰি থিয় দি থাকিল। বোৱাৰীয়েকক বহিবলৈ কৈ বিধতা পুৰুষে কলে,—"আই, তোক দেখি বৰ সন্তোষ পালোঁ। তইঁত হালৰ বৰ ভাল যোৰ হৈছে! পাছে, কাম কি কি জান? নাচিবলৈ শিকিছনে?" বোৱাৰীয়েকে কলে,—

"অলপ অলপ পাৰোঁ।" বিধতা পুৰুষে কলে,—"বৰ ভাল কথা আই। নাচ-বাগ কৰি থাকিলে শৰীৰৰ তেজ চলাচল হৈ গা ভালে থাকে। গান গাব পাৰনে ?" বোৱাৰীয়েকে কলে,—"অলপ পাৰোঁ।" তেতিয়া শহুৰেকে কলে,—"বেছ কথা। মই যেতিয়া ঘৰলৈ আহিবৰ সকাহ পাওঁ, তোৰ নাচ দেখি, গীত শুনি তেও কিছু পৰলৈ ঢপলিয়াই ফুৰাৰ ভাগৰ পাহৰি থাকিব পাৰিম। সূতা-কটা তাঁত-বোৱা কি কি পাৰ ?" কামিনীদেৱীয়ে কলে,—"শিকিলে পাৰিম।"

উত্তৰটো শুনি বিধতা পুৰুষ আচৰিত হল। বোৱাৰীয়েক বৰ কাজী বুলি সাবিত্ৰীদেৱীৰ পৰা শুনিছে। কথাটোৰ ভালকৈ উৱাদিহ লব খোজোতেই কোঠাটোৰ দুৱাৰ মেল খালে। মেলা দুৱাৰেদি ফেটলেঙী বাই, শিপিনী বাই, টেলেকী বাই সোমাই আহিল। বিধতা পুৰুষে আচৰিত হৈ সুধিলে,—"তোমালোক কোন ? ইয়ালৈ কিয় আহিছা ?" তেওঁলোকৰ এজনীয়েও মুখ মেলিবলৈ নৌ পাওঁতেই কামিনীদেৱীয়ে কলে,—"এওঁলোক মোৰ সখি। মই এওঁলোকক নিমন্ত্ৰণ কৰিছিলোঁ।" বিধতা পুৰুষে ফেটলেঙী বাইলৈ চাই কলে,—"তোমাৰ দৰে ভৰি হবলৈ কাৰো কপালত লিখা মোৰ মনত নপৰে। তোমাৰ ভৰিৰ পতা দুটা ইমান দীঘল-বহল হবলৈ পালে কেনেকৈ ?" ফেটলেঙী বায়ে কলে,—"মোৰ ভৰিও আইদেউৰ দৰেই আছিল। সূতা কটাৰ ডাঙৰ যঁতৰ চলাওঁতে এনেকুৱা হল।" এই কথা শুনি বিধতা পুৰুষে কামিনীদেৱীৰ ভৰিলৈ চকু দিলে। কামিনীদেৱীয়ে ভৰি কোঁচাই মেখেলাৰ তলত সুমালে। বিধতা পুৰুষে কলে,—"নিশ্চয় তেন্তে এইটো বিশ্বকৰ্ম্মাৰ কাম। বশ্বকৰ্ম্মাই যদি এনেখন কৰে, তেন্তে আই, তই যঁতৰ চলাব নালাগে। এওঁৰ দৰে ভৰি হলে তই নাচিবি কেনেকৈ ? গধুৰ গধুৰ লাগিব।" তাৰ পাছত বিধতা পুৰুষে শিপিনী বাইৰ বুঢ়া আঙুলি দুটা কাছ-মুৰীয়া কেনেকৈ হল সুধিলে। শিপিনী বায়ে কলে,—"মোৰ আঙুলি-বোৰো আইদেউৰ দৰেই চঁপাকলীয়া আছিল। মাকোৰ কোব খাই খাই আঙুলিৰ এনে দশা হল।" বিধতা পুৰুষৰ চকু বোৱাৰীয়েকৰ আঙুলিত পৰোঁতেই কামিনীদেৱীৰ বুঢ়া আঙুলি দুটা মুঠিৰ ভিতৰত সোমাল। কিন্তু বিধতা পুৰুষৰ আঠ চকুৰে কামিনীদেৱীৰ আঙুলিৰ ঠগ ভালকৈ দেখিলে। বিধতা পুৰুষে কলে,—"আই, তই তাঁত বলে বিশ্ব কৰ্ম্মাই তোৰ আঙুলিতো এনে ঘুণ লগাব। তেতিয়া নাচোতে বৰ কুৰ্দ্ধচ দেখাব। এতেকে তই তাঁত

বৰও নালাগে।” তাৰ পাছত টেলেকী বাইৰ চকু দুটা টেলেকা কেনেকৈ হল বুলি সোধাত তেওঁ কলে,—“আইদেউৰ দৰেই মোৰ চকুও পদুমকলীয়া আছিল। কাপোৰ সিয়নি দিওঁতে বেজিত চকু ৰাখিব লগীয়া হোৱাত চকু এনে হল।” বিধতা পুৰুষে কামিনীদেৱীৰ চকুলৈ চাওঁতেই তেওঁৰ চকু মুদ খালে। বিধতা পুৰুষে তেতিয়া কলে,—“বিশ্বকৰ্ম্মাটোৰ পৰা উপায় নাই। আই, তই কাপোৰ সিবও নালাগে। এওঁৰ দৰে চকু হলে চকুৰ ঠাৱ দিবি কেনেকৈ? আৰু সূতা-কটা তাঁত-বোৱাৰ আৱশ্যকেই বা কি? বন-কৰা ৰিহা-মেখেলা লাগিলে, ভূ-স্বৰ্গ বাৰাণসীধামলৈ কোনোবা এটাক পাচিলেই আনি দিব পাৰিব। তই কুবেৰৰ জীয়েক, তোৰ বিতৰ অভাৱ নায়েই। লাগিলে মৰ্ত্ত্যৰ পৰা চাব মৰা কাপোৰো অনাই লব পাৰিবি। পাছে তইঁতৰ এই ডোখৰা-ডুখৰী ৰিহা মেখেলাবোৰ মই বৰ ভাল নেদেখোঁ। তাতকৈ এখনীয়া বস্ত্ৰ শাৰি পিন্ধিলে তোক আৰু লণী দেখাব। নাচিবলৈ সুবিধা পাবিও ভাল।” ইমানতে তিনিয়ো বায়ে বিধতা পুৰুষক সেৱা কৰি বিদায় ললে। বিধতা পুৰুষে তেওঁলোকক আশীৰ্ব্বাদ দিয়াত শিপিনী বায়ে কলে,—“সখি এতিয়া বিদায় হে। স্বৰ্গপুৰিৰ পৰা আমাৰ কাম উঠি গল। আমাৰ হাত সুদা হল। আন কৰবাত ব্যৱসায় চলেনে, চাওঁগৈ। এতিয়া আহিলোঁ হে।” এইবুলি তেওঁলোক ওলাই গল।

বিধতা পুৰুষে কিছুপৰ তলকা মাৰি থাকি কলে,—“মনুৰ সতি-সন্ততিৰ ছোৱালী চাওঁতে যেন এনেকৈয়ে চকুত ধূলি পৰে। আই, তই ভাত ৰান্ধিব জাননে?” কামিনীদেৱীয়ে আগৰ দৰেই কলে,—“শিকিলে পাৰিম।” বিধতা পুৰুষে কলে,—“হক তেও আই, শিকিলে পাৰিলেই চলিব। কিন্তু তই ভাতো ৰান্ধিব নালাগে। শাহুৱেৰক দেখিছই নহয়, নখৰ মাজত কেনেকৈ তেল-চিকটি সোমাই থাকে। তই যেতিয়া নাচিব লাগিব, আঙুলিৰ মূৰ-বোৰ কলা হলে বৰ আপচু দেখাব। শাহুৱেৰে যিমান দিন পাৰে ৰান্ধক। শাহুৱেৰে নোৱৰা হলেগৈ, তই যাতে ভাত ৰান্ধিব লগীয়া নহয়, মই সেই বাবে এতিয়াই নলবৰীয়া আপাৰ সৃষ্টি কৰিম।” অলপ পৰ বৈ, বিধতা পুৰুষে কলে,—“হক তেও, এই কল্পটো···”

বিধতা পুৰুষে কলে,—“এই কল্পটো তেও মোৰ ৰঙেৰে যাব। ঘৰলৈ আহিলেই তোৰ নাচ-গানে মোৰ মনত আনন্দ লগাই থব। এতেকে মই আশীৰ্ব্বাদ দিছোঁ যেন পুৰুষ-পৰম্পৰাই মনুৰ নাতি-পুতিয়ে তোৰ দৰে

গুৱনী কন্যা পায় আৰু সিহঁতে যেন ঘৰুৱা কামত হাত লগাব লগীয়া নহয়।”

সেয়েহে আজিও মনুৰ সন্তান মানৰে পুতলাৰ দৰে গুৱনী, পলিথাৰ দৰে উৰি ফুৰিব পৰা আলাবাদু ছোৱালী খেদি খেদি বিয়া কৰে।

———

# দৰ্শনৰ আভাস

আজি কালি আমি পঢ়োঁ আৰু আনৰ উপকাৰৰ নিমিত্তে তাকে আনক কওঁ; কিন্তু লাগতীয়াল পঢ়া কথাৰ, দেখা কথাৰ আৰু শুনা কথাৰ নিজৰ জীৱনৰ লগত সম্বন্ধ স্থাপন কাৰ সামঞ্জস্য সাধন কৰিবলৈ সিমান যত্নশীল নহওঁ। মোৰ বোধেৰে সেইটো গভীৰ আৰু যুক্তিসিদ্ধ যেন নালাগে। জীৱনক সাৰটি নধৰিলে কোনো খণ্ড কথাই মানুহক আচল সুখৰ সোৱাদ দিব নোৱাৰে। এই জীৱন কিন্তু আজি কালিৰ তথা কথিত জাতীয় জীৱন নহয়। মই এই কাৰণে তথাকথিত বুলিছোঁ, আমি যিমানে জাতীয় কৃষ্টিৰ কথা নকওঁ কিয়, যিমানে জাতীয় বিশেষত্বৰ দাবী নকৰোঁ কিয়, ঠিক হওক অঠিক হওক বা ভুল কৰি হওক, ভ্ৰান্তিতে হওক বা গোটেই কেইটাৰ সানমিহলিতে হওক, আজি কালি শিক্ষা ৰাজনীতি আদি প্ৰায় সকলো বিষয়তে পাশ্চাত্য আদৰ্শ আৰু ভাবধাৰাই আমাৰ আদৰ্শ আৰু ভাব হৈ পৰিছে। ঘৰত আৰু বাহিৰত, নৰ নাৰী উভয়ৰে গাত পাশ্চাত্যৰ চাব দেখা পাবলৈ বেচি সময় নালাগে। পাশ্চাত্যৰ অনুকৰণৰ ৰাজনৈতিক দলাদলিৰ প্ৰভাবত সেই চাবৰ বৈশিষ্টই যে আমাৰ দৈনন্দিন জীৱনত ঢৌ লগাইছে সেইটো বোধ হয় সকলোৱে গম পাইছে। আমাৰ ভিতৰতো পাশ্চাত্যৰ চাব (অনুগ্ৰহ কৰি মন কৰিব পাশ্চাত্যৰ চাব ভাল নে বেয়া, সেই সম্বন্ধে মই একো কোৱা নাই) এনেকৈ বহিছে যে দেশী পোছাক পিন্ধিলেও আমাৰ মনটো দেশী হোৱা টান হৈ পৰিছে। পক্ষপাতশূন্যভাবে চালে মোৰ এই কথাত বোধ হয় কাৰো

আন্তৰিক আপত্তি নাথাকিব। গতিকে আমাৰ আধুনিক সোঁতৰ লগত সঙ্গতি ৰাখি দৰ্শনৰ কথা কবলৈ হলে মই পাশ্চাত্য ( দৰ্শন বিজ্ঞান আদিৰো উল্লেখ কৰি যাব লাগিব ) কথা উনুকিয়াই আৰম্ভ কৰাটোৱে সঙ্গত হব।

আমি অৱশ্যে এইটো আশা কৰিব নোৱাৰোঁ যে দৰ্শন শাস্ত্ৰ আজিতে জনপ্ৰিয় হৈ উঠিব বা বেচিভাগ মানুহেই ইয়াক বুজিবলৈ চেষ্টা কৰিব বা চেষ্টা কৰিলেও বিশেষ অনুধাবন নকৰাকৈ ইয়াক তৎক্ষণাতে বুজি পাব। গায়েথিয়ে কোৱাৰ দৰে "এইটো কল্পনা কৰিব নালাগে যে যুক্তি কেতিয়াবা জনপ্ৰিয় হৈ উঠিব। তীব্ৰ আবেগ আৰু অনুভব জনপ্ৰিয় হব পাৰে; যুক্তি কিছুমান বিশিষ্ট ব্যক্তিৰ হে সম্পত্তি বিশেষ।" তথাপি আজি কালি দায়িত্ব বুজি পোৱাৰ যি ধুম উঠিছে আৰু শিক্ষা বিস্তাৰৰ যি চেষ্টা বাঢ়িছে আৰু শিক্ষিত বুলি নিজক গণ্য কৰাৰ যি প্ৰকোপ চলিছে তাত বোধ হয় দৰ্শনৰ প্ৰতি অযুক্তিমূলক হাঁহি মৰা ব্যঙ্গই হে দৰ্শনৰ প্ৰতি আগ্ৰহ নোহোৱাৰ কাৰণ। ইয়াত অৱশ্যে ৰুচি সংস্কাৰৰ উপায় উলিয়াৰ কথা নুঠে। অকল এইখিনি কলেই হব যে ফুটুকী বাঘে যেতিয়ালৈ বেলেগ মত প্ৰকাশ কৰে তেতিয়ালৈ ছাগলীৰ নিৰামিষ খোৱা প্ৰস্তাৱ দাঙি ধৰাৰ কোনো মূল্য নাই।

কিন্তু যেতিয়া আমি দেখো যে ইটালীৰ "কুকুৰ নেচীয়া বাঘৰ পোৱালি-বোৰকো" দৰ্শনৰ ভেটিত প্ৰতিষ্ঠিত ফ্যাছিজিমৰ আশ্ৰয়তহে ৰণ শিক্ষা দিছে আৰু বৰ্ত্তমান যুগত প্ৰবল বেগেৰে ফুটি উঠা সকলো দেশৰ সৰু বা ডাঙৰ খণ্ড বা অখণ্ড সকলো ৰকম সাম্প্ৰদায়িকতা আৰু জাতীয়তাবাদেই কোনো স্পষ্ট নাইবা অনিশ্চিত দৰ্শনৰ ভেটিত প্ৰতিষ্ঠিত তেতিয়া আৰু দৰ্শনৰ কাৰ্য্য-কাৰিতাৰ বিষয়ে কাৰো সন্দেহ থাকিব নোৱাৰে। আমি যদি নিজকে নিজে শোধোঁ, আমি যে জন্মভূমি আৰু স্বদেশপ্ৰেমৰ কথা কওঁ তাৰ বাস্তৱতা ক'ত?

জন্মভূমি!

জানা নে ভ্ৰাতৃ কোন নো মাতৃ
কি ভাৱে আমাক সাৱটি ধৰে;
ভাবত ভাহি ভাবত হাঁহি
ভাবে দি মনত ভুমুকি মাৰে?

এই কথাটো ভাবি চালে আমি দেখো যে আমি ভৌগোলিক বাস্তৱ মাটী ডোখৰক মাতৃ নোবোলোঁ নাইবা সেই মাটী ডোখৰক ভাল পোৱাই আমাৰ

স্বদেশপ্ৰেম নহয়। আমি দাৰ্শনিক ভেটিক জন্মভূমি আৰু স্বদেশপ্ৰেমৰ মানসিক ধাৰণা প্ৰতিষ্ঠা কৰিবলৈ বাধ্য হওঁ। এই দাৰ্শনিক ভেটি যিমানে কটকটীয়া হয় সিমানে জন্মভূমি, স্বদেশপ্ৰেম আৰু কৰ্ত্তব্যৰ ধাৰা জাজ্জল্যমান হৈ উঠে। মহাভাৰতৰ কুৰুক্ষেত্ৰৰ যুদ্ধৰ সময়ত শ্ৰীকৃষ্ণই অৰ্জ্জুনক কোৱা গীতাৰ কথাত তাৰ প্ৰমাণ পাওঁ। সেইটো প্ৰমাণ যথেষ্ট নহয় বুলি ভাবিলে পৃথিবীৰ বৰ্ত্তমান কেইটামান কথালৈ চাওঁহঁক।

প্ৰথমতে ধৰক ফ্যাছিজিম আৰু নাজিজিমৰ কথা। সাধাৰণতঃ এই দুই মতবাদক মানুহে কেবল ৰাজনৈতিক মতবাদ বুলি ভাবে। কিন্তু মুচোলিনী আৰু হিটলাৰে যি সমৰপ্ৰিয়তাৰ বিজয় দুন্দুভি বজাই জগৎবাসীৰ দৃষ্টি আকৰ্ষণ কৰিছে তাৰ মূলত হৈছে আচলতে আধুনিক পাশ্চাত্য সহজজ্ঞানাবাদ (intuitionalism), দাৰ্শনিক হেগেলৰ ৰাষ্ট্ৰৰ বাস্তৱতা আৰু শ্ৰেষ্টত্ববাদ, ডক্তৰ ৰুডল্‌ফ ষ্টীনাৰৰ বিৰাট জাতীয় জীৱবাদ আৰু এই বিলাকৰপৰা অদ্ভুত ব্যক্তিগত নেতৃত্বৰ নীতি। ১৯৩৬ চনৰ ১৪ মাৰ্চ্চ তাৰিখে মিউনিকৰ পৰা হাৰ হিটলাৰে সমগ্ৰ পৃথিবীত ব্ৰডকাষ্ট কৰা বক্তৃতাত কোৱা, "নিদ্ৰাচৰৰ দৃঢ়প্ৰত্যয় লৈ মই মোৰ বাটত চলিলোঁ—বিধাতাই মোক যি বাটত পঠিয়াইছে সেই বাটেৰে।" এই কথাষাৰে সহজ জ্ঞানবাদ সমৰ্থন কৰে। তদুপৰি এই কথাই ফ্ৰয়েড, জং আদি আধুনিক মনস্তত্ব বিশ্লেষণকাৰীবিলাকৰ স্বপ্নজীৱনৰ বাস্তৱতা-বাদ সমৰ্থন কৰিছে আৰু সজ্ঞান মনতকৈ অজ্ঞাত মনৰ ওপৰত বেচি জোৰ দিছে। দাৰ্শনিক বাৰ্গছনৰ মত পালন কৰিবৰ মন কৰি যুক্তি এৰি বোধ বা সহজজ্ঞানৰ ওপৰত নিৰ্ভৰ কৰি চলিবলৈ ওলাইছে। মুচোলিনীৰ ভাবধাৰাতো এই কথা পোৱা যায়। তাৰ পিচত, মুচোলিনীয়ে প্ৰত্যেক যুজাৰুৰ নিমিত্তে যে ছোৱালী বন্দোৱস্ত কৰি দিয়াৰ কথা কৈছিল সেইটোত দেখা যায় ফ্ৰয়েডৰ "জননেন্দ্ৰিয়ৰ প্ৰৰোচনাই মানুহৰ সকলো চিন্তা আৰু কাৰ্য্য বাখ্যা কৰে" এই মত মানি লৈছে। তাৰ লগত নায়েটস্কিৰ এই মতও আহিছে, "মানুহক যুদ্ধৰ নিমিত্তে শিক্ষা দিব লাগিব; তিৰুতাক শিকাব লাগিব ভাগৰ আৰু গ্লানি দূৰ কৰি যুজাৰুক সতেজ কৰিবলৈ; ইয়াৰ বাহিৰে অইন সকলো মূৰ্খতামাত্ৰ।"

ফ্যাছিজিম আৰু নাজিজিমৰ দৰ্শন নায়েটস্কি আদিৰ মতৰ ওপৰত প্ৰতিষ্ঠিত হৈ আজি জগতৰ আগত যুক্তিৰ বিৰুদ্ধে এটা মতবাদ প্ৰচাৰ কৰিছে। সেইটো এই, জগতৰ পৰা যুদ্ধ তুলি দিয়াটো নীতি হোৱা উচিত নহয়। যুদ্ধই যোগ্যতমৰ উদ্বৰ্ত্তন কৰা দূৰে থাকক যুদ্ধই ঠিক এই যোগ্যতম বিলাকৰ হে ধ্বংস

কৰে। যুদ্ধক নৈসৰ্গিক জীৱন সংগ্ৰাম আৰু তাৰ ফলত যোগ্যতমৰ উদ্বৰ্ত্তনৰ লগত কোনোমতে তুলনা কাৰব নোৱাৰি। সুতৰাং ক্ৰমবিকাশৰ নীতিয়ে যুদ্ধ সমৰ্থন কৰে বুলি কোৱাটো ভুল। তথাপি মুচোলিনীয়ে কয়, "ফ্যাছিজিমে চিৰশান্তিৰ সম্ভাৱনা বা উপযোগিতাত বিশ্বাস নকৰে। অকল যুদ্ধই হে সমুদয় মানবীয় শক্তিৰ অত্যধিক প্ৰসাৰণ কৰে। যিবোৰ জাতিৰ যুদ্ধৰ সমুখীন হবৰ গুণ আছে সেইবোৰৰ গাত হে যুদ্ধই মহত্বৰ চাব মাৰি দিয়ে।" "যদিও সাহিত্যৰ ৰচনাৰ শব্দবোৰ বৰ সুন্দৰ, ৰাইফল, মেস্চিনগান, যুদ্ধৰ জাহাজ, এৰোপ্লেন, কামান তাতকৈ বেচি সুন্দৰ।" হাৰ হিটলাৰে কয়, "মানুহৰ অস্তিত্ব ৰক্ষাৰ বাবে ভবিষ্যতত এই জগৎ যে ভীষণ সংগ্ৰামৰ ঠাই হব তাত কোনো সংশয় নাই। চিৰন্তন সংগ্ৰামত মানৱজাতি মহৎ হৈছে; চিৰশান্তিত ইয়াৰ লোপ হব।" যুক্তিক বাদ দি সহজ জ্ঞানবাদ বা প্ৰেৰণাবাদ যাক তলৰ খাপৰ অৰ্থত ধৰিলে প্ৰৰোচনাবাদ ও ( instinctivism ) বুলিব পাৰি তাৰে ওপৰত এইবোৰ প্ৰতিষ্ঠিত।

তদুপৰি ফ্যাছিজিম আৰু নাজিজিমৰ মূল ভেটি হ'ল দাৰ্শনিক হেগেলৰ ৰাষ্ট্ৰসম্বন্ধে এই কথা "ৰাষ্ট্ৰ পৃথিবীত প্ৰকাশিত ঐশী ভাব। ইয়ে পৃথিবীত চূড়ান্ত বা নিৰপেক্ষ ক্ষমতা; ই নিজেই ইয়াৰ আদি অন্ত। ইয়ে শেষ উদ্দেশ্য যিটোৰ ব্যক্তিৰ বিৰুদ্ধে সৰ্ব্বোচ্চ অধিকাৰ আছে ( অৰ্থাৎ ৰাষ্ট্ৰৰ ওপৰত কোনো নৈতিক নিয়ম নাখাটে।" ইফালে ফ্যাছিজিমে ষ্টীনাৰৰ বিৰাট জাতীয় জীৱবাদ চিধাচিধিকৈ মানিছে। ইটালীৰ ফ্যাছিজিমে কয়, "ইটালীয়ান জাতি ইয়াৰ ক্ষমতা আৰু দীৰ্ঘকালৰ স্থায়ীত্বৰ দ্বাৰা: এটা জীৱথকা জীবাবয়ব যিটোৰ কাৰ্য্য কৰিবৰ উদ্দেশ্য আৰু উপায় আছে—যিবোৰ ইয়াক গঠিত কৰা ব্যক্তিবিলাকৰ ব্যষ্টি বা বৃন্দ যিটোই নহওক, সেই বিলাকৰ কাৰ্য্যৰ উদ্দেশ্য আৰু উপায়ৰ প্ৰভাৱৰ অতীত।" ডক্তৰ ৰুডল্ফ ষ্টীমাৰে কৈছে, "মানুহজনে তাৰ সমাজ বা জাতিৰ নিমিত্তে যি যি কৰিব লাগিব সেইবোৰ তাৰ ব্যক্তিত্ব উপযোগিতাৰ সৈতে ব্যৱহাৰ কৰা উচ্চতৰ জীৱৰ দ্বাৰা পৰিচালিত হয়।" "এক সময়ত সাম্প্ৰদায়িক আৰু বিৰাট জাতীয় জীৱবিলাক তেওঁবিলাকৰ আচল সত্তাত তাৰ ( বিশেষ এক অৱস্থাৰ মানুহৰ ) আগত প্ৰকট হয়।" মুঠৰ ওপৰত ফ্যাছিজিম আৰু নাজিজিমৰ কথা হ'লগৈ বিৰাট জীৱৰ অবয়বস্বৰূপ ৰাষ্ট্ৰৰ নিমিত্তে ব্যক্তি, ব্যক্তিৰ নিমিত্তে ৰাষ্ট্ৰ নহয়।

ঠিক ইয়াৰ বিপৰীতে বৰ্ত্তমান সময়ত আৰু এটা মতবাদ চলিছে যাৰ নাম

ছোস্যালিজিম বা সমস্বত্ববাদ বা সাম্যবাদ। এই মত মতে ৰাষ্ট্ৰ ব্যক্তিৰ নিমিত্তে ৰাষ্ট্ৰৰ নিমিত্তে নহয়। সামাজিক অসাম্যৰ বিৰুদ্ধে ইয়াৰ বিপ্লৱ, ইয়াৰ ঘোৰতৰ অভিযান। কাৰ্ল মাৰ্কসৰ এই মতবাদৰমূলত হৈছে মানুহৰ গভীৰ অসন্তোষ। মানুহৰ অজ্ঞাত মনত খোপ লাগি থকা নানা ৰকম হেচাখুন্দাৰ জেৰ এই অসন্তোষৰ ভিতৰেদি ফোপাই জোপাই বিৰিঙি উঠিছে। মানুহে আৰু এই অসন্তোষ চেপি থবলৈ ইচ্ছা নকৰে। কিহৰ নিমিত্তে এই অসন্তোষ তাৰ কাৰণ নিৰ্দ্ধাৰণ কৰিবলৈ মানুহে বুদ্ধিবৃত্তিৰ বিকাশ নোহোৱা অৱস্থাত হেপাহ নকৰে। কিন্তু আধুনিক বুদ্ধিসম্বন্ধীয় শিক্ষাৰ লগে লগে বুদ্ধিবৃত্তি বিকাশৰ ফলত মানুহে দেখিছে যে তাৰ নিজা পাৰিপাৰ্শ্বিক দুৰৱস্থাই ইয়াৰ কাৰণ আৰু এই দুৰৱস্থাৰ নিমিত্তে দায়ী সামাজিক অসাম্য। গতিকে শিক্ষা আৰু দুৰৱস্থাৰ সংমিশ্ৰনৰ বোমা ফাটি ঘোৰ অসন্তোষ সৃষ্টি কৰিছে। আৰু অসন্তোষৰ দুৰ্দ্দমণীয় শক্তিবোৰে যুক্তি নাইবা আন কথা নামানি নিজ স্বাৰ্থ পূৰণৰ দাবী কৰি সমাজতান্ত্ৰিক অসহিষ্ণু, ধৰ্ম্মবিৰোধী আৰু বিপ্লৱী হৈ পৰিছে। এই দাৰুণ অসন্তোষ গুচাবৰ উপায় বিচাৰি মানুহে মনতে দাৰ্শনিক ভেটিত হে সামাজিক সাম্যবাদ কল্পনা কৰিব পাৰিছে আৰু তাৰে ওপৰত কৰ্ত্তব্যৰ ধাৰা ঠিক কৰিছে। এই সাম্যবাদও সহজজ্ঞানবাদ, ফ্ৰয়েডৰ মত আদিৰ ওপৰত প্ৰতিষ্ঠিত।

ছোস্যালিজিম আদি এৰি কাৰবাৰ ব্যৱসায়ৰ ক্ষেত্ৰতো সহজ জ্ঞানবাদ বা বোধৰ প্ৰভাৱ পৰিস্ফুট হৈছে। এইটো জনাজাত যে মাৰ্কিন (আমেৰিকাৰ) ব্যৱসায়ীলোকৰ ভিতৰতে লাখপতি আৰু ক্ৰোড়পতিৰ ভূঁইফুটি উঠাটো বেচি। এই বিষয়ত আমেৰিকাৰ ব্যৱসায়ীসকলৰ মানসিকতত্ব অনুসন্ধান কৰি পোৱা গৈছে যে তেওঁবিলাকে ইংৰাজ বা জাৰ্ম্মান কাৰবাৰীৰ দৰে অতিপাত বিবেচনা কৰি কাম নকৰে। ইংৰাজ বা জাৰ্ম্মান কাৰবাৰীৰ কাম সুবিবেচিত, সতৰ্ক মন্থৰ আৰু আগতে এনেকৈ ভাবি লোৱা কোনো সিদ্ধান্ত কৰাৰ আগেয়ে ভবিষ্যতৰ কামবিলাকৰ ওপৰত সেই সিদ্ধান্তৰ ফলাফল কি হব পাৰে সেইটো চিন্তা কৰি ভবিষ্যতৰ কামবিলাক দফায় দফায় বিস্তৃতভাবে যতদূৰ সম্ভব আলোচনা কাৰ লয়। বিশিষ্ট মাৰ্কিন কাৰবাৰীৰ কিন্তু সেইটো দস্তৰ নহয়। তেওঁৰ সিদ্ধান্ত তীব্ৰগামী অসতৰ্ক,—বিশেষ ভাবি চিন্তি কৰা নহয়। তেওঁ ভবিষ্যৎ সম্বন্ধে সকলো কথা পাত পাতকৈ বিবেচনা নকৰে কিন্তু কোনো সুবিধা পোৱা মানে তৎক্ষণাৎ সেই সুবিধাতে নিজৰ সফলতাৰ

কপনি তোলে। তেওঁ যেন আঙুলিত তিলিকা মাৰি সিদ্ধান্ত কৰে আৰু সেই সিদ্ধান্ত প্ৰায় সফল আৰু চমকলগা হয়। এনেকুৱালোকক তেওঁৰ সিদ্ধান্তৰ বিষয়ে সুধিলে কয়, "অ! সেইটো মোৰ এটা ভিতৰুৱা খুন্দা (আমেৰিকাৰ কথাত এইটোক hunch বোলে), মই মোৰ সহজ জ্ঞানৰ প্ৰেৰণাৰ ওপৰত আগ বাঢ়িছিলোঁ।" জনা গৈছে আমেৰিকাত এই দৰেই বেচি ভাগ লাখপতি আৰু ক্ৰোড়পতিৰ সৃষ্টি হয়।

গতিকে দেখা যায় মানুহৰ কৰ্ত্তব্যৰ ধাৰা নিৰ্দ্ধাৰণত দাৰ্শনিক ভেটিৰ কাৰ্য্যকাৰিতা ফটফটিয়াকৈ আছে। সাধাৰণতঃ মানুহে আধুনিক সভ্যতা কুসংস্কাৰবৰ্জ্জিত বৈজ্ঞানিক জ্ঞানদীপ্ত সভ্যতা বুলি দম্ভ কৰে। কিন্তু দৰ্শনৰ নাম শুনিলে মানুহৰ কুসংস্কাৰ (prejudice) জাগি উঠে কিয়? সেইটো মূৰ্খতা নহয় নে? দৰ্শনৰ কাৰ্য্যকাৰিতা দেখি দৰ্শনক কেৱল অলাগতীয়াল কল্পনা বা কিছুমান উপপত্তি মাথোন বুলি হেয় জ্ঞান নকৰি কুসংস্কাৰ এৰি বৰ্ত্তমান সভ্য শিক্ষিত মানুহে দৰ্শনৰ ওচৰত কৃতজ্ঞ হোৱা আৰু দৰ্শনক সাবটি ধৰা উচিত।

দৰ্শনক উপপত্তি বুলিলেও তাৰ এটা মূল্য আছে। উপপত্তি নোহোৱাকৈ কাৰ্য্যকাৰী বিজ্ঞানে আগ বাঢ়িব নোৱাৰে। বিজ্ঞানেও কিছুমান অৱস্থাৰ ভিতৰেৰে গৈ হে শেষত কাৰ্য্যকাৰী হয়। পোনতে বিজ্ঞানৰ কাম হৈছে তথ্য গোটোৱা, তাৰ পাচত সেই তথ্যবোৰৰ ওপৰত এটা উপপত্তি ঠিৰ কৰা; শেষত সেই উপপত্তি আন তথ্যৰ সহায়ত পৰীক্ষা কৰি চাই তাক গ্ৰহণ কিম্বা ত্যাগ কৰা; গ্ৰহণ কৰিলে তাৰ ফল কাৰ্য্যকাৰীভাবে কামত খটোৱা। এই দৰে কাৰ্য্যকাৰী হোৱাই বিজ্ঞানৰ মহিমা। গতিকে তৎক্ষণাৎ কাৰ্য্যকাৰিতা জনয়ন কৰিব নোৱৰাৰ বাবে উপপত্তিকাৰীক হাঁহিয়াতৰ পাত্ৰ কৰাটো যুক্তি বিগৰ্হিত। প্ৰথমে উপপত্তিঠিক নহলে উপযোগীতাবাদী সকলে ঠিয় হৈ কাম কৰিবৰ কোনো ভেটি নাথাকে। কত জীৱনৰ পৰ্যবেক্ষণৰ ফলত, কত উপপত্তিৰ অভ্যূদয়ৰ ফলত হে আজি নাৱিকে কাৰ্য্যকৰী ভাবে জ্যোতিবিজ্ঞান ব্যৱহাৰ কৰিবলৈ সমৰ্থ হৈছে। কম বা বেচি পৰিমাণে আন বৈজ্ঞানিক বিষয়ৰো কথা তেনেকুৱা।

এইবিলাক দেখি শুনিও যদি আজিকালিৰ শিক্ষিত মানুহে দৰ্শনশাস্ত্ৰ মৃতবিজ্ঞান বুলি কব খোজে তেনেহলে প্ৰকাৰান্তৰে ইয়াকে কোৱা হয় যে যি জীৱ দিয়ে সি মৃত কিন্তু যাক জীৱ দিয়ে সি জীৱিত অৰ্থাৎ এই কথাষাৰ

মৃত পিতাৰ জনয়ন শক্তিত জীৱিত পুত্ৰ উৎপন্ন হোৱাৰ নিচিনা। এনেকুৱা মত যে এফলীয়া কুসংস্কাৰ আৰু চাব পৰা সত্বেও জীৱনৰ তত্ত্ব ফহিঁয়াই নেচাই কণামুণাকৈ চলাৰ ফল তাত কোনো সন্দেহ থাকিব নোৱাৰে। বোধ হয় ই মিহি জড়বাদৰ মনমোহা মোহিনীমূৰ্ত্তিৰ মিচিকিয়া হাঁহিৰ আকৰ্ষণে মানুহৰ মূৰ ঘূৰাই দিয়াৰ পৰিণাম। যি কোনো এক ৰকমৰ ভেটি নোহোৱাকৈ ঘৰ সাজিব নোৱাৰে, সেইদৰে দৰ্শন নহলে আন জীৱিত বিজ্ঞানবোৰক প্ৰাণ সঞ্চাৰ কৰিবলৈও একো নেথাকে।

মানুহৰ সাধাৰণ বুদ্ধি ফহিঁয়াই চালেও দৰ্শনৰ উপযোগিতা আমি সহজতে ধৰিব পাৰোঁ। সাধাৰণ বুদ্ধি বোলা গুণটো প্ৰায় এটা উদাহৰণ দি বুজাবলৈ চেষ্টা কৰা হয়। সকলো ভাষাতে চোৱা আৰু দেখা এই দুটা কথা আছে। তাৰদ্বাৰা দৃষ্টিৰ দুটা ৰূপান্তৰক লক্ষ্য কৰা হয়। যি মুহূৰ্ত্ততে আমি চকু মেলি বহিৰ্জগৎ চাওঁ সেই মুহূৰ্ত্ততে সমুখৰ সকলো বস্তু আমাৰ দৃষ্টিগোচৰ হয় আৰু সেইবিলাক বস্তু সম্বন্ধে আমি এটা উপৰুৱা চিত্ৰ লওঁ; কিন্তু সেইবিলাক বস্তু সম্বন্ধে আমি বিশিষ্ট জ্ঞান পাব লাগিলে সেই বস্তুবোৰ আমি এটা এটাকৈ দেখিব লাগিব। ইয়াৰ মানে এই যে অকল চোৱামাত্ৰেই আমি জ্ঞাতভাবে সমুখৰ দৃশ্যৰ সকলোখিনি চিত্ৰ লব নোৱাৰোঁ; সেইখিনি কৰিব লাগিলে অংশবিলাক এটাৰ পাচত এটা স্পষ্টকৈ সদাই দেখিব লাগিব। অকল দৃষ্টি শক্তিৰ এই দুই ৰকম জ্ঞান নহয়, যাবতীয় বুদ্ধিবৃত্তিসম্বন্ধীয় জ্ঞানেই এনেকুৱা, গতিকে এইটো বঢ়িয়াকৈ বুজিব পাৰি যে শিশুকালৰ পৰা মানুহৰ ভিতৰত যিবোৰ বহিৰ্জগতৰ চাব অস্পষ্টভাবে বহে তাৰপৰা কিছুমান সাধাৰণ ধাৰণা, বিশ্বাস, ভাব, অনুভব আদি মিলি এটা সমষ্টিৰ সৃষ্টি কৰে যিটোক আমি সাধাৰণ বুদ্ধি বোলোঁ।

এই সাধাৰণ বুদ্ধিৰ দ্বাৰা সন্তুষ্ট নাথাকি মানুহে যেতিয়া উপৰোক্ত "দেখাৰ" নিচিনা চাৰিওফালৰ বস্তুবোৰ স্পষ্টকৈ আৰু ভালকৈ বুজিব খোজে তেতিয়াই দৰ্শনৰ আৰম্ভ হয় বহিৰ্জগতৰ বিষয় বোধ দেখি সদায় মানুহৰ মনত স্বতঃই যিবোৰ প্ৰশ্ন উঠে দৰ্শনে সেইবোৰকে ইচ্ছা কৰি সজাই পুঙ্খানুপুঙ্খৰূপে বিচাৰ কৰিবলৈ চেষ্টা কৰে। গতিকে সাধাৰণ বুদ্ধিত অস্পষ্ট থকা ভাববোৰক মনোযোগ একাগ্ৰ কৰি প্ৰশ্নোত্তৰৰ দ্বাৰা বুজি সুশৃঙ্খল কৰিবৰ যি চেষ্টা সেয়ে দৰ্শনৰ কাম।

গতিকে দৰ্শন মানে "জিজ্ঞাসা" বা শোধা আৰু এই শোধাৰপৰা

বহিৰ্জগৎ আৰু অন্তৰ্জগৎ, মানব আৰু বিশ্ব, বিশ্ব আৰু বিশ্বৰ মূলকাৰণ সম্বন্ধে সম্যক দৃষ্টি। এক সম্যক দৃষ্টি আৰ্জ্জনৰ চেষ্টাত অৱশ্যে জ্ঞানৰ প্ৰতি প্ৰীতি সদায় লাগিয়ে আছে। ইংৰাজী ফিলজফি শব্দে এই জ্ঞান-প্ৰীতিকে বুজায়। ভাৰতীয় আৰ্য্য-বিলাকৰ মতে সত্য সাক্ষাৎ কৰাই দৰ্শন। ত্ৰিবিধ দুখ নাশ কৰা অস্তিত্বময়, চৈতন্যময় আনন্দময় সত্তাৰ উপলব্ধিয়েই দৰ্শন।

পাশ্চাত্যমতে নিসৰ্গপন্থী আৰু নীতিবিৎ দুয়ো সত্য বিচাৰে, দুয়ো তথ্য সামঞ্জস্যৰ চেষ্টা কৰে, দুয়ো প্ৰণালীবদ্ধভাবে চিন্তাৰ ধাৰাব কোনো সংস্থিতি পাতে, গতিকে দুয়ো দাৰ্শনিক। এই ভাবতে দৰ্শনৰ দুটা বিভাগ কৰা হৈছে নৈসৰ্গিক দৰ্শন বা প্ৰাকৃতিক বিজ্ঞান আৰু মানসিক দৰ্শন বা মনোবিজ্ঞান। কিন্তু দৰ্শন শব্দে বহল অৰ্থত যদিও যি কোনো সত্য অন্বেষণৰ চেষ্টাকে বুজায় তথাপি পাৰিভাষিক শব্দৰূপে ই কেবল সমগ্ৰভাবে বিশ্বক বুজিবৰ চেষ্টাকেহে বুজায়। খণ্ড খণ্ডভাবে সত্য নিৰ্দ্ধাৰণৰ চেষ্টা নকৰি কিন্তু খণ্ড খণ্ডভাবে বেলেগ বেলেগ বিজ্ঞানে আবিষ্কাৰ কৰা সত্যবোৰ লগ লগাই সুশৃঙ্খল কৰি ব্যাপকভাবে কিছুমান সত্য নিৰ্দ্ধাৰণৰ চেষ্টা কৰি বিশ্বৰ আদি, অন্ত, উদ্দেশ্য, বৰ্ত্তমান সংস্থান গঠন আদি বিষয়ক প্ৰশ্নৰ উত্তৰ উলিৱাই দৰ্শনৰ লক্ষ্য বা পৰিসৰ।

এইখিনিতে দৰ্শনৰ নিজা বিশিষ্ট বিভাগৰ বিষয়ে কোনো কথা কোৱাৰ আগেয়ে প্ৰাকৃতিক বিজ্ঞানৰ আধুনিক পৰীক্ষাগাৰত জড় সম্বন্ধে কি ধাৰণা হৈছে আৰু মনোবিজ্ঞানৰ আধুনিক পৰীক্ষাৰ ফল কিছুমান কি হৈছে তাকে চোৱা যাওক। আধুনিক বিজ্ঞানমতে জড় আৰু এতিয়া গোটা পৰমাণুৰ সমষ্টি নহয়। পৰমাণুবাদ উৰি গৈছে। পৰমাণু বিশ্লেষিত হৈ "প্ৰটোন" আৰু "ইলেকট্ৰন" হৈছে। সিফালে বৈজ্ঞানিকে জড়ৰ যেনেকৈ পৰমাণু ধৰিছে তেনেকৈ শক্তিৰো পৰমাণু কল্পনা কৰিছে। শক্তিৰ পৰমাণুক কোয়াণ-টাম বা ইউনিট বোলে। এক কোয়াণটামযুক্ত বিদ্যুৎকণিকাই ইলেকট্ৰণ। পৰমাণু আৰু এতিয়া অবিভাজ্য ব্যষ্টি নহয়। সৌৰজগতত গ্ৰহবিলাকে যেনেকৈ সূৰ্য্যক প্ৰদক্ষিণ কৰে পৰমাণুৰূপ সৌৰজগতত ইলেকট্ৰণে প্ৰটোণৰ চাৰিওফালে সেইদৰে বৃত্তাভাষত ঘূৰে। পৰমাণুবিলাক এটি এটি ক্ষুদ্ৰতম সৌৰজগত বিশেষ। ইফালে আকৌ প্ৰটোন ভাঙি নিউট্ৰণ আৰু পজিট্ৰণত পৰিণত কৰা হৈছে; আৰু কোনো কোনো মৌলিক পদাৰ্থৰ পৰমাণু ভাঙি অইন মৌলিক পদাৰ্থৰ পৰমাণু বাহিৰ কৰিছে। এইবিলাকৰপৰা স্পষ্ট অনুমান কৰিব পাৰি যে সকলো পদাৰ্থৰ পৰমাণু বিদ্যুৎকণিকাৰে গঠিত;

গতিকে বিভিন্ন পদাৰ্থৰ মূলত কোনো পাৰ্থক্য নাই, যাবতীয় জড় পদাৰ্থ বিদ্যুতৰ ৰূপান্তৰ মাত্ৰ। জড় শক্তিত বা শক্তি জড়ত ৰূপান্তৰিত হয়, শক্তিয়ে গোট খাই জড় হৈছে। স্যাৰ জে, জে, টমছনে এবাৰ পৰমাণু ভাঙিবলৈ চেষ্টা কৰোঁতে বিশেষ এটা অৱস্থাত বিদ্যুতক জড়ৰ ভাওজোৰা দেখিছিল, জড়ৰ-পৰা বিচ্ছিন্ন বিদ্যুতত জড়ৰ গুণ প্ৰতিভাত হৈছিল। এই হ'ল প্ৰাকৃতিক বিজ্ঞানৰ আধুনিক গবেষণাৰ উল্লেখ।

আনপক্ষে মনোবিজ্ঞানৰ ফালে লক্ষ্য কৰিলে দেখা যায় আজি কালিৰ পৰীক্ষিত তথ্যই মগজুৰ পৰা চিন্তা উদ্ভূত হোৱা বুলি নকয় আৰু মনকো মগজুত সীমাবদ্ধ বুলি নধৰে। পুৰণি কথাবোৰ উৰি গৈছে। ইউৰোপ আৰু আমেৰিকাৰ চাইকিক যি ছাৰ্চ্চ ছোছায়টি ফৰাচীদেশৰ নানাৰকম সম্মোহন বিদ্যাৰ প্ৰতিষ্ঠান আদিৰ বাহিৰেও কৈছৰলিঙ, হাৰ্ডেণবাৰ্গ আৰু হেপিকৰ Das Okkults নামে জাৰ্ম্মান কিতাপত উল্লেখ কৰা ডাৰ্ম ষ্টাডত অনুষ্ঠিত বৈজ্ঞানিক পৰীক্ষাবোৰে দিব্যদৃষ্টি, চিন্তাৰ টেলিগ্ৰাফ, জীৱন্ত বস্তুৰ সূক্ষ্মঘেৰ দেখা, অকল মানসিক শক্তিৰে ৰোগ নিৰ্ণয় কৰা, ধ্যানস্থ হোৱা আদি প্ৰতিপন্ন কৰিছে। এনে কি ইয়াত কিছুমান পৰীক্ষা পূৰ্ব্বজন্মৰ অস্তিত্ব নিৰূপণ সম্বন্ধেও কৰা হৈছিল। দুই তিনি জন্মলৈকে বাৰে বাৰে পৰীক্ষা কৰি আগুৱাব পৰা গৈছিল। ডক্তৰ হেপিকে যদিও এই পৰীক্ষাবোৰক জন্মান্তৰৰ প্ৰমাণ হিচাবে ধৰা নাই তথাপি তেওঁ এই সিদ্ধান্ত কৰিছে যে এইবোৰে জন্মান্তৰবাদ বহুখিনি সমৰ্থন কৰে আৰু ভবিষ্যতৰ অন্যান্য পৰীক্ষাৰ ফলেৰে তথ্য সংগ্ৰহ কৰি বাকীখিনি প্ৰমাণিত হোৱাৰ কথা মাত্ৰ। কৈছৰলিঙে কৈছে যে পৰীক্ষাৰ ফলত বিজ্ঞানে বোধ হয় যোগবিষয়ক কথাৰ বেচিভাগ অপ্ৰমাণ কৰাৰ ঠাইত সপ্ৰমাণহে কৰিব। ইফালে আকৌ ফ্ৰয়েড, জং আদিৰ মনস্তত্ত্ববিশ্লেষণে মানুহৰ স্বপ্নজীৱনটো বাস্তৱ বুলি সপ্ৰমাণ কৰিছে। স্বপ্নজীৱন জাগ্ৰত জীৱনৰ অনুপূৰক। এই মতে আগুৱাই তেওঁবিলাকে স্নায়বিক বিকাৰগ্ৰস্ত ৰোগীক নিৰাময় কৰাৰ পদ্ধতি উলিয়াইছে। তদুপৰি ইউৰোপ আৰু আমেৰিকাৰ সাইকোমেট্ৰি বিদ্যাৰ অৰ্থাৎ যি বিদ্যাৰ দ্বাৰা ধ্যানস্থ হৈ বস্তুনিহিত সংস্কাৰৰ উদ্বোধন কৰি সেই বস্তুসংশ্লিষ্ট অতীত ঘটনা জানিব পাৰি সেই বিদ্যাৰ আলোচনাৰপৰা মন যে মগজুৰ ব্যাপাৰ নহয় আৰু তাত সীমাবদ্ধ নহয় সেইটো সপ্ৰমাণিত হৈছে।

প্ৰাকৃতিক বিজ্ঞানৰ আৰু মনোবিজ্ঞানৰ এইবোৰ কথাই দৰ্শনৰ ভেটি দৃঢ়

কৰিবলৈ ধৰিছে। ইয়াৰ ফলত মানুহে অলপ ভাবিলেই চিন্তাশীল হবলৈ বাধ্য হৈছে। এই সকলো সামৰি লৈ দৰ্শনে আগেয়ে উল্লেখ কৰা পৰিসৰত কাম কৰিবলৈ ওলাই পোন প্ৰথমে এটা কথা জনা বিশেষ দৰ্কাৰ বুলি কয়। সেই কথাটো এই, জ্ঞান কি আৰু তাক অৰ্জ্জন কৰা হয় কেনেকৈ? দৰ্শনৰ যি ভাগত এই কথাৰ নিষ্পত্তি কৰিবৰ চেষ্টা কৰা হয় তাক জ্ঞাননিৰ্ণয় ( Epistemology ) বোলে। এইদৰে জ্ঞান নিৰ্ণয়কে আদিকৰি আন আন বিষয়ৰ সম্বন্ধত দৰ্শনৰ এইবোৰ বিভাগ ওলাই পৰে :—( ১ ) জ্ঞাননিৰ্ণয়, ( ২ ) প্ৰাকৃতিক বিজ্ঞান, ( ৩ ) মনোবিজ্ঞান, ( ৪ ) সত্তাবিদ্যা ( Ontology ), ( ৫ ) জগৎ উদ্ভৱতত্ত্ব ( Cosmogony ), ( ৬ ) সমগ্ৰাংশ সম্বন্ধতত্ত্ব ( Cosmology ), ( ৭ ) নীতিশাস্ত্ৰ আৰু ( ৮ ) ধৰ্ম্মতত্ত্ব। ( ২ ), ( ৩ ), ( ৪ ), ( ৫ ) আৰু ( ৬ ) মিলাই তত্ত্ববিদ্যা ( Metaphysics ) বোলা হয়। এইবোৰ বিভাগত দাৰ্শনিক সমস্যাবোৰৰ সমাধান কৰিবলৈ গৈ দাৰ্শনিকসকলে ভিন ভিন পদ্ধতি অবলম্বন কৰিছে :—( ডায়ল্যাকৃটিক বা বিৰোধ সমন্বয়াত্মক ( খ ) ক্ৰিতিক্যাল বা সমালোচনামূলক ( গ ) এম্পায়াৰিক্যাল বা বাহ্যিক অভিজ্ঞতা-মূলক ( ঘ ) স্কেপটিক্যাল বা সংশয়াত্মক ( ঙ ) ডগম্যাটিক বা বুদ্ধি সমালোচনা নিৰপেক্ষ ( চ ) ইন্টিউস্যানেল বা বোধমূলক ( ছ ) ইণ্ডিভিজুৱেল বা মইমূলক ( মইত বৃত্তি-বুদ্ধি বোধমূলক )।

( ক ) পৰা ( ঙ ) পাশ্চাত্য পুৰণি দৰ্শনৰ, ( চ ) বাৰ্গদলৰ নতুন দৰ্শনৰ, ( ছ ) মোৰ নিজা। এই ক্ষুদ্ৰ প্ৰবন্ধত প্ৰত্যেক প্ৰবন্ধ সম্বন্ধে দুই এবাৰতৈকে বেচি কোৱা টান।

( ক ) বিৰোধসমন্বয়াত্মক পদ্ধতিক পাশ্চাত্য দৰ্শনত চক্ৰেতিছৰ তৰ্কপ্ৰণালীও বোলে। কোনো মানুহক কোনো তত্ত্ব স্বীকাৰ কৰাব লাগিলে চক্ৰেতিছে সেই মানুহক সেই বিষয়ে তাৰ মত শুধি প্ৰশ্নৰ পাচত প্ৰশ্ন কৰি তাক এনে অৱস্থাত আনি পেলাইছিল যে শেষত সি নিজমুখে চক্ৰেতিছৰ মত মানিবলৈ বাধ্য হৈছিল। ( জনক ৰাজৰ্ষিয়ে প্ৰশ্নোত্তৰ পদ্ধতি অবলম্বন নকৰাকৈ কাৰ্য্যকৰী উপায়ে শুকদেবক জ্ঞানৰ বোধ দিছিল। )

দাৰ্শনিক হিগেলে চিন্তা আৰু অস্তিত্বমূলত একেবুলি কৈ বিৰোধসমন্বয়াত্মক পদ্ধতিক এটা নতুন ধাৰা দিছে। চিন্তা আৰু অস্তিত্ব যে একে 'যোগবাশিষ্ঠত' অইন কথাৰ ভিতৰত ঠিক এই কথা আছে। উপনিষদতো এই

কথাৰ মূল ভেটি আছে। কাইবেলিয়ন বা হার্মিছৰ দর্শনতো কৈছে, বিশ্ব মানসিক। এইবিলাকৰমতে একৰ চিন্তাই বিশ্বৰ অস্তিত্ব।

চিন্তাই অস্তিত্ব। হিগেলৰ মতে চিন্তা তাত্ত্বিকবিৰোধ সমন্বয়াত্মক প্রণালীৰ ভিতৰেৰে প্ৰকাশিত হয় আৰু বাঢ়ে। কোনো এটা চিন্তাৰ ঠিক বিৰোধী চিন্তাৰ সম্পর্কত হে আমি সেইটোৰ অস্তিত্ব থকা বুলি ভাবিব পাৰোঁ আৰু তাক বুজি পাওঁ, যেনে গতি স্থিতি, এন্ধাৰ পোহৰ ইত্যাদি। অৰ্থাৎ **ক**-নহয় আৰু **ক** উভয়ে অনুবন্ধী বা পৰম্পৰাপেক্ষী। এতিয়া **ক**-নহয় খিনিক যদি **খ** বোলোঁ তেনে হলে আমি দোখোঁ যে **ক** আৰু **খ**ৰ সম্মিলনভূমি **গ** বুলি যদি কোনো কিছু নাপাওঁ তেনেহলে চিন্তাৰ আৰু বাঢ়িবৰ কোনো উপায় নাথাকে। গতিকে **গ** মিলনভূমি উলিয়াই **ক** আৰু **খ** তাৰ অংশ বুলিব পাৰি এই **গ** মিলন-ভূমি বা সম্মিলনত **ক** আৰু **খ** **গ**ৰ লগত একে হৈ নেযায় অথচ ইয়াত **ক** থাকিলে **খ** ও থাকিব ; গতিকে **ক** আৰু **খ**ৰ পূৰা সমন্বয় অইন এটা উচ্চতৰ একত্ব **খ**ত হব ; **গ** আৰু **ঘ**ৰ সমন্বয় তাতকৈ উচ্চতৰ **ঙ**ত হব। এনেকৈ গৈ গৈ আমি এটা নিৰপেক্ষ সমন্বয় পাওঁ যত সকলো প্ৰকাৰ বিৰোধী চিন্তাৰ সমন্বয় হয়। ( বৈশেষিক দৰ্শনৰ সপ্তম পদাৰ্থৰ বৰ্ণনাত ইয়াতকৈও জটিল কথা কৈছে। এই সপ্তম পদাৰ্থ হৈছে অভাব বা অনস্তিত্ব। এই অনস্তিত্ব চাৰি ৰকমৰ, যথা :— (১) অভাব যাৰ আদি নাই কিন্তু অন্ত আছে (২) অভাব যাৰ আদি আছে কিন্তু অন্ত নাই (৩) অভাব যাৰ আদিও নাই অন্তও নাই (৪) অভাব যাৰ কোনো নিৰাকৰণ নাই। )

প্ৰত্যেক শান্ত বস্তুৱে নিজৰ অস্তিত্বৰ কথা জনোৱাৰ লগে লগে তাৰ বিৰোধী বস্তুৰ অস্তিত্ব টানি আনে। জগৎ অভিব্যক্ত কৰা শক্তিয়ে এই উভয় বিৰোধী বস্তুক এটা উচ্চতৰ একত্বত একেলগে মিলাই ৰাখি তাৰ অংশৰূপে কাম কৰাই ইইতৰ সমন্বয় কৰে। এইদৰে পূৰ্ব্বপক্ষ ( thesis ), প্ৰতিপক্ষ ( antithesis ) আৰু সমন্বয় ( synthesis ) এই তিনটাৰ ভিতৰেৰে ক্ৰমবিস্তৃতিয়েই চিন্তা আৰু অস্তিত্বৰ স্বভাৱ। অস্তিত্ব হৈছে বিশ্বশক্তি বা নিৰপেক্ষ চিন্তাৰ অনুস্যূত বা ওতপ্ৰোত বৃদ্ধি বা বিস্তৃতি। যি ক্ৰমবিস্তৃতি প্ৰণালীৰে বিশ্বশক্তিয়ে বিশ্বপ্ৰকাশ কৰে সেই প্ৰণালীৰ মানুহৰ মনত পুনৰোৎপত্তি হয়। গতিকে বিৰোধসমন্বয়াত্মক উপায়ে ধাৰণা বা চিন্তাৰ বিস্তৃতি কৰি অস্তিত্ব জনা সম্ভৱপৰ হয়। সকলো বস্তুনিৰ্ব্বিশেষে অনন্ত নিৰপেক্ষ সত্তাৰ বাস্তৱতা প্ৰকাশক ভাব মাত্ৰ। এই কাৰণে ইয়াক নিৰ্ব্বিশেষ ভাববাদ বোলে।

(খ) সমালোচনামূলক পদ্ধতিৰ মূল যুক্তি এই যে সমালোচনা দ্বাৰা জ্ঞানৰ উৎপত্তি স্বভাৱ আৰু সীমা নিৰ্দ্ধাৰণ নকৰিলে দাৰ্শনিক চিন্তাবোৰৰ পৰিসৰ ঠিক নহয় আৰু তেনে অৱস্থাত দৰ্শনে নেযাব লগা ঠাইলৈকেও যাব পাৰে ক্যাণ্টৰ এই পদ্ধতিমতে মানুহৰ জ্ঞানৰ সমালোচনা কৰিলে দেখা যায় জ্ঞান অকল বাহিৰা অভিজ্ঞতামূলকো নহয়। অভিজ্ঞতামূলক আৰু মনোমূলক মৌলিক অংশ দুয়োটা জ্ঞানত আছে। অভিজ্ঞতামূলক (a posteriori) অংশটোক জ্ঞানৰ মাটি আৰু মনোমূলক (a priori) অংশটোক জ্ঞানৰ সাঁচ বুলিব পাৰি। বাহ্যিক অভিজ্ঞতাই অৰ্থাৎ ইন্দ্ৰিয়ে প্ৰত্যক্ষ কৰা বহুত্বই মাটি যোগায় আৰু মনে সেই মাটিক সাঁচ দিয়ে। যিহেতু ক্যাণ্টে ইন্দ্ৰিয়ৰ অভিজ্ঞতা-মূলক জ্ঞানৰ মাটি আৰু মনোমূলক জ্ঞানৰ সাঁচৰ পাৰ্থক্য কৰিছে আৰু কৈছে যে মনে সাঁচ দিয়ে কিন্তু মাটি বাহিৰৰপৰা আহে সেইগুণে দেখা যায় মানুহৰ মনৰ বাহিৰত অমানসিক জগত এখন আছে য'ত বস্তুবোৰ আচলতে যেনে তেনে থাকে। এই বস্তুবোৰ-যেনে-তেনে জগৎখনে ইন্দ্ৰিয়ৰ ভিতৰৰ মনৰ ওপৰত যি প্ৰভাব বিস্তাৰ কৰে তাৰপৰা অভিজ্ঞতামূলক জ্ঞানৰ মৃত্তিকা হয় আৰু এই জ্ঞান মৃত্তিকাক দেশ আৰু কালৰূপ সহজ জ্ঞানৰ সাঁচত পেলাই চিন্তাৰ সাঁচে জ্ঞানৰ উৎপত্তি সম্ভৱ কৰে। গতিকে বস্তুবোৰ-যেনে-তেনে জগৎখনক বা অমানসিক সত্তাক তাৰ আচল স্বভাৱত মনে কেতিয়াও জানিব নোৱাৰে। আমি নৌমেনা বা বস্তুবোৰ-যেনে-তেনে জানিব নোৱাৰোঁ; আমি কেৱল জানো ফেনোমেনা অৰ্থাৎ বস্তুবোৰ ইন্দ্ৰিয়ৰ ভিতৰেৰে মনোমূলক সাঁচত যিদৰে আমাৰ ওচৰত প্ৰতিভাত হয়। এই যে বস্তুবোৰ-যেনে-তেনেক জানিব নোৱৰা অথচ মনোমূলক সাঁচদি তাক জানিবপৰা ইয়াক অদ্বৈতবেদান্তও শঙ্কৰাচাৰ্য্যে অধ্যাস বা মায়া বুলিছে। ইয়াক জানিবপৰা বা জানিব নোৱৰা কোনোটোৰ ঠিক নিৰূপণ নহল। বস্তুবোৰ-যেনে-তেনেক একেবাৰে জানিব পৰাও নহল, ই একেবাৰে অজ্ঞাতও নহল। এইয়ে মায়া। ফেনোমেনাক মায়া বোলা ভুল। কাৰণ মায়া মানি ললেহে ফেনোমেনা বা জগৎপ্ৰপঞ্চ জ্ঞানৰ বিষয়ীভূত হয়। আকৌ ক্যাণ্টৰ নৌমেনাক যেন কেৰে বেদান্তৰ ব্ৰহ্ম বুলি নেভাবে কাৰণ বস্তুবোৰ-যেনে-তেনেক অদ্বৈতবেদান্তৰ এক বুলিবলৈ যুক্তি পোৱা নেযায়।

ক্যাণ্টৰমতে যদিও বস্তুবোৰ-যেনে-তেনেক জানিব নোৱাৰি (এই ভাবত ক্যাণ্টৰ মতক যুক্তিযুক্ত অজ্ঞেয়তাবাদ বোলে) তথাপি প্ৰকৃতি বা ফেনোমেনাৰ

সমষ্টিক জানিব পাৰি প্ৰকৃতি বা ফেনোমেনা হৈছে কিবা এটাক লৈ অকল বুদ্ধিৰ বাৰটা ধাৰাত সৃষ্টি, সেই কাৰণে এই মতবাদক ফেনোমেলিজিম বা ক্যাণ্টৰ ভাববাদও বোলে, কিন্তু এই ঠাইত আকৌ কিষ্টিয়ে ক্যাণ্টক সমালোচনা কৰি কয় যে ক্যাণ্টৰ মতে বুদ্ধিৰ বাৰটা ধাৰাৰ কোনোটেৰে বস্তুবোৰ-যেনে তেনেত প্ৰযোজ্য নহয়। নিমিত্ত বা কাৰ্য্য কাৰণৰ বস্তুবোৰ-যেনে-তেনেত প্ৰযোজ্য হব নোৱাৰে। গতিকে ক্যাণ্টৰ মতে বস্তুবোৰ-যেনে-তেনে যেতিয়া নিমিত্তৰ অধীন নহয় মানে প্ৰকৃতিৰ বিষয়ে ধাৰণা কৰাত বস্তুবোৰ-যেনে-তেনেৰ পৰা কোনোৰূপে সহায় নাপায়। সেইগুণে এইটো সিদ্ধান্ত কৰিব পাৰি যে আচলতে বস্তুবোৰ-যেনে-তেনে বুলি কোনো অমানসিক সত্তাই নাই। অকল মনটোহে আছে, মনৰ ভিতৰতে থকা কিবা এটাই মনৰ ধাৰণাবোৰ ওপজায়। এইটোক বিষয়গত ভাববাদ বোলে ( ছলিপছিজিম্ )।

( গ ) বাহ্যিক অভিজ্ঞতামূলক পদ্ধতিমতে "পূৰ্ব্বতে ইন্দ্ৰিয় নথকা একোৱে বুদ্ধিত নাই।" সমস্ত জ্ঞানেই ইন্দ্ৰিয়ৰদ্বাৰা পৰ্য্যবেক্ষণ আৰু পৰীক্ষামূলক। আগেয়ে কৈ অহা আধুনিক মনোবিজ্ঞানৰ পৰীক্ষিত বৈজ্ঞানিক তথ্যৰ পোহৰত এই পদ্ধতিৰ মূল্য নোহোৱা হৈছে। তদুপৰি ইয়াক ফঁহিয়াই দেখুৱাই আৰু সমালোচনা কৰি বাৰ্কলিয়ে কয় যে বস্তুবোৰ ধাৰণামূলক। অভিজ্ঞতামূলক পদ্ধতিমতে বস্তুৰ উদ্ভূত গুণবোৰ আমাৰ মানসিক চৈতন্যৰ অংশ, প্ৰাথমিক গুণবোৰ নহয়। কিন্তু ইন্দ্ৰিয়ানুভূতিতে অনুভূত হোৱাৰ কাৰণে যদি উদ্ভূত গুণবোৰক মনোমূলক বোলো তেনেহলে প্ৰাথমিক গুণবোৰৰ বিষয়েও আমি ইন্দ্ৰিয়ানুভূতিত জনাৰ কাৰণে সেইবোৰক মনোমূলক বুলিব লাগিব। গতিকে উদ্ভূত গুণবোৰ যদি বস্তুগত নহয় প্ৰাথমিক গুণবোৰো বস্তুগত নহয়। বস্তুবোৰ ধাৰণামূলক; ধাৰণা অনুভৱমূলক। অনুভৱ কৰা মন ব্যতিৰেকে ধাৰণা থাকিব নোৱাৰে; মনৰ দ্বাৰা অনুভূত হোৱাতে বস্তুৰ অস্তিত্ব। গতিকে মনৰ বাহিৰত জড়বস্তু বুলি একো নাই। অকল মনবোৰ আৰু মনবোৰৰ ধাৰণাবোৰহে আছে। আমাৰ মনৰ ধাৰণাৰ অভিজ্ঞতাৰ জগতেই একমাত্ৰ সত্তা। ইয়াক অভিজ্ঞতামূলক ভাববাদ বোলে। এই ভাববাদমতে অমানসিক সত্তা একো নাই। ক্যাণ্টে কিন্তু অমানসিক জানিব নোৱাৰা অভিজ্ঞাতাতীত সত্তা এটা স্বীকাৰ কৰে, সেইগুণে এই ভাববাদকৰ তুলনাত ক্যাণ্টৰ সেই মতক অভিজ্ঞতাতীত ভাববাদ বোলে। বহুখিনি দ্বৈত আৰু বিশিষ্টাদ্বৈতবাদী-

বিলাকৰ নিচিনা স্যেলিংৰ মতে বস্তু আৰু মন বেলেগ বেলেগ ভাবে দুয়োটো নিৰ্ব্বিশেষ পৰম সত্তাৰ প্ৰকাশ গতিকে দুয়োটো সমান পৰিমাণে বাস্তৱ। এটাৰ লগত আনটোৰ সম্বন্ধ দ্বাৰাই জ্ঞান লাভ হয়। ইয়াক বিষয়গত ভাববাদ বোলে।

(ঘ) সংশয়াত্মক পদ্ধতিমতে জ্ঞানৰ অভিজ্ঞতামূলক বুলি ধৰি আমি দেখোঁ যে জ্ঞানৰ ব্যাপকত্ব আৰু অপৰিহাৰ্য্যত্ব নোহোৱাৰ কাৰণে আমি কোনো সম্বন্ধে নিশ্চয় জ্ঞান পাব নোৱাৰোঁ; কেৱল সম্ভাবনাহে দেখা পাওঁ। চাৰিওফালে সন্দেহে আগুৰি ধৰে। সন্দেহবাদৰ কিন্তু আত্ম-ৰক্ষাৰ উপায় নাই। কাৰণ সত্য যদি কোনোৰূপে নিৰূপণ কৰিবই নোৱাৰি, সৰ্ব্বোতোভাবে যদি সন্দেহ কৰিবই লাগে তেনেহলে সন্দেহবাদতো সন্দেহ কৰিব লাগিব। সন্দেহবাদৰ আচল সাধাৰণ কাৰণ হৈছে বহুত মাছত বগলী কণা। দাৰ্শনিকবিলাকৰ ইমান বিৰোধীমত, যুক্তি দিয়াতো কোনেও কম নকৰে। এইটো ঠিক যে গোটেইবিলাক বিৰোধীমত সত্য হব নোৱাৰে। গতিকে খাটাংকৈ সত্যজ্ঞান পোৱৰ সম্ভাৱনা সম্বন্ধে স্বাভাবিক সংশয় হয়। সংশয়াত্মকহৈ সন্দেহবাদীয়ে শেষত কেৱল কথা কটাকটি কৰা পদ্ধতি অৱলম্বন কৰে।

এই সংশয়াত্মক পদ্ধতিয়ে বৰ্ত্তমান সময়ত মানুহৰ জীৱনৰ কৰ্ম্মক্ষেত্ৰত বৰ বেচিকৈ চলিছে। মানুহৰ চলন-ফুৰণ কথাবাৰ্ত্তা বিশেষতঃ তৰ্কাতৰ্কিৰ সময়ত এইটোও হবপাৰে সেইটোও হবপাৰে লৈয়ে অধিকাংশ সময় নষ্ট হয়। তদুপৰি কোনো চিন্তাশীল বিষয়তে আস্থা নোহোৱা অৱস্থালৈ নি সমস্ত জীৱনকে সংশয়াত্মক কৰি তোলাই বৰ্ত্তমান সময়ৰ ভাববৈচিত্ৰ্য আৰু অত্যন্ত মানসিক চাঞ্চল্যৰ কাৰণ।

(ঙ) বুদ্ধি সমালোচনা নিৰপেক্ষ পদ্ধতিমতে সমালোচনা দ্বাৰা জ্ঞানৰ উৎপত্তি কাৰণ আৰু সীমা নিদ্ধাৰণ নকৰাকৈয়ে এই পদ্ধতিয়ে চিধাই জগতক বুজিবলৈ আৰু তাৰ এটা ব্যাখ্যা দিবলৈ ওলায়। ইন্দ্ৰিয়ানুভূতিৰ ভাবে সীমা অতিক্ৰম কৰি বাহ্যিক অভিজ্ঞতাৰ ওপৰলৈ গৈ চিন্তাৰদ্বাৰা যুক্তিসঙ্গত দৰ্শন ঠিয় কৰে, বুদ্ধিৰ জানিবৰ ক্ষমতা সমালোচনা কৰিবলৈ আৰু অপেক্ষা নকৰে। গণিতিক ভাববাদ বুদ্ধিসমালোচনা নিৰপেক্ষ ডেকাৰ্টৰ মতে জ্ঞান মনোমূলক; অভিজ্ঞতাৰপৰা নোপোৱা মনৰ স্বতঃসিদ্ধ ধাৰণাৰ যুক্তিযুক্ত বিস্তৃতিয়ে জ্ঞান। আইনষ্টীনৰ "থিয়ৰি অভ ৰিলেতিভিতি" ডেকাৰ্টৰ এই

কথাৰ সপক্ষে যায়। আইনষ্টীনৰ এই উপপত্তি গণিতিক হলেও ইয়াৰ পৰা বৈজ্ঞানিক কথা সুপ্ৰমাণিত হৈছে ; গতিকে ইয়াক বৈজ্ঞানিক জগতেও গ্ৰহণ কৰিবলৈ বাধ্য হৈছে।

আমি সাধাৰণতঃ জড়ৰ দীঘ্, পথালি আৰু বেধ এই তিনিটা আয়তন লৈ জড়ৰ অস্তিত্বৰ বিষয়ে পৰিচিত। তাৰ লগতে জড়ৰ স্থিতি সময় বা স্থায়িত্ব নাভাবিলে জড়ত অস্তিত্ব সম্পূৰ্ণ নহয়। দীঘ, পথালি আৰু বেধ এই তিনিটা দেশবাচক। স্থিতিৰ সময় বা স্থায়িত্ব কালবাচক। গতিকে মানুহৰ বোধৰ ৰাজ্যত সোমাব লাগিলে জড়ৰ দীঘ্, পথালি আৰু বেধ এই তিনিটা আয়তন দেশত থাকিব লাগিব আৰু চতুৰ্থ আয়তন স্থায়িত্ব কালত থাকিব লাগিব। কিন্তু প্ৰমাণিত সিদ্ধান্তৰদ্বাৰা প্ৰতিপাদিত হোৱা আইনষ্টীনৰ "আপেক্ষিক গতিৰ উপপত্তিয়ে" দেশ আৰু কাল বেলেগ নহয় বুলি ধৰিছে, এই মতে দেশৰ চতুৰ্থ আয়তন স্থায়িত্বই কাল। দেশ আৰু কাল মূলত একে— বৰ্ত্তমান, অতীত আৰু ভবিষ্যৎ বুলি কাল নাই। দ্ৰষ্টাই দেশত যি ভাবে ঘটনাৰ ধাৰা দেখে সেয়ে কালৰূপে প্ৰতীয়মান হয় কিন্তু আচলতে সেইটো কেবল দেশৰ চতুৰ্থ আয়তন।

ইফালে আকৌ এই উপপত্তিমতে জড়ৰ জড়মান (mass) উৰি যোৱাৰ নিমিত্তে ইদেশৰ এটা বিশিষ্ট বিকৃতিমাত্ৰ, যি বিকৃতি আমাৰ আগত "শুক্তিত ৰজত ভ্ৰম"ৰ নিচিনা ঘনাবয়বৰূপে প্ৰতীয়মান হয়। প্ৰফেছৰ এডিংটনে কৈছে, "জড়ে দেশত অসমত্ব উৎপাদন নকৰে, আমি জড় বোলোঁতে যি অৰ্থ কৰোঁ তাৰ দ্বাৰা এই অসমত্বকে ( বা বিকৃতিকে ) বুজো অৰ্থাৎ দেশৰ অসমত্বই জড়।" ফৰাচী বৈজ্ঞানিক এজনে কৈছে "জড় বুলি একো নাই, ইথাৰত অসংখ্য গাত মাথোঁ আছে।" আইনতনৰ মতে 'দেশৰ সীমা নাই কিন্তু শান্ত।' দেশৰ বিকৃতিৰূপ জড়ে দেশ সৃষ্টি কৰে, জড়ৰ পৰিমাণ যিমানে বেচি বুলি প্ৰতিয়মান হয় দেশৰ পৰিমাণো সিমানে বাঢ়ি যায়। গতিকে গণিতিক যুক্তিয়ে শেষত অদ্বৈতবেদান্তৰ মায়াবাদ প্ৰতিপন্ন কৰে। দ্ৰষ্টাৰ পৰ্য্যবেক্ষণত ধৰা পৰে যে দেশে জড়ৰ ভাও জোৰে। আইনষ্টীনৰ আপেক্ষিত গতিৰ উপপত্তিমতে দেখা যায় যে ইন্দ্ৰিয়ানুভূতিত কোনোৰূপে আস্থা স্থাপন কৰিব নোৱাৰি, ইন্দ্ৰিয়ানুভূতিৰ ওপৰত নিৰ্ভৰ কৰা বুদ্ধিয়ে আমাক কেবল প্ৰতাৰণা কৰে। গতিকে আমি বড়াই কৰা বিজ্ঞানৰ ভেটি আৰু বিজ্ঞানৰ ওপৰত কৰা বুদ্ধি সম্বন্ধীয় দাৰ্শনিক ভেটি নিৰাপদ নহয়।

(চ) বোধমূলক পদ্ধতিলৈ আহিলে বাৰ্গছনৰ দৰ্শনকে পাশ্চাত্য দৰ্শনৰ নতুন যুগ অনা দেখা যায়। বাৰ্গছনৰ দৰ্শনবোধৰ দৰ্শন, পাশ্চাত্য পুৰণি দৰ্শনৰ নিচিনা বুদ্ধিৰ দৰ্শন নহয়। গতিকে বুদ্ধিৰে তাৰ কোনো সংস্থিতি কৰাও সম্ভৱপৰ নহয়। প্ৰাচ্য দৰ্শনত ব্ৰহ্মক বাক্য মনৰ অগোচৰ বোলাৰ নিচিনা বাৰ্গছনেও তেওঁৰ "ইলেন ভাইটেলক" ( অনন্ত জীৱনক ) বুদ্ধি আৰু বাক্যৰ দ্বাৰা প্ৰকাশ কৰিব নোৱাৰা বুলি কৈছে। বুদ্ধিৰ শোধাশুধি যুক্তিৰ ফুচফুচনি সকলো একাকাৰ কৰি থৈ সকলো ৰকম দাৰ্শনিক সংস্থিতিক মনৰপৰা আঁতৰাই জীৱনক বোধেৰে চুব লাগিব। বাৰ্গছনে বোধ মানে সেই মানসিক সহানুভূতিক বুজাইছে যাৰ দ্বাৰা মানুহে কোনো বস্তুৰ ভিতৰত নিজত্বক সুমাই দি সেই বস্তুৰ প্ৰকাশ কৰিব নোৱাৰা, বিশিষ্টতাৰ লগত মিলি যাব পাৰে। বোধত জ্ঞাতা আৰু জ্ঞেয় কিছু সময়ৰ নিমিত্তে এনেকৈ একে হৈ যায় যে জ্ঞাতাই জ্ঞেয়ৰ গতি আৰু ছন্দ নিজৰ যেন পায়, অথচ তাৰ ভিতৰত জ্ঞাতাই নিজৰ অস্তিত্ব নেহেৰুৱায়। বোধ মনৰ কোনো বিশিষ্ট শক্তি বা বৃত্তি নহয়। বাঁচি থকাত আমি জীৱনৰ যি চেতনা পাওঁ সেয়ে বোধ। কিন্তু জীৱনৰ সত্তা সম্বন্ধে এই দৰে চেতনা পোৱা বোধৰ এবাৰৰ চেষ্টা বা অনুভূতি বা কামতে শেষ হৈ নাযায়, বোধ এনেকুৱা কামৰ অনিৰ্দ্দিষ্ট অনুক্ৰম।

মানুহৰ চৈতন্যক বাৰ্গছনে দুইভাগে বিভক্ত কৰিছে বোধ আৰু বুদ্ধি। বোধেৰে সেই সত্তাক বা অনন্ত জীৱনক অনুভব কৰিব পাৰি যি অনন্ত জীৱন মুহূৰ্ত্তে মুহূৰ্ত্তে ক্ৰমাৎ বেচি সমৃদ্ধিশালী হব ধৰিছে আৰু প্ৰতি মুহূৰ্ত্তে অসংখ্য নতুন নতুন আকাৰ সৃষ্টি কৰিব ধৰিছে; যি অনন্ত জীৱনে আগুৱাই যাওঁতে যেন কিবা এটা বাধা দিয়া সোঁত পায়। এই সোঁতটো আমাৰ দৃষ্টিত অসীম দেশত ঘনাবয়ব জড়ৰ বিশ্ব যেন লাগে। সোঁতৰ এই বাধা পাই অনন্ত জীৱনে ইয়াক জয় কৰিবলৈ বোধ আৰু বুদ্ধিৰ ধাৰ বোৱাই দিয়ে। বোধে অনন্ত জীৱনৰপৰা প্ৰেৰণা পায়, বুদ্ধিয়ে সেই প্ৰেৰণাক ধাৰণাত বিভক্ত কৰি কাৰ্য্যকৰী উপায়ে জীৱনত লগায়। ভাৰতীয় সাংখ্যদৰ্শনৰ বহু পুৰুষৰ ঠাইত এটা পুৰুষ সেইটো নিষ্ক্ৰিয়ৰ ঠাইত সক্ৰিয়; আৰু প্ৰকৃতিক সেই প্ৰতীয়মান হোৱা জড়ৰ সোঁত বুলি ভাবিলে বাৰ্গছনৰ দৰ্শনক মোটামুটি ভাবে সাংখ্য-দৰ্শনৰ পৰিবৰ্ত্তিত সংস্কৰণ বুলি কৰ পাৰি।

জীৱন বা চৈতন্যই কেনেকৈ বুদ্ধি বৃত্তিটো ওপজায় তাক ভাবিলে ইয়াকে পোৱা যায় যে জীৱনে জড়ৰ সংঘৰ্ষত অহাত, জড়ৰ ওপৰত কাম কৰিবলৈ

ধৰাত জীৱনৰ মনোযোগ দুফালে বয়; ইয়াৰ নিজৰ গতিৰ ওপৰত আৰু ই জড়ৰ ভিতৰেদি আগুৱাই যোৱাত জড়ৰূপে প্ৰতীয়মান হোৱা সোঁতৰ ওপৰত। নিজৰ ওপৰত দিয়া মনোযোগটো বোধ; জড়ৰ ওপৰত দিয়া মনোযোগটো বুদ্ধি। চৈতন্যই জড়ৰ ওপৰত মনোযোগ দিওঁতে ইয়াৰ সম্বন্ধত নিজে বহুমুখী হৈ বুদ্ধিৰূপে ৰূপান্তৰিত হ'ল আৰু জড়ক জানিবলৈ আগ বাঢ়িলে। বুদ্ধিয়ে অকল জড়ক জানিব পাৰে, অকল জাগতিক বস্তুবিলাকৰ সম্বন্ধ স্থাপন কৰিব পাৰে। যি সোঁত বুদ্ধিৰ দৃষ্টিত জড়ৰূপে প্ৰতীয়মান হয় জীৱনৰ অনন্ত গতিত বাধা দিয়া সেই জড়ৰূপী সোঁতক অনুভৱ কৰি আৰু আকৃতি দি জনাই বুদ্ধিৰ স্বভাব। কিন্তু যি পৰিবৰ্ত্তনৰ ভিতৰেদি সত্য আছে সেই পৰিবৰ্ত্তনক বিশ্লেষণ কৰি বুদ্ধিয়ে কেবল পৰিবৰ্ত্তনৰ বিভিন্ন অৱস্থাবোৰক জানে আচলতে যি পৰিবৰ্ত্তন সেই অৱস্থাবোৰৰ ভিতৰেৰে বৈ যায় বা প্ৰকাশিত হয় সেই পৰিবৰ্ত্তনৰ স্বৰূপ কি তাক জানিবলৈ নোৱাৰে। গতিকে শুদ্ধজীৱনত ভাব ধৰিবৰ নিমিত্তে বুদ্ধি কেতিয়াও উপযোগী নহয়। জীৱনক জানিব লাগিলে, শুদ্ধভাব ধৰিব লাগিলে, কাৰ্য্যকৰী আৱশ্যকতাৰ ফালে পিঠি দি, ব্যৱহাৰিকতাৰ বাহিৰলৈ গৈ আত্মতন্ময়হৈ বোধৰ দ্বাৰা জাগতিক বাস্তৱতাৰ অন্তস্থলত সোমাই একত্ব অনুভৱ কৰিব লাগিব।

(ছ) মইমূলক পদ্ধতিলৈ আহি এইদৰে চোৱা যাওক। সত্য কি? স্বতঃসিদ্ধ। ইয়াৰ স্বৰূপ নিৰ্ণয় একো নাই। নিৰপেক্ষভাবে ই এক। আপেক্ষিক জগতত বহু। এক চিৰন্তন সত্যই বহু তথ্য, সত্যৰ বহু মুখ। এই সত্য সাক্ষ্য কৰিবলৈ খোজে কোনে? মানুহে। মানুহৰ দৰ্শনশাস্ত্ৰ মানুহৰ সত্যৰ লগত সাক্ষাত হোৱাৰ বৰ্ণনা। সত্যক এক আৰু নানাভাবে উপলব্ধি কৰাই মানুহৰ জ্ঞান। মানুহৰ সত্য সাক্ষাৎ কৰাটো বুজিব লাগিলে মানুহৰ জ্ঞান অৰ্জ্জন কৰা সজুলি সম্বন্ধে প্ৰথমে ধাৰণা হব লাগিব। দাৰ্শনিক জ্ঞান প্ৰকাশ কৰোঁতে কিন্তু ভাষাৰ ক্ষমতা খুব কম, জ্ঞানৰ অধিকাংশই অপ্ৰকাশ্য হৈ পৰে।

মানুহে জ্ঞান অৰ্জ্জন কৰোঁতে দেখে প্ৰত্যেক মানুহৰ এটা "মই" আছে। "মই"য়ে জানে, বুজে, অনুভৱ কৰে যে "মইৰ" জীৱন আছে, জীৱন সত্য। সেই জীৱন যি কোনো ৰকমৰে নহওক তাত একো কথা নাই। জীৱনৰ লগত সনাসনিত "মইৰ" এই বুজেই বোধ; "মই" আছে, মই সত্য, জীৱন সত্য। এই বোধত প্ৰতিষ্ঠিত থাকি মইয়ে মইৰ বাহিৰা "মই-নহয়"ক আয়ত্ত কৰিবলৈ

এটা গতি কৰি মই-নহয়ৰ চাৰিওফালে ঘূৰি ফুৰে। এইয়ে বুদ্ধি। বুদ্ধিয়ে মই-নহয়ক আয়ত্ত কৰিবৰ চেষ্টাত তাৰ ওপৰত হেঁচা দি তাত কিছুমান স্পন্দন সঞ্চাৰ কৰে আৰু মই-নহয়ক নিজমতে গঢ়ি লয়। এই গতিত বুদ্ধিয়ে মই-নহয়ত যি স্পন্দন সঞ্চাৰ কৰে সেয়ে বৃত্তি।

মইৰ পক্ষে জীৱন সত্য, মই জীৱনত আছে, জীৱন মইত আছে, মই আৰু জীৱন একে। কিন্তু মইয়ে যিহেতু জীৱনত মই-নহয়ক লগ পায় সেই কাৰণে তাক জীৱনৰ অন্তৰ্গত বুলিবলৈ নোৱাৰে। গতিকে মই আৰু মই-নহয় উভয়ে জীৱনৰ লগত একে। মইয়ে মই-নহয়ৰ ভিতৰলৈ সোমাবলৈ গতি কৰি গৈ মই-নহয়ৰ চাৰিওফালে ঘূৰি ফুৰে। ই যেতিয়াই মই-নহয়ৰ ভিতৰলৈ সোমাবলৈ সক্ষম হয় তেতিয়াই মই-নহয়ৰ লগত শুদ্ধ জীৱনত ইয়াৰ নিজৰ একত্ব অনুভব কৰে। কাৰণ মই-নহয় জীৱনৰ অন্তৰ্গত; মই-নহয়ৰ ভিতৰটোও জীৱনেৰে ভৰা। এইটোও বোধ। মানুহে মানুহক কিম্বা আন কোনো প্ৰাণীক বা বস্তুক সহানুভূতি কৰাত ফটফটীয়াকৈ এই বোধৰ আভাস পোৱা যায়। সেই সহানুভূতিত মইয়ে যেন আনটোৰ ভিতৰলৈ সোমাই গৈ নিজৰ অস্তিত্ব ৰাখিও আনটোৰ লগত একে হৈ আনটোৰ অনুভূতিবোৰ অনুভব কৰে। জীৱনৰ লগত একত্ব অনুভব কৰা আৰু মই-নহয়ৰ ভিতৰত সোমাই তাৰ লগত নিজৰ একত্ব অনুভব কৰাই মইৰ বোধ।

কিন্তু মইয়ে মই-নহয়ৰ ভিতৰত এনেকৈ সোমাই গৈ আনৰ বা আনটোৰ অনুভূতি চিন্তাত অনুভব কৰিবলৈপৰাৰ পৰা চিন্তা যে সত্যৰ লগত একে তাক আমি বুজিব পাৰোঁ আৰু মইৰ এটা বিশেষ শক্তিৰ পৰিচয় পাওঁ। সেইটো এই যে মইয়ে মই-নহয়ৰ লগত আত্মপ্ৰতীতি জন্মাব পাৰে। এইটো মই-নহয়ৰ চাৰিওফালে গতি থকাত মইৰ স্বকীয়া শক্তিটোক বৃত্তি বা বৃত্তিৰ পৰা ওপজা বুলি কব নোৱাৰি। কাৰণ বৃত্তিয়ে স্বাতন্ত্ৰ্য ওপজায়, বহুমুখী, কিন্তুই একমুখী, ই স্বাতন্ত্ৰ্য লয় কৰিব খোজে, অথচ তাত অনুভবৰ স্বাতন্ত্ৰ্য একেবাৰে লোপ নহয়। এই স্বাতন্ত্ৰ্যযুক্ত আত্মপ্ৰতীতিৰ সত্যতা আছেও নায়ো। বুদ্ধি আৰু বৃত্তিত ইয়াৰ সত্যতা আছে কিন্তু মইৰ বিশিষ্ট বোধত ইয়াৰ সত্য নাই; কাৰণ বোধত পৰকীয় অনুভব থাকিব নোৱাৰে। এই স্বকীয়া শক্তিৰ দ্বাৰা মইয়ে বুদ্ধি আৰু বৃত্তিৰ লগত নিজৰ আত্মপ্ৰতীতি জন্মাব পাৰে। সেইগুণেই মইৰ বুদ্ধিবিষয়ক আৰু বৃত্তি বিষয়ক জ্ঞান সম্ভৱপৰ হয়। বোধ বিষয়ক জ্ঞান মইয়ে জীৱনৰ পৰা ভিতৰুৱাভাবে চিধাচিধিকৈ পায়।

বৃত্তিৰ সম্পৰ্কত বোধৰ আৰু এটা অনুক্ৰম আছে। সেই অনুক্ৰমটো এই, মই-নহয়ৰ ভিতৰলৈ সোমাই জীৱনৰ একত্ব অনুভব কৰা বোধৰ ফলত মইয়ে বুদ্ধিৰ মাজে দি কম কিম্বা বেচি পৰিমাণে মই-নহয়বিলাকৰ ভিতৰত আৰু সেইবিলাকৰ লগত নিজৰ ঐক্যভাব স্থাপনৰ চেষ্টা কৰে। মইৰ বোধত মই-নহয় বিলাকৰ আৰু সিবিলাকৰ লগত নিজৰ ঐক্যভাবেই হৈছে ব্যৱহাৰিক জীৱন।

এই ঐক্যভাব স্থাপন কৰোঁতে আকৌ অনৈক্যভাবৰ সৃষ্টি হয় কাৰণ বৃত্তি-বিলাক হৈছে বহুত্ব সৃষ্টি কৰা গতিকে ক্ৰমাৎ বহলহৈ যোৱা এই ঐক্যভাবৰ বিৰোধী। তদুপৰি বৃত্তিয়ে কেৱল লাগি থাকিব খোজে সেইখিনি ঐক্যভাবত যিখিনি ইতিপূৰ্ব্বেই মইয়ে বৃত্তিত প্ৰতিষ্ঠা কৰিছে। এই দৰে জীৱন মূলতঃ ঐক্যভাবাপন্ন হলেও তাত অনৈক্যৰ ঢৌ উঠি থাকে যদিও ঐক্যভাবৰ সূতাই ভিতৰেদি অনৈক্যৰ ঢৌবোৰক মালা গাথি ৰাখে। বোধ হৈছে মূলতঃ মই মইত থাকে, মই মই বুলি বোধ কৰে আৰু মই-নহয়ৰ লগত একাত্মতা অনুভব কৰি জীৱনৰ লগত একে হৈ থাকে। ইফালে মইয়ে মই-নহয়ক আয়ত্ত কৰিবলৈ মই-নহয়ৰফালে গতি কৰাৰ ফলত মইৰ বোধে অইন গঢ় লয়। মইৰ মূল বোধখিনি মই-নহয় বিলাকৰ ভিতৰত ঐক্যভাব স্থাপনৰ কাৰণে বিভিন্ন ধাৰাত বুদ্ধিৰ ভিতৰেদি বৈ আছে। সেয়ে হৈছে মইৰ মই-নহয় বিষয়ক বা বস্তু সম্বন্ধীয় বোধবোৰ। এই বোধবোৰত চিন্তা আৰু সত্তা বা সত্য একে। বস্তুবিষয়ক বোধবোৰে কিন্তু বুদ্ধিৰ ধাৰণাতহে প্ৰকাশিত হয় অৰ্থাৎ এই বোধবোৰত বোধ আৰু বুদ্ধি মিলিত হয়। মইয়ে অন্তৰ্দৃষ্টি কৰি মইক চালে মাত্ৰ মইক দেখে, অকল অস্তিত্ব বোধ কৰে, অস্তিত্বৰ ভিতৰলৈ চাব খুজিলে কেবল এক জীৱন দেখে কাৰণ অস্তিত্বই জীৱন। একৰ চিন্তাই বিশ্বৰ জীৱন একৰ এই চিন্তা—"আছোঁ—জানোঁ—আনন্দ। চৈতন্য আৰু অচৈতন্যৰ ভিতৰত মই বহু।" মইয়ে মই-নহয়ৰ ভিতৰত সোমালেও সেই এক জীৱন দেখে। এক, এক, এক।

# অসমীয়া খাদ্যৰ গুণাগুণ

খাদ্যৰ ওপৰতেই জাতিৰ গঠন আৰু স্বাস্থ্য নিৰ্ভৰ কৰে। খাদ্যৰ দোষতেই সাধাৰণ আৰু নিয়মিয়া আহাৰ খাওঁতা দুখীয়া খেতিয়ক বা বনুৱাতকৈ অৱস্থাপন্ন গুৰুভোজী মানুহেই নানা প্ৰকাৰ ৰোগত ভোগে। খাদ্যৰ দোষতেই অজীৰ্ণতা, কোষ্ঠবদ্ধতা ( শৌচ কচা ), নানাপ্ৰকাৰ শূলবেদনা ( Renal Colic, etc. ) বাত, বহুমূত্ৰ, স্থূলতা প্ৰভৃতি ৰোগৰ উৎপত্তি হয়। আমাৰ অসমৰ পূৰ্ব্বাপৰ চলিত খাদ্যতকৈ পছিমীয়া ধৰণৰ মচলাযুক্ত গুৰুপাক খাদ্যৰপৰা এনেবিধৰ ৰোগ বেচিকৈ হোৱা দেখা যায়। বহুত অসমীয়াই বঙালী ধৰণৰ খাদ্য গ্ৰহণ কৰি গৌৰৱ অনুভৱ কৰে, আৰু অসমীয়া ৰান্ধনীয়েও বঙালী খাদ্য ৰান্ধিব জনাতো গৌৰৱৰ কথা বুলি ভাবে। এইবোৰ দোষতেই, বঙালীৰ দৰে অসমীয়ায়ো ওপৰোক্ত ৰোগত ভুগিব ধৰিছে।

আমাৰ অসমত, অনেক শিক্ষিতলোকে অসমীয়া খাদ্য সম্বন্ধে কিছুমান ভুলধাৰণা ৰখা দেখা যায়। অসমত বোধকৰোঁ সেই কৰণেই বহুতে অসমীয়া খাদ্য অৱহেলা কৰি, পছিমীয়া আৰু ইংৰাজি খাদ্যৰ বেচি পক্ষপাতি হব ধৰিছে। বেলেগ বেলেগ খাদ্যৰ গুণাগুণ আৰু সেইবোৰৰ ক্ৰিয়া সম্বন্ধে জ্ঞানৰ অভাৱেই তেওঁলোকৰ এই ভুলধাৰণাৰ কাৰণ। এই ভুলধাৰণা গুচাবলৈ, অসমীয়া প্ৰধান খাদ্যবিলাকৰ ৰসায়নিক বিশ্লেষণ কৰি চমুকৈ আলোচনা কৰাই এই প্ৰবন্ধৰ ঘাই উদ্দেশ্য। খাদ্যৰ গুণাগুণ নিৰ্দ্ধাৰণ কৰিবলৈ হলে সেইবোৰৰ ৰসায়নিক বিশ্লেষণৰ ফল জনা আৱশ্যক।

শৰীৰ সুস্থ আৰু পুষ্ট কৰি ৰাখিবলৈ হলে, আমাৰ খাদ্যত তলত লিখা উপাদানবোৰ থকা অত্যন্ত দৰ্কাৰ। সেইবোৰৰ নিৰ্দ্দিষ্ট পৰিমাণৰ তাৰতম্যৰ-পৰাই শৰীৰ ৰুগীয়া বা দুৰ্ব্বল হয়। ইইঁতক সাধাৰণতে ছয় ভাগে বিভক্ত কৰা হয়। যেনে :—

( ১ ) আমীষ ( Protein ), ( ২ ) শ্বেতসাৰ বা শালিজাতীয় ( Carbohydrate ); ( ৩ ) স্নেহ বা চৰ্ব্বিজাতীয় ( Fat ), ( ৪ ) লোণ জাতীয় ( Salt ), ( ৫ ) পানী আৰু ( ৬ ) খাদ্যপ্ৰাণ ( Vitamin ).

আমীষ মাংস গঠনকাৰী। শালি আৰু স্নেহ তাপ আৰু শক্তি উৎপাদক। লোণজাতীয় খাদ্যৰপৰাই ৰক্তৰ খাৰত্ব ঠিক থাকে। ৰক্তৰ খাৰত্ব কমিলেই বহুত ৰোগৰ উৎপত্তি হয়। খাদ্যপ্ৰাণে ( ভাইটামিনে ) আন সকলো উপাদানক কাৰ্য্যকৰী কৰে—খাদ্যপ্ৰাণভিন্ন আন উপাদানবোৰে কাৰ্য্যকৰী হৈ শৰীৰৰ যন্ত্ৰ বিলাকক সুস্থ আৰু সঞ্জীৱিত কৰি ৰাখিব নোৱাৰে।

অসমীয়া খাদ্যসমূহৰ ভিতৰত চাউল, দাইল, গাখীৰ, গুড়, মাছ, মঙহ, কণী, শাক-পাচলি, আলু-কচু, কুঁহিয়াৰ, আম-কঠাল; নানাপ্ৰকাৰৰ টেঙা আদি ফলমূলেই প্ৰধান। জুতিলগা হলেও খোৱা বস্তু মাত্ৰকেই শৰীৰৰ উপকাৰী প্ৰকৃত খাদ্য বুলিব নোৱাৰি, যদি তাত শৰীৰ গঠনকাৰী উপাদানবোৰ যথেষ্ট পৰিমাণে নাথাকে। ওপৰোক্ত খাদ্যসমূহত সেই উপাদান উপযুক্ত পৰিমাণে পোৱা যায়।

আমাৰ দেশত আজিকালি বহুলোকে,—বিশেষকৈ অৱস্থাপন্নসকলে জিভাৰ তৃপ্তি বা খোৱাৰ হেপাঁহত নানাবিধ মূল্যবান বস্তু গোটায় আৰু তাৰ বাবে বহু খৰচো কৰে ;—কিন্তু খাদ্যৰ ক্ৰিয়া আৰু গুণাগুণ সম্পৰ্কে উপযুক্ত জ্ঞান নথকাৰ কাৰনে, ৰন্ধা বঢ়াৰ দোষতেই হওক বা মিতাচাৰৰ অভাৱ হওক, সেই খাদ্য বিলাকৰপৰা বহু ক্ষেত্ৰত ইষ্টতকৈ অনিষ্ট হে বেচি হয়।

## চাউল

চাউল আমাৰ সৰ্ব্বপ্ৰধান খাদ্য। আমাৰ দেশত উৎপন্ন চাউল নানাবিধৰ হলেও, সেইবোৰৰ প্ৰধান উপাদানৰ অৱস্থা বিশেষে আৰু তৈয়াৰ কৰা প্ৰণালীৰ দ্বাৰা গুণাগুণৰ কিছু পাৰ্থক্য অৱশ্যে হয় আৰু তাৰতম্য বিশেষ উল্লেখযোগ্য নহয়, গুণাগুণো প্ৰায় একেই। সোৱাদৰো অলপ পাৰ্থক্য আছে। শালি ( Carbohydrate ) জাতীয় খাদ্যসমূহৰ ভিতৰত চাউলেই সৰ্ব্বপ্ৰধান। ইয়াত শতকৰা ৮০ ভাগ শালি নামৰ উপাদান থাকে।

ধানৰপৰা চাউল উলিয়ালে, বাকলিৰ ঠিক তলতেই, চাউলৰ ওপৰত এবিধ ৰঙচুৱা পাতল আৱৰণ দেখা যায়; তাতেই খাদ্যপ্ৰাণ ( ভাইটামিন ) থাকে। শৰীৰ পুষ্ট কৰিবলৈ এই খাদ্যপ্ৰাণৰ প্ৰয়োজন অধিক। কলত তৈয়াৰী চাউলত এই আৱৰণৰ লগতে খাদ্যপ্ৰাণো নষ্ট হয়। কলত বনা-কৰা চাউলতকৈ ঢেঁকীত বনাকৰা চাউল অধিক পুষ্টিকৰ। নতুন চাউলতকৈ পুৰণি চাউল অধিক লঘুপাক, পুষ্টিকৰ আৰু সহজে হজম হোৱা। নতুন চাউলক সহজে

জীণ নিত্তৰা টান। সেই কাৰণেই নতুন চাউলৰপৰা কিছুমানৰ পেটৰ অসুখ হোৱা দেখা যায়। উতলা চাউলত খাদ্যপ্ৰাণ ভালকৈয়ে থাকে। তৈয়াৰ কৰাৰ অসুবিধা গতিকে আমাৰ মাজত উহুৱা চাউলৰ প্ৰচলণ প্ৰায় নাইকিয়া যেন হৈছে ; কিন্তু উহুৱা চাউল ব্যৱহাৰ কৰা বহু প্ৰকাৰে হিতকৰ।

চাউল ভালকৈ সিজালে সহজেই জীণ যায়। ভাতৰ প্ৰায় গোটেই অংশই পাকস্থলী আৰু অন্ত্ৰৰ পৰা শোষিত হৈ শৰীৰৰ ভিতৰলৈ যায়। ভাতেই অসমীয়াৰ প্ৰধান আৰু প্ৰিয় খাদ্য। এপোৱা চাউল ৰান্ধিলে তিনিপোৱা ভাত হয়। ভাতত তলত লিখা উপাদানবোৰ পোৱা যায়।

| | | |
|---|---|---|
| আমীষ ( Protein ) | শতকৰা | ২·৮ |
| শালি ( Carbohydrate ) | ,, | ৫৭·২ |
| লোণ ( Salt ) | ,, | ০·২৮ |
| পানী | ,, | ৩৯·৭২ |

ভাতত আমীষ আৰু লোণজাতীয় বস্তু কম থকাই আৰু স্নেহ নথকাই, অকল ভাতক নাখাই তাৰ লগত শৰীৰৰ গঠনৰ অত্যন্ত আৱশ্যকীয় উপাদান থকা দাইল, মাছ, গাখীৰ, ঘিউ, শাক-পাচলি ইত্যাদি খোৱা উচিত।

কিছুমানৰ বিশ্বাস যে ভাতৰ নিহনী পেলাই দিলে ভাতৰ বহুত সাৰ অংশ এনেয়ে পেলনি যায়। ই একেবাৰে সঁচা নহয়। নিহনীত লোণজাতীয় উপাদান অধিক নষ্ট হলেও, খাদ্যপ্ৰাণ বিশেষ নষ্ট নহয়। নিহনীত তলত দিয়া উপাদান থাকে।

| | | |
|---|---|---|
| আমীষ | শতকৰা | ০·৬ |
| শালি | ,, | ০·৮ |
| লোণ | ,, | ১·৪ |
| পানী | ,, | ৯৭·৫ |

খাদ্যপ্ৰাণো কিছু পৰিমাণে থাকে।

নিহনীৰ সেইখিনি উপাদান পেলনি নোযোৱাবলৈ হলে, কমকৈ পানী দি চাউলত ঢাকনি দি ভাপত সিজাই লব লাগে। এই বিষয়ে আমাৰ দেশৰ মণিপুৰী, খাচীয়া, মিৰী, নগা, গাৰো আদি সম্প্ৰদায়বোৰৰ ভাতৰন্ধা নিয়ম আমাতকৈ ভাল। তেওঁলোকৰ নিহনী নেপেলোৱাকৈ ভাতৰন্ধা প্ৰণালীত খাদ্যপ্ৰাণ বিশেষ নষ্ট নহয়। যদিও এওঁলোকৰ প্ৰায় লোকেই ঘিঁউ, চেনি,

গাখীৰ অনেক লাগতীয়াল বস্তু খাবলৈ নাপায়, তথাপি এওঁবিলাকৰ শৰীৰৰ গঠন দৃঢ় আৰু নিখুঁত হোৱাৰ ইয়ো এটা ঘাই কাৰণ।

ভাতৰ বাহিৰে অসমীয়াই চাউলৰপৰা তৈয়াৰ হোৱা পিঠা, পিঠাগুৰি, কোমল-চাউল, আখৈ, চিৰা, সান্দহ আৰু কড়াই ( মুৰী ), জলপানৰূপে ব্যৱহাৰ কৰে। এইবোৰৰ ভিতৰত আখৈহে সহজে হজম হয়। চিৰা, পিঠা, সান্দহ আদি খাদ্যবোৰ ভালকৈ চোবাই খাবলৈ বাধ্য হোৱাৰ কাৰণে, চোবোৱাৰ সময়ত বেচিকৈ মুখৰ লালতি ৰস ওলাই আহাৰৰ লগত মিহলি হয় ; আৰু তাৰ কাৰণেই সেইবোৰ, অলপ গুৰুপাক হলেও, সহজে হজম হব পাৰে।

কোমল-চাউল, চিৰা, সান্দহ, আখৈ, পিঠাগুৰি, আৰু কড়াইত তলত দিয়া উপাদানবোৰৰ পৰিমাণ প্ৰায় একেই থাকে।

| | | |
|---|---|---|
| আমীষ | শতকৰা | ৫.৯ |
| শালি | " | ৮২.৪ |
| স্নেহ | " | ০.৩ |
| লোণ | " | ১.৩ |
| পানী | " | ১২.২ |

কোমল-চাউল আৰু পিঠাগুৰিত পানী অলপ বেচি থাকে, আৰু আমীষ আৰু শালিত সেই অনুযায়ী কম থাকে।

এইবোৰ খাদ্যৰ লগত অসমীয়াই প্ৰায়েই গাখীৰ, দৈ-গাখীৰ, গুড়, লোণ, কল আদি মিহলাই সোৱাদ লগাই খায় বুলিয়েই আমাৰ শৰীৰ পুষ্টিৰ আৱশ্যকীয় সকলো উপাদানেই ভালকৈ শৰীৰৰ ভিতৰলৈ যায়। গতিকে, ভাত নাখায়ো অসমীয়াই এইবোৰ জলপানেৰে অনায়াসে শৰীৰ সৱলকৈ ৰাখিব পাৰে। এই ধৰণৰ খাদ্যত খাদ্যপ্ৰাণ যিখিনি থাকে, সি নষ্ট নহয় বৰং স্বাভাবিক বা কেঁচা অৱস্থা থকা কাৰণে সিজোৱা বা ৰন্ধা বস্তুতকৈ বেচি পুষ্টিকৰ আৰু বল-কাৰক। এইবোৰ জলপানৰ বাহিৰে, মোহনভোগ, লুচি, কচুৰী, মিঠাই, বিস্কুট আদি জলপানত খাদ্যপ্ৰাণ একেবাৰে নাই বুলিলেই হয়। গতিকে, অসমীয়াৰ কেঁচা ( ভাইটামিন্ ) জলপান বঙালীৰ জলপানতকৈ বহুত গুণে পুষ্টিকাৰক। তদুপৰি অসমীয়া জলপান তৈয়াৰী কৰাত খৰছো কম হয়। এবাৰ তৈয়াৰ কৰি ললে বেচি দিনলৈ সাঁচিথৈ খাব পাৰি, আৰু প্ৰায়বোৰ জলপানেই, বাটে-ঘাটে-পথাৰে, সকলো ঠাইতে সহজে আৰু সোনকালে তৈয়াৰ

কৰি খাব পাৰি। এইবোৰ জলপান আমাৰ খেতিয়ক আৰু বনুৱাসকলৰ বেচি উপযোগী। সান্দহ, কোমল-চাউল, চিৰা আদি বেচিকৈ চোবাই খাব লাগে বুলিয়েই দাঁতৰ গুৰিবোৰ শকত হয়। মোহনভোগ-লুচি-মিঠাইত দাঁতৰ গুৰি শকত হব নোৱাৰে।

## দাইল

দাইলো অসমীয়াৰ এবিধ প্ৰিয় খাদ্য। দাইলত আমীষ নামৰ মাংস গঠন-কাৰী উপাদান বেচি মাত্ৰাই পোৱা যায়। (কেইবিধমান দাইলত এই উপাদানৰ পৰিমাণ মঙহতকৈও বেচি। সেই কাৰণে এজন বিশেষজ্ঞই মচুৰ মাহক দুখীয়াৰ-মাছ-মাংস (Poor man's meat) বুলি আখ্যা দিছে। অসমীয়াই মচুৰ, মগু, বুটমাহ আৰু মাটিমাহ বেচিকৈ ব্যৱহাৰ কৰে। মটৰ, ৰহৰ, অসমীয়াই কম ব্যৱহাৰ কৰে। প্ৰকৃততে এইবোৰ দাইল বৰ গুৰুপাক। কলাদাইল বেচি পৰিমাণে খালে এবিধ লেথাৰিয়েচিচ্ (Lathyriasis) নামে ভৰি-দুৰ্ব্বল কৰা ৰোগ উৎপন্ন হয় বুলি কোনো কোনো চিকিৎসকে মত প্ৰকাশ কৰে। পশ্চিমৰ ভাৰতীয় মানুহে কলা দাইল বেচিকৈ খায় বুলিয়েই তেওঁলোকৰ সাধাৰণ শ্ৰেণীৰ মাজত এই ৰোগ বেচিকৈ দেখা যায়। অসমলৈ অহা পশ্চিমীয়া মানুহ কিছুমানে আঠু লগলগাই, ভৰিলেকেচীয়াই, হাতত লাখুটি লৈ মাগিবলৈ অহা বোধকৰোঁ বহুতে লক্ষ্য কৰিছে। সেয়েই কলা দাইল খোৱাৰ পৰা হোৱা ৰোগ।

দাইলে আমাৰ শৰীৰত মাছ-মাংসৰ দৰেই ক্ৰিয়া কৰে। দাইল অৱশ্যে ভালকৈ নিসিজালে মাংসতকৈ সহজে জীণ যোৱাতো টান হয়।

ভিজোৱা মাহ, সাধাৰণতে মগু আৰু বুটমাহ, অসমীয়াই প্ৰসাদ স্বৰূপে মাহ-চাউল বা গাঁজি কৰি প্ৰায়েই খায়। ভিজোৱা মাহত যথেষ্ট পৰিমাণ খাদ্যপ্ৰাণ (ক) আৰু (গ) ভাইটামিন A and C Vitamin আছে। দাইলৰ ওপৰত (Cellulose) চেলুলজ্ বুলি এবিধ আৱৰণ বা চোকোৰা আছে। তাক খালেও যথেষ্ট পৰিমাণে খাদ্যপ্ৰাণ পোৱা যায় আৰু শৌচ খোলাচা হয়। লোণ-আদা-নাৰিকলেৰে সনা, এই ভিজোৱা মাহ আৰু চাউল; তাৰ লগতে কল-কুঁহিয়াৰ, আম-অমিতা, আদি ৰতৰ সুমিষ্ট ফলেৰে সজোৱা অসমীয়াৰ প্ৰসাদৰ পাত এখন, চপ্-কাট্‌লেট্, কালীয়া-পোলাও

বা মোণ্ডা-মিঠাই আদি ৰাজভোগেৰে সুশোভিত কাপ-প্লেটতকৈ,—কি তৃপ্তি, কি পুষ্টি, কোনো বিষয়তে কম নহয়, বৰং বেচিহে।

## মঙহ ( মাংস )

আমীষ খাদ্যৰ ভিতৰত মঙহেই সকলোতকৈ অধিক বলকাৰক আৰু উত্তেজক। অসমীয়া হিন্দু, মুছলমান আৰু পৰ্ব্বতীয়া জাতি বিলাকে খাহী, পাঠা-ছাগলী, পছু প্ৰভৃতি সাধাৰণতে খায়। বেলেগ বেলেগ বিধৰ মঙহত বেলেগ উপাদানো পোৱা যায়। মঙহত $\frac{1}{8}$ সাৰ আৰু $\frac{3}{8}$ ভাগ পানী থাকে। সাৰ ভাগত আমীষ উপাদানেই অধিক থাকে। স্নেহজাতীয় বস্তু মঙহৰ লগত থাকে। ইচ্ছামতে সেইবোৰ কমবেচিকৈ ব্যৱহাৰ কৰা হয়। মঙহত শালি ভাগ নাথাকে। ছাগলীৰ মঙহ পছুৰমঙহ অপেক্ষাকৃত লঘুপাক। বেচি পৰিমাণে ঘিঁউ আৰু মচলা লগলগাই ৰান্ধিলে মঙহ সহজে হজম নহয়। পাৰ, কুকুৰা আদি চৰাইৰ মঙহ, সকলো বিধ পশুৰ মঙহতকৈ সহজে হজম হয়। হাঁহৰ মঙহত স্নেহৰ ভাগ বেচি আছে। সেই কাৰণে ই ৰোগীৰ অপথ্য।

## মাছ আৰু কণী

মাছ আৰু কণীৰ উপাদান আৰু গুণ প্ৰায় মঙহৰ দৰেই। তেল থকা মাছ গুৰুপাক। গতিকে, ৰোগীৰ উপযোগী নহয়। কাৱৈ, শিঙি, মাগুৰ আদি সৰু মাছবোৰত আমীষ উপাদান বেচি আছে আৰু তেলৰ ভাগ কমবুলিয়েই ৰোগীৰ পথ্যৰ উপযোগী। ইলিহি, বৰালী আদি মাছত তেলৰ ভাগ বেচি থকাই, সিহঁত গুৰুপাক আৰু ৰোগীৰ পথ্যৰ অনুপযোগী। মাছৰ কণীত বেচি পৰিমাণে আমীষ আৰু "নিউক্লিন" বুলি এবিধ বস্তু আছে। এই "নিউক্লিনৰ" কাৰণেই বাতগ্ৰস্ত মানুহৰ পক্ষে ইয়াক বেচিকৈ খোৱা ভাল নহয়।

প্ৰায় আধা ছটাক ওজনৰ হাঁহ বা কুকুৰাৰ কণী এটাত ১৪.৫ গ্ৰাম (১।০ তোলা ভৰ ) শ্বেতাংশ, ৭.৫ গ্ৰাম ( দহ অনা ভৰ) পীতাংশ বা কুহুম আৰু ৩ গ্ৰাম ( চাৰি অনা ভৰ) চোকোৰা পোৱা যায়। বহুতে হাঁহৰ কণীতকৈ কুকুৰাৰ কণী বেচি পুষ্টিকৰ বুলি ভাবে। ই ভুল ধাৰণা। বৰং হাঁহৰ কণী আকাৰত অলপ ডাঙৰ দেখি, কুকুৰাৰ কণীতকৈ ইয়াত পুষ্টিকৰ বস্তু

বেচি থাকে। বহুতৰে ধাৰণা, হাঁহকণী বেচিকৈ খালে বাতৰোগ বেচি হয়, ইও ভুল ধাৰণা। হাঁহকণীৰ গোন্ধ অৱশ্যে কিছুমানৰ বেয়া লাগিব পাৰে।

## দৈ, গাখীৰ আৰু মাখন

গাখীৰত খাদ্যৰ সকলো জাতীয় উপাদান থকাই, গাখীৰক আদৰ্শ খাদ্য বুলিব পাৰি—ঘাইকৈ, কেচুৱাৰ কাৰণে। অসমীয়াই প্ৰায় ভাত চিৰা, কল, পিঠাগুৰি ইত্যাদি খাদ্যৰ লগত মিহলাইহে গাখীৰ খায় ;—বেলেগে বৰকৈ পি নাখায়। মিহলাই খোৱা একো বেয়া নহয়;—বৰং ভালহে। বেলেগে খোৱাতকৈ, অইনবস্তুৰ লগত গাখীৰ খোৱা ভাল। কাৰণ অন্য খাদ্যৰ সৈতে খালে গাখীৰ সহজে হজম হয় আৰু সাৰাংশও বেচিকৈয়ে শৰীৰত সোমায়। এৰা গাখীৰতকৈ দৈ গাখীৰ অসমীয়া মানুহে বেচিকৈ খায়। বিয়াই-সকামে, ভোজে ভাতে দৈ নহলেই নহয়। এই প্ৰথাটো একো অনিষ্টকাৰী নহয়। বঙালী বিদেশীৰ ভোজ আদি সকামত নানা তৰহৰ বাখৰযুক্ত ৰুচিকৰ খাদ্যতকৈ অসমীয়াৰ দৈ-চিৰা, পাহ্-ভাত, দৈ-গুড় কোমল-চাউল ব্যৱহাৰ কৰা বহু গুণে ভাল। কাৰণ দৈত Lactic acid Bacillus ( লেকটিক্ এচিদ্ বেচিলাচ্) নামে এবিধ বীজাণু আছে। এই বীজাণুৱে আমাৰ অনিষ্টকাৰী বহুত বীজাণুক ধ্বংস কৰি স্বাস্থ্যৰ বিশেষ হিতসাধন কৰে। নিয়মীয়া ভাৱে দৈ ব্যৱহাৰ কৰিলে বহুত ৰোগ আৰু অকালবাৰ্দ্ধকতাৰ হাত সাৰিব পাৰি। মাখনত 'ক' খাদ্যপ্ৰাণ বেচি আছে। অসমীয়াই মাখন কমকৈ ব্যৱহাৰ কৰে। ভাল দৈ গাখীৰতেই মাখনত থকা উপাদান বোৰো পোৱা যায়।

## শাক-পাচলি

অসমীয়াৰ প্ৰধান পাচলি লাও, কোমোৰা, কচু, আলু, বেঙেনা, বিলাহী-বেঙেনা লাই, লফা, চুকা, পালেং, মূলা, বাবৰি সৰিয়হ দোৰোণ, হেলচী, শোকোতা, কেঁচাকল, পচলা, গাঁজ ( খৰিচা ) পুৱৈ, জিকা, ভোল ইত্যাদিয়েই। এইবোৰ শৰীৰ পুষ্ট কৰিবলৈ উপযোগী বস্তু। এইবোৰৰ পৰা আমি প্ৰধানতঃ শালি আৰু লোণ উপাদানেই বেচি পাওঁ আৰু 'চেলুলজ' নামে এবিধ কঠুৱা সাৰহীন উপাদান আৰু বিলাহী বেঙেনাত সকলোতকৈ বেচি পৰিমাণে খাদ্য প্ৰাণ থাকে। 'ক' 'খ' 'গ' 'ঘ' আৰু 'ঙ' খাদ্যপ্ৰাণ পোৱা যায়। ( ভাইটামিন্ ) সেইবোৰ খাদ্যপ্ৰাণ বস্তু নষ্ট নকৰি তাক ৰক্ষা কৰা অৱশ্যে বস্তুবিলাক ৰন্ধা

বঢ়াৰ ওপৰতে বহু পৰিমাণে নিৰ্ভৰ কৰে। সেইবোৰ বস্তু বঙালীৰ ৰন্ধাৰ প্ৰণালীতকৈ অসমীয়াৰ ৰন্ধা প্ৰণালীত বেচি নষ্ট নহয়—অৰ্থাৎ বেচিকৈ ভজা, সোৱাদ লগাবলৈ নানা প্ৰকাৰ বস্তুৰে সানমিহলিকৈ ৰন্ধা আৰু বেচি পৰিমাণে বাথৰ দিয়া হলে, খাদ্যপ্ৰাণ বস্তু বহুত পৰিমাণে নষ্ট হয়। উহুৱাই খালে খাদ্যপ্ৰাণ বেচি পৰিমাণে থাকে, পচলা আৰু খৰিচাত খাৰ পদাৰ্থ বেচি থাকে। গাঁজত এবিধ অম্ল-জাতীয় আৰু "কেলচিয়ম্ অক্জিলেট্" নামে চুন জাতীয় পদাৰ্থও বেচি আছে; হাড় বঢ়োৱা (antirachitic) খাদ্যপ্ৰাণো আছে। কিছুমান বস্তুৰ লগত লগলগাই ৰান্ধিলে খৰিচাৰ আঞ্জা গুৰুপাক হয় আৰু ৰুগীয়া মানুহৰ অনুপযোগী হয়। বেচিকৈ গাজ খালে পেচাপত পাথৰ হোৱাত সহায় কৰে বুলি বহুত বিশেষজ্ঞই কয়। মণিপুৰীসকলে গাঁজ বেচিকৈ খায় বুলিয়েই বোধকৰোঁ তেওঁলোকৰ বেচিকৈ পাথৰ (Stone) হোৱা দেখা যায়।

কচুত সাৰ ভাগ বেচি থাকে। আলুত শ্বেতসাৰ বেচি পোৱা যায়। আলু ভাজি খোৱাতকৈ বাকলিতে সিজাই ব্যৱহাৰ কৰিলে কিছু পৰিমাণে খাদ্যপ্ৰাণ পোৱা যায়। শাকপাচলিত লোণজাতীয় বস্তু যথেষ্ট পোৱা যায়। গতিকে, ৰক্তৰ খাৰত্ব ঠিক ৰাখিবলৈ ইহঁত বৰ উপযোগী।

## ফল।

অসমীয়াই কঁঠাল, আম, কল, অমিতা, মাটিকঁঠাল, সুমথিৰা, নাৰিকল, বেল ইত্যাদি যথেষ্ট পৰিমাণে খায়। এইবোৰ ফল বৰ পুষ্টিকৰ আৰু উপাদেয় খাদ্য। কঁঠাল পুষ্টিকৰ হলেও গুৰুপাক। পকা বেল বৰ পুষ্টিকৰ আৰু শৌচ খোলোচা কাৰক। মাটিকঁঠালে পৰিপাকত কিছুপৰিমাণে সহায় কৰে। সুমথিৰা, নেমুটেঙা, ঔটেঙা, প্ৰভৃতি ফল টেঙা জাতীয় হলেও, ইহঁতে শৰীৰত গৈ ৰক্ত পৰিষ্কাৰ কৰে আৰু ৰক্তৰ খাৰত্ব বৃদ্ধি কৰি শৰীৰক সুস্থকৈ ৰাখে। সুমথিৰা আৰু নেমুটেঙাত 'গ' খাদ্যপ্ৰাণ ইমান্ বেচি যে, 'স্কাৰ্ভি' আৰু অইন বহুত সংক্ৰামক ৰোগৰ ই প্ৰধান দৰব। কেঁচা সুমথিৰাটো যথেষ্ট খাদ্যপ্ৰাণ আৰু পৰিপাক কৰা শক্তি আছে। বগৰি সাৰবান হলেও গুৰুপাক। লেচুত আৰু বগা জামুকত সাৰভাগ কম। ক'লাজামুক আৰু ইয়াৰ গুটি বহুমূত্ৰ ৰোগত বিশেষ উপকাৰী। ডালিমত শৰ্কৰা ভাগ বেচি থাকে, ইও ৰোগীৰ পথ্যৰ উপযোগী। শৰ্কৰা, লোণ, চেলুলজ্ আৰু খাদ্যপ্ৰাণ থকাই, ফলাহাৰে শৰীৰ

গঠনত যথেষ্ট সহায় কৰে। কঁঠাল, আম, কল, অমিতা, এইবোৰ কেঁচাইবা আধাপকা অৱস্থাত খালে অম্লৰস বৃদ্ধি হৈ বহুত মানুহৰ পেটৰ অসুখ হয়। শুকান নাৰিকল বৰ পুষ্টিকৰ; ইয়াত স্নেহ উপাদান যথেষ্ট আছে। পকা ফলে শৌচ্ খোলোচা ৰখাত বৰ সহায় কৰে।

## চেনি, গুড়, মিছিৰি আৰু মৌ

এইবোৰ আমাৰ প্ৰায় দৈনিক লাগতীয়াল খাদ্য। এইবোৰ শৰ্কৰা জাতীয় বস্তু। এই শৰ্কৰা জাতীয় বস্তুৰ পৰাই প্ৰধানতঃ শৰীৰত শক্তি উৎপন্ন হয়। চেনি আৰু মিছিৰিত খাদ্যপ্ৰাণ নেথাকে। গুড় আৰু মৌত 'খ' খাদ্যপ্ৰাণ থাকে। গুড় সস্তা দেখিয়েই আমাৰ দেশত ইয়াৰ প্ৰচলণ বেচি। গুড়ত পানী আৰু আমীষ ভাগ বেচি থাকে। মিছিৰি সকলোতকৈ বিশুদ্ধ, সেই কাৰণেই ৰোগীক মিছিৰিহে দিয়া হয়। মৌ আটাইবোৰতকৈ সহজে হজম হয়। এই বিশেষ গুণৰ কাৰণেই কেচুৱাক ওপজা মাত্ৰকেই মৌ খুৱাব পাৰি।

## খাৰ

কোনো কোনো খাদ্যৰ লগত খাৰ খোৱা অসমীয়াৰ এটা বিশেষত্ব। অসমীয়াৰ এইটো অদ্ভুত খাদ্য বুলি বহুত অনা-অসমীয়াই হাঁহে। চ'দা খাৰতকৈ কলা খাৰ ( Potash ) বেচি উপকাৰী, কাৰণ ই চ'দাতকৈ সহজে শৰীৰত সোমাই তেজৰ খাৰত্ব ৰক্ষা কৰি বহুত ৰোগৰ হাত সৰুৱাই ৰাখে। অতি মাত্ৰাই অম্লপিত্ত থাকিলে তাক দমন কৰে, ৰক্তৰ অম্লভাগ বেচি হলে খাৰে তাক নষ্ট কৰে। পাকস্থলীৰ ঝিল্লীত (Membrane) শ্লেষ্মা বেচি হলে তাক পাতলাই শৌচে লগতে উলিয়াই পেলায়। পাকস্থলীৰ স্নায়ুবোৰৰ উগ্ৰতাও কিছু পৰিমাণে দমন কৰে, সেই কাৰণে পেটৰ বিষ আদি কমাই ৰাখে। ই শৌচো খোলোচা ৰাখে—অৱশ্যে টেঙা খোৱাৰ বহুত পাচত খাৰ খালেহে এই গুণ পোৱা যায়। পেটৰ অসুখত খাৰণী কৰি খোৱা অসমীয়া নিয়ম বিজ্ঞান-সম্মত।

## আটাগুৰি আৰু ময়দা।

আটা আৰু ময়দাগুৰি, অসমীয়া খাদ্য নহলেও, আজিকালি চলিবলৈ ধৰিছে। ই শ্বেতসাৰ জাতীয়বস্তু। ইয়াত চাউলতকৈ কিছু পৰিমাণে বেচি আমীষ উপাদান আছে। ময়দাগুৰিত ভাইটামিন্ আৰু চেলুলজ, একেবাৰেই

নাই। সেইকাৰণে ময়দাই শৌচ্ কচা কৰে আটাগুৰিত্ ভাইটামিন আৰু চেলুলজ থকাৰ কাৰণে ই বেচি সোৱাদ আৰু অধিক পুষ্টিকাৰক। ই খোলোচা কৰে।

---

# সাহিত্যৰ স্বৰূপ

সাহিত্য কাক বোলে, সাহিত্যৰ স্বৰূপ কি, এই কথা বুজোঁতে বুজোঁতেই সাহিত্য জগতত বহু যুগ অতীত হৈ গৈছে, তথাপি অতি কম মানুহে হে আজিলৈকে তাৰ স্বৰূপ বুজিছে ; আৰু বুজাবলৈ সমৰ্থ হৈছে। আগৰ ডোখৰত Form বা বহিৰাকৃতি লৈয়েই বহুত আলোচনা হৈ গল ; কিন্তু সেইবোৰৰ দ্বাৰা সাহিত্যৰ স্বৰূপ ৰসৰ আস্বাদন কৰাটো সম্ভৱ নাই।

ভাষা ( Language ), লিখন ৰীতি ( Style ), বহিৰাকৃতি (Form), নাট বা বাক্যৰ গঠন (Structure of a drama or a poem), উদ্দেশ্য (aim of a work of art ) এই বিলাক কথা বিশ্লেষণ কৰি অনেক সাৰগৰ্ভ আৰু মূল্যবান কথা উলিয়াব পাৰিলেও, সাহিত্যৰ স্বৰূপ এই বিলাকত ধৰা পৰা নাই।

বাক্যং ৰসাত্মকং কাব্যং—এই শ্লোকত কাব্যৰ মূল প্ৰকৃতি বা স্বৰূপৰ এটা ইঙ্গিত আছে যদিও, কাব্য সাহিত্যৰ বহিৰাকৃতি (Forms) লৈ হে সংস্কৃত সমালোচক সকলে প্ৰধানতঃ আলোচনা কৰিছে।

ইংৰাজী ভাষাতো সাহিত্য সম্বন্ধে বিশদ আলোচনা হৈছে। ইমাৰ্চনৰ (Emerson) মতে সাহিত্য বা Literature "A record of the best thoughts" অৰ্থাৎ সৰ্বশ্ৰেষ্ঠ চিন্তাৰাশিৰ লিপিবদ্ধ বিৱৰণেই সাহিত্য। Stopford Brookৰ মতে "The written thoughts and feelings of intelligent men and women arranged in a way that shall give pleasure to the world." অৰ্থাৎ বুদ্ধিমান আৰু বুদ্ধিমতী পুৰুষ আৰু ৰমণীৰ, মানুহৰ মনত আনন্দ লগাব পৰাকৈ লিখা চিন্তা আৰু অনুভূতি-

বিলাকেই সাহিত্য। ইত্যাদি ভুৰি ভুৰি Definition বা সংজ্ঞা আছে, তথাপি এইবোৰত সাহিত্যৰ পূৰ্ণ স্বৰূপ উদ্ঘাটিত হোৱা নাই। আধুনিক Literary ক critical method অৰ্থাৎ সাহিত্যিক প্ৰণালীৰ সমালোচনাৰ পৰা সাহিত্যৰ স্বৰূপ বুজিবলৈ ক্ৰমে সুবিধা হৈছে।

অনেকে কয় সনাতন সত্য প্ৰকাশ কৰিব পৰা ৰচনাই সাহিত্য। কিন্তু সনাতন সত্য কি? অনন্ত ব্ৰহ্মৰ সনাতন সত্যৰ কথা এৰি, জাগতিক ভাবে সনাতন সত্যতো বহুত আছে। ২+২=৪ দুইয়ে দুইয়ে চাৰি, এইটোও জানো এটা সনাতন সত্য নহয়? পৃথিবীৰ নানা পৰিবৰ্ত্তন ঘটা সত্বেও, সাগৰ পৰ্ব্বত, নগৰ সাগৰ হোৱা সত্বেও জানো এই সত্যটো একদেৰে থকা নাই? তেন্তে শুভঙ্কৰী ধাৰাপাত বা পাটীগণিতো উৎকৃষ্ট সাহিত্য হয় নে নহয়?

২×২=৪ দুইয়ে দুইয়ে চাৰি হোৱা সত্যটোৰ দৰে জ্যামিতি, বীজগণিতৰ সত্যবিলাকো সনাতন সত্য হলেও, এইবিলাক মানুহৰ হৃদয়ৰ সত্য (Inner Truth) নহয়, অৰ্থাৎ এই সত্যবিলাকে এবাৰ জানি লোৱাৰ পিচত নিতৌ নতুন নতুন হৈ মানুহৰ মনত আবেগ-উদ্বেগ, বিস্ময়-আনন্দ উৎপাদন নকৰে। একেষাৰে কলে—They do not appeal to the emotion, অৰ্থাৎ সিহঁতে মানুহৰ মনত ৰসৰ লহৰি নোতোলে। কিন্তু সাহিত্যৰ কথা বেলেগ। সীতাৰ বনবাস আৰু অগ্নিপৰীক্ষা, নিৰ্ব্বাসিত যক্ষৰ বিৰহ বেদনা মেঘদূত, দুষ্মন্ত-শকুন্তলা বা ৰোমিও জুলিয়েটৰ প্ৰেমৰ কথা,—(Oedipus) অডিপাচৰ মৰ্ম্মভেদী হাহাকৰ চেটানৰ (Satan Paradise lost) নিজৰ মনতে গুজৰি-গুমৰি থকা মনকষ্ট আৰু ক্ষোভ,-এই বিলাকে সিহঁতৰ সৃষ্টিৰ প্ৰথম দিনা মানুহৰ মনত যি বিস্ময় আনন্দ উৎপাদন কৰিছিল, আজিও সেই বিস্ময় আনন্দকে উৎপাদন কৰিছে আৰু আগলৈকে কৰিব। প্ৰকৃত সাহিত্যৰ প্ৰধান লক্ষণ এই চিৰন্তনতা (Permanence)।

এই কথাৰ পৰা এইটো স্পষ্টকৈ বুজিব পাৰি যে, মানুহৰ হৃদয়ৰ চিৰন্তন সুখদুখ, আবেগ-উদ্বেগ, আশা-আকাঙ্খা, বিৰহ-বেদনা,—এই বিলাকেই সাহিত্যৰ উপাদান, আৰু এই বিলাক ভাৱৰ উদ্ভৱ হৈছে মানুহৰ অন্তৰৰপৰা মানুহৰ চাৰিওফালৰ বিশ্ব প্ৰকৃতি আৰু মানৱ চৰিত্ৰৰ ঘাত-প্ৰতিঘাতত গতিকে বিশ্বপ্ৰকৃতি আৰু মানৱচৰিত্ৰ এই দুইটা লৈয়েই সাহিত্য।

যদিও মানৱ চৰিত্ৰ, আৰু বিশ্ব প্ৰকৃতি এই দুইটা লৈয়ে সাহিত্য

তথাপি সাহিত্য মানৱ-চৰিত্ৰ বা বিশ্ব প্ৰকৃতিৰ (Photo) কিম্বা এখন ঠিক "অৰ্শীও" (Mirror) নহয়, অৰ্থাৎ সাহিত্য বুলিলে "ফটোগ্ৰাফ" বা কিহবাৰ হুবহু প্ৰতিবিম্ব নুবুজায়—বুজায় সৃষ্টি বা ৰচনা। ৰচনা কৰে মনে মনেৰে; মন এখন প্ৰকৃতিৰ আৰ্শী নহয়, বৰঞ্চ মনেৰে সৈতে মিলিহে প্ৰকৃতি—'প্ৰকৃতি'। গতিকে সাহিত্যৰ সত্য ঠিক জ্ঞান বিজ্ঞানৰ সত্য নহয় ভাবৰহে সত্য। জ্ঞান বিজ্ঞানৰ সত্য মানুহৰ সম্পূৰ্ণ বুদ্ধিৰ অধিগম্য, আৰু সি সম্পূৰ্ণ ব্যক্তি নিৰপেক্ষ (Impersonal) নিৰঞ্জন। তাৰ হৃদয়ত চিত্ৰ বিচিত্ৰ ৰহণ পৰিব নোৱাৰে। জ্ঞানৰ বিষয়—Law of Gravitation বা মধ্যাকৰ্ষণ তত্বটো মোলৈ একৰকম, তোমালৈ আনৰকম নহয়; কিন্তু ভাৱৰ বিষয় স্কাইলাৰ্ক (Skylark) ছেলিৰ (Shelley) কল্পনাত একৰকম ৱৰ্ডচ্ৱাৰ্থৰ (Wordsworth) কল্পনাত আন ৰকম গতিকে সাহিত্যৰ প্ৰধান অৱলম্বন, জ্ঞানৰ বিষয় নহয়; ভাবৰ বিষয় হে। অৰ্থাৎ সাহিত্য মূলতে ভাবাত্মক বা ৰসাত্মক সৃষ্টি; আৰু "কাব্যং ৰসাত্মকং বাক্যং"—কাব্য সাহিত্যই প্ৰধান ৰস সাহিত্য। এই কাব্য সাহিত্যৰ ভিতৰত কাব্য, কবিতা, নাটক, উপন্যাস আৰু গল্প এইকেটাই পৰে। সেই দেখি এই ৰস সাহিত্যটোকে আচল সাহিত্য (Literature proper) বুলি ধৰা হয়। এই ৰস সাহিত্য কাব্য দৰ্শন নহয়; বিজ্ঞান নহয় আৰু ধৰ্ম্ম বা নীতি শাস্ত্ৰও নহয়,—অথচ একেধাৰে সেই আটাইবোৰৰে সমন্বয়ত। ধৰ্ম্ম, দৰ্শন, বিজ্ঞান, প্ৰভৃতি বিষয়বিলাক সৰহ সময়তে পৰস্পৰ বিৰুদ্ধ হৈ মানুহৰ মনোৰাজ্যত কুৰুক্ষেত্ৰ পাতিব খোজে,—কিন্তু কাব্য সাহিত্যই স্বয়ং ভগৱন্তৰ দৰে সখী হৈ সিহঁতৰ মাজত মিল সাধন কৰিবৰহে যেন চেষ্টা কৰে। তেন্তে কাব্য সাহিত্যৰ কথা একেষাৰে এনেকৈ কলে কেনে হব যে, ভগৱন্তৰ পক্ষে যিটো লীলা, মানুহৰ পক্ষে সেইটোৱেই কাব্যসাহিত্য বা ললিত কলা? এই "লীলা খেলা, সখ্য মধুৰ আদি-মান্ধাতাৰ দিনৰ কথাবোৰে যে আজিৰ এই মেদিনী কঁপাই যোৱা ৰেল, জাহাজ, মটৰৰ ঘৰ্ঘৰণিৰে পৰিপূৰ্ণ ব্যস্ততাৰ সভ্যতাৰ দিনত সৰহ লোকৰে কাণৰ ভিতৰেদি গৈ মৰমত নপৰ্শিব সেইটো মই ভালকৈ জানো। আজি কালি অনেক পাশ্চাত্য আনকি আমাৰ ভাৰতীয় মানুহৰ আৰু সৰহ ভাগে এই Matter of fact world খনত অৰ্থাৎ বাস্তৱ জগতত কাব্য কবিতা আদিৰ দিন উকলি যোৱা উচিত বুলি ভাবিবলৈ আৰু কবলৈও ধৰিছে; তেওঁলোকৰ মতে সংসাৰত

কাব্য সাহিত্য আদিৰ মানুহৰ ঐহিক শ্ৰীবৃদ্ধি সাধনৰ কাৰণে প্ৰয়োজন একো নাই। ("কবি" নামৰ এদল উতনুৱা (Eccentric) মানুহৰ সময়ৰ অসদ্ব্যৱহাৰত বাজে সাহিত্যৰ, ঘাইকৈ কাব্য বা কবিতাৰ আৱশ্যকতা তেওঁলোকে একো নেদেখে। তাহানি কবি Cowper এ তেওঁৰ কুকুৰটোৱে চৰাই এটা মৰাত তাক ভৎসনা কৰোঁতে, সি যেনেকৈ কবিক ওলোটাই ভৎসনা কৰিছিল— "সৰু চৰাই (Tiny bird) এটা মৰাত মোৰ বৰ দোষ ধৰিলে কিন্তু মহাশয়, আপুনি যে ছন্দ ৰচনাত ইমান সময় নষ্ট কৰি থাকে সেই বিষয়ে আপোনাৰ কবলৈ কি আছে?" "Sir, what do you think of killing time by writing verses?" আজি সেই Cowper ৰৰ কুকুৰটোৰ কথাই সভ্য জগতত বহুতৰ মুখে উচ্চৈস্বৰে ঘোষিত হোৱা নাইনে বাৰু?)

অথচ, যি দেশত কাব্য-সাহিত্য নাট্যকলা আদি আৰ্ট (Art) নাই, সেই দেশত সমাজ থাকিব পাৰে, কিন্তু সভ্যতা নাই। মানুহক সামাজিক কৰিবলৈ যেনেকৈ নীতি-শিক্ষাৰ দৰ্কাৰ, তত্ত্ব বুজিবলৈ বিজ্ঞান দৰ্শনৰ দৰ্কাৰ, মানুহৰ মনত সুন্দৰৰ ভাব উদ্ৰেক কাৰবলৈকো সেইদৰে কাব্য সাহিত্য নাট্য কলা আদি আৰ্টৰ আৱশ্যকতা দেখা যায়। প্ৰাণীক এৰি যেনেকৈ প্ৰাণৰ অস্তিত্ব উলিওৱা অসম্ভৱ, সুন্দৰ নহলেও তেনেকৈ সৌন্দৰ্য্যৰ সাক্ষাৎ পাব নোৱাৰি। ৰস-সাহিত্য বা কাব্য কলাই এই সুন্দৰকে মাথোন নয়ন গোচৰ কৰি দিয়েহি, সেই দেখি সৌন্দৰ্য্য-সৃষ্টি বা সাহিত্য-সৃষ্টি কৰা মানে নিজৰ মনোভাব বিলাককে ৰূপ দি সাকাৰ আৰু সুগঠিত কৰা। (ৰোমা ৰোলাঁই (Romain Rolland) এই কাব্য কলাৰ স্ৰজন শক্তিৰ কথা কৈছে—"The effort necessary to dominate and concentrate one's own passion into a clear and beautiful form." তথাপি এই এটা প্ৰশ্ন প্ৰায়েই শুনিবলৈ পোৱা হৈছে—Whether act is a necessity or an ornament? অৰ্থাৎ কাব্য-সাহিত্য আদি ললিত কলা মানুহৰ এটা দৰ্কাৰ নে অলঙ্কাৰ?)

"দৰকাৰ"—যিটো ইংৰাজীত Necessity বোলে সি সাধাৰণতে জীৱন যাত্ৰাৰ উপকৰণক বুজায়; আৰু 'অলঙ্কাৰ'—যাক ইংৰাজীতে Ornament বা Luxury বুলিব পাৰি। সি সাধাৰণতে জীৱিকা নিৰ্ব্বাহৰ বাহিৰা অতিৰিক্ত এটাক বুজায়। এটা কথাৰে, 'দৰকাৰ'টোক আত্মৰক্ষাৰ আৰু 'অলঙ্কাৰ' টোক আত্মপ্ৰকাশৰ আহিলা বুলিব পাৰি। মানুহৰ অস্তিত্ব ৰক্ষা কিম্বা

আত্মৰক্ষাৰ কাৰণে আহাৰ নিদ্ৰা ভাত মাছ প্ৰভৃতিৰ দৰ্কাৰ। কবিতা, সঙ্গীত, নাচ-ভাওনা, যাত্ৰা-থিয়েটাৰ প্ৰভৃতি অলঙ্কাৰ, অৰ্থাৎ এইবোৰ কৰি মানুহে আনন্দ প্ৰকাশ কৰে। মানুহে নাখাই, নুশুই নোৱাৰে, কিন্তু কবিতা নিলিখি, গান নাগাই কিম্বা ভাওনা থিয়েটাৰ নকৰি থাকিব পাৰে। মানুহৰ থকা ঘৰ, খোৱা ভাত, পিয়া পানী, নহলেই নহয়; কিন্তু সোণৰ অলঙ্কাৰ, হীৰাৰ হাৰ, ধুনীয়া ছবি, মাৰ্ব্বলৰ বিতোপন প্ৰস্তৰ মূৰ্ত্তি—সুন্দৰ কবিতা, মেঘদূতৰ নিচিনা ওথ থাপৰ কাব্য নহলেও অস্তিত্ব ৰক্ষাত হানি নপৰে। সেই দেখি অস্তিত্ব ৰক্ষাৰ অৰ্থে বিজ্ঞানৰ জ্ঞান আৱশ্যকীয়, কিন্তু সাহিত্যৰ ৰস নহলেও শুদায় নিকায় ভোজন কৰিব পাৰি। জুয়ে পোৰে, পানীয়ে পিয়াহ গুচায়, সূৰ্য্যৰ উত্তাপে জীয়াই ৰাখে ইত্যাদি জ্ঞান অস্তিত্ব ৰক্ষালৈ আৱশ্যকীয়, কিন্তু অগ্নি মূৰ্ত্তিৰ ৰুদ্ৰসৌন্দৰ্য্য, সমুদ্ৰ প্ৰবাহিণী তৰঙ্গিনীৰ বিচিত্ৰ লহৰি লীলা, অনন্ত আকাশৰ বুকুত সূৰ্য্যোদয়ৰ উদ্ভিন্ন নৱযৌৱনৰদৰে নিতৌ নতুন বৰ্ণ-তৰঙ্গৰ ভঙ্গীত জ্বলি উঠা সৌন্দৰ্য্য শোভা ইত্যাদিৰ ৰস উপভোগ কৰিব পৰা শক্তি নহলেও মানুহ অজীৰ্ণ ৰোগত ধৰফৰাই নমৰিব। পেটৰ সি gastric juice অৰ্থাৎ জাৰক ৰস আছে সিয়েই সকলো বস্তু হজম কৰোৱাই মানুহক জীয়াই ৰাখিব। অথচ, পৃথিবীখন যে চেপেটা নহয়, ঘূৰণীয়া আৰু ই সূৰ্য্যৰ চাৰিওফালে চক্ চক্ কৰে ঘূৰি থাকে,—এই বাতৰিটো কাব্য অৰ্থাৎ ৰসাত্মকং বাক্যং নহয়,—ইয়াক এবাৰ জানিলেই খতম্ পৰে,—ই পুনঃ পুনঃ মানুহৰ মনত একো নতুন ৰস দিব নোৱাৰে;—কিন্তু পৃথিবীখন যে সুজলা সুফলা, শস্য শ্যামলা, আৰু মলয়জ শীতলা,—"স্নেহ পীযুষ বাহিনী" "জনক-জননী জননী" এইটো হলে কাব্য বা সাহিত্য। পৃথিবীৰ এই জননী মূৰ্ত্তিৰ ৰসময়ী বৰ্ণনা চিৰ নতুন, মাতৃস্নেহৰ সাদৃশ্য কল্পনাই মানুহৰ মনত পৃথিবীৰ এই বৰ্ণনা মাতৃৰ স্নেহৰ দৰেই সদাই নতুনকৈ থৈছে। অথচ পৃথিবীখনক মাতৃজ্ঞান নকৰি হালকোৰ বাই খেতি বাতি কৰি থাকিলেও পৃথিবীয়ে ওফোন্দপাতি কাকো শস্য নিদিয়াকৈ নাথাকে। , চমুকৈ ক'ব লাগিলে মানুহৰ দৈহিক অস্তিত্বৰ ( animal existence ) কাৰণে যেনেকৈ ভাত পানীৰ নিতান্ত দৰ্কাৰ তেনেকৈ মনৰ বা সমগ্ৰ মানুহৰ অস্তিত্ব ৰক্ষাৰ কাৰণেও বিজ্ঞান দৰ্শনৰ জ্ঞান অৰ্থাৎ কাৰ্য্য-কাৰণ সম্বন্ধৰ জ্ঞান ( Knowledge of Causation ) দৰ্কাৰ। কাব্য সাহিত্য কলা লগতে যেন তাৰ আনন্দ প্ৰকাশৰ অলঙ্কাৰ হে। এটা কথাৰে, অকল মানুহ কিয় জীৱমাত্ৰৰে জীৱনৰ দুটা তত্ত্ব জল্ জল্ পট্ পট্ হৈ

আছে। এটা অস্তিত্ব ৰক্ষা বা আত্মৰক্ষাৰ চেষ্টা ( Struggle for existence ) আনটো আত্ম প্ৰকাশৰ আবেগ ( Craving for self-expression ).

পক্ষী জগতলৈ চাওক। কুলি চৰায়ে তাৰ অস্তিত্ব ৰক্ষাৰ অৰ্থে জীৱন সংগ্ৰাম কৰে,—কাউৰীৰ বাঁহত কণী পাৰে, আৰু পোৱালী পাখি নগজে মানে কাউৰীৰ বাঁহত চকুমুদি সোমাই থাকে, চকু ফুটিলেই ভুৰং কৰে উৰা মাৰি গুচি যায়, আৰু তাৰ অস্তিত্ব ৰক্ষাৰ অৰ্থে আহাৰ পানী যি দৰ্কাৰ সকলো চেষ্টা কৰি নিজে গোটাই লয়। এইটো হ'ল তাৰ জীৱন-সংগ্ৰাম ;—এই জীৱন-সংগ্ৰামকে কুলি চৰাইৰ পূৰা পৰিচয় পোৱা নাযায়, কাৰণ এই জীৱন-সংগ্ৰাম সকলো চৰায়েই নিজৰ নিজৰ মতে কৰে,—তাক আমি 'কোকিল' বুলি জানো কেতিয়া ? যিদিনা সি বসন্তৰ দূতৰূপে আমৰ ডালত পৰি ঠেও ধৰি অমিয়া বৰষা মাত দিয়ে—কু—উ! যেতিয়া সি ৱৰ্ডচ্ৱাৰ্থৰ ভাষাৰে "A voice, a mystery" আৰু "an unsubstantial being," অৰ্থাৎ এটা ধ্বনি এটা প্ৰহেলিকা বা এটা অশৰীৰি প্ৰাণীত পৰিণত হৈ যায় গৈ; সেই দিনাই হল তাৰ আত্মপ্ৰকাশ। এই আত্মপ্ৰকাশত তাৰ প্ৰাণৰ আবেগ-আনন্দ বৰ্ত্তমান। এইটো তাৰ প্ৰেমৰ মাত। এইদৰে সকলো চৰাই আৰু জীৱৰে একে কথা।

মানুহ কিন্তু কেৱল পশু নহয়, আধ্যাত্মিক অৱশ মানুহৰ বেচি, গতিকে মানুহৰ যি আত্মপ্ৰকাশ, সি আনন্দৰ প্ৰকাশ, তাক চৰাই চিৰ্কতিৰ দৰে মৌখিক ধ্বনি বা শব্দ কৰিয়েই শেষ কৰিব নোৱাৰে,—মানুহে তেওঁৰ আনন্দ প্ৰকাশ কিম্বা আত্মপ্ৰকাশতো দীৰ্ঘস্থায়ী আৰু অনেক সময়ত চিৰস্থায়ী কৰিবলৈ বিচাৰে। কুলিয়ে আমৰ ডালত পৰি 'কু-উ, কু-উ' কৰিলে তাতে তাৰ আনন্দ প্ৰকাশ শেষ হৈ গল। মানুহৰ দৰে সি তাৰ সেই ধ্বনি-টোকে সি নহলেও লোকে শুনিব বুলি গ্ৰামোফনত "ৰেকৰ্ড" কৰাই থবলৈ নিবিচাৰে। মানুহে কিন্তু এটা শুৱলা মাতৰ গান গাই, তাকে আকৌ কিতাপত লিখি, গ্ৰামোফনত ৰেকৰ্ড কৰিহে ক্ষান্ত দিয়ে। কোনো জন্তুৰে কিবা এটা সুখ বা দুখ পালে সি নিজেই অনুভৱ কৰি ক্ষান্ত থাকে, মানুহে কিন্তু মনত কিবা এটা বেজাৰ বা আনন্দ পালে তাক আৰু দহজন লগৰীয়া বা ওচৰ চুবুৰীয়াক নকয় মানে সকাহ নাপায়। আনন্দই হওক বা বেজাৰেই হওক, তাক বিলাই দিহে যেন সুখ পায়; অৰ্থাৎ চমুকৈ কলে মানুহে আন জন্তুতকৈ বেচি সহানুভূতি বিচাৰে। সহানুভূতি বিচৰাটোৰেই

আত্মাৰ স্বভাৱ, হৃদয়ৰ প্ৰকৃতি; গতিকে সহানুভূতি বিচাৰি হৃদয়ৰ কথা ভাষাত ব্যক্ত কৰিবৰ চেষ্টাতেই কাব্য-সাহিত্য সঙ্গীত আদি ললিত কলাৰ উৎপত্তি। সাহিত্য শব্দৰ ব্যুৎপত্তিগত অৰ্থও,—সহিত+ষ্ণ অৰ্থাৎ সহিতত্ব স্থাপন কৰা, লগ-লগোৱা, মিলন ঘটোৱা। এই "মিলন কেৱল ভাবৰ লগত ভাষাৰ, ব্যাকৰণৰ লগত ছন্দৰেই নহয়,—হৃদয়ৰ লগত হৃদয়ৰ, দুয়োৰে সৈতে ওচৰৰ আৰু অতীতৰ লগত বৰ্ত্তমানৰ মিলন।" (ৰবীন্দ্ৰনাথ)

মানুহৰ এই জগতজোৱা মিলনৰ হেঁপাহটো এটা গৰজ নে ধেমালি, দৰ্কাৰ নে অলঙ্কাৰ কিম্বা তাৰ মূলত আৱশ্যকতা নে সৌন্দৰ্য্য—অৰ্থাৎ ইউটিলিটি (Utility) নে বিউটি (Beauty), এই প্ৰশ্নৰ সিদ্ধান্ত আজিৰ এই ক্ষুদ্ৰ প্ৰবন্ধত কৰিবলৈ যোৱাটো ধৃষ্টতা মাথোন। আচল জীৱন-সংগ্ৰামত ৰবীন্দ্ৰ-নাথৰ "সোণাৰ তৰী"তকৈ যে "ৰণ-তৰীৰ"হে মূল্য লক্ষ্যকোটি গুণে বেচি তাক কিজানি স্বয়ং ৰবীন্দ্ৰনাথেও স্বীকাৰ কৰিব। অথচ—

"গগনে গৰজে মেঘ ঘনবৰষা
কূলে একা বসে আছি নাহি ভৰসা।"

বুলি হৃদয় সমুদ্ৰৰ পাৰত যিথন সোণৰ নাও বান্ধি কবিবৰে বাট চাই আছেগৈ সেইথন হে মানুহৰ অজান পাৰৰ নিমিত্তে হৃদয় তৃষ্ণায় আকুলতা ধানেৰে ভৰি থকা চিৰকলীয়া সোণৰ নাও। কাব্য সাহিত্য-ললিত কলা সকলো ক্ষেত্ৰতে জীৱন-সংগ্ৰামৰ অস্ত্ৰ নহব পাৰে কিন্তু জীৱন লীলাৰ চিৰ সহচৰী। আন পক্ষে জীৱনটো বাস্তৱিকতে সংগ্ৰামেই নে লীলাই সেই কথাৰ আজিও শেষ সিদ্ধান্ত নাই,—যিটোক প্ৰাচ্য ঋষিয়ে অন্তৰ্দৃষ্টিৰে লীলা বুলি কৈছে; সেই-টোকে প্ৰতীচ্য বৈজ্ঞানিকে হয়তো খণ্ড দৃষ্টিৰে 'সংগ্ৰাম' বুলিছে।

ইমান পৰে যিমান খিনি কথা কোৱা হল, তাৰ পৰা এইটো বোধকৰোঁ বুজিব পৰা হৈছে যে, জীৱনৰ সীমাবদ্ধতাৰ ফালৰপৰা চালে কাব্য সাহিত্য ললিত কলাৰ প্ৰয়োজন কম হলেও জীৱনৰ অসীমতাত তাৰ এটা গভীৰ প্ৰয়োজন গম নোপোৱাকৈয়ে বৰ্ত্তমান। ভাবুকপ্ৰবৰ কাৰ্লাইলে (Carlyle) ইংৰাজক প্ৰশ্ন কৰিছে—"You English, would you give up your Indian Empire or Shakespear ?" অৰ্থাৎ "ইংৰাজ, তুমি ভাৰত সাম্ৰাজ্যৰ পৰিবৰ্ত্তে ছেক্সপিয়েৰক এৰি দিবানে ?" তাৰ উত্তৰত তেওঁ নিজেই কৈছে :—"Indian Empire will go at any rate some day, but our Shakespear does not go, he lasts for ever with us."

"অৰ্থাৎ ভাৰত সাম্ৰাজ্য এদিন নহয় এদিন যাবই, কিন্তু আমাৰ ছেক্সপিয়েৰ নাযায়, তেওঁ চিৰকাল আমাৰ লগতে থাকিব।" জীৱনৰ সীমাবদ্ধ প্ৰয়োজনৰ, আৱশ্যকীয় ভাৰত সাম্ৰাজ্যখন অস্থায়ী; আৰু জীৱনৰ অসীমতাৰ প্ৰয়োজনত প্ৰকাশ পোৱা অলঙ্কাৰ ছেক্সপিয়েৰ চিৰস্থায়ী।

দিল্লীৰ সম্ৰাট চাজাহানৰ ভাৰত সাম্ৰাজ্য গ'ল, কিন্তু তেওঁৰ গভীৰ হৃদয়াবেগৰ প্ৰকাশ—এটুপি তপত চকু-লো—"এটি বিন্দু নয়নৰ জল" মছানোযোৱাকৈ কালৰ কপালত চিৰকলীয়া ফোঁটৰ দৰে "শুভ্ৰ সমুজ্জ্বল" শিল্পীৰ সৃষ্টি তাজমহল জিলিকি ৰ'ল। এই তাজমহল আজি কেৱল এটা অট্টালিকাই নহয়,—ই দাম্পত্য প্ৰেমৰ এখন বৃহৎ দাপোণ, যি দাপোণত জগতৰ প্ৰত্যেক দম্পতীয়ে নিজ নিজ মুখ চাই প্ৰেমৰ সৌন্দৰ্য্য উপলব্ধি কৰিব পাৰিব।

এই তাজমহলৰ দৰেই জগতৰ অমৰ কবি সকলৰ কাব্য সাহিত্য আৰু মানুহৰ গভীৰ হৃদয়াবেগ, বিৰহ বেদনা, প্ৰেম অনন্দৰ পুষ্পখচিত একো একোটি জগতৰ মিলন মন্দিৰ। কালিদাসৰ "মেঘদূত" যক্ষৰ হৃদয়ৰ বিৰহ বাৰ্ত্তা ৰূপে আজি জগতৰে বিৰহ বাতৰি, অথচ একেলগে জগতৰ সকলো মানুহৰে মিলন কেন্দ্ৰও।

বিশ্ব প্ৰকৃতিৰ একো একোটো উচ্চ গিৰিশৃঙ্গ ভেদ কৰি যেনেকৈ একো একো খনি প্ৰবাহিণী বৈয়ামেদি বৈ গৈ তাৰ দুই কাঁষৰ শস্য ক্ষেত্ৰ গাওঁ-ভূঁই সুশীতল কৰি সমুদ্ৰত পৰে গৈ,—একো একো খন দেশ বা একো একোটা জাতিৰ শিক্ষা দীক্ষা প্ৰতিভাৰ গিৰিশৃঙ্গৰ পৰাও, একো একো খনি মহাকাব্যৰ প্ৰবাহিণী, একো একো জন প্ৰতিভাবান ভগীৰথৰ শঙ্খধ্বনিত বৈ গৈছে, অনন্ত কাললৈকে,—মানুহৰ হৃদয় ৰাজ্য সুশীতল কৰি। তাৰে নাম বাল্মিকীৰ ৰামায়ণ, ব্যাসৰ মহাভাৰত, হোমাৰৰ ( Homer ) ইলিয়দ্ আৰু ওডেচি।

মহাকাব্য ৰামায়ণ কেৱল দশৰথৰ পুত্ৰ শ্ৰীৰামচন্দ্ৰৰ জীৱন কাহিনী নহয়, ই সমগ্ৰ মানুহৰে হৃদয় ভেদি ওলাই যোৱা জীৱনৰ কৰুণ ক্ৰন্দন। মহাভাৰত কুৰু পাণ্ডৱৰ যুদ্ধ আৰু জীৱনবৃত্তান্তই নহয়,—ই সকলো মানুহৰে অদম্য জীৱন তৃষ্ণাৰ বিপুল সংগ্ৰাম ধৰ্ম্ম অধৰ্ম্মৰ চিৰন্তন সংঘৰ্ষ। এই দুখন ভাৰতীয় মহাকাব্যতেই কাব্য সাহিত্যৰ কি দুৰ্জ্জয় শক্তি তাক ভাৰতবাসী হিন্দু মাত্ৰেই আজিও শিৰে শিৰে অনুভব কৰিছে।

কাব্য বা কবিতা যে হৃদয়ৰ সত্য অনুভূতিৰ অদম্য প্ৰেৰণা, তাক

পৃথিবীৰ মহাকাব্য কেইখনে প্ৰমাণ কৰিছে। আজিকালি কবিতা সুক্ষ্মতকৈ সুক্ষ্মতৰ হৈছে; গভীৰতকৈও গভীৰতৰ হৈছে; কিন্তু লগতে পৰাক্ৰমীও (Powerful) যে হব লাগে সেইটোলৈ যেন মনযোগ কমি গৈছে। ব্যাস, বাল্মীকিক অনেকে Primitive Poet অৰ্থাৎ আদিম প্ৰকৃতিৰ কবি বুলিছে, কিন্তু প্ৰকৃততে তেওঁলোকক Primitive নুবুলি Primary অৰ্থাৎ আদিম প্ৰকৃতিৰ নুবুলি আদি আকৃতিৰ বোলাহে উচিত। তেওঁলোকৰ কবিত্বত আছে এটা Elemental Force (মূল শক্তি) Force, যি শক্তিৰ বলত তেওঁলোকে মহিমামণ্ডিত কৰি দেখুৱাব পাৰিছে অন্তৰাত্মাৰ ৰহস্য। দশাননে যেতিয়া ভয়ঙ্কৰ মূৰ্ত্তিলৈ পঞ্চবতিৰপৰা সীতাক হৰণ কৰি নিবলৈ আহি পঞ্চবতিত উপস্থিত হল, সেই সময়ৰ বাল্মীকিৰ বৰ্ণনা অসীম শক্তিশালিনী!

"সূৰ্য্যচন্দ্ৰাভ্যাং ৰহিতাং সন্ধ্যামিব
তাম আসসাদ ভ্ৰাতৃভ্যাং ৰহিতাং বনে"

সূৰ্য-চন্দ্ৰ-ৰহিতা সন্ধ্যাক আন্ধাৰে গ্ৰাস কৰাৰ দৰে বনত অকলে থকা ভাতৃদ্বয়-ৰহিতা সীতাক গ্ৰাস কৰিলেছি; আৰু সেই দৃশ্য দেখি ভয়তে ক্ৰমদল বিকম্পিত হবলৈ ধৰিলে, আৰু "স্তিমিতং গন্তমাৰেভে ভয়াদ্ গোদাবৰী নদী।" গোদাবৰী নদীও ভয়তে লাহে লাহে ব'বলৈ ধৰিলে ইত্যাদী। এই Elemental force টো ইংৰাজী সাহিত্যত Miltonৰ ৰচনাত ধ্বনিত হোৱা দেখা যায়। চেটানক স্বৰ্গৰ পৰা ঈশ্বৰে বজ্ৰলৈ নৰকলৈ পেলাই দিওঁতে এই বজ্ৰনিৰ্ঘোষ শুনা যায়:—

"Hurled him down to the bottomless perdition." বঙ্গ-সাহিত্যত মাইকেল মধুসুধন দত্তত, ঘাইকৈ এই শক্তিৰ পৰিচয় পোৱা যায়। ৺হেমচন্দ্ৰ, ৺নবীন সেন, দ্বিজেন্দ্ৰ লাল, কাজি নজৰুল আৰু স্থল বিশেষে ৰবীন্দ্ৰনাথেও এই বীৰ্য্যমত্তাৰ পৰিচয় দিছে, ৺হেমচন্দ্ৰৰ—

"দুৰ্দ্দণ্ড প্ৰতাপ আজি কোথায় সে ৰোম
কাঁপিত যাহাৰ বলে মহী সিন্ধু ব্যোম।"

এই দুশাৰী কথাতে সেই শক্তিৰ প্ৰভাৱ ধ্বনিত হৈছে।

আধুনিক অসমীয়া কবিতাত এই Elemental forceটো বৰ কম দেখা যায়। ধ্বনি হিচাপেও অসমীয়া কবিতাত বজ্ৰধ্বনি (Thunder bolt) বা বিগুলৰ (Bugle) মাত শুনিবলৈ বিৰল। সাহিত্যৰথী বেজবৰুৱা ডাঙৰীয়াৰ

গদ্য ৰচনাতে বহু পৰিমাণে এই Elemental force টো—এই মূলশক্তিটোৰ প্ৰভাৱ অনুভৱ কৰিব পাৰি। দৃষ্টান্ত দিবলৈ এফাকি মাথো কথা মনত পৰিছে—ব্ৰহ্মাৰ বিৰাটত্ব বুজাই এঠাইত তেখেতে অস্পৃশ্যভাৱ কথাত ব্যঙ্গ কৰি কৈছে—আমাৰ কিন্তু দেহাটিলৈ ইমান ভয় যে "এই দেহা-সজাত সোমাই থকা আমাৰ টিপচী ব্ৰহ্ম চৰাইটো আহি ক'ৰবাৰ পৰা চেলাই কামুৰি মাৰি পেলাব।" মহাপুৰুষ শ্ৰীশঙ্কৰ দেৱৰ ৰচনাতো এই শক্তিৰ প্ৰভাব অনুভৱ কৰিব পাৰি। যেনে স্যমন্ত-হৰণৰ—

"জানকীৰ হেতু বান্ধিলাহা সেতু
আনিলা সীতা উদ্ধাৰি,
ৰাৱনৰ মাথা কাটিলাহা নাথ ;
দহিলা লঙ্কা নগৰী।"

এই এফাকি পদৰ ইমান সংক্ষিপ্ততাৰ ভিতৰতো ৰাৱন বধৰ এটা হুবহু ধাৰণা আনি দিয়াত কবিত্বৰ এটা মূলশক্তি (force) অনুভৱ নকৰি নোৱাৰি।

কাব্য সাহিত্যৰ কবি বা সাহিত্যিক উপলক্ষ্য মাথোন। তাৰ আচল বস্তুটো বিশ্বজনীন। ভাব বিষয় তত্ত্ব আদি সকলো মানুহৰে; সেইবিলাক সকলোৰে মনত অন্তৰ্নিহিত হৈ আছেই—সি কালক্ৰমে এজন নহয় এজনৰ দ্বাৰা প্ৰকাশিত হবই লাগিছে, আৰু নোহোৱাবোৰো এদিন হবই হব। এই বিশ্বজনীন ভাৱ বিষয় বিলাকৰ বিশেষ একোটি মনোহৰ মূৰ্ত্তি সৃজন কৰি সৰ্ব্বকালৰ মানুহৰ মন-প্ৰাণ আকৰ্ষণ কৰিব পৰাকৈ তাক সকলোৰে কৰি দিব পৰাটোৱেই হৈছে কবিৰ ক্ষমতা আৰু কবিৰ কীৰ্ত্তি।

গোষ্পদৰ জলত নভোমণ্ডল প্ৰতিবিম্বিত হোৱাৰ দৰে প্ৰকৃত কবিৰ কাব্য সাহিত্যতো তিৰবিৰাই উঠে বিশ্বহিয়াৰ অনন্ত নভোমণ্ডল। নৰ-নাৰীৰ যৌন আকৰ্ষণৰ ভিতৰেদি ঘটা যুগল সম্বন্ধৰ কথাতে জগতৰ শ্ৰেষ্ঠ কাব্যবোৰত এই সুৰটো সুন্দৰকৈ বাজি উঠিছে। অমৰ কবি কালিদাসৰ শকুন্তলা, ছেক্সপিয়েৰৰ ৰোমিয় জুলিয়েট—এই স্বৰ্গ মৰ্ত্তাৰ সন্ধিস্থলতে তৰঙ্গ ভঙ্গ কৰা জ্যোতিৰ ঢৌ। ডাণ্ডেৰ "ডিভাইন কমেদি" Devine Comedy এই গোষ্পদৰ নভোমণ্ডলৰ জলমলনি। পৃথিবীৰ সকলো শ্ৰেষ্ঠ কাব্যই মানৱ প্ৰকৃতিৰ সত্যৰ ওপৰত প্ৰতিষ্ঠিত। গতিকে সি অশিৱ নহয়।

সাহিত্য সঙ্গীত আদি ললিত কলাৰ সৌন্দৰ্য্য চৰ্চ্চাত বহুতে এটা অশিৱ বা অমঙ্গল আশঙ্কা কৰে। এণ্টনিও ক্লিওপেট্ৰাৰ (Antonio-Cleopetra)

তীব্ৰ-কাম-বহ্নি জ্বলি উঠা সৌন্দৰ্য্য সাহিত্যই দেখুৱা ভাল নে বেয়া—ইত্যাদি ধৰণৰ প্ৰশ্নও সময়ত শুনা যায়। আৰ্ট হিচাবে কাম-বহ্নিৰে প্ৰজ্বলিত সত্যও সত্য—এণ্টনি ক্লিওপেট্ৰাৰ তীব্ৰ-কাম-বহ্নি জানো মানৱ প্ৰকৃতিৰে এটা সত্য নহয়? নৈতিক হিচাপে হেয় সত্যও—আৰ্ট হিচাৱে নিশ্চয় সুন্দৰ নহৈ নোৱাৰে। কাৰণ সিও অনন্তৰেই এটা ভাব, এটা তত্ব মাথোন। আৰ্টৈল সৌন্দৰ্য্যৰ দুৱাৰ সদায় অবাৰিত কাৰণেই আম ছেক্সপিয়েৰৰ কল্পনাৰ পৰা Iago আৰু Macbethৰ নিচিনা চৰিত্ৰও পাব পাৰিছোঁ; আৰু সেই দেখিয়েই বাইৰণৰ আৰু জয়দেৱৰ গীত গোবিন্দৰ—

"ৰতি সুখ সাৰে গতমভিসাৰে" ৰ নিচিনা ইন্দ্ৰিয় ভোগৰ কবিতাও কবিতা হিচাপে চমৎকাৰ হৈ ওলাইছে।

অনেকে সোধে "তুমি যে কবিতা লিখা, কাৰ বিষয়ে লিখা, ঈশ্বৰৰ নে মানুহৰ, নে গছ গছনি ফুল পাতৰ বিষয়ে?" এনে ধৰণৰ প্ৰশ্নকাৰক সকলে ভাবে যে কবিতা লিখা মানে মনৰ এটা কৌশলেৰে বাহিৰৰ বস্তুৰ "ফটোগ্ৰাফ" কৰি ফটো তুলি ফুৰা। কিন্তু কবিতা ফটো (Photo) নহয়, কবিয়ে নিজে অঁকা ছবি হে; কবিয়ে নিজৰ মনৰ মাধুৰী-সানি যি ভাব যি কথা জগতত সকলোৰে আনন্দৰ সামগ্ৰী কৰি বিলাই দিব পাৰে, সেই বস্তু হে।

"দেখা নাই শুনা নাই, তুমি এটি মোৰ
হৃদয়ৰ নজনা বাসনা,
মনেৰে ধুনীয়া কৰা মনেৰেই সজা
তুমি মোৰ পবিত্ৰ কল্পনা।"
(—দুৰ্গেশ্বৰ শৰ্ম্মা)

আন এটা কথাৰে, প্ৰকৃত কাব্য-সাহিত্যৰ আচল বস্তু মানৱহৃদয় বা মানৱ-প্ৰকৃতিৰ বিশ্বজনীন সত্য। এটা খণ্ড বস্তু বা উপকৰণ তাৰ অবলম্বন মাথোন। কবিয়ে এটা ফুলকে হওক এটা তৰাকে হওক অৱলম্বন কৰি হৃদয়-ভাৱৰ যি মূৰ্ত্তি, সেই সৌন্দৰ্য্যই কবিতা বা কাব্য।

বিধতাই তিল তিল কৈ বিশ্বৰ সকলো সৌন্দৰ্য্য গোটাই আনি শকুন্তলা ৰচনা কৰিছে বুলি দুষ্মন্তৰ মুখেদি কোওৱা কবি কালিদাসে প্ৰাচীন ভাৰতৰ তপোবন, অনসূয়া, প্ৰিয়ম্বদা, দুষ্মন্তৰ মৃগয়া, তপোবনৰ তৰুলতা-ফুল এই এটাই বিলাক উপকৰণ (Environment) তিল তিল কৈ গোটাই লৈ

অভিজ্ঞান শকুন্তলাৰূপী যি অমৰ সৌন্দৰ্য্যৰ তিলোত্তমা মূৰ্ত্তি ৰচনা কৰিলে. সেই অমৰ প্ৰেমৰ জীৱন্ত মূৰ্ত্তিয়েই সকলোকে অমৰ সৌন্দৰ্য্য আৰু আনন্দৰ অধিকাৰী কৰা অমৰ কাব্য।

বাইবেল শাস্ত্ৰ মতে আদাম ইভে নিষিদ্ধ গছৰ ( Forbidden tree ) ফল খোৱাৰ কাৰণেই মানুহ প্ৰথমে পাপত পৰিল আৰু দুখৰ সৃষ্টি হল। খৃষ্টান শাস্ত্ৰৰ এই কথাটোকে অৱলম্বন কৰি মহাকবি মিল্টনে Paradise Lost কাব্য লিখিলে। তত্ব হিচাপে এই কথাটো আজিকালি আমাৰ মনত, যাইকৈ বৈজ্ঞানিক দৃষ্টিৰে চালে এটা কুসংস্কাৰত বাজে আন একো যেন বিশ্বাস নহয়। কিন্তু Paradise Lostৰ আলম বা উপকৰণেটো এৰি, ভাবৰ ভিতৰলৈ সোমালে তাতো এটা মানুহৰ অন্তৰৰ সত্য ধৰা নপৰাকৈ নাথাকে। পৃথিবীত মানুহৰ যত ৰকম জঞ্জাল, আলৈ-আহুকাল আৰু সংসাৰৰ নিকাৰ, সি যে দ্বন্দ-জাত-জ্ঞানৰ পৰাই উদ্ভৱ তাত সন্দেহ কি? স্ত্ৰী পুৰুষৰ পৰস্পৰৰ প্ৰতি আকৰ্ষণ, এপিনে সৃষ্টিৰ মন্ত্ৰশক্তি হলেও, আনপিনে এই আকৰ্ষণৰ মোহান্ধতাতে যে Paradise Lost স্বৰ্গপতন হব লাগিছে, এই সত্য বুৰঞ্জী-স্বীকৃত।

নাম-ৰূপৰ অতীত অৰূপ চৈতন্য পুৰুষ যি দৰে সদায় নাম ৰূপ ধৰিয়েই প্ৰকাশ হব লাগিছে, প্ৰকৃত কাব্য সাহিত্য কলাইও সেই দৰে বিশেষ দেশ-কাল-পাত্ৰ আৰু বিশেষ বিষয় বস্তুৰ আলম লৈ অনন্ত শাশ্বত "ৰসো বৈ সঃ" ৰস স্বৰূপকে অনন্তকাল প্ৰকাশ কৰিবলৈ ধৰিছে। এই কাৰণেই প্ৰকৃত কাব্য প্ৰকৃত সাহিত্য বা প্ৰকৃত আৰ্ট ( Art ) সৌন্দৰ্য্যও অমৰ কবিৰ ভাষাৰে ক লে :—

> "Age does not wither
> Nor custom state her infinite variety."

## মিষ্টিক ( Mystic ) কবিতা—

আমাৰ বহুতে ভাবে যে ঈশ্বৰৰ কথা লৈ লিখা যেই সেই পদ্য বা কবিতাই "মিষ্টিক" কবিতা। আচলতে, সৃষ্টিৰ প্ৰত্যেক বস্তুৰেই অনন্ত ৰহস্যেৰে পৰিপূৰ্ণ গতিকে যেই সেই পদাৰ্থকে অৱলম্বন কৰিলেই mystic কবিতা হব পাৰে। জ্ঞান-বিজ্ঞানে আজিলৈকে জগত-সৃষ্টিৰ যি বিলাক বিশ্লেষণ আৰু ব্যাখ্যা কৰিছে তাৰ জনা শুনা সকলো অৰ্থ আংশিক হিচাপেহে সত্য,—

সমগ্ৰ হিচাপে পূৰা সত্যটো এতিয়াও এটা ৰহস্য মাথোন। এই ৰহস্য, এই mystery ব্যাখ্যা কৰা অসম্ভৱ ; ই কেৱল উপলব্ধিৰহে বিষয়। এই ৰহস্য অনুভূতিটোও মানুহৰ হৃদয়ত ক'ম বেছি আছেই, এই অনুভূতিৰ ফলতে mystic কবিতাৰ বিকাশ। প্ৰেম ভাৱটো নিজেই ৰহস্য পৰিপূৰ্ণ, গতিকে উত্তম কবিতা মাত্ৰকেই ক'ম বেছি পৰিমাণে mystic লক্ষণৰ।

"হে ঈশ্বৰ ৰক্ষা কৰঁা মোক
মই অতি পাপী নৰাধম !"

এই ফাকি ঈশ্বৰক কোৱা কথা হলেও, mystic নহয়, কাৰণ এই কথা ফাকিত অন্তৰৰ একো ৰহস্য ভাব নাই।

In such a night
Stood Dido with a willow in her hand
Upon the wild sea banks and waft her love
To come again to Carthage.
( Shakespear—Merchant of Venice )

এই ফাকিত ঈশ্বৰৰ কথা নকলেও—ইয়াত mysticism আছে, ইয়াৰ ভিতৰেদি এটা অনন্ত স্পৃহাৰ ভাব বিৰিঙি উঠে। ৰবীন্দ্ৰনাথৰ :—

"আমাৰ এই পথ চাওয়াতেই আনন্দ
খেলে যায় ৰৌদ্ৰ-ছায়া বৰ্ষা আসে বসন্ত।"

ইয়াত এটা গভীৰ ভাৱৰ তুলনা মনলৈ আহে। শঙ্কৰাচাৰ্য্যৰ :—

বালস্তাৱৎ ক্ৰীড়াসক্তঃ তৰুণস্তাৱৎ তৰুণীৰক্তঃ
বৃদ্ধাস্তাৱৎ চিন্তামগ্নঃ পৰমে ব্ৰহ্মাণি কোঽপি ন লগ্নঃ।

এই ফাকি সংসাৰৰ অসাৰত্ব বুজোৱা আধ্যাত্মিক ভাবৰ কথা হলে—ই mystic নহয়, ইয়াৰ প্ৰকাশ-ভঙ্গীয়ে হৃদয়ৰ ৰহস্য তন্ত্ৰীত আঘাত নকৰে ; ই অন্তৰৰ স্পৃহা সমুদ্ৰত একো হেন্দোলন নোতোলে ; বৰঞ্চ মহাপুৰুষ শ্ৰীশঙ্কৰ দেৱৰ :—

"তুমি জগ-জীৱ তোমাক পূজিলে মিলে আপোনাতে যাই
যেন মুখ শ্ৰীক প্ৰতিবিম্ব-মুখে দেখিয়া দৰ্পণ চাই ॥" (১)

এই ফাকিতে Mysticisam অৰ Touch অৰ্থাৎ পৰশ আছে।

(১) শঙ্কৰ-সাহিত্য Human-interest ৰ নহয় বুলি এটা তৰ্ক উঠিছে। আজিৰ আলোচনাত শঙ্কৰ সাহিত্যলৈ সময় নহল। মুঠতে ইয়াকে ক'ব পাৰি শঙ্কৰ সাহিত্য ধৰ্ম্ম প্ৰচাৰ মূলক সাহিত্য হলেও, ১৫ শতাব্দীত

বিজ্ঞান বিদ্যাই ঈশ্বৰ প্ৰমাণ কৰিব পৰা নাই, দৰ্শনেও ঈশ্বৰক মানুহৰ হৃদয়ৰ বস্তুৰূপে আপোনাৰ কৰি আনি দিবহি পৰা নাই,—কিন্তু কাব্য সাহিত্য আৰু ললিত কলাই অনন্ত সুন্দৰক হিয়াৰ বস্তু কৰি অলপ নহয় অলপ দিয়া নাইনে বাৰু ?

বেদ উপনিষদত, ঈশ্বৰ তত্ব আছে যদিও, বেদ উপনিষদ আচল দৰ্শন বা বিজ্ঞান নহয় ; বেদ উপনিষদৰ ঋষি ঘাইকৈ কবি, দ্ৰষ্টা। তেওঁলোকে বিশ্ববাসীক যি সত্যৰ সন্ধান দিছিল, সেই সন্ধানত সকলো দৰ্শন-বিজ্ঞান অতিক্ৰম কৰি বাজি উঠিছিল। —কবিৰ ভাষা ঃ—

"বেদাহ মেতৎ পুৰুষং মহান্তমাদিত্য বৰ্ণং তমসঃ পৰস্তাৎ।"

হৃদয়ৰ গভীৰ উপলব্ধি কবিৰ সৰল ভাষাৰে উদ্‌গীৰিত হৈছিল ঃ—

"ন তত্ৰ সূৰ্য্যোভাতি ন চন্দ্ৰ তাৰকং
নেমা বিদ্যুতোভাতি কুতোয়মগ্নিঃ
তমেব ভাত মনুভাতি সৰ্ব্বং
তস্য ভাসা সৰ্ব্বমিদং বিভাতি।" (২) ( —মুণ্ডক )

অৰ্থাৎ—"জ্বলা নাই চন্দ্ৰ সূৰ্য্য জ্বলা নাই গ্ৰহতাৰা—
জ্বলা নাই অগ্নি ক'তো বিজুলী পোহৰ ;
জ্বলিছে অনন্ত জ্যোতি, তাৰ পোহৰতে মাথোঁ
জ্বলিছে সকলো এই বিশ্ব চৰাচৰ।"

---

সি সেই ভাবেই মহাপুৰুষ দুজনৰ অলোকসামান্য প্ৰতিভাৰ আশ্ৰয়ত "শতপত্ৰ বিকসিত কৰি, দেশত তিমিৰ কৰিয়া বাজে ৰবিৰ কিৰণ" হৈছিল—লিখোঁতা—

(২) বেদ উপনিষদৰ বিশ্বদেৱতা ( Cosmic divinity ) পিচত ক্ৰমে দাৰ্শনিক তত্বৰ এটা Abstraction ত পৰিণত হৈ মায়াবাদৰ অৰণ্যত হেৰাই যোৱা হল। বিশ্বকবি ৰবীন্দ্ৰনাথে তেওঁৰ Religion of man নামক বিখ্যাত গ্ৰন্থ এঠাইত কৈছে ঃ—The cosmic divinity developed into an inpersonal idea, what was physical grew into metaphysical abstraction, even as in modern Science, matter vanishes into mathematics. কিন্তু methematics ( গণিত ) যেনেকৈ matter ( বস্তু ) নহয়, নিগুৰ্ণ নিৰ্ব্বিকাৰ ব্ৰহ্মতত্বও ( an abstraction ) তেনেকৈ মানুহৰ হৃদয়ৰ ঈশ্বৰ হব নোৱাৰে। "As the physiology of our beloved is not our beloved, so the impersonal Law is not our God." ( Tagore ) হৃদয়ৰ ঈশ্বৰ "ৰসো বৈ সঃ"—এজন ৰসময় ভগৱন্ত A personality. —লিখোঁতা—

# বিদায়-বেদনা

দিখউৰ বুকুৰ স'উ সৰু নাওখনি
টুলবুল কৰি গুচি যায় ;
বঠাৰ কোবত মিলি ভাটিয়ালী সুৰে
পৰীয়াৰ বিদায় জনায়,
দিগন্তত সিও মিলি যায়।

দিখউৰ বুকুত সউ আকাশৰ বগলীৰ
জাক পতা উৰণৰ জলিছে ছবিটি ;
তাতো যেন লিখা আছে "বিদায় ! বিদায় !
যাওঁ আমি, তুমিওতো যাবাগে', সখিটি,
আঁকি ল'ই বিদায়ৰ শেষৰ ছবিটি।"

দিখউৰ বুকুত স'উ সাদৰী সখীটী মোৰ
আধা তিতা কাপোৰেৰে ৰ'ই,
সেই আমোলোৱা মুখখনি ল'ই
আমোলন হাঁহি আৰু নিদিয়ে বিলাই ;

বুকুৰ আঁচলখনি কুঁচি-মুচি টানি ল'ই
তোলা নাই হাঁহিটিৰ লয়,
আজি—চেনেহৰ কথাটি নকয় ;
চকুলো নসৰা মাথোঁ চকুৰ পটাই
পচাৰতে কয়—"যোৱাঁ, দেৱতা, বিদায়।"

দিখউৰ বুকুত আছে সান্ধ্য নীৰৱতা,
নাই তাত ভাষা বেদনাৰ ;
আছে মাথোঁ দুয়ো পাৰ উটি-বুৰি যোৱা
ভাবৰৰ চকুলো এধাৰ,
নাই—পৰিস্ফুট ভাষা বেদনাৰ।

সকলোৰে বাবে যদি আছে এনেদৰে
বিদায়ৰ বেথা-ভৰা খেণ,
নাই কিয় হুৰা-দুৰা লগা হৃদয়ৰ
প্ৰকাশৰ শকতি একণ !
অপ্ৰকাশ বিদায়-বেদন !

# বিদ্যুৎ (Electricity)

আজি গোটেই পৃথিবী জুৰি বিজুলি আৰু চুম্বকাৰ্ষণ বিজ্ঞানে এটা নতুন যুগ আনিছে। ইয়াৰ প্ৰভাৱতে এশ মাইল বেগে ৰেলগাৰী চলিছে। মুহূৰ্ত্ততে সাত সাগৰ পাৰহৈ ৰেডিয়োত খবৰ বাতৰি আহিছে। ইয়াৰ প্ৰভাৱতে জলপ্ৰপাতৰ শক্তি আনি এশ মাইল দূৰৈত ট্ৰাম গাৰী চলোৱাৰ সম্ভব হৈছে।

মানুহে পৃথিবীত জন্মাৰধি আকাশৰ মেঘত বিদ্যুৎ দেখি আহিছে। তেওঁলোকে ইয়াক কি বুলি ভাবিছিল জানিবৰ কোনো উপায় নাই। সম্ভব জুইৰ ফিৰিঙটি বুলিয়েই ভাবিছিল। পশ্চিমৰ প্ৰাচীন পণ্ডিতসকলে মেঘৰ ভিতৰত থকা কোনো বাষ্প জ্বলি বিদ্যুৎ উৎপন্ন হোৱা বুলি ভাবিছিল। ৰামায়ন, মহাভাৰতত বিদ্যুৎ আৰু বজ্ৰ সম্বন্ধে নানা কথা উল্লেখ আছে। আকাশত বিদ্যুৎ আছে আৰু মাটিতো যে সি থাকিব পাৰে প্ৰায় আঢ়ৈ হাজাৰ বছৰৰে আগেয়ে গ্ৰীক দেশৰ থেলচ্ ( Thales ) নামে পণ্ডিত এজনে অলপ আভাস দি গৈছিল। এবিধ বগা আৰু চকমকীয়া শিল মাটিৰ তলত পোৱা যায়। তাৰ নাম ফটিক ( Amber )। হাজাৰ হাজাৰ বছৰ ধৰি গছ পাত মাটিৰ তলত পৰি থাকিলে যেনেকৈ সেইবোৰ কয়লাত পৰিণত হয়, তেনেদৰে গছৰ আঠা অনেক, বছৰ ধৰি মাটিৰ তলত পৰি থাকিলে তাৰপৰা ফটিক নামে এবিধ বস্তু উৎপন্ন হয়। পশ্মি কাপোৰেদি ঘঁহিলে এই ফটিকে কাকতৰ টুকুৰা, প্ৰভৃতি পাতল বাস্তবোৰ নিজৰ গালৈ টানি আনে। এই ঘটনাতো পোন প্ৰথমে গ্ৰীক্ পণ্ডিত থেলচ্ৰ চকুত পৰিছিল। কিন্তু ই যে বিদ্যুতৰ দ্বাৰা হয় তেওঁ বুজিব পৰা নাছিল।

পুৰণি কালত চিৰিয়াৰ তিৰোতা সকলে পাঁজি কাটিবলৈ যঁতৰত অম্বৰ নামে এবিধ তেলিয়া কাঠৰ শলা ব্যৱহাৰ কৰিছিল। যঁতৰ ঘূৰাওঁতে শলাডাল লগতে ঘূৰে আৰু সময়ে সময়ে সি গৈ পাঁজি, কাটোতাৰ পিন্ধি উৰি থকা পোষাকত ঘঁহা খায়। এই সংঘৰ্ষত বিদ্যুৎ উত্তৰ হয়। তাৰ প্ৰমাণ যঁতৰৰ পৰা উলিয়াই আনি শলাডাল মাটিত থলে সি ওচৰ কাষত পৰিথকা সৰুসুৰা কাকতৰ টুকুৰা, গছ পাত, ধূলি আদি বস্তুবোৰ নিজৰ গালৈ টানি আনে।

এই পাঁজি কটা তিৰোতাসকলে অজানিত ভাৱে ভালেমান কালৰ পৰা বিজুলী যন্ত্ৰ এটা চলাই আহিছিল। তেনেদৰে হাজাৰ হাজাৰ বছৰ আগেয়ে ভেৰা-ৰখীয়া সকলে শিলৰ নৰম গুৰিবোৰ অমাৰ্জ্জিত লোহাৰ জোঁওবোৰত লাগি থকা প্ৰায় দেখিবলৈ পাইছিল আৰু সেই বোৰলৈ কেৱল আচৰিত ভাবে লক্ষ্য: কৰিছিল মাত্ৰ।

উল্লিখিত কথাবোৰৰ ভিতৰত দুটা শক্তি নিহিত আছে। এটা বিদ্যুৎ (Electricity) আৰু আনটো (Magnetism)। ইয়াৰ প্ৰভাৱতে আজি পৃথিবীত নানা অদ্ভুত অদ্ভুত কাম সম্পন্ন হব ধৰিছে। চুম্বক-শিল বা অকৃত্ৰিম-চুম্বক এক প্ৰকাৰ ধোঁৱা বৰণীয়া কলা লোহাময় খনিজ পদাৰ্থ বিশেষ। ঠিক কোন সময়ত পৃথিবীৰ কোন ঠাইত পোন প্ৰথমতে ইয়াৰ আবিস্কাৰ হৈছিল নিশ্চয়কৈ কোৱা টান, কিন্তু ভিন ভিন দেশত এই সম্বন্ধে নানা গল্প আছে। গ্ৰীকবোৰৰ প্ৰচলিত গল্প মতে মেগ্‌নেচ্ ( Magnes ) নামে ভেৰাৰখীয়া এজনে ইড্‌ নামে পৰ্ব্বতত ভেৰা চৰাই থাকোতে ইয়াক আবিস্কাৰ কৰিছিল। ভেৰাৰ পিচে পিচে পৰ্ব্বত বগাই বগাই ভাগৰ লগাত সি পৰ্ব্বতৰ এঠাইত এদিন শুই পৰে আৰু হাতত থকা ভেৰা-ৰখা মাৰিডাল শিল এটাৰ গাত আঁওজাই থয়। মাৰি ডালৰ এমুৰত তাৰ লোহা লগোৱা আছিল। টোপনিৰ পৰা উঠি মাৰিডাল আনিব খোজোতে দেখিলে যে মাৰিডাল শিলটোৰ গাত দৃঢ় ভাবে লাগি আছে। এই কথা বৈজ্ঞানিকসকলৰ কাণত পৰিলত তেওঁলোকে নানা পৰীক্ষা কৰি লোহা আকৰ্ষণ কৰা শিল আবিস্কাৰ কৰিলে। ভেৰাৰখীয়া মেগ-নেচৰ নাম অনুসৰি তেতিয়াৰ পৰা নাম হ'ল মেগ্‌নেট্ ষ্টোন ( Magnet Stone )।

প্ৰাচীন মিচৰবাসী সকলেও যে চুম্বক শিলৰ লোহাৰ প্ৰতি আকৰ্ষণ থকা কথা জানিছিল তাৰ বহু ক্ষেত্ৰতে প্ৰমাণ পোৱা যায়। ইজিপ্‌টৰ ৰজা টলেমীয়ে আৰ্চিনো (Arsino) নামে থেচ দেশীয় গাভৰু এগৰাকীক বিয়া কৰায়। ঘৈণীয়েকৰ স্নেহৰ স্মৃতি ৰক্ষাৰ্থে টলেমীয়ে পৃথিবীৰ সেই কালৰ শিল্পী সকলক মাতি এটা মন্দিৰ নিৰ্ম্মাণ কৰিলে। সেই মন্দিৰৰ লগতে চুম্বক নিৰ্ম্মিত এটা সেতু এনে ভাবে সজালে যাৰ দ্বাৰা আকৃষ্ট আৰ্চিনোৰ লোহাৰ মূৰ্ত্তি এটা শূন্যতে ওলমি থাকে। প্ৰথমতে চাইনিজবোৰেও চুম্বকাৰ্ষণ শক্তি আবিস্কাৰ কৰি কামত লগাইছিল। তেওঁলোকে উত্তৰ আৰু দক্ষিণ মেৰু' আবিস্কাৰ হোৱাৰ বহুদিন আগতে চুম্বকেৰে দিক নিৰূপণ যন্ত্ৰ সাজি ( Compass) জাহাজ আদি চলোৱা

কামত ব্যৱহাৰ কৰিছিল। কিন্তু তেতিয়াও কেৱে বিজুলীৰ অপূৰ্ব্ব ভবিষ্যতৰ কথা কল্পনাকে কৰিব পৰা নাছিল।

লোহা নাইবা তীখাক বৈদ্যুতিক শক্তিৰ প্ৰভাৱত ৰাখি চুম্বক ধৰ্ম্মাক্ৰান্ত কৰিলে সি চুম্বক হয় তাক বৈদ্যুতিক চুম্বক কোৱা হয়। ইয়াকে ইংৰাজীত মেগ্‌নেট্‌ ( Electro-magnet ) বোলে। সাধাৰণতঃ ব্যৱহাৰিক কাজৰ কাৰণে লোহা নাইবা তীখাৰ ওপৰত ৰেশ্‌মী কাপোৰ অথবা তুলা মেৰোৱা তামৰ তাঁৰ জোৰাই সেই তাঁৰৰ মাজেৰে বিজুলী প্ৰৱাহ প্ৰৱাহিত কৰি চুম্বক ধৰ্ম্মাক্ৰান্ত কৰা হয়। বিজুলী প্ৰবাহ যিমান পৰলৈকে এই ভাৱে ভিতৰেদি প্ৰবাহিত হয় তিমান সময় এই লোহা বা তীখাডোখৰ চুম্বক ধৰ্ম্মাক্ৰান্ত হৈ থাকে। বৈদ্যুতিক প্ৰবাহ বন্ধ হলেই ইয়াৰ চুম্বকত্বয়ো হ্ৰাস যায় নাইবা একেবাৰে লোপ পায়।

বৈদ্যুতিক যন্ত্ৰ-তত্ব (Electrical Engineering ) বিভাগৰ প্ৰায় সকলো কামতেই বৈদ্যুতিক-চুম্বকৰ ব্যৱহাৰ দেখা যায়। তাৰ ভিতৰত কিছুমান যন্ত্ৰত বৈদ্যুতিক চুম্বকৰ প্ৰচলন খুব বেচি, যেনে বৈদ্যুতিক মটৰ ( Motor ) অৰ্থাৎ যাৰ দ্বাৰা বৈদ্যুতিক ট্ৰামগাৰী বৈদ্যুতিক ৰেলগাৰী আৰু আন আন প্ৰকাৰ ক'ল চলোৱা হয়, বিজুলী প্ৰবাহ উৎপন্ন কৰা যন্ত্ৰ ( Dynamo), টেলিফোন যন্ত্ৰ, ইলেকট্ৰিক টেলিগ্ৰাফ যন্ত্ৰ ইত্যাদি।

পোন প্ৰথমতে বিজুলী সংঘৰ্ষত উদ্ভৱ হয় বুলি মানুহে জানিব পাৰে। যিশুখৃষ্ট জন্মাৰ প্ৰায় তিনিশ বছৰ আগেয়ে থিয়োফ্ৰেচটাচ্‌ ( Theophrastes) দাৰ্শনিক এজনে চিন্তা কৰি উলিয়ালে যে তামৰ ঘৰ্ষণ কৰিলে তাত এটা আচৰিত অদৃশ্যশক্তি উদ্ভৱ হয়। তাৰ পিচত নানা পৰীক্ষা কৰি পালে অকল তামৰ গাতে তেনে শক্তি নিহিত থকা নাই আৰু তেনে ভালেমান খণিজ বস্তুৰ গাতো তেনে শক্তি থকা পোৱা যায়। ইংলণ্ডৰ ৰাণী এলিজাবেথৰ চিকিৎসক গিলবাৰ্ট চাহাবে উলিয়ালে পশমী কাপোৰ ঘঁহিলে কেৱল তামৰেই পাতল বস্তু টানি আনে এনে নহয়—ঘঁহিলে গন্ধক, কাচ মম প্ৰভৃতিয়েয়ো পায়। এই শক্তি গিলবাৰ্ট চাহাবেও বুজিব পৰা নাছিল। এৰিষ্টোটেলে (Aristotle) টৰ্‌পেডো ( Torpedo) মাছৰ গাত যে বিদ্যুৎ-শক্তি থকা এবিধ বস্তু আছে তাক বাহিৰ কৰিলে। সি তাৰ মানুহ আৰু মাছ উভয়কে অজ্ঞান কৰিব পাৰে। এই বিদ্যুৎ-শক্তি কামত লগাবলৈ বহুদিন ধৰি মানুহে চেষ্টা কৰিছিল। বাতগ্ৰস্থ মানুহক আৰোগ্য কৰিবলৈ এই বিদ্যুৎ-সম্পন্ন মাছৰ দ্বাৰাই চক্

(Shock) লগাইছিল। প্ৰথমতে এই প্ৰচেষ্টা যদিও বেয়া বুলি মানুহৰ ধাৰণা আছিল আজিকালি তেনে বেমাৰত বিদ্যুৎ-শক্তি প্ৰয়োগ কৰা দেখা যায় আৰু ইলেকট্ৰো মেডিকেল বিজ্ঞানৰ তাক এটা অংশ বুলি ধৰে।

এশ বছৰৰ আগতে ১৮৩১ চনৰ আগষ্ট মাহত মাইকেল ফেৰাদে (Michael Faraday) উলিয়ালে চুম্বকৰ সাহায্যত কেনেকৈ বিদ্যুতৰ আবিৰ্ভাব হয়। এদিন তেওঁ বৈজ্ঞানিক পৰীক্ষাগাৰত এখণ্ড চুম্বক লৈ পৰীক্ষা কৰি থাকোঁতে থাকোঁতে দেখিলে যে দুয়োমূৰ একত্ৰ কৰি লগ লগোৱা এক খণ্ড তামৰ তাঁৰৰ ওচৰত যদি এখণ্ড চুম্বক লোহা অনা নিয়া কৰা যায়, তেন্তে মুহূৰ্ত্তৰ কাৰণে সেই তামৰ তাঁৰত ক্ষীণ বিদ্যুৎ-তৰঙ্গৰ সৃষ্টি হয়। 'ইলেকট্ৰো ডায়েনেমিক' আবিস্কাৰৰ মূলতে ফেৰাদেৰ প্ৰতিষ্ঠিত এই তথ্য। ইয়াকে সহজ বাবে বুজাবৰ কাৰণে ফেৰাদে সৰু যন্ত্ৰ এটা সাজিছিল আৰু সেয়ে তেওঁৰ প্ৰথম 'মেগ্‌নেতো ইলেক্‌ট্ৰিকেল যন্ত্ৰ।' ইয়াৰে তেওঁ দেখুৱাইছিল—কেনেকৈ চুম্বক আৰু তামৰ তাঁৰৰ সংস্পৰ্শত বিদ্যুতৰ আবিৰ্ভাব হয়। আজি যি বিজুলী পোহৰ, পাঙ্খা, টেলিগ্ৰাফ, টেলিফোন, ট্ৰাম, আদি বিদ্যুতেৰে চলোৱা দেখিছোঁ তাৰ গুৰিতে ফেৰাদেৰ সেই সামান্য আবিস্কাৰ। সামান্য ধাতু এটুকুৰা ফেৰাদেৰ হাতত পৰি এই বিজুলী ব্যৱসায় আজি ভীষণ আকৃতি ধাৰণ কৰিছে।

বিজুলী প্ৰবাহ প্ৰথমতে আবিস্কাৰ কৰিছিল ৱটোভন্ গোৱাৰিকে (Olto Von Guericke)। ১৬৫০ খৃষ্টাব্দত কম্‌বাৰচাম (Combursome) নামে এবিধ যন্ত্ৰ উলিয়ায়। তাত তেওঁ গন্ধকৰ বল এটা মাৰি এডালত তুলিলৈ পৰীক্ষা কৰিছিল। গন্ধকৰ বলটো মাৰিডালত সামান্য ভাবে হেঁচি ধৰি মাৰিডাল ঘূৰাওঁতে ঘূৰাওঁতে বিদ্যুৎ-প্ৰবাহ উৎপন্ন হৈছিল। তাৰ পিচত তেওঁ উলিয়াইছিল কেনেকৈ এডাল ধাতু নিৰ্ম্মিত শিকলিৰে গন্ধকৰ বলটোৰ পৰা বিদ্যুৎ-প্ৰবাহ আন ঠাইলৈ বোৱাই নিব পৰা হয়।

তেওঁৰ পিচতে চাইমাৰ (Symmer) নামে বৈজ্ঞানিক এজনে উলিয়ালে বিজুলী দুবিধ। এবিধ (Positive) আনবিধ (Negative)। পজিটিভ আৰু নেগেটিভ বিদ্যুতৰ সমন্ধয়ো সেইদৰে ওভোতাটো। কাঁচৰ বিদ্যুতক 'নেগেটিভ'নকৈ 'পজিটিভ' কিয় কোৱা হয় তাৰ কোনো কাৰণ নাই। দুই প্ৰকাৰৰ বিদ্যুতৰ বিপৰীত গুণ প্ৰকাশ কৰিবলৈ এটাক 'পজিটিভ' আৰু আনটোক 'নেগেটিভ' কোৱা হয়। কোন বস্তুক কিহেৰে ঘঁহিলে কোন বিধ

বিদ্যুৎ উৎপন্ন হয় মনত ৰখা টান হৈ পৰে। মোটতে যি বস্তুৰে ঘঁহা যায় তাৰ ওপৰত উৎপন্ন বিদ্যুতৰ জাতি নিৰ্ভৰ কৰে। চুম্বকৰ যেনেকৈ দুটা মেৰু আছে, বিদ্যুতৰো তেনেকৈ দুটা জাতি আছে। চুম্বকৰ একে মেৰুৱে যেনেকৈ পৰস্পৰক বিকৰ্ষণ কৰে, একে জাতীয় বিদ্যুতেয়ো ঠিক সেইদৰে বিকৰ্ষণ কৰা দেখা যায়। যদি আমি কাঁচৰ ৰড্ ( rod ) এডাল এটুকুৰা চিল্ক-কাপোৰেৰে ঘহোঁ তেন্তে কাচৰ-ৰড্ত 'পজিটিভ' বিজুলী উদ্ভৱ হয় আৰু যদি মম এখণ্ডক ফ্লেনেল কাপোৰ এখনেৰে ঘহোঁ মমত 'নেগেটিভ' বিজুলী উদ্ভৱ হব। কাঁচৰ-ৰড, আৰু মম খণ্ড উভয়ে সৰু সৰু কাকতৰ টুকুৰা গছ পাত আদিৰ ওচৰত ধৰিলেই নিজৰ গালৈ আকৰ্ষণ কৰি আনে। তথাপি তাহাঁতত উৎপন্ন হোৱা বিজুলী পৃথক পৃথক। যদি দুটা একে প্ৰকাৰৰ বিদ্যুতেৰে চাৰ্জ্জ বস্তুৰ এটাৰ ওচৰলৈ আনটো আনিবলৈ চেষ্টা কৰা যায় তেন্তে সিহঁতে ওচৰ চাপিবলৈ সৈমান নহয়। কাৰণ একে প্ৰকাৰৰ চাৰ্জ্জবস্তু দুটাৰ এটাই আনটোক আঁতৰলৈ পঠাবলৈ চেষ্টা কৰে। কিন্তু বেলেগ প্ৰকাৰৰ বিদ্যুতেৰে চাৰ্জ্জ ( charged ) বস্তু দুটাৰ এটাই আনটোক ওচৰলৈ টানি আনে।

১৭২৯ চনত ষ্টিফেণ গ্ৰে ( Stephen Gray ) নামে আন এজন বৈজ্ঞানিক বিদ্যুৎ সম্বন্ধে নতুন তত্ত্ব এটা আৱিষ্কাৰ কৰিলে। তেওঁ পৰীক্ষা কৰি পাইছিল যে বিজুলী কোনো ধাতু ব্যৱহাৰ নকৰাকৈ চিল্ক সংযুক্ত পাতৰ সুতাৰে প্ৰায় হাজাৰ ফিট্ বোৱাই নিব পাৰি। তাৰ পিচত তেওঁ উলিয়ালে যে কাঁচৰ এক অংশক ঘঁহি যেতিয়া বিদ্যুৎ উৎপন্ন কৰা হয়, তেতিয়া সি সেই ঘঁহা অংশতে স্থিৰ হৈ থাকে; আন অংশত বিদ্যুতৰ চিহ্ন মাত্ৰও দেখা নাযায়। এনেদৰে ভালেমান পৰীক্ষা কৰি তেওঁ উলিয়ালে যে কাঁচ, কাগজ, ৰবাৰ প্ৰভৃতি বস্তুবোৰ বিদ্যুত অপৰিচালক Non conducter ) অৰ্থাৎ সেইবোৰ বস্তুৰ ভিতৰেদি বিদ্যুৎ চলাফিৰা কৰিব নোৱাৰে। কিন্তু পানী, ধাতু প্ৰভৃতি দ্ৰব্য লৈ পৰীক্ষা কৰি ইয়াৰ ওলোটাটো পালে। এইবোৰৰ কোনো অংশত বিদ্যুৎ উৎপন্ন কৰিলে, ক্ষন্তেকতে সি সকলো অংশতে বিয়পি পৰেগৈ। গ্ৰে চাহাবে তাৰ নাম দিলে পৰিচালক ( conductor ). বৈজ্ঞানিক সকলৰ মতে জীৱ, দেহ আৰু ধাতু মাত্ৰেই পৰিচালক। ইহঁতৰ ভিতৰেদি বিদ্যুৎ অবাধে চলাফিৰা কৰিব পাৰে। কাঁচ, কাগজ আদি বস্তুবোৰ বিদ্যুতৰ অপৰিচালক। কিন্তু সম্পূৰ্ণ পৰিচালক আৰু সম্পূৰ্ণ

অপৰিচালক বস্তু পৃথিবীত নাই। মানুহৰ দেহা আৰু মাটি উভয়ে পৰিচালক। কোনো ধাতুৰ বস্তুক বিদ্যুৎপূৰ্ণ কাৰ তাত হাত দিলে, সকলো বিদ্যুৎ শৰীৰৰ ভিতৰেদি মাটিলৈ গুচি যায়। এই পৰিচালক আৰু অপৰিচালক আবিস্কাৰ কৰে ১৭৩৩ চনত চাৰ্লচ ডুফে ( Charles Dufay ) চাহাবে।

১৭৪৫ খ্ৰীষ্টাব্দত ভন্ কেইষ্ট ( Von Kleist ) নামে বৈজ্ঞানিক এজনে লীডেন্ জাৰ ( Leyden jar ) আবিস্কাৰ কৰিলে। ই এক প্ৰকাৰ বিদ্যুৎ সংগ্ৰাহক যন্ত্ৰ মাত্ৰ। ইয়াৰে তেওঁ বিজুলী সঞ্চয় কৰিবলৈ চেষ্টা কৰিছিল। এটা কাঁচৰ বটলত কিছুমান পানী ভৰাই লৈ সেই পানীখিনিক বিদ্যুৎ যুক্ত কৰিবৰ তেওঁৰ ইচ্ছা আছিল। তেওঁ বটলটো সোঁ হাতে ধৰি লৈ আন-হাত খনেৰে বিদ্যুৎ উৎপাদক ফ্ৰিক্‌চনেল যন্ত্ৰ ( Frictional Machine ) এটা চলালে। যন্ত্ৰৰ পৰা বিদ্যুৎ লোহাৰ গজাল এটাৰ ভিতৰেদি পাত্ৰত থোৱা পানীলৈ গ'ল আৰু পানীখিনি বিদ্যুৎযুক্ত হ'ল। শেষত বটলত বিজুলী সঞ্চয় হৈছেনে নাই চাবলৈ বটলটো যন্ত্ৰৰ পৰা নমাব খুজিলে। এহাতে বটলটো নমাব নোৱাৰি বাওঁহাতখন নি বটলটো চুবলৈহে পালে মূহূৰ্ত্তে প্ৰকাণ্ড বিদ্যুতৰ চক্ ( Shock ) লাগি তেওঁ অজ্ঞান হৈ বাগৰি পৰিল। এনেদৰে 'লীডেন্ জাৰ' আবিস্কাৰ হ'ল। কিছুমানে লীডেন চহৰৰ মুচেন ব্ৰোক ( Muchen Broeck ) নামে বৈজ্ঞানিক এজনে ইয়াক আবিস্কাৰ কৰা বুলি কয়। এই লীডেন জাৰ বহল মুখৰ কাঁচৰ বটল এটা। বটলৰ ভিতৰ আৰু বাহিৰ কিছু অংশলৈকে ৰাং পাত দি মেৰিওৱা থাকে। বটলৰ মুখত এটা কুঁহিলাৰ সোপা ( Cork ) লগোৱা থাকে। তাৰ পিচত পিতল বা তামৰ এডাল মাৰি সোপাৰ ভিতৰেদি বটলৰ তলৰ ৰাং পাতত লগাই ৰখা হয়। মাৰি ডালৰ বিদ্যুৎ যাতে বতাহলৈ যাব নোৱাৰে তাৰ কাৰণে তাৰ আগত এটা পিতলৰ বল লগোৱা থাকে। সাধাৰণতঃ ইয়াকে বিদ্যুৎ সংগ্ৰাহক লীডেন জাৰ কোৱা হয়

বেঞ্জামিন্ ফ্ৰেঙ্ক্লিনে ( Benjamin Franklin ) এই লীডেন জাৰৰ সৈতে ভালেমান পৰীক্ষা ( Experiment ) কৰিছিল। তেওঁৰ বিখ্যাত পৰীক্ষা হ'ল বিজুলী ( Lightning ) যে বিদ্যুৎ ( Electricity ) তাকে প্ৰমাণ কৰি দেখুৱা। তাকে প্ৰমাণ কৰি দেখুৱাবলৈ ১৭৫২ খৃষ্টাব্দত এটা চিলা ( Kite ) সাজি চিলাৰ গাত এটা গজাল বান্ধি তাৰ লগত চিলাটোৰ সূতা জোৰাই দিছিল। মেঘ দেখা দিলত তেওঁ চিলাটো উৰাই দিলে।

লাহে লাহে সি গৈ মেঘৰ ওচৰ চাপিলত ফনিত পশ্‌মী কাপোৰ ঘঁহিলে যেনেকৈ বিদ্যুতৰ ফিৰিঙটি ওলায় ঠিক তেনেদৰে ফিৰিঙটি সুতাত লগোৱা গজালৰপৰা বাহিৰ হবলৈ ধৰিলে আৰু লগে লগে তেওঁৰ গাত চক্ ( Shock ) লাগিল। ফ্ৰেঙ্কলিনে চিলা উৰাই আকাশৰ যে বিদ্যুৎ ভয়ামলৈ নমাই আনি কামত লগাব পাৰি তাকে দেখুৱালে।

মেঘৰ বিদ্যুৎ ভয়ামলৈ নামি আহিলে আমি বজ্ৰপাত হোৱা বুলি কওঁ। এই বজ্ৰপাত হোৱা ঠাইৰ ওচৰত মানুহ, গৰু, গছ আদি থাকিলে পুৰি যায়। মেঘৰ নাম বিদ্যুত যেতিয়া বজ্ৰৰ আকাৰে ভয়ামলৈ নামে, তেতিয়া ই ওখ ঠাইত পৰে কাৰণ সি সদায় চুটি বাট ধৰি চলে। মেঘৰপৰা মাটিৰ দূৰত্বতকৈ গছৰ আগ, মন্দিৰৰ চূড়াৰ দূৰত্ব বহুত কম। গতিকে এইবোৰ ওখ ঠাইত বজ্ৰ পৰে। ডাঙৰ ডাঙৰ চহৰবোৰত কেইবা তলাৰো পকা ঘৰ আছে। এই ঘৰবোৰ ৰক্ষা কৰিবৰ কাৰণে বজ্ৰ প্ৰতিৰোধক চিতিকা তাত, ( Lighting conductor ) লগোৱা থাকে। এই ধাতুময় চিৰিকাৰ গুৰিভাগ মাটিৰ তললৈকে পোতা হয় আৰু আগভাগ ঘৰৰ চালৰপৰা ভালেখিনি ওপৰত ৰখা হয়। যেতিয়া বিদ্যুৎপূৰ্ণ মেঘ আহি ঘৰৰ ওপৰত :পৰে—ভৈয়ামত আৰু ঘৰৰ সকলো ঠাইতে তাৰ ঠিক বিপৰীত বিদ্যুতৰ আবেশ হয়। ওপৰৰ বিদ্যুতে সদায় চেষ্টা কৰে ভৈয়ামৰ বিপৰীত বিদ্যুতৰ লগত মিলিবৰ কাৰণে। বজ্ৰ প্ৰতিৰোধক মাৰি থাকিলে বিদ্যুৎ বৰ বেচিকৈ জমিব নোৱাৰে। বজ্ৰপ্ৰতি-ৰোধক মাৰিডালৰ আকৃতি সৰু বুলি ওপৰৰ বিদ্যুৎপূৰ্ণ মেঘে ঘৰবাৰী আৰু মাটিত যি বিপৰীত বিদ্যুৎ উদ্ভৱ কৰে; সি লাহে লাহে বজ্ৰ-প্ৰতিৰোধক মাৰিৰে বাহিৰলৈ যায় আৰু শেষত মেঘত ঠেকা খায় আৰু মেঘৰ বিদ্যুৎ নষ্ট কৰি পেলায়।

বিদ্যুৎযুক্ত বস্তুৰ ওচৰত কোনো বিদ্যুৎ পৰিচালক বস্তু ৰাখিলে তাৰ এফালে বিপৰীত বিদ্যুৎ আবিৰ্ভাব হয় গতিকে বিদ্যুৎপূৰ্ণ মেঘে ওচৰৰ আন আন মেঘত বিপৰীত বিদ্যুতৰ আবিৰ্ভাৱ কৰে। তাৰ পিচত এই বিপৰীত বিদ্যুৎযুক্ত দুচটা মেঘ ওচৰ চাপিলে তাহাঁতৰ মাজত থকা বতাহৰ বাধা ভেদ কৰি পৰস্পৰ বিদ্যুৎ মিলি যায়। লীডেন জাৰৰ কাঁচ দুই খণ্ডই যেনেকৈ তাত উদ্ভৱ হোৱা বিদ্যুতক বেলেগ কৰি ৰাখে তেনেদৰে আকাশ আৰু মাটিতে বিদ্যুৎতক বেলেগ কৰি ৰাখে বতাহে। কিন্তু শক্তি বেচি হ'লে কোনোৱে তাঁহাতক বাধা দি ৰাখিব নোৱাৰে। সেই সময়ত মেঘৰ গৰম বিদ্যুৎ প্ৰকাণ্ড

ফিৰিঙটি আকাশে তললৈ নামি আহে আৰু মাটিৰ বিদ্যুতৰ লগত মিলি যায়। এয়ে হ'ল বজ্রপাত।

বিজুলীয়ে চিক্‌মিকোৱা ভালেমান পিচত মেঘৰ গাজনি শুনা যায়। মেঘৰ গাজনি কেনে ভাবে হয় অলপ ভাবি চালে ওলাই পৰে। বিদ্যুৎ যি ঠাইলৈ যায়, সেই ঠাইৰ বতাহ হঠাৎ গৰম হৈ উঠে। গৰম হোৱাত এই বতাহ আয়তনত বাঢ়ি চাৰিওফালৰ ডাঠ বতাহৰ মাজত থাকিব নোৱাৰি ওপৰলৈ উঠিব ধৰে। সেই সময়ত ওচৰৰ বতাহে বেগেৰে শূন্য স্থান পূৰণ কৰিবলৈ যাওঁতে মেঘৰ গাজনিৰ শব্দ হয়। বিজুলীয়ে চিক্‌মিকোৱাৰ লগে লগে পোহৰ আৰু শব্দ হয় কিন্তু শব্দ শুনা যায় পোহৰ দেখাৰ ক্ষন্তেক সময়ৰ পিচতে। ইয়াৰ কাৰণ পোহৰৰ গতি শব্দৰ গতিতকৈ বহুত বেচি। পোহৰ চেকেণ্ডত এক লক্ষ ছয়াশী হাজাৰ মাইল বেগে চলে আৰু শব্দ চলে চেকেণ্ডত মাত্র ১১০০ ফিট বেগে।

১৭৮৫ খৃষ্টাব্দ 'লুইগি গেলভানি' ( Luigi Galvani ) নামে ইটালিৰ বৈজ্ঞানিক এজনে ধাতু নির্ম্মিত চেপেনা ( Clamph ) এপাতৰে ভেকুলী এটাৰ ঠেং এখনত চেপামাৰি ধৰিবলৈ চুৰি এখনেৰে কাটি আছিল। হঠাৎ চেপেনাডাল গৈ চুৰিখনত ঠেকা খালে আৰু লগে লগে ভেকুলীৰ ঠেংটো কোঁচ খাই উঠিল। তাৰ পিচত ভেকুলীৰ ঠেংটো হঠাৎ এনেদৰে কোঁচ খোৱাৰ কাৰণ তেওঁ বিচাৰিবলৈ ধৰিলে। এনেদৰে নানা পৰীক্ষা কৰি তেওঁ 'এনিমেল ইলেক্‌ট্রিচিতি, বাহিৰ কৰিলে। গেলভানিৰ পিচত ইটালি বিশ্ববিদ্যালয়ৰ প্রফেচাৰ এলেক্‌জান্দ্রো ভল্টাই নানা পৰীক্ষা কৰি আৰু ৰাঙৰ দুটা বেলেগ বেলেগ স্তূপ ( pile ) সাজি স্তূপ দুটাৰ মাজত থলে লুণীয়া পানীৰে তিতোৱা কাপোৰ এখন। তাৰ পিচত স্তূপ দুটা এডাল তামৰ তাঁৰৰে লগ লগোৱাত সেই তাঁৰৰ ভিতৰেদি বিদ্যুতৰ সোঁত বৰলৈ ধৰিলে। এনেদৰে ভল্টাই বিজুলীৰ প্রৱাহ উৎপন্ন কৰা শক্তি এটা আবিস্কাৰ কৰিলে, তেতিয়াৰ পৰাই তেওঁৰ নাম অনুসৰি ইলেকট্রিক প্রেচাৰৰ ( Electric pressure ) ইউনিট্ ( Unit ) হ'ল (Volt) এই ৰসায়নিক হিচাবে যি বিজুলী পোৱা যায় সি আগেয়ে সংঘৰ্ষত পোৱা বিজুলীৰ দৰে কিন্তু ইয়াৰ পৰিমাণ খুব বেচি আৰু পোৱা উপায়ো সহজ।

১৮২০ চনত ওৰষ্টেড্ ( Oersted ) নামে ডেনিচ্‌ৰ প্রফেচাৰ এজনে আবিষ্কাৰ কৰিলে যে তাঁৰত প্রৱাহিত বিজুলী প্রৱাহে আচল ঠাইৰপৰা

কম্পাচৰ ( Compass ) কাটাডাল ইফালে সিফালে লৰাব পাৰে। এই মত-টোকে আলমলৈ এন্দ্ৰেমেৰি এম্পিয়াৰ (Andre Mari Ampere) নামে ফৰাচি গণিতজ্ঞ পণ্ডিত এজনে নানা কথা আবিস্কাৰ কৰিলে। তাৰ ভিতৰত তেওঁ ইয়াকে পালে যে যদি একোচা ঘূৰণীয়া ভাবে মেৰোৱা তাঁৰৰ ( a coil of wire ) ভিতৰেদি বিজুলী প্ৰবাহিত হয় তেন্তে তাঁৰকোছাই চুম্বকৰ অৱস্থা প্ৰাপ্ত হয়। ইয়াকে প্ৰমাণ কৰি বিজুলী আৰু চুম্বকৰ সম্বন্ধে তেওঁ আবিস্কাৰ কৰিলে। তেওঁৰ নাম অনুসৰি তেতিয়াৰ পৰা বিজুলী প্ৰবাহৰ 'ইউনিট্' ( Unit) হ'ল 'এম্পিয়াৰ'।

১৮২৫ চনত বিজুলীয়ে মনা প্ৰধান নিয়ম ( lair ) আবিস্কাৰ কৰিলে জৰ্জ্জ চাইমন্ ওম্চে ( George Simon Ohm)। এডাল ধাতুৰ মাৰিৰ ( metal rod ) ভিতৰেদি বেলেগ বেলেগ বিজুলী প্ৰবাহ ( Electric current ) পৰিমাণে পঠিৱা বিজুলী প্ৰবাহ অনুযায়ী মাৰিৰ প্ৰত্যেক ঠাইতে ভল্তেজ ( Voltage ) বেচি কম হয়। কিন্তু মাৰিৰ দুডোখৰ নিৰ্দ্দিষ্ট ঠাইৰ ভলতেজৰ বিয়োগ ফলক (difference of Voltage) পাঠিওৱা বিজুলী প্ৰবাহেৰে হৰণ কৰিলে হৰণ ফল সদায় সমান থাকে। সদায় সমান থকা হৰণ ফলকে সেই দুই নিৰ্দ্দিষ্ট ঠাইৰ মাজৰ প্ৰতিৰোধক ক্ষমতা ( resistance ) বোলে।

$$\text{Current ( বিজুলী-প্ৰৱাহ )} = \frac{\text{Voltage ( হেঁচাশক্তি),}}{\text{resistance ( প্ৰতিৰোধক ক্ষমতা )}}$$

"যি বিজুলী শক্তিয়ে আজি গোটেই পৃথিবীত এটা নতুন যুগ আনিছে তাৰ মূলতে এই প্ৰতিস্থিত তথ্যবোৰ। অতীত আবিস্কাৰৰ আলমলৈ উনৈশ শতাব্দিৰ শেষ ভাগত মাইকেল ফেৰাদে তাক কামত খটাই নতুনকৈ উইলিয়ালে 'ইলেক্ট্ৰো মেগ্নেতিক ইন্ডাকচন্' যন্ত্ৰ। ফেৰাদেৰ 'ইলেক্ট্ৰো মেগ্নেতিক ইনডাকচন' যন্ত্ৰৰ আৰ্হিলৈ পিচত বৈজ্ঞানিক সকলে ইলেকট্ৰিক ডায়নামো Dynamo সাজিলে। ১৮৫১ চনলৈকে মানুহে ইয়াক কামত খটাব পৰা নাছিল। গ্ৰামী নামে আন এজন বৈজ্ঞানিকে 'ৰিং-আৰমেচাৰ, ( Ring armature ) আবিস্কাৰ কৰি ডায়নামোত খটালতহে ইয়াৰ বহুল প্ৰচলন হ'ল। এই 'আৰমেচাৰ' ওলোৱাৰ পৰা মানুহে এনে এবিধ যন্ত্ৰ পালে যাৰ দ্বাৰা বিজুলী শক্তি উদ্ভৱ কৰিব পাৰি। এই কৌশল বোৰৰ ক্ৰমোন্নতিৰ লগে লগে বিদ্যুৎ শক্তি উদ্ভৱ কৰি মানুহে ইচ্ছামতে তাক কামত খটাব পৰা হ'ল।

টেলিগ্ৰাফ্ টেলিফোন, আদি ওলোৱাৰ আগৰ যুগত এঠাইৰ পৰা আন ঠাইলৈ কিবা জৰুৰী বাতৰি পঠাব লাগিলে, মানুহে আজি কালিৰ দৰে অনায়াসে, চকুৰ পলকতে তাক কৰিব নোৱাৰিছিল। টেলিফোন, টেলিগ্ৰাফ, বেতাঁৰ যন্ত্ৰ আদিয়ে মানুহ আৰু দেশৰ মাজত দূৰত্ব কমোৱাৰ লগে লগে, টকা পইচাৰ খৰচো কমাই আজিকালি বেহাবেপাৰৰ যুগত মানুহৰ কিমান উপকাৰ সাধিছে তাক কৈ শেষ কৰা টান। যদি কোনো বন্ধু এজনৰ লগত আমি কথা পাতিব খোজো তেওঁ যিমান দূৰতে নেথাকক লাহেকৈ টেলিফোনৰ নলটো কাণত লগাই সুধিলেই হ'ল, তৎক্ষণাৎ সিমূৰৰপৰা তেওঁ কাণে কাণে খবৰ কৈ যাব। তাত কথা কলে ঘৰৰ একোঠালিৰপৰা আন কোঠালিত থকা মানুহৰ লগত কথা কোৱা যেন লাগে। এটা ঢৌ নোহোৱা পুখুৰীৰ মাজলৈ যদি এটা শিলগুটি মাৰি দিয়া হয়, তেতিয়া পুখুৰীৰ মাজত দলিটোৰ চাৰিওফালে এটা ঢৌ উঠে, আৰু সেই ঢৌ ক্ৰমান্বয়ে বাঢ়ি তাৰ শেষত গোটেই পুখুৰীটোকে আগুৰি পেলায়।

আমাৰ চাৰিওফালে বায়ু সাগৰে আগুৰি আছে। যেতিয়া আমি কথা কওঁ, তেতিয়া সেই বায়ু সাগৰত এটা ঢৌ উঠি চাৰিওফালে বিয়পি যায়, আৰু সি যেতিয়া কাণৰ ভিতৰত থকা হাৰিয়াটোত ( Eardrum ) আঘাত কৰে, তেতিয়া আমি আনৰ কথা বা আন কোনো শব্দ শুনিবলৈ পাওঁ। কথাৰ যিবোৰ ঢৌ বতাহত উটি আহি আমাৰ কাণত আঘাত কৰেহি সেইবোৰ ঢৌ কথা কওঁতাৰ মুখৰ শব্দৰ প্ৰতিধ্বনি মাত্ৰ। গতিকে এই প্ৰতিধ্বনিবোৰে আমাৰ কাণত কওঁতাৰ কথাৰ অনুভূতি জন্মায় আৰু এই অনুভূতি আমি বুজি পাঁও। কিন্তু পুখুৰীটো বেচি ডাঙৰ হলে যেনেকৈ শিলগুটিয়ে তোলা ঢৌ পাৰ পায়গৈমানে তাৰ শক্তি কমি আহি ক্ৰমান্বয়ে অস্পষ্ট হৈ যায়, তেনেকৈ বেচি দূৰৰপৰা কথা কলে, সেই কথাৰ ঢৌৰ শক্তি লাহে লাহে কমি যোৱাত, আমি তাক বুজিবলৈ টান পাওঁ। কিন্তু টেলিফোন ওলোৱাৰ পৰা এই অসুবিধা দূৰ হৈছে।

বিজুলী শক্তিয়ে টেলিফোনৰ তাঁৰেদি আমাৰ কথা বহুত দূৰলৈ লৈ যায়, সেইদেখি টেলিফোনেৰে ইংলণ্ড বা আমেৰিকাৰ মানুহৰ লগতে অতি সহজে কথা পাতিব পাৰি। ১৮৭৬ চনত আলেকজাণ্ডাৰ গ্ৰেহাম বেল নামে এগৰাকী মণিষীয়ে বহু চেষ্টাৰ ফলত টেলিফোন আবিস্কাৰ কৰিলে। টেলিফোন আবিস্কাৰৰ সময়ত বেলচাহবৰ বয়স আছিল ২৭ বছৰ আৰু

ৱাট্‌ছনৰ মূঠে ২২ বছৰ। যিদিনা টেলিফোন যন্ত্ৰ সম্পূৰ্ণ হ'ল, সিদিনা সেই যন্ত্ৰৰ সহায়তে আঢ়ৈ কুৰি হাত দূৰৰপৰা ইঞ্জনৰ লগত সিজনে কথা পাতিছিল। টেলিফোন যন্ত্ৰৰ বিশেষ জটিলতা একো নাই। পাতল দুচটা লোহাৰ পাত ইয়াৰ প্ৰধান অংশ। সেই পাত দুচটাৰ এচটা বক্তাৰ মুখৰ ওচৰত আৰু আন চটা শ্ৰোতাৰ কাণৰ ওচৰত থাকে। এই পাত দুচটাৰ ওচৰতে বিজুলী তাঁৰ লগোৱা থাকে। তাৰ ফলত কথা কওঁতাৰ মুখৰ ওচৰৰ পাত দুচটা যেনেকৈ কঁপিবলৈ ধৰে, ঠিক তেনেকৈয়ে কাণৰ কাষৰ পাত চটাও কঁপি ওঠে। প্ৰথম পাত চটাৰ কাষত থিয় হৈ কোনোবাই কথা কলে, কওঁতাৰ কথাৰ সুৰ উচ্চতা, নিম্নতা, গভীৰতা অনুসৰি প্ৰথম পাত চটা কঁপি উঠে, আৰু দ্বিতীয় পাত চটাৰ সন্মুখত থিয়হৈ তাৰ ওচৰলৈ কাণথন নিয়ে, তেনেহলে কওঁতাৰ কথাবোৰ স্পষ্টকৈ শুনিবলৈ পোৱা যায়।

টেলিফোন আৰু টেলিগ্ৰাফ দুটা বেলেগ প্ৰকৃতিৰ বস্তু। টেলিফোনেৰে মানুহৰ কথাৰ সুৰটো যন্ত্ৰৰ ভিতৰত ধৰি তাক বিকৃত নকৰাকৈ শুনোতাৰ কাণলৈ পঠিয়াই দিয়া হয়। কিন্তু টেলিগ্ৰাফত এনে কৰা নহয়। টেলিফোনত মানুহে কোৱা কথাৰ শব্দৰ দ্বাৰা বাতৰি পঠিৱা হয়, কিন্তু টেলিগ্ৰাফত এনেবোৰ শব্দৰ সলনি কিছুমান সাঙ্কেতিক চিনৰ দ্বাৰা বাতৰি পঠিৱা হয়। ১৮৩৩ খ্ৰীষ্টাব্দত পোন প্ৰথমে গচ্‌ ( Gauss ) আৰু ৱেবাৰ ( Weber ) নামে দুজন বৈজ্ঞানিকে টেলিগ্ৰাফৰ যন্ত্ৰ আবিস্কাৰ কৰিলে। তেতিয়া কিন্তু তেওঁলোকে বিজুলী শক্তিৰ সহায়েৰে টেলিগ্ৰাফৰ বাতৰি পঠিৱা কৌশলটো উলিয়াব পৰা নাছিল। পিচে ১৮৩৬ খ্ৰীষ্টাব্দত চাৰ চাৰ্লছ হুইট্‌ষ্টোন নামৰ আন এজন বৈজ্ঞানিকে তাঁৰৰ মাজেদি বিজুলী যোগে বাতৰি পঠিয়াব পৰা কৌশলটো আবিস্কাৰ কৰিলে। কিছুদিনৰ পিচত মৰ্চ্‌ ডিগ্‌নে নামেৰে এগৰাকী বৈজ্ঞানিকে এই বাতৰি পঠিয়াবলৈ কিছুমান সাঙ্কেতিক চিন্‌ ব্যৱহাৰ কৰিবলৈ ধৰিলে।

টেলিগ্ৰাফৰ প্ৰধান কৌশল হৈছে তাঁৰৰ ভিতৰেদি এবাৰ বিজুলী শক্তি পঠোৱা আৰু তাৰ পিচ মুহূৰ্ত্ততে তাক পঠোৱা বন্ধ কৰা। টেলিগ্ৰাফ পঠাবৰ সময়ত টেলিগ্ৰাফৰ মানুহজনে চাবিটো এবাৰ তললৈ টিপি, এবাৰ চাবি দি 'টৰে টক্ক', শব্দ কৰে। এই "টৰে টকা" শব্দ দুটা বিন্দু ( . ) আৰু আঁচেৰে ( - ) বুজোৱা হয়। সেই চাবিটো এনে ধৰণে তৈয়াৰী যে যেতিয়ালৈকে ইয়াক টিপি ধৰি থকা হয় সিমান সময় টেলিগ্ৰাফৰ তাঁৰৰ ভিতৰেদি বিজুলী শক্তি চলি থাকে, আৰু এৰি দিলেই, চাবিৰ তলত থকা এটা স্প্ৰিঙৰ সহায়ত

চাবিটো অলপ ওপৰলৈ উঠি আহে আৰু তৎক্ষণাত বিজুলী শক্তি পঠোৱা বন্ধ হয়। য'ৰপৰা টেলিগ্ৰাম পঠিৱা হয়, তাৰ যেনেকৈ টৰে টক্কা শব্দ হয়, য'লৈ এই টেলিগ্ৰাম যায়, তাতো সেই একেদৰেই একে শব্দ হয়। য'লৈ টেলিগ্ৰাম পঠিৱা হয় সেই ঠাইত যন্ত্ৰত লগোৱা এখন কাকতৰ ওপৰত সেই সাঙ্কেতিকবোৰ আপোনা আপুনি লিখা যায়। এই সাঙ্কেতিক চিন (.) আৰু আঁচবোৰ (-) বেলেগ বেলেগকৈ গোট খুৱালে বৰ্ণমালাৰ একোটি আখৰ হয়।

বৈজ্ঞানিকসকলৰ চেষ্টাত আজি কালি বিনাতাঁৰে বাতৰি পঠাব পৰা হৈছে। এক প্ৰকাৰে কবলৈ গলে ইয়াৰ জন্ম হয় হেন্‌ৰিক্ হাৰ্ট্‌জৰ ( Heinrich Hartz ) লেবোৰেটৰীত। ১৮৪৭ খ্ৰীষ্টাব্দত জেম্‌চ্ মেক্সৱেল নামে বৈজ্ঞানিক এজনে বিলাতৰ ৰয়েল চোচাইটিত বায়ু মণ্ডলত সদায় এটা বিজুলী শক্তিৰ ঢৌ থকা সম্বন্ধে এটা প্ৰবন্ধ পঢ়ে। তাৰ কেইবছৰমান পিচত মাৰ্কনিয়ে বিনাতাঁৰে এঠাইৰপৰা আন ঠাইলে বাতৰি পঠাব পৰা কথা আবিস্কাৰ কৰিলে। পোন প্ৰথমতে ১৮৯৭ খ্ৰীষ্টাব্দৰ শেহভাগত চেলীচবেৰী বোলা এখন চহৰৰ পৰা ৩৪ মাইল দূৰত থকা 'বাথ' বোলা চহৰ এখনলৈ পোন প্ৰথমতে বাতৰি পঠিৱা হৈছিল। তাৰ তিনি বচৰৰ পিচত কৰ্ণৱালৰ পল্‌ধু নামে ঠাই এখনত বেতাঁৰ টেলিগ্ৰামৰ ডাঙৰ ষ্টেচন এটা বহুৱা হয়। ১৯০০ খ্ৰীষ্টাব্দৰ পোন প্ৰথমে পল্‌ধুৰ পৰা আটলাণ্টিক মহাসাগৰৰ ওপৰেদি চেণ্ট্‌জন্স নিউফাউণ্ডলেণ্ড বোলা ঠাইলৈ বাতৰি পঠিয়াছিল।

বৈজ্ঞানিক সকলে কয় যে বিশ্ব ব্ৰহ্মাণ্ড বিয়াপি 'ইথাৰ' নামে এটি মনে পতা বস্তু আছে। ই সকলো ঠাইতে থাকে। এই 'ইথাৰ' যে প্ৰকৃততে কোন বস্তু, বিজ্ঞানে সঠিককৈ আজিলৈকে কব পৰা নাই। কেৱল এইটোৱেই প্ৰমাণিত হৈছে যে বিশ্ব ব্ৰহ্মাণ্ডৰ প্ৰতি কণিকাতে ই বিয়পি আছে। বিজুলী শক্তিৰ সহায়ত এই ইথাৰত ঢৌ তুলিব পাৰি। পুখুৰীৰ মাজলৈ শিলগুটি এটা মাৰি দিলে যেনেকৈ পুখুৰীৰ মাজত ঢৌ উঠি লাহে লাহে চাৰিওফালে বিয়পি পৰে ঠিক তেনেকৈ ইথাৰত ঢৌ উঠিলে সেই ঢৌ লাখ লাখ মাইল দূৰলৈ বৈ যায়। গতিকে কোনো এঠাইত ইথাৰ সমুদ্ৰত ঢৌ তুলিলে সেই ঢৌ সকলো ফালে বিয়পি পৰিব, আৰু তাক ধৰিবলৈ কিবা যন্ত্ৰ থাকিলে তাক ধৰিব পৰা যায়। কথা কওঁতে বতাহত যে ঢৌ উঠে যন্ত্ৰৰ সহায়েৰে সেই বতাহৰ ঢৌ অনুযায়ী ইথাৰতো ঢৌ তুলিব পাৰি। সংগ্ৰাহক যন্ত্ৰৰ দ্বাৰাই এই ইথাৰৰ

ঢৌ ধৰি আকৌ আগৰ নিচিনা বতাহৰ ঢৌলৈ নিব পাৰি। এই প্ৰণালীৰে পৃথিবীত ক'ত কি ঘটিছে জানিব পাৰি। এই ইথাৰ ইমান বেগাই যায় যে মুহূৰ্ত্তৰ ভিতৰতে ই গোটেই বিশ্ব ব্ৰহ্মাণ্ড বিয়পি পৰে গতিকে পৃথিবীৰ এমূৰৰ পৰা বাতৰি পঠালে ই পলকৰ ভিতৰতে আনমূৰ পায়গৈ। যন্ত্ৰ এটা ৰাখিলেই ঘৰতে বহি পৃথিবীৰ সিমূৰত কোৱা কথা বা গান শুনিব পাৰি। সাগৰৰ মাজত কোনো জাহাজ কিবা ৰকমে বিপদত পৰিলে, তৎক্ষণাত এই উপায়েৰে চাৰিওফালে বাতৰি পঠিয়াব পাৰি। এই আটাইবোৰতকৈ আধুনিক অপূৰ্ব্ব আবিস্কাৰ হ'ল বিজুলীৰ দ্বাৰা এখন দেশৰপৰা আন এখন দেশলৈ ছবি, দস্তখত আৰু ফটোগ্ৰাফ্ পঠোৱা। থৰ্ণ বেকাৰ ( Thorn Baker ) নামে বৈজ্ঞানিক এজনে আবিস্কাৰ কৰা 'টেলিকেট্ৰোগ্ৰাফ' নামে এবিধ যন্ত্ৰৰ সহায়ত তিনি বছৰ ধৰি পেৰিচৰ পৰা লণ্ডনলৈ নিতৌ ছবি টেলিগ্ৰাফ পঠিয়াইছিল। তাৰ পিচত এড্‌ৱাৰ্ড বেলিন ( Edward Belin ) নামে ফৰাচী দেশৰ আবিস্কাৰক এজনে বিনাতাঁৰে ফৰাচীৰ প্ৰধান মন্ত্ৰীৰ দস্তখত এটা আমেৰিকাৰ ইউনাইটেড্ ষ্টেট্‌লৈ পঠিয়াইছিল। ছবি এখন বিনাতাঁৰে পঠিওৱা সময়ত তাক অতি ক্ষুদ্ৰ অসংখ্য একে ধৰণৰ ( Uniform ) বিন্দুত পৰিণত কৰি লোৱা হয়। সেইভাবে ছবিখন বিন্দুত পৰিণত কৰাত তাৰ কোনো ৰূপান্তৰ নঘটে। সেই বিন্দুবোৰ পিচত পোহৰ আৰু এন্ধাৰৰ ভাগ বিশেষে বিজুলী প্ৰবাহ শক্তিত পৰিণত কৰি 'ইথাৰৰ' মাজেদি নিৰ্দ্ধাৰিত ঠাইলৈ পঠোৱা হয়। বিজুলী প্ৰবাহবোৰ যেনে ভাবে আহে ঠিক সেইভাবে নিৰ্দ্ধাৰিত ঠাইত তাক সংগ্ৰহ কৰি পোহৰ আৰু এন্ধাৰ বিশেষে বিন্দুবোৰ একেলগে পৰিপাতিকৈ সজায় লয়। সেই সজোৱা বিন্দুবোৰ যন্ত্ৰত পেলাই গঢ় দিলেই আগৰ যেনে ছবি তেনে হৈ পৰে।

বেলিন চাহাবে এখন দেশৰ পৰা আন এখন দেশলৈ ফটো পঠোৱা যিটো প্ৰণালী আবিস্কাৰ কৰিলে তাত মাত্ৰ দুটা 'চিলিণ্ডাৰৰ' ( Cylinder ) আৱশ্যক। এই 'চিলিণ্ডাৰ' দুটাৰ এটা প্ৰেৰক আৰু আনটো ধাৰক। প্ৰেৰক চিলিণ্ডাৰটোত ফটোখন ৰিলিফ্ ( relief ) কৰিবলৈ বহুৱা হয়। অৰ্থাৎ এন্ধাৰ আৰু পোহৰৰ বেচি কম ভাগ বিশেষে তাক ঠিককৈ ৰখা হয়। ছবিখনৰ সৈতে চিলিণ্ডাৰটো ঘূৰে আৰু তাৰ ওপৰত কলম এটাই দাগ দি যায়। সেই 'ৰিলিফ' ( relief ) ছবিখনৰ ওখ চাপৰ ভাগ হিচাবে কলমটোৱে উঠা নমা কৰে। এই উঠা নমা কৰা কলমৰ গতিটোৱে সৰু 'কইল' ( coil ) এটাৰ

ভিতৰৰ প্ৰবাহিত বিজুলী প্ৰবাহৰ প্ৰতিৰোধকৰ পাৰবৰ্ত্তন কৰে। দূৰৰ ষ্টেচনলৈ পঠোৱা বিজুলী প্ৰবাহৰ শক্তি এনেদৰে পৰিবৰ্ত্তন সদায় হয় আৰু প্ৰত্যেকটো পৰিবৰ্ত্তনে দূৰত থকা ছবিৰ গাঢ়তা হিচাবে আয়ত্বাধীন কৰা হয়।

ইয়াক ধৰোঁতা যন্ত্ৰৰ চিলিণ্ডাৰটোও প্ৰেৰক যন্ত্ৰৰ চিলিণ্ডাৰৰ দৰে ঠিক সমান গতিত ঘূৰিবলৈ দিয়া হয়। সেই চিলিণ্ডাৰটোত এখন চেন্‌চিটিভ্ (Sensitive) ফটোগ্ৰাফিক কাকত মেৰোৱা থাকে। সেই কাকতখনৰ ওপৰত পোহৰৰ (Light) দাগ (Spot) পৰেহি। এই পোহৰ অহা বাটত এখন সৰু দুৱাৰ (Shutter) থাকে। সেই দুৱাৰখন বিজুলী প্ৰবাহ শক্তি পৰিবৰ্ত্তন হোৱা অনুপাতে কম আৰু বেচি পোহৰ সোমাবলৈ দি আপোনা আপুনি মেল খায় আৰু বন্ধ হয়।

কলম ঘূৰি থকা সিটো চিলিণ্ডাৰৰপৰা ফটো পঠিৱা হয় সেই ছবিৰ প্ৰত্যেক অংশৰ গভীৰতা হিচাবে কম বেচি পোহৰ আহি প্ৰত্যেকখনতে এই চেন্‌চিতিভ্ (Sensitive) কাকত খনত পৰেহি। চিলিণ্ডাৰটো ঘূৰাৰ অন্ত হোৱাৰ লগে লগে কাকত খন নি 'ডেভেলাপ' (Develope) কৰা হয় আৰু ছবিটো তাত ওলায় পৰে। এনেবোৰ যন্ত্ৰৰ দ্বাৰা নিজৰ দস্তখত, লিখা আখৰ আদিয়ো বিনাতাঁৰে পঠাব পাৰি।

এনেদৰে দিনক দিনে নতুন কৌশলবোৰ উদ্ভাৱন হবই ধৰিছে। আটাইতকৈ অদ্ভুত আবিস্কাৰ হ'ল টেলিভেচন। কেইবছৰমানৰ আগতে ৰুমাৰ (Rummer) নামে জাৰ্ম্মানীৰ বৈজ্ঞানিক এজনে দূৰৰ আখৰবোৰৰ প্ৰতিবিম্ব দেখা কৌশল এটা আবিস্কাৰ কৰিলে। যদি কোনো আখৰ টেলিভেচান যন্ত্ৰ এটাৰ সম্মুখত ধৰা হয়, তেন্তে তাৰ প্ৰকৃত প্ৰতিবিম্ব সেই মূহূৰ্ত্ততে হাজাৰ হাজাৰ মাইল দূৰৈৰ পৰ্দ্দাত দেখিবলৈ পোৱা যায়। আজি-কালি এনে এটা কৌশল বাহিৰ হব ধৰিছে যাৰ দ্বাৰা টেলিফোনত কথা কোৱাৰ লগে লগে চকুৰ আগতে কথা কওঁতাৰ চেহেৰাটো শুনোতৰ চকুৰ আগত ফুটি উঠিব। ইয়াৰ বাহিৰেও বেতাঁৰত কথা শুনাৰ লগতে কথা কওঁতাকো টেলিভেচনৰ সহায়েৰে দেখা পোৱাৰ চেষ্টা চলিছে।

কত প্ৰকাৰে যে মানুহে বিজুলীৰপৰা কাম আদায় কৰিব ধৰিছে কৈ অন্ত কৰা টান। কোনো ধাতুজাত তাঁৰেৰে বিজুলী প্ৰবাহ বোৱাই দিলে যদি তাৰ প্ৰতিৰোধক ক্ষমতা বেচি হয় তেন্তে লাহে লাহে সি গৰম হৈ উঠিব।

এই সাধাৰণ উপায়েৰে আমি তাপ পাব পাৰোঁ। এনেদৰে লোহা তপতাই আমি কাপোৰ 'ইস্ত্ৰি' কৰি লওঁ, বিজুলী চৌকা আৰু বিজুলী স্তোভ গৰম কৰোঁ। এইবোৰ বেচি প্ৰতিৰোধক ধাতুৰ বাহিৰে আন একো নহয়। ইয়াৰ ভিতৰেদি বিজুলী প্ৰবাহ বৈ গলে তাপত ৰঙা পৰি উঠে। এই প্ৰকাৰে যদি বেচি প্ৰতিৰোধক তাঁৰক আৰু বেচি গৰম কৰা যায় তেন্তে সি তাপতে উজ্বল বগা হৈ উঠিব আৰু উজ্বল পোহৰ দিব পৰা হব। বিজুলী চাকি এনেদৰে জ্বলোৱা হয়। পাতল কাঁচৰ বাল্বৰ ( Bulb ) ভিতৰত তাত সৰু তাঁৰ কিছুমান থাকে—প্ৰায় তাক চকুৰে মনিবই নোৱাৰি। এই তাঁৰৰ ভিতৰেদি বিজুলী প্ৰবাহ ( Electric Current ) গলেই তাঁৰদাল জ্বলি উঠে আমি উজ্বল পোহৰ পাওঁ। বাল্বৰ ভিতৰত বতাহ নেথাকে বুলি এই অকনি তাঁৰে ইমান পোহৰ পৰে।

এই তাঁৰবোৰ টাংষ্টেন ( Tungsten) অচৰাম ( Osreum) আদি ধাতুৰে তৈয়াৰি। বিজুলীৰ তাপত ই গৰম হৈ উঠে, সেই গুণে ধাতুৰ তাঁৰ তাপৰ কোবত প্ৰায় বগা হৈ জ্বলে। কাঁচৰ বাল্বৰ ভিতৰত বতাহ থাকিলে সি মূহূৰ্ত্ততে ছাই হৈ গ'লহেঁতেন।

'ডায়েনেমো' নাইবা বেটাৰীয়ে উদ্ভৱ কৰা বিজুলী প্ৰবাহৰ দ্বাৰা বৈদ্যুতিক মটৰ চলোৱা হয় আৰু সেয়ে বিজুলী প্ৰবাহক বিজুলী শক্তিতে পৰিণত কৰে। এই শক্তিৰ সামান্য পুতুলাৰ যন্ত্ৰও চলাব পাৰি আৰু ৬০ মাইল বেগে ৰেলগাৰীও চলোৱা কামত লগাব পাৰি।

বৰ্ত্তমান যুগত পৃথিবীৰ আধা আধি ব্যৱসায় বিজুলীৰ প্ৰভাৱতে হ'ব ধৰিছে। এই আচৰিত আচৰিত যন্ত্ৰবোৰ ওলোৱাৰ কাৰণে সকলো কাম উজু হৈ পৰিছে, সকলো জাতিকে দিনক দিনে ওপৰলৈ সামৰি আনিছে। হাজাৰ হাজাৰ দূৰ দেশৰ লগত বেগেতে ব্যৱসায় কৰিব পৰা হৈছে। ভবিষ্যতত ইয়াৰ আৰু যে কিমান ক্ৰমোন্নতি হব তাৰ ধাৰণা কৰা টান।

# ৰঙালী বিহু

মনত পৰেনে তাহানিৰ স্মৃতি
বহাগী বিহুৰ জোনাক ৰাতি,
ললিত কলাৰ ভঙ্গিমা মূৰতি
মুখত তোমাৰ অপূৰ্ব্ব জ্যোতি।

ৰামধেনু যেন কপালৰ ৰেখা
সেঁন্দুৰৰ ফোঁট আছিল জ্বলি,
কপালৰ ঘাম বিৰিঙি বিৰিঙি
মুকুতা লতাই পেলালে কলি।

কেঁচ দিয়া ৰিহা, ককাঁল ধুনীয়া
ফুলাম হাঁচটি আছিল অঁৰা,
গলে গলপতা বুকুত গেজেৰা
খোপাতে মালতী ফুলেৰে ভৰা।

শুকুলা নখত জেতুকা বোলোৱা
তাতে নেজপতা আঙঠি লই,
মিনাকৰা কেৰু কাণত ওলমি
চুমা দুগালত দিছিলে অই।

কিয়নো নহলো থুৰীয়া গেজেৰা
হিংসা গুমৰি উঠিল মোৰ,
নিদিওঁ থাকিব থুৰিয়া গেজেৰা
সিইঁতক মই কৰিম দূৰ।

ভাব সাগৰত ওপঙি ওপঙি
পালোগই পাৰ কাষত গই,
নাচন তোমাৰ তালকাতি গল
হঠাৎ থমকি থাকিলা ৰই।

হাঁহি-ধেমালিৰ ৰোল উঠি গল
বিহু ভাগিবৰ সময় হল,
হাঁচটিৰ গাঁঠি মুকলি কৰিলা
কঢ়া আজোঁৰাত ঢুকাই গল।

ঘৰলই বুলি ঘৰমুৱা হলা
সমনীয়া জাক লগত লই,
হিয়াৰ আবেগ পাতলাই গলা
গীতৰ সুৰেৰে কথাটি কই।

"ঘৰটো নবহে মনে মোৰ বান্ধৈ ঐ
বিহুতো নবহে মন,
কমোৱা তুলাবোৰ যেনেকৈ উৰিছে
তেনেকৈ উৰিবৰ মন।"

মলয়াত উটি সমিধান গল
শুনি পাচলই উলটি চালা,
আবেগ দুগুণে উঠলি উঠিল
সমিধান তাৰ ঘূৰাই দিলা।

"তুমিয়ে আমিয়ে পিৰীতি কৰিলোঁ।
ঈশ্বৰক কৰিছোঁ সাক্ষী,
চৰাই হোৱা হলে উৰি গলোঁহেতেন—
তাল'কো নাইকিয়া পাখি।"

কাৰ আগত কই যাম দুখৰ কথা সাৰি
কোনে পাতি যাব কাণ ?
চকুত নাই টোপনি তোমালৈ চিতনি,
দেহালই পৰিছে টান।'

————

# অসমত জ্যোতিষ

অসম প্ৰকৃতিৰ ৰম্য স্থান। কত ধুনীয়া ধুনীয়া সৰু বৰ পৰ্ব্বত পাহাৰে ইয়াক আগুৰি ৰাখিছে—সেই পাহাৰ বিলাকত কত শত জুৰিয়ে কুলু কুলু স্বৰে গীত গাই অনন্ত সমুদ্ৰৰ লগত মহা-মিলনৰ প্ৰয়াসে যাত্ৰা কৰিছে, সেই জুৰিবোৰৰ পাৰৰ গছ-বিলাকত ৰঙ-বেৰঙৰ কত ধুনীয়া ধুনীয়া চৰাই চিৰিকতিয়ে পৰম পিতাৰ সৃষ্টি কৌশলৰ গান গাই গাই নাচিছে। মাজেৰে ব্ৰহ্মাৰ মানস-পুত্ৰ-পুণ্যতোয়া লুইতে বিভুগুণ-গান গাই ধীৰ-মন্দ-গতিৰে অসমৰ অতীত-কীৰ্ত্তিৰ গীতি অসমীয়াৰ কৰ্ণকুহৰত প্ৰবেশ কৰাই অসমীয়াক অমৰ-অতীত-গৌৰৱ সোঁৱৰাই আছে। কত বিস্তীৰ্ণ-শ্যামায়মান-শস্য ক্ষেত্ৰই আই বসুমতীৰ বুকু ঢাকি থৈছে; অগণন বতাহৰ ঢৌ সেই ধাননিৰ ওপৰেৰে সাগৰৰ ঢৌ বাগৰাদি বাগৰি দৰ্শকক চমৎকৃত কৰিছে। চাৰিওপিনে কত সুন্দৰ দৃশ্য, দেখিলেই চকু ৰৈ যায়।

কামাখ্যা, বশিষ্ঠাশ্ৰম, উমানন্দ, নবগ্ৰহ, ভৈৰবী, তুক্ৰেশ্বৰী আদিৰ দৰে কত অসংখ্য পুণ্যতীৰ্থই অসমী আইৰ বুকু পৱিত্ৰ কৰি ৰাখিছে!

নৰকাসুৰ, ভগদত্ত, বাণ, আদিৰ দৰে মহাবীৰ ৰজা, আৰু লাচিত, চিলাৰায়, মণিৰাম দেৱান আদিৰ দৰে কত বীৰ পুত্ৰই অসমী আইৰ পৱিত্ৰ কোলাত জনম লৈ বুৰঞ্জীৰ পাতত সোণালী তুলিকাধৰি অক্ষয় ৰহণেৰে যাউতীযুগীয়া গৌৰৱময়ী কাহিনী লিখি থৈ গল,—বেউলা, জয়মতী, ৰাধাৰুক্মিণী আদিৰদৰে কত বীৰ জায়াই বীৰ-প্ৰসূতি অসমক ধন্যা কৰি থৈ গৈছে,—মহাৰাজ নৰনাৰায়ণ, কুমাৰ ভাস্কৰবৰ্ম্মাৰ দৰে কত প্ৰজাৰঞ্জক ৰজাই এই অসমত সাধুৰ পালত দুষ্টৰ দমন কাৰ আই অসমৰ মুখ উজ্জ্বল কৰিলে—শঙ্কৰদেৱ, মাধবদেৱ আদিৰ দৰে কত মহাপুৰুষ উপজি ধৰ্ম্ম প্ৰচাৰৰ লগতে মাতৃভাষা অসমীয়াক জগতৰ আগত কিমান ওখ আসনত বহুৱাই গৌৰৱমণ্ডিতা কৰি থৈ গল তাৰ সীমা নাই।

এই শত শত পুণ্য-স্মৃতি বিজৰিত সুজলা-সুফলা শস্য শ্যামলা অসম দেশত আদিতে জ্যোতিষ-শাস্ত্ৰৰ কেনে চৰ্চ্চা আছিল আৰু এতিয়া কেনে হৈছে তাৰে চমু আভাস সহৃদয় পাঠকসকলৰ আগত দাঙি ধৰিবলৈ আগ বাঢ়িলোঁ।।

সকলোৱে জানে যে পুৰণি কালত অসমৰ নাম প্ৰাগজ্যোতিষপুৰ, আজি কালিৰ গুৱাহাটী নগৰেই ইয়াৰ ৰাজধানী আছিল। এই নগৰৰ নাম প্ৰাগ-জ্যোতিষপুৰ হোৱাৰ কাৰণ ব্ৰহ্মাই আদিতে ইয়াত নক্ষত্ৰাদিৰ সৃষ্টি কৰিছিল—

"অস্য মধ্যে স্থিতো ব্ৰহ্মা প্ৰাঙ্ নক্ষত্ৰান্ সসৰ্জ্জ সঃ॥" গতিকে দেখা যায়—অতীজ কালৰ পৰাই অসমত সম্যকৰূপে জ্যোতিষ শাস্ত্ৰৰ চৰ্চ্চা চলি আহিছে।

শিক্ষা, কল্প,, ব্যাকৰণ, নিৰুক্ত, ছন্দ, জ্যোতিষ এই ছয়টি বেদৰ অঙ্গ আৰু জ্যোতিষ শাস্ত্ৰই চক্ষুৰ স্বৰূপ।

গতিকে এই জ্যোতিষ শাস্ত্ৰৰ চৰ্চ্চা যে কেনে সম্মানজনক তাক ভালদৰে বুজিব পাৰি সেয়ে—

ম্লেচ্ছোহি যবনাস্তেষু সম্যক্ শাস্ত্ৰমিদং স্থিতম্
ঋষিবত্তেঽপি পূজ্যন্তে কিংপুণদৈৰ্ববিদ্বিজঃ॥"

ম্লেচ্ছ যবনেও এই জ্যোতিষ শাস্ত্ৰ চৰ্চ্চা কৰি ঋষি সকলৰ দৰে পূজ্য হৈছিল, দৈববিদ্ ব্ৰাহ্মণৰতো কথাই নাই।

এই জ্যোতিষ শাস্ত্ৰ প্ৰথমতে স্বৰ্ণগৰ্ভ পৰমেশ্বৰে জানিছিল, পিচত ব্ৰহ্মাদি মুনিসকলে তেওঁক তপস্যা কৰাত পৰম সন্তোষেৰে এই শাস্ত্ৰ তেওঁবিলাকক দিয়ে। এই গ্ৰহচৰিত্ৰ যি জনে জানে তেওঁৱেই বিশ্ব-প্ৰকাশ-নিৰ্ম্মল জ্ঞান-চক্ষু পায়—

"জ্যোতিঃ শাস্ত্ৰং প্ৰথম পুৰুৰতঃ স্বৰ্ণগৰ্ভাদ্বিদিত্বা।
পূৰ্ব্বং ব্ৰহ্মা ততোঽয়ং নিখিল মুনিগণঃ প্ৰাৰ্থনাদ্ যচ্ছকাৰ
তচ্ছেদং সুপ্ৰসন্নং মৃদু পদনিকৰৈগ্ৰাহ্যমধাত্মৰূপম্।
শশ্বদ্বিশ্ব প্ৰকাশং গ্ৰহচৰিতবিদাং নিৰ্ম্মলং জ্ঞান চক্ষুঃ॥

এই জ্যোতিষ শাস্ত্ৰৰ প্ৰবৰ্ত্তক হৈছে সূৰ্য্য, ব্ৰহ্মা, ব্যাস, বশিষ্ঠ, অত্ৰি, পৰাশৰ কাশ্যপ, নাৰদ, গৰ্গ, মৰীচি, মনু, অঙ্গিৰা, লোমশ, পুলশ চ্যবন, যবন, ভৃগু, শৌণক-এই ওঠৰ জন—

"সূৰ্য্যঃ পিতামহোব্যাসো বশিষ্টাত্রি পৰাশৰঃ
কাশ্যপোনাৰদো নাৰদো গৰ্গো মৰীচিৰ্ম্মনুৰঙ্গিৰা ॥
লোমশঃ পুলশশ্চৈব চ্যৱনোযবনোভৃগুঃ।
শৌনকোহষ্টদশৈবৈতে জ্যোতিঃ শাস্ত্ৰ প্ৰবৰ্ত্তকাঃ ॥"

কামাখ্যাৰ অগ্নিকোণে প্ৰায় তিনি মাইল দূৰত চিত্ৰাবল (নবগ্ৰহ) নামে পৰ্ব্বত এখনত নবগ্ৰহৰ শিৱলিঙ্গময় মূৰ্ত্তি নবভাগে বিৰাজমান আছে। এই পৰ্ব্বতেই প্ৰাগ্‌জ্যোতিষপুৰৰ মান মন্দিৰ। ইয়াৰ পৰাই গ্ৰহবিলাকৰ গতি বিধি নিৰূপণ কৰিছিল। সেইদিনৰে পৰা গণিত আৰু ফলিত জ্যোতিষৰ চৰ্চ্চা ইয়াত ভালদৰে চলি আহিছে। ফলিত জ্যোতিষৰ সময়ত স্বাৰোদৰ ৰত্নমালা, সময়ামৃত, যুদ্ধ জয়াৰ্ণব, জ্যোতিৰ্ম্মালা আদি পুথি ইয়াত প্ৰকাশ হৈছিল।

ইতিহাসৰ পাত লুটিয়াই চালে দেখা যায়—আহোম ৰজা সকলৰ দিনত ৰজা সকলে জ্যোতিষজ্ঞ পণ্ডিত সকলক লগতলৈলে যুদ্ধ ক্ষেত্ৰলৈ গৈছিল। তেওঁলোকে গণনা কৰি কোন ক্ষণত যুদ্ধ আৰম্ভ কৰিব লাগিব সেইটো কৈ নিদিয়ালৈকে ৰজাসকলে যুদ্ধ প্ৰবৃত্ত নহৈছিল। আহোম ৰজাসকলৰ পিয়লী কাকত বিলাকত দেখা যায় যে তেওঁলোকে ব্ৰহ্মোত্তৰ মাটি দান কৰি সদ্‌ব্ৰাহ্মণসকলক জ্যোতিষ চৰ্চ্চাৰ কাৰণে অসমত স্থাপন কৰিছিল। সেই সকলৰ উত্তৰাধিকাৰী সকলে আজিও ৰাজদত্ত ব্ৰহ্মোত্তৰ ভূমি ভোগ কৰি আছে। তদুপৰি আগেয়ে প্ৰত্যেক ৰজাৰে দ্বাৰ পণ্ডিত এজন জ্যোতিষী আছিল। আজিকালিও ৰজা জমিদাৰসকলে জ্যোতিষী দ্বাৰ পণ্ডিত ৰখা দেখা যায়। তেওঁলোকে ৰাজ পৰিবাৰৰ সকলো কথাকে চাই দিছিল আৰু ৰাজ ভৰালৰপৰা যথেষ্ট পুৰস্কাৰ পাইছিল। তদুপৰি আগেয়ে দ'ল দেৱালয়বিলাকৰ তিথিকৰ হিচাবে জ্যোতিষী পণ্ডিত ৰাখিছিল। তেওঁলোকে তিথি আদি কৈ দিব লাগিছিল আৰু তাৰ বাবে ব্ৰাহ্মোত্তৰ জমিও পাইছিল। আজিকালিও বহুত দেৱালয়ত তেওঁলোকৰ বংশধৰসকলে তিথিকৰ কাৰ্য্যত থাকি ব্ৰহ্মত্তোৰ ভোগ কৰি আছে।

জ্যোতিষ শাস্ত্ৰ তিনি ভাগত বিভক্ত—(১) সিদ্ধান্ত (২) সংহিতা (৩) হোৰা ইয়াৰ ভিতৰত প্ৰকৃত সিদ্ধান্ত যেনে—সূৰ্য্য সিদ্ধান্ত, ব্ৰহ্ম সিদ্ধান্ত, ব্যাস সিদ্ধান্ত আদি ওঠৰখন সিদ্ধান্ত। এই মূল শাস্ত্ৰবিলাক যে কিমান শতাব্দিত লোপ পালে তাৰ একো সঠিক সিদ্ধান্ত পোৱা নাযায়। এতিয়া যদিও বোম্বাইত

সূৰ্য্যসিদ্ধান্ত নামে এখন কিতাপ ছপা হৈছে সেই সূৰ্য্যসিদ্ধান্তৰ ভূমিকা ভাগত তেওঁলোকেও প্ৰকৃত সূৰ্য্যসিদ্ধান্ত লোপ হোৱা বুলি কয়।

পণ্ডিত ভাস্কৰাচাৰ্য্যই সিদ্ধান্ত শিৰোমণি নামে এখন গণিত শাস্ত্ৰ ১০৭২ খৃষ্টাব্দত ৰচনা কৰিছিল। সেই মতে বঙালী পঞ্জিকাৰ গ্ৰহস্ফুট আদি গণনা কৰা হয়। কিন্তু কামৰূপ নিৰন্ধণীয় খণ্ডসাধ্য নামে এখন গণিত আৰ্য্যা অতি পুৰণি কালৰেপৰা অসমত চলি আহিছে। গ্ৰন্থকাৰৰ নাম নাই, কেৱল ৰবি-মন্দ-গণনা ভাগত এটা পাঠ আছে "ভবেদ্ৰবিমন্দ মিহিৰ কথিতা—" ইয়াত গ্ৰন্থকাৰে নিজৰ প্ৰাধান্য লোপ কৰি সূৰ্য্য সিদ্ধান্ত অনুসাৰে ভগবান মিহিৰ ( সূৰ্য্য ) দেৱৰ বাণী বুলি প্ৰকাশ কৰিছে। ইয়াত এনে কিছুমান সংস্কৃত শব্দ সন্নিবেষ্টিত আছে যে সেইবোৰ কোনো অভিধানতে পোৱা নাযায় কেৱল পৰম্পৰাৰূপে মুখে মুখেহে জানি আহিছে ; গতিকে বুজা যায় এই আৰ্য্য বিলাক কিমান পুৰণি।

মহাৰাজ নৰনাৰায়ণৰ দিনত তেখেতৰ আদেশ মতে বহুত পণ্ডিতে বহুত পুথি ভাঙে। সেই সময়ত এই অভাজনৰ উপৰি পুৰুষ শ্ৰীধৰে খণ্ডসাধ্য প্ৰণয়ন কৰে :—

"শুনিও শ্ৰীধৰ তুমি মোৰ বাক্য ধৰা
জ্যোতিষ ভাঙিয়া তুমি খণ্ড সাধ্যকৰা"

শ্ৰীধৰে জ্যোতিৰ্ম্মালা আৰু বৰ্ষকৃত নামে আন দুখনি পুথিও ৰচনা কৰে। তাৰ পিচত এই লিখকৰ উপৰি পুৰুষ হৰ নাথে সামুদ্ৰিক হস্তৰেখা চোৱা পুথি এখন লিখে।

এইদৰে অসমত মাজে মাজে জনচেৰেক মণিষী পুৰুষৰ চেষ্টাত দুই এখনি জ্যোতিষৰ পুথি প্ৰকাশিত হৈ আহিছে। কামৰূপৰ বৰপেটাৰ পশ্চিমে লেহি ডঙৰা গাৱঁত 'ডাক পুৰুষ'ৰ জন্ম হয়। তেওঁৰ "ডাকভণিতা"তো জ্যোতিষৰ এভাগ লিখি থৈ গৈছে। ডাকৰ পুত্ৰই 'সুৰম্যখণ্ডসাধ্য' ৰচনা কৰে।

দৰঙী ৰজাৰ দ্বাৰ পণ্ডিত সকলে ( খৰি বংশৰ ) বহুত জ্যোতিষ শাস্ত্ৰৰ প্ৰচাৰ কৰিছিল। কাকত নোলোৱা দিনত ১৭২০ শকঁৰ পৰা ক্ৰমাগত ৮।৯ বছৰৰ হাতেলিখা সাঁচিপতীয়া পঞ্জিকা 'কামৰূপ অনুসন্ধান সমিতি'ত আজিও পোৱা যায়। পুঠিমাৰীৰ দক্ষিণে বৰডেকৃপাৰ গাৱঁৰ "বাকৃচী" নামে এজন জ্যোতিষী পণ্ডিতে এখন আৰ্য্যা লিখিছিল। তাত এঠাইত আছে "যথা ভাগে

মুনি খ দুই দুই নব যমেৰ ভাগ” এই বিলাকৰ পাঠ মূল খণ্ডসাধ্যৰ লগত নিমিলে। এই বিলাক আৰ্য্যা দেশত নচলিল।

এতিয়া দেখা গল অসমত আদিৰেপৰা ভালদৰে জ্যোতিষ শাস্ত্ৰৰ চৰ্চ্চা চলি আহিছে আৰু মাজে মাজে দুই এজন মণিষীয়ে দুই এখনি গ্ৰন্থ প্ৰণয়ন কৰি অসমীয়া জাতিক চিৰ ঋণী কৰি থৈ গৈছে।

আজিও অসমৰ চুকে কোণে এনে কোনো এখন ঠাই নাই যত জ্যোতিষ শাস্ত্ৰৰ আদৰ নাই। কিন্তু আজি ভালদৰে কেইখন ঠাইত জ্যোতিষ শাস্ত্ৰৰ অনুশীলন হৈছে? বাস্তৱিকতে বৰ পৰিতাপৰ কথা যে এনে সুন্দৰ এটি বিদ্যা কিছুমান অপাত্ৰৰ হাতত পৰি ধ্বংসৰ কৰাল গ্ৰাসত পৰোঁ পৰোঁ হৈছে। তাৰ প্ৰমাণ দেখা যায়—আনকি বহুত মগনীয়াৰ খুজিবলৈ যাওঁতেও এধাল ঠিকনা মঙ্গল চাই দিবলৈ বহুতে কোৱা দেখা যায় আৰু তাৰ উত্তৰৰ ওপৰতে কিমান আস্থা ৰাখি থাকে—কিন্তু তেওঁ মাটিত কেইটামান আঁক মাৰি কৈদিলে এটা আৰু সেয়ে হল জ্যোতিষতত্ব? আৰু কিছুমান মানুহে জনাই নজনাই দুই এটা জ্যোতিষ শ্লোক আওঁৰাই মেষ, বৃষ আদি ৰাশি ওভোতাকৈ গণি তাৰেই মহা পণ্ডিত বোলাই জগতক প্ৰতাৰিত কৰিছে। আৰু এই বিলাকৰ পৰাই ঋষিমুনি সকলৰ কত চিন্তা-প্ৰসূত জ্যোতিষ শাস্ত্ৰই সাধাৰণৰ বিশ্বাস হেৰুৱাইছে।

জ্যোতিষ শাস্ত্ৰৰ দৰে অৰ্থকৰী বিদ্যা খুব কমহে আছে। ইয়াত মূলধনৰ এধানো দৰ্কাৰ নাই। এনে অৱস্থাত যেয়ে সেয়ে জনাই নজনাই দুষাৰকৈ জ্যোতিষী-মুখা পিন্ধি জগতক প্ৰতাৰিত কৰি এনে এটি বিদ্যাৰ সন্মান নষ্ট কৰিছে।

যি জ্যোতিষ শাস্ত্ৰ অপাৰ সমুদ্ৰ স্বৰূপ, যাক নাজানিলে শ্ৰৌত আৰু স্মাৰ্ত্ত কৰ্ম্ম একোকে কৰিব নোৱাৰি, যাৰ প্ৰত্যক্ষ ফল চন্দ্ৰ সূৰ্য্য গ্ৰহণ, আঁউসী, পূৰ্ণিমা আদিৰ দ্বাৰা জল্ জল্ পট্ পট্‌কৈ ওলাই পৰে—যি জ্যোতিষ শাস্ত্ৰৰ প্ৰশংসা মহামুনি বশিষ্ঠদেৱে নিজমুখে গাই গৈছে—

“অধ্যেতব্যং ব্ৰাহ্মণৈৰেব তস্মাজ্জ্যোতিশাস্ত্ৰ পুণ্যমেতদ্‌ৰহস্যম।
এতদ্বুদ্ধ্যা সম্যগাপ্নোতি যস্মাদৰ্থং ধৰ্ম্ম, মোক্ষমগ্ৰ্যং যশশ্চ।”

সেই জ্যোতিষ শাস্ত্ৰ চৰ্চ্চাৰ আজি এনে অধঃপতন দেখিও কেইজনে তালৈ চকু দিছে বা কেইজনে ইয়াৰ পুনৰুদ্ধাৰৰ বাবে অকণমানিও সময় নষ্ট কৰি এধান ভাবিছে!

আন হাতে চাওক হিন্দুসকলৰ লৰা-ছোৱালী জন্মিবৰ পাঁচদিনৰ দিনাই গণাই সোৰ্ৰণী কৰোৱা হয়। ঠিক সেই সোৰ্ৰণী চাইয়েই মানুহজনৰ ভূত ভবিষ্যত বৰ্ত্তমান জীৱনৰ আটাইথিনি কথা কৈ দিব লাগে। যদি এই জন্ম-পত্ৰিকা ঠিক সময়ত ঠিকৰূপে গণনা কৰা নহল তেন্তে তাৰ ভবিষ্যৎ ফলাফল মিলিব কেনেকৈ? গতিকে লৰাৰ সাধাৰণ কোষ্ঠি প্ৰস্তুত কৰাকে আদি কৰি যাবতীয় কামতে ভাল জ্যোতিষজ্ঞ মানুহৰ দৰ্কাৰ! গতিকে অসমীয়া সমাজৰ এটা ডাঙৰ কাম এতিয়াও হাতত লোৱা হোৱা নাই, সেইটো হৈছে অসমত জ্যোতিৰজ্ঞ সমাজ গঢ়ি তোলাটো। এই বিষয়লৈ কাৰো একো কাণসাৰ নোহোৱা দেখি বাস্তবিকতে বৰ দুখ লাগে। প্ৰাচীন কামৰূপৰ এনে এটি সম্পদ এইদৰে অনাদৃত হৈ কালৰ কৰাল গ্ৰাসত লোপ পাব লাগিলে তাতকৈ আৰু কি দুখৰ বিষয় হব পাৰে।

আজি আমাৰ সকলো থাকিও একো নাই—আজি আমি সকলো বিষয়তে পিচ পৰা বুলিলেও অত্যুক্তি কৰা নহব। আমালোকৰ জন্মভূমি, যাৰ নাম আছিল প্ৰাগ্‌জ্যোতিষপুৰ—য'ত এদিন জ্যোতিষ শাস্ত্ৰৰ বিশেষ চৰ্চ্চা হৈছিল সেই ঠাইত আজি এখন ছপা অসমীয়া পঞ্জিকাই নাই বুলিবও পাৰি; ইয়াতকৈ কিবা আৰু লাজৰ কথা আছেনে? আমাৰ কাৰ্য্যালয়ৰপৰা বহু বছৰ পূৰ্ব্বে কেবা বাৰো পঞ্জিকা ছপা হৈ ওলাইও বাইজৰ কোনো সদাশয়ৰ পৰা আৰ্থিক সাহায্য নাপাই সি কলিতে জঁয় পৰি যাব লগীয়া হৈছিল।

অতি প্ৰাচীন কালৰেপৰা প্ৰাচীন কামৰূপত "কামৰূপ নিবন্ধনীয় খণ্ডসাধ্য" নামে গণিত আৰ্য্যামতে পঞ্জিকা গণিত হৈ আহিছিল; তাৰ প্ৰমাণ উক্ত পুথিখনৰ নামৰ পৰাই বেচকৈ উপলব্ধি কৰিব পৰা যায়। আমাৰ ঘৰত আজিও বহু বছৰ আগৰেপৰা উক্ত মতে গণা হাতে লিখা স্ফুট পঞ্জিকা এতিয়াও আছে, আনকি যেতিয়া কাগজ ওলোৱা নাছিল, তেতিয়াৰ দিনতো সাঁচিপাতত লিখা স্ফুট পঞ্জিকাও আছে আৰু আমিও আজিলৈকে বঙালী পঞ্জিকাৰ বান পানীৰ ঢৌৰ মাজতো উক্তমতেই গণা স্ফুট পঞ্জিকা ব্যৱহাৰ কৰিয়ে আছোঁ।

পুৰণি কালৰেপৰা এই দেশৰ ৰজা মহাৰাজা সকলেও এই "কামৰূপ নিবন্ধনীয় খণ্ডসাধ্য" মতে গণা পঞ্জিকাৰ দ্বাৰায়ে সকলো কাম চলাইছিল। এনে অবস্থাত কামৰূপত চিৰ প্ৰচলিত গণনা শাস্ত্ৰ কামৰূপ নিবন্ধনীয় খণ্ডসাধ্য মতটো এৰি আন মতৰ আশ্ৰয় গ্ৰহণ কৰা যুক্তি সঙ্গত নহব বুলি ভাবোঁ। তদুপৰি

এই পুথি খনেৰেই পঞ্জিকাৰ যাবতীয় গণনা কাম সম্পন্ন কৰিব পাৰি, কিন্তু আন আন ঠাইত প্ৰচলিত শাস্ত্ৰবিলাকৰ কোনো খনৰেই পঞ্জিকাৰ সমস্ত গণনা কৰিব নোৱাৰি। আৰু এটা কথা যে কামৰূপৰ মান মন্দিৰ নবগ্ৰহ পাহাৰৰ ওপৰত দিন ৰাতি সমান হবৰ দিনা চালে 'কামৰূপ নিবন্ধনীয় খণ্ডসাধ্য' মতে গণনা কৰা সময়ৰ লগত বেচকৈ মিলে গতিকে কামৰূপত যে ই আগৰে পৰাই চলি আহিছে তাত অলপো সন্দেহ নাই।

সবশেহত আমাৰ কব লগীয়া—অসমীয়া ৰাইজে যেনেকৈ চাৰিওপিনে অসমীয়াৰ হক'আৰু প্ৰাধান্য ৰক্ষা কৰিবলৈ উঠি পৰি লাগিছে সেইদৰে এই মৃতপ্ৰায় জ্যোতিষ বিদ্যাটিৰপিনেও অলপ মনোযোগেৰে চালে এতিয়াও প্ৰাগ্‌জ্যোতিষপুৰৰ মৰ্য্যাদা অক্ষুন্ন ৰাখিব পাৰিব আৰু এনে এটি মহাৰত্নও অসমী আইৰ ভৰালৰপৰা নেহেৰাব।

———

# কান্দিম কিমান ?

কান্দোতে কান্দোতে গ'ল "মানৰ দুৰ্দ্দিন"—
লগে লগে বাজি উঠে শোষকৰ বীণ—
আছে পোতাধন, কিন্তু জ্ঞান-দৃষ্টি হীন
ঘৰত আলহী হ'লো,—আয়ু-বল-খীণ ॥
—আৰু কান্দিম কিমান ?

কান্দোনৰ সুৰে শুনো বীৰৰ কাহিণী,
বিষাদ কালিমা সনা কবিৰ ৰাগিনী—
কেউপিনে শুনো মাথো, কন্দা ৰিণি ৰিণি,
সাহিত্যতো ক্ৰন্দনৰ ভাৱ উঠে জিনি,
আৰু কান্দিম কিমান ?

আন স্বৰ এৰি ল'লোঁ জতুৱা-গীতিৰ,
কান্দোনৰ নাম-গীত বিহু-পীৰিতিৰ,
( যদিও ) শোকতে শ্লোকৰ জন্ম কবি বাল্মিকীৰ,
ভাবৰ, ভাষাৰ সৃষ্টি-কান্দোন ৰীতিৰ—
তেও, কান্দিম কিমান ?

উঠিল সকলো জাতি, কোনো পৰা নাই,—
চোৰাঁ মই আছোঁ ক'ত কেনে পিচুৱাই,
অতীতৰ কথা জপি, থাকো কিয় চাই,
প্ৰগতিত মোৰ দৰে, কাৰনো বিলাই ?
—জানো, কান্দিম কিমান !

নাকান্দিম আৰু মই, নুটুটাম বল,
কান্দোনক কদাপিতো নিদিম সুচল,
বোৱাম বীৰৰ তেজ,—আহিবই ঢল,
সঙ্ঘবদ্ধ অসমীয়া—শকতি প্ৰবল—
আমি, নাকান্দো যিমান।

"শোকতো বীৰৰ তেজে দুগুণে নাচিব"
"অভিমন্যু-বধ হেতু ৰণ নাথামিব,"
এই ভীষ্ম প্ৰতিজ্ঞাটি লবই লাগিব,
সাহিত্য—জাতীয় ধন—কিয় নাবাঢ়িব ?
—এয়ে নকন্দা উপায়।

ভিক্ষাত নহয় একো, কান্দিলে-কাটিলে,
যেয়ে যিবা পাবা আনা, ভাষা-জননীলে',
অগণিৱ সক নাই—জ্ঞানেৰে আঁটিলে,
ধন দিয়া, মন দিয়া, আনেৰে নাটিলে—
—এয়ে নকন্দা উপায়॥

———

# সমাজতন্ত্ৰবাদ আৰু নব্য ৰুছিয়াৰ চমু পৰিচয়

আধুনিক জগতৰ চাৰিকথাৰ ভূ ৰখা লোকমাত্ৰেই অন্ততঃ এইখিনি কথা জানে যে সমাজতন্ত্ৰবাদ বা "ছুসিয়েলিজিম্" নামে এটা ৰাজনৈতিক মতবাদ বা পৰিকল্পনাই বৰ্ত্তমান জগত থলক লগাইছে এবং বৰ্ত্তমান ৰুছ শাসনতন্ত্ৰই ইয়াৰ গুৰিয়াল। পিচে এই সমাজতন্ত্ৰবাদ এবং ৰুছ শাসনতন্ত্ৰনো কি বস্তু ইয়াৰ বিষয়ে এটা নিয়মিত বিৱৰণ দিবলৈ হলেও সি এখন ডাঙৰ কিতাপ হ'ব। এই প্ৰবন্ধত সেই কাৰ্য্যৰ কাৰণে ঠাই নাই। এই প্ৰবন্ধত মাত্ৰ আমি সমাজতন্ত্ৰবাদৰ মূল কথা এবং ১৯১৭ চনৰ ৰুছ বিপ্লৱৰ ( Russian Revolution ) পিচৰে পৰা আৰম্ভ কৰি ১৯৩৭ সনলৈকে ৰুছিয়াৰ বিভিন্ন পৰিবৰ্ত্তনৰ আৰু ৰুছিয়াৰ বৰ্ত্তমান শাসনতন্ত্ৰ আৰু সাধাৰণ অৱস্থাৰ এটি আভাস দিম। দুখৰ বিষয়, যদিও আজি জগতৰ বহুত দেশক সমাজতন্ত্ৰবাদৰ ভাবে ঢৌৱাই পেলাইছে, আৰু ভাৰতবৰ্ষৰো অন্যান্য প্ৰদেশত ই দ্ৰুতগতিৰে প্ৰচাৰ লাভ কৰিছে, তথাপি অসমত এতিয়াও এই ভাৱৰ আচল মৰ্ম্ম বিস্তাৰ হোৱা নাই। বহুতে আকৌ এই বিষয়ে হয়তো সামান্য কিম্বা বিকৃত বিৱৰণ অলপ পঢ়ি বা শুনিয়েই বিশ্বাস কৰি থৈছে যে, সমাজতন্ত্ৰবাদ হৈছে এটা ধনী দুখীয়া, সম্ভ্ৰান্ত নিকৃষ্ট, ধাৰ্ম্মিক-অধাৰ্ম্মিক সকলোকে একাকৰ কৰি শাসন কাৰ্য্য পৰিচালনা কৰা মতবাদ ( Doctrine )। এই মতবাদ প্ৰবৰ্ত্তিত হোৱা ৰাজ্যত ধনী দুখীয়াৰ প্ৰভেদ থাকিব নোৱাৰে, কোনো ব্যক্তি বিশেষ গাই গুটীয়াভাবে ধন-ঐশ্বৰ্য্যৰ অধিকাৰী হ'ব নোৱাৰে,—গুটীয়াভাবে সম্পত্তিৰ অধিকাৰী হ'ব নোৱাৰে, বিশেষ শ্ৰেণীয়ে বিশেষ সুবিধা পাব নোৱাৰে, কোনো ধৰ্ম্মই প্ৰশ্ৰয় পাব নোৱাৰে, সকলোবোৰ অভেদ অভিন্ন 'খিচুৰী'ৰ সমষ্টি। কিন্তু সমাজতন্ত্ৰবাদৰ বিষয় এই ধাৰণা অতি অবাস্তৱ আৰু বিকৃত।

সমাজতন্ত্ৰবাদ হৈছে দেশ, কাল, শ্ৰেণী, ধৰ্ম্ম, সম্প্ৰদায় নিৰ্ব্বিশেষে পৃথিবীৰ সমগ্ৰ মানৱ জাতিৰ ধৰ্ম্মক্ষেত্ৰ, কৰ্ম্মক্ষেত্ৰ, ৰাজনৈতিক অৰ্থনৈতিক ক্ষেত্ৰত সমানাধিকাৰ আৰু এক ন্যায় বিচাৰৰ মতবাদ। এই কথা ঠিক

যে সমাজতন্ত্ৰবাদে দুৰ্ব্বল, দুখীয়া, কৃষক আৰু শ্ৰমিক শ্ৰেণীৰ শোষণ কৰি তেওঁলোকৰ বুধুমলাৰ দৰে প্ৰভাৱ বিস্তাৰ কৰা ধনী শ্ৰেণীক, আৰু ধৰ্ম্মৰ গুৰিধৰিবলৈ ওলোৱা যাজক প্ৰচাৰক, ধৰ্ম্মগুৰু শ্ৰেণীৰ অন্যায় প্ৰভাৱ ৰাজনৈতিক বা অৰ্থনৈতিক সুবিধা ভোগৰ দাবিক প্ৰশ্ৰয় নিদিয়ে। কিন্তু ই ধনী নিৰ্ধনী সকলোকে সমান বিত্তশালী কৰিবলৈ বিচৰা, আৰু কোনো ধৰ্ম্মক প্ৰশ্ৰয় নিদিয়া বা ধৰ্ম্মক উচ্ছেদ সাধন কাৰবলৈ বিচৰা কথা সঁচা নহয়। সমাজতন্ত্ৰবাদে বিচাৰে শ্ৰেণী, সম্প্ৰদায় নিৰ্ব্বিশেষে গোটেই সমাজথনৰ সুখ, শান্তি, সমৃদ্ধি;—"National Socialism" বা জাতীয় সমাজতন্ত্ৰবাদে নিজৰ দেশখনৰ আৰু আন্তৰ্জ্জাতিক বা বিশ্বজনীন সমাজতন্ত্ৰবাদে বিশ্বৰ সমগ্ৰ দেশবিলাকৰ আৰু সমস্ত মানৱ জাতিৰ কল্যাণ বিচাৰে। সমাজতন্ত্ৰবাদ বুলিলে আমি সাধাৰণতঃ শেষৰ বিধ, অৰ্থাৎ অন্তৰ্জাতিক সমাজতন্ত্ৰবাদ বা "International Socialism" হে বুজোঁ। সেই হিচাপে পৃথিবীত এতিয়ালৈকে প্ৰাধান্য বিস্তাৰ কৰি অহা ধনতন্ত্ৰবাদ বা ধনিকতন্ত্ৰবাদ (Capitalism) আৰু সাম্ৰাজ্যবাদৰ (Imperialism) ই ঘোৰ বিৰোধী। কাৰণ, এই ধনতন্ত্ৰবাদ আৰু সাম্ৰাজ্যবাদৰ উচ্ছেদ সাধন কৰিব নোৱাৰিলে সমাজতন্ত্ৰবাদে প্ৰাধান্য কৰাতে, সমাজতন্ত্ৰবাদৰ আদৰ্শ—Classless society বা শ্ৰেণীশূন্য সমাজ আৰু ৰাষ্ট্ৰ প্ৰতিষ্ঠা কৰাটো অসম্ভৱ।

ধনতন্ত্ৰবাদ আৰু সাম্ৰাজ্যবাদৰ ভিতৰত অতি ঘনিষ্ঠ সম্বন্ধ। ধনতন্ত্ৰবাদ বা ধনিকে বিচাৰে যিমান পাৰে ধন শোষণ কৰিবলৈ, নিজৰ দেশত শোষণৰ লাভ আৰু ক্ষেত্ৰ কম হৈ আহিলে আন দেশক শোষণ কৰিবলৈ। যিমানেই পায়, সিমানেই তাৰ আক্ৰোশ বাঢ়ি যায় আৰু শোষণৰ কাৰণে নতুন নতুন দেশ আৰু নতুন নতুন উপায়ৰ উদ্ভাৱন কৰিবলৈ প্ৰয়াস পায়। ধনিক বা ধনতন্ত্ৰবাদ প্ৰভাৱান্বিত গবৰ্ণমেণ্ট বা ৰাষ্ট্ৰই অন্যান্য দেশৰ ওপৰত প্ৰভুত্ব বিস্তাৰৰ দ্বাৰা, সাম্ৰাজ্য বিস্তাৰৰ দ্বাৰা ধনতন্ত্ৰবাদৰ এই স্পৃহা পূৰণৰ সহায়ক হয়। এক হিচাপে চাবলৈ গলে সাম্ৰাজ্যবাদ ধনতন্ত্ৰবাদৰেই পৰিণতি বুলি কব পাৰি।

আধুনিক ধনতন্ত্ৰবাদৰ বিস্তাৰ লাভৰ প্ৰধান উপকৰণ হৈছে ধনিক বা কেপিটেলিষ্ট সকলৰ দ্বাৰা অধিকৃত আৰু পৰিচালিত কৰা কাৰখানা আৰু কল কাৰখানাজাত শিল্পবিলাক। ইউৰোপেই এই ধনতন্ত্ৰবাদৰ কেন্দ্ৰ,

আমেৰিকা আৰু জাপান ইয়াৰ অনুগমন প্ৰয়াসী। এটা শ্ৰেণীয়ে আন এটা শ্ৰেণীৰ ওপৰত, এটা জাতিয়ে আন এটা জাতিৰ ওপৰত, এখন দেশ বা ৰাষ্ট্ৰই আন এখন দেশ বা ৰাষ্ট্ৰৰ ওপৰত প্ৰাধান্য স্থাপন কৰাৰ চেষ্টা পৃথিবীত যুগে যুগে চলি আহিছে যদিও উনৈশ শতিকাত ইউৰোপৰ শিল্প বিপ্লব বা Industrial Revolution উপস্থিত হোৱাৰ আগেয়ে ধন-তন্ত্ৰবাদ আৰু সাম্ৰাজ্যবাদে এনে উংকট মূৰ্ত্তি ধাৰণ কৰাৰ দৃষ্টান্ত বুৰঞ্জীত পোৱা নাযায়। কল কাৰখানাৰ মালিক আৰু বনুৱা, ধনী আৰু দুখীয়া দুটা শ্ৰেণী স্পষ্ট আৰু উৎকটভাবে পৰস্পৰ বিৰোধী কৰি গঠন কৰিছে। ধনিক সম্প্ৰদায়ে তেওঁলোকৰ প্ৰকাণ্ড প্ৰকাণ্ড কলকাৰখানা, মিল, কোম্পানী, জমিদাৰী, বেঙ্ক, বীমা ইত্যাদিৰ বাৰসায়ৰ লাভৰ দ্বাৰা লাখপতি কোটিপতি হৈ ৰাজপ্ৰসাদ তুল্য অট্টালিকাত মহানন্দে আৰু অভাবনীয় বিলাস সম্ভোগত দিন কটাইছে। ইফালে তেওঁলোকৰ তলত কিম্বা, তওঁলোকৰ পূৰ্ণ প্ৰভাৱত হাজাৰ হাজাৰ, লক্ষ লক্ষ বনুৱা-ধৰুৱা, তলতীয়া ৰায়ত আদিয়ে মহা-কষ্টে দিন অতিবাহিত কৰিব লাগিছে; হাড়ক মাটি তেজক পানী কৰি খাটিও তেওঁলোকে দুবেলা দুমুঠি পেট ভৰাই আৰু তৃপ্তিৰে খাবলৈ পোৱা নাই, পিন্ধিবলৈ একান্ত আৱশ্যকীয় এডোখৰ কাপোৰ আৰু থাকিবলৈ এটা নিয়মীয়া পঁজা পোৱা নাই। অকল সেয়ে নহয় প্ৰকাণ্ড প্ৰকাণ্ড কল কাৰখানাৰ শিল্পৰ প্ৰতিযোগিতা আৰু বিস্তাৰে দেশৰ সৰু সৰু কুটিৰ শিল্পবিলাক ধ্বংস কৰি আৰু সিফালে কল কাৰখানাৰ মালিক সকলেও যথেষ্ট সংখ্যক শ্ৰমিকৰ কাৰণে তেওঁলোকৰ কাৰখানাত কাম উলিয়াব নোৱাৰি দেশত লাখ লাখ নিবনুৱাৰ সৃষ্টি কৰিছে।

এইদৰেই পৃথিবীময় অশান্তি ৰাজনৈতিক বিগ্ৰহ আৰু আৰ্থিক অবসাদৰ উদ্ভব হৈছে। এয়ে ধনতন্ত্ৰবাদৰ পৰিণাম। প্ৰচাৰ কাৰ্য্য, বণিকসকলৰ ওচৰত অনুনয় বিনয় কিম্বা গৱৰ্ণমেণ্টৰ ওচৰত কৃপাপ্ৰাৰ্থী হৈ এই অন্যায়ৰ প্ৰতিকাৰ লাভ কৰাটো বৃথা। কাৰণ, বণিকসকলে যে প্ৰকৃততে অন্যায় কৰিছে, দৰিদ্ৰসকলক, বনুৱাসকলক শোষণ কৰিছে সেই কথা তেওঁলোকে নজনা নহয়; তথাপি তেওঁলোকে সেই অন্যায়ৰ পথ নেৰে। বণিকসকলৰ মনোবৃত্তিয়েই এনে! তেওঁলোকে যিমান বেচি আয় কৰিব পাৰে, সিমানেই তেওঁলোকৰ লোভ আৰু আক্ৰোশ বেচিকৈহে বৃদ্ধি পায়। কৰবাত কোনোবাজন হৃদয়বান ধনিক কাৰখানাৱালাই তেওঁৰ তলতীয়া শ্ৰমিকসকলক দয়াপৰবশ

হৈ অলপ উচ্চহাৰত বেতন দিব পাৰে, ( বৰ বেচিকৈ দিব নোৱাৰেও ; কাৰণ শ্ৰমিকক বেচি দৰমহা দি তেওঁ তেওঁৰ কাৰখানাত উৎপন্ন বস্তুবিলাক বজাৰত কম দামত বেচিব নোৱাৰিব। কাৰণ, শ্ৰমিকক কম হাৰত দৰমহা দিয়া আন কাৰবাৰীয়ে সেই বস্তু তেওঁতকৈ কম দামত বেচিব আৰু ফলত শ্ৰমিকক ভাল দৰমহা দিবলৈ যোৱা কাৰবাৰীজনৰ বস্তুৱে বাকীসকল কাৰবাৰীৰ সস্তীয়া বস্তুৰ প্ৰতিযোগিতাত টিকিব নোৱাৰি তেওঁৰ লোকচান ঘটাব, ) কিম্বা শ্ৰমিকসকল খুব সঙ্ঘবদ্ধ হৈ ট্ৰেড ইউনিয়ন বা শ্ৰমিকসঙ্ঘৰ জৰিয়তে সমবেত ভাবে দাবি কৰিলে সামান্য সুবিচাৰ পাব পাৰে ; কিন্তু সি যথেষ্ট আৰু স্থায়ী নহয়। গৱৰ্ণমেণ্টৰ মুখলৈ চোৱাও মিছা। কাৰণ, ধনতন্ত্ৰ-বাদৰ প্ৰাধান্যপূৰ্ণ দেশত গৱৰ্ণমেণ্টো ধনিক সকলৰ আৰু ধনতন্ত্ৰবাদৰ দ্বাৰা প্ৰভাৱান্বিত। সেই বাবেই সমাজতন্ত্ৰবাদক কয় যে, ধনতন্ত্ৰবাদে তথা সাম্ৰাজ্য-বাদৰ মূল উচ্ছেদ কৰিব লাগিব। জমিদাৰী প্ৰথা ৰদ কৰি মাটিৰ স্বত্ব ৰাষ্ট্ৰৰ হাতলৈ আনিব লাগিব ; ডাঙৰ ডাঙৰ শিল্প, ব্যৱসায়, কল-কাৰখানাৰ স্থাপন আৰু পৰিচালনাৰ ভাৰ ৰাষ্ট্ৰ বা গৱৰ্ণমেণ্টে ল'ব। কৃষি-প্ৰধান দেশত ডাঙৰ পাম কৰি খেতি কৰোৱাৰ ভাৰো ৰাষ্ট্ৰই লব ; মূলধনৰ গৰাকী ৰাষ্ট্ৰ হ'ব ; উৎপন্ন বিক্ৰী, শ্ৰমিকৰ বেতন ৰাষ্ট্ৰই নিয়ন্ত্ৰণ কাৰব , ধনী-দুখীয়াৰ আকাশ-পাতাল বৈষম্য দূৰ কৰিব লাগিব,—একে-আষাৰে শ্ৰেণীশূন্য সমাজ ( classless Society ) আৰু শ্ৰেণীশূন্য ৰাষ্ট্ৰ স্থাপন কৰিব লাগিব। কোনো শ্ৰেণী, জাতি বা ৰাষ্ট্ৰৰ শোষণ-প্ৰভুত্ব সমাজতন্ত্ৰবাদীসকলে সহ্য নকৰে।

এয়ে সমাজতন্ত্ৰবাদৰ চমু বিৱৰণ। ফ্ৰান্সৰ নামমাত্ৰ সমাজতন্ত্ৰবাদৰপৰা আৰম্ভ কৰি ট্ৰটস্কিপন্থীসকলৰ উগ্ৰ সাম্যবাদলৈকে ( communism ) ইয়াৰ কেইবাটাও পন্থা ( Schools or forms ) আছে ; কিন্তু এয়ে সমাজতন্ত্ৰ-বাদৰ মূল ভিত্তি আৰু এই ভিত্তিৰ ওপৰতেই ৰুছিয়াৰ বৰ্ত্তমান ৰাষ্ট্ৰতন্ত্ৰ গঠিত ; আৰু এই মতবাদ অনুসৰণ কৰিয়েই আজি কুৰি বছৰৰ ভিতৰত ৰুছিয়াই নিজৰ ৰাজনৈতিক আৰু অৰ্থনৈতিক জীৱনত যুগান্তৰ উপস্থিত কৰি জগতৰ আগত এটা নতুন আদৰ্শ উপস্থিত কৰিছে। ৰুছ ৰাষ্ট্ৰই নিজৰ নাম গ্ৰহণ কৰিছে—Union or Soviet Socialist Republics—সমাজতন্ত্ৰবাদী ছভিয়েট সমূহৰ যুক্তৰাষ্ট্ৰ। ১১ এঘাৰখন সৰু সৰু ছভিয়েট ৰাষ্ট্ৰৰে এই যুক্তৰাষ্ট্ৰ গঠিত :—( ১ ) ৰুছিয়ান ছভিয়েট ফেডাৰেটেড ছসিয়েলিষ্ট ৰিপাব্লিক ( খাচ ৰুছিয়ানসকলৰ সৰু সৰু ৰাজ্যবিলাকৰ সমাজতন্ত্ৰবাদী যুক্তৰাষ্ট্ৰ ), ( ২ )

উক্ৰেনিয়ান ছুভিয়েট, ( ৩ ) হোৱাইট ৰুছিয়ান ছুভিয়েট, ( ৪ ) আজাৰবইজান ছুভিয়েট, ( ৫ ) জৰ্জ্জিয়ান ছুভিয়েট, ( ৬ ) আৰ্ম্মেনিয়ান ছুভিয়েট, ( ৭ ) তুৰ্কমেনিয়ান ছুভিয়েট, ( ৮ ) উজবেক ছুভিয়েট, ( ৯ ) টাজিক ছুভিয়েট, ( ১০ ) কাজাখ ছুভিয়েট আৰু ( ১১ ) কিৰঘিজ ছুভিয়েট।

১৯১৮ চনত প্ৰবৰ্ত্তিত ৰাষ্ট্ৰ তন্ত্ৰৰ ভূমিকাত এই ৰাষ্ট্ৰতন্ত্ৰৰ পৰিচয় দিয়া হৈছিল :—"·········it is the establishment (in the form of a strong Soviet Government) of the dictatorship of the urban and rural workers combined with the poorer peasantry, to secure the abolition of the exploitation of man and the establishment of Socialism." অৰ্থাৎ মানুহৰ দ্বাৰা মানুহক শোষণ বন্ধ কৰি শ্ৰমিক আৰু কৃষকসকলৰ অধিনায়কত্ব শক্তিশালী ছুভিয়েট গবৰ্ণমেণ্ট আৰু সমাজতন্ত্ৰবাদৰ প্ৰতিষ্ঠাই ইয়াৰ উদ্দেশ্য। ৰাষ্ট্ৰনায়কৰ হাতত এই 'dictatorship' বা অধিনায়কত্বৰ সমৰ্থন উল্লেখ থকাৰ কাৰণেই আজি আমি ৰুচিয়াত ষ্টেলিনৰ সমাজতন্ত্ৰমূলক ডিক্টেটৰি বা স্বেচ্ছাচাৰী শাসন চলাৰ কথা শুনো। কিন্তু বৰ্ত্তমান এই বছৰ প্ৰবৰ্ত্তিত হোৱা সংস্কৃত গঠনতন্ত্ৰত ( constitution ) ৰুছিয়াৰ শাসন প্ৰণালী সম্পৰ্কে তেনে ভুল ধাৰণা হ'বৰ সম্ভাবনা দূৰ কৰা হৈছে—"The U. S. S. R. is a socialist state of workers and peasants.············The political foundation of the U. S. S. R. is formed by the Soviets of toilers' deputies which have grown and become strong as a result of the overthrow of power of land-lords and capitalists and the conquest of the dictatorship of the proletariat."—Article I-2. অৰ্থাৎ বনুৱা আৰু খেতিয়কসকলৰ দ্বাৰা এই ৰাষ্ট্ৰ গঠিত। ধনী আৰু জমিদাৰ শ্ৰেণীৰ প্ৰতিপত্তি ধ্বংস কৰিবলৈ প্ৰবৰ্ত্তন কৰা শাসন তন্ত্ৰৰ আমোলত গঠিত আৰু শক্তিশালী হৈ ডিক্টেটৰি শাসনৰ অনাবশ্যকতা প্ৰতিপন্ন কৰা বনুৱা প্ৰতিনিধিসকলৰে গঠিত ছুভিয়েট বা পঞ্চায়ত বিলাকেই এই ৰাষ্ট্ৰৰ ভিত্তি বা উৎস।

ৰাষ্ট্ৰতন্ত্ৰখনৰ আন কেইটামান প্ৰধান নিবন্ধৰ আভাস তলত দিয়া হ'ল :—

( ১ ) সমাজতন্ত্ৰবাদমূলক অৰ্থ-ব্যৱস্থা—সমাজতন্ত্ৰবাদমূলক সত্বাধিকাৰ, সমাজতন্ত্ৰবাদমূলক উপাদান ক্ষেত্ৰ, উৎপাদন যন্ত্ৰ আৰু উপাদান প্ৰণালীয়েই এই

ৰাষ্ট্ৰৰ অৰ্থনৈতিক ভিত্তি। ( ব্যক্তিগত সত্বাধিকাৰ, ধনতান্ত্ৰিক অৰ্থ-ব্যৱস্থা আৰু ধনতান্ত্ৰিক বা গাইগোটীয়া উৎপাদন প্ৰণালীৰ উচ্ছেদ সাধন কৰাই এই নীতিৰ লক্ষ্য। )

( ২ ) সমূহ সমাজতান্ত্ৰিক সম্পত্তি দুই প্ৰকাৰৰ ;—চৰকাৰী সম্পত্তি আৰু সঙ্ঘবদ্ধ সমবায় কৃষি-ক্ষেত্ৰৰ সম্পত্তি। প্ৰথম বিধ হৈছে সমগ্ৰ প্ৰজাবৃন্দৰ কাৰণে ৰখা সম্পত্তি আৰু দ্বিতীয় বিধ হৈছে সঙ্ঘবদ্ধ সমবায়ৰ ভিত্তিত ৰক্ষিত আৰু পৰিচালিত ভিন ভিন জুমৰ ফাৰ্ম্ম বা পাম।

( ৩ ) সমাজতন্ত্ৰবাদমূলক অৰ্থ ব্যৱস্থাৰ ভিত্তিত থটা আৰু আৰ্থিক লাভা লাভ কৰাৰ বাহিৰে উপকৰাকৈ ব্যক্তিগত ভাবে শ্ৰম কৰি যি পাবে অৰ্জ্জন কৰিবলৈ সকলোকে আইনগত সুবিধা দিয়া হৈছে। থকা ঘৰ, ঘৰৰ ব্যৱহাৰৰ বস্তু, কল-কাৰখানা বিহীন ঘৰুৱা শিল্পৰ উৎপাদন আদি বস্তু ব্যাক্তগত সম্পত্তি।

( ৪ ) "কামৰ অনুপাতে মূল্য"—এই নীতি প্ৰয়োগ কৰি সকলোকে কাম কৰিবলৈ বাধ্য কৰা হৈছে।

( ৫ ) জাতি, ধৰ্ম্ম, বৰ্ণ, মুনিহ তিৰোতা নিৰ্ব্বিশেষে সকলো লোককে সমান ৰাজনৈতিক আৰু অৰ্থনৈতিক সুবিধা দিয়া হৈছে।

( ৬ ) সৰ্ব্বসাধাৰণৰ সুখ-সমৃদ্ধি, কৃষক আৰু বনুৱাসকলৰ আৰ্থিক আৰু মানসিক উৎকৰ্ষ সাধন, ছভিয়েটৰ স্বাধীনতা ৰক্ষা আৰু আত্মশক্তি বৃদ্ধি কৰাই এই শাসনতন্ত্ৰৰ লক্ষ্য।

( ৭ ) ধৰ্ম্ম বিষয়ত সকলোকে নিজ নিজ বিশ্বাস মতে চলিবলৈ আৰু উপাসনা কৰিবলৈ দিয়া হৈছে।

( ৮ ) সমাজতান্ত্ৰিক ব্যৱস্থা আৰু ৰাষ্ট্ৰ দৃঢ়তৰ আৰু শক্তিশালী কৰাৰ অৰ্থে বক্তৃতা দিয়া, সভা-সমিতি পাতি, বাতাৰ কাকত পৰিচালনা কৰা আৰু শোভাযাত্ৰা কৰাৰ অধিকাৰ দিয়া হৈছে।

এতিয়া ৰুছ ৰাষ্ট্ৰতন্ত্ৰৰ বিভাগবিলাকৰ সম্পৰ্কে অলপ কোৱা যাওক। এই ৰাষ্ট্ৰৰ সৰ্ব্বপ্ৰধান শাসন পৰিষদ হৈছে "ছুপ্ৰিম কাউন্সিল ( The Snpreme Council of the U. S. S. R. )। এই ছুপ্ৰিম কাউন্সিলেই ৰুছ ৰাষ্ট্ৰৰ সকলো বিভাগৰ আইন কৰ্ত্তা আৰু সৰ্ব্বপ্ৰধান পৰিচালক। ইউনিয়নবিলাকৰ প্ৰতিনিধি সভা আৰু জাতি-সমূহৰ প্ৰতিনিধি সভা ( Council of the Unions and the Council of Nationalities )—এই দুখন পৰিষদৰে

এই ছুপ্ৰিম কাউন্সিল গঠিত। গোটেই ছভিয়েট ৰাষ্ট্ৰক ভাগ কৰা সৰু সৰু নিৰ্ব্বাচন সমষ্টি বা ইউনিয়নবিলাকে প্ৰত্যেকে একোজন প্ৰতিনিধি নিৰ্ব্বাচন কৰি ছুপ্ৰিম কাউন্সিলৰ ইউনিয়ন পৰিষদলৈ পঠায়। মোটামুটি ভাবে প্ৰতি তিনিলাখ মানুহে একোজন প্ৰতিনিধি পঠায়। দ্বিতীয়খন পৰিষদলৈ ছভিয়েট যুক্তৰাষ্ট্ৰৰ অন্তৰ্ভুক্ত প্ৰত্যেক শাখা শাসনমূলক ( autonomous ) প্ৰদেশ আৰু স্বতন্ত্ৰ জাতি-প্ৰধান অঞ্চল কিছুমান নিৰ্দ্দিষ্ট নিয়মে প্ৰতিনিধি বাচি পঠায়।

চাৰি বছৰৰ কাৰণে ছুপ্ৰিম কাউন্সিলখন নিৰ্ব্বাচিত হয় আৰু এই কাউন্সিলৰ দুয়ো পৰিষদৰ কাৰ্য্য ক্ষমতা সমান আৰু একে। দুয়ো পৰিষদ সাধাৰণতঃ বেলেগে বেলেগে আৰু কেতিয়াবা যুটীয়া ভাবে বহে। কিন্তু ছুপ্ৰিম কাউন্সিলৰ সভাপতিয়ে বছৰি সাধাৰণতঃ দুবাৰ ছুপ্ৰিম কাউন্সিলৰ অধিবেশন আহ্বান কৰে। ছুপ্ৰিম কাউন্সিলৰ সভাপতি, এঘাৰজন সহকাৰী সভাপতি আৰু তেওঁলোকৰ সাহায্যকাৰী ২৪ জন সদস্য ছুপ্ৰিম কাউন্সিলৰ প্ৰথম অধিবেশনতে নিৰ্ব্বাচিত হয়। এই সভাপতি সহকাৰী সভাপতি আৰু সদস্য সকলেৰে ছুপ্ৰিম কাউন্সিলাৰ কাৰ্য্যকৰী সভাপতিৰ দৰে এখন "সভাপতিৰ পৰিষদ" ( Presidium of the Supreme Council ) হয় আৰু এই সভা তেওঁলোকৰ সকলো কাৰ্য্যৰ কাৰণে ছুপ্ৰিম কাউন্সিলৰ ওচৰত দায়ী থাকে। আন্তৰিক, আন্তৰ্জ্জাতিক, যুদ্ধ-শান্তি—ছুপ্ৰিম কাউন্সিল কৰ্তৃত্বাধীন সকলো বিষয়কে এই সভাপতি পৰিষদ বা ছুপ্ৰিম কাউন্সিলৰ কাৰ্য্যকৰী সমিতিয়ে সমাধা কৰে। নতুন ছুপ্ৰিম কাউন্সিলৰ অধিবেশন বহানৈকে এই সমিতিয়েই ( আগৰ ছুপ্ৰিম কাউন্সিৰ কাৰ্য্যকৰী সমিতিয়েই, ) কাৰ্য্য চলায় নতুন ছুপ্ৰিম কাউন্সিলৰ অধিবেশনো এই সমিতিয়েই ( ইয়াৰ সভাপতিৰ যোগে, ) আহ্বান কৰে।

পোনপটীয়া নিৰ্ব্বাচনৰ গণতান্ত্ৰিক অনুষ্ঠান, সৰ্ব্বসাধাৰণৰ প্ৰতিনিধিমূলক শাসন-সভা ছুপ্ৰিম কাউন্সিলে বহি ছভিয়েট যুক্ত ৰাষ্ট্ৰৰ সাধাৰণ গৱৰ্ণমেণ্ট বা শাসক-মণ্ডলী ( Council of Peoples' Commissary of the U. S. S. R. ) গঠন কৰে। এই শাসক-সভাই হৈছে ৰুছ যুক্তৰাষ্ট্ৰৰ কেবিনেট বা মন্ত্ৰীসভা। ছুপ্ৰিম কাউন্সিলৰ নিৰ্দ্দেশ আৰু বিধান অনুসাৰে এওঁলোকে ৰাষ্ট্ৰৰ শাসনকাৰ্য্য চলাব। ছুপ্ৰিম কাউন্সিলৰ কাৰ্য্যকৰী সভা বা সভাপতি পৰিষদে তথা ছুপ্ৰিম কাউন্সিলে এই মন্ত্ৰীসভাৰ শাসন কাৰ্য্যৰ ওপৰত চোকা

নজৰ ৰাখিব। তলত উল্লেখ কৰা পদৱীধাৰী সকলৰে এই মন্ত্ৰীসভা গঠিত :—

১। এজন সভাপতি ( Chairman of the peoples Commission of the U. S. S. R. )

২। কেইজনমান সহকাৰী সভাপতি।

৩। আৰ্থিক পৰিকল্পনা কমিটিৰ সভাপতি ( Chairman of the Soviet state planning Commission. )

৪। ছভিয়েট দেশৰক্ষা কমিটিৰ সভাপতি ( Chairman of the Soviet control Cammission. )

৫। "আৰ্ট কমিটি"ৰ সভাপতি ( Chairman of the Committee of Arts. )

৬। উচ্চ শিক্ষাৰ কমিটিৰ সভাপতি ( Chairman of the Committee for Higher Education. )

৭। কৃষিজাত বস্তু কিনা কমিটিৰ সভাপতি ( The Chairman of the Committee for purchasing agricultural production, ) আৰু

৮। কেই জনমান যুক্তৰাষ্ট্ৰীয় কমিশনাৰ ( Peoples' Commissionars of the U.S S.R. )

এই মন্ত্ৰীসকলৰ প্ৰত্যেকজনৰ নিজ নিজ বিভাগৰ কাৰণে একোখন মন্ত্ৰণাসভা আছে। এইবিলাকৰ ভিতৰত আটাইতকৈ বিখ্যাত হৈছে অৰ্থ মন্ত্ৰীৰ আৰ্থিক পৰিকল্পনা কমিটিখন। ( The State Planning Commission ) এই কমিটিয়েই বিশাল ছভিয়েট যুক্তৰাষ্ট্ৰৰ আৰ্থিক ব্যবস্থা—উৎপন্ন, বিক্ৰী, বেপাৰ-বাণিজ্যৰ পৰিকল্পনা ( plan ) তৈয়াৰ কৰে ; আৰু যিহেতু প্ৰধানতঃ নতুন অৰ্থ নৈতিক মতবাদৰ ওপৰতে সমাজ-তন্ত্ৰ প্ৰতিষ্ঠিত, সেই হেতুকে ৰাষ্ট্ৰৰ আন সকলো কৰ্ম্মকৰ্ত্তাৰ কামতকৈ অৰ্থ-মন্ত্ৰীৰ কামেই বেচি গুৰুত্বপূৰ্ণ, আন সকলো, কৰ্ম্মকৰ্ত্তাকতকৈ অৰ্থ-মন্ত্ৰীজনেই বেচি দায়িত্বশীল বিষয়া বুলি ধৰা হয় ; তেওঁকেই ৰুছিয়াৰ ভাগ্য নিয়ন্তা বুলি গণ্য কৰা হয়। বৰ্ত্তমান ৰুছিয়াৰ এই অৰ্থ-মন্ত্ৰীজন হৈছে ( যোৱা দহ বছৰে ) জোছেফ ষ্টেলিন। এওঁৰ নেতৃত্বতে ৰুছিয়াৰ আৰ্থিক পৰিকল্পনা কমিটিৰ দ্বাৰা প্ৰস্তুত "প্ৰথম পঞ্চবাৰ্ষিক পৰিকল্পনা" ( First Five Year plan, 1927-32 ), "দ্বিতীয় পঞ্চবাৰ্ষিক পৰিকল্পনা" ( Second Five Year plan, 1932-37 ) কাৰ্য্যত খটাই গৱৰ্ণমেণ্টে এক অভিনৱ

ৰুছিয়াৰ সৃষ্টি কৰিছে। এওঁৰ নেতৃত্বতে এই বছৰ জুলাই মাহৰপৰা "তৃতীয় পঞ্চ বাৰ্ষিক পৰিকল্পনাৰ" কাৰ্য্য আৰম্ভ হৈছে। সেই দেখিয়েই আমি ৰুছিয়াৰ আনবিলাক ৰাষ্ট্ৰ নায়কৰ কথা নুশুনি প্ৰধানতঃ ষ্টেলিনৰে কথা শুনিবলৈ পাওঁ;— তেওঁ ভালকৈ শাসন কৰিছে বুলি হলেও, কিম্বা স্বেচ্ছাচাৰী ভাবে (dictatorially) শাসন কৰিছে বুলি হলেও, কিন্তু প্ৰকৃতপক্ষে ষ্টেলিনে ৰুছিয়াক অকলে শাসন কৰা নাই; আনকি তেওঁ ছভিয়েট যুক্তৰাষ্ট্ৰৰ শাসন সভাৰ (ছুপ্ৰিম কাউন্সিলৰ,) সভাপতি কিম্বা মন্ত্ৰীসভাৰ (Council of poples' Commissioners) প্ৰধান মন্ত্ৰীত্ব নহয়। প্ৰথমোক্তজন বিষয়া হৈছে মালটভ (V. Molotov) আৰু দ্বিতীয়জন হৈছে কালিনিন (M. Kalinin).

ছভিয়েট যুক্তৰাষ্ট্ৰৰ প্ৰদেশ বা শাখা যুক্ত ৰাষ্ট্ৰবিলাকৰ আভ্যন্তৰিক শাসন কাৰ্য্য কেন্দ্ৰীয় যুক্তৰাষ্ট্ৰৰ আইন, নিৰ্দ্দেশ আৰু সাৰ্ব্বভৌম ক্ষমতাৰ (Sovereignty) লগত সংঘৰ্ষ নোহোৱাকৈ কেন্দ্ৰীয় যুক্তৰাষ্ট্ৰৰ অনুৰূপ শাসনসভা আৰু শাসনকৰ্ত্তাসকলৰ দ্বাৰাই পৰিচালিত হয়। সেইবিলাকৰ বিষয়ে আৰু ইয়াত আলোচনা নকৰোঁ।

এতিয়া সমাজতন্ত্ৰবাদী ৰুছ শাসনতন্ত্ৰৰ ফলাফললৈ মন কৰক। এই কুৰি বছৰৰ ভিতৰত ৰুছিয়াই নিজৰ শিক্ষিতৰ সংখ্যা শতকৰা ৮ জনৰ পৰা প্ৰায় ৮০ জনলৈ তুলিছে, শিল্প বিষয়ত নিজৰ পৰমুখপেক্ষিতা দূৰ কৰিও কোটি কোটি টকাৰ বস্তু বিদেশলৈ ৰপ্তানি কৰিছে, শিল্পজীৱিৰ সংখ্যা শতকৰা ৫ জনৰ পৰা ৫০ জনলৈ তুলিছে, শিল্পজাত বস্তুৰ পৰিমাণ ১৯১৭ চনৰ (ৰুছ বিপ্লবৰ বছৰৰ) পৰিমাণতকৈ সাতগুণ বৃদ্ধি কৰিছে। দেশৰ জাতীয় অৰ্থনৈতিক সমৃদ্ধি মহাযুদ্ধৰ আগৰ অৱস্থাতকৈ প্ৰায় তিনিগুণে বৃদ্ধি কৰিছে, সামৰিক শান্তিত—আকাশী যান, যুদ্ধ জাহাজ, সৈন্য-বাহিনী প্ৰভৃতিত ৰুছিয়াক এক অদ্বিতীয় ৰাষ্ট্ৰ'ত পৰিণত কৰিছে, চিকিৎসাৰ অভাৱত অকাল মৃত্যুৰ সংখ্যা আশাতীত ভাবে কমাইছে, দৰিদ্ৰৰ বিননি, নিৰন্নৰ হাঁহাকাৰ, বাৰ্দ্ধক্যৰ সহায়হীনতা দূৰ কৰিছে;—জগতৰ আগত এক অভিনৱ আদৰ্শ উত্থাপন কৰিছে। প্ৰথমতে War Communism বা উৎকট সাম্যবাদ, তাৰ পিচত New Economic Policy বা আৰ্থিক নিয়ন্ত্ৰণ, তাৰ পিচত এতিয়া Planned Economy বা Control System অৱলম্বন কৰি (এইবিলাকৰ বিৱৰণ এই প্ৰবন্ধৰ কাৰণে অনাৱশ্যক) নব্য ছভিয়েট ৰাষ্ট্ৰই স্বদেশৰ সুখ-সমৃদ্ধি বৃদ্ধিত দোপত দোপে আগ বাঢ়িছে। ৰুছিয়াৰ এই নতুন সামাজিক আৰু শাসন-

ব্যৱস্থা দেখি, ইয়াৰ যুক্তি আৰু শক্তি দেখি, আগেয়ে ইয়াৰ আক্ৰমণ কৰা বৃটিচ ৰাজনীতিক মিঃ লয়েড জৰ্জ্জ, লৰ্ড হেলিফাক্স, আৰু লৰ্ড পেছফীল্ডৰ নিচিনা লোকৰো মত ভালেখিনি পৰিবৰ্ত্তন হৈছে। ইউৰোপৰ আন কেইবাখনো দেশত ই শিপাবলৈ ধৰিছে। স্পেইনত এনে শাসনতন্ত্ৰ প্ৰতিষ্ঠিত হোৱাৰ সম্ভাৱনাৰ ফলতে সমাজতন্ত্ৰবাদ আৰু গণতন্ত্ৰৰ বিৰোধী সাম্ৰাজ্যবাদী ইটালী আৰু জাৰ্ম্মানিৰ চকুত টোপনি নোহোৱা হৈছে আৰু সমাজতন্ত্ৰবাদী গৱৰ্ণমেণ্টৰ বিৰুদ্ধে জেনেৰেল ফ্ৰেঙ্কোক বিদ্ৰোহ কৰিবলৈ লগাই দি ধন-বস্তু, স্বেচ্ছাসৈন্য, অস্ত্ৰ-শস্ত্ৰ প্ৰভৃতিৰে তেওঁক সহায় কৰিছে। ডক্টৰ এডিয়ে ( বা Eddy ) আধুনিক ৰুছিয়াৰ সৰ্ব্বপ্ৰধান ভাল কাৰ্য্যবিলাকৰ এইদৰে নাম কৰিছে :—

( ১ ) ইয়াৰ আদৰ্শ সমাজ-ব্যৱস্থা আৰু সামাজিক ন্যায়-বিচাৰ ( Its Social justice and Social Planning. )

( ২ ) জাতি-বৰ্ণ নিৰ্ব্বিশেষে এটা সমভাৱী আৰু সমভাগী মানব সমাজৰ সৃষ্টি ( Its aim of a classless society which supersedes race and colour prejudice. )

( ৩ ) দোষীৰ প্ৰতি চৰিত্ৰ সংশোধনমূলক দণ্ডবিধান আৰু মানবোচিত ব্যৱহাৰ ; ( Its new Penolagy with human treatment to criminals )

( ৪ ) লৰা-ছোৱালীবিলাকৰ প্ৰতি ৰাষ্ট্ৰৰ বিশেষ তত্বাৱধান আৰু যুবকসকলক কৰ্ম্ম আৰু ত্যাগৰ ভাবত অনুপ্ৰাণিত কৰা কাৰ্য্য। ( Its remarkable care of the children and its method of inspiring youth with service and sacrifice. )

( ৫ ) অন্যায় আক্ৰোশবিহীন কাৰবাৰ ( Its profitless system of business. )

( ৬ ) নিবনুৱা সমস্যাৰ মূলোচ্ছেদ ( Absence of or Solution of unemployment Problem. )

( ৭ ) ঘৰ দিয়া আৰু ঘৰ-দুৱাৰ পৰিষ্কাৰ-পৰিচ্ছন্ন ৰখাৰ পৰিকল্পনা ( Plan for housing and cleaning. )

( ৮ ) সমবায় বা উমৈহতীয়া ভাবে খেতি কৰা ব্যৱস্থা ( Collective agricultural method. )

কিন্তু চন্দ্ৰতো কলঙ্ক থকাৰ দৰে এই সুন্দৰ ৰুছ ৰাষ্ট্ৰতন্ত্ৰতো কিছুখুঁত বৈ

হৈছে ; আৰু অতি দুখৰ বিষয় যে, ৰুছ শাসন-তন্ত্ৰৰ কৰ্ণধাৰসকলে এতিয়াও তাৰ সংশোধনৰ চেষ্টা কৰা নাই ; বৰং তাক দোষ বুলি স্বীকাৰকে কৰিব খোজা নাই। ৰুছ ৰাষ্ট্ৰ নায়কসকলৰ এই আঁকোৰগজালি ভাবেই হয়তো এই সুন্দৰ ৰাষ্ট্ৰ-তন্ত্ৰৰ ধ্বংসৰ কাৰণ হৈ উঠিব পাৰে বুলি আশঙ্কা হৈ, আজি ৰুছ শাসন-তন্ত্ৰৰ মূল ভিত্তিৰ সমৰ্থক আমাৰ বহুতৰে মনত মাজে মাজে বিষাদৰ উদয় হয় ; ভয়ত বুকু কঁপি উঠে। ৰুছ শাসন-তন্ত্ৰৰ সৰ্ব্বপ্ৰধান খুঁত হৈছে— নাগৰিক আৰু ৰাজনৈতিক পূৰ্ণাধিকাৰ সঙ্কোচ। ডক্টৰ এড্ডিয়েও তাকে কৈছে। গণতন্ত্ৰ আৰু সভ্য জগতে দিয়া, দিব পৰা আৰু দিব লগা, সকলো মানবোচিত আৰু যুক্তি সঙ্গত অধিকাৰ ৰুছ ৰাষ্ট্ৰ-তন্ত্ৰই ৰুছিয়াৰ অধিবাসী সকলক দিয়া নাই। এই কথা অতি সঁচা যে, ৰুছিয়াৰ নাগৰিকসকলৰ আজি পূৰ্ণ মৌলিক আৰু ৰাজনৈতিক স্বাধীনতা নাই ;—তাক সঙ্কোচ কৰা হৈছে। ৰুছ শাসন তন্ত্ৰৰ দোষ উদ্ঘাটন কৰি ইয়াৰ সংশোধন বা পৰিবৰ্ত্তনৰ কাৰণে দল গঠন কৰা বা আন্দোলন কৰিবলৈ দিয়াৰতো কথাই নাই, ঘৰত বহি বহিও কোনেও আজি তেনে মত প্ৰকাশ কৰিব নোৱাৰে। কৰিলে তেওঁক ৰাজদ্ৰোহৰ অপৰাধত তৎক্ষণাৎ অভিযুক্ত কৰি কঠোৰ দণ্ড দিয়া হ'ব। এনে লোকৰ খবৰ বাতৰি লবলৈ বা সামান্য সন্দেহতে এনে লোক 'আবিস্কাৰ' কৰিবলৈ চৰকাৰী গুপ্তচৰ বিভাগ "অগপু"ৰ ( Ogpu ) অসংখ্য কৰ্ম্মচাৰী সদায় ঘূৰিবই লাগিছে। কিন্তু তথাপি মানুহৰ স্বাভাবিক ভাবধাৰা আৰু জ্ঞান-বিশ্বাসৰ আত্মপ্ৰকাশত বাধা দিয়াটো টান। নিয়মিত প্ৰবৰ্ত্তিত ৰাষ্ট্ৰৰ পৰিবৰ্ত্তনৰ কাৰণে মত প্ৰকাশ কৰিবলৈ বা সেই উদ্দেশ্যে সঙ্ঘবদ্ধভাবে আইন-সঙ্গত আন্দোলন কৰিবলৈ বা দল গঠন কৰিবলৈ ৰাষ্ট্ৰই সকলো নাগৰিককে অধিকাৰ দিয়া উচিত। তেনে অধিকাৰ নিদি মাত্ৰ প্ৰতিষ্ঠিত ৰাষ্ট্ৰকে নিখুঁত আদৰ্শ ব্যৱস্থা বুলি মানি লৈ, তাৰে প্ৰশংসা আৰু স্তুতি গানত নাগৰিকসকলক আবদ্ধ ৰখাটো ন্যায়-যুক্তি, গণতন্ত্ৰ আৰু মানব ধৰ্ম্মৰ বিৰোধী। মানব প্ৰকৃতি স্বাভাবিকতে তেনে ব্যৱস্থাত সৈমান নহয়। সেই কাৰণেই আজি ৰুছিয়াত এফালে আগৰ জাৰৰ আমোলৰ ৰাষ্ট্ৰ ব্যৱস্থাৰ সমৰ্থক "হোৱাইট গাৰ্ড" আৰু আনহাতে উগ্ৰপন্থী ট্ৰট্স্কি-পন্থী সাম্যবাদীসকলক লৈ বৰ্ত্তমান গৱৰ্ণমেণ্ট সদায় সতৰ্ক আৰু ব্যতিব্যস্ত হৈ থাকিব লগা হৈছে। কিছুদিনৰ অন্তৰে অন্তৰে বৰ্ত্তমান গৱৰ্ণমেণ্টে হয় একোদল ৰজাতন্ত্ৰবাদী "জাৰিষ্ট" জাৰ্ম্মানিৰ সৈতে লগ লাগি ৰাষ্ট্ৰৰ বিৰুদ্ধে ষড়যন্ত্ৰ কৰাৰ অপৰাধত, নহয় একোদল ট্ৰট্স্কিপন্থীক

ৰাষ্ট্ৰৰ বিৰুদ্ধে বিদ্ৰোহমূলক কাৰ্য্যত লিপ্ত থকাৰ ষড়যন্ত্ৰৰ অভিযোগত দীৰ্ঘ কাৰাদণ্ড, নিৰ্ব্বাসন আৰু মৃত্যু দণ্ডত দণ্ডিত কৰাৰ কথা শুনি থাকোঁ। ৰজাতন্ত্ৰবাদীসকল, "জাৰিষ্ট" বা "হোৱাইট গাৰ্ড" সকলতকৈ তেওঁলোকৰ বেচি চিন্তাৰ বিষয় হৈছে ট্ৰট্‌স্কিপন্থীসকল। ট্ৰট্‌স্কিক নিৰ্ব্বাসিত কৰি তেওঁৰ অসংখ্য অনুচৰ আৰু সহকৰ্ম্মীক প্ৰাণদণ্ড দিয়া হ'ল আৰু অসংখ্য শিষ্যক চাইবেৰিয়ালৈ বাহিৰ কৰা হ'ল যদিও, ৰুছিয়াত আজিও ট্ৰট্‌স্কিৰ প্ৰভাব লোপ পোৱা নাই। ইফালে ট্ৰট্‌স্কি আজিও বিশ্ব বিপ্লৱৰ সমৰ্থক; আজিও তেওঁ মানৱ সমাজত কোনো ৰকমৰ শ্ৰেণী বৈষম্য আৰু জীৱন ধাৰণৰ মান-বৈষম্যকে ( different standards, ) প্ৰশ্ৰয় নিদি, জগতত এটা মাথোন শ্ৰেণীশূন্য সমাজ ( classless Society ) গঠনৰ পৃষ্ঠপোষক। ট্ৰট্‌স্কিৰ স্থায়ী বিপ্লৱ-নীতি ( Theory of Permanent Revolution ) আৰু লেনিনৰ সৰ্ব্বহাৰা আধিপত্য নীতি ( Theory of the dictatorship of the Proletariat )—এই দুটি বিৰোধী মত লৈ আজি ট্ৰট্‌স্কি আৰু ষ্টেলিনৰ বিৰোধ। আলোচনা কৰিলে হয়তো দেখা যাব যে, ষ্টেলিনৰ মতেই নিৰ্ভুল। কিন্তু তথাপি ট্ৰট্‌স্কিবাদক ষ্টেলিনে যি ভাবে নিৰ্ম্মূল কৰিবলৈ ওলাইছে, সি অশান্তি আৰু শত্ৰুতা বৃদ্ধিহে কৰিছে যেন দেখা যায়। যি নহওক, বৰ্ত্তমান সেইবোৰ আমাৰ বিচাৰ্য্য বিষয় নহয়। গতিকে আমি ইমানতে এই প্ৰবন্ধৰ সামৰণি মাৰিলোঁ।

মুঠতে আমি নব্য ৰুছিয়াৰ দোষতকৈ গুণ বহুত বেচি দেখিছোঁ আৰু এই নতুন ৰাষ্ট্ৰ তন্ত্ৰৰ পৰা ৰুছিয়াৰ কোটি কোটি জনসাধাৰণৰ আৰু দেশখনৰ বিপুল উন্নতি দেখিছোঁ। নব্য ভাৰতৰ অভ্যুত্থানো এই আদৰ্শ বা ইয়াৰ ওচৰা ওচৰি কোনো আদৰ্শতে হ'ব লাগিবনে নালাগে, এই আদৰ্শই জগতত বিস্তাৰ লাভ কৰিব নে নকৰে—বিস্তাৰ লাভ কৰাটো উচিত নে অনুচিত আৰু সম্ভৱ নে অসম্ভৱ—সেই কথা সুধীবৃন্দ আৰু তত্ত্বপিপাসুসকলে বিচাৰ কৰক।

———

# আমাৰ জাতীয় দৈন্য আৰু ৰাজহনীতি

আমাৰ জাতীয় দৈন্য জনাজাত হলেও তাৰ যে পৰিণাম কিমান তাক সকলোৱে হৃদয়ঙ্গম কৰিব পৰা নাই। এই দৈন্যৰ পৰিণাম এবাৰ স্থিৰভাবে ভাবি চালে ইয়াৰ আগত অসমৰ আন সমুদয় সমস্যা নগণ্য হৈ পৰে। প্ৰকৃত পক্ষে সমুদয় জাতিটোৱে দেৱলীয়া হৈ গৈছে। ই অতি ভয়ানক কথা। গতিকে আচলতে আমাৰ প্ৰত্যেক শক্তিৰ কণাকেই প্ৰয়োগ কৰিব লাগে এই দৈন্য দূৰ কৰিবলৈ। আৰু প্ৰত্যেক সমস্যাকেই আমি ভাবিব লাগে এই দৈন্যৰ মাজেদি। আমাৰ তথাকথিত National vanity পৰিতুষ্ট কৰিলেই যেন আমি এই নিৰন্ন প্ৰজাসকলৰ পিঠিত আৰু যেন বোজা নচপাওঁ। ই হব, যাক ইংৰাজীতে বোলে—"উটৰ পিঠিত শেষ বোজা" (last straw on the camel's back.)

অসমৰ কেৱল খেতিয়ক সকলৰ ধাৰ আছিল ১৯২৯ চনত ২২কোটি টকা। প্ৰত্যেক পৰিয়ালৰ গড়ে ২৪২৲ টকা। শতকৰা ৮৫টা পৰিয়ালৰ এনে ধাৰ। এই সমুদয় সংখ্যা অনা হৈছে অসম গবৰ্ণমেণ্টৰ ১৯৩০ চনত প্ৰকাশিত বেঙ্কিং তদন্ত কমিটিৰ ৰিপোৰ্টৰপৰা। লক্ষ্ণৌ বিশ্ববিদ্যালয়ৰ অধ্যাপক দেশ বিদেশত জনাজাত পণ্ডিত ৰাধাকুমুদ মুখাৰ্জ্জিৰ "Population and Production" নামে কিতাপ খনত পোৱা যায় যে, ভাৰতত দিনে ৬০ লক্ষ মানুহ লঘোণত পৰে। সেই অনুপাতে অসমত একলক্ষ পয়ষষ্ঠি হাজাৰ মানুহ লঘোণত পৰে। যদি সকলো বাদ দি একলক্ষ বিশ হাজাৰ মানুহো লঘোণ পৰা বুলি ধৰা যায় তেন্তে ই কেনে গুৰুতৰ কথা ভাবি চাওক-চোন। কাগজত পঢ়ি লঘোণপৰাৰ দুখ অনুভব কৰা টান কিন্তু সঁচাকৈ যি জনৰ চকুৰ আগত নিজৰ লৰা-ছোৱালীয়ে খাব নাপাই কলমলাব লাগিছে তাৰ কি ভয়ানক অৱস্থা সিহে বুজে। তাৰ চকুৰ আগত অন্নৰ বাহিৰে আন কোনো সমস্যাৰ মূল্য আছেনে?

১৯২৪ চনত কেৱল ম্যালেৰিয়াত মৰে ১ লক্ষ ১০ হাজাৰ বা প্ৰত্যেক চাৰিমিনিটত একোজনকৈ, অথচ এই সমুদয় মৃত্যুৰ মূলকাৰণ হয়তো একো-

খন আঠুৱাৰ অভাৱ, হয়তো কুইনাইন কিনিবলৈ দুই অনা পয়চাৰ অভাৱ। যি দেশত দুঅনা খৰচ কৰিব নোৱাৰি বা এটকাৰ এখন আঠুৱা কিনিব নোৱাৰি মানুহ মৰে—৪ মিনিটও একোজনকৈ সেই দেশত অৰ্থৰ সমস্যাৰ বাহিৰে আন কিবা সমস্যা আছেনে ?

অসমত ২৯ হাজাৰ ৬শ মানুহে ভিক্ষা কৰি খায়, ১২০০ শ জন শিক্ষিত ডেকাই কাম নাপাই ঘূৰি ফুৰে; ১৯৩৪—৩৫ চনত ২৫৯৮ ঘৰ মানুহৰ খাজনাৰ বাবে ভেঁটি উছন হৈছে।

ইয়াতেই আমাৰ দুৰৱস্থাৰ শেষ হোৱা নাই। ১৯২৯ চনত খেতিয়ক সকলৰ ধাৰ আছিল ২২ কোটি, ১৯৩৭ চনত সেই ধাৰ হৈছে ৪৪ কোটি-অৰ্থাৎ ৮ বছৰৰ ভিতৰত তাৰ পৰিমাণ ঠিক দুগুণ হৈছে। আৰু প্ৰত্যেক পৰিয়ালৰ ধাৰ হৈছে ৪৮৲ টকা। এই হিচাপ অনা হৈছে Reserve Bankৰ ১৯৩৭ চনৰ ৰিপোৰ্টৰ পৰা। চৰকাৰী Money lender আইন-মতে ধৰিলেও ৪৮৪৲ টকাৰ সুত ৯০৸০ অনা হয়। আমি পিচত দেখুৱাম যে বৰ ভাল খেতি হলেও বৰ্ত্তমান অৱস্থাত এজন খেতিয়কে তাৰ পৰিয়ালৰ জীৱ কেইটা হাড়ৰ ভিতৰতো ৰখা টান। তদুপৰি যি দেশত প্ৰত্যেক দিনে ১২০ হাজাৰ মানুহ লঘোণ পৰে—যি দেশত ৵০ অনাৰ কুইনাইন অভাৱত মানুহে পৰিয়াল পুহি, ৰজাৰ খাজনা দি, ৯০৸০ টকাৰ সুত দিব পাৰেনে ? যদি নোৱাৰে তেন্তে ইয়াকে বুজা যায় যে খেতিয়ক সকলৰ ৰছৰি উপাৰ্জ্জনতকৈ বছৰি খৰচ বেচি।

খেতিয়ক সকলৰ সমুদায় সম্পত্তি বিক্ৰী কৰিলেও ৪৪ কোটি টকা উঠিবনে ? যদি নুঠে, তেন্তে দেখা গল যে, তেওঁলোকৰ ধাৰতকৈ সম্পত্তি কম। ধাৰতকৈ সম্পত্তি কম, বছৰি খৰচতকৈ বছৰি আয় কম, ইয়াকেই বোলে দেউলিয়া। অৰ্থাৎ আমাৰ গোটেই জাতিটোৱে দেউলিয়া হৈ পৰিছে আৰু দেউলিয়াৰ যি চৰিত্ৰ সেই চৰিত্ৰই হৈছে আমাৰ জাতীয় চৰিত্ৰ। আমাৰ দৰিদ্ৰতাই যে আমাৰ আৰ্থিক অৱস্থাহে দুৰ্ব্বল কৰিছে এনে নহয় ই আমাৰ জাতীয় চৰিত্ৰও নষ্ট কৰিছে। এই অৱস্থাত অন্ন সমস্যাৰ বাহিৰে আন সমস্যা আছে বুলি কব পাৰিবনে ? এনে এটা দুৰ্ব্বল জাতিৰ সবল সাহিত্য, উন্নত সমাজ আৰু উচ্চ শিক্ষা হব পাৰেনে ? এই প্ৰশ্নত জাতি ধৰ্ম্মৰ বিচাৰ নাই, হিন্দু মুছলমানৰ ভেদ নাই, উন্নত অনুন্নত নাই পমুৱা বা থলুৱা নাই। প্ৰত্যেকে এই সমস্যাৰ সন্মুখীন হব লাগিব। এতেকে ইয়াৰ মীমাংসাৰ দৰ্কাৰ।

## আমাৰ আয়ব্যয়ৰ হিচাপ

এই ঘোৰ দুৰৱস্থাৰ প্ৰধান কাৰণ আমাৰ আয় কম আৰু খৰচ বেচি। গৱৰ্ণমেণ্টৰ অতিৰঞ্জিত হিচাপকে মানি ললেও দেখা যায় অসমৰ প্ৰত্যেক পুৰা মাটিও গড়ে ধান হয় সোতৰ মোণ আৰু প্ৰত্যেক হালে গড়ে খেতি কৰে ২০ বিঘা। ইয়াৰ ভিতৰত, ৩ পুৰাত দ্বিতীয় খেতি হয়, প্ৰতি পুৰাই ১০ মোণকৈ। অৰ্থাৎ মুঠতে ধান হয় ১১৫/ মোণ আৰু মোণে ১৷০ অনাকৈ ধৰিলেও আয় হয় ১৪৩৲ টকা। বহি থকা সময়ৰ আয় ৩ মাহত যদি মাহে ৩৲টকাকৈ ধৰা হয়, বছৰি ৯৲ টকা অৰ্থাৎ সৰ্ব্বমুঠ আয় এটা খেতিয়ক পৰিয়ালৰ বছৰি ১৫২৲ টকা।

যদি প্ৰত্যেক পৰিয়াল অতি কম হিচাপেও চাৰিজন জনপ্ৰাণী থাকে তেন্তে প্ৰত্যেক জনৰ দিনে গড়ে আয় এক অনা আঁঠ পাই। তেনেকৈ হিচাপ কৰি চালে দেখা যায়—

শিল্পীৰ আয় বছৰি—১৯৯৲ টকা
বেপাৰীৰ „ „ —১৮০৲ „
ঘৰুৱা চাকৰৰ „ —১২০৲ „
দৈনিক বনুৱাৰ „ —৯০৲ „

১৯২১ চনৰ চেন্সাচ অফিচাৰ মিঃ লয়েডে হিচাপ কৰি গড়ে আয় উলিয়াইছিল ০/৪ পাই, কিন্তু Price Level মিলাই ললে সেই আয় বৰ্ত্তমান শস্যৰ দামত মাত্ৰ /১½ পাই হয়। তলত দামৰ নিৰিখ দেখুৱা হল—

| | | | | |
|---|---|---|---|---|
| Index No. | ১৯১৪ | ১৯২০ | ১৯২৮ | ১৯৩৫ |
| | ১০০ | ১৮০ | ১৩২ | ৯১ |

ইয়াৰ পিচত আমি হিচাপ কৰি চাম ৪জন পৰিয়াল থকা এখন ঘৰৰ প্ৰাণী কেইটাৰ প্ৰাণাহাৰৰ কাৰণে কিমান খৰছ লাগে!

### খাদ্য

| Pain necessity | বছৰি দাম | মাহে | দিনে |
|---|---|---|---|
| দুখীয় অৱস্থাৰ আৱশ্যকতা | | | |
| ধান ৪০/ মোন | ৪০৲ | ৩।/৩ | /৯½পাই |
| লোণ (গৰুকখুৱাবলৈ) | ৬৲ | ।।০ | ৫৩ |

| | | | |
|---|---|---|---|
| কেৰাচিন | ৬৲ | ॥০ | ৫৩ |
| তেল | ৬৲ | ॥০ | ৫৩ |
| মাছ, দাইল, মছলা | ৭৸৵ | ॥৵৬ | ৫৪ |
| চেনি | ৬৲ | ॥০ | ৫৩ |
| ( কাপোৰ ধোৱা ) | | „ | |
| গাখীৰ — | — | — | — |
| | ৯০৸৵ | ৭৵৯ | ৶৯½ পাই |

সামাজিকতা ঘটিত আৱশ্যকতা
Conventional necessity

| | | | |
|---|---|---|---|
| চাহ | ৬৲ | ॥০ | ৫৩ পাই |
| তামোল পান | ৪৲ | ।৴৬ | ৫২ পাই |
| ধপাত | ৪৲ | ।৴৬ | ৫২ „ |
| | ১৪৲ | ১৶ | ৭ পাই |

## পোষাক

Pain necessity
দুঃখীয়া অৱস্থাৰ আৱশ্যকতা

| | | | |
|---|---|---|---|
| কাপোৰ— | ১৬ | | ৫৪ |
| ( জাবৰ কাপোৰ ধৰি ) | | | |
| সূতা— | ১০৲ | | ২॥০ |
| ছাবোন— | ২২৯৲ | ।০ | ১½ পাই |

Conventional necssity
সামাজিকতাৰ আৱশ্যকতা

| | | |
|---|---|---|
| বিহুউৎসবাদি | | |
| পিতৃশ্ৰাদ্ধাদিৰ—৬৲ | | ১॥০ |
| কাপোৰ কানি ৩৫৲ | | |

## ৰজা ঘৰৰ দায়

Pain necessity
দুঃখীয়া অৱস্থাৰ আৱশ্যকতা

| | |
|---|---|
| মাটিৰ খাজানা— | ১৫৲ |
| লোকেল ৰেট— | ৸৶০ |
| হাট ঘাটৰ টোল— | ২৲ |
| অন্যান্য— | ১৲ |
| | ১৮৸৶০ |

### শিক্ষাৰ খৰচ

| | |
|---|---|
| necessity of standard<br>অৱস্থা উন্নতিৰ কাৰণে আৱশ্যকতা | ২জন লৰাছোৱালীৰ—১০ টকা |

### মহাজনৰ দাবী

| | |
|---|---|
| টকাৰ সুত— ( ৪৮৪৲ টকাৰ ওপৰত )— | ৯০৸০ |
| standard of comfort<br>( সাংসাৰিক সুখ স্বচ্ছন্দতাৰ আৱশ্যকতা | নাই |
| মুঠ খৰচ বছৰি— | ২৪৫।৴০ |
| মুঠ লাভ— | ১৫২৲ |
| লোকচান— | ৯৩৲ |

এতিয়া দেখা যায় যে গড় ধাৰ লৈ এজন খেতিয়কৰ বছৰি ৯৩৲ টকা লোকচান হয়। যদি ধাৰ নাথাকে তেন্তে সি কোনো মতে লৰা-ছোৱালী পুহিব পাৰে! কিন্তু দুৰ্ভাগ্যবশতঃ শতকৰা ৮৫ জনৰেই ধাৰ। খেতিয়কৰ আয়তকৈ যে খৰচ বেচি। গতিকে এই সাধাৰণ খৰচখিনিও মিলাব নোৱাৰে গতিকেই আজি ১২০ হেজাৰ মানুহে দিনে লঘোণত পৰে। জাৰত কাপোৰ নাপাই খেৰৰ মাজত শোৱে। আঠুৰাৰ অভাৱত, দুই অনা কুইনাইনৰ অভাৱত চাৰি মিনিটত একোটাকৈ মানুহ মৰে।

এই খিনিত আৰু এটা কথালৈ লক্ষ্য কৰিব লাগে। আমাৰ খৰচৰ ভিতৰত :—

| | |
|---|---|
| Pain necessity<br>দুখীয়া অৱস্থাৰ আৱশ্যকতা | ২২৫।৶০ অনা |
| Conventional necessity<br>সামাজিকতাৰ আৱশ্যকতা | ১০৲ |
| Necessities of Standard<br>উন্নতিৰ হকে আৱশ্যকতা | ২০৲ |
| বিলাসৰ আৱশ্যকতা<br>Necessities of Comfort | নাই |

মানুহৰ উন্নতি জুখিব লাগিলে চাব লাগে সি উন্নতিকাৰক অভাৱত কিমান খৰচ কৰে। প্ৰকৃততে মানুহৰ উন্নতি নিৰ্ভৰ কৰে তাতে। দুৰ্ভাগ্যবশতঃ অসমীয়াৰ মানুহৰ উন্নতিকাৰক অভাৱত খৰচ হয় নিতান্ত কম। খৰচৰ

এই বিভাগ বিশেষকৈ দৰ্কাৰ কৰ বহুৱাত। কাৰণ দুখীয়া অৱস্থাৰ আৱশ্য-কতাৰ ওপৰত কৰ বহুৱা মানে মানুহজনক লঘোণ পেলোৱা বা উলঙ্গ কৰা। উন্নতি কাৰক অভাবতে কৰ বহুৱালে উন্নতিত বাধা জন্মে। গতিকে যিমান পৰা যায় কৰ বহুৱাব লাগে আমাৰ বিলাসৰ অভাবত। সেয়ে হলে আমাৰ কৰ হব লাগে ধনীৰ ওপৰত যাৰ বিলাসৰ ওপৰত খৰচ বেছি। যিজনে দুখীয়া অৱস্থাৰ আৱশ্যক বস্তু খিনিও যোকোলাব নোৱাৰে তেওঁ কৰৰ পৰা অব্যাহতি পোৱা উচিত। তাকে নকৰি আৰু নাভাবি নিচিন্তি কৰ বহুৱাৰ ফল হৈছে দিনে ১২০ হেজাৰ মানুহ লঘোণ পেলোৱা আৰু উপযুক্ত খাদ্য বস্ত্ৰাদিৰ অভাৱত দুৰ্দ্দশা প্ৰাপ্ত লোকসকলক আলাই আথানি হৈ মৰিবলৈ দিয়া।

আমাৰ দুৰৱস্থাৰ উদ্ধাৰ পোৱাৰ একমাত্ৰ উপায় হৈছে, আয় বৃদ্ধি কৰা, আৰু খৰচ কমোৱা। কিন্তু এই এটা প্ৰকাণ্ড জনসমুদৰ আয় বৃদ্ধি কৰা সহজ কথা নহয়। প্ৰত্যেকৰ এপয়চাকৈ বছৰি আয় বঢ়াব লাগিলেও অসমত, ১৫৫ হাজাৰ টকাৰ আয় হব লাগে। আৰু এপয়চাকৈ খৰচ কমাব পাৰিলেও সিমান টকা কমে। ই কোনো গাইগুটীয়া মানুহৰ কাম নহয়। নিজ নিজ চেষ্টা সকলোৱে কৰিব পাৰে, কিন্তু আমাৰ আজি যি অৱস্থা সি গাইগুটীয়া পুৰুষাৰ্থৰ অতীত। উৎকট বেমাৰত বহুদিন ভুগা বেমাৰী এজনে যেনেকৈ নিজ সামৰ্থ্যত উঠিব নোৱাৰে তেনেকৈ ইমান দিন কেৱল শোষিত আৰু দলিত এই জাতি আজি এনেকৈ সেও হৈ পৰিছে যে সি হাজাৰে চেষ্টা কৰক দিনক দিনে পৰিহে যাব।

এই মৰি যাবলৈ ধৰা এটি জাতিক তুলিবলৈ গাত লব লাগে চৰকাৰে। ৰুছিয়াতো সমুদয় ভাৰ লৈছে চৰকাৰে। খেতিক সম্পূৰ্ণৰূপে যান্ত্ৰিক (Mechanised) কৰি তুলিছে। তাত আগেয়ে ঘোৰাৰে হাল বাইছিল এতিয়া চৰকাৰে খেতিৰ সমুদয় কাৰ্য্যকে কলৰ দ্বাৰা চলায়, আৰু সমুদয় খৰচ কৰে চৰকাৰে; তাৰ ফলত আজি তেওঁলোকৰ শস্য উৎপন্ন অনেক গুণে বৃদ্ধি হৈছে। ৰুছিয়াৰ বাদে আন দেশলৈ চালেও দেখা যায় খেতিয়কৰ উন্নতিৰ ভাৰ লৈছে প্ৰকৃততে চৰকাৰে। প্ৰায় প্ৰত্যেক দেশতেই এনে এটি দিন আহিছিল—যেতিয়া খেতিয়ক সকলৰ অৱস্থা মৰোঁ মৰোঁ হৈ উঠিছিল কিন্তু চৰকাৰে তাক যত্ন কৰি উন্নত কৰিছে। এনে ডাঙৰ সমস্যা এটা সমাধানৰ ভাৰ চৰকাৰে নললে আনে লোৱাটো সম্ভৱ নহয়। এতিয়া

আমাৰ অসম চৰকাৰৰ আয় ব্যয়লৈ চাওক :—অসম গবৰ্ণমেণ্টৰ বৰ্ত্তমান আয় ৬৪ ভাগ হয় টেক্সৰ দ্বাৰা আৰু ২৪ ভাগ হয় কেন্দ্ৰীয় চৰকাৰৰ দানৰ দ্বাৰা, আৰু বাকী ১২ ভাগ অন্যান্য উপায়ৰ দ্বাৰা। চহৰৰ—মিউনিসিপাল টেক্স মিউনিসিপালিটিৰ ভিতৰতে খৰচ হয়। গতিকে তাৰ লাভ লোকচানো সম্পূৰ্ণ চহৰৰ মানুহৰ। তেনেকৈ লোকেলবোৰ্ডৰ আয় হয়—গাড়ীৰ টেক্স, লোকেল ৰেট, হাট, ঘাট আদিৰপৰা আৰু সিও নিজৰ ভিতৰত খৰচৰ বাবে।

খাজানাৰ পৰা হোৱা আয়ৰ ৬০ ভাগ দিয়ে গৰিবে আৰু ৪ ভাগ দিয়ে ধনীয়ে। উক্ত ৬৪ ভাগৰ ৪০ ভাগ হৈছে কেৱল মাটিৰ খাজনা। সমুদায় মাটিৰ খাজানাৰ শতকৰা ৫½ ভাগ আহে চিলেট কাছাৰৰ পৰা, ৪ ভাগ আহে গোৱালপাৰাৰ পৰা আৰু ৯০½ ভাগ হয় গোৱালপাৰা ভিন্ন অসমৰ অইন জিলা কেইখনৰ পৰা। অৰ্থাৎ কবলৈ গলে এই বুজায় যে সমগ্ৰ মাটি ৰাজহৰ ১০ দহ ভাগৰ ৯ নভাগ দিয়ে কেৱল অসমৰ কামৰূপ, নগাওঁ, দৰঙ্গ, শিৱসাগৰ আৰু লক্ষীমপুৰ জিলাৰ খেতিয়ক সকলে। ইয়াৰ দ্বাৰা এইটো নুবুজায় যে, শ্ৰীহট্ট আৰু গোৱালপাৰা জিলাৰ খেতিয়কে কম খাজানা দিয়ে। প্ৰজাই খাজানা দিয়ে ঠিকেই কিন্তু মাজতে ভক্ষণ কৰে উক্ত জিলাৰ জমিদাৰসকলে। এই জমিদাৰ সকলৰ লগত চৰকাৰৰ ৰাজহৰ চিৰস্থায়ী বন্দবস্ত গতিকে তাক বঢ়াবৰ উপায় বৰ্ত্তমানত নাই। এতিয়া চোৱা যাওক ইয়াৰ পৰা চৰকাৰৰ লোকচান হৈছে কিমান।

অসম উপত্যকাত ৰায়তৰ মাটিৰ খাজানা একৰে গড়ে ২।৬ পাই। এতিয়া চিলেটৰ চিৰস্থায়ী মাটি আছে ২৩,৯৯,৯৩২ একৰ আৰু অসম উপত্যকাৰ খাজানা হিচাপে খাজানা পালে চৰকাৰে পালেহেঁতেন ৬১,৭৪,৭০২ টকা কিন্তু জমিদাৰৰপৰা এতিয়া পায় মাত্ৰ ৩,৫৯,৩৮২৲ অৰ্থাৎ বছৰি ৫৮,১৫,-৩২০৲ টকা কম।

গোৱালপাৰাত চিৰস্থায়ী মাটি আছে ১৫,১৮,৯৮২ একৰ আৰু অসম উপত্যকাৰ ৰায়তৰ খাজনা অনুপাতে খাজনা পাব লাগে ৩৮,৫৫,৭২৩৲ টকা কিন্তু পায় মাত্ৰ ১১,৪২৩৲ টকা অৰ্থাৎ বছৰি ৩৮,৪৪,৩০০৲ টকা কম পায়, মুঠতে এই চিৰস্থায়ী বন্দৱস্তৰ পৰা অসম চৰকাৰৰ বছৰি ৯৬,৫৯,৬২০৲ টকা লোকচান হৈছে। যদি আদায় কৰা খৰচ বুলি শতকৰা ১০৲ টকা বাদ দিয়া যায় তেনেহলেও মুঠতে ৮৭ লক্ষ টকা চিৰস্থায়ী বন্দবস্তৰ কাৰণে অসম চৰ্কাৰৰ বছৰি হানি হৈছে।

তেনেকৈ অসমত ৩,৩০,৭৫৫ একৰ মাটিত চাহ খেতি আছে য'ত মাটিৰ খাজানা মুঠেই নাই অৰ্থাৎ তাৰপৰা চৰকাৰৰ বছৰি ৮৩৭৩৩৩৲ টকা লোকচান হৈছে, আৰু শতকৰা ১০ ভাগ আদায় কৰা খৰচ বুলি বাদ দিলেও প্ৰায় ৭½ লক্ষ টকা বছৰি লোকচান। তাৰ বাদে ৪১২০৩৭ একৰ মাটিত কৰা চাহ খেতিৰ খাজানা পোৱা হয় মাত্ৰ ৫,৫৪,৬০৩ টকা; কিন্তু সেই মাটিৰ ৰায়তৰ খাজানা হিচাপে পাব লাগিছিল ১৪,১৫,০৮৮৲ টকা অৰ্থাৎ ৮,৬০,৪৮৫৲ টকা; এতেকে—তাৰপৰাও খৰচ বাদে ৭,৮০ হাজাৰ টকা বছৰি চৰকাৰৰ লোকচান হৈছে। ওপৰত দেখুৱা হিচাপ মতে জমিদাৰ আৰু চাহ খেতিয়কসকলে মুঠতে চৰকাৰী ৰাজহ লোকচান কৰিছে বছৰি প্ৰায় ১০০ এশ লক্ষ টকা আৰু সেই বোজা পৰিছে খাচ মাটিৰ (ৰায়তৰ) প্ৰজা বিলাকৰ ওপৰত—বিশেষকৈ অসম উপত্যকাৰ খাচ মাটিৰ প্ৰজাসকলৰ ওপৰত।

খাচ মাটিৰ ভিতৰতেই আৰু যি হিচাপত মাটিৰ খাজানা নিৰ্দ্ধাৰণ কৰা হয় সি সম্পূৰ্ণ নানা পিয়লত নানা Settlement Officer সকলৰ বিভিন্ন মনোভাৱৰ বিবেচনাৰ ওপৰত নিৰ্ভৰ কৰি আহিছে। যদিও এটা চৰকাৰী Principle লৈ সকলোৰে বিচাৰ কৰে কিন্তু তাৰ হিচাপ প্ৰত্যেকজন Settlement Officer আৰু প্ৰত্যেক ডোখৰ মাটিলৈ এনে তাৰতম্য ঘটে যে তলত দিয়া হিচাপ চালেই তাক সম্যক উপলব্ধি কৰিব পৰা যাব।

| জিলাৰ নাম | প্ৰত্যেক একৰৰ খাজানা ম্যাদী পাট্টাৰ বৰ্ত্তমান খাজানাৰ নিৰিখ | প্ৰত্যেক একৰৰ খাজানা একচনিয়া পাট্টাৰ খাজানাৰ নিৰিখ |
|---|---|---|
| শ্ৰীহট্ট— | ১১/০ | ॥৵০ |
| কাছাৰ— | ১।০ | ১৵৬ |
| গুৱালপাৰা— | ১৸০ | ১।৵০ |
| লক্ষীমপুৰ— | ২৸১/৯ | ২৵০ |
| শিৱসাগৰ— | ৩/০ | ২/০ |
| নগাওঁ— | ২।১/০ | ২৲ |
| দৰঙ্গ— | ২৸০ | ১৸১/০ |
| কামৰূপ— | ২॥/০ | ১৸/০ |
| জয়ন্তীয়া— | ২৵০ | |

অসম উপত্যকাত গড়ে প্ৰত্যেক একৰৰ খাজানা ২॥৬ পাই। দেখা যায় অসম

উপত্যকা পাঁচ খন জিলাৰ মাটিৰ খাজানা আনবোৰতকৈ দুগুণৰ বেচি। আনকি শ্ৰীহট্ট জিলাৰ একচনীয়া মাটিৰ খাজানাতকৈ কাছাৰৰ খাজানা শ্ৰীহট্ট জিলাৰ ম্যাদী মাটিৰ দুগুণ।

চৰকাৰী নিয়মানুসাৰে দুটা কথাৰ ওপৰত খাজানাৰ নিৰিখ নিৰ্ভৰ কৰে, (১) বস্তিৰ ঘনতা অৰ্থাৎ মাটিৰ হাউচ ( density of population i.e, demand of land ) আৰু (২) মাটিৰ উৎপাদিকা শক্তি ( productivity of land )। অসমৰ ভিতৰত এটাইতকৈ ঘন বস্তি হৈছে চিলেটত, গতিকে তাত মাটিৰ হাউচো বেচি আৰু এইটো কেতিয়াও কব নোৱাৰি যে চিলেটৰ মাটিৰ উৎপাদিকা শক্তিতকৈ লক্ষীমপুৰৰ মাটিৰ উৎপাদিকা শক্তি চাৰি গুণ বেচি। তথাপি চৰকাৰে কয় যে একে principle তেই দুয়ো ঠাইৰ খাজানা নিৰিখ কৰা হৈছে। ইয়ে দেখাদেখি যুক্তিহীন তাক নুই কৰিবৰ উপায় নাই। একে শ্ৰেণীৰ মানুহৰ ওপৰত এনে তাৰতম্য ভাবে খাজানাৰ ৰেট থকাটো অতি অযুক্তিকৰ।

যেতিয়াই চৰকাৰৰ খৰচ বাঢ়ে আৰু টকাৰ দৰকাৰ হৈছে, তেতিয়াই চৰকাৰে ঘাইকৈ হাত দিব লগাত পৰে মাটিৰ খাজানাত। কাৰণ অন্যান্য বিভাগত হাত দিলেও মাটিৰ খাজানাৰ নিচিনাকৈ আয় বঢ়াব পৰা নাযায়। তাৰ ফলত মাটিৰ খাজানা দোপত দোপে কেনেকৈ বৃদ্ধি কৰা হৈছে তলত দিয়া তালিকাত বুজা যাব :—

| | | বস্তি | ৰূপিত | ফৰিঙতি |
|---|---|---|---|---|
| বিঘা প্ৰতি, | ১৮৩৬ চনত | ।০ | ।৵০ | × |
| ” | ১৮৭০ ” | ১৲ | ॥৵০ | ॥০ |
| | ১৮৯৩ ” | ১।৵ | ১৲ | ৸০ |
| ” | ১৯২৭ ” | ১৸০ | ১।০ | ৸৶০ |

অৰ্থাৎ এশ বছৰৰ ভিতৰত মাটিৰ খাজানা ৮ গুণ বৃদ্ধি হৈছে। অন্য কোনো কৰ এনে অসম্ভৱ অনুপাতে বৃদ্ধি হোৱা নাই। আৰু এই খাজানা বৃদ্ধিৰ বোজাও পৰিছে ঘাইকৈ দুখীয়া সকলক ওপৰত।

## আবকাৰী বিভাগ

মাটিৰ খাজানাৰ পিচতেই চৰকাৰৰ আয় হয় আবকাৰী বিভাগৰপৰা। এই বিভাগৰ বৰ্ত্তমান মুঠ আয় ৩৫,৪৮ হাজাৰ টকা বা মুঠ ৰাজহৰ

শতকৰা ১২ ভাগ। আফিঙৰপৰা ১২,৬৪ হাজাৰ, দেশী মদৰপৰা ১৬,৫০ হাজাৰ, বিলাতী মদৰপৰা ১ লক্ষ আৰু গাঁজাৰপৰা ৫,২৫ হাজাৰ। ধনীসকলে খায় বেচিকৈ বিলাতী মদ আৰু গৰিবে খায় দেশী বিধ, আফিং খায় বেচিভাগ গৰিবেই, তেনেকৈ "গাঁজাৰ নিশাত ৰাজা হোৱা" গৰিবৰে কাম। তেনেহলে দেখা যায় এই বিভাগৰো আয়ৰ ৩৪ লক্ষ আদায় হয় গৰিবৰ পৰা আৰু ১লক্ষ আদায় হয় ধনীৰপৰা। মদ, গাঁজা আৰু আফিং বিক্ৰী কৰা চৰকাৰৰ আচুতিয়া ক্ষমতা ( monopoly )। কিন্তু চৰকাৰে এই একচেতিয়া ক্ষমতা লৈ মাদকতা বৃদ্ধি কৰি খাজানা তোলা-তকৈ ইয়াক নিবাৰণ কৰাহে নীতি।

আফিং ববিহ অসমৰ পৰা কিয়,—সমগ্ৰ বিশ্ব জগতৰ পৰাই আঁতৰ কৰিবলৈ জেনেভা জাতি সংঘই আজি প্ৰায় বিশ বছৰে চেষ্টা কৰি আহিছে; তাতো অসমৰ কানিৰ প্ৰচলনৰ পৰিমাণ দেখি বিশেষজ্ঞ সকল স্তম্ভিত হৈছে আৰু ইয়াক অচিৰে বন্ধ কৰিবলৈ অনুমোদন কৰিছে। ভাৰত গবৰ্ণমেণ্টৰ প্ৰতিনিধিয়ে জাতিসংঘক আশ্বাস দিছিল যে অসম গবৰ্ণ-মেণ্টে ১০ বছৰৰ ভিতৰত আফিং নিৰ্ম্মূল কৰিবলৈ সংকল্প কৰিছেই। কিন্তু দুঃখৰ বিষয় ইমান টনা-আজোঁৰা সত্বেও চৰকাৰে ৰাজহৰ ধন কমে বুলি এনে এটা ববিহৰ প্ৰচলন আমাৰ দুখীয়া প্ৰজা—বিশেষকৈ অশিক্ষিত অজানা পৰ্ব্বতীয়া লোকসকলৰ মাজত আজিও চলাই আছে।

## আদালতৰ টিকট বিভাগ

আদালতৰ টিকট বিভাগৰপৰা অসম চৰকাৰৰ আয় হয় ২০,৫০ হাজাৰ টকা বা মুঠ আয়ৰ শতকৰা ৭ ভাগ। ১৯৩৬ চনত কোৰ্ট ফি আৰু ষ্টাম্প সংশোধন আইনৰ কথা জনাজাত। আগেয়ে সকলোৰে ওপৰত শত-কৰা ৭॥০ টকাকৈ আছিল, কিন্তু সংশোধন আইন মতে ১০০—১৫০ টকা লৈ মোকৰ্দ্দমা কৰিলে ৰচুম লাগে ১৬।০ অনা অৰ্থাৎ দুগুণৰো বেচি বৃদ্ধি হল। কিন্তু ১০০০৲—১৫০০৲ টকাৰ মোকৰ্দ্দমা হলে শতকৰা ৰচুম লাগে ৭॥০ টকা —আগৰ দৰেই। ১০০৲—১৫০৲ টকা লৈ মোকৰ্দ্দমা হয় গৰিবৰ ওপৰত, গতিকে ইয়াতো গৰিবৰ ওপৰত টাঙোন। এই শতকৰা ৭ ভাগ আয়ৰ ৪ ভাগ আদায় হয় গৰিবৰ পৰা আৰু ৩ ভাগ ধনীৰ পৰা।

## মটৰ টেক্স

মটৰৰ ওপৰত টেক্স এইবেলি প্ৰাদেশিক চৰকাৰে যোগাইছে। কিন্তু ধনী সকলৰ যি ফাৰ্ষ্ট ক্লাস মটৰ তাৰ টেক্স বছৰি ২৫৲ টকা, অথচ পেচেঞ্জাৰ নিয়া যি 'বাচ্' মটৰ তাৰ প্ৰত্যেকখনৰ ওপৰত টেক্স ১৫০৲ টকা। এইখিনি আদায় হয় পেচেঞ্জাৰৰ ওপৰত। গতিকে ইয়াতো গৰিবৰ ওপৰত হেঁচা পৰিছে।

ৰেজিষ্ট্ৰেচন টেক্স ধনী, গৰিব সকলোৰে ওপৰত প্ৰায় সমানে পৰে। জঙ্ঘলী বিভাগৰ আয় ১৬ লক্ষ ২৪ হাজাৰ টকা প্ৰধানতঃ আদায় হয়। ৰেল কোম্পানীবোৰৰপৰা আৰু কিছুমান আদায় হয় চৰকাৰৰ নিজৰ পৰা আৰু কিছুমান আগাৰ মানুহৰ পৰা। ইয়াত ধনীৰ ওপৰত ৰয়েলটিৰ বোজা বেচি। কাৰণ কাঠ-পাত ধনীবোৰেই বেচিকৈ ব্যৱহাৰ কৰে।

এই গোটেইখিনিৰ মুঠ হিচাপ ললে দেখা যায় :—

চৰকাৰৰ মুঠ আয়—২৮৪ লক্ষ টকা। তাৰ ৬৪ ভাগ টেক্সৰ দ্বাৰা, ২৪ ভাগ দিয়ে ভাৰত চৰকাৰে, ১২ ভাগ আন হিচাপে। টেক্সৰপৰা আদায় হোৱা ৬৪ ভাগৰ ৬০ ভাগ দিয়ে গৰিবে, ৪ ভাগ দিয়ে ধনীয়ে। এই ৬৪ ভাগৰ ৪৩ ভাগ মাটিৰ খাজানা, তাৰ ২·৫ ভাগ আদায় হয় জমিদাৰৰপৰা, ৯৭·৫ ভাগ আদায় হয় খাচ প্ৰজাৰপৰা। এই খাচ মাটিৰ প্ৰজাৰ শতকৰা ৭৭ জন অসমীয়া মানুহ।

## বৰ্ত্তমান কৰৰ নীতিৰ দোষ

চৰকাৰৰ এই কৰ নীতিলৈ চালে দেখা যায় যে ধনীৰ ওপৰত কৰ কম, অথচ গৰিবৰ ওপৰত কৰ ধনীতকৈ বহু গুণ বেচি। ই নিতান্ত অন্যায়। কোনো সভ্য জগতত এনে নীতি নাই।

বিশেষকৈ চাব লাগে এই কথা যে অসম চৰকাৰ চলিছে প্ৰকৃততে অসমীয়া মানুহৰ ওপৰত খাজানাৰ বোজা জাপি দি। কাৰণ মাটিৰ খাজানাৰ হেঁচাও তেওঁলোকৰ ওপৰত বেচি, আৰু আবকাৰী বিভাগৰ বোজাও বেচি। তাৰ কাৰণ বিশেষকৈ :—

(১) চিৰস্থায়ী জমিদাৰী প্ৰথা আৰু চাহ বাগান আদিৰ force sample grant.

(২) বছৰি ২০০০৲ টকাৰ কম আয়ৰ অনা খেতিয়কসকলৰ ওপ-ৰত আয় কৰ নথকা।

(৩) যাৰ বছৰি ২০০০৲ টকা আয় তাৰ ওপৰতো কৰৰ বোজা অতি কম। তেনে ধনীতকৈও গৰিবৰ কৰৰ বোজা ৪ গুণ বেচি।

(৪) জমিদাৰ সকলৰ লাভৰ ওপৰত আয় কৰ আৰু আন কৰ নথকা।

এই ৪ দফাৰ প্ৰথম দফা বিচাৰ কৰা হৈছে। ২য় দফাৰ কথা হৈছে বছৰি ২০০০৲ টকাৰ কম আয় থকা কোনো অনা খেতিয়কসকলে (যেনে ডাক্তৰ, উকিল, বেপাৰী আদি) প্ৰাদেশিক চৰকাৰক কোনো ৰক-মৰ টেক্সকেই নিদিয়ে। অথচ, আগত দেখুৱাৰ দৰে একোজন খেতিয়কৰ আয় বছাৰ মাত্ৰ ১৫২৲ টকা, তথাপি তেওঁলোকৰ ওপৰত গড়ে বছৰি ১১৲ টকাকৈ কৰৰ বোজা আছে।

তেনেকৈ যি সকলৰ বছৰি ২০০০৲ টকা আয় সি সকলে মাত্ৰ আয় কৰ দিয়ে। তাকো দিয়ে টকাত ৫৬ পাই কৈ। সেই কৰ নিয়ে ভাৰত চৰকাৰে। গতিকে প্ৰাদেশিক চৰকাৰলৈ তেওঁলোকে অতি কম হে যদি দিয়ে। ই নিতান্ত অন্যায়। খেতিয়কৰ মুঠ আয়ৰ ⅓ ভাগ খাজনা বুলি নিৰ্দ্ধাৰণ কৰা হয়, অথচ যাৰ ২০০০৲ টকা আয় তাৰ আয়কৰ টকাত ৫৬ পাই অৰ্থাৎ গৰিবত কৈ ধনীৰ কৰৰ ৰেট ৪ গুণ কম। তদুপৰি প্ৰত্যেক বছৰে তেওঁলোকে হিচাপ দিবৰ ক্ষমতা আছে। যদি হিচাপ দি প্ৰমাণ কৰিব পাৰে যে তেনে এজনৰ কোনো বছৰ ২০০০৲ টকাত কৈ আয় ১৲ টকাও কম, তেন্তে, তেওঁ কৰ দিব নালাগে। অথচ খেতিয়কৰ হিচাপ দিবৰ কোনো ক্ষমতা নাই। মাটিত ধান হওক কিম্বা নহওক সি পুৰা হাৰে খাজানা দিবই লাগিব।

আয়কৰ আইনৰ এটা নিয়ম আছে যে যি হেতু মাটিৰ খাজানা আদায় কৰা হয়, সেই বাবে মাটিৰ পৰা খেতিৰ দ্বাৰা হোৱা উৎপন্নৰ ওপৰত আয় কৰ নালাগে। এই আইনৰ আশ্ৰয় লৈছে জমিদাৰসকলে আৰু চাহ খেতিয়ক সকলে। জমিদাৰসকলে কয় তেওঁলোক সকলো খেতিয়ক, মাটিৰ খাজানা দিয়ে, গতিকে তেওঁলোকৰ যি আয় সিও খেতিৰ আয়। সেই বাবে তেওঁ-লোকৰ লাভৰ কোনো অংশই আয় কৰত নপৰে। আগত দেখুৱা হৈছে যে জমিদাৰ সকলৰ আয় ৮৭ লক্ষ টকা। এই ৮৭ লক্ষ টকাৰ ওপৰত আয়কৰ নাই। তেনেকৈ চাহ খেতি আয়ৰ ৭৫ ভাগ খেতিৰ আয় বুলি ত্যাগ কৰা

হয়। মাত্র ২৫ ভাগৰ ওপৰত আয়কৰ বহে। ইয়াকেই বোলে "বামুণ মাৰি শগুণ পোহা নীতি; এই নীতি পৰিবৰ্ত্তনৰ দৰ্কাৰ।

## চৰকাৰী ৰাজহৰ খৰচ

অসম চৰকাৰে বছৰি ২,৮২ লক্ষ টকা খৰচ কৰে। তাৰে ভিতৰত লোকহিতকৰ কামত খৰচ হয় মাত্র শতকৰা ২৪ ভাগ। বাকী ৭৬ ভাগ খৰচ হয় আন বিভাগত। ২৪ ভাগৰ ভিতৰতো বেচি ভাগ খৰচ হয় পৰিদৰ্শন আৰু নিৰ্দ্দেশনত ( Spervision and direction ত)। আমি তলত তাৰ হিচাপ দিলোঁ।

## লোকহিতকৰ বিভাগ

| বিভাগ | খৰচ | অনুপাত |
|---|---|---|
| শিক্ষা | হাজাৰ | |
| ভাৰতীয় | ৩৪,৮৫ | ১১.৮ |
| বিজাতীয় | ৮৮ | |
| ডাক্তৰী | ১৪,৪২ | ৫ |
| স্বাস্থ্য | ৮,৭৪ | ৩ |
| কৃষি | ৬,৯০ | ২.৫ |
| পশু বিভাগ | ১,৬০ | ০.৫ |
| সমবায় | ১,০১ | ০.৩৫ |
| শিল্প | ২,৮০ | ০.৯৯ |

অর্থাৎ ২,৮২ লক্ষ টকাৰ মাত্র ৭১ লক্ষ টকা খৰচ হয় লোকহিতকৰ বিভাগত আৰু ২,১১ লক্ষ টকা খৰচ হয় আন বিভাগবোৰত। এই ৭১ লক্ষৰ ভিতৰতো বেচি ভাগ খৰচ হয় নিদৰ্শন আৰু পৰিদৰ্শনত।

কৃষি বিভাগত চৰকাৰে গুটি, গছ আৰু সাৰ কিনিবলৈ থৈছে ৩৮০০০৲ টকা কিন্তু পৰিদৰ্শন আৰু নিৰ্দ্দেশনত খৰচ হব ২,১৮,৫৪৪৲ টকা।

শিক্ষা বিভাগত শিল্পৰ উন্নতিৰ বাবে দান দিবলৈ থৈছে ২,০০০৲ টকা, কিন্তু শিল্প বিভাগৰ ডিৰেক্টৰৰ দৰমহা বছৰি ৬৭,০০০৲ টকা।

পশু বিভাগত হাস্পতাললৈ থৈছে ১৭,৬০০৲ টকা কিন্তু পৰিদৰ্শনত খৰচ হব ৫৫,২১৪৲ টকা। স্বাস্থ্য বিভাগত সংক্ৰামক ব্যাধিৰ চিকিৎসাৰ বাবে থৈছে ১,৮৭ হাজাৰ টকা, পৰিদৰ্শনত যাব ৩,১৫ হাজাৰ টকা।

ডাক্তৰী বিভাগত ২,৯৬ হাজাৰ টকা খৰচ হব হস্পিতাল ও ডিস্পেন-চেৰীত। কিন্তু পৰিদৰ্শন আৰু জিলাৰ অফিচাৰক দিওঁতে যাব ৩,৭৬ হাজাৰ।

ইয়াৰ দ্বাৰা দুটা কথা ওলাই পৰে—এই যে—চৰকাৰী ৰাজহৰ অতি কমখিনি খৰচ হয় লোকহিতকৰ কামত আৰু বেচি ভাগেই খৰচ হয় আন বিভাগত। অন্য পক্ষে যি খিনি লোকহিতকৰ কামত খৰচ হয় তাৰো বেচি ভাগ খৰচ হয় পৰিদৰ্শন ও নিৰ্দ্দেশনত; আচল প্ৰজাই পায় অতি সামান্য উপকাৰ। এই নীতিৰে দেৱলীয়া জাতি এটাক তুলি অনা অসম্ভৱ।

ৰাজহৰ কৰ আৰু খৰচৰ নীতি আমি আলোচনা কৰিলোঁ। ইয়াৰ পৰা এই খিনিয়েই মুঠতে পোৱা গ'ল ঃ—

(১) গৰিব প্ৰজাৰ ওপৰত কৰৰ বোজা দুৰ্ব্বহ।

(২) ধনীৰ ওপৰত কৰৰ বোজা অতি কম।

(৩) মধ্যম শ্ৰেণীৰ ওপৰত কৰৰ বোজা নায়েই।

(৪) একে শ্ৰেণীৰ প্ৰজাৰ পৰাই একে কৰকে তাৰতম্য ভাবে আদায় কৰা হৈছে।

(৫) চৰকাৰী ৰাজহ লোকহিতকৰ বিভাগত অতি কম খৰচ কৰা হৈছে। বেচিভাগ নিছে—dry department বোৰে।

(৬) লোকহিতকৰ বিভাগত যি খৰচ কৰা হয়, তাৰো ভালেখিনি যায় পৰিদৰ্শন আৰু নিদৰ্শনত।

(৭) যিখিনি প্ৰকৃত পক্ষে প্ৰজালৈ যায় তাকো খৰচ কৰা হয় বেচি ভাগেই চহৰত।

(৮) লোকহিতকৰ সমুদয় কামৰ দায়ীত্ব দিছে লোকেল বোৰ্ড সকলক অথচ তাৰ বাবে উপযুক্ত টকা দিয়া হোৱা নাই।

## প্ৰতিকা

ইয়াৰ প্ৰতিকাৰৰ বিষয় কবলৈ হলে ইয়াকেই কব পাৰি যে এই সকলোৰে এটি আমূল পৰিবৰ্ত্তনৰ দৰকাৰ। এই আমূল পৰিবৰ্ত্তনৰ সমুদায় কথা ইয়াত লিখা সম্ভবো নহয় আৰু উপযোগীও নহয়। মুঠ কথাত কলে গৰিবৰ ওপৰৰ কৰ ৰবোজা অন্ততঃ আধা কমি যোৱা উচিত আৰু তেওঁলোকৰ বাবে কৰা খৰচ অনেক গুণে বাঢ়ি যোৱা উচিত। কথাটো দেখাত অলপ আচৰিত যেন লাগে—খাজনাও কমিব অথচ খৰচৰ টকাও বাঢ়িব। কিন্তু চৰকাৰ থকাৰ উদ্দেশ্যই হৈছে প্ৰকৃততে সেইটো—To tax according to capacities and to give according to necessities. ইয়াক কৰিবলৈ হলে শাসন খৰচ অনেক কমাব লাগিব। এই খৰচ অনেক কমাব পাৰি। ঠিক কেনেকৈ কিমানখিনি কমাব পাৰি, তাক চৰকাৰী কাগজ পত্ৰ নাপালে কোৱাটো সম্ভৱ নহয়। মুঠতে এটা কথা কব পাৰি চাকৰীয়ালৰ ইমান উচ্চ হাৰৰ বেতন

পৃথিৱীত কতো নাই। পৃথিৱীৰ সকলো সভ্য দেশেই আমাৰ দেশতকৈ ধনী অথচ তেওঁলোকৰ বেতনৰ হাৰ কম আৰু আমি যাৰ দৈনিক আয় ৴৮ পাই, আমাৰ বেতনৰ হাৰ বেচি। ই অন্যায়ৰ চুৰান্ত। সাহিত্য সভাৰ পত্রিকালৈ লিখা বাবে মই বাধ্য হৈ ইয়াতেই এই আলোচনাৰ শেষ কৰিলোঁ।

(২) দ্বিতীয় উপায় গৰিবৰ খাজানা কমাত যি ৰাজহ আমাৰ কমে তাক তুলিব লাগিব—আমি ধনী আৰু মধ্যবিত্ত শ্ৰেণীৰ পৰা। কাৰণ, আমি দেখুৱাই আহিছো তেওঁলোকৰ ওপৰত কৰৰ বোজা অতি কম।

(৩) আমি জমিদাৰী প্ৰথা দূৰ কৰিব নোৱাৰিলেও আইনতঃ আৰু ন্যায্যতঃ তেওঁলোকৰ আয়ৰ ওপৰত কৰ বহুৱাব পাৰোঁ। তেওঁলোকৰ বছৰি আয় ৮৭ লক্ষৰ ওপৰত যদি আমি কৰ বহুৱাওঁ তাৰ পৰা অন্ততঃ ১০ লক্ষ টকা বছৰি পোৱা হয়।

(৪) তেনেকৈ চাহ খেতিয়কৰ মাটিৰ খাজানা বাবদ আয়ৰ ওপৰত কৰ বহুৱাব লাগে। তেওঁলোকৰ মাটিৰ খাজানা লাভ হয় ২১ লক্ষ টকা। কৰ বহুৱালে তাৰ পৰা প্ৰায় ২॥ আঢ়ই লক্ষ টকা পোৱা যায়।

(৫) চাহ খেতিৰ আয়ৰ ৭৫ ভাগ বৰ্ত্তমানে খেতিৰ আয় বুলি বাদ দিয়া হয়। এইফাকি ভাঙিব লাগে তাৰ ওপৰত কৰ হব লাগে।

(৬) যি বোৰ মধ্যবিত্ত মানুহে বিনা কৰে সকলো উপভোগ কৰি আছে তেওঁলোকৰ ওপৰত উপযুক্ত কৰ বহুৱাব লাগে।

(৭) ৰাজহ যিমানে বাঢ়ে সিমানে খৰচ হয় শাসন আৰু পুলিচ বিভাগত। এই দুৰ্নীতি ৰোধ কৰিবলৈ নতুন কৰ যিবোৰ বহুৱা হয় তাক সদায় ear mark কৰি লগাব লাগে। যেনে education less, road less, medical less ইত্যাদি ৰূপে।

খাজানাৰ তাৰতম্যলৈ আমি আগতে কৈ আহিছোঁ। এটা কথালৈ চকু দিয়া হোৱা নাই। সেইটো হৈছে এই যে আমাৰ ভালে খিনি মাটি চিৰস্থায়ী বন্দবস্তত আৰু ভালে খিনি খাচ। ইয়াৰ ফল হৈছে এই যে খাচ বিলাকৰ ওপৰত খাজানাৰ বোজাই হেচি ধৰিছে। এতিয়া জমিদাৰৰ খাজানা আমি বঢ়াব নোৱাৰোঁ সঁচা; কিন্তু আমাৰ খাজানা কমাই দিব পাৰোঁ। আৰু সেই জমিদাৰে ৰায়তৰ খাজানা কমাবলৈ বাধ্য হব। তেনে হলে এই ব্যৱধান গুচে। তাৰ পিচত যি খিনি ৰাজহ কম পৰে তাক আমি মানুহৰ আয়ৰ অনুপাতে আদায় কৰিব পাৰোঁ।

মাটিৰ খাজানা কমিলে চৰকাৰ নচলা কথা সম্পূৰ্ণ অলীক ভীতি (bug-bear)। বঙ্গদেশে মাটিৰ খাজানা শতকৰা ৪ ভাগে নাপায় অথচ

বঙ্গ চৰকাৰ চলি আছে। বিহাৰ, উৰিষ্যা, যুক্ত প্ৰদেশ আৰু মধ্য প্ৰদেশৰো একেই অৱস্থা। তেওঁলোকৰ যদি চলে আমাৰ ’নচলে কিয় ?—একোই বুজিব নোৱাৰোঁ। মাটিৰ কৰ কমাই যদি আন কৰৰ পৰা তাক আদায় কৰা যায় তেন্তে চৰকাৰ কিয় নচলে ? কেৱল তাৰপৰা উপকাৰ হব এই খিনি যে এতিয়া খাজানাৰ বোজা পৰিছে খাচ মাটিৰ ওপৰত—নিতান্ত গৰিব প্ৰজাৰ ওপৰত, তেতিয়া পৰিব সকলোৰে ওপৰত সমানে মানুহৰ বছৰি আয় অনুপাতে।

ঠিক এই নীতিকেই পৃথিবীৰ সকলো দেশতেই মানি আহিছে। অসমৰ দৰে কিছুমান আন আন দেশতো মাটিৰ খাজানা বঢ়াই চাইছিল, সি সম্পূৰ্ণ বিফল হৈছে। গতিকে পৃথিবীৰ সমুদায় দেশৰেই বৰ্ত্তমান নীতি হৈছে মাটিৰ খাজানা অতি কম কৰি দিয়া। আৰু বাকী ৰাজহ progressive taxation আয় অনুসৰি কৰ বহুৱাই আদায় কৰা।

## বিভিন্ন দেশৰ মাটিৰ খাজানাৰ নিৰিখ

ফ্ৰেঞ্চ—১৯১৪ চনৰ আইন মতে annual valueৰ শতকৰা ৪ ভাগ। ১৯১৭ চনত ৫ ভাগ আৰু ১৯২০ চনত ১০ ভাগ ( যুদ্ধৰ বাবে ) কৰা হয়। মাটিৰ যি উৎপন্ন হয় তাৰে পৰা খৰচ ( Cost of production ), খেতিয়ক আৰু তেওঁৰ পৰিয়ালৰ পৰিশ্ৰমৰ মূল্য ( value of the labourof the cultivator and his family on the holding ) আৰু ব্যৱসায়ৰ উপযুক্ত লাভ ( Return for the enterprise ) বাদ দি যি থাকে তাক কয় মাটিৰ annual value বুলি।

ইটালী—ইটালীত মাটিৰ খাজানা দুই ৰকমৰ—( ১ ) মাটিৰ Economic rentৰ ওপৰত শতকৰা ১০ ভাগ। Economic rent আৰু annual value কাৰ্য্যতঃ একে। ( ২ ) সমুদায় খৰচ বাদে খেতিয়কৰ যি ৰাহি থাকে তাৰ ১৮ ভাগ। কিন্তু, যাৰ তেনে ৰাহি বছৰি ৮০ টকাৰ কম হয় তাৰ পৰা কৰ নলয়।

বুলগেৰীয়া—১৯২৩ চনত মাটিৰ খাজানা বহুৱাইছে annual valueৰ ওপৰত।

চুইডেন—১৯ শতিকাৰ শেষ ভাগত মাটিৰ খাজানা উঠাই দিয়া হৈছে। তাৰ ঠাইত ; খেতিয়কৰ আয় অনুসৰি আয় কৰ বহুৱা হৈছে। দৰে বছৰে , ৰে বছৰে মাটিবোৰৰ এটা মূল্য নিৰূপণ কৰা হয়। খেতিয়কে নিজৰ বছৰেকীয়া আয়ৰ হিচাপ দাখিল কৰিব পাৰে। নহলে

সেই মূল্যৰ ১২ ভাগৰ ১ ভাগ খেতিয়কৰ বছৰি আয় বুলি নিৰ্দ্ধাৰণ কৰে।

নিউজিলেণ্ড—নিউজিলেণ্ডত যি খেতিয়কৰ মাটিৰ মূল্য ৪৫০০৲ টকাৰ কম সেই খেতিয়কৰ মাটিৰ খাজানা নাই। তাতকৈ বেচি বিলাকৰ মাটিৰ মূল্য পাউণ্ডত $\frac{1}{১৬}$ পেণীৰ পৰা ৩ পেঞ্চ লৈকে।

চীন—চীন দেশত মাটিৰ খাজানা দিয়া হয় দুই ভাগত। এভাগত টকাৰে আন ভাগত শস্যৰে।

জাপানত—মাটিৰ দামৰ শতকৰা ২৫ ভাগ বা বছৰি আয়ৰ •০৪ ভাগ।

এই সমুদায় বিচাৰ কৰি Indian taxation Enquiry Committee মত দিছে—" What the committee would recommend is that for the future the basis of the settlement should be annual value by which term they mean the gross produce less cost of production including the value of labour actually expended by the farmer and his family on the holding and return of for enterprise. "

অৰ্থাৎ এই কমিটিৰ মতে মাটিৰ খাজানাৰ নিৰিখ হব লাগে এই মাটিৰ বাৰ্ষিক মূল্যৰ ( annual value ) ওপৰত। খেতিৰপৰা পোৱা শস্যৰ যি দাম তাৰ পৰা খেতিৰ খৰচ, খেতিয়ক আৰু পৰিয়ালে কৰা পৰিশ্ৰমৰ মূল্য আৰু ব্যৱসায়ৰ সাধাৰণ লাভ, এই এটাই খিনি বাদদি যি খিনি থাকে সেই খিনিকেই এই কমিটিয়ে কৈছে মাটিৰ বাৰ্ষিক মূল্য বুলি। এই মতে হিচাপ কৰিলে আমাৰ মাটিৰ বাৰ্ষিক মূল্য ( annual value ) নিতান্ত কম। খেতিৰ খৰচ বছৰি ১০৲ টকা, খেতিয়কৰ আৰু ৪ বছৰ তেওঁৰ পৰিয়ালৰ পৰিশ্ৰমৰ মূল্য ৯০ টকা, গৰু এহাল যদি ৪ বছৰ সক্ষম ভাবে টিকে বুলি ধৰা যায়, তেন্তে খৰচে পটি অন্ততঃ বছৰে পৰে ১৩৲ টকা, সাধাৰণ ব্যৱসায়ৰ আয় ২০৲ টকা ধৰা হয়, তেন্তে সৰ্ব্বমুঠ খৰচ হয় ১৪৩৲ টকা। অৰ্থনৈতিক বিজ্ঞান মতে নিয়োজিত মূল-ধনৰ ওপৰত ন্যায্য সুত খৰচৰ ভিতৰত ধৰা উচিত। সেয়ে হলে ৫ পুৰা মাটিৰ দাম পুৰাই প্ৰতি ৫০৲ টকা কৈ ২৫০৲ টকা ধৰিলে আৰু গৰু হালৰ দাম ৫০৲ টকা ধৰিলে মোট ৩০০৲ টকাৰ ওপৰত ১৮৲ টকা সুত হাৰে ৫৪৲ টকা আৰু খৰচত ধৰিব লাগে। এই মতে মাটিৰ বাৰ্ষিক মূল্য কাৰ্য্যত নাইকীয়া হয়। কিন্তু এই টকাৰ সুত আৰু ব্যৱসায়ৰ সাধাৰণ আয় বাদ দিলেও ৫ পুৰা মাটিৰ বাৰ্ষিক মূল্য হয় মাত্ৰ ২২৲ টকা। ইয়াৰ $\frac{1}{২}$ ভাগ যদি খাজানা ধৰা হয়

তথাপি খাজানা হব লাগে ২॥৵০ অনা। বৰ্ত্তমানে আছে ১৬॥ টকা। অৰ্থাৎ আমি দেখুৱাব খুজিছোঁ যে চৰকাৰ গৃহীত নীতি অনুসাৰেও মাটিৰ খাজানা ভুলকৈ বেচিকৈ ধাৰ্য্য কৰা হৈছে।

## লোকেল বোৰ্ড

আগতে কোৱা হৈছে যে প্ৰজাৰ হিতকৰ সকলো কামৰ দায়িত্ব দিছে লোকেল বোৰ্ডক অথচ তাৰ বাবে টকা হলে দিয়া নাই। গতিকে প্ৰজাৰ উপকাৰলৈ একো কাৰ্য্যতঃ হৈ উঠা নাই। ভিন ভিন দেশৰ নীতিলৈ চালে দেখা যায় মাটিৰ খাজানা যিমান দূৰ পাৰে কমায় চৰকাৰে লোকেল ৰেট বেচি কৰি দিছে। আমাৰ ইয়াতো মাটিৰ খাজানাৰ টকাই প্ৰতি যদি এক অনাকৈ লোকেল ৰেট কৰি দিয়ে তেন্তে আমাৰ লোকেল বোৰ্ডৰ বহুতখিনি আয় বাঢ়ে। দ্বিতীয়তে ই অসমত থকা প্ৰজা আৰু জমিদাৰী প্ৰজাসকলৰ মাজত থকা বৈষম্য অনেক দূৰ কৰে। এতিয়া দেখা যায় অসম উপত্যকাত প্ৰত্যেক লোকেল বোৰ্ডৰ যিমান আয় হয় সিমান খিনি আয় প্ৰাদেশিক চৰকাৰে গ্ৰাণ্ট দিয়ে কিন্তু চিলেটত যিমান আয় হয় তাৰ দুগুণ দিয়ে। এতিয়া যদি আমাৰ যি মাটিৰ খাজনা আদায় হয় তাৰে টকাত এক অনাকৈ লোকেল ৰেট কৰি দিয়ে তেন্তে আমাৰ লোকেল বোৰ্ডৰ আয় দুগুণ বাঢ়ে, প্ৰজাৰো উপকাৰ অনুপাতে বাঢ়ে আৰু চিলেটৰ লগত বৈষম্যও নাইকিয়া হয়।

এই সকলোবোৰ দেখাত আমূল পৰিবৰ্ত্তন (revolutionary) যেন লাগিব পাৰে কিন্তু এটা দেউলীয়া, নিৰন্ন, নিজে উঠিব নোৱাৰা জাতিক তুলিব লাগিলে এটা big and bold plan হাতত লবই লাগিব। নহলে ভাঙ্গা বেৰত চুণ তেল দি পয়চাও খৰচ হয় আৰু প্ৰজাৰো একো নহয়। আজি কৃষি, শিল্প আৰু সমবায় বিভাগৰ এই অৱস্থা। খাজানা কমাই দিলে যে খেতিয়কৰ সকলো দুখ মোচন হব তেনে নহয়। কিন্তু নিৰন্ন প্ৰজাৰ প্ৰাণ ৰক্ষা হব; পিচে প্ৰাণ ৰক্ষা কৰাই জীৱন নহয়। সেইবাবে চৰকাৰে এনে ভাবে এটা plan হাতত লব লাগিব যাৰ দ্বাৰা প্ৰজাৰ আয় দিনক দিনে বাঢ়ে। তাৰ বাবে লাগে টকা আৰু সেই টকা উলিয়াব লাগিব—ধনীসকলক টেক্স কৰি আৰু চৰকাৰৰ শাসন খৰচ কমাই।

গতিকে প্ৰজাৰ উপকাৰৰ অৰ্থে আমাৰ ৰাজহ নীতি এনে ভাবে চলিব লাগিব যাতে—

(১) গৰিবৰ ওপৰত থকা বৰ্ত্তমান খাজানাৰ বোজা অৰ্দ্ধেক কমি যায়।

(২) ধনীৰ ওপৰত, বিশেষকৈ uncarned incomeৰ ওপৰত থকা টেক্স যথেষ্ট পৰিমাণে বাঢ়ে।

(৩) শাসন খৰচ আগলে খিনি কমে আ।

(৪) লোকহিতকৰ বিভাগত খৰচ এনে পৰিমাণে বাঢ়ে যাতে প্ৰজাৰ আয় বঢ়াবলৈ এটা big and bold plan হাতত লব পাৰি।

# —জাগে আজি পুৰোহিত—

সম্মুখত অগ্নি
শিখা উঠে জ্বলি,
প্ৰলয় দেৱতা
কৰে মহাধ্বনি,
বিশ্ব চৰাচৰ,
আকাশ, বতাহ
  ভেদি হয় নিনাদিত,
  আজি জাগে পুৰোহিত !

উল্কা-বজ্ৰ-বৃষ্টি,
ধুমুহা গৰ্জ্জন,
হিয়া মানৱৰ
আতঙ্কত আজি,
উঠে কঁপি ঘনে,
সত্য-আশা-শান্তি
  ধ্বংশ গৰ্ভে নিমৰ্জ্জিত,
  আজি জাগে পুৰোহিত !

অন্ধ অতীতৰ
চিন্ চাব্ নাই,
প্ৰলয় পয়োধি
নাই পাৰাবাৰ,
আৰ্ত্তনাদ আৰু
মহা-আলোড়ন,
  অমঙ্গল অগণিত,
  আজি জাগে পুৰোহিত !

ভৱিষ্যৰ আলো
অন্ধকাৰ গিলি,
সৃষ্টি প্ৰহেলিকা
একোকে নমনি,
এই বৰ্ত্তমান,
অস্থিৰ চঞ্চল,
  দৃষ্টি হয় মহাভীত,
  আজি জাগে পুৰোহিত !

ধ্বংস যজ্ঞ আজি
প্ৰায় সমাহিত,
দীপ্ত সুৰে বাজি
উঠে শঙ্খনাদ,
নৱ অভিযানে
দিয়ে মুক্তি জান,
  অনাগত প্ৰপীড়িত,
  আজি জাগে পুৰোহিত !

কোলাহল শুনা
সুদূৰ মাৰ্গত,
ৰণ ভঙ্গ দিলে
মদ মত্ত দল,
সাম বেদ গান
জগত কঁপাই
  হয় স্ফুট মুখৰিত,
  আজি জাগ্ৰত পুৰোহিত।

সত্য-শিৰ নিজে
ধৰি ধনুৰ্বাণ,
হয় আবিৰ্ভাৱ,
শঙ্কা হীন চিত
বক্ষ গৰ্ব্বে স্ফিত,
নৱ যুগ নৱ
ভাৱে হয় আলোড়িত,
( আজি ) জাগে পুৰোহিত !

সুশুভ্ৰ কেতন
আকাশ চুমিছে,
বিজয় বাৰতা,
বিশ্বক জনাই
ভবিষ্য নিজেই
চোঁৱা শুভক্ষণ
হয় আহি উপনিত,
( আজি ) জাগ্ৰত পুৰোহিত !

অন্ধকাৰ ঠেলি,
আলোকৰ ৰেখা,
ধৰাত তুলিছে
আনন্দৰ ঢউ,
চেতনা লভিছে
অচেতন প্ৰাণ,
অস্ত ভানু নবোদিত,
( আজি ) জাগে পুৰোহিত !

পৰ্ব্বত-কন্দৰ,
সৰগ-মৰত,
গগন-পবন,
স্বাগত সঙ্গীত গাই,
হ'ই উঠে উল্লাসিত
(আজি ) জাগ্ৰত পুৰোহিত